# Namghoshar Samikshatmak Adhyan

## A Collection of Critical Aesthetic Studies of the Namghosha

Edited by Sri Jibakanta Nath

Uploaded by the Literature Branch of
Srimanta Sankaradeva Sangha

# নাম-ঘোষাৰ সমীক্ষাত্মক অধ্যয়ন

## (প্ৰবন্ধ সংকলন)

জয় গুৰু শংকৰ

শ্ৰীমন্ত শংকৰদেৱ সংঘ

সম্পাদক

## জীৱকান্ত নাথ

শ্ৰীমন্ত শংকৰদেৱ সংঘ

**Namghosar Samikhyatmak Adhyayan :** A Collection of devotional and esthetic critical Essays on Namghosa edited by Jiba Kanta Nath. M.A.M.Phil. and published by Hariprasad Hazarika, General Secretary, for and on behalf of Srimanta Sankardeva Sangha.

*2nd edition 2007, January.* *Price Rs. 125.00 only*

(C) শ্ৰীমন্ত শংকৰদেৱ সংঘ

প্ৰকাশক ঃ হৰিপ্ৰসাদ হাজৰিকা, প্ৰধান সম্পাদক
শ্ৰীমন্ত শংকৰদেৱ সংঘ

প্ৰথম সংস্কৰণ ঃ ১১ অক্টোবৰ,২০০১ (মৰিগাঁও জিলা শাখা)
দ্বিতীয় সংস্কৰণ ঃ ৩১ জানুৱাৰী ২০০৭ (শ্ৰীমন্ত শংকৰদেৱ সংঘ)

মূল্য ঃ ১২৫.০০ (এশ পঁচিশ) টকা

প্ৰচ্ছদ পৰিকল্পনা ঃ কমলাকান্ত বৰা

অক্ষৰ বিন্যাস ঃ শাশ্বত প্ৰকাশন
ন-ভেটি, ৱাৰ্ড নং - ৫
মৰিগাঁও ঃ অসম

মুদ্ৰক ঃ মাতৃ অফছেট , হেদায়তপুৰ, গুৱাহাটী

# প্ৰথম সংস্কৰণৰ গ্ৰন্থ প্ৰকাশন উপ-সমিতি

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | শ্ৰীভৱপ্ৰসাদ চলিহা |
| | | শ্ৰীসদানন্দ মহন্ত |
| | | শ্ৰীদুৰ্গেশ্বৰ বৰুৱা |
| | | শ্ৰীপুনিৰাম পাতৰ |
| | | শ্ৰীপূৰণ চন্দ্ৰ ডেকা |
| | | শ্ৰীগোলাপ নাথ |
| | | শ্ৰীপ্ৰদীপ কুমাৰ বৰা |
| | | শ্ৰীমিলেশ্বৰ পাতৰ |
| | | শ্ৰীধীৰেন চন্দ্ৰ কাকতি |
| সভাপতি | ঃ | শ্ৰীজীৱকান্ত নাথ |
| উপ-সভাপতি | ঃ | শ্ৰীনাৰায়ণ শইকীয়া |
| সম্পাদক | ঃ | শ্ৰীৰণ্টুমণি শইকীয়া |
| সহকাৰী সম্পাদক | ঃ | শ্ৰীস্বৰূপ কুমাৰ নাথ |
| সদস্য/সদস্যা | ঃ | শ্ৰীউষাৰাণী দত্ত মজুমদাৰ |
| | | ড° কমল চন্দ্ৰ নাথ |
| | | শ্ৰীঅংশুমান দাস |
| | | শ্ৰীতপন চৌধুৰী |
| | | শ্ৰীঅতুল চন্দ্ৰ নাথ |
| | | শ্ৰীভুজেন ডেকা |
| | | শ্ৰীমতি পাতৰ |
| | | শ্ৰীৰাজেন কুমাৰ নাথ |

# আগকথা (প্ৰথম সংস্কৰণ)

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ মৰিগাঁও জিলা শাখাৰ নিৰ্দেশত সাহিত্য শাখাই গুৰুজনাৰ ধৰ্ম, সাহিত্য, সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে কেইখনমান গ্ৰন্থ প্ৰকাশৰ এক প্ৰস্তাৱ আৰু পৰিকল্পনা ২০০০ চনতে গ্ৰহণ কৰিছিল। **২০০১** চনৰ **১১, ১২, ১৩** আৰু **১৪** অক্টোবৰত মৰিগাঁৱত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ ৮ম বাৰ্ষিক কেন্দ্ৰীয় শিশু আৰু আইমাতৃ সমাৰোহ, ৫৫৪তম্ গুৰু আবিৰ্ভাৱ মহোৎসৱ আৰু মৰিগাঁও জিলা শাখাৰ ৰূপালী জয়ন্তী অধিৰেশনৰ সৈতে সঙ্গতি ৰাখি জিলা শাখাৰ আন্তৰিক প্ৰচেষ্টা, আদৰণী সমিতিৰ যথাযোগ্য ব্যৱস্থা আৰু সাহিত্যৰ সাধক জীৱকান্ত নাথৰ সম্পাদনা দক্ষতাৰ ফলস্বৰূপে 'নাম-ঘোষাৰ সমীক্ষাত্মক অধ্যয়ন' গ্ৰন্থভাগি প্ৰকাশিত হৈছে।

'নাম-ঘোষা' মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তিস্তম্ভ স্বৰূপ আৰু অসমীয়া নৱ-বৈষ্ণৱ সাহিত্যৰ এখনি শ্ৰেষ্ঠ গ্ৰন্থ। ই সকলো সাহিত্যিক গুণেৰে সমৃদ্ধ এক অনুপম সৃষ্টি আৰু মহাপুৰুষীয়া ধৰ্মৰ ভক্তি-তত্ত্ব নিৰূপক গ্ৰন্থ হিচাপে তুলনাবিহীন। এই মহান গ্ৰন্থভাগিৰ প্ৰতিটো দিশৰে সমীক্ষা, অধ্যয়ন, আলোচনা বা বিশ্লেষণ কৰি অন্ত কৰিব নোৱাৰি। যেনেভাৱেই ইয়াক বিশ্লেষণ কৰা যায় তেনেভাৱেই ইয়াৰ ৰস আস্বাদন কৰিব পাৰি। এই গ্ৰন্থভাগিত প্ৰায় দুকুৰিজন চিন্তাশীল লেখকৰ 'নাম-ঘোষা'ৰ বিভিন্ন দিশৰ আলোচনামূলক নিবন্ধ সন্নিবিষ্ট হৈছে। নিবন্ধসমূহৰ জৰিয়তে 'নাম-ঘোষা'ৰ প্ৰায় সকলো দিশ সামৰিবলৈ চেষ্টা কৰা হৈছে। এই আন্তৰিক প্ৰচেষ্টাৰ ফলস্বৰূপে পঢ়ুৱৈ সমাজ কিঞ্চিৎ উপকৃত হ'লেও জিলা শাখা তথা সাহিত্য শাখাৰ উদ্যোগ আৰু সম্পাদক জীৱকান্ত নাথৰ পৰিশ্ৰম সাৰ্থক হ'ব। আশাকৰো সংশ্লিষ্ট আটাইয়ে গ্ৰন্থভাগি আদৰি ল'ব।

সেৱাৰে—

**শ্ৰীমিলেশ্বৰ পাতৰ**
সভাপতি
সাহিত্য শাখা
মৰিগাঁও জিলা শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ

তাৰিখ ঃ **১১/১০/০১**

# প্ৰকাশকৰ একাষাৰ

মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষাৰ সম্পৰ্কে অসমীয়া সমাজত পুনৰ বিশ্লেষণ কৰাৰ প্ৰয়োজন নাই। ইতিমধ্যে অনেক জন পণ্ডিতে নাম-ঘোষাৰ সম্পৰ্কে বিভিন্ন মতামত সন্নিবিষ্ট কৰি গ্ৰন্থ প্ৰণয়ন কৰিছে। ইংৰাজী, হিন্দী, বঙালী, উড়িয়া আদি ভাষালৈও নাম-ঘোষা অনুবাদ কৰা হৈছে। তীৰ্থনাথ গোস্বামী, হৰিনাৰায়ণ দত্তবৰুৱা, কৃষ্ণানন্দ ব্ৰহ্মচাৰী, ইলাৰাম দাস আদি অনেক শীৰ্ষস্থানীয় পণ্ডিতে নাম-ঘোষাৰ ভাষ্য ৰচনা কৰিছে। ইয়াৰ পাচতো 'নাম-ঘোষা' সম্পৰ্কে আলোচনা কৰাৰ স্থল আছে বুলিয়েই ক'ব পাৰি। 'নাম-ঘোষাৰ সমীক্ষাত্মক অধ্যয়ন' এই গ্ৰন্থখনিতো মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষাৰ বিভিন্ন দিশ সামৰি আলোচনা কৰা হৈছে। নাম-ঘোষা গ্ৰন্থখনি বিশ্ব সাহিত্যৰ সমশাৰীত স্থান পাব লগা গ্ৰন্থ হিচাপে গুৰুত্ব আৰোপ কৰি সমীক্ষা কৰা হৈছে।

'নাম-ঘোষাৰ সমীক্ষাত্মক অধ্যয়ন' গ্ৰন্থখনি ২০০১ খ্ৰীঃতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ মৰিগাঁও জিলা শাখাই প্ৰকাশ কৰিছিল। গ্ৰন্থখনি সম্পাদনা কৰি মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীজীৱকান্ত নাথদেৱে মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। গ্ৰন্থখনিয়ে বিদ্বৎ সমাজৰ পৰা যথেষ্ট সমাদৰ লাভ কৰিছে। বিভিন্নজন চিন্তাশীল লেখকৰ ভাব অনুভূতিয়ে মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষাৰ সম্পৰ্কে কৰা সুন্দৰ ব্যাখ্যাই গ্ৰন্থভাগিক সুখপাঠ্য কৰি তোলাত পাঠক সমাজৰ পৰা আশানুৰূপ সহাৰি লাভ কৰা হৈছে। বৰ্তমান গ্ৰন্থভাগিৰ চাহিদালৈ লক্ষ্য ৰাখি ২ য় সংস্কৰণ প্ৰকাশ কৰা হ'ল। ২য় সংস্কৰণ প্ৰকাশৰ স্বত্ব মৰিগাওঁ জিলা শাখাই শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সাহিত্য শাখাক অৰ্পণ কৰিছে। সেয়েহে, গ্ৰন্থখনি মূল কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত ক্ৰমে প্ৰকাশ কৰা হ'ল।

আমি আশা কৰিছোঁ, ২য় সংস্কৰণ হিচাপে প্ৰকাশ হোৱা এই গ্ৰন্থখনিয়ে পূৰ্বতকৈয়ো অধিক আকৰ্ষণীয় হৈ পাঠকৰ সমাদৰ লাভ কৰিব পাৰিব।

পৰিশেষত গ্ৰন্থখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰাওঁতা প্ৰতিগৰাকী স্বনামধন্য নিবন্ধকাৰলৈ আমাৰ কৃতজ্ঞতা থাকিল। সম্পাদক শ্ৰীজীৱকান্ত নাথদেৱলৈকো ধন্যবাদ জ্ঞাপন কৰিলোঁ। আকৰ্ষণীয়কৈ ছপা-বন্ধা কৰা মাতৃ প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰ শ্ৰীকমলাকান্ত বৰালৈ ধন্যবাদ জনাই সামৰিলোঁ।

ইতি
দাসানুদাস
**শ্ৰীহৰিপ্ৰসাদ হাজৰিকা**
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ।

নগাঁও
১৬/১/২০০৭

# নিবেদন

মহাপুৰুষ মাধৱদেৱৰ 'নাম-ঘোষা' জগতৰ ভক্তি কাব্যসমূহৰ ভিতৰত এখনি ৰসোত্তীৰ্ণ আৰু অতি উচ্চ মানদণ্ডৰ কাব্য। মহাপুৰুষ শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত একশৰণ নামধৰ্মৰ সমস্ত গুণ তথা বৈশিষ্ট্য প্ৰকাশক এখনি অনুপম গ্ৰন্থ হ'ল নাম-ঘোষা। আনহাতেদি মহাপুৰুষ মাধৱদেৱে আধ্যাত্মিক আৰু সাহিত্যিক জীৱনত যিসমূহ গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া সাহিত্যৰ স্বৰ্ণ সৌধ চিৰকালৰ বাবে নিৰ্মাণ কৰি গ'ল, সেইসকলৰ ভিতৰতো নাম-ঘোষাই সৰ্বোৎকৃষ্ট। সমগ্ৰ আধ্যাত্মিক জীৱনত বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰি লাভ কৰা জ্ঞান, গুৰু শঙ্কৰদেৱ আৰু ভকত সজ্জনৰ পৰা অৰ্জন কৰা অভিজ্ঞতাৰ বৰ্ণময় ভাব অনুভূতিৰ কাব্যাত্মক প্ৰকাশেই হ'ল মহাপুৰুষীয়া ধৰ্মৰ বেদস্বৰূপ নাম-ঘোষা গ্ৰন্থ। গ্ৰন্থখনি শুভাৰম্ভ কৰিছে ভকত ভগৱন্তৰ গুণ তথা মহিমা প্ৰকাশক এটি অতি অৰ্থবহ ঘোষাৰে--

মুক্তিতো নিস্পৃহ যিটো　　সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মণি　　নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।

ভক্ত কৰি মহাপুৰুষ মাধৱদেৱে একশৰণ ভক্তিতত্ত্বৰ অনুপম গ্ৰন্থ 'নাম-ঘোষা'ৰ প্ৰথমটি স্তৱকতেই গ্ৰন্থখনিৰ প্ৰতিপাদ্য বিষয়ৰ আগজাননী দিছে। ভকতক লাগে কেৱল ভকতিহে। হৰি ভক্তিত কোনো স্বাৰ্থ নাই। একান্তভাৱে প্ৰাণ ভৰি ভগৱন্তৰ প্ৰেমত নিমজ্জিত হ'ব পৰাটোৱেই ভকতৰ একমাত্ৰ কাম্য, কিয়নো--

হৰি নামে হৰি নামে হৰি নামে গতি।
হৰি নামে ভকতৰ কেৱলে ভকতি।।

ভক্ত মাধৱে মুক্তিৰ কামনা কৰা নাই। মুক্তিৰ স্বাৰ্থ থাকিলে প্ৰকৃত প্ৰেম বা প্ৰকৃত ভক্তি হ'ব নোৱাৰে। হৰি ভক্তি সিদ্ধ হয় ভকতৰ সঙ্গত । সেয়েহে ভগৱন্তৰ সেৱা জনোৱাৰ পূৰ্বেই সেৱা জনাইছে মুক্তিৰ প্ৰতি স্পৃহা নথকা ৰসময় ভকতিৰ মহাসাগৰত অৱগাহন কৰি থকা একান্ত ভক্তক। ভগৱন্তৰ প্ৰতিমূৰ্তিয়েই হ'ল ভকত। একান্ত ভকতৰ হাতৰ মুঠিতেই লুকাই থাকে ভকতৰ বশ্য ভগৱান। সেয়েহে মাধৱ মহাভক্তজনে হৃদয়ঙ্গম কৰিছে বৰ গভীৰভাৱে যে ভকতক ধৰিব পাৰিলেই ভগৱন্তক লগ পোৱা যাব। ভগৱান কৃষ্ণই উদ্ধৱৰ আগত কৈছে—

ভকতেহে মোৰ হৃদি জানিবা নিশ্চয়।
ভকতজনৰ জানা আমিসে হৃদয়।।
মঞি বিনা ভকতে নিচিন্তে কিছু আন।
ভকতত পৰে মই নিচিন্তোহো আন।।

মাধৱদেৱে নাম-ঘোষাত এনে ঘোষণাকেই দিছে যে যুগ-যুগান্তৰলৈ যেন একান্ত ভকতৰ সঙ্গ লাভ কৰি মানবী তনু সাৰ্থক কৰিব পাৰে—

কৃপাৰ সাগৰ　　দৈৱকী নন্দন
পুৰিয়ো মনৰ কাম।
ভকতৰ সঙ্গ　　সদা নুগুচোক
মুখে তুৱা গুণ নাম।।

ভগৱন্তৰ নামেই একান্ত ভক্তৰ পৰম সম্পদ। ভকতৰ পৰম ধন এই নামবস্তুকেই প্ৰকাশ কৰিছে সমস্ত নাম-ঘোষা মহাগ্ৰন্থখনিৰ যোগেদি। সেয়েহে গ্ৰন্থখনিৰ নাম 'নাম-ঘোষা'। কলিকালত মলমতি মনুষ্যই আগম পন্থৰ যোগেদি উদ্ধাৰ পাব নোৱাৰে বুলি মহাপুৰুষজনাই ঘোষণা কৰিছে। কলিত হৰি কীৰ্তনেহে জীৱক একমাত্ৰ গতি দিব পাৰে—

অব্যক্ত ঈশ্বৰ হৰি　　কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাৱন্ত মূৰ্ত্তি শূন্য　　কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন।।

হৰিৰ কীৰ্তন কৰি জীৱক গতি দিব পৰা পথৰ সন্ধান দিলে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই। সেয়েহে নাম-ঘোষাত মাধৱ মহাপুৰুষে—

শ্ৰীমন্ত শঙ্কৰ　　হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায়　　নাই নাই নাই
আমাৰ পৰম গুৰু।

বুলি মুক্ত কণ্ঠে বাৰে বাৰে ঘোষণা কৰিছে। মাধৱদেৱৰ দৃষ্টিত এইজন পৰম গুৰু শঙ্কৰদেৱ আৰু বৈকুণ্ঠৰ নিৰ্গুণ নিৰাকাৰ পৰমব্ৰহ্ম নাৰায়ণৰ মাজত একো পাৰ্থক্য নাই, কেৱল দুয়োজন শৰীৰতহে পৃথক। মহাপুৰুষ গুৰুজন ঈশ্বৰেই প্ৰতিমূৰ্তি। পাপ পঙ্কিলতাৰ মহাসাগৰত ডুব গৈ কক্‌বকাই থকা জীৱসমূহৰ কল্যাণ তথা পৰিত্ৰাণৰ বাবেই নৰ-সমাজত ভক্ত আৰু গুৰুৰূপে অৱতাৰ গ্ৰহণ কৰিছেহি-

হৰি যেন আতি কৃপাময় ভক্ত গুৰুজনো সেহি নয়
দুয়োজন এক শৰীৰত মাত্ৰ ভিন্ন।
কৃপা-ৰসে তুষ্ট হুয়া চিত্ত লোকৰ হিতক চিন্তি নিত
নিজগুণে তুষ্ট দুয়ো অহঙ্কাৰে হীন।।

সেয়েহে, জ্ঞান, বিজ্ঞান, তদঙ্গ, ৰহস্য অৰ্থাৎ গুৰু, দেৱ, নাম আৰু ভকতেই-মহাপুৰুষীয়া ধৰ্মৰ এই চাৰিবস্তুয়েই নাম-ঘোষাৰো সাৰবস্তু।

ইয়াৰ উপৰি নাম-ঘোষাত বহুতো বিষয়ৰ অৱতাৰণা কৰিছে। বিশেষকৈ মায়াৰ স্বৰূপ আৰু ইয়াৰ তৰণৰ উপায়, একশৰণ তত্ত্ব, কলিযুগৰ মাহাত্ম্য, ভাৰতবৰ্ষৰ মাহাত্ম্য, মুক্তি আৰু ভকতিৰ সম্পৰ্ক, ভক্তিৰ অহৈতুকিতা, নৱবিধ ভকতিৰ ভিতৰত শ্ৰৱণ-কীৰ্ত্তনৰ প্ৰাধান্যতা, মাধৱ ভক্তজনৰ দাস্য ভকতি তথা অৰ্পণ ভকতিৰ চূড়ান্ত অৱস্থা আদি একশৰণ নামধৰ্মৰ তত্ত্ব প্ৰকাশ কৰিছে।

সাহিত্য হিচাপেও নাম-ঘোষাৰ মূল্য অপৰিসীম। ধ্ৰুপদী সাহিত্য হিচাপে নাম-ঘোষাই গ্ৰন্থখনিৰ জন্মলগ্নৰে পৰা পাঠকসমাজৰ মাজত অসীম প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ড° কাকতিৰ ভাষাত--"সাহিত্য হিচাপে ইয়াৰ মূল্য গভীৰ ভক্তি ৰসত।.......... নাম-ঘোষা পুথি পঢ়িলে ছন্দৰ ঝংকাৰ, ভাষাৰ মাধুৰ্য, ভাৱৰ প্ৰগাঢ়তা সকলোকে অতিক্ৰম কৰি মনঃচক্ষুৰ দৃষ্টি পৰে মাধৱদেৱৰ ভক্তি-কাতৰ কৰুণ মূৰ্ত্তিত।" ভক্তিৰসৰ নিজৰা গ্ৰন্থখনিৰ ইমূৰৰ পৰা সিমূৰলৈকে সাৱলীলভাৱে নিগৰি ওলাইছে উপমা, ৰূপক, অনুপ্ৰাস আদি অলংকাৰৰ সুষম প্ৰয়োগেৰে। ছবি, দুলড়ী,, লেছাৰি আৰু পদ ছন্দৰ উপৰি শৰণ-ছন্দ আৰু নাম-ছন্দ নামৰ কবিজনৰ দুটি নিজা ছন্দৰ আৰ্হি দাঙি ধৰিছে। ধ্ৰুপদী সাহিত্য তথা ধৰ্ম গ্ৰন্থ হিচাপে তৎসম আৰু অৰ্দ্ধ তৎসম শব্দৰ সৰ্বাধিক প্ৰয়োগে গ্ৰন্থখনিৰ পৰিৱেশ ৰক্ষা কৰি এক মহত্ব আৰু গাম্ভীৰ্য প্ৰদান কৰিছে।

'নাম-ঘোষাৰ সমীক্ষাত্মক অধ্যয়ন' শীৰ্ষক এই গ্ৰন্থখনি প্ৰধানকৈ ছাত্ৰ-ছাত্ৰী আৰু অনুসন্ধিৎসু পাঠকৰ কথা ভাবিয়েই সংকলন আৰু সম্পাদনা কৰা হৈছে। গুৰুজনাৰ পৱিত্ৰ একশৰণ নামধৰ্মৰ প্ৰচাৰ-প্ৰসাৰো গ্ৰন্থখনি প্ৰকাশৰ অন্যতম উদ্দেশ্য।

নাম-ঘোষাৰ সকলো দিশ সামৰি প্ৰবন্ধ সংগ্ৰহ কৰিবলৈ যত্ন কৰা হৈছিল যদিও দুই চাৰিজন লেখকে সময়ৰ মূৰত প্ৰবন্ধ লিখি নিদিয়াৰ বাবে কিছু দিশ গ্ৰন্থখনত আলোচিত নহ'ল। পাঠকসমাজৰ মাজত গ্ৰন্থখনিয়ে সমাদৰ লাভ কৰিলে ভৱিষ্যতলৈ তেনে বিষয়সমূহ সন্নিবিষ্ট কৰাৰ আশা থাকিল।

প্ৰবন্ধসমূহৰ ভিতৰত কেইটিমান তথ্য গধূৰ তথা তত্বপূৰ্ণ প্ৰবন্ধ লেখকসকলৰ অনুমতি সাপেক্ষে গ্ৰন্থখনিত পুনৰ প্ৰকাশ কৰা হৈছে। এই প্ৰবন্ধসমূহ হ'ল ড° বাণীকান্ত কাকতিৰ 'নাম-ঘোষা', ড° নগেন শইকীয়াৰ 'মাধৱদেৱৰ নাম-ঘোষাঃ তত্ত্ব আৰু ৰস', ইলাৰাম দাসৰ 'নাম-ঘোষা ৰসামৃত', ড° প্ৰহ্লাদ কুমাৰ বৰুৱাৰ 'বেদান্ত আৰু নাম-ঘোষা', ড° কৰবী ডেকাহাজৰিকাৰ 'নাম-ঘোষাঃ এটি অৱলোকন', ড° পূৰ্ণানন্দ শইকীয়াৰ 'নাম-ঘোষাৰ শৰণ ছন্দ আৰু নাম-ছন্দঃ তাৎপৰ্য বিচাৰ', শ্ৰীকৈলাস দাসৰ 'নাম-ঘোষাৰ প্ৰথম ঘোষাঃ তত্ব আৰু ৰহস্য', শ্ৰীবাপচন্দ্ৰ মহন্তৰ 'ভক্তি সাহিত্য নাম-ঘোষা', শ্ৰীনীলকান্ত বৰাৰ 'নাম-ঘোষাৰ সাংগীতিক মূল্যায়ন'। শ্ৰদ্ধেয় লেখকসকললৈ আমাৰ কৃতজ্ঞতা আৰু সেৱা জনালোঁ।

যিসকল শ্ৰদ্ধেয় লেখক-লেখিকাই আমাৰ অনুৰোধ ৰক্ষা কৰি সময়মতে প্ৰবন্ধ প্ৰেৰণ কৰি গ্ৰন্থখনি প্ৰকাশৰ বাবে সুবিধা কৰি দিলে– সেইসকলৰ ওচৰত আমি চিৰঋণী। গ্ৰন্থখনিৰ শুধৰণি চোৱা, নকল কৰা আদিকে মুখ্য কৰি প্ৰয়োজনীয় সু দিহা-পৰামৰ্শ দি গ্ৰন্থ প্ৰকাশন উপসমিতিৰ সমূহ উপদেষ্টামণ্ডলী আৰু সদস্য সদস্যাসকলে যি অকুণ্ঠ সহায়-সহযোগ আগবঢ়ালে, তাৰবাবে সকলোৰে ওচৰত আমি চিৰকৃতজ্ঞ। বিশেষকৈ, মৰিগাঁৱৰ সৰ্বশ্ৰী নাৰায়ণ শইকীয়া, ৰণ্টুমণি শইকীয়া, স্বৰূপ কুমাৰ নাথ, উষাৰাণী দত্ত মজুমদাৰ, অংশুমান দাস, তপন চৌধুৰী, ভুজেন ডেকা, ৰাজেন কুমাৰ নাথ, বন্দনা দেৱী, ৰত্না বৰদলৈ, কাব্যপ্ৰভা ডেকা আৰু গুৱাহাটীৰ কমলাকান্ত বৰা, গীতাৰাণী ডেকা আদি মৰমৰ সহকৰ্মী, বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰীসকলে গ্ৰন্থখনিৰ প্ৰকাশৰ বিভিন্ন কাৰ্যত সহায়-সহযোগ কৰি দিয়াৰ বাবে

তেওঁলোক আমাৰ চিৰস্মৰণীয় হৈ থাকিব।

৮ ম বাৰ্ষিক শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ কেন্দ্ৰীয় শিশু আৰু আইমাতৃ সমাৰোহ, ৫৫৮ তম্ গুৰু আবিৰ্ভাৱ মহোৎসৱ আৰু মৰিগাঁও জিলা শাখাৰ ৰূপালী জয়ন্তীৰ অধিৱেশন উপলক্ষে গ্ৰন্থখনি প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। গতিকে আদৰণী সমিতিয়ে নাম-ঘোষাৰ দৰে মহৎ আৰু তত্ত্বপূৰ্ণ গ্ৰন্থ সম্পাদনাৰ দায়িত্ব দি প্ৰকাশৰ ব্যৱস্থা কৰি দিয়াৰ বাবে আদৰণী সমিতিৰ সভাপতি মাননীয় শ্ৰীপূৰণ চন্দ্ৰ ডেকা, সম্পাদক শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া, শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ মৰিগাঁও জিলা শাখাৰ মাননীয় সভাপতি শ্ৰীপুনিৰাম পাতৰ, জিলা সাহিত্য শাখাৰ মাননীয় সভাপতি শ্ৰীমিলেশ্বৰ পাতৰ আৰু সম্পাদক শ্ৰীপ্ৰদীপ কুমাৰ বৰাই যি উৎসাহ অনুপ্ৰেৰণা যোগালে, তাৰ বাবে তেখেতসকলকো আমাৰ আন্তৰিক সেৱা জনাইছোঁ।

অৱশেষত গ্ল'বেল প্ৰিণ্টাৰ্ছৰ কৰ্মকৰ্তাসকলে বৰ খৰখেদাকৈ যুদ্ধকালীন ক্ষিপ্ৰতাৰে গ্ৰন্থখনি প্ৰকাশ কৰি দিয়াত ভক্তবৃন্দ তথা পাঠকমণ্ডলীৰ লগতে আমাৰ যি উপকাৰ কৰিলে, তাৰ বাবে সকলো কৰ্মকৰ্তাৰ শলাগ ল'লোঁ। এনে এখন বৃহৎ কলেবৰৰ গ্ৰন্থ বৰ খৰখেদাভাৱে অধিৱেশন উপলক্ষে প্ৰকাশ কৰিবলগীয়া হোৱাৰ বাবে ভুল-ভ্ৰান্তি ৰৈ যোৱাটো স্বাভাৱিক। গতিকে সহৃদয় পাঠক-পাঠিকাৰ ওচৰত আমাৰ এটি সবিনয় নিবেদন এই যে গ্ৰন্থখনি নিজৰ বুলি ভাবি ভুল-ভ্ৰান্তি শুধৰাই লৈ আমাক কৃপা কৰে যেন। পাঠকবৃন্দৰ পৰা ভৱিষ্যতলৈ সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ আশা কৰি আমিও মহাপুৰুষ মাধৱদেৱৰ সুৰেৰেই পৰমেশ্বৰৰ চৰণত সেৱা জনাই আশা কৰিছোঁ—

হে কৃষ্ণ তযু পাদ পদ্ম  পঞ্জৰ ভিতৰে মোৰ মন
ৰাজহংস পশি থাকোক প্ৰভু সৰ্ব্বথা।
প্ৰাণ প্ৰয়াণৰ সময়ত  কফ বাত পিত্ত আদি যত
কণ্ঠ নিৰোধনে তোমাৰ স্মৰণ কথা।।

ন-ভেটি, মৰিগাঁও  দাসৰোদাস
৫/১০/২০০১  **শ্ৰীজীৱকান্ত নাথ**

# সম্পাদকৰ একাষাৰ (দ্বিতীয় সংস্কৰণ)

সহৃদয় ভক্তবৃন্দ, পাঠকবৰ্গ তথা ছাত্ৰ-ছাত্ৰীসকলে বৰ আদৰেৰে গ্ৰন্থখনি আদৰি-সাদৰি লোৱাত প্ৰথম সংস্কৰণৰ গ্ৰন্থ শেষ হোৱা বাবে দ্বিতীয় সংস্কৰণৰ প্ৰকাশ আৰু সম্পাদনাৰ বাবে আগবাঢ়িবলগীয়া হ'ল। দ্বিতীয় সংস্কৰণত কেৱল মাত্ৰ ড° সঞ্জীৱ কুমাৰ বৰকাকতিৰ প্ৰবন্ধটিহে সন্নিবিষ্ট কৰিছোঁ। বাকী বিলাক প্ৰবন্ধ প্ৰথম সংস্কৰণত থকাৰ দৰেই দ্বিতীয় সংস্কৰণতো একেদৰেই সজোৱা হৈছে। অৱশ্যে প্ৰথম সংস্কৰণ সম্পাদনা কৰোতে বৰ খৰখেদাকৈ কৰিবলগীয়া হোৱাত শব্দ প্ৰয়োগ, বানান পদ্ধতি আৰু স্তৱকৰ সংখ্যা আদি দিশত কিছু ভুল-ত্ৰুটি ৰৈ গৈছিল। এই সংস্কৰণত যিমান দূৰ সম্ভৱ সেইবিলাকৰ শুধৰণি দিবলৈ যত্ন কৰা হৈছে।

গ্ৰন্থখনি প্ৰথম সংস্কৰণ প্ৰকাশ কৰিছিল শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ, মৰিগাঁও জিলা শাখাই। কিন্তু দ্বিতীয় সংস্কৰণটিৰ দায়িত্ব আৰু স্বত্ব মৰিগাঁও জিলা শাখাই শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘক সম্পূৰ্ণৰূপে এৰি দিয়াত মূলে গ্ৰন্থখনি প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সঙঘই এই মহান কৰ্মটিৰ দায়িত্ব গ্ৰহণ কৰি সম্পাদনাৰ কৰ্মত আমাক উৎসাহিত কৰাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ মাননীয় পদাধিকাৰ শ্ৰীকৰুণাকান্ত কলিতা বাপ, প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ হাজৰিকা বাপ, মাননীয় উপ-পদাধিকাৰ বাপ প্ৰমুখ্য কৰি কাৰ্যনিৰ্বাহকৰ মাননীয় মাননীয়া সদস্য সদস্যা তথা আই-বাপ সমস্তলৈ আৰু সাহিত্য শাখাৰ মাননীয় সম্পাদক শ্ৰীপ্ৰসন্ন চহৰীয়া বাপ আৰু সকলো সদস্য সদস্যালৈ আমাৰ সেৱা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ হাজৰিকা বাপে প্ৰকাশকৰ একাষাৰ লিখি আমাক কৃতাৰ্থ কৰা বাবে তাৰালৈ আমাৰ সেৱা নিবেদিছোঁ। গ্ৰন্থখনিৰ প্ৰথম সংস্কৰণৰ ভুল-ত্ৰুটি চাই আমাক পৰামৰ্শ প্ৰদান কৰিছিল– মৰাণ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক আৰু সঙঘৰ ডেকাগিৰীৰ মুখপত্ৰৰ সম্পাদক ড° প্ৰদীপ কুমাৰ

হাজৰিকা বাপে। তাৰালৈও আমাৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিলো।

মৰিগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপিকাসকলে আৰু মায়ং মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীমান অতুল নাথে প্ৰথম আৰ্হি কাকত চাই সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তেখেতসকলৰ ওচৰত আমি চিৰকৃতজ্ঞ। প্ৰথম সংস্কৰণৰ বেটুপাতৰ আৰ্হি আঁতৰাই নতুন ৰূপত সজাই-পৰাই উলিয়াই দিয়াৰ বাবে সঙ্ঘৰ একান্ত সঙ্গী শ্ৰীকমলাকান্ত বৰা বাপলৈ আমাৰ শলাগ যাচিলোঁ। শাশ্বত প্ৰকাশনৰ বন্দনা, কৰবী, ৰমেন, অমল আৰু ৰাজায়ে অক্ষৰ বিন্যাস কৰাকে আদি কৰি সম্পাদনা কৰ্মৰ সকলো ক্ষেত্ৰতে সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তেওঁলোকলৈ আমাৰ হিয়া ভৰা মৰম আৰু আশীষ থাকিল।

ন-ভেটি, মৰিগাঁও দাসৰোদাস

৩১/০১/২০০৭ **শ্ৰীজীৱকান্ত নাথ**

# সূচীপত্ৰ


| | | | পৃঃ |
|---|---|---|---|
| – | নাম-ঘোষা | ঃ ড° বাণীকান্ত কাকতি | ১ |
| – | নাম-ঘোষা ৰসামৃত | ঃ ইলাৰাম দাস | ১০ |
| – | নাম-ঘোষাৰ ৰচনা কাল আৰু স্থান | ঃ ড° মুকুল চক্ৰৱৰ্ত্তী | ২৪ |
| – | বেদান্ত আৰু নাম-ঘোষা | ঃ ড° প্ৰহ্লাদ কুমাৰ বৰুৱা | ৩৯ |
| – | নাম-ঘোষাৰ শৰণ-ছন্দ আৰু নাম ছন্দ তাৎপৰ্য্য বিচাৰ | ঃ ড° পূৰ্ণানন্দ শইকীয়া | ৫৫ |
| – | নাম-ঘোষাৰ ভাষাতাত্ত্বিক বিশ্লেষণ | ঃ ড° জ্যোতিষ চন্দ্ৰ বৰ্মন | ৬৩ |
| – | নাম-ঘোষাৰ প্ৰথম ঘোষাঃ তত্ত্ব আৰু ৰহস্য | ঃ কৈলাস দাস | ৮২ |
| – | নাম-ঘোষাত বেদৰ গুপুত বিত্তৰ সন্ধান | ঃ জীৱ কোঁৱৰ | ৮৯ |
| – | নাম-ঘোষাত পুণ্য-শ্লোক শঙ্কৰ স্মৃতি | ঃ উষাৰাণী দত্ত মজুমদাৰ | ৯৮ |
| – | মাধৱদেৱৰ নাম-ঘোষাঃ তত্ত্ব আৰু ৰস | ঃ ড° নগেন শইকীয়া | ১০৭ |
| – | নাম-ঘোষাঃ ঘোষাসমূহৰ থূল বিভাজন(এটি সমীক্ষণ) | ঃ যোগেন্দ্ৰ নাথ ভূঞা | ১৩০ |
| – | ধ্ৰুপদী গ্ৰন্থ নাম-ঘোষাৰ কাব্যিক সৌন্দৰ্য | ঃ জীৱকান্ত নাথ | ১৪০ |
| – | নাম-ঘোষাত ভকতৰ মাহাত্ম্য | ঃ ড° কমল চন্দ্ৰ নাথ | ১৫৯ |
| – | নাম-ঘোষাত মাধৱদেৱৰ দাস্য ভকতি | ঃ প্ৰদীপ কুমাৰ শইকীয়া | ১৬৫ |
| – | নাম-ঘোষা ঃ এটি অৱলোকন | ঃ ড° কৰবী ডেকা হাজৰিকা | ১৮০ |
| – | নাম-ঘোষাত মাধৱদেৱৰ ব্যক্তিত্ব আৰু ভাৱমূৰ্ত্তি | ঃ নৰেন্দ্ৰ নাথ কেওঁট | ১৯৩ |
| – | নাম-ঘোষাত কলিযুগৰ মাহাত্ম্য | ঃ মিলেশ্বৰ পাতৰ | ২০১ |
| – | মহাপুৰুষীয়া ধৰ্মৰ চাৰিবস্তু আৰু নাম-ঘোষা | ঃ সদানন্দ মহন্ত | ২১০ |
| – | নাম-ঘোষাত নাম-মাহাত্ম্য | ঃ ডাঃ পুনিৰাম পাতৰ | ২১৮ |

| | | |
|---|---|---|
| – নাম-ঘোষা--এখন আংশিক অনুবাদ গ্ৰন্থ | ঃ ড° ইন্দিৰা শইকীয়া বৰা | ২৩২ |
| – অসমীয়া সমাজ আৰু ঘৰুৱা জীৱনত নাম-ঘোষাৰ প্ৰভাৱ | ঃ নাৰায়ণ শইকীয়া | ২৫০ |
| – নাম-ঘোষাত অৱতাৰবাদৰ মূলকথা | ঃ ঝৰ্ণা দেৱী | ২৫৮ |
| – আধ্যাত্মিক জ্ঞান বিকাশত নাম-ঘোষা | ঃ ড° ৰাতুল চন্দ্ৰ বৰা | ২৬৮ |
| – নাম-ঘোষাত ভাৰত মাহাত্ম্য | ঃ বন্দনা দেৱী | ২৭৪ |
| – নাম-ঘোষা ঃ এখনি ভক্তিমূলক গীতি কবিতাৰ পুথি | ঃ শোভন চন্দ্ৰ শইকীয়া | ২৮২ |
| – মাধৱদেৱৰ নাম-ঘোষা আৰু বেদান্তৰ আভাস | ঃ হৰিপ্ৰসাদ চলিহা | ২৯১ |
| – নাম-ঘোষা আৰু সৎসঙ্গ | ঃ বাবুল বৰা | ৩০০ |
| – মাধৱদেৱৰ নাম-ঘোষাত ভক্তি তত্ত্ব | ঃ ড° ৰামচন্দ্ৰ ডেকা | ৩০৭ |
| – নাম-ঘোষাত অসমৰ সমসাময়িক সমাজ জীৱন | ঃ জীৱকান্ত নাথ | ৩২৬ |
| – অসমৰ সমাজ জীৱনত নাম-ঘোষাৰ প্ৰভাৱ | ঃ ড° দিলীপ বৰা | ৩৩২ |
| – নাম-ঘোষাত একশৰণ তত্ত্ব | ঃ ভবেন্দ্ৰ নাথ ডেকা | ৩৩৯ |
| – নাম-ঘোষা বিচাৰ | ঃ ৰবীন্দ্ৰ মোহন নাথ | ৩৪৫ |
| – নাম-ঘোষাত কৃষ্ণ তত্ত্ব | ঃ অংশুমান দাস | ৩৫৭ |
| – মুক্তিৰ স্বৰূপ আৰু নাম-ঘোষা | ঃ যদুমণি বৰা | ৩৬৫ |
| – নাম-ঘোষাত ঈশ্বৰ তত্ত্ব | ঃ চন্দ্ৰ হাজৰিকা | ৩৬৯ |
| – নাম-ঘোষাৰ সাহিত্যিক মূল্যায়ন | ঃ নৰকান্ত বৰদলৈ | ৩৭৫ |
| – ভক্তি সাহিত্য নাম-ঘোষা | ঃ বাপচন্দ্ৰ মহন্ত | ৩৮৩ |
| – নাম-ঘোষাত গীতাৰ গুহ্যতম বাণীৰ প্ৰতিধ্বনি | ঃ সুধন্না ৰাজবংশী | ৪০২ |
| – নাম-ঘোষাৰ সাংগীতিক মূল্যায়ন | ঃ নীলকান্ত বৰা | ৪০৫ |
| – নাম-ঘোষাৰ ধৰ্ম-দৰ্শন | ঃ ড° সঞ্জীৱ কুমাৰ বৰকাকতী | ৪১১ |

# নাম-ঘোষা

**ড° বাণীকান্ত কাকতি**

সাম্প্রদায়িক উৎপীড়নত কামৰূপ ৰাজ্য এৰি গৈ কোচবিহাৰৰ অন্তৰ্গত ভেলাডোৱাৰত সত্ৰ পাতি থাকোঁতে মহাপুৰুষ মাধৱদেৱে জীৱনৰ শেষ ভাগত এই অনুপম ঘোষা গ্ৰন্থ ৰচনা কৰে।

নাম-ঘোষাই অসমীয়া জাতীয় সাহিত্যত গীতা, উপনিষদ আদিৰ ঠাই অধিকাৰ কৰি আছে। একশৰণ ধৰ্ম্মৰ মাহাত্ম্য প্ৰতিষ্ঠাপক গ্ৰন্থ নামঘোষাত বাজে অসমীয়া ভাষাত আৰু দ্বিতীয় নাই। শঙ্কৰদেৱৰ কীৰ্ত্তন পুথিত গল্পৰ ছলেৰে উপদেশ আছে আৰু তেওঁৰ 'ভক্তি-ৰত্নাকৰ' আৰু ভট্টদেৱৰ 'ভক্তি-বিবেক 'এই দুখন গ্ৰন্থ ভক্তি গৌৰৱ পৰিচায়ক হ'লেও মূল সংস্কৃত শ্লোক কেতবোৰৰ সংগ্ৰহ মাথোন। সেইদেখি এই দুখনক জাতীয় সাহিত্যৰ ভিতৰুৱা বুলি ধৰিব নোৱাৰি। এই দুখনত বাজেও গোপাল মিশ্ৰ নামে বৈষ্ণৱ পণ্ডিত এজনাৰ 'ঘোষা-ৰত্ন' নামে অসমীয়া পদত লিখা প্ৰায় সম-বিষয়ক গ্ৰন্থ এখন আছে। কিন্তু ভাষাৰ সৌষ্ঠৱ, ভাবৰ ঐক্য, একাগ্ৰতা আৰু প্ৰগাঢ়তাত ই নাম-ঘোষাৰ বহুত তলৰ শ্ৰেণীৰ পুথি; আৰু যি যি গুণৰ অৱস্থিতিয়ে নাম-ঘোষাক বিচাৰ গ্ৰন্থৰ শাৰীৰপৰা সাহিত্যৰ ভিতৰলৈ আনে, ঘোষা-ৰত্নত সেইবোৰ অৱৰ্ত্তমান।

নাম-ঘোষা আৰু ওপৰত উল্লেখ কৰা আন গ্ৰন্থবোৰ শিক্ষামূলক সাহিত্যৰ ভিতৰত পৰে আৰু একেবাৰে শিক্ষামূলক হ'লে কোনো গ্ৰন্থৰেই লোক-সাহিত্য হিচাপে বিশেষ মূল্য নেথাকে, যদিওবা শিক্ষা অতি ওখ ধৰণৰে হয়। কিন্তু নামঘোষা বিশুদ্ধ উপদেশমূলক নহয়। ই মহানুভৱ পুৰুষ এজনাৰ আত্ম-প্ৰকাশ মাথোন।

নাম-ঘোষাৰ ৰচনা কাল বিবেচনা কৰিবলগীয়া। সকলো মহা সাহিত্যৰ ওপৰতে কালৰ জটিল প্ৰভাৱবোৰৰ ছাঁয়া পৰে। নামঘোষাৰো ঠায়ে ঠায়ে কালৰ প্ৰভাৱ ধৰিব পৰা যায়। নাম-ঘোষা ৰচনাৰ বহুত আগতেই শঙ্কৰদেৱৰ তিৰোভাৱ হয়। সাম্প্ৰদায়িক বিদ্বেষত ৰঘু ৰজাৰ হাতত নিগ্ৰহ ভোগ কৰি নিজ তত্ত্বাৱধানত সজাই লোৱা আদৰৰ বৰপেটা থান এৰি থৈ গৈ মাধৱদেৱ তেতিয়া ভেলাডোৱাৰত প্ৰবাস খাটি আছিল। কোচবিহাৰতো তেওঁৰ দিন নিৰুপদ্ৰৱে যোৱা নাছিল। তাতো





তেওঁ খলৰ হাতত সময়ে সময়ে লাঞ্ছনা ভোগ কৰিব লগাত পৰিছিল। পাণ্ডিত্য, আভিজাত্য আৰু আধ্যাত্মিকতাৰ সম্মোহনী গুণত যি মহাপুৰুষে ৰজা-প্ৰজা শত্ৰু-মিত্ৰ সকলোকে এডাল ভক্তিৰ সূতাৰে মেৰাই লৈছিল, মাধৱদেৱৰ লগত সেই সৰ্ব্বতোমুখী প্ৰতিভাশালী গুৰুদেৱৰ শক্তি-প্ৰদায়িনী স্মৃতি মাথোন বৰ্ত্তমান আছিল। সেইদেখি খল-সূচকসকলৰ হিংসা-দ্বেষ, নিগ্ৰহ-লাঞ্ছনা সকলোতে মাধৱদেৱে অকলশৰে বুকু পাতি সামৰি ল'ব লগাত পৰিছিল। তাত বাজেও নৱ-প্ৰৱৰ্ত্তিত বৈষ্ণৱ সম্প্ৰদায়ৰ ভিতৰত বেলেগ ভিন্ন মতে দেখা দিছিল। এই সন্ধিক্ষণত ৰচনা কৰা নাম-ঘোষা গ্ৰন্থক শঙ্কৰ-স্মৃতিমণ্ডিত মাধৱদেৱৰ পূৰ্ণব্ৰহ্ম স্বৰূপ কৃষ্ণৰ প্ৰতি একান্তিকা ভক্তিৰ বিৰাট ঝঙ্কাৰ বুলিব পাৰি।

নাম-ঘোষাত প্ৰধানতঃ তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্ৰধাৱমান হৈছে-পুণ্য-শ্লোক শঙ্কৰ-স্মৃতি, মাধৱদেৱৰ আত্ম-লঘিমা আৰু কৃষ্ণ-ভক্তি মাহাত্ম্য। কিন্তু হিমালয়ৰ নিভৃত শৃঙ্গৰ ওপৰত স্তুপীকৃত হৈ থকা এক অনন্ত তুহিনৰাশিয়েই গলি গৈ ভৈয়ামত নানান নদ-নদীস্বৰূপে অৱতীৰ্ণ হোৱাৰ দৰে, এই তিনিও ধাৰাৰেই মূল কাৰণ হৈছে মাধৱদেৱৰ ৰসময়ী ভক্তিৰ গভীৰ আৱেগ। ইংৰাজী কবিতাত ৰাজহাঁহ জাতীয় এবিধ চৰাইৰ (swan) উল্লেখ পোৱা যায়। সি হেনো অন্তিম কালত নৈত উটি গীত গাই গীততেই পমি যায়। নামঘোষা মাধৱদেৱৰ শেষ ৰচনা। ই তেওঁৰ তিৰোধানৰ বহুত আগতেই ৰচিত নহয়। ইয়াক 'পৰম আনন্দ-সাগৰত ' উটি যোৱা মাধৱদেৱৰ মহাপ্ৰস্থানিক গীত বুলিব পাৰি-"গুৰু ভৈলা তাত কৰ্ণধাৰ, কৃষ্ণ ভৈল অনুকূল বায়ু"। গুৰু-স্মৃতি শিৰোগত কৰি , কৃষ্ণ নাম হৃদয়ত ধৰি নাম-ঘোষা মহাগীতৰ ভিতৰেদি হৃদয়ৰ একান্ত ভক্তি-ৰস ঢালি দি 'সমস্তসাক্ষিং সদসদ্বিহীনং প্ৰয়াতি শুদ্ধং পৰমাত্মৰূপম্' (কৈৱল্যোপনিষৎ)।

নাম-ঘোষাৰ প্ৰতিপাদ্য বিষয় অলপ কথাৰেই ক'ব লাগিলে তলত দিয়া পদফাকিৰেই ক'ব পাৰি-----

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত-মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।। ১।।

যি ভকতে মুক্তি-সুখকো বাঞ্ছা নকৰি ভক্তিহে বিচাৰে, তেনে নাৰদীয় ভক্তিৰ-মানৱ মূৰ্ত্তি তেওঁৰ গুৰুদেৱ শঙ্কৰ আৰু তেওঁৰ শাৰীৰ ভকতসকলক নমস্কাৰ

কৰি, দেৱ যদুপতিৰ নামত আত্মবিলোপ কৰি ৰসসিক্ত ভক্তিহে তেওঁ আকাঙ্ক্ষা কৰে। প্ৰায় এহেজাৰ পদৰ ভিতৰেদি নানান ছন্দ নানান গাথাত এই ভাব-ত্ৰিধাৰাৰেই প্ৰকাশ হৈছে।

গ্ৰন্থৰ ভিতৰত ভক্তি-গৌৰৱ-প্ৰতিষ্ঠাপক বিচাৰ নানান মনোজ্ঞ ছন্দোময়ী ভাষাত থাকিলেও কেৱল সেইবোৰ গুণে গ্ৰন্থখন ডাঙৰ নহয়। বিশুদ্ধ বিচাৰ-বুদ্ধিৰ দ্বাৰা অশেষ দুৰ্জ্ঞেয় ভাবৰ অবতাৰণা কৰিব পাৰি আৰু দাৰ্শনিক তথ্য হিচাপে সেইবিলাকৰ ঠাই অতি ওখ হ'লেও প্ৰকৃত সাহিত্য ক্ষেত্ৰত সেইবিলাকৰ সিমান মূল্য নেথাকিব পাৰে। সাহিত্যৰ ফালৰ পৰা চাব লাগিব, সেই ভাববোৰৰ ভিতৰেদি লেখকে কিমানখিনি আত্মাভিব্যক্তি ব্যক্ত কৰিব পাৰিছে।

এপিনে যেনেকৈ মাধৱদেৱে নিজৰ ৰচিত গীত, নাটক আদিত বাৎসল্য ভক্তিৰ পৰাকাষ্ঠা দেখুৱাইছে, আনপিনে তেনেকৈ নামঘোষাতো হৃদয়ৰ ভক্তিৰ আবেগ ঢালি দি দাস্য ভাবক কবিত্বৰ চৰম সীমালৈ লৈ গৈছে। বাৎসল্য ৰসৰ উদয়াচলত আৱিৰ্ভূত হৈ দাস্য-ভাৱৰ অস্তাচলত মাধৱদেৱৰ সাহিত্য-প্ৰতিভা মাৰ গৈছে।

সংসাৰ-ত্যাগী মাধৱদেৱক দাস্য ভক্তিৰ মূৰ্ত্তিমান স্বৰূপ বুলিব পাৰি। ঘোষা-ৰত্নৰ কবি গোপাল মিশ্ৰই গুণগ্ৰাহী ভাষাৰেই মাধৱদেৱৰ প্ৰকৃতি বৰ্ণনা কৰিছে- "শ্ৰীমন্ত মাধৱ নাম ধৰি, বিষয়-সুখক পৰিহৰি, কৃষ্ণ যশৰস কৰিলা সিটো বিস্তাৰ।" পৰম বৈৰাগ্যৰ পৰিপোষক মাধৱদেৱে চিৰকৌমাৰ্য্য ব্ৰত অৱলম্বন কৰি আজীৱন কৃষ্ণ যশৰসতেই ডুবি আছিল। সংসাৰত যেনেকৈ তেওঁ নিজৰ পৰিচয় দিবলৈ তেজৰ সম্বন্ধ ৰাখি যোৱা নাই, সাহিত্য-ক্ষেত্ৰতো মাধৱদেৱে কোনো ঠাইতে আত্ম-পৰিচয় দি যোৱা নাই। আত্মাৰাম ভাব মাধৱ-চৰিত্ৰৰ কেন্দ্ৰস্থান। বৈষ্ণৱ আন্দোলনত ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈকে যিসকল মহানুভৱ কবি ওলাইছিল, সেই সময়ৰ ৰীতি অনুসাৰে তেওঁলোকে নিজ নিজ কবিতাৰ ভণিতাত নাইবা ঠাই বিশেষে গ্ৰন্থৰ ভিতৰতো আপোন আপোন বংশ আদিৰ পৰিচয় দি থৈ গৈছে। সেই অনুসাৰে আমাৰ দেশতো হেম সৰস্বতী, মাধৱ কন্দলি, ৰাম সৰস্বতী, এনে কি স্বয়ং শঙ্কৰদেৱেও নানান ঠাইত বংশ, জন্ম ঠাই আদিৰ পৰিচয় দি গৈছে। অনন্ত কন্দলিয়ে এঠাইত এনেকৈও কৈ গৈছে যে তেওঁ সংস্কৃত পৰ্য্যন্ত কাব্য আদি ৰচনা কৰিব পাৰে, কেৱল লোক-শিক্ষাৰ নিমিত্তেহে অসমীয়াত পদ ৰচনা কৰিছে। কিন্তু পৰম বিৰক্ত মাধৱদেৱে কোনো গ্ৰন্থতেই বংশ বা আত্ম-পৰিচয় দি যোৱা নাই। আত্ম-লঘিমা মাধৱ-চৰিত্ৰৰ এটি প্ৰধান লক্ষণ।





বৈষ্ণৱ কবিসকলে ভণিতাত নামৰ আগত প্ৰায়েই বিশিষ্ট বিশেষণ শব্দ লগাই দিয়ে। শঙ্কৰদেৱৰ নামৰ আগত পহিলা জীৱনত ৰচিত পুথিত কায়স্থ শব্দ আৰু শেহৰ ফালে ৰচিত পুথিত 'কৃষ্ণৰ কিঙ্কৰ ' কথা ফাকি থাকে। অনন্ত কন্দলি, ৰাম সৰস্বতীসকলৰ নামৰ আগত কেতিয়াবা গৌৰৱসূচক উপাধিবোৰ থাকে আৰু কেতিয়াবা দ্বিজ শব্দটো থাকে, কেতিয়াবা একোৱে নাথাকে। কিন্তু মাধৱদেৱৰ নামৰ আগত লগোৱা প্ৰিয় বিশেষণ শব্দ হয় 'দীন', নহয় "মূৰুখ-মতি"। ইও কেৱল মাধৱ চৰিত্ৰৰ আত্ম-লঘিমা নিৰ্দ্দেশক মাথোন।

এপিনে বৰগীতৰ অন্তৰ্গত মাধৱদেৱৰ শিশু কৃষ্ণ বিষয়ক গীতবোৰ যেনে 'বাৎসল্য ৰসৰ', আনপিনে তেনে নামঘোষাৰ অন্তৰ্গত কৰুণ স্তুতিৰ গীতবোৰো দাস্য-ভাবৰ উৎকৰ্ষ প্ৰকাশক। ভাবৰ প্ৰগাঢ়তা আৰু আনুষঙ্গিক হৃদ্যতা গুণত সেইবোৰক পৃথিৱীৰ বেলেগ বেলেগ সম্প্ৰদায়ৰ মূল ধৰ্ম্মগ্ৰন্থবোৰৰ প্ৰাৰ্থনা সঙ্গীতবোৰৰ লগত ৰিজাব পাৰি। নামঘোষাৰ অন্তৰ্গত স্তুতি গীতবোৰৰ বাহিৰে দৈন্য-কৰুণ বিগলিত কবিতা ভাৰতীয় বৈষ্ণৱ সাহিত্যত বৰ প্ৰচুৰ নহয়। মহাৰাষ্ট্ৰীয় বৈষ্ণৱ কবি তুকাৰামৰ কবিতাবোৰতহে তাক সমান জোখেৰে পোৱা যায়। তলত দুই-চাৰিটা পদ উদ্ধাৰ কৰি দিয়া হ'ল-

"মোৰ সম পাপীলোক নাহিকে ই তিনি লোক
তুমি সম নাহি পাপহাৰী।
ইজানি গোবিন্দ মোক যেন যুৱাই কৰিয়োক
তুৱা পদে কৰোহোঁ গোহাৰি।।"১৩৬।।

"হৰি ও হৰি কৰুণা সাগৰ
কৰিয়ো কৃপা আমাক।
প্ৰিয়তম আত্মা সখা ইষ্ট গুৰু
মানিয়া আছো তোমাক।।" ৩০৬।।

"চৰণত ধৰো কাতৰ কৰোহো
ইবাৰ নেৰিবা মোক।।" ৩১০।।

"ইবাৰ নেৰিবা মোক"-কথাষাৰ বৰ মৰ্ম্মস্পৰ্শী ; অসংখ্য বাৰ এই সংসাৰ চক্ৰত ঘূৰি ঘূৰি নিকাৰ ভুঞ্জিব লাগিছোঁ, প্ৰভু ইবাৰ কিন্তু কৰ্ম্ম-বন্ধনৰ পৰা যেন মোক নিস্কৃতি দিয়া ! কথাষাৰে প্ৰভুৰ পাদমূলত লোলুণ্ঠ্যমান কাতৰ ভক্তৰ কৰুণ ছবি সজাগ কৰি এটি মনত তোলে।

ঈশ্বৰৰ ওচৰত সৰ্ব্বতোভাৱে আত্ম-সমৰ্পণ কৰিব লাগিলে মন, বুদ্ধি

আদি সকলো ইন্দ্ৰিয়বৃত্তিবোৰৰ ভিতৰেদি কুসুম সুৰভিত হৰিনামৰ প্ৰৱাহহে চলিব লাগে। "ইবাৰ নেৰিবা মোক" আদি-কাতৰোক্তিৰ পিছতো ভক্তই যেতিয়াই প্ৰভুৰ পাদমূলত আশ্ৰয় পাবৰ যোগ্য হয় নে নহয় বুলি নিজৰ ওপৰত অন্তৰ্দৃষ্টি স্থাপন কৰে, তেতিয়াও একান্ত ভক্তৰ মনত সংশয়ৰহে উদ্ৰেক হয়। কাণ, চকু, জিভা, মন আদি ইন্দ্ৰিয় বৃত্তিবোৰেও ঈশ্বৰৰ গৌৰৱ-ধ্যান অৱহেলা কৰি নিজ নিজ স্বভাৱত চলা যেন দেখে। তেতিয়া হৃদয়ৰ কাতৰ্য্য ভাব ইন্দ্ৰিয়সকলৰ প্ৰতি ভৰ্ৎসনাত উদ্দীপিত হৈ উঠে। এই দীপ্ত ভাবত কিন্তু প্ৰকৃত পৰিচালক ৰাগ, অভিমানৰ ছাঁয়া নাই। ইয়াত জোনাকী পৰুৱাৰ প্ৰভা আছে, কিন্তু দাহিকা শক্তি নাই।

"হে জিহ্বা সদা তই আমাত নিৰ্দ্দয় ভৈলি
কেনে নোবোলস ৰাম বাণী।
সংসাৰ সাগৰে ইটো হৰিহে সুদৃঢ় নাৰ
জানি হৰি বুলিও কল্যাণী।।" ৯০।।
"শুনিয়োক চিত্ত হেৰ পৰম ৰহস্য বাণী
তুমি শুদ্ধ জ্ঞানৰ আলয়।
কৃষ্ণ নিত্য শুদ্ধ বুদ্ধ পৰম ঈশ্বৰ দেৱ
নাছাড়িবা তাহান আশ্ৰয়।।" ৯৬।।

"শুনিয়োক বুদ্ধি তোৰ"-ইত্যাদি প্ৰত্যেকে পদতেই ইন্দ্ৰিয় আৰু চিত্তবৃত্তিবোৰক ঈশ্বৰাভিমুখী হ'বলৈ ভৰ্ৎসনামিশ্ৰিত কাতৰ মিনতি কৰা হৈছে।

নাম-ঘোষাৰ নামান্বয় খণ্ড অতি ৰহস্যময়। গ্ৰন্থৰ দ্বিতীয় পদতেই মাধৱদেৱৰ নিৰ্গুণ বিষ্ণুৰ সগুণ দশৱতাৰৰ বৰ্ণনা কৰিছে। সগুণ উপাসনা ভক্তিৰ আদি স্তৰত আৱশ্যক হ'লেও, অসীম মানৱ হিয়াত একান্ত ভক্তিৰ সোঁত নামিলে, ভাদমহীয়া ঢলৰ পানী নৈৰ গৰা ভাঙি পাৰ বাগৰি যোৱাৰ দৰে ই সীমাবদ্ধ সগুণ উপাসনাত আবদ্ধ হৈ থাকিব নোৱাৰে। ভক্তিৰসত যেতিয়া সকলো চিত্তবৃত্তিবোৰ আলোড়িত হৈ উঠে, তেতিয়া ৰাম, কৃষ্ণ, নাৰায়ণ আদি সীমাবাচক মূৰ্ত্তিৰ ভিতৰেদি এক বিৰাট, অখণ্ড, আনন্দময়, জ্যোতিৰ্ময়, সীমাহীন পদাৰ্থৰহে আভা দেখা যায়- "যমেব ভান্তমনুভাতি সৰ্ব্বং যস্য ভাসা সৰ্ব্বমিদং বিভাতি", তেতিয়া ৰাম, কৃষ্ণ আদি সগুণবাচক নামবোৰ এই অসীম ভাস্বৰ পদাৰ্থৰ জ্যোতিবাচক সাঙ্কেতিক চিহ্নত পৰিণত হয়গৈ। নাম-ঘোষাৰ নামান্বয় খণ্ডক ৰাম, কৃষ্ণ আদি মূৰ্তিৰ ভিতৰেদি মাধৱদেৱৰ সমাধিদৃষ্ট বিশ্ব ৰূপ কল্পনা বুলিব পাৰি।

ৰামকৃষ্ণ পৰহংসদেৱে নিৰ্গুণ ব্ৰহ্মত সমাধি ভঙ্গ হোৱাৰ পিছতো সগুণ





কালী মূৰ্ত্তিক "মা মা" স্মৰণ কৰাৰ দৰে, মাধৱদেৱেও আনন্দ সাগৰত ডুব দি উঠাৰ পিছত সগুণ উপাস্য দেৱতা কৃষ্ণৰ নাম লোৱাৰ লগে লগে পাৰ্থিৱ গুৰু শঙ্কৰদেৱৰ স্মৃতি ক্ষণকাললৈও নেপাহৰে। এই যে বিপুল আনন্দৰ অনুভূতি, তাক কাৰ কৃপা গুণত পোৱা হ'ল? নামঘোষাৰ যি যি ডোখৰতেই ঢৌৰ খলকনিৰ দৰে গভীৰ ভক্তি ৰসৰ তোলপাৰ লাগিছে, সেই সেই ঠাইতেই মাধৱদেৱে আপোন পাহৰা হৈ শঙ্কৰ গৌৰৱত বিমোহিত হৈছে। শঙ্কৰদেৱৰ জীৱিতাৱস্থাতেই মাধৱদেৱে গুৰু ভক্তিৰ নিদৰ্শনস্বৰূপে গুৰু ভটিমাটো লিখে। নাম-ঘোষাৰ বিৰাট আনন্দৰ উদ্বেল গতিতো শঙ্কৰ-স্মৃতিয়ে তেওঁক পোহৰ দিয়ে-

"হৰিভক্তি ৰাজমাৰ্গ গুৰু পদ নখ-চন্দ্ৰ প্ৰকাশিত
শ্ৰুতি জননীৰ পদপথ অনুসৰি।
ফুৰো হুয়া আমি আনন্দিত স্খলন নাহিকে কদাচিত
মহাজনসৱে জানিবা নিশ্চয় কৰি।।" ৬২৪।।

আকৌ ----

"হৰিনাম প্ৰেমৰস অমৃত নিধিক বান্ধি
গুপ্ত কৰি থৈলা দেৱগণে।
দয়ালু শঙ্কৰে পাই তুলি মুদ ভাঙ্গি দিলা
সুখে পান কৰা সৰ্ব্বজনে।।" ১০১।।
"শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু।।" ৩৭৫।।

ইত্যাদি। "ৰসময়ী ভকতি "ৰ ধাৰা কেতিয়াবা কৃষ্ণ মহিমা, কেতিয়াবা গুৰু কৃপা আৰু কেতিয়াবা আত্ম-গ্লানি আদি নানান প্ৰৱাহত জলপ্ৰপাতৰ দৰে অবিৰাম সোঁতত ব'ব লাগিছে।

ৰামকৃষ্ণ পৰমহংসদেৱে কোৱা এটি সাধু-কথা আছে। তিনিজন মানুহে এখন বিতোপন ফুলনিৰ বাতৰি পাই চাবৰ মনেৰে বহুত দুখ-দুৰ্গতি সহ্য কৰি গৈ পালত দেখে যে ফুলনিত চাৰিওফালে এখন দুৰ্ল্লঙ্ঘ্য বেৰ। নানান উপায়ে বেৰৰ ওপৰত উঠি ফুলনিৰ শোভাত মোহিত হৈ জাঁপ দি দুজন ফুলনিৰ ভিতৰতেই ৰৈ

গ'ল, এজনে লগৰীয়াসকলক জান দিবলৈ ফিৰি আহিল। পাৰমাৰ্থিক ক্ষেত্ৰত উভতি অহা তৃতীয়জন আদৰ্শ শিক্ষক। আন দুজন আনন্দ বিহ্বল হৈ ৰূপ সাগৰত ডুবি থাকিল, তৃতীয়জন সমদুখ পীড়িত আৰ্ত্ত লগৰীয়াসকলক ৰূপসাগৰৰ জান দিবলৈ উভতি আহিল। নামঘোষাৰ ভিতৰত যি মাধৱ মূৰ্ত্তি দেখা যায়, সেই মূৰ্ত্তি ওপৰত কোৱা তিনিজনৰ ভিতৰত তৃতীয়জন শ্ৰেণীৰ। নামঘোষাৰ আদিৰপৰা অন্তলৈকে সংসাৰ পীড়িত সকলো লোকৰ প্ৰতি সংক্ৰামক সহানুভূতিৰ প্ৰৱাহ এটিও আছে।

বিপথগামী মানৱ-প্ৰকৃতিৰ ওপৰত কোনো ঠাইতেই তেওঁ কঠোৰ আঘাত দিয়া নাই। সচৰাচৰ দেখা ধৰ্ম্ম বা সমাজ সংস্কাৰকসকলৰ দৰে তীব্ৰ ব্যঙ্গোক্তি তেওঁৰ নাই। ৰসময়ী ভক্তি যাৰ অন্তৰৰ প্ৰেৰণা, তেওঁৰ উপদেশৰ মালাধাৰিও পাৰ বাগৰি যোৱা ৰসৰ ঢৌ মাথোন। নিজৰ নাম উল্লেখ কৰিব লাগিলে যেনেকৈ তেওঁৰ প্ৰিয় বিশেষণ হৈছে "দীন", আনক উপদেশ দিয়াতো তেওঁৰ প্ৰিয় সম্বোধন হৈছে "ভাই"----

"সেহিসে দিনক ভাই দুৰ্দ্দিন বুলিয়া মানি
মেঘাচ্ছন্ন নোহয় দুৰ্দ্দিন।"-১০।।
"ভজ ভাই মাধৱক স্মৰ ভাই মাধৱক
গাৰ ভাই মাধৱৰ গুণ ।" ১১২।।
"ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই
তেজিয়া লাজ আলাস।" ২১৮।।
পিয়ু পিয়ু ভাই ভাৰকসকল
হৰি নাম ৰস সাৰ।" ২৪৪।।

ক্ষিপ্ৰ বেগত ঢৌৰ বোকোচাত ঢৌ উঠাৰ দৰে "পিয়ু পিয়ু" দ্বিৰুক্তি অতি অৰ্থব্যঞ্জক।

বিৰুদ্ধবাদীসকলৰ প্ৰতি সহনশীলতা গুণত মাধৱদেৱৰ লগত অনন্ত কন্দলিৰ বৈপৰীত্য দেখা যায়। অনন্ত কন্দলিৰ দশম ভাগৱতৰ শেহছোৱা বোধহয় শঙ্কৰদেৱৰ তিৰোধানৰ পিছত লিখা। যদিওবা শঙ্কৰদেৱৰ জীৱিতাৱস্থাতেই ভাঙনি আৰম্ভ হয়, তথাপি সমাপনত শঙ্কৰদেৱ নাই বুলি কন্দলিয়ে ভাঙনিৰ শেহত লিখিছে। মাধৱদেৱে যি সময়ত ঘোষা ৰচনা কৰে তাৰ ওচৰা উচৰি সময়তে কন্দলিয়ে শেষ দশম ভাঙে। সাম্প্ৰদায়িক বিদ্বেষৰ শিখা কন্দলিৰ গাতো পৰিব পায়। ভণিতাবোৰত ঠায়ে ঠায়ে তেওঁ বিৰোধীসকলৰ প্ৰতি তীব্ৰ বচন প্ৰয়োগ কৰিছে---

"শাস্ত্ৰ মাত্ৰ পঢ়ে মানে বোলাৱে পণ্ডিত।





ৰাত্ৰি দিন চাহে হৰি ভকতি খণ্ডিত।।
বিস্তৰ লভিলে ভকতিক বোলে ভাল।
অধিক নপাইলে নিন্দা বোলে সেহিকাল।।
ময়না ভাটৌয়ে যেন ভষাৱয় শাস্ত্ৰ।
যুগুতি বোলন্তে খঙ্গে গালি পাৰে মাত্ৰ।।
হেন ব্ৰাহ্মণত কিছু নুপুছিবা বোধ।
গালি পাৰিলেও তাক নকৰিবা ক্ৰোধ।" -ইত্যাদি।

অনন্ত কন্দলিৰ উপদেশৰ লগত শ্লেষোক্তিৰ প্ৰাচুৰ্য্য বেছি। কিন্তু আনক বিকলমতি দেখি শ্লেষ দূৰত থাওক খেদ কৰিও মাধৱদেৱে অন্ত নেপায়। বিষয় ভোগত অপাৰগ, তথাপি শেহ বয়সতো বুঢ়াসকলে বিষয়ৰ প্ৰতি লালসা এৰিব নোৱাৰে কিয় ?-

"বালকে কৰোক বহুমান,
যুৱায়ে সেৱোক পাৰেমান
বৃদ্ধে-বিষয়ৰ বহিৰ্ভূত হুয়া ৰৈল।
ভোগ কৰিবাক নপাৰয়
তথাপিতো আশা নছাড়য়
হৰি হৰি হৰি কিনো বিপৰীত ভৈল।।' ৬৩১।।

কিন্তু চাই থাকোঁতে থাকোঁতে "পূৰ্ণানন্দ সমুদ্ৰৰ" তৰঙ্গ আহি সকলোকে দৃষ্টিৰ অগোচৰ কৰি উটাই লৈ যায়। তেতিয়া আকৌ "পিউ পিউ অমিয়া মাধুৰী হৰি ৰাম ৰাম ৰস" বুলি আত্মাহাৰা হৈ "পৰম আনন্দ সমুদ্ৰে মজি ৰহয়"। এয়েই মাধৱদেৱৰ "ৰসময়ী ভকতি"।

নাম-ঘোষাৰ প্ৰায় এহেজাৰৰ ভিতৰত পাঁচ-ছশমান পদেই নানা সংস্কৃত মূল শ্লোকৰ ভাঙনি। সেই হিচাপে নাম-ঘোষা মৌলিক গ্ৰন্থ নহয়। কিন্তু সাহিত্য হিচাপে নাম-ঘোষাৰ মূল্য ইয়াৰ উপদেশৰ মৌলিকত্ব বা অমৌলিকত্বত নহয়। অনেক মৌলিক গ্ৰন্থৰো সাহিত্য হিচাপে কোনো মূল্য নেথাকিব পাৰে। নাম-ঘোষাৰ দাৰ্শনিক তথ্যবোৰত সাহিত্য হিচাপে কোনো আকৰ্ষণ নাই। কিয়নো দাৰ্শনিক তথ্য সদায় বুদ্ধিগম্য আৰু প্ৰকৃত সাহিত্য সদায় হৃদয়গম্য। নাম-ঘোষাৰ ধৰ্ম্ম-মতত সাহিত্য হিচাপে ইয়াৰ মূল্য নাই, কিয়নো বহু ধৰ্ম্মৰ লগত ইয়াৰ মত নিমিলিব পাৰে। সাহিত্য হিচাপে ইয়াৰ মূল্য ইয়াৰ গভীৰ ভক্তিৰসত। ভক্তি-ক্ষেত্ৰত মতামত নাই, ভক্তি-ক্ষেত্ৰত নামভেদ নাই-ইয়াত ৰাম,কৃষ্ণ, শিৱ, দুৰ্গা, খ্ৰীষ্ট, মহম্মদ কাৰো

পাৰ্থক্য নাই। ইয়াতে থাকে মাত্ৰ একাগ্ৰতা, ব্যাকুলতা, তন্ময়তা। সাহিত্য হিচাপে নাম-ঘোষাৰ মূল্য এই মহান ৰসত। শৰৎ কালত সেই চিৰপৰিচিত গিৰি, নৈ, বন, উপবন আদিয়ে বিমল কান্তি ধাৰণ কৰাৰ দৰে, চন্দ্ৰ কিৰণৰ মৃদু পোহৰত চিৰপৰিচিত নৈৰ পানীৰ ওপৰত অপৰূপ জেউতি পৰাৰ দৰে, ৰসময়ী ভক্তিৰ নিয়ৰত তিতা নানান মূলৰ পৰা সংগৃহীত নামঘোষাৰ পদ-পুঞ্জৰ ওপৰত এক অভিনৱ সৌন্দৰ্য্যৰ সম্পাত হৈছে।

তাত বাজেও ইয়াৰ অধিক মূল্য হৈছে ইয়াত প্ৰতিফলিত হোৱা মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ প্ৰতিবিম্বত। তিৰোধানৰ অলপ আগতেই জিজ্ঞাসু শিষ্যসকলক মাধৱদেৱে কৈ থৈছিল যে তেওঁ নোহোৱা হ'লেও নাম-ঘোষাতে বিচাৰিলে তেওঁক পাব। কথাষাৰ বৰ যথাৰ্থ। নাম-ঘোষা পুথি পঢ়িলে ছন্দৰ ঝঙ্কাৰ, ভাষাৰ মাধুৰ্য্য, ভাবৰ প্ৰগাঢ়তা সকলোকে অতিক্ৰম কৰি মনঃচক্ষুৰ দৃষ্টি পৰে মাধৱদেৱৰ ভক্তি কাতৰ করুণ মূৰ্ত্তিত। আমি দেখোঁ-মাধৱদেৱ ধীৰ, সৌম্য, সহিষ্ণু, প্ৰশান্ত, একান্ত গুৰুভক্ত, কৃষ্ণনাম ৰত, তথাপি হৃদয়ৰ উদ্বেল ভক্তি ভাবত সদায় উদ্বাউল, সীমাবানৰ সীমা লঙ্ঘন কৰি "পৰম আনন্দ সাগৰে মজি" থাকিবলৈ ব্যাকুল- "যত্তু বিদিতাদথো অবিদিতাদধি" (কেনোপনিষৎ)।

*******



# নাম-ঘোষা ৰসামৃত

**ইলাৰাম দাস**

নমো নমো নাৰায়ণ প্ৰসন্ন হুয়োক হৰি
কৰিয়োক মায়াক নিৰ্য্যাণ।
আপুনাৰ মহিমাক আপুনি বেকত কৰি
জীৱক কৰিয়ো পৰিত্ৰাণ।। ৬৮।।

"নাম-ঘোষা"-যি শাস্ত্ৰত মহাপুৰুষ শ্ৰীমাধৱদেৱ পুৰুষে কেৱল ভগৱন্তৰ নামৰেই ঘোষণা কৰিছে সেই শাস্ত্ৰখনিক 'নাম-ঘোষা' বোলে। 'নাম-ঘোষা' আমাৰ মাজলৈ কেনেকৈ আহিল, তাৰ এটি ইতিহাস আছে। ঘোষাৰ লিখক মাধৱদেৱ পুৰুষৰ বচন মতে-

সোহি নাৰায়ণ মায়া বিস্তাৰি
কৰু ত্ৰিজগত নিৰমাণ।
সনক সনাতন যোগী যাকেৰি
মহিমা কবহু নজান।।
সকল চৰাচৰ পালনকাৰী
যো হৰি দেৱকু দেৱা।
চতুৰ বয়ন শিৱ সুৰপতি যাকেৰি
কৰু নিত চৰণহি সেৱা।।
চাৰি-বেদ শিৰোমণি মাজে
যাকেৰি চৰণ বিকাশ।
সোহি দেৱক কয়লি কলিকো
শঙ্কৰদেৱ পৰকাশ। (গুৰু ভটিমা-১)

যিজন নাৰায়ণে আপোন মায়া বিস্তাৰ কৰি এই বিনন্দীয়া বিশ্ব সৃষ্টি কৰিলে, সনক সনন্দ মুনিয়ে যিজনাৰ মহিমা জানি কোনোকালে অন্ত কৰিব নোৱাৰে, যিজন সমস্ত জগতৰ পালনকৰ্ত্তা, চতুৰানন ব্ৰহ্মা, মহাযোগী শিৱ আৰু সুৰপতি ইন্দ্ৰই

অহৰহ যাৰ চৰণ কমল উপাসনা কৰি আছে, চাৰিবেদে যাৰ মহিমা বিচাৰি নাপায়, সেইজন পৰম ব্ৰহ্মই কলিত মনুষ্য আকৃতি ধাৰণ কৰি, শ্ৰীমন্ত শঙ্কৰদেৱ ৰূপে প্ৰকাশ হ'ল।

"দ্বাপৰ যুগত দৈৱকী নন্দন
কলিত কুসুম ঘৰে।
কৃষ্ণেসে শঙ্কৰ নামক ধৰিয়া
জগত উদ্ধাৰ কৰে।।'

--- ভক্তি প্ৰেমাৱলী

ভগৱন্ত কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পাছত, পৃথিৱীত মহাপাপৰ তাণ্ডৱলীলা আৰম্ভ হ'ল। ধ্বজ, ব্ৰজ, যৱ, পঙ্কজ, অঙ্কুশ চিহ্নিত কৃষ্ণ পদ কমলৰ স্পৰ্শ বঞ্চিত হৈ, বসুমতী বিধৱা হ'ল। পৃথিৱীত কলিৰ অত্যাচাৰৰ প্ৰকোপ বাঢ়িব ধৰিলে। চৰিত্ৰকাৰসকলে বৰ্ণনা কৰিছে-

"পূৰ্ব্বকালে ইটো ৰাজ্যে নাছিল ভকতি।
নানা দেৱ পূজা মাত্ৰ আচৰে সম্প্ৰতি।।
নানা দেৱ পূজয় কৰয় বলিদান।
হংস ছাগ মহিষ কাটে অসংখ্য প্ৰমাণ।।
লোক তল গৈল কলি পাপ সাগৰত।
কৃপাময় কৃষ্ণে চিন্তা কৰি বৈকুণ্ঠত।।
ইটো লোক সমস্তকে কৰিতে উদ্ধাৰ।
শঙ্কৰ মাধৱৰূপে ভৈলা অৱতাৰ।।"

-- গুৰুচৰিত

যেতিয়া গোটেই পৃথিৱী পাপাচ্ছন্ন হ'ল, মানুহে স্বাৰ্থৰ কাৰণে বিভিন্ন দেৱ-দেৱতাৰ ওচৰত পশু-পক্ষী বলিৰ বাদেও নৰহত্যা কৰিবলৈ ধৰিলে; কেৱল ভোগ বিলাসত উন্মত্ত হৈ ধনং দেহি, পুত্ৰং দেহি, ভাৰ্য্যাং মনোৰমাং দেহি, সুখং, দেহি, স্বৰ্গং দেহি-ইয়াতেই লোক সমাজ ব্যস্ত হৈ পৰিল। এনেদৰে জীৱশ্ৰেষ্ঠ মানৱ পৰম সত্ত্বাৰ লগত যোগসূত্ৰ হেৰুৱাই ঈশ্বৰ বিমুখী হৈ পৰিল। ধৰণী কম্পিত হ'ল, বসুমতীৰ দুখ মোচনৰ কাৰণে ভগৱন্ত নিজে বৈকুণ্ঠ এৰি নৰৰূপে মৰ্ত্যধামলৈ আহিব লগা হ'ল-সেয়াই শ্ৰীমন্ত শঙ্কৰ অৱতাৰ। আজিৰ পৰা ৫৩৪ বছৰ আগতে বৰদোৱা ধামত কুসুম্বৰ ভুঞাৰ গৃহত সেই নৰৰূপী গুৰুৰ অৱতাৰ হৈছিল। তেৱাই এই দুখিনী অসমত নিৰক্ষতাৰ আৰু বিভিন্ন দেৱ-দেৱী উপাসকসকলৰ বিৰুদ্ধে





কঠোৰ সংগ্ৰাম কৰি একশৰণ হৰিনাম ধৰ্ম্ম প্ৰচাৰ কৰিছিল। এই ধৰ্ম্মৰ নামকৰণ গুৰুজনে নিজেই কৰিছে,-গুণমালাত, 'ইটো বিতোপন ধৰ্ম্ম সনাতন বুলি।' কৃষ্ণৰ জন্ম আৰু লীলা কাহিনী- সেয়া সনাতন ধৰ্ম্ম। আৰু এই সনাতন ধৰ্ম্ম, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে অসম জুৰি প্ৰচাৰ কৰিলে। সেয়েহে শ্ৰীমাধৱদেৱ গুৰুজনাই ভটিমাত প্ৰকাশ কৰিছে- "একশৰণ হৰি নাম ধৰমকহো, ৰাজা কৰু পৰকাশ।" অৰ্থাৎ সকলো ধৰ্ম্মৰ ওপৰত ৰাজ ধৰ্ম্ম, একশৰণ হৰিনাম ধৰ্ম্ম প্ৰকাশ কৰিলে। এই হৰি নাম ধৰ্ম্ম প্ৰকাশ কৰি ছমাহ কম ছকুৰি বছৰ, তেৱাই মৰ্ত্যলোকত উজনি, মধ্যম আৰু নামনি অসম, সৰ্ব্বশেষত গৈ বেহাৰ ৰাজ্যত ইহলীলা সম্বৰণ কৰিলে। তেখেতে বেহাৰলৈ যোৱাৰ আগে আগে শ্ৰীমাধৱদেৱ পুৰুষকেই ধৰ্ম্মৰক্ষাৰ ভাৰ অৰ্পণ কৰিছিল। যি দিনা গনককুছিত মাধৱদেৱ পুৰুষৰ ওপৰত ধৰ্ম্মৰাজ্যৰ ভাৰ অৰ্পণ কৰিব লগা হ'য়, সেইদিনা বৰ আতুৰ হৈ মাধৱদেৱ পুৰুষে গুৰুজনাক সুধিছিল-"বাপ কৃপালু গুৰু, তোমৰাসৱৰ শ্ৰীশঙ্কৰ-সূৰ্য্য থাকোঁতেও পৃথিৱী পোহৰ কৰা টান, তোমৰাসৰৰ অবিহনে আমি এই ধৰ্ম্মৰাজ্য কেনেকৈ পোহৰাম।" তেতিয়া গুৰুজনাই আশ্বাস দি কৈছিল--"চিন্তা নকৰিবা আমিও থাকিম।" "বাপ ক'ত থকা হ'ব?-শ্ৰীমাধৱদেৱৰ প্ৰশ্নৰ উত্তৰ গুৰুজনাই দিলে-

"শুনিও মাধৱ মোৰ থাকিবাৰ থান।
কীৰ্ত্তন দশম মোৰ মূৰ্ত্তিৰ সমান।।
নিপুণে মোহোক গুৰু যিজনে বোলয়।
কীৰ্ত্তনতে দশমতে দেখিবে নিশ্চয়।।
দশম কীৰ্ত্তন পুথি থাকয় যথাত।
সাক্ষাত মাধৱ মই থাকিবো তথাত।।"

শ্ৰীমাধৱদেৱ পুৰুষে সকাহ পাই পৰম আশা আৰু উদ্দীপনাৰে ক'লে- "বাপ আমি তৰিলো।" শ্ৰীমন্ত শঙ্কৰ গুৰুৱে পুনৰ ক'লে-"কেৱল আমি থাকিলেই নহ'ব, তুমিও থাকিব লাগিব।।"
মাধৱদেৱ পুৰুষে সুধিলে-"পিছে বাপ, আমি ক'ত থকা হ'ব?"

"ঘোষা নামে শাস্ত্ৰ খনি তুমিও লিখিবা।
ৰত্নাৱলী ঘোষা মধ্যে তুমিও থাকিবা।।"

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুৰূপে পৰমাত্মাৰ পূৰ্ণ প্ৰকাশ; শ্ৰীমাধৱদেৱ পুৰুষ গুৰুৰূপে জীৱব্ৰহ্মৰ পূৰ্ণ প্ৰকাশ। গুৰু আৰু দেৱ তত্ত্ব মুখ্যতঃ সমাহিত হৈছে শ্ৰীমন্ত শঙ্কৰদেৱ মহাপুৰুষত; নাম আৰু ভকত তত্ত্ব সমাহিত হৈছে

শ্ৰীশ্ৰীমাধৱদেৱ পুৰুষত, সেইবাবে দুজনা গুৰু, শঙ্কৰ-মাধৱ অভেদ ঈশ্বৰ। কীৰ্ত্তনত মুখ্যতঃ গুৰু তত্ত্বক প্ৰকাশিছে, সেইদৰে দশমত মুখ্যতঃ দেৱতত্ত্বৰ প্ৰকাশঃ ঘোষাত মুখ্যভাৱে নাম তত্ত্বক প্ৰকাশ আৰু ৰত্নাৱলী ভকত তত্ত্বৰ কীৰ্ত্তন দশম শ্ৰীমন্ত শঙ্কৰ গুৰুৰ মূৰ্ত্তি স্বৰূপ; ঘোষা ৰত্নাৱলী শ্ৰীমাধৱ পুৰুষৰ মূৰ্ত্তি স্বৰূপ। গুৰু, দেৱ, নাম, ভকত ভাগৱতৰ চাৰিতত্ত্বৰ ভিত্তিতেই কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলী এই চাৰি শাস্ত্ৰ মহাপুৰুষ গুৰু দুজনাই ৰচনা কৰিছিল।

বিষ্ণুপুৰী পৰম হংসদেৱে "ভাগৱতৰ সাৰোদ্ধাৰ"-যি "কান্তিমালা টীকা" সাৰ্ব্বভৌম ভট্টাচাৰ্য্যৰ জৰিয়তে পাইছিল, সেই 'কান্তিমালা টীকা'ৰ আধাৰত গুৰুজনাৰ বাক্য শিৰোধাৰ্য্য কৰি ইতিমধ্যেই শ্ৰীমাধৱদেৱ পুৰুষে 'ভক্তি ৰত্নাৱলী' গ্ৰন্থ ৰচনা কৰিছিল। 'নাম-ঘোষা' তেতিয়াও ৰচনা হোৱা নাছিল। শ্ৰীমাধৱদেৱ পুৰুষক 'নাম-ঘোষা'ৰ বিষয়বস্তুৰ সংকেত দি গুৰুজনা বেহাৰত গৈ বৈকুণ্ঠী হ'ল।

গুৰুজন যোৱাৰ পাছত শ্ৰীমাধৱদেৱ পুৰুষে কিছুদিন গনককুছিত থাকি পাটবাউসীত আই গোসানীৰ সমন্বিতে ঘাট মাউৰা গুৰু পৰিয়ালটিৰ সেৱা শুশ্ৰূষাত ব্ৰতী হৈ পৰিল। ওচৰ-চুবুৰীয়া আৰু জ্ঞাতিসকলৰ মাধৱদেৱৰ ওপৰত ঈৰ্ষা জন্মিল। তেওঁক নানান বিদ্ৰূপ বাক্যৰে মনত আঘাত দিয়াত আইমাতৃৰ ইঙ্গিত মতে তেওঁ সুন্দৰীদিয়া থানলৈ গুচি গ'ল। 'মোৰ দৰে অযোগ্যজনৰ দ্বাৰা গুৰুধৰ্ম্ম প্ৰচাৰ নহ'ব আৰু জগতৰো কল্যাণ নহ'ব'-এই ধাৰণাৰে মনৰ দুখত শ্ৰীমাধৱদেৱ পুৰুষে গুৰুধৰ্ম্ম প্ৰচাৰ নকৰি গুৰুজনক স্মৰণ কৰি নীৰৱে থাকিল। ফলত গুৰু ধৰ্ম্মৰ প্ৰচাৰ প্ৰসাৰ বন্ধ হোৱাৰ উপক্ৰম হৈ পৰিল। এই পৰিস্থিতিত গুৰুজনাৰ একান্ত সেৱক শ্ৰীনাৰায়ণ দাস ঠাকুৰ আতাই অন্তৰত বিষম আঘাত পালে। শ্ৰীনাৰায়ণ দাস ঠাকুৰ আতাই জনিয়া থানৰ পৰা সুন্দৰীদিয়ালৈ গৈ মাধৱদেৱ পুৰুষক যথেষ্ট প্ৰবোধ বাণী শুনালে। ঠাকুৰ আতাৰ প্ৰবোধ বাণী শুনি মাধৱদেৱ পুৰুষে পুনৰ গুৰুধৰ্ম্ম প্ৰচাৰ কৰিবৰ বাবে দৃঢ় সংকল্প গ্ৰহণ কৰিলে আৰু প্ৰথম কাম হিচাপে 'নাম-ঘোষা' গ্ৰন্থ সংকলনৰ কামত হাত দিলে। 'নাম-ঘোষা' সংকলনত চৈধ্য বছৰ ছমাহ কাল লাগিল। তেৰাই এই ঘোষাখন সংকলন কৰিছিল তিনিটা উপায়েৰে---

"গুৰু সেৱা কৰি মই যিবা সত্য পালোঁ।
সমস্তকে আনি ঘোষা শাস্ত্ৰত লিখিলোঁ।।
শাস্ত্ৰ বিচাৰিয়া মই যিবা তত্ত্ব পালোঁ।
সমস্তকে আনি ঘোষা শাস্ত্ৰত লিখিলোঁ।।





হৃদিশ্বৰ উপদেশে যিবা সত্য পাইলোঁ।
সমস্তকে আনি ঘোষা শাস্ত্ৰে নিবন্ধিলোঁ।।"

*　　　*　　　*

"পৃথিৱীত ধৰ্ম্ম শাস্ত্ৰ আছে যত যত।
সমস্তৰে সাৰ আছে ঘোষাৰ মধ্যত।।
নশ্বৰ আমাৰ দেহা হুইবেক গত।
কিন্তু মোৰ আত্মা ৰৈব ঘোষাৰ মধ্যত।।
হেন জানি ঘোষা শাস্ত্ৰ কেহোৱে নেৰিব।
মোৰ বাক্যে ঘোষা শাস্ত্ৰে শৰণ লইব।।"

এতেকে নাম-ঘোষাত তলত উল্লেখ কৰাৰ দৰে তিনিবিধ ঘোষা লিপিবদ্ধ কৰা হৈছে।

(১) শ্ৰীমাধৱদেৱ পুৰুষে শ্ৰীমন্ত শঙ্কৰদেৱৰ লগত থাকি অকপটে গুৰুসেৱা কৰাৰ ফলত গুৰু কৃপাবলে লাভ কৰা তত্ত্ব বস্তুসমূহৰ ওপৰত ৰচনা কৰা ঘোষাসমূহ।

(২) শ্ৰীমদ্ভাগৱত, গীতা, বিষ্ণুপুৰাণ, গৰুড় পুৰাণ, নিসিংহ পুৰাণ, স্কন্দ পুৰাণ, বামণ পুৰাণ ব্ৰহ্ম, সংহিতা আদি ভাৰতবৰ্ষৰ মুখ্য বৈষ্ণৱ গ্ৰন্থসমূহ বৰাহ পুৰাণ, পদ্ম পুৰাণ মন্থন কৰি পোৱা তত্ত্বগধুৰ শ্লোকসমূহৰ তত্ত্ববস্তুৰ ওপৰত ৰচনা কৰা ঘোষাসমূহ।

(৩) ইয়াৰ উপৰি শ্ৰীমাধৱদেৱ গুৰুজনাই অবিৰত কৃষ্ণ চিন্তাৰ জৰিয়তে পৰমেশ্বৰৰ কৃপাত লাভ কৰা তত্ত্ব বস্তুৰো প্ৰকাশ কৰিছে কিছু সংখ্যক ঘোষাত।

শ্ৰীমন্ত শঙ্কৰদেৱে যি সনাতন একশৰণ হৰিনাম ধৰ্ম্ম মৰ্ত্যভূমিত প্ৰকাশ কৰিলে, এই পবিত্ৰ শুদ্ধ একশৰণ হৰিনাম ধৰ্ম্মৰ সমৰ্থনত ভাৰতবৰ্ষৰ সংস্কৃত গ্ৰন্থসমূহত বিচাৰি পোৱা প্ৰায়বোৰ শ্লোক সংগ্ৰহ কৰি সেই শ্লোকসমূহৰ ভাৱাৰ্থৰ আধাৰত ঘোষাসমূহ ৰচনা কৰি 'নাম-ঘোষা'ত স্থান দিছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুৱে সগুণ আৰু নিৰ্গুণ ভক্তিৰ দুয়োটি পথকে প্ৰচাৰ কৰিছিল। 'শৰণ' নিৰ্গুণ ভক্তিৰ পথ; শ্ৰৱণ, কীৰ্ত্তন, অৰ্চ্চন, বন্দন, স্মৰণ, পদসেৱন, দাস্য, সখিত্ব,আত্মনিবেদন আদি নৱ বিধ ভক্তি সগুণ ভক্তিৰ পথ। ভাৰতবৰ্ষৰ সমস্ত বৈষ্ণৱ ধৰ্ম্ম গ্ৰন্থত সগুণ-আৰু নিৰ্গুণ ভক্তিৰ সমৰ্থনত পোৱা প্ৰায়বোৰ শ্লোকৰ আধাৰতেই মাধৱদেৱ পুৰুষে ঘোষা ৰচনা কৰি নাম-ঘোষাত স্থান দিছিল। সেই সময়ৰ সমাজ ব্যৱস্থাৰ যিসমূহ নিয়ম নীতিয়ে গুৰু ধৰ্ম্ম প্ৰচাৰত বাধাৰ সৃষ্টি কৰিছিল, যিবোৰ অজ্ঞ কিম্বা

অসৎলোকে নানান সুৰঙ্গ উলিয়াই গুৰুধৰ্ম্মত কলঙ্ক সানিবৰ অপচেষ্টা চলাইছিল, সেইসমূহ কথাৰো সংকেত দি ৰচনা কৰা কেইবাটিও ঘোষা 'নাম-ঘোষা'ত স্থান পাইছে। ইয়াৰ উপৰি মাধৱদেৱ পুৰুষে মিছা লোক অপবাদত ক্ষুণ্ণ হৈ গুৰু ধৰ্ম্ম প্ৰচাৰ নকৰো বুলি যি আক্ষেপ কৰিছিল, পাছত সেই অৰ্থে অনুশোচনা প্ৰকাশ কৰি ৰচনা কৰা কিছুসংখ্যক ঘোষা'ত সন্নিবিষ্ট হৈ আছে।

শ্ৰীমাধৱদেৱ পুৰুষ জীৱাত্মাৰ প্ৰতিভূ। জীৱাত্মাৰ পৰমাত্মাৰ প্ৰতি কৰা কাৰুণ্যভৰা আকুল আবেদন, ক্ষমা প্ৰাৰ্থনা, 'নাম-ঘোষাৰ--খেদ কাকুতি আদি অধ্যায়সমূহত লিপিবদ্ধ হৈছে।

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।। ৩৭১।।

এই 'বস্তু প্ৰকাশ' ঘোষা অধ্যায়ৰ শেষত সিদ্ধান্ত দিছে-

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।। ৩৭৫।।

পুনৰাই তেৰাই উল্লেখ কৰিছে-

শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি।
তাঙ্ক এৰি কি কাৰণে আনক বোলয় গুৰু
কিনো লোক মহা মূঢ়মতি।। ৫৪।।

শ্ৰীমন্ত শঙ্কৰদেৱেই আমাৰ পৰম গুৰু। তেওঁত বিনে আমাৰ আন গুৰু নাই নাই নাই। উপৰি উক্ত ঘোষাত জীৱৰ সমস্ত সংশয় ছেদ কৰি, সমুদায় শাস্ত্ৰৰ তত্ত্ব ভেদ কৰি, কৃষ্ণ ভক্তি প্ৰচাৰ কৰা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক এৰি, আনক গুৰু বোলা জনক মহা মূঢ়মতি বুলি কৈছে।

মায়া নৰতনু ধৰি হৰি ভকতি
কয়লি বহু পৰচাৰ।
সৱ নৰ পাপ পয়োধি মজ্জল
তাহে কয়লি উদ্ধাৰ।। (গুৰু ভটিমা-১)





কলিৰ লোকসমূহ পাপ সাগৰত ডুব গ'ল। সেই কাৰণে এই জীৱসমূহক উদ্ধাৰ কৰিবৰ সামান্য-জনৰ শকতি নোহোৱাত, ভৱ সমুদ্ৰত নৌকাৰ কাণ্ডাৰীৰূপে জীৱ সমূহক উদ্ধাৰ কৰিবৰ বাবে, মায়া নৰতনু ধাৰণ কৰি পূৰ্ণব্ৰহ্ম ভগৱন্ত পুৰুষ নিজেই শঙ্কৰ স্বৰূপে অৱতাৰ হ'ল। তেৰাই একশৰণ হৰি নাম ধৰ্ম্ম প্ৰচাৰ কৰিলে। ইয়াৰ আগতে নাছিল বুলিহে মাধৱদেৱে ঘোষণা কৰিছে-

পূৰ্ব্বত কৃষ্ণৰ এক শৰণ ভকতি পথ
নাছিলেক একোৱে দেশত।
শঙ্কৰ স্বৰূপে হৰি নিজে আসি অৱতৰি
মুদ ভাঙি দিলে জগতত।।

শ্ৰীমন্ত শঙ্কৰ গুৰুক ঢাকি যিসকলে নিজে গুৰুভাৰ ল'বলৈ গৈছে, সেইসকলক শ্ৰীমাধৱদেৱ পুৰুষে ভৰ্ৎসনা কৰি কৈছে-

'নজানে শাস্ত্ৰৰ নয় যেহি আসে তাকে কয়
ছেদিবাক নপাৰে সংশয়।
গুৰুবোলাই তথাপিতোফুৰিয়া লোকৰ মাজে
মান্য সতকাৰ খুজি লয়।।' ৫৫।।
'আপুনি পণ্ডিত নুহি মহন্তক
নুপাসিলে কদাচিত।
তথাপিতো গুৰু বোলাৰে কৃষ্ণৰ
মায়ায়ে হুয়া মোহিত।।" ২৯২।।

শঙ্কৰদেৱৰ আজ্ঞা, আদেশ, উপদেশ নোহোৱাকৈ যিসকলে অসমত নিজকে স্বতন্ত্ৰ গুৰু জাহিৰ কৰি, নতুন ধৰ্ম্ম পন্থৰ সৃষ্টি কৰিব বিচাৰিছিল, সেইসকলক নাম-ঘোষাই এইদৰে গৰিহণা দিছে।

শ্ৰীমাধৱদেৱ পুৰুষে শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰিয় শিষ্য হৈ গুৰুজনাৰ ছায়াৰ দৰে থাকি শঙ্কৰদেৱক সম্পূৰ্ণকৈ জানিছিল; সেয়ে মাধৱদেৱ পুৰুষে পূৰ্ণব্ৰহ্ম ঈশ্বৰেই নৰৰূপে শ্ৰীমন্ত শঙ্কৰ গুৰু অৱতাৰ বুলি দৃঢ়কণ্ঠে ঘোষণা কৰিছে শ্ৰীমাধৱদেৱ পুৰুষে শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্ত্তন কৰা একশৰণ ভক্তি ধৰ্ম্মৰ প্ৰচাৰ প্ৰসাৰত সহায় হোৱাৰ উদ্দেশ্যেহে, গুৰুজনাৰ বাক্য শিৰোধাৰ্য্য কৰি নাম-ঘোষা শাস্ত্ৰ ৰচনা কৰিছিল। মাধৱদেৱ পুৰুষে সংস্কৃত ধৰ্ম্ম গ্ৰন্থসমূহত সগুণ নিৰ্গুণ ভক্তিভেদে কলিযুগত কেৱল নাম ধৰ্ম্মৰ শ্ৰেষ্ঠতা প্ৰকাশ কৰা শ্লোকসমূহক অনুবাদ কৰি পদ, দুলড়ি, ছবি ৰচনা কৰিছিল। এই শ্লোকসমূহৰ কিছুমানে একশৰণ সমৰ্থন কৰিছে

আৰু কিছুমানে একশৰণৰ উল্লেখ নকৰি কেৱল নাম মহিমাকহে প্ৰকাশ কৰিছে।

শ্ৰীমন্ত শঙ্কৰদেৱে জীৱন জোৰা সাধনা আৰু কঠোৰ পৰিশ্ৰমেৰে গীতা, ভাগৱত, পুৰাণ আদি শাস্ত্ৰ মন্থন কৰি প্ৰকাশ কৰি থৈ যোৱা, সুগম একশৰণ ভক্তি পন্থাক, কণ্টকাকীৰ্ণ কৰি তোলাটো মাধৱদেৱ পুৰুষৰ জীৱনৰ লক্ষ্য নাছিল। কিন্তু, কালৰ কি ৰহস্য বুজি নাপাওঁ। পূৰ্ব্বে যি দৰে ঋষি মুনিসকলে নিজ নিজ অভিৰুচি অনুসৰি বেদৰ ব্যাখ্যা কৰি, বেদৰ মূল তত্ত্ববস্তুকে ঢাকি পেলাইছিল; বৰ্ত্তমানো একশ্ৰেণী পণ্ডিতে ঘোষাৰ ব্যাখ্যা কৰি, শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম্মৰ মূল একশৰণ তত্ত্বক ঢাকি পেলাব বিচাৰিছে। সেয়েহে ভগৱান শ্ৰীকৃষ্ণই উদ্ধৱক কৈছিল-

"যাৰ যেন মতি কৰে বেদক ব্যাখ্যান।
নিজ অৰ্থ তেজি বুজে ভকতিক আন।।' -- শ্ৰীমদ্ভাগৱত

ঋষি-মুনিসকলে বেদৰ তত্ত্ব অৰ্থ নাজানি নিজ অভিৰুচিমতে বেদৰ ব্যাখ্যা কৰি, বেদৰ চূড়ান্ত অভিপ্ৰায় কৃষ্ণ ভকতিক নুবুজি আনহে বুজিছিল।

'মই বিনে চাৰি বেদে আন নবখানে।
চাৰিও বেদৰ তত্ত্ব অৰ্থ এহিমানে।।' -- শ্ৰীমদ্ভাগৱত

নাজানো কালৰ কি ৰহস্য ! মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাছত কেতবোৰ পণ্ডিতে এই অসমভূমিত, হয়তো মায়াৰ প্ৰভাৱত নুবুজি বা ন্যস্ত স্বাৰ্থৰ কবলত পৰি বুজিও নুবুজা হৈ, নিজ অভিৰুচিমতে নাম-ঘোষাৰ পদ ব্যাখ্যা কৰি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ যুগজয়ী একশৰণ ভক্তি পন্থটি কণ্টাকাকীৰ্ণ কৰি পেলালে। যাৰ ফলত অসমভূমিত মহাপুৰুষ প্ৰচাৰিত একশৰণ হৰিনাম ধৰ্ম্মৰ প্ৰকৃত প্ৰচাৰ প্ৰসাৰ আৰু অনুশীলনৰ ওপৰত আন্দোলন চলিছে। এই আন্দোলনৰ মুখ্যতম লক্ষ্যই হ'ল, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত শ্ৰীমদ্ভগৱত গীতাৰ সাৰ সিদ্ধান্ত একশৰণৰ পুনৰোদ্ধাৰ অনুশীলন আৰু প্ৰচাৰ।

অসমৰ মহাপুৰুষীয়া সমাজৰ প্ৰাণস্বৰূপ এই 'নাম-ঘোষাত' কিছু ঘোষাৰ বিৰূপ ব্যাখ্যাই, সমগ্ৰ মহাপুৰুষীয়া সমাজক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত একশৰণ হৰিনাম ধৰ্ম্মৰ লক্ষ্য উদ্দেশ্যৰ পৰা পথভ্ৰষ্ট কৰাৰ অৰ্থে অপচেষ্টা চলোৱাটো পৰিলক্ষিত হৈছে। বিশিষ্ট পণ্ডিত সাহিত্যিকসকলে ভাঙনি কৰা 'নাম-ঘোষা'ৰ অৰ্থপুথি কেইবাখনো আমাৰ হাতত পৰিছে। তাত দুই এখনত "দুই চাৰি" ঘোষাৰ, বিৰূপ অৰ্থ ব্যাখ্যাই আমাক ক্ষুণ্ণ কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুজনাই জীৱন জোৰা সাধনাৰে আমাক দি থৈ যোৱা, একশৰণ ভক্তিৰ ৰাজমাৰ্গটি যেন কোনোবাই অজ্ঞাতসাৰেই গ্ৰাস কৰি পেলাব বিচাৰিছে।





সেয়েহে আজি প্ৰকৃত সাধক শ্ৰেণীৰ কাৰণে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুক কাণ্ডাৰী গুৰুৰূপে লৈ যিসকলে ভৱসংসাৰ তৰি যাবৰ বাবে অন্তঃকৰণেৰে আশা কৰিছে, সেই শুদ্ধ জীৱসমূহৰ বাবে আৰু সেইসকলৰ ভৱিষ্যত পুৰুষ সকলৰ বাবে আমাৰ এই 'নাম-ঘোষা ৰসামৃত' আগবঢ়োলো।

শ্ৰীমন্ত শঙ্কৰদেৱক বিভিন্ন দিশত ভাল পোৱা লোক এই অসম ভূমিত কম নহয়। সেইসকলৰ কোনোৱে কবি, কোনোৱে সাহিত্যিক আৰু কোনোৱে কলাকাৰ, নাট্যকাৰ ৰূপে, কোনোৱে সুৰ-শিল্পী বা সমাজ সংস্কাৰক ৰূপে গুৰুজনক মান্যতা প্ৰদান কৰে; কিন্তু তাৰাসকল শ্ৰীমন্ত শঙ্কৰদেৱৰ একশৰণ ভক্তি পন্থৰ অনুগামীলোক নহ'বও পাৰে। যিসকলে শ্ৰীমন্ত শঙ্কৰদেৱক 'বাহিৰে ভিতৰে তুমি হৰি গুৰু আছাহা চৈতন্যৰূপে,'-ভাবি ভজনা কৰি ইহকাল পৰকালৰ কাণ্ডাৰী গুৰুৰূপে গ্ৰহণ কৰিছে, যিসকলে গুৰুজনাৰ একশৰণ হৰিনাম ধৰ্ম্মৰ শুদ্ধ অনুশীলন আৰু সাধনাৰ দ্বাৰা, মায়াময় দুঃখময় সংসাৰ সমুদ্ৰৰ অনন্ত যাত্ৰাৰ পৰিসমাপ্তি ঘটাই শান্তিধাম লাভ কৰিব বিচাৰে, সেইসকলৰ হৃদয়ত আমাৰ এই 'নাম-ঘোষা'ৰ ভাষ্য পুথিয়ে বিমল জ্যোতি আৰু আমোঘ শক্তি প্ৰদান কৰিব বুলি পৰম আশা ৰাখিছোঁ। আমি কৰযোৰে সমস্ত দেশবাসীক ক'ব বিচাৰোঁ যে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক নাট্যকাৰ, সংস্কৃতিৰ সাধক, সুৰশিল্পী, সমাজ সংস্কাৰক আদি বিভিন্ন আখ্যাৰে সমাজত পৰিচয় দিলেই শঙ্কৰদেৱক প্ৰকাশ কৰা নহ'ব। মহাপুৰুষ শঙ্কৰদেৱৰ পূৰ্ণ পৰিচয় পাবলৈ হলে আমি তেৰাৰ জীৱনৰ মুখ্য লক্ষ্য উদ্দেশ্যক বুজিবলৈ যত্ন কৰিব লাগিব। শ্ৰীমন্ত শঙ্কৰদেৱে সাহিত্যিক আখ্যা পাবৰ বাবে সাহিত্য ৰচনা কৰা নাছিল। তেৰাৰ সাহিত্য, সঙ্গীত, কলা-কৃষ্টিৰ মুখ্য লক্ষ্য আছিল জীৱনৰ অসাৰতাক নিৰ্ণয় কৰি, ধন-জন, ৰূপ-যৌৱনক অনিত্য জ্ঞান কৰি, অসাৰ কুলশীলতাৰ, পাণ্ডিত্যৰ বিজয় গান, অহংকাৰ অভিমান ত্যাগ কৰি, সনাতন সত্য-শিৱ সুন্দৰৰ সাধনাৰে অনিত্য জীৱনক নিত্য ৰূপলৈ পৰিবৰ্ত্তন কৰা।

গুৰুজনাৰ সাহিত্য, সঙ্গীত, নৃত্য কলা কৃষ্টিৰ মুখ্য লক্ষ্য হ'ল ঈশ্বৰ প্ৰাপ্তি। গুৰুজনাই যি গীত সৃষ্টি কৰিছে সেই পৰম ব্ৰহ্মক লক্ষ্য কৰি। তেৰাই যি নৃত্য সৃষ্টি কৰিছে-সেই নৃত্য ব্ৰহ্মক লক্ষ্য কৰি। যি নৃত্য মানুহে অভিনয় কৰোঁতে কৰোঁতে, শৰীৰৰ সমস্ত সুপ্ত স্নায়ু জাগ্ৰত হৈ উৰ্দ্ধমুখী হয় আৰু পৰমেশ্বৰক চিন্তা কৰিব পৰা হয়। গাওঁতে গাওঁতে সেই সঙ্গীতে মানুহক মায়াময় পৃথিৱীৰ সুখ-ভোগ বাসনাৰ প্ৰতি অনাসক্তি আনি এক পৰম ব্ৰহ্মাৰ সাধনাত ৰত কৰাই, জীৱক প্ৰকৃত আনন্দ দান কৰিব পাৰে। যি সাহিত্য চৰ্চ্চা কৰি থাকোঁতে মনুষ্যৰ বাস্তৱ জগতখনৰ প্ৰতি

অনাসক্তি আহি পৰমেশ্বৰৰ প্ৰতি আসক্তি বাঢ়ে। সেইদৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তুলিকাত যি চিত্ৰৰ ৰূপ পাইছিল, সেই চিত্ৰত আজিৰ চিত্ৰৰ দৰে মানৱৰ সবল যৌন উত্তেজনা অভিমান, আড়ম্বৰ সুখ ভোগৰ সংকেত মাত্ৰ নাছিল। আছিল এক আধ্যাত্মিক উৎস আৰু পৌৰাণিক ইতিবৃত্ত। মুঠতে গুৰুজনাৰ সাহিত্য, সংগীত, চিত্ৰ, নৃত্য, ভাস্কৰ্য্য-এই পঞ্চ কলা সাধনাৰ মূল লক্ষ্য আছিল জীৱক ই অনিত্য মৰুময় সংসাৰৰ মায়াজনিত সুখৰ প্ৰতি অনাসক্তি কৰি নিত্য সনাতন পৰম পুৰুষৰ প্ৰতি আকৰ্ষিত কৰি জীৱৰ হৃদয়ত পূৰ্ণ চৈতন্যৰ সঞ্চাৰ কৰা।

কিন্তু, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাছত দেশৰ সাহিত্যিক, পণ্ডিত, শিল্পী, কলাকাৰসকলে গুৰুজনাৰ মহান উদ্দেশ্য-লক্ষ্যক কিঞ্চিতো গুৰুত্ব আৰোপ নকৰি, শঙ্কৰদেৱৰ সাহিত্য-সঙ্গীতৰ অলঙ্কাৰসমূহ বিচাৰ কৰিয়েই সন্তুষ্ট থাকিল। বহুতো পণ্ডিতে শঙ্কৰদেৱে কোনটো গীত আগত লিখিলে, কোনটো পাছত লিখিলে, কোন কেইটা শ্লোক অনুবাদ নকৰিলে, কোন শাস্ত্ৰৰ কোন কেইটা শ্লোকৰ পৰা কোন অধ্যায় ৰচনা কৰিলে তাৰেই বিচাৰ কৰি আজিও কাল নিয়াইছে। মুঠতে শঙ্কৰদেৱৰ জীৱনৰ সাধনাৰ যি প্ৰকৃত লক্ষ্য তাক বিচাৰ কৰাত বৰ্ত্তমানলৈকে পণ্ডিতমণ্ডলীয়ে হয় কৃপণালি কৰিছে নতুবা ব্যৰ্থ হৈছে। অৱশ্যে, মায়াৰ কবলত শঙ্কৰদেৱৰ পূৰ্ণ জ্যোতিৰ কিয়দাংশও উপলব্ধি নোহোৱাৰ ফলতো হয়তো এনে হ'ব পাৰে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যৰ অলঙ্কাৰসমূহক চালি জাৰি চালেই তেৱাঁৰ সাহিত্যৰ আগ পাচ বিচাৰ কৰিলেই শঙ্কৰদেৱক চিনি পোৱা হ'লনে? যাৰ পূৰ্ণ পৰিচয় পোৱাৰ অৰ্থে শ্ৰীমাধৱদেৱ পুৰুষে জীৱনযোৰা সাধনাত ব্ৰতী হৈছিল। কোটি কোটি কল্প এই মায়াময় সংসাৰৰ চতুৰাশী লক্ষ কোটি যোনিত পৰিভ্ৰমণ কৰি ত্ৰিতাপত দগ্ধ হৈ থকা জীৱসমূহক, পৰমানন্দময় ঈশ্বৰ কৃষ্ণৰ ধ্যান, ধাৰণা সাধনাৰে, সংসাৰ মুক্ত কৰি পৰমানন্দ স্বৰূপ প্ৰদানৰ অৰ্থে, শঙ্কৰদেৱৰ যি মহান সাধন পন্থা সেই সম্পৰ্কে অসমৰ তথাকথিত পণ্ডিতমণ্ডলী যেন সম্পূৰ্ণই অজ্ঞাত, এনেহে উপলব্ধি হয়। অসমৰ কলাকাৰ, গায়কসকলেও শঙ্কৰদেৱৰ নৃত্য গীত ভাওনা পৰিৱেশন কৰি দেশ বিদেশত মান সন্মান লাভ কৰিছে; কিন্তু গুৰুজনাৰ অমূল্য সম্পদ একশৰণবাদ, নিৰ্গুণ ভক্তি সম্পৰ্কে কোনেও ক'তো এবাৰলৈকে উল্লেখ কৰা শুনা নাই। এনেবোৰ কাৰণেই গুৰুজনাই গাঠনি কৰা মহাপুৰুষীয়া সমাজ ব্যৱস্থাৰ অৱনতি ঘটি আহিল। চক্ৰান্তমূলক ভাৱেৰেই হওক বা মায়াৰ কবলত পৰিয়েই হওক, নতুবা শঙ্কৰদেৱৰ শুদ্ধ একশৰণবাদ সম্পৰ্কে সম্যক উপলব্ধি নোহোৱাৰ বাবেই হওক, শেহান্তত 'নাম-ঘোষা'ৰ বিৰূপ ব্যাখ্যাৰে মহাপুৰুষীয়া





ধৰ্ম্মত কৰ্ম্মকাণ্ড অৰ্থাৎ অন্য দেৱোপসনা সন্নিবিষ্ট কৰি, শঙ্কৰদেৱৰ প্ৰকৃত ধৰ্ম্ম পথত অৱৰুদ্ধ কৰি, সাধন পন্থত জীৱসমূহক বিভ্ৰান্ত কৰাৰ ষড়যন্ত্ৰ চলিল এই অসম ভূমিত। সেয়েহে, ইয়াৰ বিপৰীতে আমি আজি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অনুগামী লোকসকলক সজাগ কৰি, উঠি অহা পুৰুষচামৰ বাবে এই ঘোষাৰ ভাষ্য পুথি আগবঢ়োলো।

'নাম-ঘোষা'ত শঙ্কৰদেৱক গুৰুৰূপে পৰিচয় কৰাৰ লগতে গুৰু, দেৱ, নাম, ভকতৰো পৰিচয় দিছে। ঘোষাশাস্ত্ৰই দেৱতত্ত্বৰ পৰিচয় কৰিছে -

কৃষ্ণ একদেৱ দুঃখহাৰী কালমায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি-স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।। ৫৮৬।।

কৃষ্ণই একমাত্ৰ দেৱ। যিজন কৃষ্ণক মাধৱ পুৰুষে বৰগীতত চিনাইছে -

ধ্ৰুং।। জয়তি পৰমানন্দএ নন্দ কুমাৰ।
নিগম নিগূঢ় হৰি ভয়ো অৱতাৰ।।
পদ।। তেজিয়া বৈকুণ্ঠ পুৰী এ চিদ্ বিলাস।
কি লাগি কমলা পতি ব্ৰজে কৈলা বাস।।
শঙ্খ চক্ৰ গদা পদ্ম তেজি অস্ত্ৰ চাৰি।
কি লাগি হইলা শিঙা বেত বেনু ধাৰী।।
কোটি কোটি ব্ৰহ্মাণ্ডৰ তেজিয়া বিভূতি।
কি লাগি হইলা প্ৰভু গোপেৰ মূৰুতি।।
যাৰ পদৰেণু শিৰে ধৰে দিগ-পাল।
সোহি প্ৰভু ভৈলা কেনে ব্ৰজে ৰাখোৱাল।।
কহয় মাধৱ দাস দীন মতি হীনা।
সহজে দয়াল হৰি ভকতি অধীনা।।

মেঘশ্যাম বৰ্ণ তনুত পীতবস্ত্ৰ পৰিধান কৰি, হাতত শিঙা বেত বেনু, শিৰত মৈৰা পাখী লৈ গোপৰূপী নন্দকুমাৰ কৃষ্ণ, যিজন বৃন্দাবনত গৰু চৰাই গোপ গোপী সকলক পৰমানন্দ দান কৰিছিল; তেৱেঁই কুৰুক্ষেত্ৰ ৰণাঙ্গনত কিংকৰ্ত্তব্য বিমূঢ় মহাবীৰ অৰ্জ্জুনক গীতাৰ অমৃত বাণী বৰ্ষণ কৰিছিল; তেৱেঁই একমাত্ৰ দেৱ। সেইদৰে -

যম কাল মায়া মৃত্যুৰে বেঢ়িয়া
আছে বাঘ জালি কৰি।

হেনয় জীৱক কোনে তাৰিবেক
বিনে কৃপাময় হৰি।। ২২২ ।।

কালমায়া মৃত্যুৱে চাৰিওফালে আগুৰি ধৰি জীৱক যি শাস্তি ভোগাইছে, সেই জ্বালা যন্ত্ৰণাৰ পৰা ত্ৰাণ কৰোঁতাজনেই পৰমেশ্বৰ দৈৱকী নন্দন কৃষ্ণদেৱ; তেওঁতকৈ শ্ৰেষ্ঠ দেৱতা আৰু কোনো নাই।

কৃষ্ণ বস্তুৰ পৰিচয় 'নাম-ঘোষা'ই প্ৰাঞ্জলভাৱে দিছে-একমাত্ৰ কৃষ্ণত ব্যতিৰেকে দ্বিতীয় দেৱ নাই, যাক আশ্ৰয় কৰি জীৱই, কাল মায়া কলিৰ হাতৰ পৰা পৰিত্ৰাণ পাব পাৰে। একমাত্ৰ কৃষ্ণদেৱত আশ্ৰয় কৰিলেহে জীৱে যম কাল মায়াৰ হাত সাৰি হেলাৰঙে মৃত্যু তৰি যাব পাৰিব।

কলিযুগত একমাত্ৰ নামকেই 'নাম-ঘোষা'ই ধৰ্ম্ম বুলি ঘোষণা কৰিছে। নাম ব্যতিৰেকে কলিযুগত, জীৱসমূহে সংসাৰ তৰিব নোৱাৰে বুলি ঘোষা শাস্ত্ৰই সিদ্ধান্ত দিছে।

যাৰ ৰাম কৃষ্ণ নাম নাৱে ভৱ সিন্ধু তৰি
পাৰে পৰমপদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা কৰোহো হৃদয়ত।। ২।।

মহা মহা পাপীয়েও যাৰ ৰাম কৃষ্ণ নাম নৌকাৰ সহায়ত পদ লাভ কৰিব পাৰে, সেই নামতকৈ কোনো শ্ৰেষ্ঠ বন্ধু নাই, সেই নামতকৈ কোনো শ্ৰেষ্ঠ ধৰ্ম্ম নাই। যিজনে নাম স্মৰণ কীৰ্ত্তন কৰে, তেওঁ ঈশ্বৰৰ প্ৰিয়জন হয়।

হিৰণ্যকশিপু প্ৰহ্লাদ পুত্ৰক
নানান দুৰ্গতি দিলে।
হৰি নাম মহা কৱচ প্ৰভাৱে
তান নোম নলৰিল।। ২৬৫।।

"হৰি হেন ইটো দুগুটি অক্ষৰ
জিহ্বা অগ্ৰে থাকে যাৰ।
গঙ্গা গয়া কাশী প্ৰয়াগ তীৰ্থক
যাইবাক নলাগে তাৰ।।' --কীৰ্ত্তন

কলিযুগত একমাত্ৰ নামেই ধৰ্ম্ম। নামধৰ্ম্মত ব্যতিৰেকে কলিযুগত অন্য ধৰ্ম্ম আচৰণ নিস্ফল।





পৰমেশ্বৰৰ মহা নামৰ সাধক, একান্ত ভক্তসকল, কলিযুগত জীৱসমূহৰ সেৱাৰ বস্তু। পৰম ঈশ্বৰ কৃষ্ণদেৱক প্ৰাপ্তিৰ অৰ্থে চেষ্টা কৰোঁতাসকলে কলিযুগত একান্ত পদৰেণু শুদ্ধচিত্তে শিৰত অভিষেক কৰিব লাগিব। ঘোষাই উদাত্ত কণ্ঠে কৈছে ----

পৰম ঈশ্বৰ দেৱ কৃষ্ণক নপায় লাগ
তপ-জপ যাগ-যোগ দানে।
একান্ত ভক্তৰ পদ ৰেণু শুদ্ধ চিত্তে মাথে
অভিষেক নকৰয় মানে।। ৩৮ ।।

একান্ত ভক্তৰ পদৰেণু শুদ্ধচিত্তে শিৰত অভিষেক নকৰা পৰ্য্যন্ত পৰমেশ্বৰ কৃষ্ণ দেৱক তপ-জপ, যাগ-যজ্ঞ, দানেৰে লাভ কৰিব নোৱাৰে। সেইবাবে কলিযুগত একমাত্ৰ ভকতেই শ্ৰেষ্ঠ উপাস্য তত্ত্ব, উপাস্য দেৱতা আৰু সমস্ত তীৰ্থতকৈ ভকতেই পৱিত্ৰ বুলি 'নাম-ঘোষা'ই ঘোষণা কৰিছে।

'নাম-ঘোষা'ৰ বিষয়বস্তু অতি বিশাল আৰু সু-গভীৰ। মুঠতে ক'বলৈ গ'লে 'নাম-ঘোষা' মহাপুৰুষীয়া ধৰ্ম্ম দৰ্শনৰ চূড়ান্ত সাৰ সংগ্ৰহ। দাপোণৰ সন্মুখত থিয় হ'লে সমস্ত অৱয়ব দেখা পোৱাৰ দৰে, 'নাম-ঘোষা' আন্তৰিক শ্ৰদ্ধা-ভক্তিৰে অধ্যয়ন কৰিলেই মহাপুৰুষীয়া ধৰ্ম্মৰ তত্ত্ববস্তু উপলব্ধি হয়। শ্ৰীমন্ত শঙ্কৰদেৱৰ একশৰণ হৰি ভক্তি পন্থ অপ্ৰয়াসে জীৱসমূহৰ হৃদয়ঙ্গম হওক, এই আশা বুকুত বান্ধিহে মাধৱদেৱ পুৰুষে গুৰুজনাৰ আজ্ঞাত এই মহান 'নাম-ঘোষা' শাস্ত্ৰৰ ৰচনা কৰিছিল। কিন্তু কালৰ বিপাকত, 'নাম-ঘোষা' বিৰূপ ব্যাখ্যাৰে, শঙ্কৰদেৱ গুৰুজনাৰ এক শৰণ ভক্তি মাৰ্গক বোধগম্য হোৱাত জটিলতৰ কৰি তোলাটো পৰিলক্ষিত হোৱাত, আমি গভীৰ মনোবেদনা ভুগি অৱশেষত, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ একশৰণ ভক্তি ধৰ্ম্মৰ সাধক অনুগামীসকল আৰু তাৰাসকলৰ ভৱিষ্যত পুৰুষৰ দিগদৰ্শনৰ সুবিধাৰ্থে 'নাম-ঘোষা'ৰ সহজ বোধগম্য ভাঙনি 'নাম-ঘোষা ৰসামৃত' নামকৰণৰে এই পুথিখনি সুধী সমাজলৈ সবিনয়ে আগবঢ়োলোঁ।

এটি ধৰ্ম্ম পন্থ ক্ষীপ্ৰ গতিত বিশ্বজুৰি প্ৰচাৰ-প্ৰসাৰ, প্ৰতিষ্ঠা লাভৰ মূল উৎস হ'ল সেই জাতিৰ, সেই দেশৰ জনতাৰ ধৰ্ম্ম পন্থটিৰ প্ৰৱৰ্ত্তক গুৰুজনাৰ প্ৰতি গভীৰ আস্থা, ধৰ্ম্ম পন্থটিৰ মূল মতবাদৰ ওপৰত গভীৰ বিশ্বাস আৰু সমূহীয়া একমুখী সাধনা। সেই সাধনাত ব্ৰতী অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, অসম; মহাপুৰুষীয়া ধৰ্ম্মালোচনী সভা, শুৱালকুছি; মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ সমাজ; শঙ্কৰদেৱ সমাজ-বৰপেটা; প্ৰমুখ্যে মহাপুৰুষীয়া শুদ্ধ একশৰণ হৰিনাম ধৰ্ম্মৰ সাধনা

আৰু প্ৰচাৰ প্ৰসাৰত ব্ৰতী পুণ্যভূমি অসমৰ, আটাইকেইটা ধৰ্ম্মানুষ্ঠানৰ শুভেচ্ছা প্ৰাৰ্থী। ইয়াৰ উপৰি অসমৰ সত্ৰসমূহৰ সত্ৰাধিকাৰ প্ৰভুসকলৰো, যাৰাসকলে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ প্ৰৱৰ্ত্তিত শুদ্ধ একশৰণৰ বাণী প্ৰচাৰ প্ৰসাৰতা আত্মনিয়োগ কৰিছে, তেখেতসকল সবাৰে শুভকামনা বিচাৰিছোঁ।

আমি সবাই মিলি গুৰুজনাই প্ৰতিষ্ঠা কৰি যোৱা বৈকুণ্ঠৰ শুদ্ধ সনাতন একশৰণ ধৰ্ম্মৰ সাধনা আৰু প্ৰচাৰ, প্ৰসাৰত ব্ৰতী হ'লে, মহাপুৰুষীয়া ধৰ্ম্মৰ জয়-ধ্বজা যুগজয়ী হৈ উৰিব যে ই সুনিশ্চিত। এই অৰ্থে আমি জন্ম-জন্মান্তৰলৈ সংকল্প গ্ৰহণ কৰি আত্ম-উৎসৰ্গা কৰিছোঁ।

'নাম-ঘোষা ৰসামৃত' বৈকুণ্ঠৰ শুদ্ধ সনাতন একশৰণ হৰিভক্তি পন্থটি হৃদয়ঙ্গম কৰাত, লোক সমাজৰ সহায়ক হওক, দুজনা গুৰুৰ পদকমলত ইয়াকে ভাৰসা কৰি পাতনিৰ ইয়াতে সামৰণি কৰিলোঁ।

নোহো জানা আমি চাৰি জাতি  চাৰিও আশ্ৰমী নোহো আতি
নোহো ধৰ্ম্মশীল দান ব্ৰত তীৰ্থ গামী।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ  গোপী ভৰ্ত্তা পদ-কমলৰ
দাসৰো দাসৰ তান দাস ভৈলো আমি।। ৬৭০।।

ইতি

মহাপুৰুষ দুজনাগুৰুৰ অভয় পদকমলৰ

সেৱক

শ্ৰীইলাৰাম দাস

১৯ ভাদ, ৫৩৫ শঙ্কৰাব্দ, ১৯০৬ শকাব্দ
ইং ৫ চেপ্তেম্বৰ ১৯৮৪
জালুগুটি, মৰিগাঁও ঃ অসম

বিঃ দ্ৰঃ দাসদেৱৰ 'নাম-ঘোষা ৰসামৃত' অমূল্য গ্ৰন্থভাগিৰ পাতনি।



# 'নাম-ঘোষা'ৰ ৰচনাকাল আৰু স্থান

**ড° মুকুল চক্ৰৱৰ্ত্তী**

নাম-ঘোষা শ্ৰীশ্ৰীমাধৱদেৱৰ (১৪৮৯-১৫৯৬) এক মহৎ সৃষ্টি। বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ ভিতৰত নাম-ঘোষাও এখন আধ্যাত্মিক ভাৱৰ গ্ৰন্থ। এই গ্ৰন্থৰ মাজত মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ পূৰ্ণ পৰিচয় পোৱা যায়। 'নাম-ঘোষা' বা 'হেজাৰীঘোষা'ৰ মাজত প্ৰকাশিত হৈছে মাধৱদেৱৰ বিভিন্ন শাস্ত্ৰৰ জ্ঞান, আধ্যাত্মিক আদৰ্শ, ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত লাভ কৰা অনুকূল প্ৰতিকূল অভিজ্ঞতা। নাম-ঘোষাৰ ৰচনাকাল আৰু স্থান সম্পৰ্কত ড° বাণীকান্ত কাকতিদেৱে এনেদৰে মন্তব্য কৰিছেঃ

"সাম্প্ৰদায়িক উৎপীড়নত কামৰূপ ৰাজ্য এৰি গৈ কোচবিহাৰৰ অন্তৰ্গত ভেলাডোৱাৰত সত্ৰ পাতি থাকোঁতে মহাপুৰুষ মাধৱদেৱে জীৱনৰ শেষ ভাগত এই অনুপম ঘোষা গ্ৰন্থ ৰচনা কৰে।.......... নাম-ঘোষাৰ ৰচনাকাল বিবেচনা কৰিবলগীয়া। সকলো মহাসাহিত্যৰ ওপৰতে কালৰ জটিল প্ৰভাৱবোৰৰ ছাঁয়া পৰে। নামঘোষাৰো ঠায়ে ঠায়ে কালৰ প্ৰভাৱ ধৰিব পৰা যায়। নামঘোষা ৰচনাৰ বহুত আগতেই শঙ্কৰদেৱৰ তিৰোভাৱ হয়। সাম্প্ৰদায়িক বিদ্বেষত ৰঘু ৰজাৰ হাতত নিগ্ৰহ ভোগ কৰি নিজ তত্ত্বাৱধানত সজাই লোৱা আদৰৰ বৰপেটা থান এৰি থৈ গৈ মাধৱদেৱ তেতিয়া ভেলাডোৱাৰত প্ৰৱাস খাটি আছিল। কোচবিহাৰতো তেওঁৰ দিন নিৰুপদ্ৰৱে যোৱা নাছিল। তাতো তেওঁ খলৰ হাতত সময়ে সময়ে লাঞ্চনা ভোগ কৰিব লগাত পৰিছিল। পাণ্ডিত্য, আভিজাত্য আৰু আধ্যাত্মিকতাৰ সন্মোহনী গুণত যি মহাপুৰুষে ৰজা-প্ৰজা, শত্ৰু-মিত্ৰ সকলোকে এডাল ভক্তিৰ সূতাৰে মেৰাই লৈছিল, মাধৱদেৱৰ লগত সেই সৰ্ব্বেতোমুখী প্ৰতিভাশালী গুৰুদেৱৰ শক্তি প্ৰদায়িনী স্মৃতি মাথোন বৰ্তমান আছিল। সেই দেখি খল-সূচকসকলৰ হিংসা-দ্বেষ-নিগ্ৰহ-লাঞ্চনা সকলোকে মাধৱদেৱে অকলশৰে বুকু পাতি সামৰি লব লগাত পৰিছিল। তাত বাজেও নৱ-প্ৰৱৰ্ত্তিত বৈষ্ণৱ সম্প্ৰদায়ৰ ভিতৰত বেলেগ বেলেগ ভিন্নমতে দেখা দিছিল। এই সন্ধিক্ষণত ৰচনা কৰা নাম-ঘোষা গ্ৰন্থক শঙ্কৰ স্মৃতি মণ্ডিত মাধৱদেৱৰ পূৰ্ণব্ৰহ্ম স্বৰূপ কৃষ্ণৰ প্ৰতি একান্তিকা ভক্তিৰ বিৰাট ঝঙ্কাৰ বুলিব পাৰি।"[১]

ড° কাকতিৰ উক্ত আলোচনাৰ খেও ধৰি আমি এনে সিদ্ধান্তলৈ আহিব পাৰোঁ-(ক) নাম-ঘোষা মাধৱদেৱৰ জীৱনৰ শেষভাগত ৰচনা কৰা হৈছিল। (খ) মাধৱদেৱে বৰপেটা থান এৰি কোচবিহাৰৰ অন্তৰ্গত ভেলাডোৱাৰত সত্ৰ পাতি থাকোঁতে ৰচনা কৰিছিল। এই প্ৰসঙ্গত আমি উল্লেখ কৰিব পাৰো যে ৰঘুৰজাৰ বিদ্বেষৰ পৰা অব্যাহতি নাপাইহে লক্ষ্মীনাৰায়ণৰ পশ্চিম কোচৰাজ্য অৰ্থাৎ ভেলামধুপুৰত থাকিবলৈ দিহা কৰে। কোচৰজা নৰনাৰায়ণৰ মৃত্যু হয় ১৫৮৪ খৃঃত। এওঁৰ মৃত্যুৰ পিচত লক্ষ্মীনাৰায়ণ ৰজা হয়।[২] এই তথ্যৰ পৰা আমি অনুমান কৰিব পাৰো মাধৱদেৱে ১৫৮৪ খৃঃৰ পৰা ১৫৯৬ (মাধৱদেৱৰ তিৰোভাৱৰ সময়) খৃষ্টাব্দৰ ভিতৰত নাম-ঘোষা ৰচনা কৰিছিল। (গ) নামঘোষা ৰচনাৰ বহুত আগতেই শঙ্কৰদেৱৰ তিৰোভাৱ হয়। (ঘ) নামঘোষাত সময়ৰ ছাপ স্পষ্ট।

ড° কাকতিৰ মন্তব্য অনুসৰি এনে সিদ্ধান্তলৈ আহিব পাৰি হয়, কিন্তু এনে সিদ্ধান্তসমূহ কিমানদূৰ সত্য এই বিষয়েও প্ৰশ্নৰ উদ্ৰেক নোহোৱাকৈ নাথাকে। বিশেষকৈ চৰিত পুথিসমূহৰ উল্লেখসমূহে উক্ত সিদ্ধান্তবোৰৰ কথা নতুনকৈ ভাবিবলৈ বাধ্য কৰায়। অৱশ্যে চৰিত পুথিৰ বহুকথা, বহু উল্লেখৰ সত্যতা সম্পৰ্কেও সন্দেহ নথকা নহয়। তথাপিতো চৰিত পুথিৰ বক্তা, আতৈসকলৰ স্মৃতিৰ মণিকোঠাৰ মাজেৰে নামঘোষা ৰচনাৰ প্ৰাসঙ্গিক প্ৰেক্ষাপটৰ দুটি এটি কথা উল্লেখ কৰিবলৈ প্ৰয়াস কৰিলোঁ।[৩]

কিমতে ভকতি কৰিবো তোহ্মাত হৰি এ
মঞি মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম।।

- এই ঘোষাটি মাধৱদেৱে তেওঁৰ গুৰু শঙ্কৰদেৱৰ অনুপ্ৰেৰণাতে কৰা। ইয়াৰ নেপথ্যৰ কথাখিনি এনেধৰণৰ---এদিনাখন দুয়োজনা গুৰু ভক্তসমে লুইতেৰে ভটিয়াই গৈ গৈ গঁজিয়াঘাট পাইছে। তেতিয়া গঁজিয়াঘাটৰ জ্ঞাতি কুটুমে এটি মৰাশ সৎকাৰ কৰি থকা অৱস্থাত ওচৰতে মৃতকৰ স্ত্ৰীয়ে ইনাই-বিনাই কান্দি আছে। তাকে দেখি গুৰু শঙ্কৰে মাধৱদেৱক -'মৰা মৈল কিয় কান্দিচে' বুলি সুধিলে। তেতিয়া শিষ্য মাধৱদেৱে গুৰুক কেলে-"বোলে বাপঃ জিহে মৰিছে সি জিয়াৰে পৰা মৰাঃ এই জি কান্দিচে ইও সপ্ৰাই মৰাহেঃ এ বাপ পূৰ্ব্বে ই জীৱ বাজকৈ প্ৰকৃতি মায়াৰ হাতে দিলা আয়াজাত কৈ ভু-হৰাই অজ্ঞান ভূমত পৰি মৰাকে লাগি মৰাই কান্দিছে আপুনাৰ মায়াত।" শিষ্যৰ এনে যুক্তিপূৰ্ণ কথা শুনি গুৰুৱে আজ্ঞা কৰিলে "বোলে বৰাপো আমাৰো কান্দা এফেৰি" তেতিয়া মাধৱদেৱে গুৰুৰ ৰূপকধৰ্মী আজ্ঞাৰ খেও ধৰি আত্মাক মনে ধৰি পৰম গুৰু চৰণত বিনাই কান্দিচেঃ





কাকুতিকৈ-[৪]এই ঘোষাৰ মাজেদি। উল্লিখিত ঘোষাটি নামঘোষাৰ ৭৯০ নং ঘোষাৰ খণ্ড বিশেষ।

পৰম ঈশ্বৰ কৃষ্ণঃ তাহাঙ্ক নপাই লাগঃ তপ জপ যাগ যোগ দানে।
একান্ত ভক্তৰ পদঃ ৰেণু শুদ্ধ চিত্ত মাথে অভিষেক নকৰয় মানে।।

উক্ত ঘোষাটিৰ আঁৰৰ কথাটি এনেধৰণৰ---মাধৱদেৱে গনক কুছিৰ পৰা গুৰুজনাৰ ঠাইলৈ (বেলগুৰি ধুৱাহাটা) কলথৰুৱাৰ কঠ এখনি সাজিলৈ যায়-গুৰুজনা বহিবলৈ। এই কঠখনি শ্ৰীৰাম আতাই নিতৌ পাৰি দিয়ে-তুলি থয়। তুলি থোৱাৰ সময়ত কঠৰ ধূলিখিনি সযতনে সংগ্ৰহ কৰি লৈ যায়। এবছৰৰ মূৰত এই ধূলিখিনি নতুন চৰুত তিয়াই লাৰুকৈ হাটিৰ পাচফালে শুকাই থকা অৱস্থাত মাধৱদেৱে দেখি তবধ মানি শ্ৰীৰাম আতাক কৈছে-"বোলে চিৰাম অমূল সৰ্ব্বসৰ মোলক তুমিহে পালা চিনি জগতৰ বস্তুঃ এই মহাপ্ৰসাদ বস্তু আমাকে দিবাঃ[৫] বুলি কৈ উক্ত ঘোষা কৰি মাতিছে। উল্লিখিত ঘোষাটি নাম-ঘোষাৰ ৩৮ নং ঘোষা।

তেনেকৈ দৈৱজ্ঞ নাৰায়ণ আতৈৰ জ্যেষ্ঠ ঘোৰ শাক্ত বুৰাদলৈক একশৰণ ধৰ্মত শৰণ লবলৈ আগ্ৰহ জন্মাই ঘোষা সৃষ্টি কৰিছে-

কৰ্মত বিশ্বাস জাৰঃ হিয়াত থাকন্ত হৰিঃ অতিশয় দূৰ হন্ত তাৰঃ
দূৰতো বিদূৰ হন্ত তাৰ। অহঙ্কাৰ থাকন্তেও।।৬।।

উক্ত ঘোষাটি নাম-ঘোষাৰ ৫ নং ঘোষাটিৰ খণ্ড বিশেষ। ৫ নং ঘোষাটিৰ পূৰ্ণ পাঠ তলত দিয়াৰ দৰে-

"কৰ্ম্মত বিশ্বাস যাৰ হিয়াত থাকন্তো হৰি
আতিশয় দূৰ হোন্ত তাৰ।
দূৰতো বিদূৰ হন্ত তাৰ।
অহঙ্কাৰ থাকন্তেও সাক্ষাতে কৃষ্ণক পাৱে
শ্ৰৱণ-কীৰ্ত্তন ধৰ্ম্ম যাৰ।। ৫।।

* * *

জিতোজনে কৃষ্ণকথা বিচাৰে সময় মনেঃ
ধৈৰ্য ধৰি ক্ষেনেক থাকয়।
জত তীৰ্থ স্নান দানঃ দেৱ পিতৃ যজ্ঞো যাগঃ
যোগাদিৰ ফলক পাৱয়।।[৭]

এই ঘোষাটিৰ আঁৰৰ কথা এনেধৰণৰ---বাউসীত দামোদৰে অকল কোৰখনেৰে কৃষিকাৰ্য কৰে। গুৰু শঙ্কৰদেৱৰ বহাৰ কাষেৰে কৃষিকাৰ্য কৰিবলৈ অহা-যোৱা

কৰে। এনেদৰে অহা-যোৱাৰ সময়ত কোৰখনতে ভেজা দি ক্ষন্তেকপৰ গুৰুজনে চৰ্চ্চা ভাগৱত, হৰিকথা শুনি যায়। দামোদৰৰ হৰিকথাৰ প্ৰতি থকা ঐকান্তিকতাত মুগ্ধ হৈ মাধৱদেৱে সুন্দৰীদিয়াত এই ঘোষাটি ৰচনা কৰে। ঘোষাটি নাম-ঘোষা গ্ৰন্থৰ ৯নং ঘোষা।

জ্ঞান শূণ্য আতিঃ পশু পক্ষী জাতিঃ
তাকো অনুগ্ৰহ কৰি আচা কৃপাময়।।[৮]

মহাপুৰুষ শঙ্কৰদেৱে ২য় বাৰ মাধৱদেৱকে আদি কৰি ছয়কুৰি ভক্তসমে তীৰ্থ কৰিবলৈ যোৱাৰ সময়ত এখন হাবিৰ মাজেৰে যাব লগা হোৱাত ব্যাধে ফান্দ পাতি হৰিণ, ম'ৰা চৰাই বন্দী কৰি থোৱা অৱস্থাত পাইছিল। মহাপুৰুষে সেই ফান্দৰ পৰা হৰিণ, ম'ৰা চৰাই মুকলি কৰি দি ক্ৰমে-'নাৰেঙ্গি আধলি এটি' আৰু 'একসিকা' ফান্দত থৈ গৈছিল। পিছত ব্যাধে আহি সকলো গম পাই মহাপুৰুষক আগভেটি ধৰি বোলে-'বোলে জ্ঞানশূণ্য পশু পক্ষীকোজে বন্ধৰ পৰা টকা দি মুকুত কৰি আহিলা প্ৰভুঃ আমাকো সংসাৰ বন্ধৰ পৰা মুক্ত কৰা শৰণ বিত্ত দি? মহাপুৰুষেও ব্যাধক শৰণ দিলে। পাচত মাধৱদেৱে "গুৰুজনৰ কৃপালু গুণ বন্নাই ঘোষাত বান্ধিচে সুন্দৰিত।।" উক্ত ঘোষাটি নাম-ঘোষাৰ ৮০৪ নং ঘোষাৰ অংশ বিশেষ। ঘোষাটিৰ পূৰ্ণ ৰূপ এনেধৰণৰঃ

জ্ঞানশূন্য আতি পশু পক্ষী জাতি এ
তাকো অনুগ্ৰহ কৰি আছা কৃপাময়।
আকে জানি হৰি শৰণে পশিলোঁ এ
আমাক তোহ্মাৰ তেজিতে উচিত নয়।।৮০৪।।

তেনেকৈ পুৰীৰ জগন্নাথ মন্দিৰৰ সিংহদ্বাৰেৰে পাণ্ডাৰ কোব লৈ প্ৰৱেশ কৰাৰ সময়ত ঘোষা গাইছে----

হৰিৰ গৃহৰ দ্বাৰেঃ বেত্ৰৰ প্ৰহাৰ যোগ্যঃ
ব্ৰহ্মা ইন্দ্ৰ আদি দেৱ জাক।
হেনয় দ্বাৰত বেত্ৰঃ প্ৰহাৰ পাইবাৰ যোগ্যঃ
হঞ আমি কমন বৰাক।।[৯]

এই ঘোষাটি নাম-ঘোষাৰ ১০৪ নং ঘোষা।

বৃন্দাবনত সনাতনক লগ পোৱাৰ প্ৰসংগ লৈও সুন্দৰিত "চোট আতা ঘোষা কৰিচে" নোহো জানা আমি চাৰি জাতিঃ

নোহো জানা আমি চাৰি জাতিঃ





চাৰিও আশ্ৰমী নোহো আতিঃ
নোহো ধৰ্ম্মশীল তীৰ্থ ব্ৰত অবগামী
কিন্তু পুন্নানন্দ সমুদ্ৰৰঃ
গোপী ভৰ্ত্তাপদকমলৰঃ
দাসৰো দাসৰ তান দাস ভৈলো আমি।।[১০]

এই ঘোষাটি নাম-ঘোষাৰ ৬৬৯ নং ঘোষা।

মাগুৰিত মহাপুৰুষে কণ্ঠভূষনৰ লগত ভাগৱত চৰ্চ্চা কৰে।-"কণ্ঠভূষনে বন্ধমুকুত" চৰ্চ্চিচিল অৰ্থ নোলাইঃ নপাইহে নোসোধেওঃ পাচে গুৰুজনে চই মুকুত চৰ্চ্চিলেঃ বন্ধমুকুতঃ জীৱন্ত মুকুতঃ সত্যমুকুতঃ পৰম মুকুতঃ মহামুকুতঃ মুখ্যমুকুতঃ এই প্ৰসংগ লৈ সুন্দৰিত ছোট আতা গুৰুবাক্যলৈ মনকৈ চই মুকুতৰ চটা ঘোষা কৈলে।। হৰবাৰ পটল দি'

অবিদ্যাযোনিত সুখঃ সত্যলোক আদি কৰিঃ আতনিৰপেক্ষ নিৰন্তৰ। কেৱল চিদাংস সুধিঃ কৰনেসে জানা মাত্ৰঃ পুৰুষাৰ্থ মুমুক্ষজনৰ।। খণ্ড।। বিদ্যা অবিদ্যা জন্য।। সমস্তে সুখকে তেজি।। মুমুক্ষজনৰ জেবে।। জ্ঞাননিষ্ঠজনে বিদ্যা।। পুৰুষোত্তমৰ প্ৰেমভকতি সুখক মাত্ৰঃ নিচয় কৰিলে জিতোজন।। শৰণকালৰ পৰাঃ বিধিৰ কিঙ্কৰ গুচিঃ কৰে সদা শ্ৰৱণ কীৰ্ত্তন।।[১১]

ইয়াৰে-'অবিদ্যাযোনিত সুখঃ- পুৰুষাৰ্থ মুমুক্ষজনৰ'।। 'নামঘোষা'ৰ ১২২ নং ঘোষাৰ পূৰ্ণ ৰূপ। 'বিদ্যা অবিদ্যা জন্যে'-১২৩ নং ঘোষাৰ ৰূপ। ১২৩ নং ঘোষাটিৰ পূৰ্ণ ৰূপ এনেধৰণৰ----

বিদ্যা অবিদ্যা জন্য সুখে নিৰপেক্ষ হুয়া
কৰিল আপুন মন স্থিৰ।
বাসুদেৱময় মাত্ৰ সকলে জগত ইটো
পুৰুষাৰ্থ জানিবা জ্ঞানীৰ।।

'সমস্তে সুখকে তেজি।। মুমুক্ষজনৰ জেবে।। ১২৫ নং ঘোষাটিৰ খণ্ডৰূপ। ১২৫ নং ঘোষাটিৰ পূৰ্ণৰূপ এনেধৰণৰ----

মুমুক্ষ জনৰ যেৱে অবিদ্যা জনিত সুখে
বিৰকতি ভৈল আতিশয়।
কেৱলে আত্মাত মাত্ৰ , সদায় ৰমন কৰে

তেৰে বিধি কিঙ্কৰ গুচয়।।

তেনেকৈ 'জ্ঞাননিষ্ঠজনে বিদ্যা'-'নাম-ঘোষা'ৰ১২৬ নং ঘোষাৰ খণ্ডৰূপহে ১২৬ নং ঘোষাটিৰ পূৰ্ণৰূপ এনেধৰণৰ-----

জ্ঞাননিষ্ঠ জনে বিদ্যা অবিদ্যা জনিত দুয়ো
সুখে বিৰকতি ভৈল যেৰে।
বাসুদেৱময় মাত্ৰ দেখয় জগত ইটো
বিধিৰ কিঙ্কৰ গুচে তেৰে।।

'পুৰুযোত্তমৰ প্ৰেমভকতি সুখক মাত্ৰঃ----- কৰে সদা শ্ৰৱণ কীৰ্ত্তন।।' নাম-ঘোষাৰ ১২৭ নং ঘোষাৰ পূৰ্ণৰূপ।

শাস্ত্ৰজ্ঞানত কণ্ঠভূষণ মহাপুৰুষ শঙ্কৰদেৱৰ হাতত পৰাজিত হৈ 'লাজ হৈ মনে বোলেঃ এঞকে বাদে ভঙ্গাব জিনিব নুৱাৰো মানে নাহো এই দেশক' বুলি বেদান্ত পঢ়িবলৈ ভাটিলৈ গ'ল। কণ্ঠভূষণে ডাঙৰ পণ্ডিত বিচাৰি বিচাৰি বাৰাণসীৰ ব্ৰহ্মানন্দৰ ওচৰ পালে। ব্ৰহ্মানন্দই কণ্ঠভূষণৰ পৰিচয়, গোটেই ঘটনাৰ বুজ লৈ বেদান্তৰ শিক্ষা দিয়া দূৰৈৰে কথা, শঙ্কৰৰ লগত জিদ ধৰা অপৰাধ হোৱা বুলিহে কলে। ইয়াৰ পৰা ৰক্ষা পাবলৈ দিহা দিলে--- 'তাৰাৰ পাৰতে পৰি স্তুতি কৈ মাতগৈঃ তেহে ৰক্ষা পা 'ইয়াৰ পাচত ব্ৰহ্মানন্দই তেওঁৰ গুৰু বিষ্ণুপুৰীৰ চৰিত্ৰ বৰ্ণনা কৰি- 'শঙ্কৰদেউক নমস্কাৰ কৰি এটা শ্লোক কৰি দিচে।। ভকতক নমস্কাৰ কৈ এক শ্লোকঃ ধূলাভূমিক নমস্কাৰ কৈ এক শ্লোকঃ দিশক নমস্কাৰ কৈ এক শ্লোক কৰি দিছে।। এই চাৰি শ্লোকেৰে গদ্যকৈ কণ্ঠভূষণৰ হাতেদি সেৱা জনালে।। আৰু বিষ্ণুপুৰী গুৰুৰ সন্দেহ বাহুকন্ধৰ সাৰোধাৰ ৰত্নাৱলী দি সেৱা জনাই' কণ্ঠভূষণেৰ হাতেদি মহাপুৰুষলৈ প্ৰেৰণা কৰিলে। কণ্ঠভূষণে তিনিমাহ উজাই আহি পাটবাউসিতে গুৰুজনক দি সেৱা জনালে। ইয়াৰ পাচত ব্ৰহ্মানন্দৰ প্ৰাৰ্থনা শ্লোক চাৰিটা ভাঙি মাধৱদেৱে ঘোষা চাৰিটা কৰিলে-

ৰামানন্দ পদ যুগল।। শ্ৰীমধুদ্বিষ ঈশ্বৰৰ।।
সেহি ধন্য লোক শুচিমন্ত।। জি দিশত মহাভক্তসবে।।[১২]

হৰিষাৰ প্ৰশংসা প্ৰসংগত গুৰুজনে সপ্তম স্কন্ধৰ শ্লোক কৰিছে, সেই শ্লোক ভাঙি মাধৱদেৱে ঘোষা কৰিছে-

একান্ত শৰণেঃ জিতো নাম লএঃ হৰি ফুৰে তাঙ্ক ৰাখি।
আনত যদ্যপিঃ সঞ্জাত নজৰাঃ লৱা প্ৰহ্লাদক সাখি।।[১৩]

উক্ত ঘোষাটি 'নাম-ঘোষা' গ্ৰন্থৰ ২৬১ নং ঘোষা।





শ্ৰীমাধৱদেৱে গণককুচিৰপৰা বটিয়ামাৰি হৈ হাকমা, সালকচা পাইছে। সালকচা জেমাল কচাৰিৰ ঘৰত দেৱদত্ত অধ্যাপকৰ ছাত্ৰশাল। 'তাতে সবদ ধাতুসূত্ৰ সাধিছেঃ সন্ধি বৃত্তি অমৰ পঢ়িছেঃ দূৰলকে শব্দ উঠিছে ডুক্ৰিনকৈ।। তাকে গুৰুজনে শুনি খেদকৈ ব্যাকৰ্ন্নৰ পৰ্যই আনি ঘোষা কৰি আতৈসৰত সুনাইচে।।'

স্মৰহ গোবিন্দ মূঢ়ঃ ভজহ গাবিন্দ মূঢ়ঃ বোলহ গোবিন্দ সৰ্বক্ষনেঃ
মৰণ সহনিত ভৈলেঃ গোবিন্দেসে ৰাখিবন্তঃ নৰাখিব ডুক্ৰিন কৰণে।।১৪

এই ঘোষাটি 'নাম-ঘোষা' গ্ৰন্থৰ ৪৫ নং ঘোষা।

ইয়াতে আকৌ বাকলি ৰাম আতৈৰ প্ৰশ্নৰ উত্তৰতো এটি ঘোষা কৰিছে-

তৰ্কশাস্ত্ৰ মহাব্যাঘ্ৰীঃ তাহান নিপুন পতিঃ তান শিষ্য ভৈল পুত্ৰ খাই।।
সংসাৰবনত পশিঃ পতিপুত্ৰ সমন্বিতেঃ উপনিষদ ধেনু ধৰি খাই।। ১৫।।

এই ঘোষাটি 'নাম-ঘোষা' গ্ৰন্থৰ ৪৩ নং ঘোষা।

মাধৱদেৱে ভেলাত থকা গুৰুজনৰ আজ্ঞা লৈ বণ্ডুকালৈ গ'ল-বংশ পৰিয়ালক শুদ্ধসত্য ধৰ্ম ধৰাবলৈ। তাতে লস্কৰৰ ঘৰত হোৱা অভিজ্ঞতাৰ পেক্ষাপটত সুন্দৰিত মাধৱ গুৰুজনাই ঘোষা কৰিছে---

- ঐশ্বৰ্য্য ভোগৰ মদেঃ মত্ত হুয়া ঈশ্বৰতঃ পৰাঙ্মুখ ভৈল জিতোজন।
জেনে জীৰ্ন্ন গাই সিতোঃ দুৰ্ঘোৰ সংসাৰে মজিঃ পঙ্কে পৰি হোঅয় মগন।।১৬।।
জিতো মহামতি গুৰুজনেঃ হৰিভক্তি পথ উপদেশঃ দিয়া দুখময় সংসাৰৰ পাৰ কৰে।
হেনয় পৰম গুৰু ঋনঃ সুজিবাক প্ৰতি জানা নিষ্ঠিঃ অন্যএ উপায় নাহি অঞ্জলিত পৰে।।১৭।।

সুন্দৰিদিয়াত থাকোতে মাধৱদেৱে হৰিপদৰ বাক্যত মুগ্ধ হৈ ঘোষা মাতিছে।

হৰিপদে ধৰঃ অন্যায় নকৰঃ সুন ৰে মন পামৰ।
সাখি হুয়া হৰিঃ হিয়াৰ ভিতৰেঃ আচা দেৱ দণ্ডধৰ।।১৮।।

সুন্দৰিত গুৰুজনে ভকতচিলা আৰু তিনিভকতৰ প্ৰসংগত সাধু সঙ্গ মাহাত্ম্যৰে সমৃদ্ধ ঘোষা গাইছে এনেদৰে-------

যদি ভৱ ভয় ভঙ্গঃ মনে ইচা কৰা ভাইঃ সদা সাধুসঙ্গ কৰা সাৰ।
এক ক্ষণ মানে মাত্ৰঃ কেৱলে সাধুৰ সঙ্গেঃ হোত্ৰ নাৱ-ভৱ তৰিবাৰ।।১৯।।

এদিন মাধৱদেৱৰ ভক্তসকলৰ সৈতে 'জইতিগ্ৰাম' লৈ যোৱাৰ বাটত ঠাকুৰ আতাই

মাছধৰা প্ৰসংগত ঘোষা কৰিছে এনেদৰে---

মৃগ মীন মহা সাধু নৰেঃ

মনৰ সন্তোষে তৃণ জলেঃ

হিংসা শূণ্য হুয়া থাকয় জীৱন ধৰি।২০।।

মহুৰাপাৰৰ গোবিন্দ আতৈত্ৰ বিয়া কৰাবৰ মন কৰি গুৰুজনত প্ৰাৰ্থনা জনোৱাৰ বেলিকা ঘোষা কৰিছে এনেদৰে ---

বিষয় সম্বন্ধঃ ইন্দ্ৰিয়ৰ সুখঃ সমস্ত যোনিতে পাই।

পৰম দুল্লভঃ হৰিৰ ভকতিঃ মনুষ্যত পৰে নাই।।২১।।

উক্ত ঘোষাটি 'নাম-ঘোষা' গ্ৰন্থৰ ২৬৯ নং ঘোষা।

জীৱনা আতৈত্ৰ ভাৰ্য্যাপুত্ৰ সবাকে এৰি গুৰুধৰ্ম লভি সত্ৰৰ বহাতে থাকে। এবাৰ তেওঁৰ অসুখ হৈ শৰীৰ দুৰ্ব্বল হ'লঃ তেতিয়া ঘৰলৈ গৈ গাটো তঙাই আহিবলৈ মন কৰিলে। তেতিয়াও গুৰু মাধৱে তিনিটা ঘোষা মাতিছিল।----

দুল্লভ মনুষ্যতনুঃ লভিয়া পশুৰ যোগ্যঃ বিষয়ৰ আশা পৰিহৰা।।

সম্বন্ধ সুখঃ সমস্তে যোনিতে পাইঃ হৰিসেৱা একো থানে নাই।

মৃত্যুৰ মুখত পৰিঃ আছে জিতো সিতো নৰঃ হৰিগুণ কীৰ্ত্তন নকৰে।।২২।।

উৰপোতৰ পঢ়িয়া মাধৱআতৈ তীৰ্থ ভ্ৰমণ কৰি ঘৰলৈ প্ৰত্যাৱৰ্ত্তন কৰাৰ সময়ত ঘৰৰ মানুহে আদৰ-সাদৰ নকৰা প্ৰসঙ্গত মাধৱ গুৰুৱে ঘোষা কৈছে---

কৃষ্ণৰ পৰমঃ নিৰ্ম্মল চৰিত্ৰঃ কথাৰ জৈত প্ৰকাশ।

গঙ্গা আদি কৰিঃ জত তীৰ্থ আছেঃ তৈতেসে কৰে নিবাস।।

পিছদিনা মাধৱ আতৈ সুন্দৰীত থকা মাধৱগুৰুৰ ওচৰ পালে; বাৰবছৰ তীৰ্থ ভ্ৰমণ আদি কৰা সমস্ত কথা ক'লে। এনেবোৰ কথা শুনি মাধৱদেৱে ঘোষা মাতিছে-

সমস্তে তপক আচৰোকঃ পৰোক পৰ্ব্বতে উঠি জত।

বেদাগম আদি কৰি জতঃ বিস্তৰ তীৰ্থত নাহি কাৰ্য।।২৪।।

এই ঘোষা শুনি মহাপুৰুষক গুৰু বুলিলে। ঘোষাটি 'নাম-ঘোষা' গ্ৰন্থৰ ৫৯৮ নং ঘোষাটিৰ খণ্ড ৰূপ।

উদাৰ গোবিন্দ আতৈ হৰিনাম অনবৰতে মুখত আহি থকাত শৌচ সুধি লৈ যাওঁতে জিহ্বাত ধৰি থাকে। এই কথা মাধৱদেৱে আন ভক্তৰ মুখে জানি-এদিন মাতি আনি ঘোষা এটি মাতি বাৰণ কৰিছে।

হৰিনাম কীৰ্ত্তনতঃ নাহি কাল দেশ পাত্ৰঃ নিয়ম সঞ্জম একো বিধি।





হৰিত শৰণ লৈয়াঃ কেৱল হৰিৰ নামঃ কীৰ্ত্তন কৰন্তে হোএ সিধি।।২৫।।

এই ঘোষাটি 'নাম-ঘোষা' গ্ৰন্থৰ ২৮ নং ঘোষা।

উদাৰ গোবিন্দ আতৈ এবাৰ ঘৰলৈ যাবলৈ মন কৰাত গুৰুজনে ঘোষা কৰিছে-

বিষয় সমন্ধ সুখঃ সমস্ত যোনিতে পাইঃ জানি সেৱা একো থানে নাই।

হৰিৰ সেৱাৰ যোগ্যঃ কেৱল মনুষ্যতনুঃ জানি ফুৰা হৰিগুণ গাই।।

এই ঘোষাটি 'নাম-ঘোষা' গ্ৰন্থৰ ২৯ নং ঘোষা।

ভোবোৰা ৰাম আতৈৰ ভোজন প্ৰসংগ লৈও মাধৱগুৰুৱে ঘোষা কৰি মাতিছে -

সুনিও সজ্জন শাস্ত্ৰসাৰঃ সকলে সম্পত্তি জানা তাৰঃ হৰিভক্তি ৰসে সন্তোষ মন জাহাৰ।২৭।।

আন এদিন গুৰুজনে ভোবোৰা ৰাম আতৈৰ বাক্যত সন্তোষ হৈ গুৰুজনে ঘোষা মাতিছে----

জয় জয় ৰাম কৰুণা সাগৰ এঃ

মোক নাৰায়ণ ইবাৰ কৰিও দায়া।।২৮।।

এই ঘোষাটি 'নাম-ঘোষা' গ্ৰন্থৰ ৮১৭ নং ঘোষাৰ খণ্ড বিশেষ।

আন এদিনাখন মাধৱদেৱে ভোবোৰা ৰাম আতৈক পানী খাবলৈ লোটা এটি দিয়াত লোটাটি আগত লৈ গোটেই নিশা কান্দিছে। আন ভক্তৰ মুখে কথাটো গুৰুৰ কাণত পৰাত, গুৰুৱে আতৈক মাতি সুধিলে। আতৈএ ক'লে----

'এতিয়া লোটা মায়াপাশে বান্ধিলা তাৎহে মন বাত খাই লাগিব নাম গাম কেনেকৈ আৰু।' উত্তৰ শুনি গুৰুৰ মনত দয়া জন্মি লোটাটো ওভোটাই দিবলৈ কলে আৰু এই প্ৰসংগতে ঘোষা গাইছে----

লোভ মোহ কামঃ ক্ৰোধ মদ মানঃ দম্ভ দ্বেষ আদি ভাৱঃ যি গুৰুসবত ইসব নাথাকে প্ৰণামোহো তাহান পাৱঃ সুনিও সজ্জন শাস্ত্ৰসাৰঃ সকলে সম্পতি জানা তাৰ পূন্ন শশী পূন্ন দুগ্ধ সিন্ধুঃ সিমত প্ৰকাশ নকৰয়ঃ বহাখলা শোভা নকৰে সুধ মনে দি পদেহে মহা।২৯।।

শ্ৰীৰাম আতাই বগৰীখোৱা প্ৰসংগ লৈও মাধৱদেৱে ঘোষা মাতিছে-

কৰুণা সাগৰ মোৰ বান্ধৱ এ ৰামঃ ৩০ ।।

গুমনি পৰ্ব্বতৰ লেচাকনিয়া খটৰা বা গোমাৰ গোৱিন্দই মহাপুৰুষ মাধৱদেৱক

সপৰিয়ালে গুৰু বুলিও হিংসা ধৰ্মত প্ৰৱৰ্ত্তাত গুৰুৱে হিংসাবৃত্তি পৰিত্যাগ কৰিবলৈ উপদেশ দি ঘোষা মাতিছে----

মোহোৰ পৰম ঈশ্বৰৰঃ
দুৰাচাৰো ভক্ত নুহি নষ্টঃ
কিন্তু সিতো ভক্ত কৃতাৰ্থ আতি হোৱায়।। ৩১।।

সতাই, বনমালী-দুই মিত্ৰৰ দোষ হোৱাত মাধৱদেৱে ঘোষা মাতিছে---

জাৰত কৈতৰ নেড়স মনঃ
তাৰত কৈত্য সত্য জান ভাগ কৰিঃ
ভজিয়ো হৰিকঃ ৩২।।

কামৰূপ ৰাজ্যৰ বুঢ়া ভকত ৰসাই-গুৰু ভিক্ষালৈ যাওঁতে খিৰা মৰলৰ ভাতৃ মুকুন্দ আৰু মাধৱে যি নগুৰ নাগতি কৰিছিল, সেইকথা জানি গুৰু মাধৱে ঘোষা গাইছিল-

হৰিৰ পৰমঃ প্ৰিয়তম নাইঃ নিজ ভকতত পৰে।
হেন ভকতকঃ জিজনে নিন্দয়ঃ হৰিকেসে নিন্দা কৰে।। ৩৩।।

মাধৱদেৱে স্বপ্নতে গুৰু শঙ্কৰৰ দৰ্শন পাই চেতন লভি গুৰুজনৰ গুণ বৰ্ণাই প্ৰেমত মজি কান্দি ঘোষা পটল কৰি গাই দুখ নিবেদন কৰিছেঃ

এ হৰি হৰিঃ হৰি হৰিঃ হৰি হৰি হৰি কি কাম কৰিলো আমি।
সাধুসঙ্গ লৈ তোমাক নভজি ভৈলো কিনো অধোগামী।। ৩৪।।

বৰপেটাত হৰিগৃহ বন্ধাৰ কাৰণে বজালী পৰগণাৰ পৰা বাঁহ সংগ্ৰহ কৰে। এই পৰগনাতে গুৰু মাধৱদেৱৰ মোমায়েক এগৰাকীও থাকে। তেওঁলোকৰ পৰাও বাঁহ কটা হ'ল। এচোপ বাঁহৰ পূৰঠ গোটেইখিনি কটা হ'লত গোটেই বাঁহ কাটিলে বুলি আপত্তি কৰিলে। তেতিয়া গুৰুজনে ঘোষা মাতিছে---

শিশুৰ বিষয় আশে আগঃ
বালেকে কৰোক বহু মানঃ
যুবাএ সেওক পাৰে মানঃ
ভোগ কৰিবাক নপাৰয়ঃ
তথাপিতো আশা নচাৰয়ঃ
হৰি হৰি।। দশন বিহীন কুতা জেনঃ হাৰ।। ৩৫।।

ইয়াৰ 'শিশুৰ বিষয় আগ'- 'নাম-ঘোষা' গ্ৰন্থৰ ৬৩০ নং ঘোষাৰ খণ্ড ৰূপ। ঘোষাটিৰ পূৰ্ণ পাঠ এনেধৰণৰঃ





শিশুৰ বিষয় আশা আগ যুৱা সেৱা কৰে পায়া লাগ
বৃদ্ধে ভোগ কৰি পিঠি দিলে বিষয়ক।
হৰি ভকতিক পৰিহৰি বৃদ্ধে বিষয়ক টেৰ কৰি
পুনু পালটিয়া নিৰিখি আছে কিসক।। ৬৩০।।

তেনেকৈ 'বালকে কৰোক বহু মানঃ যুবা এ সেওক পাৰে মানঃ 'নাম-ঘোষা' গ্ৰন্থৰ ৬২৮ নং ঘোষাৰ খণ্ড ৰূপ। ঘোষাটিৰ পূৰ্ণ পাঠ তলত দিয়াৰ দৰে-

বালকে কৰোক বহুমান যুবায়ে সেৱোক পাৰেমান
বৃদ্ধে বিষয়ৰ বহিৰ্ভূত হুয়া গৈল।
ভোগ কৰিবাক নপাৰয় তথাপিতো আশা নছাৰয়
হৰি হৰি হৰি কিনো বিপৰীত ভৈল।। ৬৩১।।

তেনেদৰে-'ভোগ কৰিবাক নপাৰয়ঃ তথাপিতো আশা নচাৰয়ঃ দশন বিহীন কুত্তা জেন হাৰ।।' খণ্ডিত ৬৩২ নং ঘোষাৰ খণ্ড ৰূপহে। পূৰ্ণ ৰূপ এনেধৰণৰঃ

বৃদ্ধসৱে জানা বিষয়ক ভোগ কৰিবাক নপাৰয়
ভক্তিহীন বৃদ্ধে তেজিতে সমৰ্থ নয়।
দশনবিহীন কুত্তা যেন হাড় চোবাইবাক নপাৰয়
জিহবা লৰবৰ কৰি মাত্ৰ চেলেকয়।।

এই হৰিগৃহত বিভীষণ আতৈ আৰু পৰ্ব্বতীয়া কৃষ্ণাই আতৈ নামৰ দুই কাৰিকৰে পাটদ্বাৰত লতাফুল কটা প্ৰসঙ্গতে 'আমিও লটা কাটি ঈশ্বৰৰ গুণ বৰ্ন্নাঞ' বুলি মাধৱদেৱে তলৰ ঘোষাটি ৰচনা কৰিছে---

হৰি হৰি হৰি
হৰি হৰি হৰি এ।। ৩৬ ।।
এই ঘোষাটি 'নাম-ঘোষা' গ্ৰন্থৰ ৯৮০ নং ঘোষাৰ খণ্ড ৰূপ।

মাছ ভগাওঁতে নিজলৈ সৰহকৈ ৰখা ভকত পিচৰ জন্ম চিলা হোৱা প্ৰসংগত মাধৱদেৱে ঘোষা মাতিছে----

কাম ক্ৰোধ লোভঃ আপুন নাশনঃ
জানি কৰা পৰিহাৰ।।
আত্ম নাশ হেতুঃ কাম কোধ লোভঃ নৰকৰ তিনিদ্বাৰ।।
জানি আক তেজিঃ কেৱলে কৃষ্ণৰঃ ভকতিক কৰা সাৰ।। ৩৭

ইয়াৰে 'কাম ক্ৰোধ----- পৰিহাৰ'।। খণ্ডটি 'নাম-ঘোষাৰ' ২০৮ নং ঘোষাৰ খণ্ড ৰূপ। 'আত্মা নাশ হেতু-- ভকতিক কৰা সাৰ।।' ঘোষাটি 'নাম-ঘোষা'ৰ ২০৯ নং

ঘোষা।

এদিন হৰিহৰ আতাক গুৰুজনে দোষ ধৰা প্ৰসংগত গুৰুজনে সেই বেলা ঘোষা কৰিছে-----

আপুনি মহন্তঃ নুহি মহন্তকঃ নুপাসিলে কদাচিত।

তাৰ উপদেশেঃ আনো নতৰয়ঃ আপুনো ভৈল বঞ্চিত।।৩৮।।

গোৱিন্দ আতৈৰ মাতৃএ কাঁথি কলা সাৰোতে দায় ধৰাত ৰাধা-কৃষ্ণই ঠাই সৰাৰ প্ৰসংগত-ঘোষা কৰিছে এনেদৰে-----

মাধৱৰ নাম বৎস প্ৰায় ভৈলঃ ভক্তে তাঙ্ক লৈয়া জান্ত।

বেদৰ ঈশ্বৰ হৰি ধেনু জেনঃ তাৰ পাছে পাছে ধান্ত।।৩৯।।

দূৰৰপৰা হেঁচোক কিল যচা ধনুখন্দাৰ দুপাৰে কৃষি কৰা দুই ভকতৰ দণ্ড প্ৰসংগত গুৰুজনে ঘোষা মাতিছে এনেদৰে-----

আপুনি- আপুন শত্ৰুঃ আপুনি আপুন বন্ধুঃ আপুনি আপুন ৰাখে মাৰে।।৪০।।

এই ঘোষাটি 'নাম-ঘোষা'ৰ ২৬ নং ঘোষাৰ প্ৰথম শাৰী। পিচৰ শাৰীটো হ'ল ---

হৰিক নভজি নৰ আপুনি হোৱয় নষ্ট

হৰি ভজি আপোনাক তাৰে।।

মেঘ চাৰলিয়া ভোগৰ ইচ্ছা জন্মা প্ৰসংগত গুৰুজনে ঘোষা মাতিছে---

পীউ পীউ পীউ অমিয়া মধুৰি হৰি ৰাম ৰাম ৰাম।

দূৰতে তেজিয়া থৈয়ো আন জত মনৰ কাম ৰাম ৰাম।।৪১।।

এই ঘোষাটি 'নাম-ঘোষা' পুথিৰ ৭০৪ নং ঘোষা।

জীৱনা আতৈ এ এদিন মাঘমহা মেঘ চন্না বতৰত সূৰ্য্যৰ প্ৰকাশ নঘটা বুলি কোৱাত গুৰুজনে ঘোষা কৰিছে----

সেহিসে দিনক ভাইঃ দুৰ্দ্দিন বুলিয়া মানিঃ

মেঘাচন্ন নোহয় দুৰ্দ্দিন।।

হৰিকথা অমৃতৰঃ সম্যকে আলাপ ৰসেঃ

জিতো দিন হোৱয় বিহীন।।৪০।।

এনেদৰে 'গুৰু চৰিত-কথা'ৰ কথাংশৰ মাজত অনেক ঘোষা মতা,ৰচনা কৰাত প্ৰসংগ উত্থাপিত হৈছে- যিবোৰ কথা এটি ক্ষুদ্ৰ প্ৰবন্ধৰ মাজত ঠাই দিবলৈ বাস্তৱিকতে কঠিত কাম। তথাপি আমাৰ ক্ষুদ্ৰ বিদ্যায়তনিক প্ৰচেষ্টাৰে 'গুৰু-চৰিত-কথা' পুথিখনিৰ মাজৰ পৰা কেইটিমান ঘোষা, ঘোষা ৰচনা কৰাৰ প্ৰসংগ উল্লেখ





কৰিলোঁ। এইবোৰৰ পৰা দেখা যায়- মহাপুৰুষে ভালেখিনি ঘোষা- ডেকা বয়সত, শঙ্কৰদেৱৰ জীৱন কালতে কামৰূপত বিশেষকৈ পাটবাউসী, গনককুছি, বৰপেটা আদি স্থানত ৰচনা কৰিছিল। তেনেদৰে-অসম, বেহাৰ, ৰাজ্যতো মাধৱদেৱে ঘোষা ৰচনা কৰিছিল। অৱশ্যে কোনো সন্দেহ নাই যে এহেজাৰ ঘোষাৰ অধিক সংখ্যক ঘোষা মাধৱদেৱে গুৰু শঙ্কৰদেৱৰ দেহাৱসানৰ পিচত ভেলাডোৱৰত (বেহাৰ) ৰচনা কৰিছিল। এনে ধাৰণাতে বোধকৰো ড° বাণীকান্ত কাকতিয়ে মাধৱদেৱে গুৰু শঙ্কৰদেৱৰ জীৱনৰ শেষ ভাগত বৰপেটা থান এৰি কোচবিহাৰৰ অন্তৰ্গত ভেলাডোৱাৰত সত্ৰ পাতি থাকোতে 'নাম-ঘোষা' ৰচনা কৰিছিল বুলি মন্তব্য কৰিছিল। ড° কাকতিয়ে কিন্তু নাম-ঘোষা ৰচনা কৰাৰ বহুত আগতেই শঙ্কৰদেৱৰ তিৰোভাৱ হয় বুলি সিদ্ধান্ত দিছে।

'নাম-ঘোষা'ৰচনা কৰাৰ নেপথ্যত থকা কাহিনীসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে মহাপুৰুষৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ সান্নিধ্যত থকা কালতো অনেক ঘোষা ৰচনা কৰিছে। এনেবোৰৰ পৰা ড° কাকতিয়ে কোৱাৰ দৰে অকল জীৱনৰ শেষভাগত নহৈ জীৱন কালৰ বিভিন্ন ক্ষণতে মাধৱদেৱে নাম-ঘোষা ৰচনা কৰিছিল বুলিহে ভাবিব পাৰি। আমাৰ এনে ধৰণৰ আলোচনা-অনুমানৰ সত্যতা 'গুৰু-চৰিত-কথা'ৰ সত্যতাৰ ওপৰত নিৰ্ভৰশীল। অৱশ্যে এনে অনুমান নিশ্চয় অমূলক নহ'ব যে-'নাম-ঘোষা' গোটেই গ্ৰন্থখনি শ্ৰী শ্ৰী মাধৱদেৱে কোচবিহাৰৰ ভেলাডোৱাৰত সংকলন কৰি উলিয়াইছিল। শেষত বিষয়টোৰ মুখনি এনেদৰে মাৰিব পাৰি''Sri Madhav Dev was initiated in 1524, when he was 32 years old and his preceptor, Sri Sankar Dev was 75 years old--Composition of the Nam-Ghosha Commenced probably in 1525, a year after the inibiation of Sri Madhav Dev, in the sacred village patbausi (near Barpeta)''[83]

**সূত্ৰ নিৰ্দ্দেশ ঃ**

১। ড° বাণীকান্ত কাকতিৰ পুৰণি অসমীয়া সাহিত্য, পৃষ্ঠা- ৮১-৯৫

২। এই তথ্য ছাৰ এড'ৱাৰ্ড গেইটৰ-এ হিষ্টৰি অৱ আসামৰ পৰা লোৱা।

৩। চৰিত পুথিত উল্লিখিত ঘোষাৰ অনেকেই খণ্ড বিশেষ। কেতিয়াবা ঘোষাটোৰ

দ্বিতীয় শাৰীটোহে বক্তা, ভক্ত আতৈসকলে মনত ৰাখিব পাৰিছে। কেতিয়াবা আকৌ পাঠৰ ক্ৰম সলনি কৰি গাইছে।

| | | | |
|---|---|---|---|
| ৪ | গুৰু-চৰিত-কথা | দফা নং | ১৯৯; |
| ৫ | প্ৰাগুক্ত গ্ৰন্থ | দফা নং | ২৫৪, ২৫৫; |
| ৬ | ঐ | দফা নং | ২৫৬; |
| ৭ | ঐ | দফা নং | ২৬৫; |
| ৮ | ঐ | দফা নং | ২৭৫; |
| ৯ | ঐ | দফা নং | ২৯১; |
| ১০ | ঐ | দফা নং | ২৯৬; |
| ১১ | ঐ | দফা নং | ৩১৯,৩২০; |
| ১২ | ঐ | দফা নং | ৩২১, ৩২৪; |
| ১৩ | ঐ | দফা নং | ৩৩২; |
| ১৪ | ঐ | দফা নং | ৩৫৩; |
| ১৫ | ঐ | দফা নং | ৩৫৪; |
| ১৬ | ঐ | দফা নং | ৩৫৮; |
| ১৭ | ঐ | দফা নং | ৩৫৯; |
| ১৮ | ঐ | দফা নং | ৪৪৫; |
| ১৯ | ঐ | দফা নং | ৫০৬; |
| ২০ | ঐ | দফা নং | ৫৫৯; |
| ২১ | ঐ | দফা নং | ৫৭৬; |
| ২২ | ঐ | দফা নং | ৫৮৪; |
| ২৩ | ঐ | দফা নং | ৫৯৪; |
| ২৪ | ঐ | দফা নং | ৫৯৫; |
| ২৫ | ঐ | দফা নং | ৫৯৯; |
| ২৬ | ঐ | দফা নং | ৬০০; |





| | | | |
|---|---|---|---|
| ২৭ | ঐ | দফা নং | ৬০২; |
| ২৮ | ঐ | দফা নং | ৬০৩; |
| ২৯ | ঐ | দফা নং | ৬০৪; |
| ৩০ | ঐ | দফা নং | ৬০৫; |
| ৩১ | ঐ | দফা নং | ৬৩০; |
| ৩২ | ঐ | দফা নং | ৬৩১; |
| ৩৩ | ঐ | দফা নং | ৬৩৫; |
| ৩৪ | ঐ | দফা নং | ৬৩৭; |
| ৩৫ | ঐ | দফা নং | ৬৪৭; |
| ৩৬ | ঐ | দফা নং | ৬৫১; |
| ৩৭ | ঐ | দফা নং | ৬৬৭; |
| ৩৮ | ঐ | দফা নং | ৬৬৮; |
| ৩৯ | ঐ | দফা নং | ৬৭০; |
| ৪০ | ঐ | দফা নং | ৬৭৮; |
| ৪১ | ঐ | দফা নং | ৭০১; |
| ৪২ | ঐ | দফা নং | ৭১১; |

৪৩ এই মন্তব্য ২৯/৯/৫৬ চনত S.C.Roy এ দিয়া। তেখেত বৃন্দাবনৰ ভি, টি, ইউনিভাৰ্চিটিৰ বৈষ্ণৱ ৰিচাৰ্চ ইনষ্টিটিউটৰ ডিৰেক্টৰ। তেখেতে হৰমোহন দাস সম্পাদিত 'নাম-ঘোষা' গ্ৰন্থৰ পাতনিত এই কথা উল্লেখ কৰিছে; (পৃষ্ঠা XXV)

**সহায়ক গ্ৰন্থপঞ্জীঃ**

কাকতি, ড° বাণীকান্ত; পুৰণি অসমীয়া সাহিত্য,১৯৬২

চক্ৰৱৰ্তী, ড° মুকুল; গুৰু-চৰিত-কথা,২০০০;

দাস, হৰমোহন (সম্পাদিত) নাম-ঘোষা,১৯৯২

নেওগ, ড° মহেশ্বৰ (সম্পাদিত) গুৰু-চৰিত-কথা,১৯৮৭

(সম্পাদিত) বৰদোৱা গুৰু-চৰিত,১৯৭৭

লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ (সম্পাদিত) কথা-গুৰু চৰিত,১৯৫২

Gait, Sir Edward, a History of Assam,1984



**লেখকৰ পৰিচয়ঃ**

ড° মুকুল চক্ৰৱৰ্তী, জ্যেষ্ঠ অধ্যাপক

# বেদান্ত আৰু নাম-ঘোষা

**ড° প্ৰহ্লাদ কুমাৰ বৰুৱা**

বেদ বুলিলে যিদৰে চাৰিখন গ্ৰন্থৰ নাম মনলৈ আহে, উপনিষদ বুলি ক'লেই যিদৰে কিছুমান গ্ৰন্থৰ নাম আহে, পুৰাণ, সংহিতা, ব্ৰাহ্মণ বুলি ক'লেও কিছুমান গ্ৰন্থৰ নাম যিদৰে মনলৈ আহে, বেদান্ত বুলি ক'লে কিন্তু কোনো প্ৰকাৰ বিশেষ গ্ৰন্থৰ নাম মনলৈ নাহে। আচলতে আহিব নোৱাৰে। কাৰণ বেদান্ত বুলি বিশেষ কোনো পুথি নাই। শব্দগতভাৱে বেদৰ অন্ত ভাগেই বেদান্ত। প্ৰশ্ন হয় বেদৰ অন্তনো কি? বেদৰ অন্ত মানে য'ত বেদৰ সাৰকথাবোৰকে মন্থন কৰি অধিকতৰ গভীৰ আৰু বিস্তৃত ৰূপ দিয়া হৈছিল---- সেয়ে বেদান্ত। বেদৰ তত্ত্বকথাবোৰকে মন্থন কৰি গভীৰতৰ আৰু বিস্তৃত ৰূপ দিছিল উপনিষদসমূহে। গতিকে সামগ্ৰিকভাৱে উপনিষদসমূহে উমৈহতীয়াভাৱে যি মতামত বা দৰ্শনৰ ৰূপ দিছিল, সেই দৰ্শনেই বেদান্ত দৰ্শন। গতিকে বেদান্ত দৰ্শন আৰু নাম-ঘোষাৰ যি তুলনামূলক আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে, এই প্ৰয়াস আচলতে উপনিষদ দৰ্শন আৰু নাম-ঘোষা দৰ্শনৰ তুলনামূলক আলোচনাহে। আৰু সিয়ে বেদান্ত আৰু নাম-ঘোষাৰ আলোচনা।

### দুই

বেদান্ত দৰ্শন বুলিলেই প্ৰথমে মনলৈ আহে ব্ৰহ্মবাদৰ কথা। গতিকে সৰ্বপ্ৰথমে বেদান্ত ব্ৰহ্মবাদ আৰু নাম-ঘোষাৰ ব্ৰহ্মবাদৰ বিষয়ে বিচাৰ কৰিব লগা হয়।

ব্ৰহ্মাৰ স্বৰূপ সম্বন্ধে কঠোপনিষদে কৈছে,

"অশৰীৰং শৰীৰেষ্বনৱস্থেষবস্থিতম্।
মহান্তং বিভুমাত্মানং সত্বা ধীৰো ন শোচনি।।"[১]

ব্ৰহ্ম এনে এটা সত্তা- যি পৰিদৃশ্যমান সকলো শৰীৰতে থাকে, অথচ নিজে কিন্তু অশৰীৰী। ব্ৰহ্ম এই অস্থায়ী জগত প্ৰপঞ্চতে থাকে, কিন্তু নিজে হ'লে স্থায়ী অৰ্থাৎ সনাতন। এই সৰ্বব্যাপী সত্তাটোৱেই ব্ৰহ্ম। কঠোপনিষদৰ এই ব্ৰহ্মবাদী





তত্ত্বটো মাধৱদেৱে নাম-ঘোষাত একেদৰে ব্যাখ্যা দি কৈছে ---

"যিহেতু চৈতন্যপূৰ্ণ পৰমাত্মাৰূপে হৰি
হৃদয়ত আছন্ত প্ৰকাশি।
তাতেসে ইন্দ্ৰিয়গণ ভূত প্ৰাণ বুদ্ধি মন
প্ৰৱৰ্ত্তে যতেক জড়ৰাশি।।২২।।

বেদান্তৰ মতে আমাৰ আগে পাছে, উৰ্ধে, অৰ্ধে, সোঁৱে- বাঁৱে, উত্তৰে-দক্ষিণে যিয়ে থাকে সেই সমস্তই ব্ৰহ্ম। অৰ্থাৎ সমস্ত জগতৰূপটোৱেই ব্ৰহ্ম। ইয়াকে মুণ্ডক উপনিষদে স্পষ্ট কৰি কৈছে-----

ব্ৰহ্মৈ বেদমমৃতং পুৰস্তাদ্ ব্ৰহ্ম পশ্চাদ্ ব্ৰহ্ম দক্ষিণত শ্চোত্তৰেণ।
অধশ্চোৰ্ধঞ্চ প্ৰসৃতং ব্ৰহ্মৈ বেদং বিশ্বমিদং বৰিষ্টম্।।"[২]

নাম-ঘোষাত এইষাৰ কথাকে গভীৰ ভাৱত কোৱা হৈছে যে, চৈতন্যস্বৰূপ ব্ৰহ্মাই সকলোৰে হৃদয়ত স্থিত হৈ সৰ্বক্ষণে প্ৰকাশ পাই থাকে।

"চৈতন্য- আদিত্য হৃদয় আকাশে
সৰ্ব্বদায়ে প্ৰকাশয়।
উদয়াস্ত নাহি সন্ধ্যা উপাসনা
কৰিবো কোন সময়।।" ৩৯০।।

বৃহদাৰণ্যক উপনিষদে এই বিৰাটৰূপ ব্ৰহ্মাৰ দুটা ৰূপ বুলি কৈছে। এটা মূৰ্তৰূপ আৰু আনটো অমূৰ্তৰূপ।

দ্বে বাব ব্ৰহ্মণো ৰূপে মূৰ্তং চৈবামূৰ্তং চ মূৰ্তম্ চাৰ্মুৰ্তং
চ স্থিতং চ মচ্চ সচ্চ ত্যচ্চ।"[৩]

মাধৱদেৱৰ নাম-ঘোষাৰ বিভিন্ন স্থানত অমূৰ্ত অথবা নিৰাকাৰ ব্ৰহ্মাই যে সাকাৰ বা মূৰ্ত বিশ্ব--ব্ৰহ্মাণ্ড এইষাৰ কথা একাধিকবাৰ দোহাৰিছে।

বেদান্ত দৰ্শনৰ মতে ব্ৰহ্ম আনন্দ স্বৰূপ। এইষাৰ কথা বৃহদাৰণ্যক উপনিষদত কৈছে। ব্ৰহ্মাই পৰম গতি, এৱেঁই পৰম সম্পদস্বৰূপ, এৱেঁই পৰমলোক আৰু এই ব্ৰহ্মাই আনন্দ।

এযাস্য পৰমা গতিৰেযাস্য পৰমা
সংপদেযুহস্য পৰমো লোক এযোহস্য পৰম আনন্দ।"[৪]

নাম-ঘোষাতো পৰমব্ৰহ্ম স্বৰূপ কৃষ্ণক পৰমানন্দ বুলিহে কোৱা হৈছে। নাম-ঘোষাৰ মতে নামেই ঈশ্বৰ। অৰ্থাৎ নাম আৰু ব্ৰহ্ম একে। নাম-ঘোষাৰ মতে

ঈশ্বৰৰ নাম পৰম আনন্দ স্বৰূপ।

"কৃষ্ হেন শব্দ ইটো পৃথিৱী বাচক ভৈল
ণ আনন্দত প্ৰৱৰ্ত্তয়।
দুইৰো এক পদ ভৈলে পৰম ব্ৰহ্ম ৰূপ কৃষ্ণ
নাম-আনন্দক মাত্ৰ কয়।।" ১৪০।।

এইখিনি কথাৰ পৰা দেখা গৈছে যে, বেদান্তৰ ব্ৰহ্মবাদ মাধৱদেৱৰ নাম-ঘোষাৰ ঘাই আধাৰ। কিন্তু সিয়ে হলেও নাম-ঘোষাত বেদান্তৰ ব্ৰহ্মক কৃষ্ণৰূপে দেখুওৱা হৈছে অৰ্থাৎ কৃষ্ণ ব্ৰহ্মই।

## তিনি

বেদান্তত ব্ৰহ্মতত্ত্বৰ সৈতে মায়াৰ এৰাব নোৱাৰা সম্পৰ্ক। ব্ৰহ্মৰ পৰাই পৰিদৃশ্যমান জগত প্ৰপঞ্চৰ সৃষ্টি হৈছে আৰু এই জগত সৃষ্টিৰ বাবে ব্ৰহ্মই মায়াৰ সহায় ল'ব লগা হৈছে। কিন্তু এই মায়াও আকৌ ব্ৰহ্মৰে সৃষ্টি। এইখিনিতে মন কৰিবলগীয়া যে, যি মায়াৰ দ্বাৰা পৰম ব্ৰহ্মই জগত সৃষ্টি কৰে; সেই মায়াই জীৱক সৎ বস্তু দৰ্শনৰ পৰা আঁতৰাই ৰাখে। অৰ্থাৎ জীৱৰ মূল-সত্তা যে ব্ৰহ্ম এইষাৰ কথা জনাত মায়াই বাধা দিয়ে। মায়া এনে এক শক্তি যে, ঐন্দ্ৰজালিক বিদ্যাৰ নিচিনা মায়াই জীৱক এনে ভ্ৰান্তিত পেলায় যে, জীৱই সৎ বস্তু, কি অসৎ বস্তু কি একো নজনা হৈ পৰে। সেইবাবে জীৱই নিজকে সৎ আৰু স্থায়ী বুলি ভাবে আৰু পাৰ্থিৱ ধন জন ঐশ্বৰ্য বিভূতিবোৰকে সাৰবস্তু বুলি ভাবি তাতে বোকাত লেটি লোৱাদি লেটি লয়। এনে কাৰণতে বেদান্তত মায়াক কেতিয়াবা অবিদ্যা বুলিছে, কেতিয়াবা আন্ধাৰ বুলিও কৈছে। এই প্ৰকৃতিৰ অধিষ্ঠাতা পৰমব্ৰহ্ম বা মহেশ্বৰ। এই মহেশ্বৰ মানে শিৱ নহয়; ব্ৰহ্মহে। এই ব্ৰহ্মৰ পৰা সৃষ্টি হোৱা বা ব্ৰহ্মৰেই অংশবিশেষ প্ৰকৃতিৰ দ্বাৰাই সমস্ত জগত তথা ভূতগণৰ সৃষ্টি হৈছে। শ্বেতাশ্বতৰ উপনিষদত কৈছে;

মায়ান্তু প্ৰকৃতিং বিদ্যান্ময়িনন্তু মহেশ্বৰম্।
তস্যাবয়ভূতৈস্ত ব্যাপ্তং সৰ্বমিদং জগত।।"[৫]

সেই একেদৰে একেখন উপনিষদতে কৈছে যে, ব্ৰহ্ম প্ৰকৃতি বা মায়াৰ উৰ্ধত আৰু সেই ব্ৰহ্ম অক্ষৰ। জীৱজগত ক্ষৰ। ব্ৰহ্মজ্ঞানেই বিদ্যা মোক্ষৰ কাৰণ আৰু অবিদ্যা বন্ধনৰ কাৰণ। অবিদ্যাৰ বাবেই জীৱৰ পুনৰ জন্ম হয় আৰু জীৱই নিকাৰ ভুঞ্জিব লাগে।





উপনিষদৰ এই মায়াবাদৰ বিষয়ে নাম-ঘোষাত সবিস্তাৰে ব্যাখ্যা কৰা হৈছে। নাম-ঘোষাৰ মতে-----

"তোহ্মাৰ মায়ায়ে হৰি কপট গুণক ধৰি
মুহি আছে আমাক সমূলি।
গুচায়োক মায়া স্বামী তোহ্মাৰ চৰণে আমি
ভজিলোহো জয় জয় বুলি।।" ৬৯।।

ইয়াত দেখা গৈছে যে, মাধৱদেৱে মায়াক ঈশ্বৰে সৃষ্টি বুলি কৈছে আৰু ঈশ্বৰ সৃষ্ট মায়াই জীৱক মোহাচ্ছন্ন কৰি ভ্ৰান্তিত পেলায়। সেইদৰে নাম-ঘোষাত পুনৰ কোৱা হৈছে,

"তোহ্মাৰেসে অবিদ্যায়ে আহ্মাক মুহিলে হৰি
নজানোহো তোহ্মাৰ তত্ত্বক।"৭২।।

বেদান্তৰ মায়া আৰু অবিদ্যা-এই দুয়োটাকে জীৱৰ ভ্ৰান্তিৰ কাৰণ বুলি কৈ নাম-ঘোষাত কৈছে-

"চৈতন্য ঈশ্বৰ আদিত্য যাহাৰ
হিয়াত ভৈলা প্ৰকাশ।
কালমেঘ প্ৰায় অবিদ্যা আন্ধাৰ
তাহাৰ হোৱে বিনাশ।।" ৩৫৫।।

এই মায়াই যে অবিদ্যা অথবা অজ্ঞানতা ৰূপত জীৱক ভ্ৰান্তিত পেলায় আৰু এনে ভ্ৰান্তিবশতঃ জীৱই অনাত্মা দেহকে আত্মা বুলি ভাবি ভুল কৰি অনৰ্থক নিকাৰ ভুঞ্জে; সেই সত্যটো স্পষ্ট কৰি নাম-ঘোষাত কৈছে,

অনাদি অবিদ্যা আপুনি ভৈলো মোহিত।
অনাত্মা দেহক আত্মা বুদ্ধি কৰি
হৰি হৰি হৰি হৰি এ
তুমি পৰমাত্মা ঈশ্বৰে ভৈলো বঞ্চিত।। ৭৫২।।

এইখিনি কথাৰ পৰা দেখা গ'ল যে, বেদান্তত মায়াক ব্ৰহ্মৰ অংশ বুলিছে আৰু এই মায়াক কেতিয়াবা অজ্ঞানতা বুলি কোৱাৰ দৰেই নাম-ঘোষাতো মায়াক অবিদ্যা আৰু অজ্ঞানতা বোলা হৈছে। সেইদৰে বেদান্তই কোৱাৰ দৰেই নাম-ঘোষাতো মায়ৰ প্ৰভাৱতে জীৱই সৎবস্তু দৰ্শনৰ পৰা নিজকে আতঁৰাই ৰাখি অসৎ বস্তুকে সৎ বুলি ভাবি নিকাৰ ভুঞ্জে বুলি কৈছে। গতিকে এইষাৰ কথা স্পষ্ট হৈ পৰিল যে

বেদান্তৰ মায়াবাদ আৰু নাম-ঘোষাৰ মায়াবাদ একে।

## চাৰি

বেদান্তৰ ব্ৰহ্মবাদ আৰু মায়াবাদৰ পিছতে আছে মুক্তি অথবা মোক্ষতত্ত্ব। আমাৰ সাধাৰণৰ ধাৰণা যে পাপ কৰ্মৰ বিপৰীতে পুণ্যকৰ্ম কৰিলে জীৱই ইহসংসাৰ ত্যাগ কৰি কৰ্মফল অনুসৰি কোনোবা স্বৰ্গলৈ যায় আৰু কোনোবা বৈকুণ্ঠলৈ যায়। জীৱই আৰু পুনৰ জন্ম ল'ব লগা নহয়। মুক্তি অথবা মোক্ষৰ বিষয়ে সাধাৰণ ধাৰণা এনেকুৱাই। মোক্ষপ্ৰাপ্তি সম্পৰ্কে এনে ধাৰণা অমূলক নহয়। ইয়াৰো মূল বা গুৰি আছে। সেই গুৰি হ'ল উপনিষদৰ উত্তৰকালীন পুৰাণসমূহ। পুৰাণসমূহেহে মোক্ষ সম্পৰ্কে এনে স্থুল ধাৰণা এটা গঢ়ি তুলিলে। অৱশ্যে এনে ধাৰণাই সমাজখনক অসৎ কৰ্মৰ পৰা আঁতৰাই আনি জনকল্যাণকামী কৰি তোলাত সহায় নকৰাও নহয়। উপনিষদৰ মোক্ষ তত্ত্ব দাৰ্শনিক যুক্তিবাদৰ ওপৰত প্ৰতিষ্ঠিত আৰু পুৰাণৰ মোক্ষতত্ত্ব বিশ্বাস আধাৰিত। সি যি নহওক, এতিয়া উপনিষদৰ মোক্ষতত্ত্বৰ বিচাৰ আৰু এই মোক্ষতত্ত্বৰ সৈতে নাম-ঘোষাৰ মোক্ষ তত্ত্বৰ তুলনামূলক বিচাৰ কৰি চোৱা যাওক।

উপনিষদৰ মোক্ষতত্ত্ব গভীৰ দাৰ্শনিকতাৰে সমৃদ্ধ আৰু ই দৰাচলতে ব্ৰহ্মবাদ আৰু মায়াবাদৰে বিস্তাৰিত ৰূপ বা অৱস্থা মাত্ৰ।

উপনিষদত প্ৰথমতে মোক্ষৰ বিপৰীতে বন্ধনৰ কথাষাৰহে মন কৰিবলগীয়া। মোক্ষৰ অথবা মুক্তিৰ বিপৰীতে অৰ্থ বুজোৱা শব্দটো বন্ধন। এই বন্ধন কেনেকৈ আছে তাকে শ্বেতাশ্বতৰ উপনিষদত কৈছে,

সৰ্বাজীৱে সৰ্বসংস্থে বৃহন্তে তাস্মিন্ হংসো ভ্ৰামাতে ব্ৰহ্মচনে।
পৃথগাত্মানাং প্ৰেৰিতাৰঞ্চ সত্বা জুষ্টস্ততস্তে নামৃ তত্ত্ব মেতি।। ৬।।

দেখা গ'ল যে এই শ্লোকটোৰ মতেই জীৱই অজ্ঞানবশতঃ জীৱক পৰমাত্মাৰ পৰা পৃথক জ্ঞান কৰোৱায় আৰু তেনে জীৱই পুনঃ পুনঃ জন্ম ধৰি থাকে। এতেকে এই পুনঃ পুনঃ জন্মই বন্ধন। আনহাতে জীৱই যদি জীৱক পৰমাত্মাৰে অংশ বিশেষ বুলি উপলব্ধি কৰিব পাৰে, তেতিয়াই মোক্ষপ্ৰাপ্তি হয় অথবা অমৃতত্ব লাভ হয়। শ্বেতাশ্বতৰ উপনিষদত পুনৰ কোৱা হৈছে,

নিত্যেনিত্যানাং চেতনশ্চেতনানামেকো বহুনাংযো বিদধাতি কামান্।
তৎ কাৰণং সাংখ্যযোগগাধিগম্যং জ্ঞাত্বা দেবং মুচ্যতে সৰ্বপাশৈঃ।।"[৭]

ইয়াতো কোৱা হৈছে যে, যি নিত্য বা সনাতন ব্ৰহ্মক উপলব্ধি কৰিব পাৰে, অৰ্থাৎ জ্ঞানৰ দ্বাৰা ব্ৰহ্মতত্ত্ব উপলব্ধি কৰিব পাৰে তেৱেঁ সকলো প্ৰকাৰ





বন্ধনৰ পৰা মুক্ত হয়। সেইদৰে এই বিশ্ব ব্ৰহ্মাণ্ডৰ সৰ্বময় কৰ্তাস্বৰূপে যে পৰমাত্মা বিৰাজমান হৈ আছে, তাক জানিলেই পৰমপদ প্ৰাপ্তি বা মোক্ষ প্ৰাপ্তি হয়। ইয়াৰ বাহিৰে আৰু আন পথ একো নাই বুলি উপনিষদে কৈছে----

একো হংসো ভুৱনস্যাস্য মধ্যে স এবাগ্নিঃ সলিলে সন্নিবিষ্টঃ
তমেব বিদিত্বাহতিমৃত্যুমেতি নানাঃ পন্থা বিদ্যতেহয়নায়।।"[৮]

বেদান্তৰ মোক্ষতত্ত্ব সম্পৰ্কে ইতিমধ্যে যিকেইটা কথা কোৱা হ'ল, প্ৰায়বোৰ উপনিষদৰ মত ইয়ে। নাম-ঘোষাৰ বেলিকা কেনেকুৱা-এতিয়া তাৰেই তুলনামূলক বিচাৰ কৰা যাওক।

নাম-ঘোষাত ব্ৰহ্মজ্ঞানত গুৰুত্ব দিয়া হৈছে, কিন্তু ভকতৰ বাবে মোক্ষ লক্ষ্য নহয়। নাম-ঘোষাত মোক্ষতকৈ ভক্তিকহে আগস্থান দিয়া হৈছে।

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।। ১।।

ইয়াত দেখা গ'ল যে, মুক্তিত স্পৃহাহীন ভকতজনহে নমস্য আৰু ৰসময় ভকতিহে পৰম কাম্য। আনহাতে আওপকীয়াকৈ মাধৱদেৱে জ্ঞানকো অস্বীকাৰ কৰা নাই।

কৰ্ণপথে ভকতৰ হিয়াত প্ৰবেশি হৰি
দুৰ্ব্বাসনা হৰে সমস্তয়।
জলৰ যতেক মল যেহেন শৰত কালে
স্বভাৱতে নিৰ্ম্মল কৰয়।। ১৫।।

নাম-ঘোষাৰ কৰ্ণপথে ভকতৰ হিয়াত প্ৰৱেশ কৰা হৰি বা ঈশ্বৰজননো কেনেকুৱা? আচলতে হৰিকথা শ্ৰৱণ হয় শ্ৰৱণেন্দ্ৰয়েদি আৰু জ্ঞানৰূপে ঈশ্বৰবোধ বা ব্ৰহ্মবোধ উপজে হৃদয়ত। এনে কাৰণতে নাম-ঘোষাত জ্ঞানক পৰোক্ষভাৱে মানি লোৱা দেখা গ'ল। কিন্তু মাধৱদেৱে ঠায়ে ঠায়ে পোনপটীয়াকৈয়ে জ্ঞানক অস্বীকাৰ কৰি ভক্তিকহে প্ৰাধান্য দিছে।

বেদাগম আদি কৰি যত বিস্তৰ শাস্ত্ৰত নাহি কাজ
বিস্তৰ তীৰ্থত নাহি কিছু প্ৰয়োজন।
সংসাৰ তৰিতে খোজা যেৱে আপুন মোক্ষৰ হেতু তেৱে
গোৱিন্দ গোৱিন্দ বেকতে বোলা বচন।। ৬০৬।।

ইয়াত শাস্ত্ৰ জ্ঞানৰ বা ব্ৰহ্মজ্ঞানৰ গৌণতা প্ৰদৰ্শন কৰি মোক্ষ লাভৰ পৰম

পথ ৰূপে ঈশ্বৰৰ নামতহে গুৰুত্ব দিলে। আনহাতে শাস্ত্ৰৰ তত্ত্ব বুজিহে হৰিত ভকতি কৰিবলৈ উপদেশ দি কৈছে,

পৰম নিপুণসৰে        বুজিয়া শাস্ত্ৰৰ তত্ত্ব
হৰি পদ পঙ্কজে ভজিয়া।
হৰি কীৰ্ত্তনৰ মহা        নিৰ্ভয় আনন্দে মজি
থাকে সুখে মুকুতি তেজিয়া।। ৮০।।

শাস্ত্ৰ পাঠ বা অধ্যয়নৰ যোগেদিহে ব্ৰহ্ম তত্ত্ব উপলব্ধি সম্ভৱ আৰু এনে উপলব্ধিয়েহে এইষাৰ কথাৰো বোধ উপজায় যে, প্ৰত্যেকৰে হৃদয়ত ব্ৰহ্ম থাকে। এইষাৰ কথাকে শ্বেতাশ্বতৰ উপনিষদত কৈছে,

ন সদৃশে তিষ্ঠতি ৰূপমস্য ন চক্ষুষা পশ্যতি কশ্চনৈনম্
হৃদা হৃদিস্থং মনসা যে এনমেবং বিদূৰমৃতাস্তে ভৱতি[৯]।।

শ্বেতাশ্বতৰ উপনিষদৰ শ্লোকটোৰ ভাৱাৰ্থৰ সৈতে মাধৱদেৱৰ ভাৱবস্তুৰ বহু মিল দেখা যায়। শ্লোকটোৰ মতে ব্ৰহ্মৰ স্বৰূপ দৃষ্টিৰ অগোচৰ। এওঁ হৃদিস্থিত হৈ থাকে আৰু 'হৃদা মনসা' অৰ্থাৎ হৃদয় বা অন্তৰাত্মাৰ চিন্তন বা মননৰ দ্বাৰাহে অনুভৱ কৰিব পৰা যায় আৰু তেতিয়াই মোক্ষ লাভ হয়। নাম-ঘোষাতো কোৱা হৈছে----

ধৰ্ম্মক জানোহো মঞি        তথাপি প্ৰবৃত্তি নাই
অধৰ্ম্মতো নিবৃত্তি নোহয়।
হৃদিস্থিত হুয়া তুমি        যেন কৰাবাহা স্বামী
হৃষীকেশ কৰিবো তেহ্নয়।। ১৩৮।।

বেদান্ত আৰু নাম-ঘোষাৰ মোক্ষ তত্ত্বৰ তুলনামূলক বিচাৰৰ পৰা দেখা গ'ল যে দুয়োটা দৰ্শন আচলতে একেই। মাত্ৰ পাৰ্থক্য ইমানেই যে, বেদান্তই মোক্ষপ্ৰাপ্তিৰ সৰ্বোত্তম মাধ্যমস্বৰূপে ব্ৰহ্ম জ্ঞানক নিৰ্দেশ কৰিছে আৰু নাম-ঘোষাই মোক্ষপ্ৰাপ্তিৰ বাবে জ্ঞানক অস্বীকাৰ কৰা নাই যদিও জ্ঞানক গৌণভাৱে হ'লেও স্বীকাৰ কৰিছে আৰু মোক্ষলাভৰ ক্ষেত্ৰত ঈশ ভক্তিতহে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

## পাঁচ

বেদান্ত দৰ্শনৰ সৈতে নাম-ঘোষা দৰ্শনৰ তুলনামূলক বিচাৰ কৰোঁতে মোক্ষৰ পিছতে শৰণৰ কথাও আহে। শৰণ যে বেদান্ত দৰ্শনতেই প্ৰতিষ্ঠা কৰা হৈছিল তাৰ





প্ৰমাণ স্পষ্ট হৈ আছে। শ্বেতাশ্বতৰ উপনিষদত আছে----

যো ব্ৰহ্মাণাং বিদধাতি পূৰ্ব যো বৈ বেদাংশ্চ প্ৰহিণোতি তস্মৈ।
তংহ দেৱমাত্ম বুদ্ধি প্ৰকাশং মুমুক্ষৰ্বৈ শৰণমহং প্ৰপদ্যে।।[১০]

শ্বেতাশ্বতৰ উপনিষদত এই শ্লোকত স্পষ্টভাৱে কোৱা হৈছে যে, যি পৰমাত্মাই সৃষ্টিৰ প্ৰয়োজনত ব্ৰহ্মাক সৃষ্টি কৰিছিল আৰু যি বেদবিদ্যা প্ৰদান কৰিছিল, সেই পৰম পুৰুষ ব্ৰহ্মত মুক্তি কামনাৰে শৰণ লোৱা হ'ল।

বেদান্তত স্পষ্ট হৈ পৰা শৰণ তত্ত্বই নাম-ঘোষাত অধিক গুৰুত্ব পালে আৰু ঈশশৰণক কেন্দ্ৰ কৰিয়ে নাম-ঘোষাৰ ভক্তিবাদ প্ৰশস্ত হৈ উঠিছে। নাম-ঘোষাৰ মতে শুদ্ধভাৱে হৰিত শৰণ ল'লে শৰণ লওঁতাজনৰ সকলো বিঘিনি দূৰ হয়।

যিটোজনে শুদ্ধভাৱে        হৰিত শৰণ লৈয়া
হৰিক সুহৃদ বুলি আছে।
হৰিৰ প্ৰসাদে সিটো        বিঘ্নিৰ মুণ্ডত ভৰি
দিয়া হৰি-গুণ গায়া নাচে।। ৬।।

সেইদৰে একান্ত শৰণৰ দ্বাৰাহে কলিৰ পাশৰ পৰা অৰ্থাৎ মায়াৰ পৰা নিস্তাৰ পাব পাৰি বুলি নাম-ঘোষাত কৈছে----

যদ্যপি দুৰ্জ্জন কলি        হৰিৰ ভকতি পথ
কৰিলেক বিৰল প্ৰচাৰ।
একান্ত শৰণে যিটো        শ্ৰৱণ কীৰ্ত্তন কৰে
ওচৰো নচাপে কলি তাৰ।। ৮৭।।

মায়াৰ বান্ধোনৰ পৰা মুক্ত হ'বৰ বাবে যে হৰিত শৰণ অপৰিহাৰ্য- এইষাৰ কথা অতি স্পষ্ট কৰি নাম-ঘোষাত কৈছে-----

হৰিপদ সেৱা        নকৰে নিমিত্তে
মায়ায়ে বান্ধি ফুৰাৰে।
তাৰত মায়াক        নতৰে হৰিত
শৰণ নলৰে যাৰে।।১৮২।।

শৰণৰ ওপৰত গুৰুত্ব দি নাম-ঘোষাত পুনৰ কোৱা হৈছে,

হৰিনাম কীৰ্ত্তনত        নাহি কাল দেশ পাত্ৰ

নিয়ম সংযম একো বিধি।

হৰিত শৰণ লৈয়া কেৰলে হৰিৰ নাম

কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি।। ২৯।।

ওপৰৰ ঘোষাত যি সিদ্ধিৰ কথা কোৱা হৈছে- সেই সিদ্ধি মানে যে মুক্তি বা মোক্ষ তাত অকণো সন্দেহ নাই। সি যি নহওক, ওপৰৰ কথাখিনিৰ পৰা স্পষ্ট হৈ পৰিল যে, বেদান্তৰ শৰণ আৰু নাম-ঘোষাৰ শৰণ প্ৰায় একে। পাৰ্থক্য মাথোন ইমানেই যে, বেদান্তৰ শৰণ জ্ঞান প্ৰধান আৰু নাম-ঘোষাৰ শৰণ জ্ঞানতকৈ ভক্তি প্ৰধান।

## ছয়

বেদান্ত আৰু নাম-ঘোষাৰ তুলনামূলক অধ্যয়নৰ বেলিকা ধ্যানৰ প্ৰসঙ্গটোও আহে। শ্বেতাশ্বতৰ উপনিষদত ধ্যানৰ গুৰুত্ব সবিস্তাৰে ঘোষণা কৰা হৈছে। এঠাইত কৈছে----

স্বদেহমৰণিং কৃত্বা প্ৰণবঞ্চোওৰাৰণিম্।

ধ্যান নিৰ্মথনাভ্যাসাদ্ দেবং পশ্যেন্নিগুড়বৎ।। ১১।।

ইয়াত কোৱা হৈছে যে নিজকে সামান্য জ্ঞান কৰি প্ৰণৱ বা ওংকাৰ (ব্ৰহ্মক) ক পুনঃ পুনঃ ধ্যান কৰিলে পৰমব্ৰহ্ম প্ৰাপ্তি হয়। সেইদৰে একেখন উপনিষদতে পুনৰ কোৱা হৈছে,

সৰ্বব্যাপিনমাত্মানং ক্ষীৰে সৰ্পিৰিবাৰ্পিতম্।

আত্মাবিদ্যাতপোমূলং তদ্ ব্ৰহ্মোপনিষৎপৰম্

তদ্‌ব্ৰহ্মোপনিষৎপৰম ইতি।। ১২।।

অৰ্থাৎ গাখীৰত ঘিউ থকাৰ দৰে পৰমাত্মা সৰ্বত্ৰ বিয়পি থাকে। এই পৰমাত্মা যিহেতু অদৃশ্য আৰু অগোচৰ, গতিকে সেই পৰমাত্মাক যি ধ্যান কৰে, তেওঁ হৃদয়তে পৰমাত্মা দৰ্শন কৰে।

ধ্যানৰ যোগেদিয়ে যে হৃদিস্থিত পৰমাত্মাক পাব পাৰি-এইযাৰ কথা নাম-ঘোষায়ো স্পষ্ট ভাষাৰে কৈছে।

যিহেতু চৈতন্য পূৰ্ণ পৰমাত্মা ৰূপে হৰি

হৃদয়ত আছন্ত প্ৰকাশি।

তাতেসে ইন্দ্ৰিয়গণ ভূত প্ৰাণ বুদ্ধি মন

প্ৰৱৰ্ত্তে যতেক জড়ৰাশি।।২২।।





এনে অৰ্থতে নাম-ঘোষাৰ তেনেই দুৱাৰ-ডলিতে দুই নম্বৰ শ্লোকত কোৱা হৈছে-

যাৰ ৰাম কৃষ্ণ নাম নাৰে ভৱ সিন্ধু তৰি

পাৰে পৰমপদ পাপী যত।

সদানন্দ সনাতন হেনয় কৃষ্ণক সদা

উপাসা কৰোহো হৃদয়ত।। ২।।

সি যি নহওক, বেদান্ত আৰু নাম-ঘোষাৰ ধ্যানমাহাত্ম্যৰ এই চমু আভাসৰ পৰা এইযাৰ কথা স্পষ্ট হৈ পৰিছে যে, ব্ৰহ্ম নিৰাকাৰ আৰু সৰ্বব্যাপ্ত। এই সৰ্বব্যাপ্ত ব্ৰহ্মক হৃদয়তে ধ্যান কৰিলে ব্ৰহ্মোপলব্ধি সহজ হয়। তদুপৰি এইযাৰ কথাও লগতে স্পষ্ট হৈ পৰিছে, যে ধ্যানৰ গুৰুত্ব উপলব্ধি কৰিবলৈ হ'লে তাৰ আগতে ব্ৰহ্মাৰ নিৰাকাৰ সূক্ষ্ম সত্তাৰ বিষয়েও সম্যক জ্ঞান আহৰণ কৰিবই লাগিব। মুঠতে দেখা গ'ল যে, ধ্যানৰ ক্ষেত্ৰত বেদান্ত আৰু নাম-ঘোষা একে।

## সাত

বেদান্ত আৰু নাম-ঘোষাৰ বিচাৰ প্ৰসঙ্গত গুৰুবাদৰ কথাযাৰো আলোচনালৈ আনিব লগা হয়। বেদান্তৰ ব্ৰহ্মশিক্ষা গুৰুপ্ৰধান। এইযাৰ কথা প্ৰায়বোৰ উপনিষদৰ মাজেদিয়ে স্পষ্ট হৈ আছে। বিশেষকৈ বৃহদাৰণ্যক উপনিষদ গুৰুবাদৰ ক্ষেত্ৰত উৎকৃষ্ট নিদৰ্শন। অন্যান্য উপনিষদতো গুৰুৰ কথা আছে আৰু শ্বেতাশ্বতৰ উপনিষদে গুৰুৰ প্ৰতি বা গুৰুৰ সম্পৰ্কে স্পষ্ট নিৰ্দেশনাও আগবঢ়াইছে। বেদান্তত ব্ৰহ্মাতত্ত্ব সম্পৰ্কীয় যি পৰম গুহ্যতত্ত্ব শিষ্যক দিবৰ বেলিকা লক্ষ্য ৰখা উচিত যে, শিষ্য যদি উপযুক্ত নহয়, তেনেহলে এনে গূঢ়তত্ত্ব জ্ঞান দিয়া অনুচিত।

বেদান্তে পৰমং গুহ্যং পুৰাকল্পে প্ৰচোদিতম্।

ন্য প্ৰশান্তায় দাতব্যং নাপুত্ৰায়াশিষ্যয় বা পুনঃ।। ১৩।।

সেইদৰে পুনৰ কোৱা হৈছে যে, যাৰ অন্তৰত পৰম ব্ৰহ্ম বা পৰমেশ্বৰৰ প্ৰতি ভক্তি আছে, তেনে শিষ্যকহে ব্ৰহ্ম জ্ঞান প্ৰদান কৰা উচিত।

বেদান্তৰ গুৰুবাদ মাধৱদেৱৰ নাম-ঘোষাত কিন্তু অধিক লৌকিক ৰূপত ধৰা দিয়া দেখা গ'ল। প্ৰথম স্তৱত নাম-ঘোষাই বেদান্তৰ দৰেই গুৰু হিচাপে পৰম ব্ৰহ্ম স্বৰূপ কৃষ্ণকে দেখুৱাইছে। নাম-ঘোষাৰ মতে,

তুমি ভক্ত কল্পতৰু বাহিৰে ভিতৰে গুৰু

তুমি বিনে নাহি মোৰ আৰ।

কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি

দিয়া মোক সেৱা ৰস সাৰ।। ১৩১।।

ভক্তৰ কল্পতৰুস্বৰূপ গুৰুজন বাহিৰে-ভিতৰে অৱস্থিত আৰু এৱেঁ সকলোৰে অন্তৰ্যামী বুলি কৈছে এইদৰে----

তুমি হৰি কৃপাময় বাহিৰত গুৰু ৰূপে
অনুগ্ৰহ কৰি আছা মোক।
অন্তৰ্য্যামী গুৰুৰূপে তাকে সত্য কৰা মোৰ
তযু নামে সদা ৰতি হৌক।। ১৩২।।

নাম-ঘোষাত পৰম ব্ৰহ্মক গুৰু বোলাৰ উপৰি লৌকিক গুৰু প্ৰদৰ্শন কৰি শ্ৰীমন্ত শঙ্কৰদেৱকো গুৰু হিচাপে প্ৰদৰ্শন কৰা হৈছে।

শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি।
তাঙ্ক এৰি কি কাৰণে আনক বোলয় গুৰু
কিনো লোক মহামূঢ়মতি।। ৫৪।।

লৌকিক গুৰুৰ ক্ষেত্ৰতো যিকোনো লোককে মাধৱদেৱে গুৰু বোলা নাই; দম্ভ দ্বেষ, মোহ, ৰাগহীনজনকহে গুৰু হিচাপে প্ৰণাম জনাইছে।

মোহ মায়া ৰাগ মদ মল কাম
দম্ভ দ্বেষ আদি ভাৱ।
যি গুৰুজনত ইসৱ নাথাকে
প্ৰণামো তাহান পাৱ।। ১৯৩।।

সেইদৰে যিজনে শাস্ত্ৰৰ তত্ত্ব নাজানে অৰ্থাৎ যিজন ব্ৰহ্মতত্ত্ব জ্ঞানহীন তেনেলোকক নিন্দা কৰি কৈছে---

নজানে শাস্ত্ৰৰ নয় যেহি আসে তাকে কয়
ছেদিবাক নপাৰে সংশয়।
গুৰু বোলাই তথাপিতো ফুৰয় লোকৰ মাজে
মান্য সতকাৰ খুজি লয়।। ৫৫।।

নামঘোষাত সুক্ষ্মগুৰু অৰ্থাৎ লৌকিক গুৰু যাকেই নেদেখুৱাওক লাগিলে মাধৱদেৱে কিন্তু বুদ্ধিক তত্ত্বস্ত কৰিব পাৰিলেহে মোক্ষপ্ৰাপ্তি আৰু ভক্তি সিজে বুলি কৈছে,

গুৰু উপদেশ লব্ধ শিষ্যসৱে
উপদেশ সাৰ ধৰা।
যেবে ঈশ্বৰক পাইবা যত্ন কৰি





বুদ্ধিক সত্ত্বস্থ কৰা।। ২৫৫।।

এইখিনি কথাৰ পৰা দেখা গ'ল যে মাধৱদেৱে বেদান্তৰ গুৰুবাদৰ আধাৰতে নাম-ঘোষাত গুৰুক ব্ৰহ্মৰ পৰা লৌকিক গুৰুলৈকে প্ৰসাৰিত কৰিছে আৰু বেদান্তৰ ব্ৰহ্মকে কৃষ্ণৰূপে দেখুৱাই কৃষ্ণকে গুৰু মানিবলৈ উপদেশ দিছে। এতেকে দেখা গ'ল যে, মাধৱদেৱৰ নাম-ঘোষাত বেদান্তৰ গুৰু পৰম্পৰাৰ বিকাশ সাধন হ'ল।

**আঠ**

বেদান্ত আৰু নাম-ঘোষাৰ তুলনামূলক বিচাৰত গুৰুৰ পিছতে ভক্তিৰ কথাও আছে। আমাৰ বহুতৰে ধাৰণা যে, উপনিষদত ভক্তিবাদৰ সূত্ৰপাত হোৱা নাছিল আৰু এই ভক্তিবাদ উপনিষদৰ উত্তৰকালীন পুৰাণৰহে সৃষ্টি। কথাষাৰ কিন্তু শুদ্ধ নহয়। কাৰণ উপনিষদতে ভক্তিবাদে পোখা মেলিছিল। ঋক সংহিতাৰ মতে বিষ্ণু স্তুতি কৰিলে জীৱৰ পুনঃ পুনঃ জন্মপ্ৰাপ্তি নহয়। দৰাচলতে এই বিষ্ণুস্তুতিতে ভক্তিৰ বীজটো লুকাই আছিল।

ঋক্ সংহিতাৰ বিষ্ণুস্তুতি প্ৰধান ভক্তিবাদ পৰৱতী উপনিষদৰ যুগত অধিক গভীৰ ৰূপত স্পষ্ট হৈ পৰিল। আনকি শ্বেতাশ্বতৰ উপনিষদত ভক্তি শব্দটো পোনপটীয়াকৈ প্ৰয়োগ হোৱা দেখা গ'ল আৰু পৰাভক্তি আৰু অপৰা ভক্তিৰ স্বৰূপ ব্যাখ্যাও দাঙি ধৰা হ'ল। শ্বেতাশ্বতৰ উপনিষদত কোৱা হৈছে----

যস্য দেৱে পৰাভক্তিৰ্যথা দেৱে তথা গুৰৌ।
তস্যৈতে কথিতাহ্যৰ্থাঃ প্ৰকাশন্তে মহাত্মনঃ
প্ৰকাশন্তে মহাত্মনঃ।। ১৪।।

অৰ্থাৎ যাৰ অন্তৰত পৰমব্ৰহ্ম স্বৰূপ গুৰুৰ প্ৰতি অচলা ভক্তি আছে আৰু লৌকিক গুৰুৰ প্ৰতিও সমান ভক্তি থাকে, সেইজনৰ আগত ব্ৰহ্মজ্ঞানৰ কথা কলেহে শুদ্ধজ্ঞান প্ৰকাশিত হয়।

নাম-ঘোষাত বেদান্তৰ ভক্তিবাদৰ স্থান বিচাৰ কৰা কিন্তু টান কাম। কাৰণ স্বৰূপতে ক'বলৈ গ'লে সমগ্ৰ নাম-ঘোষাখনেই ভক্তিবাদী গ্ৰন্থ। তেনেস্থলত নাম-ঘোষাৰ এহেজাৰ শ্লোকৰ পৰা ভক্তিবাদী শ্লোক বাছি-বিচাৰি উলিয়াবলৈ চেষ্টা কৰোটোৱেই ভুল। তথাপি গুৰুত্বপূৰ্ণ দুই-এটা শ্লোক দাঙি ধৰি নাম-ঘোষাত ভক্তিবাদৰ স্বৰূপটোৰ আভাস দিব পাৰি।

নাম-ঘোষাত জ্ঞানযোগ আৰু কৰ্মযোগক স্পষ্টভাৱে অস্বীকাৰ কৰি ভক্তিয়েহে মোক্ষ দিব পাৰে বুলি কৈছে----

জ্ঞান কৰ্ম্ম বিনে কেৱলে ভক্তিত

পাৰয় সংসাৰ পাৰ।। ১৯৯।।

নাম-ঘোষাত আনকি পৰম দুৰ্ল্লভ ঈশ্বৰক একমাত্ৰ ভক্তিয়েহে বশ কৰিব পাৰে বুলি স্পষ্ট ভাষাৰে কৈছে----

দেৱৰো দুৰ্ল্লভ ঈশ্বৰ কৃষ্ণক
ভকতিসে কৰে বশ্য।
আগম নিগম গীতা ভাগৱত
শাস্ত্ৰৰ এহি ৰহস্য।। ২২১।।

বেদান্তৰ ভক্তিবাদৰ সৈতে নাম-ঘোষাৰ ভক্তিবাদৰ তুলনামূলক বিচাৰ কৰিলে দেখা যায় যে বেদান্তৰ ভক্তিবাদ নাম-ঘোষাত অধিক গভীৰ হৈ উঠিছে আৰু নাম-ঘোষাত জ্ঞান, কৰ্ম, যাগ, যজ্ঞ সকলো সাধন ব্যৱস্থাৰ উৰ্ধত ভক্তিয়েই সৰ্বোত্তম সাধন ব্যৱস্থাৰূপে গণ্য হৈছে।

**ন**

মাধৱদেৱৰ নাম-ঘোষা আৰু সামগ্ৰিকভাৱে শঙ্কৰদেৱৰ ধৰ্মীয় সাধন ব্যৱস্থাত শ্ৰৱণ-কীৰ্ত্তনে গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। মাধৱদেৱৰ নাম-ঘোষাত অতি সঘনাই শ্ৰৱণ মাহাত্ম্যৰ কথা কোৱা হৈছে। আনকি যি দম্ভ, দ্বেষ; অহংকাৰ আদি থাকিলে জীৱৰ আত্মদৰ্শন হ'ব নোৱাৰে আৰু এইবোৰ মনৰ মল থাকিলে মোক্ষপ্ৰাপ্তি হ'ব নোৱাৰে বুলি কৈছে, সেইবোৰ থাকিলেও যদি শ্ৰৱণ-কীৰ্ত্তনক ধৰ্ম্ম বুলি সাৰোগত কৰি নিৰন্তৰ শ্ৰৱণ কীৰ্ত্তন কৰা হয়; তেতিয়া সাক্ষাতে কৃষ্ণক পায় বুলি কৈছে।

কৰ্ম্মত বিশ্বাস যাৰ হিয়াত থাকন্তো হৰি
আতিশয় দূৰ হোন্ত তাৰ।
দূৰতো বিদূৰ হোন্ত তাৰ।।
অহঙ্কাৰ থাকন্তেও সাক্ষাতে কৃষ্ণক পাৰে
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম যাৰ।। ৫।।

নাম-ঘোষাৰ শ্ৰৱণ-কীৰ্ত্তনৰ গূঢ়াৰ্থ যে ব্ৰহ্মজ্ঞানৰ সৈতে জড়িত হৈ আছে, এইযাৰ কথা সহজে অনুমেয়। হৰিকথা শ্ৰৱণ কীৰ্ত্তনৰ যোগেদি ব্ৰহ্মজ্ঞান, আত্মজ্ঞান, জগত আৰু ব্ৰহ্মৰ অনিত্যতা আৰু নিত্যতা সম্পৰ্কে জ্ঞান লাভ হয়। সেইবাবেই শ্ৰৱণ-কীৰ্তনৰ গুৰুত্ব অথবা প্ৰয়োজনীয়তা স্বীকাৰ কৰিব লগা হয়। সি যি নহওক মাধৱদেৱৰ নাম-ঘোষাত যি শ্ৰৱণ-কীৰ্ত্তনৰ উৎস বৃহদাৰণ্যক উপনিষদত যাজ্ঞবল্ক্যই মৈত্ৰেয়ীক কৈছে----

আত্মা বা অৰে দ্ৰষ্টব্যং শ্ৰেতাব্যো নিদিধ্যাসি





তব্যো মৈত্ৰায়াত্মানো বা অৰে দৰ্শনেন
শ্ৰৱণেন মত্যা বিজ্ঞানেনেদং সৰ্বং বিদিতম্। ১৫।।

এতেকে দেখা গ'ল যে, বৃহদাৰণ্যক উপনিষদে স্পষ্ট ভাষাৰে ক'লে যে, আত্মাক দৰ্শন কৰিব লাগিব, শ্ৰৱণ কৰিব লাগিব, মনন কৰিব লাগিব আৰু নিদিধ্যাসন কৰিব লাগিব। দৰ্শন, শ্ৰৱণ, মনন আৰু নিদিধ্যাসন জনিত বিজ্ঞানৰ দ্বাৰাই ব্ৰহ্মবস্তু উপলব্ধি হ'ব পাৰে অথবা ব্ৰহ্মপ্ৰাপ্তি হ'ব পাৰে।

শ্ৰৱণ যে কেৱল সাধন ব্যৱস্থাই নহয়, ই সাধ্যও-এইযাৰ কথাকে বৃহদাৰণ্যক উপনিষদত তাত্ত্বিক ব্যাখ্যা দি কৈছে----

তদ্বৈ তন্ন শৃণোতি শৃথন্বৈ তন্ন শৃণোতি ন হি শ্ৰোতুঃ
শ্ৰুতেৰ্বিপৰিলোপো বিদ্যতে হৰিনাশিত্বান্ন তু
তুদ্বিতীয়মস্তি ততোহন্যদ্বি ভক্তং। ১৬।।

বৃহদাৰণ্যক উপনিষদৰ এই শ্লোকটোত অতি গূঢ়তত্ত্ব এটা নিহিত হৈ থকা দেখা গৈছে। আচলতে আমি যি ঈশকথা শ্ৰৱণ-কীৰ্ত্তন কৰোঁ, পিছে ইয়াৰ শ্ৰোতা কোন? শ্ৰোতা ব্ৰহ্ম বা ঈশ্বৰেই। আমি শ্ৰৱণ কৰা কথাখিনি তেনেহ'লে কাৰ? ব্ৰহ্ম বা ঈশ্বৰৰ। এতেকে শ্ৰোতা আৰু শ্ৰৱণ একে হৈ পৰিল। শ্ৰোতা যিহেতু ব্ৰহ্মই আৰু ব্ৰহ্ম যিহেতু অবিনাশী; তেনেহলে ব্ৰহ্মতত্ত্বৰে নামান্তৰ। এইবোৰ গভীৰ দাৰ্শনিক কথাৰ সৈতে মাধৱদেৱৰ নাম-ঘোষাৰ শ্ৰৱণ মাহাত্ম্যৰ মিল আছে। পাৰ্থক্য মাথোন ইমানেই যে, বৃহদাৰণ্যকৰ শ্ৰৱণ তত্ত্ব দাৰ্শনিক গুৰু-গম্ভীৰ ভাৱসমৃদ্ধ হোৱাত বুজাত জটিল হ'ল আৰু মাধৱদেৱে নাম-ঘোষাত লোক সাধাৰণৰ প্ৰতি দৃষ্টি ৰাখি শ্ৰৱণ তত্ত্বক সহজ ৰূপ দিলে।

নাম-ঘোষাত ঈশ্বৰ নামৰ মাহাত্ম্য প্ৰদৰ্শন কৰা হৈছে আৰু পুথিখনৰ নামকৰণেই স্পষ্ট কৰি দিয়ে যে নামেই শ্ৰেষ্ঠ। সেইবাবে নামকেই ঘোষিবলৈ কৈছে। অৰ্থাৎ অহৰহ ঈশ্বৰৰ নাম ল'লৈই পাপ হৰণ হয়, মায়াৰ নিগ্ৰহ আঁতৰে আৰু জীৱৰ মোক্ষপ্ৰাপ্তি হয়। বৃহদাৰণ্যক উপনিষদত কৈছে যে আমি জগতৰ বস্তুবোৰৰ একোটা নাম দি লৈছো। যিদৰে আমি আমাৰ শৰীৰৰ বিভিন্ন অঙ্গৰ একোটা পৃথক নাম দি লৈছো। এই নাম মানেই একোটা গুণ। যেনে কাণক আমি শ্ৰৱণেন্দ্ৰিয়, চক্ষুক দৰ্শনেন্দ্ৰিয় আদি যি নাম দিছোঁ-সেইবোৰ একো একোটা গুণৰ ওপৰত ভিত্তি কৰিহে নাম দিছো। প্ৰশ্ন হয়- এই গুণবোৰ কাৰ? ব্ৰহ্মৰ। এতেকে গুণ আৰু ব্ৰহ্ম যেনে নামো তেনে। বন্ধ যদি চিৰশাশ্বত গুণনামবোৰো চিৰশাশ্বত। ১৭।।

বৃহদাৰণ্যক উপনিষদৰ এইবোৰ গভীৰ দাৰ্শনিক তত্ত্ব। যিদৰে ইতিপূৰ্বে কৈ

অহা শ্ৰৱণো বৃহদাৰণ্যক উপনিষদত দাৰ্শনিক তত্ত্ব হিচাপেহে দেখুওৱা হৈছিল। এতেকে শ্ৰৱণ আৰু নাম এই দুয়োটা বৃহদাৰণ্যক উপনিষদত দেখুওৱা হ'ল একোটা তত্ত্বৰূপে আৰু তাকে নাম-ঘোষাত লোক সাধাৰণৰ উপযোগীকৈ সহজ-সৰল ৰূপ দি শ্ৰৱণ আৰু নামক সাধন ব্যৱস্থা হিচাপে দেখুওৱা হ'ল। পাৰ্থক্য সিমানহে। দাৰ্শনিক অৰ্থত কিন্তু শ্ৰৱণ আৰু নামতত্ত্ব বৃহদাৰণ্যক আৰু নাম-ঘোষা উভয়ৰে একে।

**দহ**

আকাৰত কিছু দীঘলীয়া কিন্তু গুণগতভাৱে সীমিত এই আলোচনাৰ পৰা ধাৰণা হ'ল যে ব্ৰহ্ম, মায়া, মোক্ষ, শৰণ, ধ্যান, গুৰু; ভক্তি, শৰণ আৰু নাম-এই নটা বৈশিষ্ট্যই নাম-ঘোষাৰ এই বিশিষ্ট দিশৰ উৎস বেদান্ত দৰ্শন। অৱশ্যে এইটো মন কৰিবলগীয়া যে, এইকেইটাৰ উৎস বেদান্ত যদিও মাধৱদেৱে স্থান বিশেষে লোকসমাজৰ উপযোগীকৈ এইবোৰক অতি সহজ-সৰল ৰূপ দিলে আৰু প্ৰয়োজন সাপেক্ষে নিজস্ব মৌলিক সৃজনী প্ৰতিভাৰে কিছু সালসলনিও কৰিছে।

বেদান্তত উল্লিখিত নটা দিশৰ ব্যাখ্যা যিহেতু সম্পূৰ্ণ দাৰ্শনিক; গতিকে বেদান্তৰ এই নটা দাৰ্শনিক তত্ত্বক জ্ঞান আৰু ভক্তি এই দুটাৰ লগত সাঙুৰি পেলালে। নাম-ঘোষাত বেদান্তৰ এই নটা দিশৰ ব্যাখ্যাত ক্ৰমশঃ জ্ঞান মাৰ্গক গৌণ কৰি ভক্তি মাৰ্গকহে উধাবলৈ দিয়া হ'ল। ইয়াৰ ফলত নাম-ঘোষা হৈ পৰিল ৰসপূৰ্ণ অথবা ৰসোত্তীৰ্ণ সৃষ্টি। এনে কাৰণতে নাম-ঘোষাত ভক্তিৰস বুলিব পৰা এটা নতুন ধাৰাৰো সৃষ্টি হ'ল। মাধৱদেৱৰ নাম-ঘোষাৰ ভক্তিৰস ক্ৰমশ ঃ একপ্ৰকাৰ পৰম আনন্দৰ স্তৰলৈ উঠিল। বৃহদাৰণ্যক উপনিষদতো আনন্দৰ কথা আছে। ইয়াত আছেঃ

এষ্যস্য পৰমা গতিৰেষাস্য পৰমা সংপদেযো হস্য
পৰমো লোক এযোহস্য পৰম আনন্দ।। ১৮।।

বৃহদাৰণ্যকৰ এই আনন্দ কিন্তু জ্ঞান মাৰ্গীয়, অৰ্থাৎ জ্ঞান অৰ্জিত। নাম-ঘোষাৰ আনন্দ কিন্তু নামময় আৰু নাম-ঘোষাৰ আনন্দ ক্ৰমশঃ ৰসময় আনন্দলৈ ৰূপান্তৰ হৈছে। মুঠতে বেদান্তৰ আনন্দ জ্ঞানময় আৰু নাম-ঘোষাৰ আনন্দ ভক্তিজনিত ৰসময় আনন্দ।

---

**পাদটীকা ঃ**

১। কঠোপনিষদ ঃ ১ অধ্যায়--২ য় বল্লি--২২

২। মুণ্ডক উপনিষদ ঃ ২ য় মুণ্ডক--২ য় খণ্ড১২ তুল বৃহদাৰণ্যক উপনিষদঃ ১ম অধ্যায়--৩৪ ৰ্থ ব্ৰাহ্মণ--১০





৩। বৃহদাৰণ্যক উপনিষদ ঃ ২য় অধ্যায়-- ৩ য় ব্ৰাহ্মণ--১

৪। বৃহদাৰণ্যক উপনিষদ ঃ ৪ ৰ্থ অধ্যায়-- ৩ য় ব্ৰাহ্মণ--১

তুল মুণ্ডক উপনিষদ ঃ ২-২

তুল মাণ্ডুক্য উপনিষদ ঃ ১

তুল ঈশোপনিষদ ঃ ১৭

তুল প্ৰশ্নোপনিষদ ঃ ৫-১

তুল কঠোপনিষদ ঃ ৩-১১

তুল শ্ৰীমদ্‌ভাগৱত ঃ ৮-১

৫। শ্বেতাশ্বতৰ উপনিষদ ঃ ৪ৰ্থ অধ্যায়-১০

৬। শ্বেতাশ্বতৰ উপনিষদ ঃ ১ ম অধ্যায়-৬

৭। শ্বেতাশ্বতৰ উপনিষদ ঃ ৬ ষ্ঠ অধ্যায়-১৩

৮। শ্বেতাশ্বতৰ উপনিষদ ঃ ৬ ষ্ঠ অধ্যায়

৯। শ্বেতাশ্বতৰ উপনিষদ ঃ ৪ ৰ্থ অধ্যায়-২০

১০। শ্বেতাশ্বতৰ উপনিষদ ঃ ৬ ষ্ঠ অধ্যায়-১৮

১১। শ্বেতাশ্বতৰ উপনিষদ ঃ ১ ম অধ্যায়-১৪

১২। শ্বেতাশ্বতৰ উপনিষদ ঃ ১ ম অধ্যায়-১৬

১৩। শ্বেতাশ্বতৰ উপনিষদ ঃ ৬ ষ্ঠ অধ্যায়-২২

১৪। শ্বেতাশ্বতৰ উপনিষদঃ ৬ ষ্ঠ অধ্যায়-২৩

১৫। বৃহদাৰণ্যক উপনিষদ ঃ ২ য় অধ্যায়-৪ ৰ্থ ব্ৰহ্মাণ-৫

১৬। বৃহদাৰণ্যক উপনিষদ ঃ ৪ ৰ্থ অধ্যায়-৩ য় ব্ৰাহ্মণ-২৭

১৭। বৃহদাৰণ্যক উপনিষদ ঃ ১ ম অধ্যায়-৩ য় ব্ৰাহ্মণ-৫

১৮। বৃহদাৰণ্যক উপনিষদ ঃ ৪ ৰ্থ অধ্যায়-৩ য় ব্ৰাহ্মণ-৩২

**লেখকৰ পৰিচয়ঃ**

ড° প্ৰহ্লাদ কুমাৰ বৰুৱা প্ৰাধ্যাপক
অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

# নাম-ঘোষাৰ শৰণ-ছন্দ আৰু নাম-ছন্দ ঃ তাৎপৰ্য বিচাৰ

**ড° পূৰ্ণানন্দ শইকীয়া**

এক শৰণ হৰিনাম ধৰ্মৰ এখনি মহিমামণ্ডিত শাস্ত্ৰ 'নাম-ঘোষা'ৰ ওপৰত বিস্তৃত চিন্তা আৰু গভীৰ অন্বেষণৰ নিতান্ত প্ৰয়োজন। ভাৰতৰ প্ৰায়বিলাক শ্ৰেষ্ঠ ধৰ্ম শাস্ত্ৰৰ সাৰবস্তু সংগ্ৰহ কৰি আনি মহাপুৰুষ মাধৱদেৱে তাৰাৰ ঐশ্বৰিক প্ৰতিভাৰে যি এহাজাৰ এক ঘোষাৰ মাজেদি পুথিখনি ৰচনা কৰিলে তাক হৃয়দঙ্গম কৰা আৰু ব্যাখ্যা কৰা কেৱল সাধক ভক্ত পুৰুষৰ বাবেহে সম্ভৱ। একান্তভাৱে কৃষ্ণত শৰণ গ্ৰহণ নকৰা, কৃষ্ণৰ চৰণত ভজন নকৰা শাস্ত্ৰজ্ঞ পণ্ডিতে ঘোষাৰ সাৰমৰ্ম ব্যাখ্যা কৰিব নোৱাৰে। থাওকতে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰতে ৰচিত নহ'লেও ঘোষা-শাস্ত্ৰত মহাপুৰুষ মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ ক্ৰমাগত সাধনা আৰু সিদ্ধিৰ এখনি সুন্দৰ ছবি সুক্ষ্ম দৃষ্টিত ধৰা পৰে। ঘোষা শাস্ত্ৰত এহাতে মহাপুৰুষ মাধৱদেৱৰ গভীৰ আৰু বিস্তৃত অধ্যয়নৰ চিন্তা আৰু আনহাতেদি দাৰ্শনিক তত্ত্বৰ সম্যক পৰিচয় আছে। শাস্ত্ৰভাগিৰ মাজত সন্নিবিষ্ট সৰহখিনি কথাই একশৰণ হৰিনাম ধৰ্মৰ আৰ্হি স্বৰূপ। শৰণ, ভজন, উপদেশ, আত্মউপদেশ, নিন্দা, আত্মনিন্দা, তুতি, প্ৰাৰ্থনা, নাম, নাম-মহিমা বস্তু-প্ৰকাশ, খেদ, পৰমপুৰুষাৰ্থ, কাকুতি আদি নামেৰে নামকৰণ কৰা একান্নবৈটি চুটি-দীঘল আধ্যাত্মিক গীতৰ এই শাস্ত্ৰত সমাবেশ ঘটিছে। ইয়াত দুলড়ী, ছবি, লেছাৰি আদিৰ উপৰি নাম-মাহাত্ম্য আৰু অপূৰ্ব সুৰ, তাল মান লয়বিশিষ্ট বিভিন্ন ছন্দ ব্যৱহাৰ কৰা হৈছে। 'হৰি এ', 'দামোদৰ এ', 'নাৰায়ণ এ', 'হৰি হৰি হৰি এ', ৰাম ৰাম ৰাম আদি সাঙ্গীতিক পৰিমণ্ডল ৰচনা কৰিব পৰা শব্দ গঁথা হৈছে। ঘোষা পুথিৰ আৰম্ভণিৰ পৰা শেষলৈকে ক্ৰমাগতভাৱে অধ্যয়ন কৰিলে দেখা যায় এজন নাম সাধকে (মাধৱদেৱে) কেনেকৈ দাস্য ভক্তিৰে পৰমাৰ্থ তত্ত্বৰ মাজেদি পৰম কৃষ্ণৰ চৰণত আত্মনিবেদন কৰিছে। মাজে-মাজে এনে ভাৱ হয়, ভক্তই দাস ৰূপে নিজকে ভগৱন্তৰ চৰণত বিক্ৰী কৰি দি প্ৰভুৰ কৃপা দাবী কৰি ৰহিছে। নাম-ঘোষাত এহাতে গভীৰ শাস্ত্ৰ জ্ঞান আৰু ঈশ্বৰ নিৰ্ণায়ক তত্ত্ব-জ্ঞান আছে আৰু





আনহাতে সংসাৰ গৰ্ভত পৰি থকা প্ৰাণীৰ উদ্ধাৰৰ নিশ্চিত উপায় আছে। এই সমস্ত প্ৰয়াসৰ নাভিস্থলত আছে এক শৰণ হৰি নাম কীৰ্ত্তন। 'যেই নাম সেই হৰি' এই নাম-মাহাত্ম্য নাম-ঘোষা পুথিৰ সৰ্বশ্ৰেষ্ঠ সংবাদ। নামীয়ে নাম লৈ ভগৱন্তক থিতাতে হৃদয়তে লাভ কৰিব পাৰে।

ঘোষা পুথিৰ সমস্ত ঘোষাতে কাব্যিক মৌলিকত্ব আছে। তাৰে ভিতৰত মহাপুৰুষ গুৰু শঙ্কৰদেৱে তথা তাৰাৰ বস্তু শৰণ, ভজন, নাম আদি সম্পৰ্কীয় যিখিনি ঘোষা আছে,সেইখিনি মহাপুৰুষ কবি মাধৱদেৱৰ সম্পূৰ্ণ নিজা মৌলিক ৰচনা। ইয়াৰ ভিতৰত, উল্লেখনীয় ঘোষালানি সামৰা হৈছে শৰণ-ছন্দ আৰু নাম-ছন্দত। শৰণ-ছন্দত আছে ৬৮৪ পৰা ৮৫০ পৰ্যন্ত ১৬৭ টি ঘোষা আৰু নাম-ছন্দত আছে ৮৫১ৰ পৰা ৯৭৫ পৰ্যন্ত ১২৫ টি ঘোষা। মুঠ ২৯২ টি। এই দুই ছন্দৰ সমস্ত ঘোষা মহাপুৰুষ মাধৱদেৱৰ সম্পূৰ্ণ নিজা সৃষ্টি আৰু ইয়াৰ মহিমাও অপাৰ। শৰণ-ছন্দক এক শৰণ হৰিনাম ধৰ্মৰ পূৰ্ণ চানেকি বা আৰ্হি বুলি ক'ব পাৰি। নাম-ছন্দ হৈছে নাম-নামীৰ নৌকা আৰু এই নৌকাই জীৱক সংসাৰ সাগৰ পাৰ কৰি বৈকুণ্ঠত সংস্থাপিত কৰে। নাম-প্ৰসঙ্গ, পাল-নাম,সবহুৱা নাম সমস্ততে শৰণ ছন্দ আৰু নাম-ছন্দৰ নাম ডকা হয়। নাম-ঘোষাৰ অন্য ঘোষা-গীত সমূহ বিভিন্ন পৰ্যায়ত গালেও তাৰ ক্ৰম বা ধাৰাবাহিকতা ৰক্ষালৈ বিশেষ লক্ষ্য কৰা নহয়। কিন্তু শৰণ-ছন্দ আৰু নাম-ছন্দৰ ৰচনা মৌলিকত্বৰ উপৰি ইবিলাকৰ ধাৰাবাহিকতা ৰক্ষা বহু ক্ষেত্ৰত অপৰিহাৰ্য। এই দুই বিশেষ ছন্দৰ ঘোষাসমূহক লৈয়ে প্ৰকৃততে পুথিখনিৰ নাম 'নাম-ঘোষা' থোৱা হৈছে।

**শৰণ-ছন্দ ঃ** শৰণ-ছন্দক ঘোষা-ছন্দ বুলিও অভিহিত কৰা হয়। ইয়াৰ অন্তৰ্গত আধ্যাত্মিক গীতসমূহ হ'ল (ক্ৰম অনুযায়ী) শৰণ, ভজন, নমস্কাৰ, উপদেশ, মহিমা, আত্ম-উপদেশ, নিন্দা, আত্ম-নিন্দা, খেদ, মহিমা, কাৰুণ্য, তাৎপৰ্য্য, কাকুতি, প্ৰাৰ্থনা, প্ৰাৰ্থনা-নিৱেদন,ঃ মুঠ ১৫ টি। ইয়াৰ মাজতে ভক্ত ভগৱন্তৰ মাজৰ আধ্যাত্মিক সম্পৰ্কৰ নাম-নৌকা নিৰ্মাণ হৈছে।

এই নাম-ধৰ্ম গ্ৰহণ কৰা মানে পৰম কৃষ্ণ ভগৱন্তৰ চৰণত শৰণ গ্ৰহণ কৰা। অবিনাশী মানৱাত্মাই জনম-মৰণ ক্লেশৰ মাজেদি বহুবাৰ মানৱদেহ লৈ সংসাৰ চক্ৰত ভ্ৰমিছে, তথাপি কৃষ্ণৰ কৃপা লাভ কৰি তেওঁৰ চৰণত শৰণ লাভ কৰাৰ পৰা বঞ্চিত হৈ আহিছে। কিন্তু সকলো ক্লেশৰ অন্তত এনে এটি ক্ষণ আহি পৰিছে যে কোনো ভাগ্যৱান জনে কৃষ্ণৰ চৰণত শৰণ লাভ কৰিবলৈ সক্ষম হৈছে। শৰণ লাভ কৰি তেওঁৰ আত্ম উপলব্ধি ঘটিছে এনেদৰে----

''হৰিৰ চৰণত শৰণ লৈলো এ হৰি নাৰায়ণ।

মানৱী জনম সাফল কৈলো এ হৰি নাৰায়ণ।। ৬৮৬।।
গোপাল গোৱিন্দ যদুনন্দন।
কৃষ্ণৰ চৰণে লৈলো শৰণ।।" ৬৮।। (শৰণ)

শৰণ গ্ৰহণ মানৱাত্মাৰ পৰম প্ৰয়াসৰ প্ৰথম খোজ। এই ভাগ্যৱানজনৰ দ্বিতীয় খোজ হ'ল কৃষ্ণৰ ভজন। এই ভজন কৃষ্ণৰ চৰণত মনৰ মালাৰে একান্ত ভক্তই নিৱেদন কৰেঃ কৃষ্ণৰ পৰম মূৰ্তি-শঙ্খ-চক্ৰ-গদা-পদ্ম সহ মন মন্দিৰত উদ্ভাষিত হয়। এই পৰম প্ৰয়াসত মানৱাত্মাই নিবিড়ভাৱে পৰমাত্মা আৰাধনা কৰে আৰু উত্তম পদ লাভ কৰি ভগৱন্তত বিলীন হ'বলৈ ভৱসিন্ধু পাৰ হৈ আগবাঢ়ে।

মোৰ প্ৰভু নাৰায়ণ এ
হৰি হৰি তোহ্মাৰ চৰণে মনে ভজো।
তোমাক নজানি ভৱসিন্ধু মাজে মজো।। ৬৯৬।।
ভুৱনমোহন ৰাম ভজিলো তোমাৰ পায়।
মহা মহা পাপী যাৰ নাম জপি উত্তম পদক পায়।" ৬৯৭।। (ভজন)

এনে ভজনৰত পৰম ভক্তই কৃষ্ণক নমস্কাৰ জনাই গায়ঃ কৃষ্ণৰ গুণনাম লোৱাৰ ফলত তেওঁৰ ভয় বিমোচন হৈছে। সঙ্গীজনক উদ্দেশি গায়ঃ কপটতা পৰিহাৰ কৰি, আশা সমুদ্ৰৰ পৰা মনক তুলি আনি, হে ভাই, হৰিক ভজা আৰু তেওঁৰে নাম লৈ তেওঁক সহজে বশ্য কৰাঃ

"ভাল উপায় পাইলো ভাই ভাই এ
ৰাম নাম নিগম ৰহস্য।
একচিত্তমনে ভাৰ ভাই ভাই এ
যাৰ নাম তাৰে কৰা বশ্য।।" ৭০৫।। (উপদেশ)

এই শৰণ ভজনৰ মহিমা অপাৰ। এই এক শৰণ হৰিনাম পৰম ধৰ্ম লাভ কৰাৰ বাবে ভাৰতবৰ্ষত কলিযুগত নৰতনু লভি মানৱাত্মা ধন্য হৈছে----

হৰি হৰি হৰি হৰি এ
হৰি হৰি হৰি ব্ৰহ্মাৰ প্ৰাৰ্থনী নৰতনু অনুপাম।
হৰিত একান্তে শৰণ পশিয়া হৰি হৰি হৰি হৰি এ
হৰি হৰি হৰি ধৰ্ম্ম শিৰোমণি
ঘূষিয়ো হৰিৰ নাম।। ৭১৭।। (মহিমা)

শৰণ-ছন্দৰ 'আত্ম-উপদেশ'ত আত্ম-তত্ত্ব জ্ঞান লাভৰ বাবে মনক সংযত কৰি মায়াক নিবাৰণ কৰি বিষয়-বিকলৰ পৰা আত্মাক উদ্ধাৰ কৰি একমাত্ৰ শৰণ ভজনক





খামোচ মাৰি ধৰাৰ উপদেশ প্ৰদান কৰা হৈছে। আত্ম-সচেতন হৈ মনক দমন কৰিব নোৱাৰিলে শৰণ প্ৰকৃতাৰ্থত সম্ভৱ নহয়----

"লৈয়ো এক মাত্ৰ সাধু সঙ্গতি।
তেবেসে নিৰ্ম্মল হৈব ভকতি।। ৭৩৩।।
যাৱত কৈতৱ নেড়স মন।
তাৱত নপাইবি হৰিচৰণ।।" ৭৩৪।। (আত্ম উপদেশ)

এনে সহজ লভ্য একশৰণ হৰিনাম ধৰ্ম নোলোৱাজন নিন্দাৰ পাত্ৰ। তেওঁৰ মানৱ জীৱন পশু জীৱনতকৈয়ো নিকৃষ্ট----

"হৰি কীৰ্ত্তনত নকৰে ৰতি।
পশুতো অধম সিটো কুমতি।। ৭৪৮।।
নুফুৰে সদা হৰিগুণ গায়া।
জানিবা মুহিলে হৰিৰ মায়া।। ৭৪৯।।
হৰি কীৰ্ত্তনত নেদিলে চিত্ত।
সিটো ভাগ্যশূন্য ভৈল বঞ্চিত।।" ৭৫০।। (নিন্দা)

শৰণ ভজনৰ যোগেদি আত্ম-তত্ত্ব লাভ কৰিব নোৱাৰা ভক্তজনে নিজকে নিন্দা কৰিছে। এনে বহু ভক্ত আছে যি জড় শৰীৰক আত্মা বুলি ভাবি অজ্ঞান আন্ধাৰত খেপিয়াই ফুৰেঃ

"তোহ্মাক নজানি জড় মিছা শৰীৰক মই
প্ৰাণ প্ৰভু পীতাম্বৰ এ
আত্মা বুলি ভৈলো সেৱাচোৰ
প্ৰাণবন্ধু কিনো মই অজ্ঞানী দুৰ্ঘোৰ হৰি এ।।" ৭৫১।।
(আত্ম-নিন্দা)

বহুবাৰ সংসাৰ চক্ৰত এনেকৈ ভ্ৰমি ভ্ৰমি কৃষ্ণত শৰণ লাভৰ পৰা বঞ্চিত হৈ থকাৰ কথা এইবাৰহে শৰণ গ্ৰহণৰ পাচত কৃষ্ণদাস ভক্তই মৰ্মে মৰ্মে অনুভৱ কৰি খেদ প্ৰকাশ কৰিছে। এই আত্মজ্ঞান এক শৰণ হৰিনাম ধৰ্মৰ পৰম তত্ত্বঃ আত্মা পৰমাত্মাৰ মিলনৰ আসন্ন মুহূৰ্ত্তঃ

মনুষ্য যোনিৰ কৰ্ম্মে নিঃশেষ যোনিত ফুৰি
দীনবন্ধু দামোদৰ এ
হৰি হৰি বাৰে বাৰে ভুঞ্জিলো অপাৰ
দীনবন্ধু কতবা ভুঞ্জিলো নাহি পাৰ।

ইবেলি তোহ্মাৰ দুই চৰণে শৰণ লৈলো
দীনবন্ধু দামোদৰ এ
হৰি হৰি নকৰিবা মোক পৰিহাৰ।
প্ৰাণবন্ধু চৰণত ৰাখিয়ো ইবাৰ হৰি এ।।"৭৫৮।। (খেদ)

এই আত্মাৰ জ্ঞান নোহোৱা পৰ্যন্ত মানৱাত্মা জীৱন মৃত্যু-চক্ৰৰ হাত সাৰিব নোৱাৰে। কৃষ্ণত শৰণ লাভ কৰি কৃষ্ণ ভজন আৰু সেৱাৰ মাজেদিহে মায়ামুক্ত হৈ ভক্তই পৰম পুৰুষক লাভ কৰিব পাৰে। এই পৰম জ্ঞান লাভ হ'লেই আত্মা-পৰমাত্মা এক হৈ যায়। ৰাম নামৰ মহিমা হ'ল এয়ে যে ইয়েই কেৱল জীৱাত্মাক কাল-মায়াৰ উৰ্দ্ধলৈ আনিব পাৰে ঃ আত্মা-পৰমাত্মাৰ মিলনৰ সেতু বন্ধন কৰিব পাৰে----

'ভকতসৱে ৰামনাম গাৱে।
কালমায়া ডৰে তৰতৰাৱে।।" ৭৬৩।। (মহিমা)

শৰণ -ছন্দৰ 'কাৰুণ্য' ঘোষাত পৰম কৃষ্ণৰ গুণানুকীৰ্তন কৰা হৈছে। ঈশ্বৰ কৃষ্ণ একান্ত সেৱকৰ প্ৰাণধন, জীৱধন, নিত্য-নিৰঞ্জন, শিৱ সনাতন, দীনজন, বন্ধু, পতিত পাৱন, কৰুণাসিন্ধু, ভৃত্য-ভয়হাৰী,জগতৰ পতি, জগতগুৰু নাৰায়ণ, পৰম পুৰুষ, পৰমানন্দ। তেওঁ ভকতৰ যথা সৰ্বস্ব ঃ

'ভকত বৎসল প্ৰভু এ ভকত বন্ধু
ভকত ৰঞ্জন ভয়হাৰী।
ভকতৰ নিজ গতি তুমিসে মুৰাৰি।। ৭৮৩।। (কাৰুণ্য)

সেয়ে, তাৎপৰ্যত মহাপুৰুষ মাধৱদেৱে দাস্য ভক্তিৰ নিবিড় মুহূৰ্তত সেৱা নিৱেদন কৰি গাইছে ঃ

'কৰুণাময় ৰাম কৰুণাময়।
কৰিয়ো কৃপা যেন উচিত হয়।
তুমিসে ৰাম কৃপাৰসৰ নিধি।
তোহ্মাৰ কৃপাবিনে নাহিকে সিদ্ধি।।৭৮৬।।

* * * *

তোহ্মাৰ কৃপালেশে আহ্মাৰ গতি।
কহয় মাধৱ মূৰুখমতি।।" ৭৮৯।। (তাৎপৰ্য)

'কাকুতি ঘোষা' শৰণ-ছন্দৰ অন্তৰ্গত অপূৰ্ব মহিমাময় হৃদয় উদ্দীপক আত্মনিৱেদন। সেৱকে কৃষ্ণৰ চৰণত শৰণ গ্ৰহণ কৰি ভজন সেৱা ভক্তি জনাবলৈ





গৈ নিতান্ত নিৰুপায়, অসহায় অৱস্থাৰ কথা স্বীকাৰ কৰিছে ঃ

'কিমতে ভকতি কৰিবো তোহ্মাত হৰি এ
মঞি মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম।
মহাবলৱন্ত দুৰ্ব্বাসনা ঘোৰ হৰি এ
আহ্মাৰ মনক তেজিয়া দূৰ নযায় ৰাম ৰাম। ৭৯০।।

আত্মজ্ঞান লাভ কৰি ভক্তই অতীত জনমৰ মহা ভুলৰ বাবে ভগৱন্তৰ চৰণত বাৰে বাৰে ক্ষমা প্ৰাৰ্থনা কৰিছে। এনে আত্মজ্ঞান তথা আত্মোপলব্ধি পৰম জ্ঞানৰ পৰিচায়ক। শৰণ-ছন্দৰ শেষত আছে পৰম কৃষ্ণৰ চৰণত পৰম ভক্তই জনোৱা পৰম প্ৰাৰ্থনা ঃ

"দায়া কৰা দায়া কৰা মোৰে হে ৰাম।
তোহ্মাৰ চৰণ হৰি হৃদয় পঙ্কজে ধৰি
মুখে লৈবো তুৱা গুণ-নাম যদুমণি এ।।" ৮৩৯।। (প্ৰাৰ্থনা)

এনেকৈয়ে শৰণ-ছন্দত শৰণ-ভজনৰ সেৱা প্ৰক্ৰিয়াৰ কাব্যিক চিত্ৰ মহা-মহিমাময় আধ্যাত্মিক গীতসমূহৰ সুক্ষ্ম তত্ত্ব, অপূৰ্ব সুৰ-তাল-লয়ৰ মাজেদি মানৱাত্মাৰ পৰম কল্যাণ আৰু মোক্ষৰ বাবে অঙ্কিত কৰা হৈছে।

**নাম-ছন্দ ঃ** 'নাম-ছন্দ'ক নামৰ নৌকা বুলি অভিহিত কৰিব পাৰি। ইয়াত ভক্তৰ খেদ, অনুতাপ, নিন্দা, আত্মনিন্দা একো নাই। ই মাত্ৰ ভগৱন্তৰ নামৰ মিলন গীতি। মাজে মাজে ভগৱন্তৰ গুণানুকীৰ্তন কৰি স্বাভাৱিকভাৱে ভক্তই নাম ডাকিলে ভগৱন্ত কৃষ্ণ 'বৈকুণ্ঠক পৰিহৰি যোগীৰ হৃদয় এৰি' নামীৰ সমুখত উপস্থিত হয়। ই এক চৰম আধ্যাত্মিক উপলব্ধি। নাম-ছন্দৰ প্ৰথম তিনিযোৰ ঘোষা সেয়ে অতি তাৎপৰ্যপূৰ্ণ। এই নাম-ঘোষাসমূহ নীৰৱে ভক্তই যেতিয়া একান্ত সেৱা ভক্তিৰে গায়, স্বয়ং ভগৱন্ত আহি নামীৰ সমুখত থিয় হয়। সেয়ে প্ৰসঙ্গত এই ঘোষাৰ নীৰৱতা ৰক্ষাৰ হেতু তাল আদি বাদ্য নাইবা হাত-চাপৰি বজোৱা নহয় ঃ

"কৃষ্ণৰাম কৃষ্ণ ৰাম।
কৃষ্ণ ৰাম কৃষ্ণ ৰাম।। ৮৫০।।
কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম।।
কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম।। ৮৫১।।
কৃষ্ণ হৰি ৰাম হৰি ৰাম ৰাম ৰাম।
অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ।।" ৮৫২।।

এই ঘোষা কেইযোৰাৰ মাজত দৈৱকী-নন্দন কৃষ্ণই যে পৰম কৃষ্ণ, পৰম

ঈশ্বৰ আৰু তেৱেঁই যে অনন্ত, অচ্যুত, ব্ৰহ্মৰূপী সনাতন-এই পৰমাৰ্থ সদৰী কৰা হৈছে। কৃষ্ণক আমন্ত্ৰণ জনোৱাৰ লগে-লগে তেওঁৰ আগমণ হৈছে আৰু ভক্ত সৱে 'জয় জয়' ধ্বনিৰে আদৰণি জনাইছে।

এই মহিমামণ্ডিত আধ্যাত্মিক গীতি কবিতাত মহাপুৰুষ মাধৱদেৱে ভগৱন্ত কৃষ্ণৰ সমস্ত জনপ্ৰিয় নামৰ একো একোধাৰি মালা গাঁথিছে। এই নামসমূহ হ'ল ঃ কৃষ্ণৰাম, গোবিন্দ, মুৰাৰি, মুকুন্দ, অচ্যুত, যাদৱ, গোপাল, হৰি, ৰঘুপতি, নাৰায়ণ, মাধৱ, গোপীনাথ, দৈৱকীনন্দন, পৰমপুৰুষ, দীনবন্ধু, হৃদয়ানন্দ, পৰমানন্দ, সহজানন্দ, স্বৰূপানন্দ, গৰুড়কেতু, জগন্নাথ, পতিতপাৱন, হলিৰাম, শ্ৰীৰাম, বামন, পৰশুৰাম, কমললোচন, বনমালী, হৃষীকেশ, কমলাপতি, শিৱ, সনাতন, পুৰুষোত্তম, পীতাম্বৰ কমলাকান্ত, দামোদৰ, যদুপতি, জগতজীৱন, মধুসূদন, দনুজদমন, দুখহাৰী আৰু সবাতোপৰি কৃষ্ণ-কৃষ্ণ।

নাম-ছন্দ নাইবা নাম-মালা গাঁথোতে মহাপুৰুষ কবিজনাই ঐশ্বৰিক কাব্য-প্ৰতিভাৰ পৰিচয় দিছে। ইয়াৰ মাজত মহান সুৰকাৰ-গীতিকাৰ, মহাকবি লুকাই লুকাই আছে। নাম-ছন্দত সুৰৰ লগত কথা-বস্তুৰ অপূৰ্ব সংমিশ্ৰণে মহিমামণ্ডিত ইন্দ্ৰজাল ৰচনা কৰিছে। এনেদৰে নাম ডাকোতাজনেহে ইয়াৰ মাহাত্ম্য উপলব্ধি কৰিব পাৰে। ওপৰত উল্লেখ কৰা ভগৱন্তৰ নামসমূহ বিভিন্নভাৱে এটি এটিকৈ, দুটি-তিনিটি, চাৰিটি-পাঁচটি-ছয়টিকৈ থুপাই থুপাই ছন্দৱদ্ধ কৰা হৈছে। কেতিয়াবা আকৌ সুৰ আৰু ভাৱৰ ঢৌ ছন্দৰ ওপৰলৈ উঠিছে। কেতিয়াবা ছন্দ দীৰ্ঘ হৈছে আৰু কেতিয়াবা তাল সলাবৰ বাবে ছন্দ একেবাৰে হ্ৰস্ব হৈ পৰিছে। নাম-ছন্দ গালে, শুনিলে এনে ভাৱ মনলৈ আহে যে ভগৱন্তৰ অপাৰ মহিমা নামৰ তাল-মান-লয়ৰ মাজতে সোমাই আছে। তলৰ নাম-ছন্দৰ এই অভিনৱত্বৰ কেইটিমান উদাহৰণ দাঙি ধৰা হৈছেঃ

"ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
ৰাম নাৰায়ণ ৰাম কৃষ্ণ ৰাম।।"৯০০
---------------------------------
এ হৰি হৰি ৰাম জয়।
ৰাম হৰি জয় ৰাম গোবিন্দ।। ৯৭৩
ৰাম জয় জয় ৰাম জয়।
মুকুন্দ মুৰাৰি ৰাম হৰি জয়।। ৯৭৪।।

তদুপৰি, নাম-ছন্দত ভগৱন্তৰ গুণৰ মালাও গঁথা হৈছে। যেনে---





অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।। ৮৫৩।।
ভকতি ৰোচন দুখ বিমোচন ভকতৰ ভয়হাৰী।। ৮৫৪।।
কৃষ্ণদেৱ তুমিতো প্ৰভু দীনদুঃখহাৰী।
ভকতৰঞ্জন ভয়ভঞ্জন মুৰাৰি।। ৮৮১।।
-----------------------------
জগত সুমঙ্গল তুৰা গুণনাম।।" ৯৪১।।

মুঠতে, শৰণ ছন্দ আৰু নাম-ছন্দ মহাপুৰুষ মাধৱদেৱৰ পৰমাৰ্থ তত্ত্বৰ পৰম প্ৰকাশ। ইয়াত ভক্ত ভগৱন্তৰ অপূৰ্ব মিলন ঘটিছে। বহুকালৰ বহু জন্মত বাৰে বাৰে নিকাৰ ভুঞ্জি অহা মানৱাত্মা জড় দেহৰ পৰা মায়ামুক্ত হৈ পৰম পুৰুষ কৃষ্ণক লগ পোৱাৰ প্ৰস্তুতি আৰু প্ৰয়াস, সাধনা আৰু সিদ্ধিত উত্তীৰ্ণ হৈছে। শৰণ-ছন্দত আত্মাৰ এই প্ৰগতি পৰম সাধক মাধৱদেৱৰ উপলব্ধিৰ মাজেদি পৰিস্ফুট হৈছে। এই সিদ্ধিৰ অন্তত মুক্তিতো নিস্পৃহ বিমুক্ত আত্মাই নাম নৌকাত নাম লৈ ভৱসিন্ধুক বৈকুণ্ঠ কৰি নাচি-বাগি ফুৰিছে। এই বিমুক্ত আত্মাৰ ঈশ্বৰ-সান্নিধ্যৰ পৰমানন্দ নাম-ছন্দৰ পৰম বৈশিষ্ট্য ঃ

"ৰাম জয় জয় ৰাম জয়।
মুকুন্দ মুৰাৰি ৰাম হৰি জয়।।"৯৭৪।।

**লেখকৰ পৰিচয় ঃ**
ড° পূৰ্ণানন্দ শইকীয়া
প্ৰাক্তন অধ্যক্ষ, গুৱাহাটী কমাৰ্চ কলেজ

# “নাম-ঘোষা” ৰ ভাষাতাত্ত্বিক বিশ্লেষণ

ড° জ্যোতিষ চন্দ্ৰ বৰ্মন

অসমৰ নৱ বৈষ্ণৱ ভক্তি ধৰ্ম্মৰ ‘চাৰিপুথি’ৰ ভিতৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্ত্তন ঘোষা আৰু দশম স্কন্ধ আৰু মাধৱদেৱৰ নাম-ঘোষা আৰু ভক্তি ৰত্নাৱলীক সামৰি লোৱা হয়। মহাপুৰুষীয়া অৰ্থাৎ নৱ বৈষ্ণৱ ভক্তি ধৰ্ম্মত চাৰিপুথিক চাৰিবেদ বা চাৰিখুটি বোলা হয়। নৱ বৈষ্ণৱ ভক্তি ধৰ্ম্মৰ দাৰ্শনিক তত্ত্ব নিৰ্ণায়ক গ্ৰন্থ হিচাপে নাম-ঘোষাৰ আলোচনাত ড° বাণীকান্ত কাকতিদেৱে এনেদৰে কৈছে ‘এক শৰণ ধৰ্ম্মৰ মাহাত্ম্য প্ৰতিষ্ঠাপক গ্ৰন্থ হিচাপে নামঘোষাত বাজে অসমীয়া ভাষাত আৰু দ্বিতীয় নাই। নাম-ঘোষা গ্ৰন্থক শঙ্কৰ স্মৃতি মণ্ডিত মাধৱদেৱৰ পূৰ্ণব্ৰহ্ম স্বৰূপ কৃষ্ণৰ প্ৰতি একান্তিকা ভক্তিৰ বিৰাট ঝঙ্কাৰ বুলিব পাৰি। ইয়াক ‘পৰম আনন্দ সাগৰত’ উটি যোৱা মাধৱদেৱৰ মহাপ্ৰস্থানিক গীত বুলিব পাৰি” নৱবৈষ্ণৱ ভক্তিধৰ্ম্মৰ বিশিষ্ট সমালোচক ড°মহেশ্বৰ নেওগৰ মতেঃ “মাধৱদেৱৰ নাম-ঘোষা বৈষ্ণৱ ধৰ্ম্মৰ মূল সূত্ৰ আৰু দাৰ্শনিক ভিত্তিৰ সম্পূৰ্ণ পৰিচায়ক বুলি কব পাৰি।” নাম-ঘোষা সম্পৰ্কে অধ্যাপক ড° ভৱপ্ৰসাদ চলিহাদেৱে এনেদৰে কৈছেঃ “নাম-ঘোষা মহাপুৰুষীয়া ধৰ্ম্মৰ ভক্তিতত্ত্ব নিৰূপক এখনি সৰ্ব্বশ্ৰেষ্ঠ গ্ৰন্থ। ইয়াত শঙ্কৰী ধৰ্ম্মৰ একশৰণবাদ, বিষ্ণু কৃষ্ণৰ একমাত্ৰ উপাস্যতা, মায়া তৰণৰ উপায় হিচাপে সকলো ধৰ্ম্মৰ ওপৰত জ্ঞান কৰ্ম্মৰ ওপৰতো ভক্তিৰ শ্ৰেষ্ঠতা, ভক্তিৰ শ্ৰৱণ কীৰ্ত্তনৰ প্ৰাধান্যতা, দাস্য ভক্তিৰ গৰিমা, নিস্পৃহ ভক্তিৰ শ্ৰেষ্ঠত্ব, সৎ সঙ্গ মাহাত্ম্য, অৱতাৰবাদ, ভক্তি তত্ত্বৰ চাৰিতত্ত্ব গুৰু, দেৱ, নাম, আৰু ভকতৰ মাহাত্ম্য নিৰ্ণয় আদি সকলো কথা অতি নিটোলৰূপে উপস্থাপিত হৈছে। মুঠৰ ওপৰত নাম-ঘোষাত ঈশ্বৰ তত্ত্ব, হৰি নামৰ মাহাত্ম্য, হৰি নামৰ ৰস বিচাৰ, ভকতৰ মুকুতি সুখৰ আশ্ৰয়, আগম, নিগম, বেদ-বেদান্ত, গীতা ভাগৱত বিভিন্ন পুৰাণকে আদি কৰি সমস্ত শাস্ত্ৰৰ তত্ত্ব বিচাৰ ব্যক্ত (বেকত হুৱা) হৈ আছে।

নাম-ঘোষাৰ ভাষাতাত্ত্বিক অধ্যয়ন কৰাৰ আগতে এটা কথা স্পষ্ট কৰা





ভাল। সেইটো হ’ল নাম-ঘোষাৰ ভাষাটোনো কি? ইয়াৰ উত্তৰ সহজতে দিব পৰা বিধৰ নহয়। কিয়নো শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বিৰচিত বৰগীত আৰু অঙ্কীয়া নাটবোৰত ব্যৱহৃত ভাষাটোক ব্ৰজবুলি (ব্ৰজাৱলী) বুলি ধৰি লোৱা হৈছে। তাৰ উপৰি অঙ্কীয়া নাটবোৰত ব্যৱহৃত কথা আৰু সূত্ৰবোৰক অসমীয়া ভাষাৰ গদ্যৰ প্ৰথম নিদৰ্শন হিচাপে উল্লেখ কৰাটো মনকৰিবলগীয়া। ড° মহেশ্বৰ নেওগদেৱৰ মতে ‘শঙ্কৰদেৱৰ গদ্যক প্ৰকৃততে গদ্য বুলি কব নোৱাৰি। সি ছন্দোময় কাব্য ভাষাৰে এটি ৰূপান্তৰ মাথোন”। এই সম্পৰ্কে বেছি মতামত দোহাৰিবৰ প্ৰয়োজন বোধ নকৰি এটা কথা ক’ব পাৰি যে অঙ্কীয়া নাটবোৰত ব্যৱহৃত ভাষাটো হ’ল ব্ৰজবুলি মিশ্ৰিত গ্ৰাম্য লোক কথাৰে ৰঞ্জিত একপ্ৰকাৰ ছন্দযুক্ত গদ্য। আনকথাত ইয়ো এক প্ৰকাৰৰ শৈলী। এই শৈলীটোত অসমীয়া ভাষাৰ গদ্যৰ নিদৰ্শন থাকিব পাৰে।

আনহাতে শঙ্কৰদেৱৰ কীৰ্ত্তন ঘোষা আৰু মাধৱদেৱৰ নাম-ঘোষাতো আন এক প্ৰকাৰৰ বিশিষ্ট শৈলী আছে। যিটো শৈলী বৰগীত বা নাটবোৰত ব্যৱহাৰ কৰা নাই। তাৰ উপৰি শঙ্কৰদেৱৰ কীৰ্ত্তন আৰু নাম-ঘোষাত ব্যৱহৃত শৈলীটোৰ পূৰ্ব্ব পৰম্পৰা সংৰক্ষিত হৈ আছে মাধৱ কন্দলিৰ ৰামায়ণ গ্ৰন্থত। এই ফালৰ পৰা চালে দেখা যায় যে মাধৱ কন্দলিৰ ৰামায়ণত থকা শৈলীটোৰ ব্যৱহাৰ শঙ্কৰদেৱৰ আৰু মাধৱদেৱৰ নাম-ঘোষাত কৰিছে। মাধৱ কন্দলিৰ ৰচনাৰ আৰ্হি গ্ৰহণ কৰিলেও শঙ্কৰদেৱ আৰু মাধৱদেৱৰ ৰচনাৰ নিজস্ব প্ৰতিভা আৰু কৌশলেৰে পুষ্ট এক প্ৰকাৰৰ বিশিষ্ট শৈলীৰ প্ৰয়োগ আছে। এই শৈলীটোক পুৰণি অসমীয়া ভাষাৰ এক বিশেষ, শৈলী বুলি কব পাৰি। এনেকুৱা এটা মহৎ শৈলীৰে সৃষ্ট মাধৱদেৱৰ নাম-ঘোষা এখনি উচ্চস্তৰৰ গ্ৰন্থ।

নাম-ঘোষাৰ ভাষা সম্পৰ্কে কবলৈ যাওঁতে আৰু এটা কথা কব পাৰি। সেইটো হ’ল মাধৱদেৱৰ নাম-ঘোষা এখনি অনুবাদমূলক গ্ৰন্থ। নাম-ঘোষা গ্ৰন্থখনিৰ আধাৰ গ্ৰন্থসমূহ সংস্কৃত ভাষাত ৰচিত। এই ফালৰ পৰা সংস্কৃত ভাষাৰ প্ৰভাৱ নাম-ঘোষাৰ ৰচনাত পৰাটো নিশ্চিত। ইয়াৰ পৰা এইটো কব পাৰি, সংস্কৃত, পালি, প্ৰাকৃত, আৰু তাৰ পাছৰ স্তৰ অপভ্ৰংশ বা অবহট্‌ঠৰ মাজেদি ক্ৰমবিকশিত হৈ অহা ৰূপটোক মাধৱদেৱে নাম-ঘোষাৰ ৰচনাত ব্যৱহাৰ কৰিছে। ই দেখাত পদ ছন্দৰ দৰে। এই ৰূপটোৰ লগত বৰগীতৰ ব্ৰজবুলি, সেই সময়ৰ লোক ভাষা (বিশেষকৈ পশ্চিম অঞ্চলৰ) আন আন ওচৰ চুবুৰীয়া (বংগ, বিহাৰ, মিথিলা,

আদি) লোকৰ ভাষা আৰু দেশী ভাষা, বিদেশী, (আৰবী, ফাৰ্চী) ভাষাৰ দুই চাৰি উপাদানৰ সংমিশ্ৰণ ঘটিছে। নাম-ঘোষাৰ শৈলী বিচাৰত ড° বিশ্বনাৰায়ণ শাস্ত্ৰীদেৱে এনেদৰে কৈছে “কোনো কোনো ঠাইত মাধৱদেৱে কোমলকান্ত পদাৱলীৰ মাজত কোষ, দৰ্শন, ব্যাকৰণ আদিত ব্যৱহৃত পাৰিভাষিক শব্দও খাপখোৱাকৈ আৰু অৰ্থ অতিশয় সুস্পষ্ট হোৱাকৈ প্ৰয়োগ কৰিছে।

সেহিসে দিনক ভাই দুৰ্দ্দিন বুলিয়া মানি
মেঘাচ্ছন্নে নোহয় দুৰ্দ্দিন।

পাৰিভাষিকৰূপে মেঘে ওন্দোলাই অনা দিনটোক দুৰ্দ্দিন বোলে। (‘মেঘাচ্ছন্নোহি দুৰ্দ্দিনম্ অমৰ) ওপৰৰ ঘোষা ফাঁকিত হৰিনামৰ ৰসামৃতৰ আলাপবিহীন ‘দিন দুৰ্দ্দিন’ বুলি বৰ্ণনা কৰোতে অমৰকোষৰ দুৰ্দ্দিনৰ পৰিভাষা ব্যতিৰেকী উদাহৰণস্বৰূপে উদ্ধৃত কৰাত পাৰিভাষিক অৰ্থ স্পষ্ট হোৱাৰ লগতে হৰিনাম কীৰ্ত্তনৰ মহত্বও প্ৰতিপাদিত হৈছে।” পাণিনীয় ধাতুপাঠৰ কৃ ধাতুবিষয়ক সূত্ৰ ‘ডুকৃঞ্করণে’ মূলৰ দৰে ৰখাত পাঠক শ্ৰোতাৰ অধ্যয়ন মননৰ প্ৰতি লক্ষ্য কৰা হৈছে। কোনো কোনো ঘোষাত আকৌ মূল শব্দৰ কোনো সালসলনি নঘটোৱাকৈ আৰু কোনো যোগ-বিয়োগ নকৰাকৈ অবিকল ৰূপান্তৰ কৰা দেখা যায়। নামঘোষা অধ্যয়ন কৰিলে এই কথাৰ প্ৰমাণ পোৱা যায়। নামঘোষা গ্ৰন্থৰ মূল আধাৰ গ্ৰন্থসমূহ সংস্কৃতৰ হোৱা বাবে শব্দাৱলী, বিশেষকৈ সমাস-সংযোজিত দীঘল শব্দমালা আৰু সন্ধিযুক্ত শব্দ, উপসৰ্গযুক্ত শব্দৰ ওপৰত সংস্কৃতৰ প্ৰভাৱ যথেষ্ট। এই সকলোবোৰ সংমিশ্ৰণেৰে সুসংগঠিত মাধৱদেৱৰ নাম-ঘোষাৰ শৈলী।

মাধৱদেৱৰ নাম-ঘোষাত ব্যৱহৃত ভাষাটোৰ ওপৰত ভাষাতাত্ত্বিক অধ্যয়ন পৰ্য্যাপ্ত পৰিমাণে হোৱা নাই। আমাৰ এই অধ্যয়নত নামঘোষাৰ ভাষাতাত্ত্বিক বিশ্লেষণ কৰিবলৈ প্ৰযত্ন কৰা হ’ব। এই ক্ষেত্ৰত দুই-চাৰিগৰাকী বিশিষ্ট ভাষাবিদৰ গ্ৰন্থৰ পৰা উদ্ধৃত দুই-এটা কথা হিচাপে উপযুক্ত স্থানত শ্ৰদ্ধা সহকাৰে গ্ৰহণ কৰা হ’ব।

মাধৱদেৱৰ নাম-ঘোষাত অসমীয়া ভাষাৰ প্ৰাচীন স্তৰৰ এটা পূৰ্ণ-ৰূপ সংৰক্ষিত হৈ আছে। ভাষাৰ পূৰ্ণ-ৰূপ বুলি ক’লে তাৰ প্ৰধানকৈ ‘ৰূপ-গঠন ৰীতি’ৰ কথাই ক’বলগীয়া হয়। ৰূপ গঠন পদ্ধতিয়ে বিৰিধ শব্দৰ লগতে সেইবোৰৰ পাছত যোগ হোৱা বিৰিধ প্ৰত্যয়, শব্দ-বিভক্তি, ক্ৰিয়া-বিভক্তি, শব্দবোৰৰ শ্ৰেণীবিভাগ, (বিশেষ্য, বিশেষণ, সৰ্বনাম,ক্ৰিয়া, ক্ৰিয়া-বিশেষণ, অব্যয়) শব্দ-গঠন-পদ্ধতি আদিৰ





কথা সামৰি লয়। সেইবোৰৰ বিচাৰ-বিশ্লেষণ ভাষাতাত্ত্বিক অধ্যয়নত সামৰি লোৱা হয়। নাম-ঘোষাৰ মাজে মাজে ঘৰুৱা ঠাঁচৰ প্ৰয়োগ ‘ইবাৰ নেৰিবা মোক’ উল্লেখ কৰিব পাৰি। নাম-ঘোষাৰ পদ-ছন্দৰ মাজে মাজে চুটি চুটি বাক্যৰ প্ৰয়োগ একেবাৰে নাই বুলি ক’ব নোৱাৰি। সেইবোৰ তলৰ আলোচনাত যথাস্থানত উল্লেখ কৰা হৈছে। ঘৰুৱা ফকৰা-যোজনা, প্ৰবাদ-বচন, জতুৱা ঠাঁচ আদিৰ প্ৰয়োগে নাম-ঘোষাৰ ভাষাৰ গাম্ভীৰ্য প্ৰকাশত যথেষ্ট সহায়ক হৈছে। সেইবোৰ তলত দাঙি ধৰা হৈছে।

মাধৱদেৱৰ নাম-ঘোষাখন অনুবাদমূলক গ্ৰন্থ। ইয়াৰ আধাৰ গ্ৰন্থসমূহ সংস্কৃত ভাষাৰ হোৱা হেতু নাম-ঘোষাত তৎসম, অৰ্ধ-তৎসম, আৰু তদ্ভৱ শব্দৰ পৰ্যাপ্ত পৰিমাণে ব্যৱহৃত হৈছে। বিৰিধ গ্ৰন্থত উল্লেখ আছে যে নাম-ঘোষাৰ প্ৰায় চাৰিশমান ঘোষাৰ মূল নিৰ্ণয় কৰা হৈছে। সেইফালৰ পৰা নাম-ঘোষাত তৎসম আৰু অৰ্ধতৎসম শব্দৰ প্ৰয়োগ বেছি বুলি ক’ব পাৰি। তলত উদাহৰণ হিচাপে কেতবোৰ তৎসম আৰু অৰ্ধ-তৎসম শব্দ দাঙি ধৰা হ’ল-

“মুক্তি, নিস্পৃহ, সমস্ত, মস্তক, সদানন্দ, সনাতন, মৎস্য, কুৰ্ম্ম, মাধৱ, বামন, পৰশুৰাম, বুদ্ধ, কল্কি, দশ, আকৃতি, নিৰ্গুণ, কৃষ্ণ, যোগী, বৈকুণ্ঠ, মাধৱ, শ্ৰদ্ধা, আৱাহন, বিসৰ্জ্জন, তীৰ্থ স্নান, দান, পূজা, দধি, দুগ্ধ, ঘৃত, মধু, পিতৃ, শাস্ত্ৰ, পুণ্য, কৰ্ণ, নিৰ্ম্মল, ব্ৰহ্মা, মহেশ্বৰ, দেৱী, লক্ষ্মী, অমৃত, সৰ্ব্ব, ধৰ্ম্ম, ভগৱন্ত, ত্ৰাস, হস্তী, ব্ৰাঘ্ৰ, পুত্ৰ, শ্ৰুতি, বুদ্ধি, নিত্য, শুদ্ধ, ঈশ্বৰ, শান্ত, চিদানন্দ, অনন্ত, অচ্যুত, কেশৱ, হৰি, সত্য, জনাৰ্দ্দন, হংস, নাৰায়ণ, অষ্ট, নাম, নমো, পদ্ম, সম, নেত্ৰ, পদ, শতপত্ৰ” আদি বিবিধ বিষয়ক তৎসম শব্দৰ প্ৰয়োগ প্ৰতিটো ঘোষাতে আছে। নাম-ঘোষাত থকা অৰ্ধ তৎসম শব্দবোৰ এনেধৰণৰ; ভকত, ভকতি, তৃপিতি, শৰদ, বেকত, মগন, মুকুতি, যতন, শকতি, বেকত, গুপুত, দগধ, জনম ইত্যাদি। নামঘোষাত ব্যৱহৃত তদ্ভৱ শব্দ কেইটামান এনেকুৱাঃ চকু, মুখ, মোৰ, কাণ, জিভা, হাত, ভৰি, থিতি, । আন আন ঘৰুৱা শব্দৰ প্ৰয়োগ নাম-ঘোষাত আছে। যেনে, ঘুমটি, ছিৰী, দায়া, দায়াশীল, বাপ, বাপদায়, বিকা, বিষ্ঠা, মাথা, মাৰনা, ঝুটা, লোম, ইত্যাদি। নাম-ঘোষাত ব্যৱহৃত আন কিছুমান শব্দক তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাব পাৰি ঃ

(ক) সংখ্যাবাচকঃ একপদ, চৰণ দুই, তিনিলোক, চাৰিপুৰুষাৰ্থ, পঞ্চবৰ্ণ, ছয় উৰ্ম্মি, অষ্টনাম, দশ আকৃতি, চৈধ্য সাক্ষী, চৌৰাশী নৰক, শতপত্ৰ, সহস্ৰ আতি, লক্ষ নমস্কাৰ আৰু কোটি জনম।

(খ) পুনৰুক্ত শব্দঃ নমো নমো (নাৰায়ণ), সহস্র সহস্র, (আতি অপৰাধ) জয় জয় (কৃষ্ণ কৃপাময়), পিয়ো পিয়ো (ভাই ভাৱকসকল,) কোটি কোটি (ঘোৰ অপৰাধ), ৰিণি ৰিণি, নাহি নাহি, মহা মহা, সত্যে সত্যে, পুনু পুনু, কিনো ভাগ্য কিনো ভাগ্য, (কলিৰ প্ৰজাৰ), দায়া কৰা দায়া কৰা, পিয়ো পিয়ো পিয়ো, আদি মনকৰিবলগীয়া।

(গ) বিশেষ ধৰণৰ যুক্ত শব্দঃ ৰামকৃষ্ণনামনাৱে, ভস্মবিভূষিত, মহামূঢ়মতি, যথাকথঞ্চিতৰূপে, কৃষ্ণকথাৰস, অসম্মূঢ়ভাৱে, মোক্ষসুখপদ, যশৰসমধুপানে, কৃষ্ণচৰণমূল, অপৱৰ্গযোগ্য।

(ঘ) বিশেষণ শব্দঃ উত্তম, অধম, কপট, কোমল, কৃপালু, দুষ্ট, নিৰ্ম্মল, নিষ্ঠুৰ, প্ৰখ্যাত, প্ৰসিদ্ধ, বিমল, বাজি (বাজী,) মধুৰ মঙ্গল, মলিন।

(ঙ) উপসৰ্গযুক্ত শব্দঃ প্ৰমাণ, প্ৰসাদ, পৰাৎমুখ, অপবৰ্গ, সমসৰ, সংসাৰ, নিগম, নিকাৰ, অনুগ্ৰহ, অনুসৰা, নিৰাময়, নিৰ্ব্বিকাৰ, দুৰ্ব্বাসনা, বিনাসন, বিমোচন, অধিকাৰ, সুকৃতি, উদ্ধাৰ, উৎপত্তি, পৰিত্ৰাণ, পৰিহাৰ, প্ৰতিকাৰ, অভিষেক, অতিশয়, উপদেশ, আকৃতি। একমাত্ৰ 'অপি' উপসৰ্গ যুক্ত শব্দৰ প্ৰয়োগ নাই।

(চ) দাস্য ভাৱাৰ্থক শব্দঃ নাম-ঘোষা এখনি দাস্যভাৱাত্মক গ্ৰন্থ। সেয়ে গ্ৰন্থখনিত অনেক দাস্য ভাৱাৰ্থক শব্দৰ প্ৰয়োগ আছে। সেইবোৰ এনে ধৰণৰঃ দুখিতক (নছাড়িবা দামোদৰ), দাস (কৰি হৰি মোকে কিনা), দীন (দায়াশীল) (মঞি) মূঢ়মতি, (মঞি) পামৰ, (মঞি) মন্দমতি, (মঞি) অধম, (মাধৱ) মূৰুখমতি।

(ছ) বিদেশী শব্দঃ নাম-ঘোষাৰ ভাষাত বেদেশী ভাষাৰ শব্দ হিচাপে দেৱান (যমেৰ দেৱান), আৰু নফৰদায় (নেৰিবা নফৰদায়) শব্দ দুটাৰ প্ৰয়োগ মনকৰিবলগীয়া।

সংস্কৃত ভাষাৰ ব্যাকৰণৰ শব্দ গঠন পদ্ধতিৰে সিদ্ধ সন্ধিযুক্ত শব্দৰ প্ৰয়োগ নাম-ঘোষাৰ ৰচনাত পৰ্যাপ্ত পৰিমাণে আছে। সেইবোৰ তলত দিয়া ধৰণৰ ঃ

অধোগতি ঃ 'যাইবে সিটো অধোগতি'
অহৰ্নিশ ঃ 'যিটোঅহিৰ্নিশ লৱে'
জগন্নাথ ঃ 'জগন্নাথ নাম আছন্ত হুয়া প্ৰখ্যাত'
নমস্কাৰ ঃ 'কৰো মঞি লক্ষ নমস্কাৰ'
নৰোত্তম ঃ 'জানে যিটো মোক নৰোত্তমে'
নিৰন্তৰ ঃ 'নিৰন্তৰে সাধুসবে মাধৱ মাধৱ নাম উচ্চৰে'
পৰমেশ্বৰ ঃ 'এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণত'





পৰমানন্দ ঃ 'জানিবা পৰমানন্দে নামধৰি আছন্ত ঈশ্বৰ'
পাদোদক ঃ 'যাৰ পাদোদক দেৱী গঙ্গা'
পুৰুষোত্তম ঃ 'পুৰুষোত্তমৰ প্ৰেম'
বেদাগম ঃ 'বেদাগম আদি কৰি যত'
মনস্কাম ঃ 'তাৰ পূৰ্ণ হোৱে মনস্কাম'
যতেক ঃ 'যতেক অনৰ্থ আছে সংসাৰত'
সহস্ৰেক ঃ 'দিব্য সহস্ৰেক নাম তিনিবাৰ'

নাম-ঘোষাৰ ৰচনাত বিৱিধ সমাসযুক্ত শব্দৰ ব্যৱহাৰ আছে। সেইবোৰ এনেধৰণৰ ঃ

কমললোচন ঃ 'মধুৰিপু ৰাম কমললোচন'
কৃষ্ণকথা ঃ 'যিটোজনে কৃষ্ণ কথা বিচাৰ সময়ে মনে'
গ্ৰাম্যকথা ঃ 'গ্ৰাম্য কথা বিনাশন উত্তম শ্লোকৰ গুণ'
ত্ৰিগম্ভীৰ ঃ 'ত্ৰিগম্ভীৰ সপ্তৰক্ত পঞ্চদীৰ্ঘ'
নামগুণ ঃ 'নাহি নামগুণ বিনে আন'
পতিপুত্ৰ ঃ 'পতিপুত্ৰ সমন্বিতে'
পাদপদ্ম ঃ 'ভকতৰ পাদপদ্ম মাত্ৰ'
পীতাম্বৰ ঃ 'পীতাম্বৰ পীতাম্বৰ প্ৰভু পীতাম্বৰ'
বেদপন্থ ঃ 'বেদপন্থ পৰিহৰি ফুৰে আতি পাষণ্ডসকল'
মলমতি ঃ 'মলমতি নৰে নুসুমৰে'
মহাধৰ্ম্ম ঃ 'ইতো মহাধৰ্ম্ম মাধৱৰ জন্মকৰ্ম্ম'
শ্ৰৱণ কীৰ্ত্তন ঃ 'একান্তশৰণে যিটো শ্ৰৱণ কীৰ্ত্তন কৰে'
সেৱাসুখ ঃ 'নবাঞ্চয় সেৱা সুখ পাই'
হৰিসেৱা ঃ 'হৰি সেৱা একো থানে নাই'

মাধৱদেৱৰ নাম-ঘোষাৰ ৰচনাত থকা সমাৰ্থক শব্দ কেতবোৰ তলত দিয়া ধৰণৰ ঃ

(ক) মুণ্ড ঃ 'বিঘ্নিৰ মুণ্ডত ভৰি'
মাথা ঃ 'পদৰেণু শুদ্ধ চিত্তে মাথে'
(খ) কায়া ঃ 'বাহিৰে ভিতৰে হোৱে কায়া'

তনু ঃ ‘দুৰ্ল্লভ মনুষ্য তনু’

শৰীৰ ঃ ‘মনুষ্য শৰীৰ নৌকা’

(গ) পুত্ৰ ঃ ‘যাৰ পুত্ৰসৱে ঐত হৰিত শৰণ লৈয়া’

দায়াদ ঃ ‘নমো দেৱ দৈৱকী দায়াদ’

সুত ঃ ‘বসুদেৱ সুত কৃষ্ণ’

(ঘ) চৰণ ঃ ‘তোমাৰ চৰণ দুই’

পদ ঃ ‘এৱে হৰি তযু পদে’

পাৱ ঃ ‘তযু পাৱে কৰোহো বন্দন’

ভৰি ঃ ‘বিঘ্নিৰ মুণ্ডত ভৰি’

(ঙ) হৃদয় ঃ ‘যোগীৰো হৃদয এৰি’

হিয়া ঃ ‘হিয়াত থাকন্তে হৰি’

চিত্ত ঃ ‘জানাহা মোৰ চিত্তক’

(চ) কৰ্ণ ঃ ‘হৰিগুণ ভকতৰ কৰ্ণৰ ভূষণ’

কাণ ঃ ‘বাহৱে তাহাৰ কাণে’

(ছ) অগনি ঃ ‘বাড়ব অগনি সম’

বহ্নি ঃ ‘প্ৰচণ্ড বহ্নি নিশ্চয়’

(জ) অন্তকাল ঃ ‘অন্তকালে নিয়া যমদূতে ধৰি’

পৰলোকসময় ঃ ‘পৰলোকসময়ৰ বান্ধৱ হৰিৰ নাম’

মৃত্যুবেলা ঃ ‘কাকো নুসুমৰে মৃত্যুবেলা’

পৰসৰ্গ আৰু আন আন অব্যয় শব্দৰ প্ৰয়োগ নামঘোষাৰ ৰচনাত পৰ্যাপ্ত পৰিমাণে আছে। তলত কেইটামান উদাহৰণ হিচাপে দাঙি ধৰা হ'লঃ

অৰ্থে ঃ ‘জীৱিকাৰ অৰ্থে ফুৰে’

অনুসাৰে ঃ ‘কৰ্ম্ম অনুসাৰে ইটো জগতক’

অনুসৰি ঃ ‘শ্ৰুতি জননীৰ পদপন্থঅনুসৰি’

আউৰ ঃ ‘আউৰ ব্ৰহ্মাণ্ডক পেলাই যায়’

আৰ ঃ ‘মোৰ আৰ নাহি আন গতি’

আৰৰ ঃ ‘আৰৰ কমন উপায়’

আদি কৰি ঃ ‘শুকমুনি আদি কৰি’





কৰি ঃ ‘মহাজন জানিবা নিশ্চয় কৰি’

কাৰণে ঃ ‘কি কাৰণে হেনয় হৰিৰ নাম’

তো ঃ ‘ভদ্ৰতো ভদ্ৰ উত্তম’

ধৰি ঃ ‘হেন শিক্ষা মনে ধৰি’

নামে ঃ ‘বুদ্ধ কল্কী নামে দশ আকৃতি ধৰিছা কৃষ্ণ’

পৰ্য্যন্ত ঃ ‘চাণ্ডাল পৰ্য্যন্ত কৰি জগতৰে উপকাৰী’

প্ৰতি ঃ ‘গুৰু ঋণ শুজিবাক প্ৰতি’

বুলি ঃ ‘ৰাম বুলি শুদ্ধ কৰা মন’

ভাৱে ঃ ‘শুদ্ধভাৱে হৰিত শৰণ লৈয়া’

মাত্ৰে ঃ ‘নৰমাত্ৰে তৰে ভৱকূপ’

লাগি ঃ ‘কোটি জনমক লাগি’

সহিতে ঃ ‘মহেশে সহিতে ইটো’

সম ঃ ‘ৰাম নাম সম ধৰ্ম্ম’ নাহিকে নিগমে’

হেন ঃ ‘ভগৱন্ত হেন ইটো শৰদ’

মাধৱদেৱৰ নাম-ঘোষাত ব্যৱহৃত সৰ্বনাম শব্দবোৰ কিছুমান তলত দিয়া ধৰণৰঃ

আমি ঃ ‘পৰম অনাথ আমি’

আমি(নম্ৰ অৰ্থত মই)ঃ ‘আমি দুঃখিতক চৰণে কৰা উদ্ধাৰ’

আমাৰ/আহ্মাৰঃ ‘ৰহোক ৰতি আমাৰ’

আমাৰ/আহ্মাকঃ ‘আমাক মুহিলে হৰি’

‘ভজয় আহ্মাক পুৰুষ সিটো’

আপুনি/আপোন(নিজ)ঃ‘আপুনি আপুন বন্ধু’

ইঃ ঃ ইজানি গোৱিন্দ মোক যেন যুৱাই কৰিয়োক’

ইটো ঃ ‘ৰাম বুলিবেক ইটো জন’

ইসি ঃ ‘মনুষ্যৰ ইসি নিজ ধৰ্ম্ম’

ইবাৰ ঃ ‘ইবাৰ নেৰিয়ো হৰি’

ইহাত ঃ ‘ইহাত যদ্যাপি সঞ্জাত নযাৰা’

এহি ঃ ‘এহি সাৰ শাস্ত্ৰৰ বিচাৰ’

কোন ঃ 'সুখী হুয়া আছে কোনজন'
তই /তঞি ঃ 'তঞি সদা আম্মাতে নির্দ্দয় ভৈলি'
তযু ঃ 'তযু পাৰে কৰোহো প্ৰণাম'
তান/তাহান ঃ 'মোৰ তান নামে নিজ গতি'
'নচাড়িবা তাহান আশ্রয়'
তাঙ্ক/তাহাঙ্ক ঃ 'আন কোন দেৱ তাঙ্ক সৰি'
'তাহাঙ্ক তেখনে ৰাখিবন্ত হৰি'
তাহান্ত ঃ 'তাহান্ত বিনায় নাই নাই নাই'
তাক ঃ 'তাক কদাচিতো কলি নবাধয়'
তাৰ/তাৰা ঃ 'তাৰাসৰে কি কৰিব'
'তাৰ পূৰ্ণ হোৰে মনস্কাম'
তাহাৰ ঃ 'তাহাৰ হৃদয় এৰি'
তাসম্বা ঃ 'তাসম্বাৰ পাৰ বিষ্ণুসে পাৰস্বৰূপ'
তুমি ঃ 'তুমি কৃপাময় বিনে মোৰ আৰ নাহি গতি'
তুৱা ঃ 'তুৱা পদে কৰোহো গোহাৰি'
তোমাক ঃ 'তোমাক মই ভাণ্ডো তুমি মোক ভাণ্ডা'
তোমাৰ/ তোম্মাৰঃ 'তোম্মাৰ তত্ত্বক নজানয়'
তোৰ ঃ 'তোৰ শব্দ মাত্ৰেসে প্ৰিয়'
তেহো ঃ 'তেহো হুয়া বৈশ্য'
মই/মঞিঃ 'মই অনাথৰ নাথ তুমি নাৰায়ণ'
'মঞি অনাথক দায়া কৰহু'
মোৰ ঃ 'মোৰ অহঙ্কাৰ দূৰ হোক'
মোক ঃ 'মোক মোৰ নোবোলয়'
যত ঃ 'ব্ৰহ্মাণ্ডৰ ভিতৰে যত বস্তু আছে তোক 'নোজোৰয়'
যাক/যাৰ/যাহাৰঃ 'মহেশে সেৱন্ত যাক'
'বেদে যাৰ নজানে মহিমা'
'যাহাৰ মনক কৰিতে নপাৰে কুণ্ঠ'
যি ঃ 'মাধৱৰ নাম যশ পান কৰিলে যিজনে'





যেহি ঃ 'যেহি আসে তাকে কয়'
সৰ্ব্ব/সব ঃ 'সুখে পান কৰা সৰ্ব্বজনে'
'ইটো সব শাস্ত্ৰৰ ৰহস্য'
সকল ঃ 'সকল পুণ্যৰ অবিনাশী ফল'
সি ঃ 'পৰম চতুৰ সি'
সেহি ঃ 'সেহি সিটো পাৰে'

মাধৱদেৱৰ নাম-ঘোষাৰ ভাষাৰ প্ৰকৃত স্বৰূপ বুজিবলৈ হ'লে শব্দবোৰৰ পাছত যোগ হোৱা বচন, নিৰ্দিষ্টতাৱাচক আদি বিবিধ বিষয়ৰ প্ৰত্যয়, শব্দ বিভক্তি, ক্ৰিয়া বিভক্তি, ক্ৰিয়াৰ বিভিন্ন ৰূপ, কৃত-তদ্ধিত-প্ৰত্যয়, পূৰ্ব বিষয়ৰ প্ৰত্যয় আদিৰ কথা চাব লাগিব।

বহুবচনাত্মক প্ৰত্যয় হিচাপে মাধৱদেৱৰ নাম-ঘোষাত তলত দিয়া ধৰণৰ প্ৰত্যয়বোৰ দেখা যায়----

(ক) আহা ঃ তা-আহা-ৰ,তাহাৰ, তাহান, 'বাহৰে তাহাৰ কাণে'
(খ) গণ ঃ দেৱগণ, 'গুপ্ত কৰি থৈলা দেৱগণে'
(গ) চয় ঃ 'সভাসদ-চয় শুনা, সভাসদচয় নেৰিবা শাস্ত্ৰৰ নয়'
(ঘ) জাক ঃ দেৱ-জাক, 'ব্ৰহ্মা ইন্দ্ৰ আদি দেৱজাক'
(ঙ) বৰ্গ ঃ ইন্দ্ৰিয়-বৰ্গ, 'ইন্দ্ৰিয়বৰ্গত যিহেতু ঈশ্বৰ আছন্ত হুয়া প্ৰৱেশ'
(চ) মান ঃ 'বালকে কৰোক বহুমান যুবায়ে সেৱোক পাৰেমান'
(ছ) সকল ঃ সজ্জন-সকল, 'ধৰিয়োক সজ্জনসকল'
(জ) সৱ ঃ পুত্ৰসৱ, 'যাৰ পুত্ৰসৱে ঐত হৰিত শৰণ লৈয়া'
(ঝ) সমূহ ঃ গুণ-সমূহ, ' ভগৱন্ত ঈশ্বৰৰ গুণসমূহক'
(ঞ) ৰাশি ঃ জীৱ-ৰাশি, 'এতেকেসে জীৱৰাশি নিৰন্তৰে আনন্দ লভয়'

নাম-ঘোষাৰ ভাষাত দ্বি-বচনৰ প্ৰয়োগ এনে ধৰণে পোৱা যায়ঃ ভ্ৰূবযুগ, নয়নযুগল, পদযুগল, চৰণ দুই, দুই পদ, দুই হানো (দুইহানো নিজ কাৰণ) ইত্যাদি। মাধৱদেৱৰ নাম-ঘোষাত থকা নিৰ্দিষ্টতাৱাচক প্ৰত্যয়বোৰ এনে ধৰণৰ ঃ

(ক) খানি ঃ 'ৰামনামখানি 'লৈয়োক ডাণ্টি'

(খ) গুটি ঃ 'ৰাম হেন শব্দ ইটো দুগুটি অক্ষৰ'
(গ ) গোট ঃ 'মনগোট, 'সিটো মনগোট যিমতে শোভা কৰয়'
(ঘ ) জন ঃ 'মহন্ত জন, 'পাপীজন 'ৰাম নাম লৈয়া পাপীজনো তৰে'
(ঙ ) টো ঃ 'ইটো, কৃষ হেন শব্দ ইটো'
(চ ) যুৰি ঃ 'পানৈ যুৰি,'চৰ্ম্মৰ নিৰ্ম্মিত পানৈ যুৰি'

শব্দ বিভক্তিৰ ক্ষেত্ৰত মাধৱদেৱে নাম-ঘোষাত প্ৰধানকৈ এই কেইটা শব্দ বিভক্তি ব্যৱহাৰ কৰিছে ঃ

প্ৰথমা এ ঃ 'সৰোবৰে গ্ৰাহে ধৰি আছে'
'গজেন্দ্ৰে পীড়াক পায়া পাছে'
দ্বিতীয়া ক ঃ 'কৃষ্ণ চৰণক প্ৰেমজৰী দিয়া চান্দা'
'আমি দুঃখিতক চৰণে কৰা উদ্ধাৰ'
তৃতীয়া দি ঃ 'প্ৰেমজৰী দিয়া চান্দা'
চতুৰ্থী লাগি ঃ 'কোটি জনমক লাগি'
পঞ্চমী হন্তে ঃ 'কৃষ্ণত হন্তে'
ষষ্ঠী ৰ/ন ঃ 'চোৰ কৈলা দেৱতাৰ গৰ্ব্ব'
'মোৰ তান নামে নিজ গতি'
সপ্তমী ত ঃ 'পাপ সাগৰত মজি'

ওপৰত উল্লেখ কৰা তৃতীয়া, চতুৰ্থী আৰু পঞ্চমী বিভক্তিৰ প্ৰয়োগৰ ক্ষেত্ৰত 'পৰসৰ্গ'ৰ কথা কোনো কোনোৱে স্বীকাৰ কৰে। পুৰণি অসমীয়া ভাষাত তৃতীয়া, চতুৰ্থী আৰু পঞ্চমী বিভক্তিৰ প্ৰয়োগ নাই বুলিও কব খোজে। আমি মাত্ৰ 'তৃতীয়া-দি, চতুৰ্থী-লাগি আৰু পঞ্চমী-হন্তে'ৰ তিনিওটা বিভক্তিৰ কাম কৰিব পাৰে বুলি দেখুৱাইছোঁ। কেতিয়াবা আকৌ একেটা বিভক্তিয়েই বিভিন্ন ৰূপে আন বিভক্তি ৰূপেও কাম কৰে। উদাহৰণ হিচাপে প্ৰথমা বিভক্তি-এ'ৰ দ্বাৰা তৃতীয়া বিভক্তিৰ কাম কৰোৱা হৈছে।; যেনে; 'সন্ত উপদেশে হৰিচৰণে ভজিয়া'।

মাধৱদেৱৰ নাম-ঘোষাত পোৱা ক্ৰিয়া ৰূপবোৰক তলত দিয়া ধৰণে দেখুৱাব পাৰি ----

(১) **বৰ্ত্তমান কালঃ** আছন্ত ঃ 'হৃদয়ত আছন্ত প্ৰকাশি'





কৰন্ত ঃ 'কীৰ্ত্তন কৰন্ত সাৱধানে'
কৰোঁ ঃ 'তুৱা পাৱে কৰোঁ সেৱ'
কৰোহো ঃ 'কৰোহো পাৱে প্ৰণাম'
কৰিলোহো ঃ 'কৰিলোহো তোমাৰ নামক'
কৰে ঃ 'সুখ জীৱে অধকৃত কৰে'
কৰয় ঃ 'নামেসে দূৰ কৰয়'
দিয়য় ঃ 'বিচক্ষণজনক মোক্ষ দিয়য়'
নেহি/ নেদে ঃ 'যিটোজনে নেদে চিত্ত'
ভ্ৰমন্ত ঃ 'সিংহ যেন ভ্ৰমন্ত নিশ্চয়'
ভুঞ্জিয়া ঃ 'সংসাৰ নিকাৰ ভুঞ্জিয়া'
লৱয় ঃ 'অধমে কেৱলে দুখ লৱয়'
শুনে ঃ 'গাৱয় কহয় শুনে'
হোৱন্ত ঃ 'হৃদয়তে হোৱন্ত প্ৰকাশ'
**(অনুজ্ঞা)ঃ** কৰা ঃ 'চৰণে কৰা উদ্ধাৰ'
কৰিয়ো ঃ 'জীৱক কৰিয়ো পৰিত্ৰাণ'
তেজিয়ো ঃ 'মিছা অহম্মক তেজিয়ো'
থাকোক ঃ 'থাকোক মোৰ মতি'
ধৰিয়ো ঃ 'দাস বুলি ধৰিয়ো মনত'
লৈয়া ঃ 'তযু নাম লৈয়া'
দিয়ো ঃ 'চৰণে দিয়ো ঠাই ৰাম'
দিয়োক ঃ 'দিয়োক নাথ উপায়'
(২) **ভূত কালঃ** আছিল ঃ 'আতি গুপ্ত স্বৰূপে আছিল'
কৰিল ঃ 'কৰিল মোক নিশ্চয়'
কৰিলা ঃ 'গুণ দেখি কৰিলা ৰক্ষণ'
কৰিলে ঃ 'মোৰ মতি কৰিলে মোহিত'
কৰিলো ঃ 'কি কাম কৰিলো আমি'
কহিলো ঃ 'শাস্ত্ৰৰ কহিলো সাৰ সাক্ষাত'
দিল ঃ 'মুদ ভাঙ্গি সমস্তকে দিল'

থৈলা ঃ 'গুপ্ত কৰি থৈলা দেৱগণে'
পশিলো ঃ 'জানি নামে পশিলো শৰণে'
ভৈল ঃ 'যাহাৰ প্ৰসন্ন ভৈল'
ভৈলা ঃ 'দোঙ্খা ভৈলা তানে নন্দসুত'
ভৈলেক ঃ 'দীক্ষিত ভৈলেক সিটোজনে'
ভৈলো ঃ 'তোহ্মাত ভৈলো বিমুখ'
ভৈলাহা ঃ 'সেতু বান্ধি পাৰ ভৈলাহা মহা যতনে'
ৰৈল ঃ 'মনুষ্যত পূজা ৰৈল'

(৩) **ভবিষ্যত কাল ঃ** এৰাইবাহাঃ 'তাপ এৰাইবাহা'
কৰিব ঃ 'তাৰাসবে কি কৰিব'
কৰিবে ঃ 'তোহ্মাত কৰিবে সবে আশ্ৰয়'
কৰিবো ঃ 'হৃষিকেশ কৰিবো তেহ্ণয়'
পাইবা ঃ 'পাইবা ভক্তি পৰম নিৰ্ম্মল'
হৈবা ঃ 'তুমি মোৰ হৈবা'
হৈবে ঃ 'হৈবে আসি একজানি'
হুইবহো ঃ 'সুখী হুইবহো নিশ্চয়'

নাম-ঘোষাত থকা আন আন ক্ৰিয়াৰূপ কিছুমান এনেধৰণৰ ঃ

(১)**নামধাতুৰ পৰা হোৱা ক্ৰিয়াৰূপ ঃ**
প্ৰণামো ঃ 'প্ৰণামো তাহান পাৰ'
প্ৰণামোহো ঃ 'প্ৰণামোহো বাৰম্বাৰ'
ক্ষমিয়োকঃ 'ক্ষমিয়োক শ্ৰীমধুসূদন'
সুমৰে ঃ 'সদায় যিটো সুমৰে'
তেজিয়া ঃ 'তেজিয়া নাম সম্প্ৰতি'
হৰাইল ঃ 'হৰাইল চেতন জ্ঞান'
উপাসে ঃ 'যিজনে যাক উপাসে'
উচ্চাৰিলেঃ 'নাম উচ্চাৰিলে'
বিনাস ঃ 'বাসনা কৰা বিনাস'
আচৰয় ঃ 'উপদেশ আচৰয়'





উদ্ধাৰা ঃ 'চৰণে মোক উদ্ধাৰা'
পুৰিয়ো ঃ 'পুৰিয়ো মনৰ কাম'
বিড়ম্বয় ঃ 'মুকুতিকো বিড়ম্বয়'
সংহাৰন্ত ঃ 'জগতকে সংহাৰন্ত'
ৰমাৰন্ত ঃ 'ৰমাৰন্ত কৰ্ম্ম অনুৰূপে'

(২) **নাস্ত্যৰ্থক ক্ৰিয়া ৰূপ** ঃ
নকৰ ঃ 'বিলম্ব নকৰ ভাই'
নকৰয় ঃ 'ৰতি আৰ নকৰয় মনে'
নকৰে ঃ 'হৰিগুণ কীৰ্ত্তন নকৰে'
নোহয় ঃ 'মেঘাচ্ছন্ন নোহয় দুৰ্দ্দিন'
নপায় ঃ 'নপায় জানা তাঙ্ক অবিদ্যাত'
নুসুমৰে ঃ 'কাকো নুসুমৰে মৃত্যুবেলা'
নজানয় ঃ 'তোহ্মাৰ তত্ত্বক নজানয়'
নোবোলসঃ 'কেনে নোবোলস ৰামবাণী'
নোজোৰয়ঃ 'ব্ৰহ্মাণ্ড ভিতৰে যত বস্তু আছে তাক নোজাৰয়'
নুগুচয় ঃ 'অখণ্ড আনন্দ নুগুচয়'
নেৰিবাহা ঃ 'নেৰিবাহা হৰিনাম'
নেদা ঃ 'কেনে নেদা সমিধান'
নাহি ঃ 'নাহিকে তোহ্মাত সৰি'
নেদেখে ঃ 'যমদূতক নেদেখে সপোনত'
নোহন্ত ঃ 'নোহন্ত যাৰে বেকত'

(৩) **তুমুনান্ত ক্ৰিয়া-ৰূপ**
কৰিতে ঃ 'কৰিতে নপাৰে অন্ত'
তৰিবাক ঃ 'ভব তৰিবাক পাৰি'
পাইবাক ঃ 'প্ৰহাৰ পাইবাৰ যোগ্য'
পিবাক ঃ 'পিবাক আৰ নাই''
যাইবাৰ ঃ 'যাইবাৰ নপাৰে আন থানে'

(৪) **অসমাপিকা ক্ৰিয়া** ঃ

ধৰিয়া ঃ ‘শিৰত ধৰিয়া জটাভাৰ’

কৰিয়া ঃ ‘মনে দৃঢ় কৰিয়া নিশ্চয়’

পলায় ঃ ‘পলায় আতি ত্ৰাসত লৰড়ে’

কহয় ঃ ‘মহাজনসকলে কহয়’

জানিয়া ঃ ‘জানিয়া লৈলো শৰণ’

ৰাখিয়া ঃ ‘ৰাখিয়া ফুৰন্ত হৰি’

দহিয়া ঃ ‘দহিয়া ভস্ম কৰয়’

গৈয়া ঃ ‘ভজে গৈয়া উপপতি’

চায়া ঃ ‘কৰিলা শাস্ত্ৰক চায়া ’

লৈয়া ঃ ‘ৰামনাম লৈয়া পাপীজনো তৰে’

মাধৱদেৱৰ নাম-ঘোষাত লক্ষ্য কৰিবলগীয়া আন কিছুমান ৰূপতাত্ত্বিক লক্ষণৰ নিদৰ্শন তলত দাঙি ধৰা হ’লঃ

(১) **তুলনা-বুজোৱা ৰূপ** ঃ

(ক) ‘তোমাত কৰিয়া তযু গুণনাম চাৰ’

(খ) ‘হৰিভকতি মনুষ্যত পৰে নাই’

(গ) ‘বৈৰাগ্যত পৰে ভাগ্য নাহি, প্ৰবোধত পৰে সুখ নাহি পুৰুষৰ’

(ঘ) ‘অপৰ দেৱতা নাহি হৰি সমসৰ’

(ঙ) ‘কলিত হৰিৰ কীৰ্ত্তন বিনাই আৰৰ নাহিকে দুজা’

(চ) ‘নাহিকে তোমাত সৰি তাৰ’

(ছ) ‘ৰামনাম সম ধৰ্ম্ম নাহিকে নিগমে’

(জ) ‘সংসাৰত নাহি ধৰ্ম্ম হৰিনাম সম’

(ঝ) ‘তুমিসি পুৰুষ প্ৰকৃতিতো কৰি পৰ’

(২) **জোৰ-বুজোৱা ৰূপ ঃ**

(ক) ও ঃ ‘আমিও অংশ তোমাৰ’

(খ) সি ঃ ‘তুমিসি পুৰুষ প্ৰকৃতিতো কৰি পৰ’

(গ) সে ঃ ‘হৰিনাম কীৰ্ত্তনেসে পৰম মঙ্গল’

(ঘ) স ঃ ‘হৰিনামেসে সৰ্ব্বস’





(৩) **ছৰ্ত সাপেক্ষতা** ঃ

(ক) ‘মুখ হন্তে বাজ হুৱা পলায় পাপমানে’

(খ) ‘দেবকীত হন্তে সাক্ষাতে ভৈলা বিদিত’

(গ) ‘নাম মাত্ৰ লৈলে হোৱন্ত প্ৰসন্ন’

(৪) **স্বাৰ্থিক প্ৰত্যয়**

(ক) হা ঃ ‘জানিবাহা মহাজন’

(খ) হো ঃ ‘উপাসা কৰোহো হৃদয়ত’

(৫) **কৃত-প্ৰত্যয়** ঃ

(ক) অন ঃ নাশন, দুঃস্বপ্ন নাশন ইটো মাধৱ মাধৱ নাম’

পালন ঃ কৰন্ত তাক পালন’

লিখন ঃ ‘লিখন মাৰ্জ্জন কৰে’

(৬) **তদ্ধিত প্ৰত্যয়** ঃ

(ক) অয়ন ঃ নাৰায়ণ, ‘তযু নাম নাৰায়ণ’

(খ) আলি ঃ ঠাকুৰালি ‘দাস পায়া নলৰা কমন ঠাকুৰালি’

(গ) আলু ঃ কৃপালু, ‘কৃপালু দেৱতা ৰামবিনে নাহি কেৰ’

(ঘ) ইত ঃ সঞ্চিত, ‘সঞ্চিত পাতক স্মৰণে হৰে নিঃশেষ’

(ঙ) ঈয়া ঃ অঞ্জনীয়া, ‘নাম অঞ্জনীয়া বিনে আনমতে নপাৰে’

(চ) ত্ৰ ঃ অন্যত্ৰ, ‘তেজিয়ো অন্যত্ৰ কাম’

(ছ) স্থ ঃ সত্ত্বস্থ, ‘বুদ্ধিক সত্ত্বস্থ কৰা’

(জ) পূৰ্ণ ঃ চৈতন্যপূৰ্ণ, ‘চৈতন্যপূৰ্ণ পৰমাত্মা’

(ঝ) ময় ঃ কৃপাময়, ‘কৰিলোহো কৃপাময়’

(ঞ) যুক্ত ঃ ভক্তিযুক্ত, ‘মোৰ ভক্তিযুক্ত যোগীৰো জানিবা’

(৭) **পূৰ্ব প্ৰত্যয়** ঃ

(ক) অ ঃ অবিনাশী, ‘তাৰ অবিনাশী ফল’

(খ) কু : কুমতি, 'কুমতি মনুষ্য মৰে'
(গ) দুৰ : দুৰ্দ্দিন, 'মেঘাচ্ছন্নে নোহয় দুৰ্দ্দিন'
(ঘ) বি : বিবাদ, 'কুকথা পাষণ্ড সংবাদ বিবাদ'
(ঙ) সু : সুবুদ্ধি, 'বুদ্ধিত থাকিয়া নেদাহা সুবুদ্ধি'

মাধৱদেৱৰ নাম-ঘোষাত থকা পদৰ মাজেদি শব্দৰ বুৎপত্তিগত অৰ্থ নিৰ্ণয় কৰাটো বিশেষ লক্ষ্য কৰিবলগীয়া। সেইবোৰ তলত দিয়া ধৰণৰ ঃ

(ক) 'কৃষ হেন শব্দ ইটো পৃথিৱীৰাচক ভৈল'
(খ) 'ক ঈ শ পদে ব্ৰহ্মা বিষ্ণু মহেশ্বৰ' ক বুজায়।
(গ) 'মা পদে লক্ষ্মীদেৱীক' বুজায়।
(ঘ) 'জনা পদে মায়াদেৱী'
(ঙ) 'গো পদে বেদ' আৰু 'ক্ষৰ পদে দেহক' বুজায়।
(চ) 'ব্ৰহ্মপদে শুদ্ধ জীৱক বুজায়।
(ছ) 'ৰাম পদে পৰম ব্ৰহ্মক' বুজায়।
(জ) 'ৰাম শব্দৰ ৰা পদ ভৈল প্ৰচণ্ড বহ্নি নিশ্চয়'
(ঝ) 'ম বায়ু সমে অধৰ্ম্ম অৰণ্য দহিয়া ভস্ম কৰয়'

ভাষাৰ আলোচনা কৰাৰ ক্ষেত্ৰত বাক্য বিন্যাস পদ্ধতিও চাবলগীয়া। মাধৱদেৱৰ নাম-ঘোষাৰ ৰচনাই অসমীয়া বাক্যৰ সুন্দৰ চানেকিও দাঙি ধৰে। তলত উদাহৰণ হিচাপে কেইটামান বাক্যৰ চানেকি দাঙি ধৰা হ'লঃ

(১) ৰাম বুলি শুদ্ধ কৰা মন।
(২) নামৰ পৰীক্ষা কৰা।
(৩) কি গতি হৈব আমাৰ।
(৪) কিমতে ভকতি কৰিবো তোহ্মাত।
(৫) হৰিনাম বিনে গতি নাই।
(৬) ইবাৰ নেৰিবা হৰি।
(৭) তাৰ মোৰ এৰা এৰি নাই।
(৮) হৰিক আশ্ৰয় নেৰিয়ো ভাই।
(৯) মোৰ আৰ নাহি আন কাম।
(১০) ভগৱন্ত ভকতৰ প্ৰাণ।





(১১) আমিয়ো অংশ তোমাৰ।
(১২) পতিত পাৱন তোমাৰ নাম।
(১৩) ভকতজনৰ তুমি বান্ধৱ।
(১৪) তুমি অগতিৰ গতি।
(১৫) হৰিগুণ ভকতৰ কৰ্ণৰ ভূষণ।
(১৬) কৃষ্ণ নিত্য, শুদ্ধ, বুদ্ধ, পৰম ঈশ্বৰ।

মাধৱদেৱৰ নাম-ঘোষাত দুই-চাৰিটা প্ৰবাদবচনৰ চানেকিও দেখা যায়। তলত চানেকি হিচাপে কেইটামান দাঙি ধৰা হ'লঃ

(১) 'আপুনি আপুন বন্ধু আপুনি আপুন শত্ৰু
আপুনি আপুন ৰাখে মাৰে'

(২) 'অধমে কেৱলে দোষ লৱয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ।

(৩) 'আপুনাক আপুনি বঞ্চিলে'
(৪) 'ঘোৰ অপৰাধৰ চিকিৎসা নাই'
(৫) 'ধেনু যেনমতে বৎসক পালয়'
(৬) 'বিষ্ঠালুঠা গ্ৰাম্য শূকৰ'
(৭) 'কলিযুগে হৰিনাম'
(৮) 'নেৰিবাহা যুগধৰ্ম্ম'
(৯) 'যেন ৰাখে বাজী গাই'
(১০) 'যেন বেশ্যা জাৰপতি মাত্ৰ ৰময়'
(১১) 'মিলিব মৰণ হাটে কি বাটে'

ওপৰৰ আলোচনাত মাধৱদেৱৰ নাম-ঘোষা গ্ৰন্থখনিৰ পৰিচয়, নাম-ঘোষাৰ ভাষাটোৰ নিৰ্ণয়, আৰু নাম-ঘোষাৰ ভাষাটোৰ ভাষাতাত্ত্বিক অধ্যয়নৰ থূলমূল পৰিচয় দাঙি ধৰা হৈছে। এই আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে মাধৱদেৱৰ নাম-ঘোষাত অসমীয়া ভাষাটোৰ এটা পৰিপুষ্ট ৰূপ সংৰক্ষিত হৈ আছে। এইটো নিঃসন্দেহ, মাধৱদেৱৰ নামঘোষাত পূৰ্বকবি মাধৱকন্দলিৰ 'ৰামায়ণ' আৰু শঙ্কৰদেৱৰ 'কীৰ্ত্তন' আৰু 'দশম'ৰ শৈলীটোৰ পৰম্পৰাও ৰক্ষিত হৈছে। থোৰতে এইটোক অসমীয়া ভাষাৰ প্ৰাচীন স্তৰৰ এটা বিশেষ শৈলী বুলিব পাৰি। এই শৈলীটোৰে সৃষ্ট মাধৱদেৱৰ

নাম-ঘোষাই জনসাধাৰণৰ বেছি হৃদয়স্পৰ্শী হোৱাৰ লগতে বৈষ্ণৱ ভক্তি ধৰ্ম্ম অথবা একশৰণ নামধৰ্ম নিৰ্ণয় আৰু প্ৰচাৰত ই বেছি সহায়ক হৈছে।

**গ্ৰন্থপঞ্জী ঃ**


ড° বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য পঞ্চম তাঙৰণ
১৯৬৮ লয়াৰ্চ্ছ বুক ষ্টল, গুৱাহাটী।

ড° মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, চতুৰ্থ তাঙৰণ,
১৯৭৪, নিউ বুক ষ্টল, গুৱাহাটী

ড° উপেন্দ্ৰ নাথ গোস্বামী ঃ ভাষা সাহিত্য, চতুৰ্থ তাঙৰণ১৯৮৫
মণিমাণিক প্ৰকাশ, গুৱাহাটী।

অধ্যাপক ভৱপ্ৰসাদ চলিহা (সম্পা) মাধৱদেৱৰ সাহিত্য, দ্বিতীয় প্ৰকাশ ২০০০
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, নগাঁও।

হৰিনাৰায়ণ দত্তবৰুৱা (সম্পা) নাম-ঘোষা পুনৰ মুদ্ৰণ১৯৯৩, দত্ত বৰুৱা এণ্ড কোম্পানী, গুৱাহাটী।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ (সম্পা) কীৰ্ত্তন ঘোষা আৰু নাম-ঘোষা, দ্বিতীয় প্ৰকাশ ১৯৯৫, নগাঁও।


**লেখকৰ পৰিচয় ঃ**


ড° জ্যোতিষ চন্দ্ৰ বৰ্ম্মন, জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ
সুৰেন দাস মহাবিদ্যালয়, হাজো, কামৰূপ।




# নাম-ঘোষাৰ প্ৰথম ঘোষাঃতত্ত্ব আৰু ৰহস্য

**কৈলাস দাস**

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।১।।

নাম-ঘোষাৰ এই প্ৰথম ঘোষাটোতেই ধ্বনিত ৰণিত হৈছে শাস্ত্ৰখনৰ সমস্ত ঘোষণি। হৃদয়ৰ গভীৰ গহ্বৰৰ পৰা কিযে অপূৰ্ব উৎসাৰণ। অমৃত-নিয়্যন্দিনী মনীষাৰ কিযে সাৱলীল সঞ্চালনি!!

নাম-ঘোষা মহাপুৰুষ মাধৱদেৱৰ বাঙ্ময় মূৰ্তি-স্বৰূপ। ইয়াক পকা বগৰীৰ সতে তুলনা কৰা হয়। বাহিৰভাগ কোমল মিঠা, ভিতৰভাগ কঠিন। গুৰুজনায়ে হেনো মাধৱদেৱক আজ্ঞা কৰিছিল-পকা বগীৰৰ দৰে ঘোষা নামে এখনি শাস্ত্ৰ ৰচিবলৈ। এই কথা যিয়েই নহওক, নাম-ঘোষাক পকা বগৰীৰ সতে তুলনা কৰাত পণ্ডিত-ৰসিকৰ এক সত্য উপলব্ধি নিহিত হৈ আছে। শাস্ত্ৰখনিত তত্ত্বৰ কাঠিন্য ভক্তিৰ সৰসতাৰে কোমলাই পেলোৱা হৈছে। উদ্ধৃত ঘোষাটিতো কোমল-কঠিনৰ সমাহিতি ঘটিছে। আমাৰ নম্ৰ প্ৰয়াস-ঘোষাটিৰ তত্ত্ববস্তুৰ আকোলা-আকুলিত অৱগাহন কৰা।

ড° বাণীকান্ত কাকতিয়ে দেখুৱাই গৈছে, (বাণীকান্ত ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, পৃঃ ৪৯) নাম-ঘোষাত পুণ্যশ্লোক শঙ্কৰ-স্মৃতি, কৃষ্ণভক্তি মাহাত্ম্য আৰু মাধৱদেৱৰ আত্মলঘিমা-প্ৰধানতঃ এই তিনিটা ভাৱৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্ৰৱাহিত হৈছে আৰু এই তিনিও ধাৰাৰে মূল কাৰণ হৈছে মাধৱদেৱৰ ৰসময়ী ভক্তিৰ আৱেগ। ঘোষাখনিৰ প্ৰথম ঘোষাটিতে এই ত্ৰিধাৰাৰ সন্মিলন প্ৰত্যক্ষ কৰিব পাৰি।

মাধৱদেৱে প্ৰথমতে মুক্তিত নিস্পৃহ ভকতক প্ৰণাম জনাইছে। এনে ভকতৰ আদৰ্শ বিগ্ৰহ, মৰ্যদা-পুৰুযোত্তম হ'ল পৰম গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ। গতিকে মাধৱদেৱে মুক্তিত নিস্পৃহ ভকতক প্ৰণাম কৰাৰ লগতে পৰম গুৰু শ্ৰীমন্ত শঙ্কৰদেৱকো প্ৰণাম

জনাইছে। গুৰুজনাৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত নাম-ঘোষা ৰচিত হোৱা বাবে (ৰাম নাম ৰত্ন বেসায়া জগতে চলয় বৈকুণ্ঠ পুৰী (ঘো- ৩৭৪) ,এই গুৰুপ্ৰণাম স্মৃতিমেদুৰ হৈ পৰিছে। দ্বিতীয়তে, দেৱ যদুপতিৰ সৰ্বশ্ৰেষ্ঠতা স্থাপন কৰি কৃষ্ণভক্তিৰ এক ৰহস্যময় মাহাত্ম্য প্ৰকাশ কৰিছেঃ শ্ৰীকৃষ্ণ চৰাচৰ জগতৰ মস্তকমণি হৈয়ো নিজ ভকতৰ বশ্য। এই ৰহস্যানুভূতিত মাধৱদেৱ ডুব গৈ আছে, তাৰাৰ নাটক আৰু বৰগীতত তাৰ সৰস প্ৰকাশ ঘটিছে। তৃতীয়তে, মুক্তিতো নিস্পৃহ ভকত, গুৰুজন আৰু জগতৰ একমাত্ৰ সত্যতত্ত্ব শ্ৰীকৃষ্ণৰ চৰণত মূৰ থৈ মাধৱদেৱে আত্মলঘিমাৰ পৰাকাষ্ঠা দেখুৱাইছে। ভকত-গুৰু-দেৱৰ চৰণত লোলুধ্যমান মাধৱ পুৰুষৰ ইহকাল-পৰকালৰ বাবে আন কোনো কামনা নাই-কেৱল আছে ৰসময়ী ভক্তিৰ প্ৰতি আকুল হেঁপাহ। এই ভক্তিৰ সাধন হ'ল গুৰু-ভকতৰ সৎসঙ্গত শ্ৰীকৃষ্ণদেৱৰ গুণ নামৰ শ্ৰৱণ-কীৰ্ত্তন আদি। দ্বিতীয় ঘোষাটিত নামৰ সৌকৰ্যৰ কথা প্ৰকাশ কৰা হৈছে। সেয়ে ঘোষাশাস্ত্ৰখনিৰ প্ৰথম ঘোষাটিত একশৰণ হৰিনাম ধৰ্মৰ শৰণৰ চাৰিবস্তু- গুৰু, দেৱ, নাম আৰু ভকত প্ৰকাশ পাইছে।

'মুক্তিতো নিস্পৃহ' বোলা কথাযাৰত মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱৰ্তিত ধৰ্মটিৰ এটি গভীৰ তত্ত্ব প্ৰকাশ পাইছে। সেইটো হ'ল- ভক্তিৰ অনিমিত্ততা বা অহৈতুকতা। অৰ্থাৎ ভক্তিপন্থত কামনা-বাসনাৰ কোনো স্থান নাই। ভকতে কোনো কামনা পোষণ নকৰে। আনকি চাৰি পুৰুষাৰ্থৰ শ্ৰেষ্ঠতম মোক্ষ বা মুক্তিকো ভকতে নিবিচাৰে। কোনোৱে সকামভাৱে কৃষ্ণ ভকতি কৰিলেও, ভক্তিৰ মহিমা এনে ৰহস্যময় যে সেইজনৰ কামনা অন্তৰ্নিহিত হয়গৈ। ইয়াৰ প্ৰমাণ শ্ৰীকৃষ্ণই গোপীসকলক কোৱা কথা এযাৰে দিয়েঃ

"ন ময়্যাৱেশিতধিয়াং কামঃ কামায় কল্পতে।
ভৰ্জিতা ক্বথিতা ধানা প্ৰায়ো বীজায় নেষ্যতে।।
(সংভা-১০/১২/২৬)

অৰ্থাৎ -

মোতেসে একান্ত চিত যাৰ তাক
নকৰৈ কামে অনৰ্থ।
নিশ্চয় জানিবা যেন ভজা ধান
গাজিবে নুহি সমৰ্থ।।
(ভা (১০আদ্য/৯১৫)

ভগৱান কপিলে নিজৰ মাতৃক দিয়া উপদেশৰ প্ৰসঙ্গত মাধৱপুৰুষে লিখিছেঃ





প্ৰথমে কামনা কৰি যিটো আসি
ভকতিত প্ৰৱৰ্তয়।।
ভকতিৰ স্বাদ জানিয়া পাছত
কামনাক পৰিহৰে।
ভকতিক মাত্ৰ বাঞ্চিয়া মনত
নিষ্কামে ভকতি কৰে।।
(ভক্তি ৰত্নাৱলী, ৬৬)

কিন্তু ভকতে একো নিবিচাৰিলেও, ভুক্তি-মুক্তিয়ে ভকতক অযাচিতভাৱে লগ দিয়ে। সেয়ে চাৰি পুৰুষাৰ্থৰ শ্ৰেষ্ঠতম মুক্তি ভকতৰ বাবে অবান্তৰ ফলহে। অৰ্থাৎ মুক্তি নিবিচৰাকৈয়ে পোৱা ফলহে।

মুক্তি পুনু ভকতিৰ প্ৰাসঙ্গিক মাত্ৰ।
ভকতি কৰন্তে মুকুতিৰ হোৱে পাত্ৰ।।
(ভা-৩/১৩৫০)

মূৰ্ত্তিমন্ত হুয়া পাঞ্চ প্ৰকাৰ মুকুতি।
মোক লৈয়ো বাপ বুলি কৰয় কাকুতি।।
(ভা-১১/১৯৪)

মুক্তি পাঁচবিধ-সালোক্য, সাষ্টি, সামীপ্য, সাৰূপ্য আৰু লীন বা সাযুজ্য। ইবোৰৰ ভিতৰত লীন মুক্তিত ভক্ত-ভগৱন্তৰ সেৱক-সেব্যৰ পাৰ্থক্য নাথাকে, গতিকে ভক্তিৰো অৱকাশ নাথাকে। সেয়ে ভকতে আন চাৰিবিধ মুক্তি লাভত আপত্তি নকৰিলেও, লীন মুক্তি একেবাৰে নিবিচাৰেঃ

নলাগে লীন মুকুতিক তথা।
নাহি হৰিপদ পঙ্কজ যথা।। (কী-১১৩)

মুক্তিত নিস্পৃহ ভকত কিহৰ প্ৰতি সস্পৃহ? 'ৰসময়ী মাগোহো ভকতি' বোলা কথাষাৰতে ইয়াৰ উত্তৰ স্পষ্টকৈ দিয়া হৈছে। ইতিমধ্যে উদ্ধৃত ভক্তি-ৰত্নাৱলীৰ পদতো এই প্ৰশ্নৰ উত্তৰ আছেঃ স্বাদযুক্ত ভক্তিক বাঞ্ছা কৰি ভকতে ভক্তিমাৰ্গত আগবাঢ়ে, অন্য কামনা ত্যাগ কৰে। এই কথাকে কৃষ্ণদেৱে উদ্ধৱক কৈছে চমুকৈঃ 'ভকতিৰ ফল ভকতিসি মাত্ৰ' (ভক্তি-ৰত্নাৱলী-২৮৫)। অৰ্থাৎ ভক্তি সাধনো, সাধ্যও। এই সাধ্য ভক্তি ৰসস্বৰূপ-প্ৰেমময়ী। তাতে ভকত-ভ্ৰমৰ নিৰন্তৰ নিমজ্জিত হৈ থাকে। ভক্তিৰ ৰস স্বৰূপতা বা পুৰুষোত্তম প্ৰেম স্বৰূপতা (ঘো-১২৪,১২৭) মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্মটিৰ অন্যতম মূল তত্ত্ব। নাৰদীয় ভক্তিসূত্ৰৰ আধাৰত

তত্ত্বটি ফঁহিয়াব পাৰি। নাৰদে কৈছিল, "সা ত্বস্মিন পৰম প্ৰেমৰূপা।" অৰ্থাৎ ভক্তি (সা) হৃদিস্থ পৰমেশ্বৰৰ প্ৰতি (ত্বস্মিন) পৰম প্ৰেমৰূপা। সলসলীয়াকৈ ক'বলৈ হ'লে, হৃদিস্থ পৰমেশ্বৰৰ প্ৰতি ভকতৰ পৰম প্ৰেমেই ভক্তি। এই পৰম প্ৰেমেই ভক্তযোগীৰ হৃদয় বিগলিত কৰি চৰম দশাত আনন্দস্বৰূপ বা ৰসময়ী সাধ্যা ভক্তিত পৰিণত হয়গৈ। ভক্তযোগীয়ে হৃদিস্থ পৰমানন্দ ঈশ্বৰত ৰমণ কৰি আনন্দস্বৰূপ বা ৰসময়ী ভকতি নিৰন্তৰে পান কৰি থাকে। সংস্কৃত ভাগৱতৰ মঙ্গলাচৰণৰ 'পিবত ভাগৱতংৰসমালয়ং মুহুৰহো ৰসিকা ভুৱি ভাবুকাঃ বুলি যি ভাগৱত ৰস মুক্তি দশাতো পান কৰাৰ আহ্বান ভাগৱত-কাৰে জনাইছে, সি ভক্তি ৰসেই বা ৰসময়ী ভক্তিয়েই। ভক্তি ৰসৰ ভক্তিয়ে যি সুখ দিয়ে, আনন্দ দিয়ে সি পৰম সুখ বা আনন্দ। সেয়ে-

মুকুত সকলো গাৱে ৰাম নাম
ৰসত অধিক জানি (ঘো-২৫১)
অপাৰ আনন্দ ৰস ৰাম নাম
মুখত থাকয় যাৰ।
মুকুতি সুখকো থৰে পাশ কৰি
আন সুখ কোন ছাৰ (ঘো-৩৩৩)

গতিকে সাধ্যা ভক্তি সৰ্বোত্তম পুৰুষাৰ্থ। মুক্ত অৱস্থাতো ভকতে অপ্ৰাকৃত শৰীৰ লাভ কৰি প্ৰাকৃত-আকাৰ বৰ্জিত ঈশ্বৰৰ সতে একে ৰসত ডুব গৈ থাকে। ভক্ত-ভগৱন্তৰ পাৰ্থক্য শূন্যলৈ অভিসৰণ কৰে, কিন্তু শূন্য নহয়গৈ।

শঙ্কৰদেৱৰ ধৰ্মত 'ভুকুতি-মুকুতি'ৰ কথা বৰকৈ পোৱা যায়ঃ 'কৃষ্ণৰ নামেসে সাধে ভুকুতি-মুকুতি' (ভা-১০ (আদ্য)/৪৭। এই ভুকুতিয়ে ত্যাগৰ মাজেদি ইহলৌকিক ভোগক ('তেন ত্যক্তেন ভূঞ্জিথাঃ'-ঈশোপনিষদ) যিমানকৈ বুজাইছে, পাৰমাৰ্থিক ভক্তি ৰসৰ ভোগক ততোধিককৈ বুজাইছে।

মাধৱদেৱে প্ৰথম ঘোষাটিত প্ৰথমে ভকতক নমস্কাৰ জনাইছে। ইয়াৰ কাৰণ দুটা-এটা সামাজিক, আনটো পাৰমাৰ্থিক। মধ্যযুগৰ সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ এক বহল আৰ্থ-সামাজিক ভিত্তি আছিল। জনসাধাৰণ আধ্যাত্মিক ভৰণ-পোষণৰ একচেটিয়া দায়িত্বত থকা পুৰোহিত শ্ৰেণীয়ে শাস্ত্ৰৰ দোহাই দি বিশাল জনসমাজৰ আধ্যাত্মিক আৰু আৰ্থসামাজিক অধিকাৰ কাঢ়ি নিছিল। প্ৰধানকৈ এই কাৰণতে শূদ্ৰ-সাধাৰণৰ স্বাধিকাৰ উদ্ধাৰৰ বাবে সৰ্বভাৰতত উদ্বেল হৈ উঠিছিল ভক্তি-আন্দোলন। উত্তৰ-পূৰ্ব ভাৰতত তাৰ কাণ্ডাৰী আছিল মহাপুৰুষ শঙ্কৰদেৱ





আৰু মাধৱদেৱ। তাৰাসকলে ভক্তিৰ দুৱাৰ সকলোলৈকে মুকলি কৰি দি ('নবাছে ভকতি জাতি-অজাতি(কী-১২৯), ভকতক ভগৱন্তৰে অভেদ বুলি কৈ ('বিষ্ণু বৈষ্ণৱৰ কিঞ্চিতেকো নাহিকে ভেদ'(ভা-১/১/১৫), ভকতক গুৰু আসনত বহুৱাই ('সৰ্বতত্ত্ব ভকতক মই গুৰু মানো। ভকত গুৰুত পৰে আনক নজানো।।' (গু.চ.ক.-ছেদ ২২৬), ঈশ্বৰ-প্ৰাপ্তিৰ ক্ষেত্ৰত ভকত-গুৰুৰ অপৰিহাৰ্যতা ঘোষণা কৰি ('বিনে গুৰু চৰণে ভকতি ৰকতি মুকুতি কবহু ন হোই' (গুৰু ভটিমা)-দুৰ্গত শূদ্ৰ সাধাৰণক উদ্ধাৰৰ উপায় দিছে, আত্মপ্ৰত্যয় দান কৰিছে আৰু স্বাধিকাৰ ঘূৰাই দিছে। দ্বিতীয়তে পাৰমাৰ্থিক ক্ষেত্ৰত ভকত ঈশ্বৰৰ অন্যতম জীৱন্ত মূৰ্তি। ঈশ্বৰ প্ৰাপ্তিৰ বাবে ভকতৰ সৎ সঙ্গ আৰু কেৰুৱালি অপৰিহাৰ্য। 'ভকতৰ হিয়াৰ মাজে নামৰ ভাণ্ডাৰ' (ঘো-৯৯৪) আৰু 'যেই নাম সেই হৰি জানা নিষ্ট কৰি' (ঘো-৫২৪)। দেখা গ'ল ঐহিক আৰু পাৰমাৰ্থিক দুই কাৰণতে মাধৱদেৱে ভকতক প্ৰথমে নমস্কাৰ জনাই ঘোষা শাস্ত্ৰভাগ মুকলি কৰিছে।

নাম-ঘোষাৰ বহু ঘোষা গুৰু-স্মৃতিৰে তিতি আছে, বহুতত গুৰুজনাৰ কৃতি-কৃতিত্ব,নিৰ্বিকল্পত্ব (ঘো-৫৩,৪৫,১০০-১০২,২৯১,৩৭১-৩৭৫,,৬২৫,৬২৭,-) প্ৰকাশ পাইছে। কিন্তু মন কৰিবলগীয়া, প্ৰথম ঘোষাটিত গুৰুজনা প্ৰকট হৈ থকা নাই, প্ৰচ্ছন্ন হৈহে আছে। এই ৰহস্যৰ সফলভাৱে আলোকপাত কৰিছে মনীষী বিনোৱা ভাৱেয়েঃ য'ত অগাধ প্ৰেম থাকে, তাত প্ৰেমীজনৰ প্ৰতিপদোক্ত নামৰ উল্লেখ নাথাকে।' (নাম-ঘোষা নৱনীত, পৃঃ ৪)। ঐতিহ্যাশ্ৰয়ী ভাৰতীয় নাৰীয়ে স্বামীৰ নাম উল্লেখ নকৰাটোতো একেই ৰহস্য সোমাই থাকে।

নাম-ঘোষাৰ প্ৰথম ঘোষাটিৰ আধাৰ হ'ল সংস্কৃত ভক্তি-ৰত্নাৱলীৰ কান্তিমালা টীকাৰ মঙ্গলাচৰণ শ্লোকটি। এই শ্লোকৰ 'শ্ৰীহৰি'ৰ ঠাইত মাধৱদেৱে 'দেৱ যদুপতি' বহুৱাইছে। ছবি ছন্দৰ অনুৰোধত এই পৰিবৰ্তন ঘটোৱা হোৱা নাই। মাধৱদেৱৰ দৰে ঈশ্বৰশক্তিসম্পন্ন কবি- প্ৰতিভাই কেৱল ছন্দৰ দাবীত শব্দচয়ন কৰাটো মানিবলৈ টান। এক সামগ্ৰিক দাৰ্শনিক বিচাৰ, গভীৰ উপলব্ধি তাৰাৰ প্ৰতিটো শব্দত বৰ্তমান। নাম-ঘোষাৰ কৃষ্ণতত্ত্ব ত্ৰিসত্যৰূপে অভিব্যক্ত হৈছেঃ ব্ৰহ্ম, ভগৱান, ঈশ্বৰ, নাৰায়ণ আৰু বসুদেৱ-দৈৱকীৰ সন্তান যদুপতিৰূপে। ব্ৰহ্ম নিৰ্গুণ, নিৰাকাৰ। ভগৱান সগুণ, যদুপতি কৃষ্ণ সগুণো সাকাৰো। ভক্তি প্ৰেমৰ ধৰ্ম। গতিকে তাৰ স্ফুৰণ ঘটে উপাস্য তত্ত্বৰ সগুণ সাকাৰ ৰূপতহে। তাতে মাধৱদেৱ ৰসময়ী ভক্তিৰ প্ৰতি চিৰ আকলুৱা। সেয়ে তাৰাই সগুণ-সাকাৰ দেৱ যদুপতি শ্ৰীকৃষ্ণকে ভজনা কৰিছে।

দেৱ যদুপতি শ্ৰীকৃষ্ণ ‘সমস্ত মস্তক মণি’ হৈয়ো নিজ ভকতৰ দাস। এই কথাৰ প্ৰমাণ শাস্ত্ৰত সিঁচৰতি হৈ আছে। ‘সৱাতো আছন্ত জগত স্বামী। স্ফটিকৰ স্তম্ভে দেখোঁহো আমি।’ বুলি ভক্ত প্ৰহ্লাদে বিষ্ণু বৈৰী পিতৃ হিৰণ্যকশিপুক কওঁতে ‘সত্য কৰিবাক লাগি নিজ ভৃত্যবাণী। স্তম্ভতে বেকত ভৈলা প্ৰভু চক্ৰপাণি’। (কী-৩৯৬,৪০০)। ভক্ত বলিৰ সুতল পুৰীৰ সভাত শ্ৰীকৃষ্ণই গদা ধৰি বলিক সুৰক্ষা দান কৰিছিল,। এনে প্ৰমাণ বঢ়াই যাব পাৰি।

নাম-ঘোষাৰ প্ৰথম ঘোষাটিৰ শিৰোনামাত ‘ভজন’ বুলি উল্লেখ আছে। চতুৰঙ্গ ভজনৰ কথা শ্ৰীকৃষ্ণই ব্ৰহ্মাক কৈছেঃ

“জ্ঞানং পৰম গুহ্যং মে যদ্ বিজ্ঞানসমন্বিতম্।
সৰহস্যং তদঙ্গং চ গৃহান গদিতং ময়া।।”

(সংভা-২/৯/৩০)

অৰ্থাৎ “মোৰ বিজ্ঞানযুক্ত যি পৰম গুহ্য জ্ঞান আৰু ৰহস্য যুক্ত যি তদঙ্গ সকলো বিষয়ে মই কওঁ, তুমি বুজি লোৱা।’ জ্ঞান, বিজ্ঞান, তদঙ্গ, ৰহস্য-এই চাৰিটিয়ে ভজনৰ মূল তত্ব। গুৰু সেৱা আৰু শাস্ত্ৰ অধ্যয়নৰ পৰা পোৱা তত্ববস্তুক জ্ঞান বোলে। জ্ঞান হৃদয়ত উপলব্ধি হ’লেই বিজ্ঞান হয়গৈ। তদঙ্গ হ’ল সাধন- ভক্তি। ৰহস্য হ’ল সাধ্য ভক্তি-যি আনন্দময়ী ৰসময়ী। এতিয়া প্ৰথম ঘোষাটিত ভকত তথা গুৰুৰ সেৱা আৰু সৎসঙ্গৰ কথা আছে, গতিকে গুৰু সেৱাকৈ পোৱা জ্ঞানৰ কথাও আছে। এই জ্ঞান যে পৰমভক্ত আৰু ভাবুক মাধৱদেৱৰ হৃদয়ত অনুভৱলৈ <u>ৰূপান্তৰ হৈছে, নক’লেও হয়। কাৰণ, তত্ববস্তুৰ অনুভৱ নহ’লে ৰসময়ী ভক্তিৰ</u> প্ৰতি আকুলতাৰো সৃষ্টি হ’ব নোৱাৰে। তদঙ্গ বোলোতে গুৰু-ভকতৰ সেৱা, (মাধৱদেৱৰ গুৰু সেৱা, ভকত-‘সৰ্বস’ সেৱা স্মৰ্তব্য) সৎ সঙ্গত ভক্তিমাৰ্গেৰে ঈশ্বৰসেৱা আদিৰ কথা ঘোষাটিত আছে। ৰহস্যৰ কথা স্পষ্টকৈয়ে ঘোষাটিত আছে-সি হৈছে ৰসময়ী ভকতি। দেখা গ’ল ঘোষাটিত ভজনৰ চাৰি বস্তুও প্ৰচ্ছন্ন প্ৰকটভাৱে অভিব্যক্ত হৈছে। সেয়ে ‘ভজন’ শিৰোনামা সাৰ্থক হৈছে।

প্ৰথম ঘোষাটিৰ প্ৰথম শব্দটিৰ দুটা পাঠ পোৱা যায়-‘মুক্তিত’ আৰু ‘মুক্তিতো’ ড° মহেশ্বৰ নেওগৰ মতে, ‘অতি মন কৰিবলগীয়া কথা যে পুনৰ ‘মুক্তাৰপি’ পাঠটো মাধৱদেৱে ‘মুক্তিত’ অৰ্থতহে গ্ৰহণ কৰিছে, কাৰণ ভাগৱত পুৰাণৰ মতেই ভক্তিৰ স্বাভাৱিক চৰিত্ৰই হ’ল ‘অহেতুকী’ আৰু ‘অব্যৱহিতা’ নিস্পৃহ আৰু অবিৰল।’ (শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, পৃঃ১১৬) ড° নেওগে তেওঁৰ সম্পাদিত কীৰ্তন-ঘোষা আৰু নাম-ঘোষা’ গ্ৰন্থতো ‘মুক্তিত’ পাঠ দিছে। তীৰ্থনাথ শৰ্মাৰ মতে





‘মুক্তিতো’ হ’ব লাগে, কাৰণঃ (ক) একান্ত ভকতে আন সুখৰ কথাই নাই, আত্যন্তিক সুখ মুক্তিতো বাঞ্ছা নকৰে। এই অৰ্থে ‘ও’ প্ৰত্যয় লাগে। (খ) মূলত ‘মুক্তাৰপি’ আছে, যাৰ অৰ্থ ‘মুক্তিতো’। (গ) নাম-ঘোষাৰ অসংখ্য স্থানত (ঘো-৩৫০,৩৫১,৩৫৩) মুক্তিৰ কথা কওঁতে ও-কাৰ লগোৱা দেখা যায়। (নাম-ঘোষা, অসম প্ৰকাশন পৰিষদ, পৃঃ২২৬) শৰ্মাদেৱৰ যুক্তিৰ আধাৰত ‘কীৰ্ত্তন-ঘোষা আৰু ‘নাম-ঘোষা’তো ‘মুক্তিতো’ পাঠ গ্ৰহণ কৰা হৈছে।

সামৰণিত ক’ব খুজিছোঁ, গো-খোজতে বিশাল আকাশ প্ৰতিফলিত হোৱাৰ দৰে, নাম-ঘোষাৰ প্ৰথম ঘোষাটিতে বিধৃত হৈছে সমস্ত ঘোষা শাস্ত্ৰখনি তথা ঘোষাকৰ্তা পুৰুষজন। কীৰ্ত্তন-ঘোষাৰ আৰম্ভণি পদৰ বিষয়ে লক্ষ্মীনাথ বেজবৰুৱাই যি উচ্ছ্বাসপূৰ্ণ শ্লাঘনীয় মন্তব্য আগবঢ়াইছে (বেজবৰুৱা গ্ৰন্থাৱলী, সাহিত্য প্ৰকাশ ১৯৮৮ পৃঃ ৪১২) নাম-ঘোষাৰ প্ৰথম ঘোষাটিৰ ক্ষেত্ৰতো একে মন্তব্য বুকু ডাঠি আগবঢ়াব পাৰি।

**ব্যৱহৃত সংকেত আৰু সহায়ক পুথি ঃ**

কী-কীৰ্ত্তন ঘোষা, ঘো-নামঘোষা, সংভা-সংস্কৃত ভাগৱত, গু. চ. ক- গুৰু চৰিত কথা, শ্ৰীমদ্ভাগৱত, গীতা প্ৰেছ, ভা-শ্ৰীমদ্ভাগৱত, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ,২০০০, কীৰ্ত্তন ঘোষা আৰু নামঘোষা -শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ,১৯৯৩।

**লেখকৰ পৰিচয় ঃ**

শ্ৰীকৈলাস দাস, জ্যেষ্ঠ অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও

# ‘নাম-ঘোষা’ ত বেদৰ গুপুত বিত্তৰ সন্ধান

জীৱ কোঁৱৰ

সাধাৰণতে উপনিষদবোৰক বেদান্তৰ লেখত লোৱা হয়। কিয়নো ইবিলাক শেহতীয়া ৰচনা। উপনিষদবোৰৰ লক্ষ্য আৰু বৈশিষ্ট্যৰ লগত মিল থকাৰ বাবে ভাগৱত পুৰাণ আৰু গীতাৰ লগতে মাধৱদেৱৰ ‘নাম-ঘোষা’কো বেদান্তৰ শাৰীত থব পাৰি। উপনিষদবোৰে বেদৰ তন্ত্ৰ-মন্ত্ৰ, যাগ -যজ্ঞ, পূজা-পাতলৰ পিটনিত পোত খাই পৰা বেদৰতত্ত্ব পৰম পুৰুষৰ সন্ধান দিয়াৰ দৰে ভাগৱত, গীতা, নাম-ঘোষাইও অনন্ত কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী পৰম পুৰুষ অনাদি অনন্ত অচ্যুতজনাৰ সন্ধান দিছে। বেদৰ সংজ্ঞা বা ধাৰণাও আমাৰ মনত সদায় অস্পষ্ট হৈ আহিছে। নাম-ঘোষাই সেই অস্পষ্টতা দূৰ কৰিছে।

বেদ প্ৰসঙ্গ ওলাওঁতে ইয়াৰ ধাৰণা বা সংজ্ঞা বিষয়ক পূৰ্ব্বজ্ঞান থকাটো নিতান্ত প্ৰয়োজন। বেদ বুলি আমি সচৰাচৰ চতুৰ্বেদক বুজো। এই চতুৰ্বেদ লৌকিক আৰু পৌৰুষেয় (পুৰুষ বা ব্যক্তিৰদ্বাৰা সম্পাদিত)। প্ৰতি বেদৰে চাৰিটা শ্ৰেণী। মন্ত্ৰ বা সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ। সংহিতাত দেৱতাৰ মন্ত্ৰবোৰ বিবৃত হৈছে। এই সংহিতাবোৰক লৈ অনেক যুগৰ পিছত ‘ব্ৰাহ্মণ’ নামৰ একশ্ৰেণী সাহিত্য সৃষ্টি হয়। এই ব্ৰাহ্মণ গ্ৰন্থবোৰত সংহিতাত উল্লিখিত দেৱ-দেৱীবিলাকৰ পূজা পাতলৰ বিস্তৃত বিধি ব্যৱস্থা নিবন্ধন হ’ল। পুনৰ অনেক যুগৰ পিচত এই ব্ৰাহ্মণ গ্ৰন্থবোৰৰ বিষয়বস্তুবোৰৰ ওপৰত আলোকপাত কৰি পূজা-পাতলৰ অসাৰতা দেখুৱাবলৈ ‘আৰণ্যক’ নামৰ অন্য এক শ্ৰেণী সাহিত্য ৰচিত হ’ল। আৰণ্যকবোৰে উপাসনাত গুৰুত্ব দি জ্ঞানকাণ্ডৰ পাতনি মেলে। শ শ বছৰৰ পাছত উপনিষদ নামৰ এক শ্ৰেণী সাহিত্য পুনৰ ৰচিত হ’ল। য’ত সংহিতা আৰুব্ৰাহ্মণৰ বহু ঈশ্বৰবাদৰ অসাৰতা পোনপটীয়াকৈ উদঙাই একেশ্বৰবাদ প্ৰতিষ্ঠা কৰিলে। এতিয়া এই চাৰিশ্ৰেণী সাহিত্যকে (সংহিতা, ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ) একেলগে বেদ সাহিত্য বুলি বুজিব লাগিব। প্ৰতি বেদৰে মন্ত্ৰবোৰৰ ওপৰত জিজ্ঞাসা আৰু অধ্যয়নৰ ফলশ্ৰুতিতেই ভাৰতীয় মনীষীসকলৰ চিন্তা আৰু দৃষ্টিভংগী পৰিবৰ্ত্তন হৈ এই সাহিত্য সৃষ্টি হৈছে প্ৰতিখন বেদৰে নিজা নিজা সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু





উপনিষদ আছে।

যেনে- (ক) ঋক্‌বেদ- সংহিতা- ঋক্

ব্ৰাহ্মণ- ঐতৰেয়, কৌষীতকী।

আৰণ্যক-ঐতৰেয়, কৌষীতকী।

উপনিষদ- ঐতৰেয়, কৌষীতকী।

(খ) যৰ্জুৰ (কৃষ্ণ)-সংহিতা- তৈত্তীৰীয়

ব্ৰাহ্মণ- তৈত্তীৰীয়

আৰণ্যক-তৈত্তীৰীয়

উপনিষদ- তৈত্তীৰীয়, কঠ, শ্বেতাশ্বত

মহানাৰায়ণ

যৰ্জুৰ (শুক্ল)- সং- বাজসানয়ি

ব্ৰাহ্মণ- শতপথ

আৰণ্যক-বৃহদাৰণ্যক

উপনিষদ- বৃহদাৰণ্যক, ঈশ

(গ) অথৰ্ব্ব- সংহিতা -

ব্ৰাহ্মণ- গোপথ

আৰণ্যক নাই

উপনিষদ- মুণ্ডক, মাণ্ডুকা, প্ৰশ্ন

(ঘ) সামবেদ- সং- জৈমিনীয়

ব্ৰাহ্মণ- তাণ্ড, যড়বিংশ, জৈমিনীয়,

ছান্দোগ্য

আৰণ্যক-জৈমিনীয়

উপনিষদ- ছান্দোগ্য, কেন।

বেদৰ আন এক সংজ্ঞা আছে। বেদ অপৌৰূষেয়, ভগৱানৰ মুখ নিঃসৃত বাণী। বেদৰ আন সমাৰ্থক প্ৰতিশব্দ শ্লোক, বাণী, অক্ষৰ প্ৰজ্ঞা বা জ্ঞান। বিদ্ ধাতুৰ পৰাই বেদ শব্দ নিষ্পন্ন হৈছে। ভগৱন্তই (ব্ৰহ্ম) নিজ অস্তিত্ব তথা পৰিচয় আৰু সংশ্লিষ্ট জগতখনৰ বিষয়ে যি জ্ঞান বা বাণী বেকত কৰিছে সেয়ে বেদ। বেদ ব্ৰহ্মনিৰূপক তত্ব বা বাণী। ভাগৱতত ব্ৰহ্মা আৰু নাৰায়ণৰ (ব্ৰহ্ম ৰূপ) মাজত হোৱা কথোপকথনত এই বেদ তত্ব প্ৰকাশ পাইছে। ভাগৱত পুৰাণত ব্ৰহ্মাক নাৰায়ণে কোৱা চাৰি তত্ব হ'লঃ

(১) অহমেবাসমেবাগ্ৰে নান্যদ যৎ সদাসৎ পৰম।

পশ্চাদহং যদেতচ্চ যোৱশিষ্যেতে সোহস্ম্যহম।।(মূভা ২/৯/৩২)

(ভাৱাৰ্থ-সৃষ্টিৰ আদিত, মধ্যত আৰু অন্তত যি অক্ষয় অব্যয় হৈ ৰব সেয়ে ব্ৰহ্ম)।

(২) "ঋতেহৰ্থং যৎ প্ৰতীয়েত ন প্ৰতীয়েত চাত্মনি।

তদ্বিদ্যাদাত্মানো মায়াং যথা ভাসো যথা তমঃ"।।(মূভা) ২/৯/৩৩)

(ভাৱাৰ্থ-সংসাৰ অনিত্য অনস্তিত। আনহাতে ব্ৰহ্ম স্তিত আৰু সত্য। ব্ৰহ্মাৰ এক বিশেষ শক্তি আছে, যাৰ নাম 'মায়া'। মায়া শক্তিয়ে সত্য ব্ৰহ্মক অসত্য প্ৰতীত কৰায় আৰু অসত্য জগতক সত্য বোধ জন্মায়।)

(৩) "যথা মহান্তি ভূতানি ভূতেযুচ্চাবচেস্বনু।

প্ৰবিষ্টাণ্য প্ৰৱিষ্টানি তথা তেষু ন তেস্বহম্।।" (মূভা ২/৯/৩৪)

(ভাৱাৰ্থ-পঞ্চভূত সকলো প্ৰাণীৰ দেহত অদৃশ্য বা অব্যক্ত ৰূপত প্ৰবিষ্ট হোৱাৰ দৰে ব্ৰহ্মও জগতত অদৃশ্য ভাৱে সকলোতে মিহলি হৈ থাকে।)

(৪) "এতাবদেবজিজ্ঞাসাং তত্ব জিজ্ঞাপুনাত্মঃ।

অন্বয় ব্যতিৰেকেভ্যাং যৎসাৎ সৰ্ব্বত্ৰ সৰ্ব্বদা।।" (২/৯/৩০)

(ভাৱাৰ্থ-হয়-নহয়, আছে-নাই অৰ্থাৎ ইতিবাচক নেতিবাচক দুয়োটা উপায়ে ব্ৰহ্মাৰ স্বৰূপ নিৰ্ণয় কৰিব পাৰি। ইয়াকে বিধিৰূপ (অন্বয়) আৰু নিষেধ ৰূপ (ব্যতিৰেক বৰ্ণন বোলা হয়।)

মাধৱদেৱে নাম-ঘোষাত উপৰি উক্ত চাৰিশ্লোকৰ ভাৱাৰ্থ সংক্ষেপে এনে ৰূপে নিবদ্ধ কৰিছে-





"চাৰিও বেদৰ চাৰি অক্ষৰ সাৰ কাঢ়ি আনি ব্ৰহ্মাদেৱে

বেকত কৰিয়া থৈলা নাৰায়ণ বাণী।।" (না. ঘো. ৬৬৫)

এই বেদতত্ব মতে ব্ৰহ্ম নিৰাকাৰ, নিৰঞ্জন। 'কৃষ্ণ' ব্ৰহ্মৰ সাকাৰ ৰূপ মাথোন। নিৰাকাৰ ব্ৰহ্মাই প্ৰয়োজন সাপেক্ষে বিভিন্ন ৰূপ পৰিগ্ৰহ কৰে। ধৰ্ম্মৰক্ষা কৰি দুষ্টক দমন কৰিবলৈ সাধুক সংস্থাপন কৰিবলৈ সাকাৰ ব্ৰহ্ম কৃষ্ণই মনুষ্য ৰূপ লৈছে। মনুষ্য ৰূপ ললেও সাধাৰণ মনুষ্য নহৈ "প্ৰাকৃত বৰ্জ্জিত" ৰূপতহে অৱতাৰ হৈছে। ভগৱানৰ সকলো অৱতাৰেই "প্ৰাকৃত বৰ্জ্জিত"। অৱতাৰৰ বৈশিষ্ট্য ইয়াতেই ঃ

"যতেক প্ৰাকৃত আকাৰ বৰ্জ্জিত

ভৈলন্ত যিহেতু হৰি।

সেহি হেতুতেসে নিৰাকাৰ নাম

আছন্ত ঈশ্বৰে ধৰি।।" (১৬২)

আদিতে বেদ অপৌৰুষেয়ই আছিল। অনেক ব্ৰহ্মবাদীয়ে বেদৰ মূল তত্ব বিচাৰ কৰি মুখে মুখে প্ৰচাৰ কৰি আহিছিল। যুগ যুগ ধৰি মুখ বাগৰি বাগৰি আহোঁতে শুদ্ধ ব্ৰহ্মতত্ত্বৰ লগত অপদেৱতাৰ পূজা সেৱা তন্ত্ৰ মন্ত্ৰ, যাগযজ্ঞাদি সংযোজন ঘটে। এটা সময়ত এই সকলো সামৰি বেদ লিখিত আৰু সম্পাদিত ৰূপত প্ৰকাশ পায়। এইদৰেই মূল বেদপুৰুষ তন্ত্ৰ মন্ত্ৰ, যাগ-যজ্ঞৰ ধোঁৱাৰ আৱৰ্ত্তত অদৃশ্যপ্ৰায় হ'ল। উপনিষদ সমূহে অৱশেষত সেই বেদপুৰুষৰে সন্ধান নিশ্চিত কৰে। ঋক্ বেদৰ এঠাইত আছে- 'একংস্য বিপ্ৰা বহুধা বদন্তি অগ্নি, যমং মাতৰিশ্বা ন মাহু :।' অৰ্থাৎ মূলবস্তু এক, জ্ঞানীসকলে অগ্নি, যম, মাতৰিশ্বা নামেৰেই তেওঁকেই ঘোষণা দিয়ে। বিদ্বান সমাজে এই প্ৰসঙ্গত যৰ্জুৰ বেদৰ শ্লোক এটি সঘনাই উল্লেখ কৰেঃ

"শৃন্বন্ত বিশ্বেহমৃতস্য পুত্ৰা আযে ধামানি দিব্যানি তস্থূঃ

বেদাহমেতং পুৰুষং মহান্তমাদিত্যৰ্ণং তমসাঃ পৰস্তাৎ।।

(যৰ্জুবেদ,৩১/১৮)

(ভাৱাৰ্থ-হে দিব্য ধামবাসী অমৃতৰ পুত্ৰসকল! তোমালোকে শুনা, মই তমসাৰহিত চিৰজ্যোতিষ্মান আদিত্য স্বৰূপ "পুৰুষং মহন্তম্" জনাই নামঘোষাৰ পুৰুষোত্তম, পৰমপুৰুষ, উত্তম শ্লোক, অক্ষৰ ব্ৰহ্ম। ভাগৱতত এওঁকেই শুকৰ মুখেদি উত্তম শ্লোক আৰু মহাপুৰুষ বুলি কোৱাইছেঃ

"পৰিনিষ্টিতোহপি নৈগুৰ্ণ্যে উত্তমঃশ্লোক লীলয়া।

গৃহীতৰাজর্ষে আখ্যানং তদ্‌ধীতবান।।
তদহং তেহভি ধাস্যামি মহাপৌৰুষিকো ভৱান।
সদ্যশুদ্ধধতা মাশু স্যান্মুকুন্দে মতিঃ সতী।।" (ভা২/১/৯-১০)

মাধৱদেৱে 'নাম-ঘোষা'ত ইয়াৰে ভাঙনি দিছে----

"শুক নিগদতি পৰীক্ষিত যদি আমি নির্গুণত যিত
তথাপি উত্তম শ্লোকৰ মহিমা গুণে।
কৰিলেক মোক বশ্য চিত্ত ভাগৱত গ্ৰন্থ বিপৰীত
পৰম আনন্দে পঢ়িলো আমি আপুনে।।"
তোমাক কহিবো সেহি শাস্ত্র তুমি আক শুনিবাক পাত্ৰ
মহাপুৰুষৰ সেৱক তুমি সম্প্রতি।
ই শাস্ত্রত শ্রদ্ধা মাত্রকত মুকুন্দৰ পাদ পংকজত
অতি শীঘ্ৰে তাৰ হুইবে জানা সতী মতি।।" ৬৫০।।

মাধৱদেৱে সেই মহাপুৰুষকে নাম-ঘোষা'ত আকুল আহ্বান জনাইছে----

"হে হে পৰমগুৰু পুৰুষোত্তম হৰি পুৰুষোত্তম।
পুৰুষোত্তম, পুৰুষোত্তম জয় পুৰুষোত্তম। ('নাঃ ঘোঃ ৯২৫)

'গায়ত্ৰীমন্ত্ৰ'খ্যাত যর্জুবেদীয় শ্লোক বিশেষতো এই বেদপুৰুষক আহ্বান জনোৱা হৈছে----

"ওঁ ভূঃ ভৱঃ সত্বঃ তৎসর্বিতো বৰণ্যেম ভৰ্গোদেৱস্যহী ধীমহি,
ধিয়ো য়ো ন প্রচোদয়াৎ।' যর্জু-২২/৯)

ভাবাৰ্থ-'পৃথিৱী, আকাশ, স্বৰ্গ-এই সকলোৰে স্ৰষ্টাজনক বৰণ কৰো আৰু ধ্যান কৰো। আমাৰ সকলোৰে অন্তত ধী শক্তি স্ফুৰণ ঘটোৱা।)

এই বেদপুৰুষেই "অনন্ত কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী", অনাদি, অনন্ত, অচ্যুত গোবিন্দ ভকতৰ ভয়হাৰী'। এওঁৱেই "কৃষ্ণ, হৰি ৰাম হৰি ৰাম ৰাম।"

'নাম-ঘোষা'ত মাধৱদেৱে দুয়ো প্ৰকাৰৰ (লৌকিক, বৈদিক) বেদৰ উল্লেখ কৰিছে। ভাগৱতৰ চতুঃশ্লোকী বেদতত্ত্বখিনি মাধৱদেৱৰ ভাষাত অতি তাৎপৰ্য্যপূৰ্ণ আৰু পাণ্ডিত্যপূৰ্ণ হৈ পৰিছে----

"হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।





আৰৰ যতেক ইটো তোক্মাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত।।' ৭৩।।

লৌকিক চতুৰ্বেদৰো স্থানান্তৰৰত উল্লিখিত হৈছে----

(১) "বেদে ৰামায়ণে পুৰাণে ভাৰতে
আদি মধ্য অৱসানে।
হৰিকেহে মাত্ৰ কহৰে নিশ্চয়
জানা তত্ত্ব এহিমানে।" (না/২০৩)

(২) 'বেদৰ বিহিত যত আছে ধৰ্ম্ম সংসাৰত
সবে হৰি নামৰ কিংকৰ।' (না/১০৩)

(৩) বেদৰ ৰহস্য হৰিৰ কীৰ্ত্তন- (না/২৮৬)

(৪)"বেদাগম আদি কৰি যত'(না/৬০৬)

(৫) 'বেদ-বেদান্তৰ সমস্ত শাস্ত্রৰ এহিসে বিচাৰ বড়' (না/২২০)

'নাম-ঘোষা'ত মাধৱদেৱে দুটা কথাৰ আউল ভাঙি দিছে-'বেদৰ বিহিত ধৰ্ম্ম আৰু 'বেদ ব্যৱহাৰ'। বেদৰ বিহিত ধৰ্ম্ম বা বিধি ভকতৰ পালনীয় নহয়, কিয়নো ইবিলাকে ভকতক কৰ্ম্ম বন্ধনত পেলাব। কিন্তু 'বেদব্যৱহাৰ' ভকতৰ আদৰণীয় আৰু গ্ৰহণীয়। তেন্তে 'বেদব্যৱহাৰ' নো কি?

যাত্ৰী বাছত লিখা থাকে- 'আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়। ইয়াৰ অৰ্থ ব্যক্তি এজনৰ বাহ্যিক আচৰণ মাত কথা ভিতৰৰ মানুহজনৰ যথাৰ্থ প্ৰতিফলন মাত্ৰ। কায় বাক্য আৰু মনৰ বহিঃ প্ৰকাশেই মানুহজনৰ ব্যৱহাৰ। সেইদৰে বেদৰ বাহ্যিক আচৰণ বিধি অৰ্থাৎ মন্ত্ৰ-যাগ যজ্ঞাদিয়ে বেদপুৰুষক প্ৰকাশ কৰিব নোৱাৰে বা বেদতত্ত্ব প্ৰকাশ নাপায়। ইবিলাক মূল তত্ত্বৰ পৰিপন্থী-'কৰ্ম্মত বিশ্বাস যাৰ হিয়াত থাকন্তো হৰি, আতিশয় দূৰ হোন্ত তাৰ'। যি আচৰণ কৰিলে 'মহাপুৰুষ'ৰ স্বৰূপ আৰু মহিমা প্ৰকাশ পায়-সেয়ে বেদ ব্যৱহাৰ।

'হৰিসে চৈতন্য আত্মা জ্ঞানময়
আৰৰ সমস্ত জড়। (না/২২০)

-এই বিচাৰ মনত ৰাখি অব্যভিচাৰিণী ভক্তি সাধনেই বেদ ব্যৱহাৰ। মাধৱদেৱে অব্যভিচাৰিণী ভক্তি সাধনৰ ব্যৱস্থা অধিক স্পষ্ট কৰি দিছে -

'সাধু সঙ্গ অনুসৰা শ্ৰৱণ কীৰ্ত্তন কৰা
পৰিহৰা পাষণ্ড আচাৰ।' (না/৩৪)

এই আচৰণ বিধিয়েই বেদব্যৱহাৰ। এই বেদব্যৱহাৰ অৱশ্যে পালনীয়-

'কৃষ্ণ পদমাত্র সেৱা কৰে        সমস্ত কামনা পৰিহৰে

বেদব্যৱহাৰ কদাচিতো নলঙ্ঘয়' (না/৫৯৫)

অৱতাৰবাদ বেদান্তৰ অন্যতম মূল সূত্ৰ। "কৃষ্ণস্তু ভগৱান স্বয়ং"-এই সূত্ৰ মানি কৃষ্ণক পৰমপুৰুষৰ পূৰ্ণ অৱতাৰ মনা হৈছে। অন্যান্য অৱতাৰ ৰাম হৰিকো বিশেষ মৰ্যদা দিয়া হৈছে। পূৰ্ণ অৱতাৰ 'কৃষ্ণৰ মনুষ্য লীলা চৰিত' অৱতাৰণা কৰি "পৰম দুৰ্বোধ্য আত্মতত্ত্ব"ৰ শিক্ষা দিয়া হৈছে----

'পৰম দুৰ্ব্বোধ্য আত্মতত্ত্ব        তাৰ জ্ঞান অৰ্থে হৰি যত

লীলা অৱতাৰ ধৰা তুমি কৃপাময়'-(না/৬৪৩)

এই লীলা অৱতাৰ ধৰা কৃষ্ণকে মাধৱদেৱে নিশ্চিত ভাৱে চিনাক্ত কৰিছে আৰু সন্ধান দিছে----

'বেদৰ গুপুত বিত্ত নাৰায়ণ এ

দেৱকীত হন্তে সাক্ষাতে ভৈলা বিদিত।' (না) ৮০৫।।

কৃষ্ণ অৰ্থাৎ নাৰায়ণেই "বেদৰ গুপুত বিত্ত"। গুপুত অৰ্থ গোপনীয়। গোপনীয় পদে এইটো নুবুজায় যে কাকো মুকলিকৈ কব নাপায়। গোপন অৰ্থ মূল্যৱান। মূল্যৱান বস্তু গোপনে, যত্নৰে সাঁচি ৰখা হয়। গীতাতো কৃষ্ণই অৰ্জুনক সেই গোপনীয় তত্ত্ব কৈছিলঃ "ইতি তে জ্ঞানামাখ্যাতং গুহ্যাদ গুহ্যতৰং ময়া।' (গীতা ১৮/৬৩) (অৰ্থাৎ-'এই পৰম গোপনীয়তকৈয়ো গোপনীয় (গুহ্যাদ গুহ্যতৰং) জ্ঞান তোমাক মই কলো।) গীতাৰ গোপনীয় জ্ঞানেই নাম-ঘোষাৰ 'গুপুত বিত্ত'।

**লেখকৰ পৰিচয়ঃ**

শ্ৰীজীৱ কোঁৱৰ, ম'ৰাবজাৰ, শিৱসাগৰ



# নাম-ঘোষাত পুণ্যশ্লোক শঙ্কৰস্মৃতি

**উষাৰাণী দত্ত মজুমদাৰ**

অসমীয়া সাহিত্য সংস্কৃতিৰ বুৰঞ্জীৰ এক অভিনৱ পৰিঘটনা গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ। এই সংযোগে ষষ্ঠদশ শতিকাৰ অসমীয়া সমাজ, সংস্কৃতি আৰু সাহিত্যৰ ক্ষেত্ৰত এক গৌৰবোজ্বল নতুন অধ্যায়ৰ সূচনা কৰিলে, যাৰ দীপ্ত শিখাত আজিও উজ্বলি আছে অসমীয়া সমাজ, সংস্কৃতি আৰু সাহিত্য।

ভাৰতীয় সভ্যতা-সংস্কৃতিত গুৰু শিষ্যৰ পৰম্পৰা অতি প্ৰাচীন। যেতিয়াই গুৰু শিষ্যৰ সংযোগ ফলপ্ৰসূ হৈছে, তেতিয়াই ভাৰতীয় সভ্যতা সংস্কৃতিয়ে এঢাপ আগুৱাই যোৱাৰ সু-যোগ লাভ কৰিছে। এনে মহিমামণ্ডিত গুৰু-শিষ্যৰ ভিতৰত ৰামচন্দ্ৰ-হনুমান, কৃষ্ণ-অৰ্জুন, চক্ৰেটিছ-প্লেটো, ৰামকৃষ্ণ পৰমহংস-বিবেকানন্দ, শঙ্কৰদেৱ- মাধৱদেৱ আদি অন্যতম। গুৰুবাণী বিস্তাৰত শিষ্যসকলৰ অৱদান অতুলনীয়। গুৰুক যথাৰ্থ ৰূপত জনসাধাৰণৰ মাজত প্ৰতিষ্ঠা কৰাৰ প্ৰথম পদক্ষেপ হিচাপে শিষ্যৰ ওপৰত বহুতো দায়িত্ব আহি পৰে। সমসাময়িক কাল চেতনাইও তেওঁলোকক প্ৰভাৱিত কৰে।

মাধৱদেৱে গুৰুৰ অনুপ্ৰেৰণা লাভ কৰি নাম-ঘোষা ৰচনা কৰিছিল। গতিকে নামঘোষাত 'পুণ্যশ্লোক শঙ্কৰস্মৃতি' প্ৰাকাশিত হোৱাটো স্বাভাৱিক।

নাম-ঘোষা মহাপুৰুষ মাধৱদেৱৰ অন্তৰ্লীন আধ্যাত্মিক উপলব্ধিৰ যথাৰ্থ প্ৰকাশ। মাধৱদেৱৰ এই আধ্যাত্মিক উত্তৰণৰ ক্ষেত্ৰত প্ৰেৰণাৰ কেন্দ্ৰবিন্দু আছিল মহাপুৰুষ শঙ্কৰদেৱ।

নাম-ঘোষাত প্ৰকাশিত 'পুণ্যশ্লোক শঙ্কৰস্মৃতি' দুটি ধাৰাৰে প্ৰবাহিত হৈ আছে। এটি ধাৰাৰ মতে মাধৱদেৱে অৱতাৰী পুৰুষ ৰূপে ভগৱান আৰু গুৰুজনাৰ মাজত অভেদত্ব স্থাপন কৰিব বিচাৰিছে আৰু অন্যটো ধাৰাত পৰলোক প্ৰাপ্তিৰ পিছতো গুৰু হিচাপে শঙ্কৰদেৱক দৃঢ়ৰূপত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছে।

মাধৱদেৱে নাম-ঘোষা ৰচনা কৰাৰ আঁৰত থকা ঘটনাটো এনেকুৱা, যিদিনা গুৰুজনাই মাধৱদেৱৰ হাতত ধৰ্মৰাজ্যৰ ভাৰ অৰ্পণ কৰিলে, সেইদিনা বৰ আতুৰ হৈ মাধৱদেৱে সুধিছিল, 'বাপ কৃপালু গুৰু, তোমাৰাসম শ্ৰীশঙ্কৰ সূৰ্য থাকোতেও

পৃথিৱী পোহৰ কৰা টান, তোমাৰাসবৰ অবিহনে আমি এই ধৰ্মৰাজ্য কেনেকৈ পোহৰাম।' তেতিয়া গুৰুজনাই আশ্বাস দি কৈছিল---

'শুনিও মাধৱ মোৰ থাকিবাৰ থান।
কীৰ্ত্তন দশম মোৰ মূৰ্ত্তিৰ সমান।।
* * * *
'দশম কীৰ্ত্তন পুথি থাকয় যথাত।
সাক্ষাত মাধৱ মই থাকিবো তথাত।।'

শঙ্কৰদেৱে মাধৱদেৱকো----

'ঘোষা নামে শাস্ত্ৰখনি তুমিও লিখিবা।
ৰত্নাৱলী ঘোষা মধ্যে তুমিও থাকিবা।।'-- বুলি নাম-ঘোষা ৰচনাৰ নিৰ্দ্দেশ দিয়ে। ইয়াৰ কিছুদিনৰ পিচতে গুৰুজনাৰ পৰলোক প্ৰাপ্তি ঘটে। নিঃসঙ্গ হৈ পৰা মাধৱদেৱৰ জীৱনলৈ নানা বিপৰ্যয় নামি আহে। গুৰুধৰ্ম প্ৰচাৰ স্থবিৰ হৈ পৰে। সেই সময়ত নাৰায়ণ দাস ঠাকুৰ আতাই মাধৱদেৱক যথেষ্ট প্ৰবোধ বাণী শুনায়। আতাৰ প্ৰবোধবাণীয়ে মাধৱদেৱৰ মনৰ অস্থিৰতা দূৰ কৰিলে আৰু মাধৱদেৱে নাম-ঘোষা সংকলনৰ কামত হাত দিয়ে। চৈধ্য বছৰ ছয় মাহৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰি "ঘোষাতে সমস্ত মোৰ বল বুদ্ধি যত" বুলি দৃঢ়তাৰে প্ৰকাশ কৰিলে।

নাম-ঘোষা ৰচনাৰ ক্ষেত্ৰত এক বিশেষ সংস্কৃত গ্ৰন্থক মাধৱদেৱে মূল হিচাপে গ্ৰহণ কৰা নাই। একহাজাৰ এক ঘোষাৰে সমৃদ্ধ নামঘোষাৰ চাৰিশমানৰ মূল বৈষ্ণৱ গ্ৰন্থৰ সংস্কৃত শ্লোক; বাকীখিনিৰ মূল হৈছে মাধৱদেৱৰ ভক্তি বিগলিত হৃদয়। সেয়েহে নাম-ঘোষা অধ্যয়ন কৰিলে ভাষাৰ মাধুৰ্য্য, ছন্দৰ ঝংকাৰ, ভাৱৰ প্ৰগাঢ়তা সকলোকে অতিক্ৰম কৰি আমাৰ চকুৰ আগত জিলিকি উঠে মাধৱদেৱৰ ভক্তিকাতৰ কৰুণ প্ৰতিচ্ছবি।

শঙ্কৰদেৱৰ মহান ব্যক্তিত্ব আৰু পৰম জ্ঞানৰ ওচৰত হাৰ মানি, আঙঠি পিন্ধোৱা কন্যাকো পৰিহাৰ কৰি মাধৱদেৱে তেওঁতে দেহ-মন, প্ৰাণ অৰ্পণ কৰিলে। আমৃত্যু পৰ্য্যন্ত তাৰ ব্যতিক্ৰম নহ'ল।

পিতৃসম পুৰুষ শঙ্কৰদেৱৰ মাজত তেওঁ সাক্ষাৎ পাইছিল এজন প্ৰকৃত গুৰুৰ স্বৰূপ আৰু ভগৱানৰ মূৰ্ত্ত প্ৰকাশ। আদিৰ পৰা অন্তলৈকে অন্তস্ৰোত ৰূপে বৈ থকা গুৰুৰ পূৰ্ণ স্মৃতিয়ে ভক্তিতত্ত্ব নিৰূপক গ্ৰন্থ নাম-ঘোষাক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। ই মাধৱদেৱৰ গুৰুবাদৰ প্ৰতি থকা গভীৰ আস্থাৰ কথাকে প্ৰমাণ কৰে। স্মৃতি ৰোমন্থনে মন আহলাদিত কৰে, প্ৰিয়জন হলেতো কথাই নাই। গুৰুগত





প্ৰাণ মাধৱদেৱে জীৱিত কালত গুৰুৱে ক'ৰবাত শাৰীৰিক মানসিক কষ্ট পাই বুলি সততে দৃষ্টি ৰাখিছিল। মৃত্যুৰ পিছতো গুৰুস্মৃতি ৰোমন্থনে মাধৱদেৱৰ মন সঞ্জীৱিত কৰি ৰাখিছিল।

নাম-ঘোষাৰ একহাজাৰ এটি ঘোষাৰ ভিতৰত গুৰুস্মৃতি নিৰূপক ঘোষা হিচাপে পঁচিশটি ঘোষা পোৱা যায়। ভজন, প্ৰাৰ্থনা, নমস্কাৰ, নাম মহিমা, নিন্দা আৰু উপদেশ খণ্ডৰ ক্ৰমে ১, ১৩১, ১৩২, ১৯৩, ৩৫৭, ৩৫৮, ৬২৭, ৬২৯, আৰু ৬৮১ নম্বৰ ঘোষাৰ মাজেদি মাধৱদেৱে অৱতাৰী পুৰুষ ৰূপে গুৰুজনা আৰু ভগৱানৰ মাজত অভেদত্ব স্থাপন কৰিবলৈ চেষ্টা কৰিছে। আকৌ উপদেশ, নিন্দা, বস্তু প্ৰকাশ, খেদ, যুগধৰ্ম্ম নিৰ্ণয় আৰু লেছাৰি খণ্ডৰ ক্ৰমে ৩৩/৫৩/৫৪/১০০/১০১/১০২/২৯১/৩৭১ /৩৭২ /৩৭৩ /৩৭৪ /৩৭৫ /৪০৪ /৬৬৪ / ৬২৫ আৰু ৬৬৯ নম্বৰ ঘোষাৰ মাজেদি গুৰু হিচাপে শঙ্কৰদেৱক দৃঢ়ৰূপত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছে। গুৰুজনা জীৱিতাৱস্থাত থাকোতেই 'গুৰুভটিমা' ৰচনা কৰি মাধৱদেৱে গুৰুভক্তিৰ পৰাকাষ্ঠা দেখুৱাইছিল। নাম-ঘোষাত সি আৰু এখোপ তীব্ৰ ৰূপ লৈ প্ৰকাশ লাভ কৰিছে।

নাম-ঘোষাৰ প্ৰথম ঘোষাফাঁকি বিশেষ তাৎপৰ্য্যপূৰ্ণ।

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।। ১।।

মাধৱদেৱে উক্ত ঘোষা ফাঁকিত স্পষ্টভাৱে প্ৰকট নকৰিলেও মাধৱদেৱৰ জীৱনচৰ্য্যালৈ লক্ষ্য কৰিলে এইটো সকলোৰে বোধগম্য হব যে তেওঁ ৰসময় ভকতি মগা, মুক্তিতো স্পৃহা শূন্য ভকতজন নিশ্চয় তেওঁৰ গুৰুৰো গুৰু পৰম গুৰু শঙ্কৰদেৱ। পৰম পুৰুষ শ্ৰীকৃষ্ণৰ চৰণত আত্মনিবেদন কৰোঁতে মাধৱদেৱৰ ভাৱনাত পৰম পুৰুষ কৃষ্ণ আৰু পৰম গুৰু শঙ্কৰদেৱ একাকাৰ হৈ পৰিছে। কিয়নো মাধৱদেৱৰ দৃষ্টিত শঙ্কৰ গুৰু আছিল-"ত্ৰিভুবন বন্দন/দৈৱকী নন্দন/যো হৰি মাৰল কংস/জগজন তাৰণ/ দেৱ নাৰায়ণ/শঙ্কৰ তাকেৰি অংশ।"

"তুমি ভক্ত কল্পতৰু বাহিৰে ভিতৰে গুৰু
তুমি বিনে নাহি মোৰ আৰ।
কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক সেৱা ৰস সাৰ।।" ১৩১।।
* * * *

"তুমি হৰি কৃপাময় বাহিৰত গুৰু ৰূপে
অনুগ্ৰহ কৰি আছা মোক।
অন্তৰ্য্যামী গুৰু ৰূপে আকে সত্য কৰা মোৰ
তযু নামে সদা ৰতি হৌক।।"(১৩২)।।

উক্ত দুয়োফাঁকি ঘোষাতে মাধৱদেৱৰ গুৰুভক্তিৰ চৰম প্ৰকাশ ঘটিছে। তেওঁৰ দৃষ্টিত ভকতৰ বাঞ্ছা কল্পতৰু ভগৱন্তৰ লগত গুৰুজনাৰ কোনো প্ৰভেদ নাই।

গুৰুগত প্ৰাণ মাধৱদেৱে আকুণ্ঠচিত্তে অনুভৱ কৰিছে যেন বাহিৰত শঙ্কৰদেৱে গুৰুৰূপে সদ্ উপদেশ দিছেই, আনকি তেওঁৰ অন্তৰৰাজ্যতো দিক্ নিৰ্ণায়ক ৰূপে স্থিতি লৈছে। গুৰু চৰণত তেওঁৰ ইমানেই ভৰসা যে চিৰকাল দাসৰূপে থাকি তেওঁৰ চৰণ সেৱাতে যেন জীৱন অতিবাহিত কৰিব পাৰে। গুৰুসেৱাত যিকণ সুখানুভূতি লাভ হয় তাৰ যেন কোনো তুলনা নাই। কৃপাময় হৰিৰ ওচৰত প্ৰাৰ্থনা জনাইছে তেৱেঁই যেন শ্ৰীমন্ত শঙ্কৰগুৰু ৰূপে বাহিৰত থাকি নানা হিতোপদেশেৰে জীৱক ভৱসংসাৰ তৰণৰ পথ দেখুৱাইছে আৰু অন্তৰ্য্যামী গুৰুৰূপত থাকি গুৰুৰ উপদেশসমূহ পৰম নিষ্ঠাৰে পালন কৰাত কৃপা দৃষ্টি দিছে। গুৰুভক্তিৰ অতুলনীয় সাক্ষৰ বহনকাৰী ঘোষাদ্বয়ত অৱতাৰী পুৰুষ ৰূপে, গুৰুজনা আৰু ভগবানৰ মাজত অভেদত্ব স্থাপনত মাধৱদেৱে সম্পূৰ্ণ সফলতা লাভ কৰিছে।

"মোহ মায়া ৰাগ মদ মল কাম
দম্ভ দ্বেষ আদি ভাব।
যি গুৰুজনত ইসৱ নাথাকে
প্ৰণামো তাহান পাৱ।।" ১৯৩।।

উক্ত ঘোষাটিতো মাধৱদেৱে গুৰুজনা ভগৱন্তৰে অভেদ মূৰ্ত্তি বুলি প্ৰতিপন্ন কৰিবলৈ বিচাৰিছে। মোহময় সংসাৰৰ মাজত থাকিলেও গুৰুজনাক সাংসাৰিক মায়ামোহে গ্ৰাস কৰিব নোৱাৰে। পদুম পাতৰ পানীৰ দৰে তেওঁ সংসাৰৰ আসক্তিৰ প্ৰতি নিৰ্লিপ্ত মোহ, মায়া, ৰাগ, দম্ভ দ্বেষ আদিয়ে তেওঁক স্পৰ্শ কৰিব পৰা নাই। তেওঁ পৰমজনৰ সমকক্ষ, তেনেজন গুৰুৰ চৰণ সেৱাত মাধৱদেৱে আত্মতৃপ্তি লাভ কৰে।

নিৰ্গুণ কৃষ্ণৰ গুণক প্ৰকাশ
কৰিলা শ্ৰীশঙ্কৰে।





শ্ৰৱণ কীৰ্ত্তন কৰি মহাসুখে
পাপীও সংসাৰ তৰে।। ৩৫৭।।

এই ঘোষাৰ দ্বাৰা শ্ৰীমন্ত শঙ্কৰ গুৰু আৰু ভগৱন্ত কৃষ্ণৰ গুণ নামৰ মহিমা প্ৰকাশ কৰিছে। এই ঘোৰ কলি কালত জীৱৰ কল্যাণৰ উপায় একমাত্ৰ হৰি গুণ শঙ্কৰদেৱে নিজৰ ধৰ্ম্ম বুলি প্ৰচাৰ কৰি গৈছে।

পৰম ঈশ্বৰ কৃষ্ণ দেৱতাৰ
গুণৰ নাহিকে অন্ত।
ইহাৰ তত্ত্বক জানিবা কেৱলে
শঙ্কৰে মাত্ৰ জানন্ত।। ৩৫৮।।

অত্যন্ত তাৎপৰ্য্যপূৰ্ণ এই ঘোষাফাঁকিৰ জৰিয়তে মাধৱদেৱে শঙ্কৰগুৰুক এক বিশেষ স্থানত স্থাপন কৰিবলৈ বিচাৰিছে। অনন্ত জগতৰ স্ৰষ্টা ঈশ্বৰ কৃষ্ণৰ অনন্ত তত্ত্ব সামান্য মানুহে জনাৰতো কথাই নাই, ব্ৰহ্মা, বিষ্ণু আদি দেৱগণেও তেওঁৰ মহিমাৰ অন্ত নাপায়। কৃপাময় কৃষ্ণই কলি কালত নিজেই শঙ্কৰৰূপে আবিৰ্ভাৱ হৈছে। মাধৱদেৱৰ দৃষ্টিত কৃষ্ণ আৰু শঙ্কৰ এক। সেয়েহে ঈশ্বৰ কৃষ্ণদেৱৰ মহিমা একমাত্ৰ শঙ্কৰেহে জানে বুলি পৰম দৃঢ়তাৰে ঘোষণা কৰিব পাৰিছে।

সমস্তৰে আদি নৰতনু উদ্যম কোটিয়ো নপায় পুনু
কোনো ভাগ্যোদয়ে পায়া নাৱ দৃঢ় আতি।
গুৰু ভৈলা তাত কৰ্ণধাৰ কৃষ্ণ ভৈলা অনুকূল বায়ু
তথাপি সংসাৰ নতৰয় আত্মঘাতী।। ৬২৭।।

* * * *

য'ত উগ্ৰতপ জ্ঞান গুণ যাগ যোগ যজ্ঞ দান পুণ্য
কিবা প্ৰয়োজন সাধিবেক তাসম্বাৰ।
কৃষ্ণ জগতৰ গুৰু ইষ্ট মোক্ষ সুখ প্ৰদ দেৱ ইষ্ট
তাহান চৰণে ভকতি নাহিকে যাৰ।। ৬২৯।।

উক্ত ঘোষাদ্বয়তো প্ৰকাশ পাইছে মাধৱদেৱৰ শঙ্কৰ স্মৃতি। প্ৰতীকী অৰ্থৰে চালে প্ৰথম ঘোষাফাঁকিৰ তাৎপৰ্য্য হৈছে-নৌকা স্বৰূপ মনুষ্য শৰীৰৰ দ্বাৰাই জীৱই ভৱ সমুদ্ৰ পাৰ হব পাৰে। এই নৌকাৰ কাণ্ডাৰী হৈছে শঙ্কৰদেৱ আৰু কৃষ্ণ হৈছে সংসাৰ সমুদ্ৰৰ অনুকূল বায়ু। এনে সুযোগ সহজে নিমিলে। সেয়ে মাধৱদেৱে জীৱক ভৱ তাৰণৰ উপায় ভক্তিৰ পথলৈ আহ্বান জনাইছে।

ভগৱান কৃষ্ণ হৈছে জগতৰ গুৰু। তেৱেঁই জীৱৰ সুখ আৰু মুক্তি দাতা।

এনেজন কৃপালু কৃষ্ণৰ চৰণত যাৰ ভক্তি নাই, তেওঁ যিমানেই যাগ যজ্ঞ দান পুণ্য নকৰক লাগে, সকলো বৃথা। কাৰণ এইবোৰে তেওঁৰ কল্যাণ সাধিব নোৱাৰে। ভক্তিয়ে মুক্তিৰ সুগম পথ বুলি শঙ্কৰদেৱে বাৰে বাৰে কৈ গৈছে ---

হৰি যেন আতি কৃপাময় ভক্ত গুৰুজনো সেহি নয়
দুয়োজন এক শৰীৰত মাত্ৰ ভিন্ন।
কৃপাৰসে যুক্ত হয়া চিত্ত লোকৰ হিতক চিন্তি নিত
নিজগুণে তুষ্ট দুয়ো অহঙ্কাৰ হীন।। ৬৮১।।

নাম-ঘোষাৰ প্ৰথম ঘোষাত স্পষ্টভাৱে ভগৱান আৰু গুৰুজনাৰ মাজত অভেদত্ব স্থাপন কৰা নাই যদিও উক্ত ঘোষাত মাধৱদেৱৰ অন্তৰত দুয়োজনাৰ স্থিতি যে একক ৰূপত আছে, তাক স্পষ্ট ৰূপত প্ৰকাশ কৰিছে। হৰি আৰু গুৰুজন দুয়ো এক হৰিৰ দৰে গুৰুও কৃপাময়; দুয়োজনে জীৱৰ মঙ্গল চিন্তে। তেওঁলোকে জীৱৰ প্ৰতি কৰা কৃপাৰ সৈতে সদায় তুষ্ট থাকে। দুয়োজনৰ চিত্ত কৃপাৰসেৰে তুষ্ট হৈ থাকে।

উপৰি উক্ত আলোচনাৰ পৰা এই কথা স্পষ্ট হৈ পৰে যে মাধৱদেৱে নাম-ঘোষাৰ মাজেদি অৱতাৰী পুৰুষ ৰূপে গুৰুজনা আৰু ভগৱানৰ মাজত অভেদত্ব স্থাপনত সফল হৈছে। ভক্তি ৰসেৰে সিক্ত হৈ 'পুণ্যশ্লোক শঙ্কৰ স্মৃতি' নামঘোষাৰ মাজেদি প্ৰৱাহিত হৈ আছে।

মাধৱদেৱে মহাপুৰুষ শঙ্কৰ গুৰুক যথাৰ্থ ৰূপত জনসাধাৰণৰ মাজত প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ভক্তি তত্ব নিৰূপক নাম-ঘোষাৰ "পুণ্যশ্লোক শঙ্কৰ স্মৃতি'ত এই কথা জল্ জল্ পট্ পট্ কৈ ফুটি উঠিছে। গুৰুক সুদৃঢ় ৰূপত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াসে "নাম-ঘোষাক" এক বিশেষ মৰ্য্যাদা প্ৰদান কৰিছে।

মাধৱদেৱে শঙ্কৰদেৱে প্ৰৱৰ্ত্তন কৰা 'এক শৰণ হৰি নাম ধৰ্ম্ম'ৰ ধাৰা অক্ষুণ্ণ ৰাখিবৰ বাবে ৰাইজক উদাত্ত স্বৰে আহ্বান জনাইছে। জীৱৰ মুক্তিৰ একমাত্ৰ পথ হ'ল ভক্তি। অন্তৰ্লীন উপলব্ধিৰে অন্তৰত ভক্তি জাগ্ৰত কৰিব পাৰিলেই জীৱই সাংসাৰিক জ্বলা যন্ত্ৰণাৰ পৰা মুক্ত হৈ পৰমানন্দ সুখ লাভ কৰিব পাৰে। মহাপুৰুষ শঙ্কৰদেৱে জীৱক এই পথৰ সন্ধান দি গৈছে।

শঙ্কৰদেৱৰ মহাপ্ৰয়াণৰ পিছত সমাজত ভালেমান পাণ্ডিত্যভিমানী মূৰ্খ লোকে নিজকে তত্ত্বদৰ্শী পণ্ডিত বুলি জনসাধাৰণৰ মন আকৰ্ষণ কৰি জীৱিকা অৰ্জন কৰিছিল। এনে ধাৰণাৰ প্ৰাবল্যত মতাদৰ্শ উটি যাব পাৰে বুলি শঙ্কা কৰি মাধৱদেৱে





শঙ্কৰেসে শুদ্ধমত ঈশ্বৰ ভকতি তত্ব
প্ৰচাৰিলা শাস্ত্ৰসাৰ জানি।

বুলি দৃঢ়তাৰে ঘোষণা কৰিছে।

শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি।
তাঙ্ক এৰি কি কাৰণে আনক বোলয় গুৰু
কিনো লোক মহা মূঢ়মতি।। ৫৪।।

ন্যস্ত স্বাৰ্থ মগ্ন লোকসকলে সমাজত নিজকে গুৰু বুলি জাহিৰ কৰি শঙ্কৰদেৱৰ ধৰ্ম্মমতত বেমেজালি সৃষ্টি কৰি সমাজক বিপথে পৰিচালিত কৰিবলৈ উদ্যত হৈছিল। তাকে দেখি এজন সমাজ সংস্কাৰক হিচাপে মাধৱদেৱে বহু দায়িত্ব মূৰ পাতি লব লগা হৈছিল। সামাজিক ঐক্য-সংহতি বিনস্ত হোৱাৰ উপক্ৰম হোৱাত মাধৱদেৱে এনে লোকসকলক 'মূঢ়মতি' বুলি কৈ জনসাধাৰণৰ আগত শঙ্কৰদেৱৰ ধৰ্ম্মমতকহে শুদ্ধ বুলি দাবী কৰে। তেওঁৰ মতে ঈশ্বৰৰ কৃপা অবিহনে শাস্ত্ৰাদিৰ শুদ্ধ তত্ত্ব জ্ঞান উপলব্ধি নোহোৱাকৈ কেৱল পাণ্ডিত্যৰ লোভতে গুৰু বোলোৱা উচিত নহয়।

"প্ৰকৃততে শুদ্ধ ধৰ্ম্মমত প্ৰতিষ্ঠা আৰু ৱাখ্যা কৰি জীৱৰ মনৰ সংশয় ছেদ কৰি শুদ্ধ পথৰ নিৰ্দ্দেশ দিব পৰা জনেই গুৰু"।

পুৰাণৰ কথামতে সত্যযুগত জীৱৰ মুক্তিৰ একমাত্ৰ পথ আছিল ভক্তি ধৰ্ম্ম। ইয়াৰ দ্বাৰা সামান্য লোকেও হৰিৰ নাম লৈ দেৱলোক অতিক্ৰমি বৈকুণ্ঠ পাইছিলগৈ; তাকে দেখি দেৱতা সকল ঈৰ্ষান্বিত হৈ শিৱৰ হতুৱাই নানান আগম শাস্ত্ৰ প্ৰণয়ন কৰাই নাম ধৰ্ম্ম গুপ্ত কৰি নানা দেৱদেৱীৰ পূজাৰ প্ৰচলন কৰে। ইয়াৰ পিছত মানুহে হৰি নামৰ কথা পাহৰি পেলালে। জীৱৰ উদ্ধাৰৰ বাবে সেই হৰিয়েই শ্ৰীমন্ত শঙ্কৰ ৰূপে অৱতাৰ ধৰি হৰি নামৰ পেড়া খুলি দিয়ে--

পৰম অমূল্য ৰত্ন হৰিৰ নামৰ পেড়া
আতি গুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি
মুদ ভাঙ্গি সমস্তকে দিল।। ১০০।।

দেৱতাসকলে গুপ্ত কৰি থোৱা প্ৰেমৰস পূৰ্ণ অমৃত নিধি হৰি নাম দয়ালু শঙ্কৰদেৱে অমৃত নিধিৰ ভাণ্ড ভাঙি সকলোকে পান কৰিবলৈ দিলে। কৃপালু গুৰুজনাই সমস্ত সংস্কৃত শাস্ত্ৰ মন্থন কৰি অমৃতময় হৰি নামৰ ভাণ্ডাৰ সকলোৰে বাবে মুকলি

কৰি দিলে। দেৱতা আৰু অহঙ্কাৰী পণ্ডিতসকলৰ গৰ্ব্ব শঙ্কৰদেৱে চূৰ্ণ কৰিলে।

হৰি নাম প্ৰেমৰস অমৃত নিধিক বান্ধি
গুপ্ত কৰি থৈলা দেৱগণে।
দয়ালু শঙ্কৰে পাই তুলি মুদ ভাঙি দিলা
সুখে পান কৰা সৰ্ব্বজনে।। ১০১।।

* * * *

ৰজা প্ৰজা জানি লেক ভক্তি পথ
শঙ্কৰৰ মত শুদ্ধ।
সিটো মত এৰি আন আচৰয়
পৰম সিটো মুগুধ।। ২৯১।।

উক্ত ঘোষাৰ জৰিয়তে মাধৱদেৱে শঙ্কৰদেৱৰ শুদ্ধমত আৰু সুগম ভক্তিৰ পথ পৰিহাৰ কৰিব খোজাসকলৰ প্ৰতি নিন্দাসূচক বাণী প্ৰয়োগ কৰিছে। কিয়নো ৰজা নৰনাৰায়ণৰ ওচৰত কিছুলোকে নানা খল লগাই শঙ্কৰদেৱৰ বিৰুদ্ধে গোচৰ তৰিছিল, কিন্তু শঙ্কৰদেৱে নৰনায়ণৰ ৰাজসভাত সকলো গোচৰীয়াক পৰাজয় কৰি ধৰ্ম প্ৰচাৰত অনুপ্ৰেৰণা যোগায়। তেনেস্থলত ভক্তি ধৰ্ম আচৰণ নকৰা লোকসকলৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰিছে আৰু তেনে লোকসকলৰ সমান দুৰ্ভগীয়া আৰু মূৰ্খ নাই বুলি নিন্দা কৰিছে।

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।। ৩৭১।।

জনসাধাৰণক শঙ্কৰ প্ৰৱৰ্তিত একশৰণ নামধৰ্মৰ প্ৰতি আসক্তি হ'বলৈ আহ্বান জনাই গুৰুগত প্ৰাণ শিষ্য মাধৱদেৱৰ অন্তৰ গুৰু প্ৰশস্তিৰে উপচি পৰিছে। মহাপুৰুষীয়া চাৰিবস্তুৰ ভিতৰত 'গুৰু' প্ৰধান। নাম-ঘোষাৰ বস্তু প্ৰকাশ অংশবিশেষৰ মাজেদি গুৰুজনাৰ মহিমাক এক বিশেষ দৃষ্টিৰে উপলব্ধি কৰোৱা হৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ আগলৈকে 'প্ৰেম অমৃতৰ নদী' সদৃশ হৰি নাম কেৱল বৈকুণ্ঠবাসীয়েই পান কৰিছিল। কিন্তু শঙ্কৰদেৱে কলি যুগত মনুষ্যৰ তাৰণৰ বাবে বৈকুণ্ঠত প্ৰবাহিত হৈ থকা অমৃতৰ নদীৰ পাৰ ভাঙি পৃথিৱীলৈ নমাই আনিছিল।

হৰি ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।





হেনয় কৃপালো শঙ্কৰ বিনাই
নাহি নাহি আন বন্ধু।। ৩৭৩।।

মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ উদাৰ দৃষ্টিভঙ্গীৰে অসমত এক ঐতিহ্যময় সমাজ গঢ়ি তুলিলে। সমাজ সংস্কাৰক মাধৱদেৱে নামঘোষা পদ ৰচনাৰ মাজে মাজে পৰম গুৰুজনাক স্মৰণ কৰি তেওঁৱেই মনুষ্য জাতিৰ পৰমবন্ধু, সেইকথা জনসমাজক জনাই দিছে আৰু তেওঁৰ বিনে যে মনুষ্য জাতিৰ কোনো বেলেগ বন্ধু নাই সেইকথা দৃঢ়তাৰে ব্যক্ত কৰিছে।

হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
ৰাম নাম ৰত্ন বেসায়া জগতে
চলয় বৈকুণ্ঠ পুৰী।। ৩৭৮ ।।

মাধৱদেৱে এজন ব্যৱসায়ী লোকৰ লগত তুলনা কৰি শঙ্কৰদেৱৰ কথা এইদৰে কৈছে যে তেওঁ বৈকুণ্ঠৰ পৰা ৰাম নাম ৰত্ন মহাধন আনি এই মৰ্ত্তত ব্যৱসায় কৰিছিল। অশান্ত জীৱসমূহক নাম বস্তুৰে কিনি লৈছিল আৰু এইসকলক ভক্তি পথ দেখুৱাই মুক্তি পথ সুগম কৰি তুলিছিল।

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।। ৩৭৫।।

অত্যন্ত তাৎপৰ্যপূণ উক্ত ঘোষাৰ জৰিয়তে মাধৱদেৱে গুৰু হিচাপে শঙ্কৰদেৱৰ সঠিক মূল্যায়ন কৰিবলৈ সমৰ্থ হৈছে। মহাপুৰুষ শঙ্কৰদেৱৰ সমস্ত গুণ গৰিমা ভুৰুকাত হাতী ভৰোৱাদি 'কল্পতৰু' শব্দটিৰ মাজতে নিহিত কৰি ৰাখিছে। বৈকুণ্ঠত কল্পতৰু নামে এজোপা গছ আছে। সেই গছজোপাৰ পৰা যেয়ে যি ফল বাঞ্চা কৰে, কল্পতৰু বৃক্ষই সেই ফলকে প্ৰদান কৰে।

মহাপুৰুষ শঙ্কৰদেৱও ভক্তসকলৰ বাবে কল্পতৰু বৃক্ষ সদৃশ। অসমীয়া জাতিটোক সু-প্ৰতিষ্ঠিত ৰূপ এটা দিবৰ বাবে তেওঁ যে অসমীয়াক কি কি দি নগ'ল। একশৰণ নাম-ধৰ্ম- যি সহজেই ভক্তক মুক্তিৰ সন্ধান দিব পাৰে, গীত, মাত, নানা বাদ্যযন্ত্ৰ, মণিকূট, নামঘৰ, ভাওনা। মুঠতে অসমীয়া সংগীত, স্থাপত্য আৰু ভাস্কৰ্যক এক নতুন ৰূপত আৱিস্কাৰ কৰিলে। জীৱন-ধাৰণৰ মান উন্নত কৰিবলৈ, সু-শৃঙ্খলিত নীতি আৰু আঁচনিৰে বহু সামাজিক কাম কৰিলে। এইবোৰ

কাৰণৰ বাবেই অসমীয়া জাতিটোক এডাল ডোলেৰে বান্ধি পেলাবলৈ সক্ষম হৈছিল। নামঘৰৰ মাজেদিয়েই গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰো প্ৰতিষ্ঠা কৰিলে। এনে এজন লোক বৈকুণ্ঠী হোৱাৰ পিছতে ন্যস্ত স্বাৰ্থশীল এচাম লোকৰ প্ৰৰোচনাত সামাজিক বিশৃঙ্খলাৰ সৃষ্টি হোৱা দেখি মাধৱদেৱৰ প্ৰাণ কান্দি উঠিছে। শঙ্কৰ স্মৃতিয়ে তেওঁৰ ভগা মনক প্ৰেৰণাৰ যোগান ধৰিছে। কল্পতৰু সদৃশ মহান গুৰুজনাৰ অৱদানসমূহ অস্বীকাৰ নকৰিবৰ বাবে জনসমাজলৈ তেওঁ আহ্বান জনাই বাৰে বাৰে কৈছে--

"তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।।"

ইয়াত শঙ্কৰদেৱক হৰি ভক্তি প্ৰকাশ ৰূপে এক যুগৰ স্ৰষ্টাকাৰী হিচাপে দেখুৱা হৈছে। এই নিৰ্মল ভক্তিৰ পথ দেখুওৱা গুৰুজন যুগে যুগে ভক্তসকলৰ বাবে পৰম কৃপালু ৰূপত বৰ্তি থাকিব।

শ্ৰীমন্ত শঙ্কৰে প্ৰকাশিলা গোবিন্দৰ গুণ নাম যশ
জগতৰ লোকে পৰম আনন্দে গাৱে।
হেনয় শঙ্কৰ গুৰু বিনে কমন কাৰণে আনজনে
লোকৰ মাজত আপুনি গুৰু বোলাৱে।। ৬২৫ ।।

নাম-ঘোষাত য'তেই মাধৱদেৱে মন কৰিছে, ত'তেই তেওঁৰ মন পৰশি থকা গুৰু প্ৰশস্তি স্বতঃস্ফুৰ্ত ৰূপত প্ৰকাশ পাইছে। এনেদৰেই তেওঁ গুৰুৰ প্ৰতি থকা কৃতজ্ঞতা প্ৰকাশ কৰিছে। কণ্টকাকীৰ্ণ পথেৰে অগ্ৰসৰ হৈ গুৰুৱে অক্লান্ত সাধনাৰে নিৰ্মাণ কৰা সমাজ ব্যৱস্থাত তেওঁৰ মৃত্যুৰ পাছত যেতিয়া কেৰোণ সোমাল, এজন সচেতন ব্যক্তি হিচাপে মাধৱদেৱে সহ্য কৰি থাকিব নোৱাৰিলে। সেয়ে ~~ভক্তি বিগলিত নাম-ঘোষাত মাজে মাজে এনেধৰণৰ তীৰ্যক নিন্দাসূচক কিছুমান~~ স্তৱক পোৱা যায়। ইয়াৰ মাজেদি প্ৰকাশ পাইছে মাধৱদেৱৰ গুৰু ভক্তিৰ স্বৰূপ।

আদি সত্য যুগে শুদ্ধ ধৰ্ম্ম আছিলেক মাত্ৰ হৰি নাম
দেৱসৱে গুপ্ত কৰিলে কৰি কপট।
হেন হৰি নাম ব্যক্ত কৰি সমস্ত লোকক উদ্ধাৰিলা
শ্ৰীমন্ত শঙ্কৰে ভাঙ্গিলা সবাৰো পট।। ৩৭৮ ।।

বাৰম্বাৰ মাধৱদেৱে নাম-ঘোষাৰ মাজেদি মহাপুৰুষ শঙ্কৰদেৱক গুৰুৰো পৰম গুৰু হিচাপে প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। সেই সময়ৰ দুৰ্জ্জন লোকসকলৰ প্ৰতি তীৰ্যক নিন্দাসূচক ঘোষাসমূহে মাধৱদেৱৰ সমসাময়িক কালচেতনা উজ্জীৱিত কৰি তুলিছিল, যাৰ সুদূৰপ্ৰসাৰী ফল এতিয়াও উপলব্ধ হৈ





আছে। শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা ধৰ্মৰ বিৰোধী আৰু গুৰুক অবমাননা কৰিবলৈ বিচৰাসকলৰ প্ৰতি মাধৱদেৱৰ কলম সময়ে সময়ে তীক্ষ্ণধী হৈ পৰিছে। মাধৱদেৱৰ জীৱনৰ ব্ৰত গুৰু আৰু গুৰুধৰ্মক সুদৃঢ় ৰূপত প্ৰতিষ্ঠা কৰা। 'বস্তু' অংশত মাধৱদেৱ যেনেদৰে গুৰু প্ৰশংসাত পঞ্চমুখ, তেনেদৰে 'নিন্দা' অংশত শঙ্কৰ বিৰোধীসকলৰ প্ৰতি হৈ পৰিছে অত্যন্ত তীক্ষ্ণ সমালোচক। শঙ্কৰদেৱ সম্পৰ্কীয় কু-মন্তব্য শুনিলেই শান্ত সমাহিত মাধৱ হৈ পৰে অশান্ত।

অৱশেষত ড° বাণীকান্ত কাকতিৰ ভাষাৰে এইদৰে ক'ব পাৰি- 'নাম-ঘোষা গ্ৰন্থক শঙ্কৰ স্মৃতি মণ্ডিত মাধৱদেৱৰ পূৰ্ণব্ৰহ্মস্বৰূপ কৃষ্ণৰ প্ৰতি একান্তিক ভক্তিৰ বিৰাট ঝঙ্কাৰ বুলিব পাৰি।"

**<u>সহায়ক গ্ৰন্থপঞ্জী</u> ঃ**


১। মহাপুৰুষ মাধৱদেৱ বাক্যামৃত ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ ঃ ১৯৯৪ চন।
২। নাম-ঘোষা ৰসামৃত ঃ ইলাৰাম দাস ঃ ২য় প্ৰকাশ, ১৯৯৬ চন।
৩। গুৰুচৰিত কথা অধ্যয়ন ঃ ড° মুকুল চক্ৰৱৰ্তী ঃ ১ম প্ৰকাশ, ২০০০
৪। স্নাতকৰ কথাবন্ধ ঃ সম্পাদনা- ড° মহেশ্বৰ নেওগ ঃ ১৯৯৮ সংস্কৰণ।
৫। অসমীয়া সাহিত্য ৰূপৰেখা ঃ ড° কৰবী ডেকা হাজৰিকা ঃ ১ম প্ৰকাশ।
৬। গৰীয়সী- নৱম বছৰ একাদশ সংখ্যা ঃ সম্পাদক ঃ চন্দ্ৰ প্ৰসাদ শইকীয়া।
৭। নামধৰ্ম -৫৪৪ শঙ্কৰাব্দ গুৰু আবিৰ্ভাৱ সংখ্যা। ৪২ তম্ বছৰ ঃ ১ম প্ৰকাশ ঃ সম্পাদক - ড° ধৰ্মেশ্বৰ চুতীয়া


**লেখিকাৰ পৰিচয় ঃ**


উষাৰাণী দত্ত মজুমদাৰ, মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ
মৰিগাঁও মহাবিদ্যালয়, মৰিগাঁও।

অতিক্ৰম কৰি পাঠকৰ অন্তৰ এক অলৌকিক আনন্দনিস্যন্দী অন্তৰ্জগতৰ মাজলৈ লৈ যায়, পাঠকক বুদ্ধি আৰু বোধৰ অপূৰ্ব মিলন ৰাজ্যত প্ৰবেশৰ এক বিৰল সুযোগ দান কৰে। 'ধ্বন্যালোক'ত আচাৰ্য অভিনৱ গুপ্তই কবিৰ সৃষ্টি প্ৰতিভাক "অপূৰ্ব বস্তু নিৰ্মাণক্ষম প্ৰজ্ঞা" বুলি কৈছে; অৰ্থাৎ যি প্ৰজ্ঞাৰ দ্বাৰা অপূৰ্ব বস্তু নিৰ্মাণ কৰা হয়, সেয়ে প্ৰতিভা। নাম-ঘোষাৰ কবিয়েও এই প্ৰজ্ঞাৰেই তেওঁৰ উপলব্ধ তত্ত্বক আনন্দময় ৰসত দ্ৰৱণ কৰি অভিনৱ গুপ্তৰ ভাষাৰেই 'পৰব্ৰহ্মাস্বাদসচিবঃ' আনন্দ দান কৰিছে। ই আনন্দ আৰু ৰস দুয়ো প্ৰায় একাকাৰ হৈ যোৱাৰ অৱস্থাই ৰসময়-- আনন্দময় অৱস্থা। 'কাব্যপ্ৰকাশ'ৰ ভাষ্যত গোবিন্দ ঠক্কুৰে 'ৰসাস্বাদন-সমুদ্ভূতম্ আনন্দম' এই সংজ্ঞাৰ অৰ্থ কৰিছে--
"ৰসাস্বাদনস্বৰূপম্ আনন্দম" বুলি; অৰ্থাৎ ৰস আস্বাদনৰ স্বৰূপেই আনন্দ। এই আনন্দ সদ্য 'ৰসাস্বাদনস্বৰূপ পৰা ওপজে; তেতিয়া আৰু আন কোনো জানিবলগীয়া বিষয় নাথাকে; এই আনন্দ ব্ৰহ্মক আস্বাদন কৰি বা ব্ৰহ্মক উপলব্ধি কৰি পোৱা আনন্দতুল্য হৈ উঠে। অৱশ্যে এই কথাও স্মৰ্তব্য যে ৰস আৰু আনন্দ একাকাৰ হৈ উঠা যেন লাগিলেও একে নহয়; ৰস হ'ল ভাৱাশ্ৰিত আনন্দ। 'সাহিত্য-দৰ্পণ'ত (১/৩) বিশ্বনাথ কবিৰাজে কৈছে, 'ৰস্যতে ইতি ৰসঃ।' 'নাট্যশাস্ত্ৰ'ত (৬/৩৫) ভৰত মুনিয়ে কৈছে, 'অত্ৰাহ, ৰস ইতি কা পদাৰ্থ? আস্বাদ্যত্বাৎ।' অৰ্থাৎ, 'ৰস কোন পদাৰ্থক কোৱা হয়? যি আস্বাদিত হয়।' 'তৈত্তিৰীয় উপনিষদ' (ব্ৰহ্মানন্দবল্লী ২/৭ )ৰ প্ৰসিদ্ধ মন্ত্ৰটিত কোৱা হৈছে 'ৰসো বৈ সঃ, ৰসং হ্যেবায়ং লব্ধানন্দী ভৱতি' অৰ্থাৎ, 'তেৱেঁই ৰস; কাৰণ ৰস লাভ কৰি এই পুৰুষ (জীৱ) আনন্দীভূত হয়।' এই আনন্দ কি? তৈত্তিৰীয় উপনিষদতে (ভৃগুবল্লী) কৈছে, 'আনন্দো ব্ৰহ্মেতি', অৰ্থাৎ 'আনন্দই ব্ৰহ্ম।' এতেকে শেষ স্তৰত 'ৰসো বৈ সঃ' আৰু 'আনন্দো ব্ৰহ্মেতি'ৰ মাজত ৰস আৰু আনন্দ দুয়োৰে পৰিচয় ব্ৰহ্মত দ্ৰবীভূত হৈছে। মাধৱদেৱৰ নাম-ঘোষাৰ মাজতো এই ৰস আৰু আনন্দৰ দ্ৰৱন সাধিত হৈছে।

'নাম-ঘোষা'ৰ আৰম্ভতে তেওঁ যি 'ৰসময়ীভকতি' মাগিছে, 'সেই ৰসময়ী ভকতি আদ্যন্ত নাম-ঘোষাত ৰৈ আছে। ই সম্ভৱ হৈছে তত্ত্বক হৃদয়ৰ অনুভূতিলৈ ৰূপান্তৰ কৰি তাৰ মাজতে নিজকো দ্ৰৱীভূত কৰি নিজেই আনন্দময় হৈ উঠাৰ তুৰীয় অৱস্থাপ্ৰাপ্তিৰ ফলতহে। 'নাম-ঘোষা'ৰ ওচৰ চাপিবলৈ হ'লে মাধৱদেৱৰ এই আনন্দময় অৱস্থাটি বিচাৰ্য হৈ পৰে।

নাম-ঘোষাত বাণীকান্ত কাকতিয়ে তিনিটা ভাৱৰ ধাৰা মিহলি হৈ থকা বুলি



# মাধৱদেৱৰ নাম-ঘোষাঃ তত্ত্ব আৰু ৰস

**ড° নগেন শইকীয়া**

**এক**

মাধৱদেৱৰ ভাগিন নাতি দৈত্যাৰি ঠাকুৰে (ৰামচৰণ ঠাকুৰৰ পুত্ৰ) চৰিত পুথিত মাধৱদেৱৰ মুখেৰে কোৱাইছেঃ

দেখা ঘোষা পুথিখন আমাৰ আছয়।
সৰে কহি আছোঁ যিবা কহিবে লাগয়।।
তাহাৰ অৰ্থকে যিবা জন বুজিবেক।
সেহিজনে জানা লাগ আমাক পাইবেক।। (১৫৬৫)
ঘোষাতে সমস্ত মোৰ বলবুদ্ধি যত।
যাৰ ভাগ্য আছে আতে ৰাজিবে সমস্ত।। (১২৬৬)

মহাপুৰুষগৰাকীয়ে এই কথা নিজ মুখে কৈ যাওক বা নাযাওক, সেই কথা ডাঙৰ কথা নহয়; কিন্তু দৈত্যাৰি ঠাকুৰেও যদি কৈছে যে ঘোষাতেই মাধৱদেৱ সম্পূৰ্ণকৈ আছে, তেওঁ সঠিকভাৱে মূল্যায়ন কৰি গৈছে। কোনোৱে কৈছে ই বগৰীৰ দৰে, বাহিৰটো কোমল, ভিতৰটো কঠিন, অনেকে আকৌ মুখে মুখে শুনি আহিছে আৰু কৈ আহিছে মাধৱদেৱে এহেজাৰ ঘোষা ৰচনা কৰি গৈছে; প্ৰথম ঘোষাফাঁকি গুৰু শঙ্কৰদেৱে ৰচনা কৰি তেওঁৰ পথ কাটি দিছে। মাধৱদেৱৰ অচলা গুৰু ভক্তিৰ বাবে আৰু হেজাৰী ঘোষাত এহেজাৰ এটা ঘোষা থকাৰ বাবেই এই ধাৰণা কেনেবাকৈ কোনোবাই সদিচ্ছাবশতঃ প্ৰচাৰ কৰি থৈ গ'ল যদিও এনে ধাৰণাৰ কোনো বাস্তৱ আৰু ঐতিহাসিক ভিত্তি নাই। কাৰণ, এই গ্ৰন্থখনি মাধৱদেৱৰ শঙ্কৰদেৱৰ পূৰ্বৰ আজ্ঞাৰে কৰা শেষ বয়সৰ ৰচনা- শঙ্কৰদেৱৰ তিৰোধানৰ পিছৰ। এতেকে নাম-ঘোষা মাধৱদেৱৰ সমস্ত জীৱনৰ জ্ঞান আৰু গভীৰ অনুভৱৰ স্বতঃস্ফূৰ্ত কাব্যময় প্ৰকাশ। ভাৱৰ গভীৰতা, বিষয়ৰ যথাযোগ্যতা, প্ৰকাশভঙ্গীৰ চাৰুতা আৰু ভক্তিৰ ৰসময়ী স্বৰূপৰ অনন্য অভিব্যক্তিয়ে 'নাম-ঘোষা'ক কৰি তুলিছে সকলো কালৰ বাবে এক মহৎ কাব্যকৃতি। নাম-ঘোষাই ধৰ্ম্মৰ সকলো সাম্প্ৰদায়িক ৰূপ

কৈছে ('পুৰণি অসমীয়া সাহিত্য'ৰ অন্তৰ্ভুক্ত 'নাম-ঘোষা' বিষয়ক ৰচনা) ঃ পুণ্য-শ্লোক শঙ্কৰ স্মৃতি, আত্মলঘিমা আৰু কৃষ্ণভক্তিৰ মাহাত্ম্য। কাকতিয়ে লগতে কৈছে, 'কিন্তু হিমালয়ৰ নিভৃত শৃঙ্গৰ ওপৰত স্তুপীকৃত হৈ থকা এক অনন্ত তুহিন ৰাশিয়েই গলি গৈ ভৈয়ামত নানান নদ-নদী ৰূপে অৱতীৰ্ণ হোৱাৰ দৰে, এই তিনিও ধাৰাৰেই মূল কাৰণ হৈছে মাধৱদেৱৰ ৰসময়ী ভক্তিৰ গভীৰ আৱেগ।'

ইতিপূৰ্বে ইঙ্গিত দি অহা গুৰুজনা শঙ্কৰদেৱৰ আজ্ঞা আছিল, 'গুৰু চৰিত কথা' মতে শঙ্কৰদেৱে মাধৱত নিজ শক্তি-ভক্তি, বল পৰাক্ৰম থৈ নাও মেলি শেহবাৰৰ নিমিত্তে ভটীয়াই যোৱাৰ সময়ৰ। শঙ্কৰদেৱে আজ্ঞা কৰি গ'ল, 'বৰা পো, সৰ্বস পালন কৰিবাঁ; নাহোঁ মানে ঘোষা নামে এখনি প্ৰেম ভক্তি গ্ৰন্থ কৰিবাঁ আমাৰ পাছত যেন ৰৌ-বৰালীৰ পৰা ডনিকণালৈকে ৰয় যেনেকৈ। দহ হাজাৰ বৈকুণ্ঠৰ নাম দিবা।' শঙ্কৰদেৱৰ তিৰোধানৰ পিছত যেতিয়া মাধৱদেৱে সুন্দৰি দিয়াত আছিল, তেতিয়াই এই পুথি ৰচনা কৰে। 'গুৰু চৰিত' মতে বিভিন্ন সময়ত বিভিন্ন সৰু বৰ প্ৰসঙ্গৰ লগত সংগতি ৰাখি তেওঁ কেতবোৰ ঘোষা ৰচনা কৰে। কেতিয়াবা হয়তো তেনে কোনো উপলক্ষ্য থাকিবও পাৰে; কিন্তু সেয়ে লক্ষ্য নহয়; হ'ব নোৱাৰে। মাধৱদেৱে নিজেই কোৱা বুলিও আছে, 'মই গুৰুসেৱাকৈ যি পালোঁ, তাকো ঘোষাতে থৈছোঁ; অনেক শাস্ত্ৰ বিচাৰি যি ৰসতত্ত্ব পালোঁ তাকো ঘোষাতে থৈছোঁঃ আৰু পৰমাত্মা ইষ্টে হৃদিত থাকি যি বুদ্ধি দিলে তাকো মই ঘোষাতে থৈছোঁ (গুৰু চৰিত কথা', ছেদ **৯২৭, ১ম** সংস্কৰণ)। এই বুলিও মাধৱদেৱে কোৱা চৰিত পুথিয়ে কৈছে ঃ

দশম-কীৰ্ত্তন গুৰুজনাৰ মূৰ্তিৰ সমান।
ঘোষা-ৰত্নাৱলী আমাৰ থাকিবৰ থান।।

অসমত শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ এই চাৰিখনি গ্ৰন্থ চাৰিটি স্তম্ভৰ দৰে হ'ল। মন কৰিবলগীয়া কথা যে, প্ৰথম দুখনি অৰ্থাৎ শঙ্কৰদেৱ বিৰচিত 'দশম' আৰু 'কীৰ্ত্তন' আখ্যানধৰ্মী। প্ৰথমখনি ভাগৱতৰ আদি দশমৰ শঙ্কৰদেৱ কৃত ৰূপ আৰু দ্বিতীয়খনিও ভাগৱতৰ কাহিনীৰ আধাৰত ৰচিত। দুয়োখনিৰে ভক্তি ধৰ্ম গ্ৰন্থৰূপে আৰু সাহিত্যকৃতিস্বৰূপে থকা মূল্য অনস্বীকাৰ্য। অসমত বৈষ্ণৱ ধৰ্ম মত প্ৰতিষ্ঠাত যোৱা প্ৰায় পাঁচশ বছৰৰ এই দুখনি গ্ৰন্থই গ্ৰহণ কৰি অহা ভূমিকাও মন কৰিবলগীয়াকৈ অত্যুচ্চ স্তৰৰ। মহাপুৰুষগৰাকীয়ে আখ্যানৰ আৱৰণেৰে বৈষ্ণৱ ধৰ্মৰ মূলতত্ত্ব কৃষ্ণ-চৰিত্ৰৰ আধাৰত কায়-মন-বাক্য-চিত্ত আকৃষ্ট হোৱাকৈ এনেভাৱে





এই দুখনি গ্ৰন্থৰ মাজত প্ৰকাশ কৰি গৈছে যে দুয়োখনি গ্ৰন্থই বৈষ্ণৱসকলৰ জীৱন সঙ্গী আৰু জীৱনী শক্তিত পৰিণত হোৱাৰ দৰে হৈছে। বিশেষকৈ 'কীৰ্ত্তন' পুথি অবিহনে বৈষ্ণৱ ভক্তিমাৰ্গত এটা খোজ দিয়াও সম্ভৱ নহয়। এইকথা প্ৰমাণ-সিদ্ধ যে কীৰ্তন ঘোষাৰ বেলেগে বেলেগ অংশ বেলেগ বেলেগ সময়ত লিখা হৈছিল, আৰু ভক্তিধৰ্মৰ প্ৰচাৰত এই কীৰ্তন ঘোষা যিটো ৰূপত পোৱা গৈছে সেই ৰূপত ই প্ৰথমতে নাছিল। বৰা-পোত সকলো কথাবস্তু থৈ গুৰুজনে প্ৰয়াণ (**১৪৯০** শক, **১৫৬৮** খৃষ্টাব্দ) কৰাৰ প্ৰায় **২৭** বছৰৰ পিছতহে; মহাপুৰুষ মাধৱদেৱৰ আজ্ঞাৰে তেওঁৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰে কীৰ্তন ঘোষাৰ বিভিন্ন অধ্যায়সমূহ হাজো, দক্ষিণকূল, বৰপেটা, বৰনগৰ, কালজাৰ, ভৱানীপুৰ আৰু আহোম ৰাজ্যৰ অনেক ঠাইৰ পৰা সংগ্ৰহ কৰি ক্ৰম লগাই **১৫১৮** শকৰ জেঠ মাহ (**১৫৯৬** খৃঃ) মাধৱদেৱৰ হাতত অৰ্পণ কৰে আৰু মাধৱদেৱে হাতত লৈ

যৈত যিবা কথা থৈব লাগে থৈছে
বিচাৰি দেখিল পাছে।।**১৫৮৭**
নালাগে লাড়িবে ভাল আছে সৰে
এহি বুলি হাসিলন্ত।।**১৫৮৮**

(দৈত্যাৰি ঠাকুৰ ৰচিতগুৰু চৰিত ঠাকুৰ)

এতেকে শঙ্কৰদেৱৰ 'কীৰ্ত্তন ঘোষা'ক বৰ্তমানৰ ৰূপ দিয়াতো মাধৱদেৱৰ ভূমিকাই আছিল আটাইতকৈ উল্লেখযোগ্য। এই কথাও স্মৰ্তব্য যে গুৰুজনা শঙ্কৰদেৱৰ জীৱদ্দশাত গুৰু-প্ৰাণ মাধৱদেৱে গুৰুজনাৰ আদেশ মানি তেওঁ গীত-ভটিমা লিখিছিল, 'অৰ্জুন-ভঞ্জন'ৰ (দধি-মথনৰ) দৰে নাটক ৰচনা কৰি তাক প্ৰয়োগ কৰিছিল আৰু গুৰু নিৰ্দেশতে 'জন্ম ৰহস্য'ৰ দৰে পদ পুথি লিখিছিল। কিন্তু সেই দয়ালু গুৰুজনাৰ আঙ্গুলি-নিৰ্দেশত তেওঁৰ কৰিবলগীয়া কামখিনি গুৰুৰ প্ৰয়াণৰ পিছতহে পন্থৰ সৰ্বভাৰ শিৰত লৈ, অকলশৰে প্ৰতিদ্বন্দ্বীৰ শক্তিৰ লগত যুঁজি থকা কালত হে ৰচনা কৰিছিল-- বালকাণ্ড ৰামায়ণ, ভক্তি-ৰত্নাৱলী অনুবাদ, শাস্ত্ৰ-শিৰোমণি 'নাম-ঘোষা' ৰচনা। এই কেউটি কৰ্ম তেওঁ সুন্দৰীতেহে সম্পাদন কৰিছিল। তেওঁৰ অনুপম ঝুমুৰাকেইখনি আৰু বৰগীতৰ থূলটিও সম্ভৱতঃ সুন্দৰীত থকাতহে সম্পূৰ্ণ কৰিব পাৰিছিল।' (মহেশ্বৰ নেওগ, শ্ৰীশ্ৰীমাধৱদেৱ, **৯৯-১০০**)

'ভক্তি ৰত্নাৱলী' পুথিৰ অনুবাদো মাধৱদেৱে গুৰুৰ আদেশ সাৱোগত কৰি পিছত কৰিছে। বিষ্ণুপুৰী সন্ন্যাসীয়ে, সম্ভৱতঃ তেৰোঁ শ্ৰীধৰ স্বামীৰ দৰে অদ্বৈতবাদী

সন্ন্যাসী আৰু ভক্তও; তেওঁ প্ৰায় চাৰিশ শ্লোকৰ ভিত্তিত তেৰটি বিৰচন বা ভাগত ভাগৱতৰ তত্ত্ব লিখি 'ভক্তি ৰত্নাৱলী'ত সন্নিবিষ্ট কৰিছে। সেই তেৰটি বিৰচন হ'ল- - ভক্তি সামান্য, ভক্তিহেতু, ভক্তিভেদ, শ্ৰৱণ, কীৰ্তন, স্মৰণ, পদ-সেৱন, অৰ্চন, বন্দন, দাস্য, সাখিত্ব, আত্মনিবেদন আৰু শেহত শৰণ। মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মমাৰ্গত থকা নৱবিধ ভক্তি ভাগৱতৰ ভিত্তিতে বিষ্ণুপুৰী সন্ন্যাসীয়ে 'ভক্তি ৰত্নাৱলী'ত সন্নিবিষ্ট কৰিছিল। শঙ্কৰদেৱে বিষ্ণুপুৰী সন্ন্যাসীৰ এই গ্ৰন্থ আহি হাতত পৰাৰ আগতেই সংস্কৃতত 'ভক্তি ৰত্নাকৰ'ৰ প্ৰণয়ন সম্পূৰ্ণ কৰিছিল। তেওঁ ব্যক্ত কৰিছিল যে, 'ভক্তি ৰত্নাৱলী পোৱা হ'লে "ভক্তি ৰত্নাকৰ" কৰাৰ কথা নাভাবিলেহেঁতেন। এই গ্ৰন্থৰ কাম তেওঁ 'বৰা-পো' লৈ থৈ গ'ল। 'বৰা-পো' ৰে কৰা এই কাম কণ্ঠ ভূষণৰ ভাষাৰে ঃ 'পণ্ডিতে মুখ দিব নোৱৰা বিচক্ষণ হৈছে।' কিন্তু 'ভক্তি ৰত্নাৱলী' মূল তত্ত্ব আৰু বক্তব্যক ক'তো অকণো হেৰ-ফেৰ হ'বলৈ নিদিয়াকৈ মাধৱদেৱে কৰা ভাঙনি, যথাৰ্থতে ড° মহেশ্বৰ নেওগৰ কথাৰে-- 'ভাঙনি মানে তৰ্জমা নহয়, ব্যাখ্যাহে' (শ্ৰীশ্ৰীমাধৱদেৱ, **১১৬**)।

দেখা যায়, বিষ্ণুপুৰী সন্ন্যাসীৰ ভক্তিতত্ত্বৰ ব্যাখ্যা আৰু শ্ৰীমদ্ভাগৱতৰ শ্ৰীধৰ স্বামীকৃত ভাষ্য 'ভাগৱত-ভাৱাৰ্থ-দীপিকা' এই দুখনি শাস্ত্ৰই শঙ্কৰদেৱ প্ৰৱৰ্তিত আৰু 'মাধৱদেৱ প্ৰতিপালিত অসমৰ বৈষ্ণৱ ধৰ্মৰ ঘাই আধাৰ। তৎসত্ত্বেও মন কৰিবলগীয়া এয়ে যে মাধৱদেৱে তেওঁৰ 'নাম-ঘোষা' পুথিৰ প্ৰথমৰ 'ছবি' ছন্দৰ প্ৰথম ঘোষাটি বিষ্ণুপুৰী সন্ন্যাসীৰ 'যে মুক্তাৱপি নিঃস্পৃহাঃ প্ৰতিপদ-প্ৰোন্মীলদানন্দং। যামাস্থায়... সমস্ত মস্তক মণিং কুৰ্ৱন্তিং স্বৈৰশে। তান্ ভক্তানপি তাঞ্চ ভক্তিমপি তং ভক্ত প্ৰিয়ং শ্ৰীহৰিং। ৱন্দে সপ্তমৰ্থয়েহনু দিৱসং নিত্যং শৰণ্যং ভজে।' 'ভক্তি-ৰত্নাৱলী'ৰ কান্তিমালা টীকাৰ এই শ্লোকেৰেই আৰম্ভ কৰিলেও তেওঁ ভাগৱত পুৰাণৰ অহেতুকী বা অব্যৱহিতা ভক্তিৰ আধাৰত 'মুক্তিতো নিস্পৃহ' নকৰি 'মুক্তিত নিস্পৃহ' এই ভাঙনিহে আগবঢ়াইছে। অহেতুকী বা অব্যৱহিতা ভক্তিৰ কৰ্মই হ'ল কোনো সামান্যতম আকাংক্ষা নকৰাটো। এতেকে বিষ্ণুপুৰীৰ 'মুক্তাৱপি'ৰ মাধৱদেৱে 'অপি' স্বাভাৱিকভাৱেই বাদ দিছে। এই বিষয়ে সন্দেহ থাকিব নালাগে। আৰম্ভণিৰ এই শ্লোকটিয়েই নিৰ্দেশ কৰে যে অসমত শঙ্কৰদেৱ প্ৰৱৰ্তিত অব্যৱহিতা ধৰ্মৰ ধাৰাহে প্ৰৱাহিত হৈ আহিছে আৰু মাধৱদেৱে গুৰু-প্ৰৱৰ্তিত সেই ধাৰাটিহে পালন পোষণ কৰি আগবঢ়াই নিছে। এই ক্ষেত্ৰত মাধৱদেৱ আছিল অচল-অটল আৰু আপোচবিহীন। নামঘোষাত তেওঁৰ শক্তি-ভক্তি, তত্ত্ব-আৱেগ সকলোৰে এটি মধুৰ





সমন্বয় সাধিত হৈছে। ফলত কেতিয়াবা যেন তত্ত্বৰ মাজত, কেতিয়াবা ৰহস্যময়তাৰ মাজত, কেতিয়াবা অন্তৰৰ আকুল আৱেগৰ মাজত মাধৱদেৱৰ নাম-ঘোষাত অভিব্যক্ত হৈছে।

## দুই

'নাম-ঘোষা'ৰ এহেজাৰ এটি ঘোষা ভাব প্ৰকাশৰ লগত সংগতি ৰাখি বিভিন্ন পটলত সু-সংশ্লিষ্টভাৱে সজোৱা হৈছে। ছবি, দুলড়ী আৰু লেছাৰি ছন্দ-ঘাইকৈ এই তিনিটি ছন্দত নাম-ঘোষা লিখিত হ'লেও শেহৰ ফালে থকা 'ঘোষাছন্দ' আৰু 'নামছন্দ'ৰ প্ৰসংগও উল্লেখযোগ্য। এই দুয়োটা ছন্দই সামৰা ৩১৮ টি ঘোষাত আত্ম-নিবেদন আৰু আত্মবিলোপনৰ ভাবৰ চূড়ান্ত অভিব্যক্তি ঘটিছে।

"অৰুণ চৰণ তলে হৰি কমলাপতি।

সত্যে সত্যে পশিলোঁ শৰণ।।" বুলি আৰম্ভ কৰা ঘোষাছন্দৰ প্ৰথম জোঁটা ঘোষাৰ পৰা "তোমাৰ অভয় দুই চৰণে শৰণ লৈলোঁ, লৈয়ো মোক নিজ দাস কৰি হৰি ৰাম" এই শেহৰ জোঁটা ঘোষালৈকে-এই ১৬৬ টি ঘোষাত আত্মনিবেদন আৰু বিলোপন সম্পূৰ্ণ হৈ উঠিছে। "তুমি প্ৰাণ-প্ৰিয়তম/সুহৃদ পৰম দেৱ/প্ৰাণ প্ৰভু পীতাম্বৰ এ/ তুমি সে কেৱল আত্মা মোৰ/হৰি হৰি তুমি সে পৰম আত্মা মোৰ"--এনে প্ৰকাশভংগীত আনক দিয়া "উপদেশ" নাই, এক গভীৰ আত্মবোধৰ আকুল আৱেগ উজ্জলি উঠিছে। আনহাতে 'নামছন্দ'ৰ ১৫২ টি ঘোষাত যেন নিজৰ অস্তিত্বও পাহৰি কেৱল নামৰ মাজত সম্পূৰ্ণ দ্ৰৱীভৱন সাধিত হৈছে। ঘোষাছন্দ আৰু নামছন্দত ছবি, দুলড়ী, পদ আদি ছন্দৰ মিশ্ৰণ ঘটিছে।

ছবি, দুলড়ী, লেছাৰি, ঘোষাছন্দ আৰু নামছন্দ-এই শিৰোনামাকেইটি বাদ দি নাম-ঘোষাৰ ঘোষাসমূহ মুঠ **৩৭** টি পটলত বিভাজিতঃ ভজন, নমস্কাৰ, উপদেশ, নিন্দা, প্ৰাৰ্থনা, মহিমা, আত্ম-উপদেশ, আত্মনিন্দা, বস্তু প্ৰকাশ, প্ৰশংসা অনুধিতা, নাম, পৰমাৰ্থ সাৰ, সাৰনিৰ্ণয়, বৰ্ণাশ্ৰম, হৰবাৰ, নামান্বয়, শৰণ, খেদ, নিন্দা, নাম মহিমা, নাম, নিবেদন, কলিধৰ্ম নিৰ্ণয় ঈশ্বৰৰ পুৰুষ লক্ষণ, যুগধৰ্ম নিৰ্ণয়, ঈশ্বৰ নিৰ্ণয়, কলিধৰ্ম, তাৎপৰ্য, তুতি, আশ্ৰয়, কীৰ্তন-প্ৰশংসা, ভাগৱত প্ৰশংসা, পৰম-পুৰুষাৰ্থ, কাৰুণ্য আৰু কাকুতি। এই **৩৭** টি ভাগৰ পুনৰাবৃত্তি ঘটি প্ৰায় **৯০** টি (**৯১** টি) ভাগত সমস্ত গ্ৰন্থখনি বিভাজিত হৈছে। ইয়াৰে আকৌ অনুধিতা, অনুনাথনা আৰু হৰবাৰ এই তিনিটি নামৰ আভিধানিক অৰ্থ পোৱা টান। অনুধিতা শব্দটি অনুধ্যান , যাৰ অৰ্থ শুভ চিন্তা-- তাৰে পৰাই উদ্ভৱ বুলি ক'বলৈ যত্ন কৰি চাব

পাৰি। 'অনুনাথনা'ৰ তেনে কোনো আভিধানিক উৎস বিচাৰি নাপালেও "কাতৰ প্ৰাৰ্থনা'ৰ ভাব এটি ব্যঞ্জিত হোৱা যেন লাগে। কিন্তু "হৰবাৰ" শব্দটিৰ এনে অৰ্থ অনুমান কৰাও কঠিন। 'হৰ' শব্দৰ অৰ্থ যদি 'প্ৰতি' বুলি ধৰা হয় তেনেহ'লে 'প্ৰতিবাৰ' শব্দ এটি ওলায়। কিন্তু ই কিমানদূৰ প্ৰযোজ্য হ'ব ভাবি চাবলগীয়া। 'নাম-ঘোষা'ত দুবাৰ এই শিৰোনামা ব্যৱহৃত হৈছে। প্ৰথমবাৰ- "অধমে কেৱল দোষ লৱয় মধ্যমে গুণ/ দোষ লৱে কৰিয়া বিচাৰ" এই ঘোষাৰ পৰা (১৩১ নং) ১৩৯ সংখ্যক 'ভাৰত ৰত্নৰ দ্বীপ মনুষ্য শৰীৰ নৌকা/ৰাম নাম মহাৰত্ন সাৰ"- ঘোষালৈকে এটি ঘোষা আৰু দ্বিতীয়বাৰ "চৈতন্য আদিত্য হৃদয় আকাশে/সৰ্ব্বদায়ে প্ৰকাশয়"ৰ পৰা "পৰম নিৰ্ম্মল ধৰ্ম্ম-হৰি যশ/জগত-পালনকাৰী" লৈকে (৩৯০, ৯১, ৯২) তিনিটি ঘোষা "হৰবাৰ" শিৰোনামৰে চিহ্নিত হৈছে। ইয়াত একেখিনি কথা বা উপদেশ বা ভাৱৰ পুনৰাবৃত্তিত ঘটা বুলিবও নোৱাৰি যে "প্ৰতিবাৰ" কোনো এটি আৱৰ্তৰ মূৰে মূৰে ই দেখা দিছে বুলিব পাৰি। সি যি নহওক, ঘোষাক বিভাজিত কৰি ৰখা প্ৰতিটি শিৰোনামাৰ সংশ্লিষ্ট ঘোষাসমূহৰ লগত আছে অবিচ্ছেদ্য সম্পৰ্ক।

নাম-ঘোষাৰ এই পটল বিভাজন গ্ৰন্থখনিৰ এটি বৈশিষ্ট্য। আন কোনো গ্ৰন্থত এনেভাৱে এনে শিৰোনামাৰে পটল বিভাজন কৰা বুলি জানিব পৰা নাই। সাতত্ৰিশটি পটলত বিভাজিত এহেজাৰ এটি ঘোষাৰে নামঘোষাৰ শৰীৰ নিৰ্মিত হৈছে।

## তিনি

শঙ্কৰদেৱ-প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ ঘাই আধাৰ হৈছে পুৰাণ সূৰ্য ভাগৱত। এই ভাগৱত পূৰ্ণব্ৰহ্ম কৃষ্ণৰ মাহাত্ম্য আৰু লীলাৰ আখ্যান। আখ্যানৰ মাজেদিয়েই যথাৰ্থতে ভাগৱতত ব্যক্ত হৈছে অনাদি, অনন্ত, নিৰ্গুণ, নিৰাকাৰ, চৈতন্য স্বৰূপে সৰ্বব্যাপ্ত উপনিষদৰ ব্ৰহ্ম। বেদান্ত বা উপনিষদৰ এই ব্ৰহ্মৰ কোনো ৰূপ নাই, কিন্তু ব্ৰহ্মই সকলো ৰূপৰ আকাৰ; কোনো গুণ নাই, সকলো গুণৰ উৎস (তুমি প্ৰভু নিৰ্গুণ গুণৰ সীমা নাই); তেওঁ কাৰোপৰা জন্ম লাভ কৰা নাই, কিন্তু সকলো জন্মৰ কাৰণ তেওঁ (নাহি জন্ম তোমাৰ তথাপি জন্ম ধৰা। সোহি জন্মে জীৱৰ জনম দূৰ কৰা); তেওঁ সৎ, চিৎ, আৰু আনন্দ; তেৱেঁই সৃষ্টিও আৰু তেৱেঁই স্ৰষ্টাও; তেৱেঁই চৈতন্য স্বৰূপ পৰম সত্য আৰু তেৱেঁই প্ৰাতিভাষিক সমস্ত জগত স্বৰূপ মায়াও। কঠোপনিষদ (১৬-২৫, ২য় বল্লী, মন্ত্ৰ)ত নাচিকেতাৰ প্ৰশ্নৰ উত্তৰত যমে ব্ৰহ্মৰ স্বৰূপ কি কব'লৈ গৈ কৈছে-বেদে যাক বিচাৰি আছে, যাৰ জন্মও নাই, মৃত্যুও





নাই, যি স্বয়ম্ভু, যি অমৃত, নিত্য, শাশ্বত, পুৰাণ (চিৰবিদ্যমান), অনৰোৰণীয়ান মহতোমহীয়ান, সেয়ে ব্ৰহ্ম।" এই ব্ৰহ্মই দেহস্থ আত্মা। এই আত্মাৰ স্বৰূপ কি ?

> ন জায়তে ম্ৰিয়তে ৱা কদাচিন নায়ং ভূত্বাভৱিতা বা ন ভূয়ঃ।
> অজো নিত্যঃ শাশ্বতো ইয়ং পুৰাণো ন হন্যতে হন্যমানে শৰীৰে।। ২০।।
> নৈনং ছিন্দন্তি শস্ত্ৰাণি নৈনং দহতি পাৱকঃ।
> ন চৈনং ক্লেহয়ন্ত্যাপো ন শোষয়তি মাৰুতঃ।। ।।
> অচ্ছেদ্যোহয়মদাহ্যোয়ম অক্লেদোই শোষ্য এৱচ।
> নিত্যঃ সৰ্বগতঃ স্থানুৰচলোইয়ং সনাতনঃ।।২৪।।
> অৱ্যক্তোহয়মচিন্ত্যোইয়ম অৱিকাৰ্যোহয় মুচ্যতে।
> তন্মাদেৱং ৱিদিত্বৈনং নানুশোচিতু মইসি।। ২৫।।

(সাংখ্যযোগঃ শ্ৰীমদ্ভগৱদগীতা)

চমুকৈ, এই আত্মাৰ জন্ম নাই, মৃত্যু নাই, একক, নিত্য আৰু চিৰনতুন, আত্মাৰ ক্ষয় নাই, বৃদ্ধি নাই; শৰীৰ পুৰণি হৈ নাশ হ'লেও আত্মা অবিনাশী, ইয়াক অস্ত্ৰই কাটিব নোৱাৰে; অগ্নিয়ে দাহ কৰিব নোৱাৰে, পানীয়ে গলাব নোৱাৰে, বতাহে শুহিব নোৱাৰে; ই অচ্ছেদ্য, অদাহ্য, অসিক্ত, অশোষ্য, নিত্য, সৰ্বব্যাপক, অচল, চিৰস্থায়ী আৰু চিৰ বৰ্তমান সনাতন; ই ইন্দ্ৰিয় আৰু মনে ঢুকি নোপোৱা, অপৰিৱৰ্তনীয়, অব্যক্ত আৰু অচিন্ত্য।

এই ব্ৰহ্মক কেৱল উপলব্ধিৰেহে পাব পাৰি; যুক্তি, বুদ্ধি, তৰ্কৰে তাৰ স্বৰূপ নিৰ্ণয় কৰা অসম্ভৱ। কিন্তু কাৰ্য-কাৰণৰ বিচাৰেৰে সকলো বিষয় বুজি পাবলৈ যত্ন কৰা মানুহে কেনেকৈ এই ব্ৰহ্মক বুজিব ? কি বুলি বুজি পাব। এই অনন্ত আকাশ (দেশ) আৰু অনন্ত কাল জুৰি তেওঁ ব্যাপ্ত। এতিয়াৰ পদাৰ্থ বিজ্ঞানে ইন্দ্ৰিয়-গোচৰীভূত সকলো বিষয় বা পদাৰ্থৰ সৃষ্টিৰ উৎস--অনন্ত মহাকাশ আৰু সময় ব্যাপ্ত থকা "অবাঙমনথগোচৰ" শক্তি (energy)বুলি কৈছে। এই অনন্ত শূন্যত ব্যাপ্ত থকা শক্তিৰ পৰাই পদাৰ্থৰ জন্ম আৰু এই পদাৰ্থৰ বিনাশ আছে, শক্তিৰ বিনাশ নাই। এই বিশ্ব প্ৰপঞ্চৰ ৰহস্যক ৰহস্যবাদীসকলে সেই বাবেই অৰূপৰ ৰূপৰ খেলা বুলিছে; এই সৃষ্টি, স্থিতি, লয় যেন কোনো অদৃশ্য পৰম শক্তিৰ খেলা, সাগৰত অবিৰাম টৌ উঠাৰ দৰেই অবিৰাম চলি আছে ভঙা-গঢ়াৰ এই খেল। যি শক্তিৰ পৰা আত্মাৰ জন্ম, সেই শক্তিয়েই আমাৰ শৰীৰ, মন, বুদ্ধি, চিত্ত, লোভ, মোহ, কাম, ক্ৰোধ, মদ, মাৎসৰ্য, অহংকাৰ এই সকলোবোৰ দিছে। এই সকলোবোৰ

কাঢ়ি লৈ গৈছে আৰু এই সকলোবোৰ ধৰি ৰখা-- অদৃশ্য শক্তিস্বৰূপ আত্মাই এই সকলো বন্ধন ছিঙি মহাশক্তি স্বৰূপ সৰ্বব্যাপ্ত পৰমাত্মাত লীন গৈছে। এই পৰমাত্মা বা পৰম ব্ৰহ্মৰ বাহিৰে তেনেহ'লে কি সত্য আছে?

শঙ্কৰাচাৰ্যই তেওঁৰ অদ্বৈতবাদত সেয়ে ক'লে,

শ্লোকাৰ্ধেন প্ৰবক্ষামি যদুক্তং গ্ৰন্থ কোটিভিঃ।
ব্ৰহ্ম সত্য জগন্মিথ্যা জীৱ ব্ৰহ্মৈৱ কেৱলম্।।

অৰ্থাৎ, জগতৰ কোটি কোটি গ্ৰন্থত যি কথা কৈছে, সেই কথা মই এটা শ্লোকৰ আধাত কওঁঃ ব্ৰহ্মই সত্য, জগত মিছা; জীৱই ব্ৰহ্ম।

শঙ্কৰদেৱে তেওঁৰ সমস্ত ৰচনাৰ মাজত য'তে উচিত বিবেচনা কৰিছে ত'তে ব্ৰহ্মৰ অদ্বৈত স্বৰূপৰ কথা কৈ গৈছে।

দ্বাদশ স্কন্ধ ভাগৱতত কৈছেঃ

বুদ্ধি মন ইন্দ্ৰিয় মহত্ত্ব অহংকাৰ।
ব্ৰহ্মত পৃথক নুহি যতেক সংসাৰ।।
ব্ৰহ্ম ব্যতিৰেকে মিছা যত দেখি আন।
জৰীত উপজি যেন আছে সৰ্পজ্ঞান।

ইয়াৰ লগতে-"হৰমোহন"ৰ হৰস্তুতি"ৰ অংশ তুলনীয়ঃ

তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোহ্মাত ব্যতিৰেক।। ৫১৯।।
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুৱৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ।। ৫২০।।
তুমিসে কেৱল সত্য মিছা সৱে আন।
জানি জ্ঞানীজনে কৰে হৃদয়ত ধ্যান।। ৫২২।।

নাইবা--যেন ঘট মাটি ব্যতিৰেক আন নাই। "চতুৰ্বিংশতি অৱতাৰ"ৰ প্ৰথম চৰণটি শঙ্কৰদেৱে আৰম্ভ কৰিছে--ব্ৰহ্মৰূপী সনাতনক প্ৰণাম কৰি। স্থানান্তৰত তেওঁ কৈছে ঃ

তুমি সত্য ব্ৰহ্ম তোমাত প্ৰকাশে
জগত ইটো অসন্ত।

নাইবা "বেদান্তৰো জানা এহিসে তত্ত্ব" বুলি কৈ তেওঁ অদ্বৈত ব্ৰহ্মকে পৰম সত্য বুলি গ্ৰহণ কৰি, এই সত্যৰ ভিত্তিতে তেওঁৰ ধৰ্মমত প্ৰতিষ্ঠা কৰিছে। কিন্তু মন





কৰিবলগীয়া কথা এয়ে যে--এই পাৰমাৰ্থিক তত্ত্বলৈ যাবৰ বাবে 'সমজ্যা'ৰ লোকৰ বাবে তেওঁ ৰামানুজনৰ বিশিষ্টাদ্বৈতবাদৰো সহায় লৈছে আৰু শঙ্কৰাচাৰ্যই স্বীকাৰ নকৰা অৱতাৰবাদৰ সাঁকোডাল পাৰি দিছে। সেয়ে, "চতুৰ্বিংশতি অৱতাৰ"ৰ দ্বিতীয় চৰণটিতে "সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ" বুলি নিৰাকাৰ ব্ৰহ্মক সাকাৰ ৰূপত কল্পনা কৰাৰ পথ এটি মোকোলাই দিছে।

শঙ্কৰাচাৰ্যৰ মতানুসৰি দুটা দৃষ্টিৰে ব্ৰহ্মক ব্যাখ্যা কৰিব পাৰি, এটা হ'ল পাৰমাৰ্থিক দৃষ্টি আৰু আনটো হ'ল ব্যৱহাৰিক দৃষ্টি। পাৰমাৰ্থিক দৃষ্টিত ব্ৰহ্মৰ কোনো ভেদ নাই, ব্ৰহ্মত জীৱ-জগতৰ কোনো গুণ আৰোপ কৰা নাযায়। ব্ৰহ্মৰ পাৰমাৰ্থিক সত্তা বৰ্ণনাতীত, নিৰ্গুণ আৰু নিৰ্বিশেষ। জীৱ আৰু ব্ৰহ্মৰ মাজতো ভেদ নাই, দুয়ো এক আৰু অভিন্ন। ভেদ দৃষ্টিৰ অন্ত হ'লেই 'তত্ত্বমসি' আৰু 'সেইহং'--এই জ্ঞান হ'ব আৰু আত্মা বন্ধনমুক্ত হ'ব। ভেদজ্ঞান হ'ল--মায়া বা অবিদ্যা জনিত। এই অবিদ্যা বা মায়া আঁতৰিলেই, অৰ্থাৎ, "সৎ"ৰ জ্ঞান লাভ হ'লেই জীৱ আৰু জগত ব্ৰহ্মতে লীন হয়।

অবিদ্যা নাশিলে লাগ কৃষ্ণক পাৱয় যেন
কণ্ঠলগ্ন বস্তুক সাক্ষাৎ।। ৪১।। (নাম-ঘোষা)

এয়ে হ'ল ব্ৰহ্মৰ স্বৰূপ লক্ষণ।

আনটো দৃষ্টিৰে অৰ্থাৎ ব্যৱহাৰিক দৃষ্টিৰে চাই জীৱজগত সত্য যেন ভাব হয়। এই দৃষ্টিৰে চাই ব্ৰহ্মক জগতৰ স্ৰষ্টা, পালন কৰ্তা আৰু সংহাৰ কৰ্তা বুলি কোৱা হয়; ব্ৰহ্মকে সৰ্বজ্ঞ, সৰ্বশক্তিমান 'পুৰুষ' বুলি কোৱা হয়। এয়ে হ'ল সগুণ ঈশ্বৰ। ইয়াকেই ব্ৰহ্মৰ তটস্থ লক্ষণ বুলিও কোৱা হয়। কিন্তু 'জগতক' সত্য বুলি কোৱাৰ বা স্বীকাৰ কৰাৰ কোনো কথা নাই।

শঙ্কৰাচাৰ্যৰ বিশুদ্ধ অদ্বৈতবাদত ব্ৰহ্মৰ সজাতীয়, বিজাতীয় বা স্বগত কোনো ভেদ নাই; জীৱ ব্ৰহ্মৈৱ কেৱলম্। কিন্তু ৰামানুজনৰ বিশিষ্টাদ্বৈতবাদত ব্ৰহ্মৰ স্বগতভেদ স্বীকৃত। যিদৰে একেটি শৰীৰৰ বিভিন্ন অংগ-প্ৰত্যংগৰ মাজত পাৰ্থক্য আছে, কিন্তু সকলো অংগ-প্ৰত্যংগই একেটি শৰীৰৰ অবিচ্ছিন্ন অংশ, তেনেদৰে জীৱ আৰু ব্ৰহ্মৰো পৃথকতা আছে- যদিও জীৱ ব্ৰহ্মৰে অবিচ্ছিন্ন অংশ। সাংখ্যদৰ্শনৰ দৰে ৰামানুজনেও জগতক (যাক শংকাৰাচাৰ্যই প্ৰতিভাস মাত্ৰ বুলি কৈছে) প্ৰকৃতিস্বৰূপে গ্ৰহণ কৰিছে। অৱশ্যে ৰামানুজনে প্ৰকৃতিৰ এটা সম্পূৰ্ণ সুকীয়া অস্তিত্ব স্বীকাৰ কৰা নাই; বৰং প্ৰকৃতিক ব্ৰহ্মৰ দ্বাৰা নিয়ন্ত্ৰিত ব্ৰহ্মৰ অংশ বুলিহে

গ্ৰহণ কৰিছে। অৰ্থাৎ ব্ৰহ্মাৰ দৰে প্ৰকৃতি বা জগতৰ অস্তিত্বও সত্য; অৰ্থাৎ এক ব্ৰহ্মৰে অদৃশ্য আৰু দৃশ্য দুটা ৰূপ। শংকৰাচাৰ্যৰ লগত ৰামানুজনৰ পাৰ্থক্য এইখিনিতে অধিক। তেওঁৰ মতে এক ব্ৰহ্ম সকলো পদাৰ্থতে বিদ্যমান আৰু সকলো পদাৰ্থৰ সত্তা ব্ৰহ্মত প্ৰতিষ্ঠিত। অৰ্থাৎ সোণ আৰু সোণৰ কুণ্ডল, মাটি আৰু মাটিৰ পাত্ৰৰ পাৰ্থক্য আৰু সম্পৰ্ক যেনে, ব্ৰহ্ম আৰু জগতৰ সম্পৰ্কও তেনে। তাৰ উপৰি ব্ৰহ্ম হ'ল সৰ্বশক্তিমান, সৰ্বজ্ঞ, সৰ্বব্যাপ্ত, সৃষ্টি-স্থিতি-লয়ৰ কাৰণ। এক ৰামানুজনৰ ব্ৰহ্মবাদ ঈশ্বৰবাদৰ তুল্য। ৰামানুজনৰ মতে ব্ৰহ্মই অৰ্চা, বিভৱ, বুহ্য, সুক্ষ্ম আৰু অন্তৰ্যামী এই পাঁচ প্ৰকাৰে অৱস্থান কৰে। ব্ৰহ্মবোধৰ বাবে অভিগমন, উপাদান, কথা, অধ্যায় আৰু যোগ-এই পাঁচ প্ৰকাৰৰ উপাসনা পদ্ধতিও ৰামানুজনৰ দ্বাৰা স্বীকৃত বুলি কোনো কোনোৱে ক'ব খোজে।

শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদ আৰু ৰামানুজনৰ বিশিষ্টাদ্বৈতবাদৰ ধৰ্মৰ ধাৰণাৰ ভিত্তিত আমি শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মৰ দাৰ্শনিক তত্ত্বৰ ভেটিটো বিচাৰি চাব পাৰোঁ। শঙ্কৰদেৱৰ ধৰ্মৰ তত্ত্বৰ ভেটিটি পালেই মাধৱদেৱৰ নামঘোষাৰ তত্ত্বৰো ওচৰ চাপিব পৰা হ'ব। কাৰণ, মাধৱদেৱে গুৰুজনাৰ ধৰ্মৰ তত্ত্ব আৰু পন্থ এই দুয়োটিৰ পৰা এচুলিমানো ইফাল-সিফাল হোৱা নাই; বৰং ক'ব পাৰি, গুৰুজনাই প্ৰতিষ্ঠা কৰা তত্ত্ব আৰু পন্থক তেওঁ গুৰুজনাতকৈও অধিক টানিহে ধৰিছে।

দেখা যায় শ্ৰীমন্ত শঙ্কৰদেৱে বেদান্তৰ ব্ৰহ্মকে সম্পূৰ্ণভাৱেই স্বীকাৰ কৰিছে (বেদান্তৰো জানা এহিসে তত্ত্ব) আৰু ব্ৰহ্মক একমাত্ৰ সৎ, চিৎ আৰু আনন্দৰূপে গ্ৰহণ কৰিছে। জগতক তেওঁ অসত্য বুলি স্পষ্টকৈ কৈছে "অসন্ত জগতখান তোমাতে প্ৰকাশি আছে" নাইবা "তুমি সত্য ব্ৰহ্ম তোমাতে প্ৰকাশে, জগত ইটো অসন্ত"--এই বুলি নাইবা,

ব্ৰহ্ম ব্যতিৰেকে মিছা যত দেখি আন।
জৰীত উপজি যেন আছে সৰ্পজ্ঞান।।

এই বাক্যৰে 'ৰচ্ছত সৰ্পভ্ৰম'ৰ অদ্বৈতবাদী মত তেওঁ স্বীকাৰ কৰিছে পোনপটীয়াকৈ। অৰ্থাৎ ব্ৰহ্মাৰ একত্ব, অদ্বিতীয়ত্ব স্বীকাৰ কৰিছে আৰ জগতক ভ্ৰম বা মায়া বুলি অভিহিত কৰিছে। এফালে শঙ্কৰাচাৰ্যৰ বিশুদ্ধ অদ্বৈতবাদ আৰু আনফালে ৰামানুজনৰ বিশিষ্টাদ্বৈতবাদ--এই দুয়োটিৰ গ্ৰহণীয়তা কেনেকৈ সম্ভৱ হ'ব পাৰে? শঙ্কৰদেৱৰ বৈষ্ণৱ-দৰ্শনৰ বিশিষ্টতা এই উত্তৰৰ মাজতে নিহিত হৈ আছে।





এই কথা স্মৰ্তব্য যে শঙ্কৰদেৱে শঙ্কৰাচাৰ্য বা ৰামানুজনৰ দৰে কোনো দাৰ্শনিক পন্থ প্ৰতিষ্ঠা বা প্ৰচাৰ কৰা নাছিল; তেওঁ প্ৰচাৰ কৰিছিল ভক্তিধৰ্ম, যি ভক্তিধৰ্ম অৱশ্যেই এটি দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ এই দৰ্শন শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদৰ পৰা পৃথক নহয়। কিন্তু এই অদ্বৈতবাদৰ দাৰ্শনিক ভেটিৰ ওপৰত তেওঁ যেতিয়া ভক্তিধৰ্মৰ সৌধ নিৰ্মাণ কৰিলে, তেতিয়া তাৰ সকলো উপাদান গ্ৰহণ কৰিলে পুৰাণ সূৰ্য ভাগৱতৰ পৰা। ভাগৱতৰ কৃষ্ণ- যি স্বয়ং শুদ্ধ চৈতন্যময় বিষ্ণু। 'ধ্যান-বৰ্ণন'ত কল্পিত চমৎকাৰ বৈকুণ্ঠপুৰীত যি 'হৰি' পৰম আনন্দত অধিষ্ঠান কৰিছে, তেওঁ পূৰ্ণব্ৰহ্ম। কৃষ্ণৰ সগুণ ৰূপ ধ্যানৰ মাজেদি যিটি ৰূপ লব্ধ, সেই ৰূপ--নিৰ্গুণ ব্ৰহ্মৰ সগুণ ৰূপত বাহিৰে আন একো নহয়। অৰ্থাৎ, নিৰ্গুণ ব্ৰহ্মৰ যিহেতু ৰূপ কল্পনা অসম্ভৱ সেই বাবে নিৰ্গুণ ব্ৰহ্মৰ ধাৰণাও দুৰূহ কাম। এতেকে, সৃষ্টি-স্থিতি লয়ৰ যি নিয়ত লীলা বিশ্ব চৰাচৰত চলি আছে সেই লীলাৰ মানবীয় পাৰ্থিৱ ৰূপ কৃষ্ণৰ লীলাৰ মাজেদি দাঙি ধৰি নিৰ্গুণ ব্ৰহ্মৰ ওচৰ চপোৱাৰ পন্থা ভাগৱতে উলিয়াই দি গৈছে। কৃষ্ণই বিষ্ণু । বিষ্ণু শব্দৰ অৰ্থই হ'ল সৰ্বব্যাপ্ত। সেইবাবে বেদত প্ৰথমে সূৰ্য্যকে বিষ্ণু বোলা হৈছিল। পিছত যেতিয়া সৃষ্টি উৎসৰ সন্ধানত গৈ ব্ৰহ্মতত্ত্ব লাভ কৰিল, তেতিয়া ব্ৰহ্মই বিষ্ণু হ'ল। এই বিষ্ণুৱেই ভগৱান ভগ+ বতুবা ঃ অৰ্থাৎ যাৰ ভগ অৰ্থাৎ জননেন্দ্ৰিয় আছে; অৰ্থাৎ য'ৰ পৰা সকলোৱে জন্ম হৈছে। 'বৃহ' ধাতুৰ পৰা আকৌ ব্ৰহ্ম হৈছে। 'বৃহ' ধাতুৰ অৰ্থত হ'ল য'ৰ পৰা সকলোৱে বৃদ্ধি ঘটিছে। অৰ্থাৎ ব্ৰহ্ম আৰু ভগৱান সমাৰ্থক। এই ব্ৰহ্ম বা ভগৱানৰ অন্য নাম হ'ল বিষ্ণু। ভাগৱতৰ কৃষ্ণ এই বিষ্ণুৰে অৱতাৰ। সেয়ে তেওঁ ভগৱানঃ কৃষ্ণস্তু ভগৱান স্বয়ং। তেওঁ ভাগৱতত গকুলৰ, বৃন্দাবনৰ, মথুৰাৰ কৃষ্ণ। কৃষ্ণ শব্দৰ বুৎপত্তিগত অৰ্থ হ'ল-- পৃথিৱীৰ আনন্দৰ কাৰণ ('কৃষ হেন শব্দ ইটো পৃথিৱীবাচক ভৈল ণ আনন্দত প্ৰৱৰ্ত্তয়")

শঙ্কৰদেৱৰ মূল লক্ষ্য হ'ল বেদান্তৰ ব্ৰহ্ম; আৰু সেই নিৰ্গুণ, নিৰাকাৰ ব্ৰহ্মক উপলব্ধি কৰাৰ ঘাই আধাৰ হ'ল সগুণ, সাকাৰ কৃষ্ণ। লক্ষ্যপ্ৰাপ্তিৰ বাবে তেওঁ যিটি পন্থ নিৰূপণ কৰিলে, সি তত্ত্বক দাৰ্শনিকৰ জ্ঞান-পথ নহয়; সেই পথ হ'ল অবিচল বিশ্বাসৰ ভেটিত প্ৰতিষ্ঠিত (বিশ্বাসে পাইলন্ত হৰি তৰ্কে বহুদূৰ) একশৰণ ধৰ্ম। একশৰণ ধৰ্মৰো আকৌ প্ৰধান মাধ্যম হ'ল কৃষ্ণৰ নাম-কীৰ্তন আৰু শ্ৰৱণ। এই নামে সাতবিধ কাৰ্য-সম্পাদন কৰিব ঃ

প্ৰথমে দহিবে পাতকচয়।
কৰিবে মহাপুণ্য অভ্যুদয়।।

কৰাইবে বিষয়ত বিৰকতি।
কৃষ্ণত পৰাইবে প্ৰেম ভকতি।। ৬৫।।
উপজাইবে আতি বৈষ্ণৱ জ্ঞান।
মায়াকো দহিয়া কৰৈ নিৰ্য্যাণ।
চৈতন্যময় পূৰ্ণানন্দ হৰি।
থৈৰন্ত তেন্তে এৰে একে কৰি।। ৬৬।।

(নাম অপৰাধ)

'পাষণ্ড মৰ্দ্দন'ত কৈছেঃ
জ্ঞানতো কৰ্ম্মতো কৰি সম্প্ৰতি।
হৰি কীৰ্ত্তনেসে পৰম গতি।। ১০২।।
জ্ঞানতো কৰ্ম্মতো কৰিয়া নৰ।
হৰি কীৰ্ত্তনত কৰা আদৰ।। ১৪১।।

জ্ঞানমাৰ্গ ত্যাগ কৰিবলৈ জনোৱা এই আহ্বানৰ এটা মনস্তাত্বিক আৰু প্ৰায়োগিক যুক্তিযুক্ততা আছে। জ্ঞানৰ পথ হ'ল জটিল তৰ্কৰে কণ্টকাকীৰ্ণ। সাধাৰণ মানুহৰ বাবে এই পথ গ্ৰহণ কৰা সম্ভৱ নহয়। এতেকে যি ভক্তিধৰ্ম দক্ষিণ ভাৰতবৰ্ষত 'আলৱাৰ' সকলে আৰম্ভ কৰিলে আৰু ত্ৰয়োদশ-চতুৰ্দশ শতিকাত উত্তৰ ভাৰতবৰ্ষকো যি মাৰ্গই আঞ্চলিক ৰূপত সামৰি ল'লে, শঙ্কৰদেৱে সৰ্বসাধাৰণৰ বাবে গ্ৰহণযোগ্য সেই ভক্তিপথ নিৰ্মাণ কৰিলে নিজৰ অসামান্য প্ৰতিভাৰে। নিৰ্গুণ ব্ৰহ্মক সগুণ ৰূপত কল্পনা কৰি সেই ব্ৰহ্মাৰ লগত নিজৰ বোধ লীন কৰাৰ বাবে বিভিন্নজনে বিভিন্ন পথ গ্ৰহণ কৰিছে। কোনোবাই সেই অৰূপ-ৰূপক 'সুন্দৰৰ' ৰূপত, কোনোবাই প্ৰিয়তমৰ ৰূপত, কোনোবাই প্ৰিয়াৰ ৰূপত, কোনোবাই সখিৰ ৰূপত কল্পনা কৰি একাত্ম হোৱাৰ প্ৰয়াস কৰিছে। শঙ্কৰদেৱে প্ৰভু ৰূপত আৰু নিজকে দাস ৰূপত কল্পনা কৰি দাস্য ভক্তি মাৰ্গ নিৰ্মাণ কৰিলে। ইয়াৰ দ্বাৰা-- বেদান্তৰ মূল লক্ষ্যও ৰখা হ'ল আৰু লক্ষ্যপ্ৰাপ্তিৰ জটিল পথো প্ৰত্যাহৃত হ'ল। ব্যৱহাৰিক দৃষ্টিত জীৱ আৰু ব্ৰহ্মাৰ একত্ব স্থাপন কৰি শ্ৰীমন্ত শঙ্কৰদেৱে অদ্বৈতবাদী দৰ্শনৰ এটি বিশিষ্ট প্ৰায়োগিক পথ নিৰ্মাণ কৰিলে।

ঈশ্বৰৰ সেৱা কৰন্তে জীৱৰ গুছয় মায়াৰ ভ্ৰম'-- বুলি কৈয়েই পুনৰ কৈছে-- 'ব্ৰহ্মপদে শুদ্ধ জীৱক বোলয়। ঈশ্বৰ পৰম ব্ৰহ্ম।

সাংখ্যৰ পুৰুষ আৰু প্ৰকৃতিৰ ওপৰত বেদান্তৰ অদ্বয় ব্ৰহ্মাৰ 'নিয়ন্তা মাধৱ',





'বেদৰ গুপুত বিত্ত', পুৰাণৰ 'সৰ্ববীজং পৰং ব্ৰহ্ম কৃষ্ণ'ই হ'ল-- উপাস্য দেৱতা। জ্ঞান মাৰ্গৰে পাব পৰা বহুত দূৰত; কিন্তু ভক্তি মাৰ্গৰে পাব পৰা ভাগৱতৰ কৃষ্ণ নিচেই ওচৰত।

জ্ঞান পথ এৰি প্ৰভু তোম্মাৰ কথাক।
কায়-বাক্য-মনে সেৱৈ যিটো সাধুজাক।।
যদ্যপি অজিত তুমি তিনিও জগতে।
তথাপি তোম্মাক জিনৈ সেহিসে ভকতে।।

সেই বাবে "তপ জপ যজ্ঞ দান সৱে বিড়ম্বন।
কেৱলে ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।"

এতেকে,

"কৃষ্ণ মোৰ গতি মতি কৃষ্ণত ভকতি প্ৰীতি
কৃষ্ণ পাৱে নিমজ্জোক মন।"

সগুণ ঈশ্বৰৰ ধ্যানৰ মাজেৰেই নিৰ্গুণ ব্ৰহ্মাৰ জ্ঞান দান, ঈশ্বৰত আত্মসমৰ্পণৰ মাজেৰেই ব্ৰহ্ম-পৰমব্ৰহ্মাৰ মিলন সংঘটন-- এয়ে হ'ল ভাগৱতী ধৰ্মৰ ঘাই কথা। বেদান্তৰ 'সোহহং আৰু শঙ্কৰাচাৰ্যৰ', 'তত্ত্বমসি'ৰ তাৎপৰ্যও ইয়াতেই প্ৰতিভাত হৈছে। ৰামানুজনৰ অৱতাৰবাদ গ্ৰহণৰ কাৰণো ইয়াতেই নিহিত।

## চাৰি

শ্ৰীমন্ত শঙ্কৰতকৈ চল্লিশ বছৰৰ পিছত ১৪৮৯ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰা মাধৱদেৱে, ১৫২২ খ্ৰীষ্টাব্দত অৰ্থাৎ তেওঁৰ প্ৰায় বত্ৰিছ বছৰ বয়সত, মাজুলিৰ বেলগুৰিত শঙ্কৰদেৱক লগ নোপোৱালৈকে আছিল শাক্ত। শঙ্কৰদেৱৰ লগত বাদ কৰিবলৈ গৈ শেহত যেতিয়া শঙ্কৰদেৱেঃ

যথা তৰোৰ্মূল নিঃষেচনেন তৃপ্যন্তি তৎস্কন্ধ ভূজোপ শাখাঃ।
প্ৰাণো পাহাৰশ্চ যথোন্দ্ৰিয়ানাং তথা সৰ্বচিন মুচ্যতেভ্যঃ।।

এই শ্লোক ব্যাখ্যা কৰিলে, তেওঁ দণ্ডৱতে পৰি শঙ্কৰদেৱক গুৰু মানিলে। শঙ্কৰদেৱত শৰণ লৈ, জোৰণৰ কন্যাকো এৰি, মাধৱদেৱে সমগ্ৰ জীৱন উছৰ্গা কৰিলে গুৰু, দেৱ, নাম, ভকতৰ সেৱাত।

ড'কাকতিয়ে উল্লেখ কৰা 'পুণ্য শ্লোক শঙ্কৰ-স্মৃতি' 'নাম-ঘোষা'ত ব্যাপ্ত হৈ আছে কাৰণ,

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।

তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।। ৩৭৫।।

তেওঁৰ 'গুৰুভটিমা'ৰ কথা বাদ দিও নাম-ঘোষাত 'গুৰু প্ৰাণ মাধৱদেৱৰ উছৰ্গিত প্ৰাণৰ পৰিচয় ফুটি উঠিছে। তেওঁ ঘোষণা কৰিছেঃ

শঙ্কৰেসে শুদ্ধমত ঈশ্বৰ ভক্তিৰ তত্ত্ব
প্ৰচাৰিলা শাস্ত্ৰসাৰ জানি।
ইহাক নজানি মূঢ়ে জীৱিকাৰ অৰ্থে ফুৰে
আপুনাৰ মহত্ত্ব বখানি।। ৫৩।।
শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি।
তাঙ্ক এৰি কি কাৰণে আনক বোলয় গুৰু
কিনো লোক মহামূঢ়মতি।। ৫৪।।

'নাম মহিমা'ত তেওঁ ব্যক্ত কৰিছেঃ

নিৰ্গুণ কৃষ্ণৰ গুণক প্ৰকাশ
কৰিলা শ্ৰীশঙ্কৰে।

'বস্তু প্ৰকাশ'তো কৈছেঃ

হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেমে অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।। ৩৭১।।

'গুৰুচৰিত'ত মাধৱদেৱৰ গুৰু-ভক্তিৰ বিষয়ে বৰ্ণিত আখ্যানসমূহৰ কথা বাদ দিও তেওঁৰ ৰচনাত পৰিব্যাপ্ত হৈ থকা বিভিন্ন প্ৰসঙ্গৰ পৰাই অনুমান কৰিব পাৰি, তেওঁ কেনে গভীৰ ভাৱে গুৰু ভক্তিপৰায়ণ আছিল। তেওঁ যে গুৰু শঙ্কৰদেৱক ঈশ্বৰৰ অৱতাৰ বুলি মনৰ অতল তলিৰ পৰা বিশ্বাস কৰিছিল, তাৰ প্ৰমাণ 'গুৰুভটিমা' ইতো দিছেই, 'নাম-ঘোষা'য়ো দি গৈছে। 'গুৰুভটিমা'ততো তেওঁ 'জগজন তাৰণ দেৱ নাৰায়ণ--শঙ্কৰ তাকেৰি অংশ' বুলি তেওঁৰ বিশ্বাস নিৰ্বিধায় প্ৰকাশ কৰি গৈছে। এতেকে, গুৰু শঙ্কৰদেৱৰ প্ৰতিটি বৰ্ণ আছিল তেওঁৰ বাবে বেদৰ অক্ষৰ স্বৰূপ। তেওঁ শঙ্কৰদেৱৰ তত্ত্ব, দৰ্শন, পন্থ-এই সকলোটিকে সামান্য প্ৰশ্নও নথকাকৈ গ্ৰহণ কৰিছিল। এতেকে, শঙ্কৰদেৱৰ ধৰ্মৰ তত্ত্ব, সাহিত্যৰ তত্ত্ব আৰু জীৱন তথা জগত





সম্পৰ্কে গ্ৰহণ কৰা দৃষ্টিভঙ্গীৰ পৰা মাধৱদেৱৰ ক'তো সামান্যভাৱেও আঁতৰি যোৱা নাছিল। এতেকে, মাধৱদেৱৰো দেৱতা হ'ল কৃষ্ণ।

কৃষ হেন শব্দ ইটো পৃথিৱী ৰাচক ভৈল
ণ আনন্দত প্ৰবৰ্ত্তয়।

আৰু -

গুৰু ভৈলা তাত কৰ্ণধাৰ কৃষ্ণ ভৈলা অনুকূল বায়ু।

এতেকে উপনিষদৰ যি তত্ত্ব শঙ্কৰদেৱে ভাগৱতী বৈষ্ণৱ ধৰ্মৰ মাজত অতি নিভৃত স্থানত থৈ গ'ল, সেই তত্ত্বই মাধৱদেৱৰ সকলো ৰচনাৰ, ঘাইকৈ নাম-ঘোষাৰো ঘাই তত্ত্ব।

'সকল উপনিষদ ধেনু দোগ্ধা ভৈলা তানে নন্দসুত
তাৰ বৎস ভৈলা কুন্তীসুত ধনঞ্জয়।
দুগ্ধ ভৈল মহা গীতামৃত কৃষ্ণৰ চৰণে দিয়া চিত্ত
সুবুদ্ধিসকলে সন্তোষে পান কৰয়।।' ৬৬৮।।

মাধৱদেৱৰ আছিল সু-উচ্চ পাণ্ডিত্যৰ এখনি ভক্তি-বিগলিত উৎসৰ্গিত অন্তৰ, উচ্চ স্তৰৰ সংগীত-জ্ঞান, মধুৰ কণ্ঠ, গুৰুভক্তিৰ একনিষ্ঠতা আৰু ৰসময়ী সাহিত্য-ৰচনাৰ এক স্বাভাৱিক বিৰল ক্ষমতা। নাম-ঘোষা হ'ল-ভক্ত মাধৱ, পণ্ডিত মাধৱ, কবি মাধৱ আৰু গায়ক মাধৱৰ শ্ৰেষ্ঠতম কীৰ্তি। নাম-ঘোষাই শ্ৰীমন্ত শঙ্কৰ-প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ তত্ত্ব, মত আৰু পন্থ এই তিনিওকে প্ৰতিষ্ঠা দিয়াৰ লগতে ভক্তিবিৰোধীসকলৰ সকলো যুক্তি খণ্ডন কৰি এই প্ৰতিষ্ঠাক প্ৰায় নিষ্কণ্টক কৰি দি গৈছে।

অব্যক্ত, সৰ্বব্যাপ্ত, মূৰ্তিশূন্য ঈশ্বৰস্বৰূপ ব্ৰহ্মক আহ্বান কৰি আনি পূজা কৰা আৰু বিসৰ্জন দিয়াৰ কোনো উপায় নাই; এতেকে তেওঁৰ নাম লৈ শুদ্ধ কৰিবৰ বাবে দিয়া উপদেশৰ মাজত (ঘোষা ৮) তত্ত্ব আৰু পন্থ দুয়োটাই পৰিস্ফুট।

"অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জন।
এতাৰন্ত মূৰ্ত্তিশূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন।।" ৮।।

যিহেতু পূৰ্ণ চৈতন্য, পৰমাত্মা প্ৰত্যেক জীৱৰ মাজত বিদ্যমান, সেইবাবে 'তাতেসে ইন্দ্ৰিয়গণ-- ভূত প্ৰাণ বুদ্ধি মন/প্ৰৱৰ্ত্তে যতেক জড়ৰাশি' (ঘোষা ২২)।

তেওঁৰ কৃষ্ণ হ'ল 'কৃষ হেন শব্দ ইটো পৃথিৱীবাচক ভৈল/ণ আনন্দত

প্ৰৱৰ্ত্তয়।' এতেকে ব্ৰহ্মৰ যি আনন্দময় স্বৰূপ--সেয়ে কৃষ্ণ। ভক্তৰ সুবিধাৰ বাবে তেওঁ 'দৈৱকী নন্দ নন্দন।' তেওঁ যি 'ৰাম' নামৰ কথা কৈছে বাৰে বাৰে, সেই ৰামো--

চৈতন্য শক্তিৰ দ্বাৰে ইটো জড় জগতক
ৰমাৱন্ত কৰ্ম্ম অনুৰূপে। (ঘোষা১৫৪)

আৰু -

'অনন্ত চৈতন্য আত্মা সদানন্দ ঈশ্বৰত
যোগীজনে সদায় ৰময়। (ঘোষা১৫৪)

এই চৈতন্য শক্তিয়েই পঞ্চভূতৰ (ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম) বনমালা পিন্ধি সমস্ত বিশ্ব চৰাচৰত ব্যাপ্ত হৈ আছে বাবেইতো তেওঁ বিষ্ণু আৰু বনমালী (ঘোষা ১৫০)। আত্মাৰূপে এই জগতত প্ৰবেশ কৰাৰ বাবেও তেওঁ 'বিষ্ণু'(১৫৬)।

'নাম-ঘোষা'ৰ ঘোষাসমূহত ঈশ্বৰ স্বৰূপ ব্ৰহ্ম যি নামেৰে পূজিত হৈছে, তেনে নামসমূহৰ, যেনে--কৃষ্ণ, সদানন্দ, কেশৱ, অচ্যুত, নৰোত্তম, নৰসিংহ, বামন, ৰাম, পৰমানন্দ সৰ্ব্বানন্দ, বনমালী, দামোদৰ, পৰশুৰাম, হৰি, বিষ্ণু, হৃষীকেশ পৰমাত্মা, নাৰায়ণ, নিৰঞ্জন, নিৰাকাৰ, মাধৱ, জনাৰ্দ্দন, মধুসূদন, গোপাল, গোবিন্দ, অনন্ত, অনাদি, পুৰুষোত্তম, পৰমেশ্বৰ, জগন্নাথ, পৰম ব্ৰহ্ম, ভগৱন্ত গৰুড়-কেতু, বাসুদেৱ, বৈকুণ্ঠ, এই নামৰ তত্ব ভাঙিছে।ব্ৰহ্ম-পৰমাত্মাকে ধৰি ঐশ্বৰ্যৰ অন্ত নোহোৱা বাবেই মহন্তসকলে ঈশ্বৰক 'ভগৱন্ত' বুলিছে বুলি সকলো ঐশ্বৰ্যৰ উৎসৰ অব্যক্ত স্বৰূপটিৰ প্ৰতিও ইংগিত দি গৈছে।

'নাম-ঘোষা'ত বেদান্তৰ তত্ব ব্ৰহ্মই বিৰচিছে। এই তত্ব নাৰায়ণ--বিষ্ণু আৰু শেহত দৈৱকীনন্দন দেৱ কৃষ্ণলৈ ৰূপান্তৰিত হৈছে। অব্যক্ত ব্ৰহ্মৰ ব্যক্ত ৰূপ কৃষ্ণক উপাস্য দেৱতাস্বৰূপে গ্ৰহণ কৰি তেওঁৰ মধুৰৰো সুমধুৰ মংগলময় নামত দ্ৰৱীভূত হৈছে মাধৱদেৱৰ ভক্ত-হৃদয়। যি এই ঈশ্বৰ কৃষ্ণক বুজা নাই, শঙ্কৰদেৱ প্ৰৱৰ্তিত নামধৰ্মৰ মোল বুজা নাই, তেওঁ যে 'শ্ৰমে মাত্ৰ ফল ফল মাত্ৰ শ্ৰম' সেই কথাও তেওঁ দ্ব্যৰ্থহীনভাৱে সকীয়াই দিছে।

বৈষ্ণৱ ধৰ্মৰ মূল চাৰি বস্তু গুৰু, দেৱ, নাম, ভকতৰ স্থানো নাম-ঘোষাই নিৰ্ণয় কৰি দি গৈছে। ভকতৰ কৰণীয় সম্পৰ্কেও স্পষ্ট ভাষাৰে পথ নিৰ্দেশ কৰি গৈছে।





'একেখানি মাত্ৰ শাস্ত্ৰনিষ্ঠ দেৱকীনন্দনে কৈলা যাক
দেৱো একে দেৱ দেৱকীদেৱীৰ সুত।
কৰ্ম্মা এক এহিমানে মাত্ৰ দেৱকী পুত্ৰৰ পদসেৱা
মন্ত্ৰো এক তান নাম মাত্ৰ অদ্ভুত।।' ৬৬৬ ।।

সকলো উপনিষদৰ সাৰস্বৰূপ 'গীতা'ৰ একশৰণেই ভাগৱতী বৈষ্ণৱ ধৰ্মৰ একমাত্ৰ পথ। নাম-ঘোষাত বাৰে বাৰে এই পথৰ কথা বিভিন্ন প্ৰসংগৰ উল্লিখনেৰে সোঁৱৰাই দিছে। বেদান্তৰ ব্ৰহ্ম আৰু ভাগৱতৰ কৃষ্ণৰ অভিন্নতা, হৰিনামৰ মাহাত্ম্য আৰু দাস্যভক্তিৰ গৰিমা--এয়ে নাম-ঘোষাৰ প্ৰতিপাদ্য বিষয়। বেদান্তৰ সাৰ মহাভাগৱত, দেৱৰ উত্তম কৃষ্ণ, মন্ত্ৰৰ উত্তম নাম, কৰ্মৰ উত্তম ঈশ্বৰ সেৱা আৰু গুৰুৰ উত্তম শঙ্কৰ গুৰু-এয়ে নামঘোষাৰ সৈদ্ধান্তিক মত। এই প্ৰতিপাদ্য বিষয় আৰু সিদ্ধান্তসমূহ তেওঁ কৰ্তৃত্বসম্পন্ন শাস্ত্ৰৰ ভিত্তিত প্ৰতিষ্ঠা কৰিছে। নাম-ঘোষাৰ প্ৰায় চাৰিশমান ঘোষা লোৱা মূল পুথিথসমূহ হ'ল- শান্তিশতক, ভাগৱত পুৰাণ, বৃহন্নৰাদীয় পুৰাণ, ভৱিষ্যৎ পুৰাণ, ভগৱদগীতা, ভক্তি ৰত্নাকৰ, মোহমুদ্গাৰ, ব্ৰহ্মপুৰাণ, কৰ্মপুৰাণ, বিষ্ণু ধৰ্মোত্তৰ, ভাগৱতৰ সুবোধিনী টীকা, মহাভাৰতৰ উদ্যোগপৰ্ব , ভাৰতবিভাগ, নৰসিংহ পুৰাণ, পাণ্ডৱী গীতা, আচাৰ্য্য সংহিতা, স্কন্দ পুৰাণ, ভাগৱত ভাৱাৰ্থ-দীপিকা, পদ্মপুৰাণ, বৈষ্ণৱামৃত লহৰি, মৎস্যপুৰাণ, বৃহদ্বিষ্ণু পুৰাণ, বামন পুৰাণ, শ্ৰীভাগৱতঃ, কস্যচিৎ পদ্যাৱলী, গৰুড় পুৰাণ, সিদ্ধান্ত প্ৰদীপ, ভক্তি ৰত্নাৱলী (কান্তি মালা টীকা), ৰামায়ণ, সীতামাহাত্ম্য, ভক্তি-বিৱেক, বৃহদ্বামন পুৰাণ, বৈষ্ণৱীয় তন্দ্ৰসাৰ, চপট ৰঞ্জিকাস্ত্ৰোত্ৰ। এই তালিকাখনেই মাধৱদেৱৰ অধ্যয়নৰ পৰিধিৰ ব্যাপকতাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে।

শঙ্কৰদেৱে তেওঁক কৈছিল, 'মূল ৰাখিব পাৰিলে সজ'। কিন্তু মাধৱদেৱৰ হাতত মূলেই নতুন মৌলিক সৃষ্টিলৈ ৰূপান্তৰিত হৈছে। তেওঁ নামঘোষাৰে সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰি গ'লঃ সাংখ্যৰ প্ৰকৃতি আৰু পুৰুষৰ ওপৰত বেদান্তৰ ব্ৰহ্মই হ'ল 'নিয়ন্তা মাধৱ' আৰু 'সমস্তৰে আত্মা', 'সমস্ত বেদান্ত সাৰ' হ'ল 'শ্ৰীভাগৱত শাস্ত্ৰ', দেৱতা হ'ল একমাত্ৰ 'কৃষ্ণ' আৰু তেওঁত শৰণেই হ'ল একমাত্ৰ শৰণ; মন্ত্ৰ হ'ল তেওঁৰ নাম--যাৰ ফলত মায়া বা অবিদ্যা দূৰ হয় আৰু ভজন্তাজনে কণ্ঠলগ্ন বস্তুক পোৱাদি মূলতত্ব পাব পাৰে; শ্ৰীমন্ত শঙ্কৰ হ'ল একমাত্ৰ গুৰু যি প্ৰেম-অমৃতৰ নদীস্বৰূপ বৈকুণ্ঠৰ হৰি নাম ৰস প্ৰৱাহিত কৰিলে; তেৱেঁই হ'ল হৰিভকতৰ একমাত্ৰ কল্পতৰুস্বৰূপ। এয়ে নাম-ঘোষাৰ সাৰ বুলিব পাৰি।

## পাঁচ

ড° কাকতিয়ে কৈছে, 'বিশুদ্ধ বিচাৰ-বুদ্ধিৰ দ্বাৰা অনেক দুৰ্জ্ঞেয় ভাবৰ অৱতাৰণা কৰিব পাৰি আৰু দাৰ্শনিক তথ্য হিচাপে সেইবিলাকৰ ঠাই অতি ওখ হ'লেও প্ৰকৃত সাহিত্য ক্ষেত্ৰত সিবিলাকৰ তিমান মূল্য নেথাকিবও পাৰে। সাহিত্যৰ ফালৰ পৰা চাব লাগিব--সেই ভাববোৰৰ ভিতৰেদি লেখকে কিমানখিনি আত্মাভিব্যক্তি কৰিব পাৰিছে।' নাম-ঘোষাত মাধৱদেৱৰ কায়-মন-বাক্য-চিত্তৰ যে অতি সুদৃঢ় আৰু সংহত ব্যক্তিত্বই প্ৰকাশ লাভ কৰিছে তাক দোহৰাৰ কোনো প্ৰয়োজন নাই। মন কৰিবলগীয়া কথা এয়ে যে তেওঁৰ জ্ঞান, চিন্তা আৰু হৃদয়ৰ আৱেগ নাম-ঘোষাত একাকাৰ হৈ গৈছে--ইটোক সিটোৰ পৰা বিশ্লিষ্ট কৰি চাব নোৱাৰি। এতেকে যি কথাকে তেওঁ কৈছে, সেই কথাই তেওঁৰ হৃদয় বাণী হৈ প্ৰকাশ লাভ কৰিছে।

সাধাৰণতে দেখা যায় বৈষ্ণৱ কবি বা সাধকসকলৰ ৰহস্যবাদীসকলে মধুৰ ৰসৰ সাধনাৰেই ভাৱাৱেগৰ তীব্ৰতাত উপনীত হয়। দাস্যভাবৰ ভিত্তিত যে এনে এক ভাৱাৱেগৰ তুৰীয় অৱস্থা পাব পাৰি, তাৰ একমাত্ৰ নিদৰ্শন সমগ্ৰ ভাৰতীয় সাহিত্যত সম্ভৱতঃ নাম-ঘোষাৰ মাজতহে পোৱা যায়। পণ্ডিত তীৰ্থনাথ শৰ্মাই কৈছে, 'দাস্যভাবৰ দৃঢ়নিষ্ঠ সাধক মাধৱদেৱৰ ভাৱৰ গাঢ়তা আৰু আকুল ভক্তিৰ চৰম নিদৰ্শন দেখি আচৰিত নহৈ নোৱাৰি। নাম-ঘোষাত দাস্যভাৱক যিমান গভীৰতম ভূমিলৈ নিয়া হৈছে, সিমান গভীৰতা আন দাস্যভাবৰ ৰচনাত পোৱা নাযায়, পালেও খুব কম।' তেওঁ আৰু কৈছে, 'আত্মখেদ আত্মনিন্দা আদিত কাতৰ কাকুতিৰূপে সেই ব্যাকুলতাৰ অভিব্যক্তি নাম-ঘোষাৰ ঘোষাই ঘোষাই বিয়পি পৰিছে।' (ৰাহস্যিক মাধৱদেৱ)। তেওঁ নাম-ঘোষা আৰম্ভ কৰিছে মুক্তিত নিস্পৃহ ভকতক প্ৰণাম কৰি আৰু ৰসময়ী ভক্তি বাঞ্ছা কৰি; আৰু শেষ কৰিছে--এই বাঞ্ছাৰ সিদ্ধিৰ উচ্চাৰণেৰে এহুৰস মাধৱ মূৰুখমতি গাৱে'বুলি। পণ্ডিত শৰ্মাই মাধৱদেৱৰ নাম-ঘোষাৰ এই ভক্তিৰস বা 'ৰসময়ী ভক্তি' দক্ষিণ ভাৰতৰ আলোৱাৰসকলৰ লগত কিছু পৰিমাণে তুলনীয় বুলি ভাবে। ড° মহেশ্বৰ নেওগেও সাৰ্থকভাবেই কৈছে--'ভাবৰ প্ৰাণময় প্ৰগাঢ়তা, ভাষাৰ ছন্দোময় প্ৰাঞ্জলতাই ঘোষাখিনি ভক্ত কবিৰ অন্তৰৰ তলিৰ পৰা ওলাই অহাটো সূচায়। তুতি, কাকুতি, প্ৰাৰ্থনা আদি শীৰ্ষযুক্ত খণ্ডবোৰে প্ৰাণৰ কাতৰ আকুতি পাঠক-শ্ৰোতাৰ বাবে প্ৰাণ-স্পৰ্শীভাৱে ধ্বনিত কৰি তুলিছে' (শ্ৰীশ্ৰীমাধৱদেৱ)। সংবেদনশীল আৰু ভাৱাৱেগ বিগলিত কবি-হৃদয়ৰ অধিকাৰী



নাম-ঘোষাৰ সমীক্ষাত্মক অধ্যয়ন

আছিল বাবেই নামঘোষাত তেওঁ ভকতিৰ ৰসময়ী ৰূপৰ সাধনা স্বাভাৱিকভাৱে দাঙি ধৰিছে।

## ছয়

অনেকৰ প্ৰশ্ন হ'ব পাৰে--অলংকাৰ শাস্ত্ৰই যি নটা ৰসৰ পৰিচয় দিছে--তাত ভক্তিৰস বুলি এটা ৰস নাই; এই ৰসক কোন ৰসৰ অন্তৰ্গত কৰিব পাৰি? একপ্ৰকাৰ চাবলৈ গ'লে ভক্তিও একপ্ৰকাৰ অনুৰাগ; এতেকে অনুৰাগৰ ৰস ৰূপ হ'ল আদিৰস। অৱশ্যেই যি ভক্তিত মধুৰ ভাবৰ প্ৰাবল্য থাকে, সেই ভক্তিক আদি ৰসৰে প্ৰকাৰভেদ মধুৰ ৰস সঞ্চাৰিত হোৱা বুলিব পাৰি। কিন্তু দাস্যভক্তি ভাৱৰ পৰা উদ্ভুত ৰসক শান্ত ৰসৰহে অন্তৰ্গত কৰি লব পৰি। এই শান্ত ৰসৰ ভাব হ'ল শম ভাব।

কিন্তু কবি কৰ্ণপূৰ, ৰূপ সনাতন, বোপদেৱ, জীৱ গোস্বামী, মধুসূদন সৰস্বতী আদিয়ে 'ভক্তিৰস' নামেৰে এটি ৰসকো স্বীকাৰ কৰিছে। অলংকাৰ শাস্ত্ৰত ভক্তিৰস নোসোমোৱাৰ প্ৰধান কাৰণ কোনো কোনোৱে এই বুলি ঠাৱৰাইছে যে অলংকাৰ বা ৰস শাস্ত্ৰৰ প্ৰামাণিক গ্ৰন্থসমূহ ভক্তিপ্ৰধান সাহিত্যৰাজি সৃষ্টি হোৱাৰ আগতেই ৰচিত হৈছিলঃ মধ্যযুগৰ ভক্তি আন্দোলনৰ প্ৰৱল জোৱাৰ উঠাৰ লগে লগে ভক্তিমূলক কাব্য, নাট, গীত আদি ৰচিত হ'বলৈ ধৰিলে আৰু ভক্তিও এটি ৰস হিচাপে সমাদৃত হ'ল; কিন্তু অলংকাৰ শাস্ত্ৰসমূহত অন্তৰ্ভুক্ত হৈ নথকাৰ বাবে ই বাকী নৱৰসৰ সমান হৈ নুঠিল। কোনো কোনোৱে ক'ব খোজে যে ভক্তিৰস আন কোনো ৰসৰ আশ্ৰয়তহে প্ৰকাশিত হয় বাবে এই ৰসৰ স্থিতি বাকী নটাৰ সমপৰ্যায়ৰ নহয়। অৱশ্যেই এই মত তৰ্ক-সাপেক্ষ। সি যি হওক, আমি সুকীয়া ৰস হিচাপে গ্ৰহণ কৰোঁ বা নকৰোঁ, সি বৰ গুৰুত্বপূৰ্ণ কথা নহয়। কাৰণ, আদি বা শান্তৰসৰ ভিত্তিত ভক্তিৰসৰ অভিব্যক্তি ঘটিলেও ইয়াৰ গুৰুত্ব কোনেও অস্বীকাৰ কৰিব নোৱাৰে। তুকাৰাম, মীৰাবাঈ, কবীৰ, নানক, তুলসী দাস-- এই সকলোৱেই এটা নহয় এটাৰ মাধ্যমত ভক্তিৰসৰ সাধনা কৰি গৈছে আৰু ভাৰতীয় ৰস-সাহিত্যৰ ইতিহাসত স্থায়ী পৰিচয় প্ৰতিষ্ঠা কৰি গৈছে। এতেকে, ভক্তিৰসক এতিয়া আৰু উলাই কৰি যোৱা সম্ভৱ নহয়। মাধৱদেৱে তেওঁৰ ঝুমুৰা আৰু বৰগীতত বাৎসল্য ৰস (ইও ভক্তিৰসৰ দৰেই আন ৰসাশ্ৰিত) ৰ আৰু ডঃ কাকতিয়ে ক'বৰ দৰে তেওঁৰ swan song স্বৰূপ 'নাম-ঘোষা'ত ভক্তিৰসৰ সফল নিষ্পত্তি সাধন কৰি গৈছে। য'তেই সফল ৰস নিষ্পত্তি সাধিত হয় সেয়ে সফল কলাৰূপস্বৰূপেও গৃহীত হয়।

কাব্য হিচাপে নাম-ঘোষাৰ সাফল্য কেৱল কবিৰ হৃদয়ৰ উত্তাপত নাই,

কাব্য শৰীৰতো আছে। সন্দেহ নাই, উল্লিখিত উৎসৰ শ্লোকসমূহৰ অনেকতে উপমাদি অলংকাৰ আছে; মাধৱদেৱে ভাঙনি কৰোঁতে মূল ৰাখিও তাক অত্যন্ত স্বাভাৱিকভাৱে ঘৰুৱা আৰু পৰিচিত ৰূপ দিছে। তদুপৰি, অনুপ্ৰাসৰ অনায়াস ঝঙ্কাৰৰ লগত সংশ্লিষ্ট বিষয়ৰ ভাবৰ অবিচ্ছেদ্য সম্পৰ্কজড়িত হৈ ভাৱক অধিক গভীৰ কৰি তুলিছে। ছন্দৰ তৰংগ আৰু শব্দধ্বনিৰ ব্যঞ্জনা সমকালীন আন কোনো কবিৰ এনেভাৱে ঝংকৃত হোৱা নাই। দুলড়ী, লেছাৰি, ছবি আৰু পদছন্দৰ উপৰি ঘোষাছন্দ আৰু নামছন্দৰ দৰে দুটি নতুন নামৰ ছন্দ প্ৰয়োগ কৰি মাধৱদেৱে নাম-ঘোষাৰ এই শেষৰ অংশ দুটি ভাৱ প্ৰকাশক কৰি তুলিছে, কৰি তুলিছে বাঞ্চিত ভাৱে মোহনীয় আৰু অৰ্থপূৰ্ণও। এই দুই ছন্দৰ মাজত বিভিন্ন ছন্দসজ্জাৰ মিশ্ৰণো ঘটিছে; অথচ কতো মাত্ৰা আৰু লয়ৰ বিচ্যুতি ঘটা নাই। প্ৰসংগতঃ আত্মনিমজ্জনৰ ভাবটিও যেন এই ছন্দই কঢ়িয়াই আনিছে সাৰ্থকভাৱে। মাধ্যমৰ যথোপযুক্ত ব্যৱহাৰেই কোনো এক কলাক যথাৰ্থতে ব্যঞ্জনা কঢ়িয়াই অনাৰ ক্ষমতা দান কৰে। নাম-ঘোষাৰ প্ৰতিটি ছন্দৰ মাজত এই বিশেষত্ব পৰিস্ফুট হৈ আছে।

লেছাৰিৰ আত্মনিবেদনৰ মাজত থকা কাৰুণ্যই ছবিত প্ৰকাশিত ভাবৰ মুক্ত প্ৰকাশে আৰু দুলড়ীৰ দ্ৰুতলয়ৰ মাজত প্ৰকাশিত সৈদ্ধান্তক ইংগিতে- নাম-ঘোষাৰ বিভিন্ন অংগৰ বৈশিষ্ট্যসমূহ দাঙি ধৰিছে। মাধৱদেৱৰ শব্দচয়নৰ দক্ষতা নিঃসন্দেহে অতুলনীয়। তদুপৰি, সমগ্ৰ নাম-ঘোষাত বিয়পি আছে এটি সাংগীতিক মূৰ্ছনা- কেতিয়াবা সি বিলম্বিত, কেতিয়াবা মধ্যবিলম্বিত আৰু কেতিয়াবা দ্ৰুত। নাম-ঘোষাৰ এই দিশটোও বিচাৰ্য। স্বৰলিপিৰ যোগে এই বিশিষ্টতা বিচাৰ কৰাৰ প্ৰয়াস কৰিব পাৰি।

### সাত

শ্ৰীমন্ত শঙ্কৰদেৱক বাদ দি মাধৱদেৱক আৰু মাধৱদেৱক বাদ দি শঙ্কৰদেৱক আলোচনা কৰিব নোৱাৰি। দুয়োৰে মাজত তত্ত্ব আৰু পন্থৰ এক চুলিৰ পৃথকতাও ক'তো নাই। তত্ৰাচ দুয়োৰে ৰচনাৰ মাজত দুটি সোৱাদ। ইয়েই সংকেত দিয়ে শঙ্কৰ-মাধৱ অভিন্ন হোৱা সত্বেও ব্যক্তিত্বৰ বিশিষ্টতাই দুয়োৰে কৰ্মকো নিজা বিশিষ্টতা প্ৰদান কৰিছে। শঙ্কৰদেৱৰ মাজত দেখা যায় এটা বৌদ্ধিক নিস্পৃহতা বা বৌদ্ধিক অনাসক্তি, intellectual datachment. তেওঁ এই অনন্ত বিশ্ব চৰাচৰৰ সৃষ্টিৰ কাৰণ অব্যক্ত ব্ৰহ্ম আৰু সৃষ্টিৰ ক্ষণিক ব্যক্ত ৰূপৰ আধাৰো অব্যক্ত ব্ৰহ্ম সম্পৰ্কে সম্পূৰ্ণ নিঃসন্দেহ। এই পৰম সত্যটিয়েই তেওঁৰ ধৰ্মৰ, কৰ্মৰ সকলোৰে ঘাই ভেটি





-- পৰমতত্ত্ব। এই ব্ৰহ্ম যে নিৰ্বিকাৰ সেই বিষয়েও সন্দেহাতীতভাৱে তেওঁ নিশ্চিত। এতেকে এই সত্যটোৰ সাঁচ নিৰক্ষৰ, সাধাৰণ মানুহৰ মনত বহুৱাই তেওঁবিলাকক 'অন্তৰত এক ঈশ্বৰক বাহিৰত নানা দেখিয়োক' অৱস্থালৈ নিবলৈ ভাগৱতৰ কৃষ্ণত মন-প্ৰাণ সঁপি দিবলৈ শিক্ষা দিয়াই আছিল ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তনৰ ঘাই লক্ষ্য। তেওঁ নিজে নিস্পৃহ, অনাসক্ত, কিন্তু বাকীসকলক কৰি তুলিছে এই তত্ত্ব আৰু পন্থৰ প্ৰতি আসক্ত। শ্ৰীমন্ত শঙ্কৰদেৱৰ মাজত থকা অসামান্য সৃষ্টিশীল প্ৰতিভাই তেওঁৰ ভাৱনাক শব্দ, সুৰ আৰু ৰেখা-- কলাৰ, এই তিনিওটি মাধ্যমেৰে অন্তৰত ঝংকাৰ তোলাকৈ প্ৰকাশ কৰি গৈছে। তেওঁৰ নিজৰ কবিত্ব শক্তি সম্পৰ্কেও নিজৰ ধাৰণা আছিল বাবেই ভাগৱতৰ অনুবাদত 'কহয় শঙ্কৰ কবি' বুলিও কোনো কোনো ঠাইত ভণিতা পেলাইছে। মন কৰিবলগীয়া এয়ে যে তেওঁৰ কাব্য, গীত, নাট সকলোৰে মাজত বিভিন্ন ৰসৰ সৃষ্টিত আৰু শেষত ভক্তিৰস নিষ্পত্তি কৰাৰ বেলাও, ক'তো তেওঁ নিজে আৱেগ-জড়িত হৈ পৰা নাই। তেওঁ যেন অপূৰ্ব দক্ষতাৰে নিজে সংশ্লিষ্ট নোহোৱাকৈ এই সকলো সৃষ্টি কৰি গৈছে। সেইবাবে শঙ্কৰদেৱৰ ৰচনাত আছে এক ধ্ৰুপদী সংযম, ক'তো ব্যক্তিগত আৱেগৰ উচ্ছ্বাস নাই। কেইটামান বৰগীতত কেৱল তেওঁ আত্মপ্ৰকাশ কৰিছে।

মাধৱদেৱেও সৰ্বান্তকৰণেৰে শঙ্কৰদেৱৰ তত্ত্ব গ্ৰহণ কৰিছে। নাম-ঘোষাত বাৰে বাৰে সেই কথা তেওঁ ব্যক্ত কৰিছে। কিন্তু মাধৱদেৱ মুক্তিত নিস্পৃহ হ'লেও ভক্তিৰ প্ৰতি আসক্ত 'ৰসময়ী মাগোহো ভকতি।' এই আসক্তি তেওঁৰ ব্যক্তিগত ভাবাৱেগৰ উচ্ছ্বাসলৈ ৰূপান্তৰিত হৈছে। কাকুতি ঘোষাৰ-- 'কিমতে ভকতি কৰিবো তোমাত হৰি এ / মই মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম'ৰ পৰা 'প্ৰিয়তম আত্মা ঈশ্বৰ দেৱতা হৰি হৰি হৰি হৰি এ / কৃষ্ণসে সুহৃদ বান্ধৱ গুৰু আমাৰ। / কৃষ্ণৰ চৰণ পঙ্কজ বিনাই হৰি হৰি হৰি হৰি এ / মই অনাথৰ গতি নাই নাহি আৰ' লৈকে, এই অংশত মাধৱদেৱৰ ভক্তিৰ ভাবাৱেগে এক শীৰ্ষবিন্দু লাভ কৰিছে। যি তত্ত্ব আৰু উপদেশ, তেওঁ আনক দি আহিছিল, যি নিন্দা তেওঁ অভকতসকলক কৰিছিল, সেই সকলো যেন তেওঁ নিজেই মূৰ পাতি লৈ নিজৰ মন-বুদ্ধি-চিত্ত-অহংকাৰ সকলো কৃষ্ণত সমৰ্পণ কৰি দ্ৰৱীভূত হৈছে। যথাৰ্থতেই মধুৰ ভক্তিৰসৰ বাহিৰে দাস্য ভক্তিৰসৰ ক'তো এনে এটি দ্বিতীয় দৃষ্টান্ত আৰু পোৱা নাযায়। এই অৱস্থাক বোধকৰোঁ ভক্তিৰ প্ৰতি emotional attachment বুলিব পাৰি। অসমৰ বৈষ্ণৱ ধৰ্মমাৰ্গত শঙ্কৰদেৱৰ intellectual datachment, বৌদ্ধিক অনাসক্তি আৰু

মাধৱদেৱৰ emotional attachment আৱেগিক আসক্তি, এই দুয়োটা উপাদানেই সম্পৃক্ত হৈ পৰিছে।

'অন্তৰত এক ঈশ্বৰক দেখিয়োক নানা বাহিৰত
অন্তৰত বোধ বাহিৰত জড়প্ৰায়।
বুদ্ধিত সমস্তে তেজিয়োক বাহিৰত সঙ্গ দেখায়োক
এহিভাৱে ৰাম লোকত ফুৰা বেড়ায়।।' ৫৯৭।।

এয়ে শঙ্কৰদেৱৰ ধৰ্মমতৰো শিক্ষা আৰু নামঘোষাৰো ঘাই তত্ত্ব। তাৰ বাবেই নাম-ঘোষাই দেখুৱাই দিয়া পথটি হ'ল--

'একান্ত ভকত যাৰা হয় কিছু অৰ্থ তাৰা অবাঞ্ছয়
মহা অদভূত হৰিগুণ নামময়।
পৰম মঙ্গল কৃষ্ণযশ যাত পৰে আন নাহি ৰস
পৰম আনন্দ সমুদ্ৰে মজি ৰহয়।।'

নাম-ঘোষাত যথাৰ্থতে গুৰু, দেৱ, নাম, ভকত এই চাৰিওটিৰ সমাৱেশ ঘটিছে। পণ্ডিত, ভক্ত, কবি, ছান্দসিক, সংগীতজ্ঞ মাধৱদেৱ তেওঁৰ অমূল্য কৃতি নাম-ঘোষাৰ মাজতে কীৰ্তিমান হৈ বিৰাজ কৰি আছে। তেওঁৰ ভক্তিৰ তত্ত্ব আৰু ৰসৰ সাৰবত্তাও নামঘোষাতে স্তুপীকৃত হৈ আছে। তত্ত্ব আৰু ৰসৰ অপূৰ্ব সমন্বয়ৰ বাবেই নামঘোষা এহাতে ভক্তিধৰ্মৰ পুথিস্বৰূপে আৰু আনহাতে চিৰায়ত ৰসসাহিত্যস্বৰূপে, দুয়োৰূপতে সমাদৃত হৈ আহিছে আৰু সমাদৃত হৈ থাকিব।।

* ড° সত্যেন্দ্ৰনাথ শৰ্মা, মাধৱদেৱৰ সাহিত্যত ভক্তিৰস।

---

**লেখকৰ পৰিচয় ঃ**

ড° নগেন শইকীয়া, প্ৰাধ্যাপক, অসমীয়া বিভাগ,
ডিব্ৰুগড় বিশ্ববিদ্যালয়।



# নাম-ঘোষা ঃ ঘোষাসমূহৰ থূল বিভাজন
## (এক সমীক্ষণ)

**যোগেন্দ্ৰ নাথ ভূঞা**

জগদ্‌গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ দুয়োগৰাকী মহাপুৰুষে সমগ্ৰ বিশ্বৰ জনগণৰ কায়িক, মানসিক আৰু আত্মিক তথা আধ্যাত্মিক উৎকৰ্ষ সাধনৰ কাৰণে 'বেদৰ গুপুত বিত্ত' আৰু ৰেদান্তৰো ঘাই প্ৰতিপাদ্য একশৰণ হৰি-নাম ধৰ্ম প্ৰচাৰৰ কাৰণে বিভিন্ন তত্ত্ব-জ্ঞান আৰু উপদেশ সন্নিবিষ্ট কৰি যিসমূহ শাস্ত্ৰ ৰচনা কৰিছিল, সেইসমূহৰ ভিতৰত গুৰুজনাৰ 'কীৰ্ত্তন-ঘোষা' আৰু মাধৱদেৱ পুৰুষৰ 'নাম-ঘোষা'ৰ স্থান অতি উচ্চ। অসমীয়া ভাষাত ৰচনা কৰা বিভিন্ন শাস্ত্ৰৰ ভিতৰত জাতীয় সাহিত্য ৰূপে স্বীকৃত বিশ্বজনীন এই দুয়োখন শাস্ত্ৰৰ বিষয়-বস্তু বিভিন্ন মূলৰ লগত সম্বন্ধিত হ'লেও (বা কেতবোৰ অংশ বিভিন্ন মূলৰ পৰা আহৰণ কৰি অনুবাদ আদি নতুন ৰূপত ৰচনা কৰা হ'লেও) দুয়োখন শাস্ত্ৰ নিঃসন্দেহে মহাপুৰুষ দুজনাৰ দুখন মৌলিক শাস্ত্ৰ। নাম-ঘোষাৰ অৰ্দ্ধেক সংখ্যকতকৈ কিছু অধিক ঘোষা সম্পূৰ্ণভাৱে মাধৱদেৱৰ নিজা ৰচনা আৰু বিশেষতঃ ছন্দ-শাস্ত্ৰত মাধৱদেৱৰ স্বকীয় সংযোজন 'ঘোষা-ছন্দ' আৰু 'নাম-ছন্দ'ত ৰচিত ঘোষাসমূহ তাৰাৰ ভক্তি-বিগলিত হৃদয়ৰপৰা নিগৰি ওলোৱা ভগৱৎ প্ৰেমৰ পবিত্ৰ মন্দাকিনীৰ অফুৰন্ত স্ৰোতহে।

একশৰণ মাহাত্ম্য প্ৰকাশক নাম-ঘোষা অসমীয়া ভাষাত ৰচিত এখনি অমূল্য অধ্যাত্ম শাস্ত্ৰও। অধ্যাত্ম শাস্ত্ৰ শব্দটোৰ অৰ্থ বিশ্লেষণ কৰিলে আমি পাওঁ যে যি শাস্ত্ৰত ব্ৰহ্ম, পৰব্ৰহ্ম, পৰমাত্মা, আত্মা, অনাত্মা, পুৰুষ, প্ৰকৃতি, জীৱ, জগৎ, জড়, চৈতন্য,সৎ, অসৎ, মায়া, প্ৰপঞ্চ, ধৰ্ম, অধৰ্ম, গ্ৰাহ্য, তাজ্য, বন্ধন, মোক্ষ আদি বিষয়ৰ উপৰি মানৱ জীৱনৰ উদ্দেশ্য তথা সেই উদ্দেশ্য সাধনৰ উপায় সম্বন্ধে বিচাৰ কৰা হৈছে আৰু এইসমূহ তত্ত্বৰ পাৰস্পৰিক সম্বন্ধ বিবৃত হৈছে, সেয়ে অধ্যাত্ম শাস্ত্ৰ। এই অৰ্থতেই বেদান্ত বা উত্তৰ-মীমাংসা, উপনিষদ, অমৃত-সাগৰ স্বৰূপ ভক্তি-শাস্ত্ৰ ভাগৱত আৰু পৰমাৰ্থ তত্ত্ব প্ৰকাশক সৰ্বোপনিষদসাৰ গীতাক অধ্যাত্ম-শাস্ত্ৰ বোলা হয়। এই একে বিচাৰতে নাম-ঘোষাও অসমীয়া ভাষাত

ৰচিত এক অধ্যাত্ম শাস্ত্ৰ। নাম-ঘোষাত অধ্যাত্ম-তত্ত্ব আৰু পৰমাৰ্থ তত্ত্ব কেনেভাৱে প্ৰকাশ পাইছে তাৰে দৃষ্টান্ত তলত উপদেশৰ ঘোষাৰে দেখুওৱা হ'ল--

'মৃত্যু তৰিবাৰ যত আছয় উপায় আন
বিঘিনি দূষিত নিৰন্তৰে।
বিঘিনি ৰহিত যত মাধৱৰ গুণ-কৰ্ম্ম
কীৰ্ত্তন কৰন্তে সুখে তৰে।। ৩১।।
লুব্ধমতি মনুষ্যৰ হৰি কীৰ্ত্তনত পৰে
নাহিকে ৰহস্য-বিত্ত আৰ।
আন আশা পৰিহৰি মাধৱক মনে ধৰি
হৰিৰ কীৰ্ত্তন কৰা সাৰ।। ৩২।।
শুনা পৰমাৰ্থ তত্ত্ব শ্ৰীমন্ত শঙ্কৰ মত
ধৰিয়োক সজ্জন সকল।
হৰিৰ কীৰ্ত্তন কৰি সুখে সংসাৰক তৰি
পাইবা ভক্তি পৰম নিৰ্ম্মল।।' ৩৩।।

নাম-ঘোষাৰ পৰিচ্ছেদ বিভাজনৰ বৈশিষ্ট্য আৰু বেলেগ বেলেগ ছন্দৰ আধাৰত একে পৰিচ্ছেদৰ অন্তৰ্গত ঘোষাৰে পটল নিৰূপণ সম্পৰ্কে আলোচনা কৰিবলৈ লোৱা এই প্ৰবন্ধত নামঘোষাৰ ভক্তি-তত্ত্ব, ৰস, ছন্দ, ভাৱ, অনুভূতি আদি বিষয় আলোচনাৰ সুবিধা নাই যদিও প্ৰসঙ্গক্ৰমে এই কথা উল্লেখ কৰি লোৱা ভাল হ'ব যে এইভাগ শাস্ত্ৰৰ এহেজাৰ এজনা ঘোষাৰ মাজেদি তিনিটা প্ৰধান ধাৰাত (১) লীলা অৱতাৰত ধাৰণ কৰা পৰমেশ্বৰৰ প্ৰকট ৰূপ বা কৃষ্ণ ৰামৰ ঈশ্বৰত্ব প্ৰতিপাদন; (২) অব্যক্ত, অচিন্ত্য, অজ্ঞেয়, অখণ্ড পৰমেশ্বৰৰ সৰ্বব্যাপক পৰম-তত্ত্ব উপলব্ধিৰ সহায়ত সেৱকৰ আত্মোপলব্ধি তথা উপনিষদীয় ভূমা-তত্ত্বৰ জ্ঞান লাভৰ দ্বাৰা জীৱাত্মা-পৰমাত্মাৰ সম্পৰ্কৰ ৰহস্যবাদী উপলব্ধি আৰু (৩) এই দুয়োটা ধাৰাৰ মাজেদি নাৰদীয় ভক্তিৰ পৰাকাষ্ঠাৰে, একশৰণ হৰি-নাম ধৰ্মৰ দাস্য ভকতৰি মূল সোঁতটি বব লাগিছে। ইয়াকে কৰোতে নাম-ঘোষা আনহাতে এক সৈদ্ধান্তিক শাস্ত্ৰ ৰূপে প্ৰতিজ্ঞাত হৈছে। যি সমূহ তত্ত্ব আৰু সিদ্ধান্তই নাম-ঘোষাক এখনি অপূৰ্ব নিস্ত-শাস্ত্ৰত পৰিণত কৰিছে তাৰে কেইটিমান উদাহৰণ স্বৰূপে উল্লেখ কৰা হ'ল- (১) মহাপুৰুষীয়া ধৰ্মৰ একশৰণ তত্ত্ব; (২) বিষ্ণু, কৃষ্ণ বা ৰামৰ উপাস্যতা; (৩) ভগৱন্তৰ ৰাম, কৃষ্ণ, হৰি, বিষ্ণু আদি বিভিন্ন উপাধিৰ মহত্ত্বতা; (৪) যুগ-ধৰ্ম নিৰ্ণয় আৰু উপাসনাবিধি; (৫) ঐহিক সুখৰ অসাৰতা; (৬) মায়া তৰণৰ উপায় ;





(৭) আত্মোপলব্ধি আৰু আত্ম-লঘিমাৰ প্ৰয়োজনীয়তা; (৮) ঈশ্বৰ উপাসনাত জ্ঞান-কৰ্ম অপেক্ষা ভক্তিৰ শ্ৰেষ্ঠতা; (৯) সৎসঙ্গ মাহাত্ম্য; (১০) নিস্পৃহ ভক্তিৰ শ্ৰেষ্ঠত্ব; (১১) ভক্তিত শ্ৰৱণ-কীৰ্তনৰ প্ৰাধান্যতা আৰু (১২) দাস্য ভকতিৰ গৰিমা আদি।

নাম-ঘোষাৰ প্ৰতিজনা (বা প্ৰত্যেক চৰণ) ঘোষাতে বা ঘোষা শাস্ত্ৰৰ একো একোটি পটলত একো একোটি তত্ত্ব পূৰ্ণ ৰূপত প্ৰকাশ পাইছে। অৱশ্যে এই কথাও স্বীকাৰ্য যে কেতিয়াবা একেটা তত্ত্বকে স্থানান্তৰত আন এজনা ঘোষাৰ সহায়ত ভিন্ন ৰূপত প্ৰকাশ কৰা হৈছে; উদাহৰণ স্বৰূপে ভগৱন্তৰ 'পুৰুযোত্তম' উপাধিৰ অৰ্থ-মৰ্ম্ম অন্বয় কৰি ৰচনা কৰা দুলড়ি ছন্দ আৰু লেচাৰি ছন্দৰ ঘোষা দুফাকি তুলনা কৰি চাব পাৰি। আনহাতে শাস্ত্ৰভাগিৰ পৰিচ্ছেদসমূহত পৰমেশ্বৰৰ একান্ত ভক্তি সাধনাৰ কাৰণে সেৱকক প্ৰয়োজন হোৱা বিভিন্ন গুণ, যোগ্যতা আদি; উপাস্যৰ তত্ত্ব, মহত্ত্ব ; সংসাৰৰ অলীকতা; ভক্তিৰ মাহাত্ম্য আদি সম্পৰ্কে ভক্ত কবি মাধৱদেৱ পুৰুষৰ সমাহিত চিন্তা-ভাৱনা পৰিস্ফুট ভাৱে প্ৰকাশ পাইছে। প্ৰত্যেকটি পৰিচ্ছেদৰ ঘোষা বা ঘোষাসমূহৰ মাজেদি তত্ত্ব জিজ্ঞাসা আৰু তত্ত্ব প্ৰকাশ সম্পৰ্কত তাৰাৰ চিন্তন, মনন, উপলব্ধি, অনুভূতিৰ স্ফুৰণ লক্ষ্য কৰিব পাৰি। ইয়াকে কৰোঁতে, একেধাৰি মালাতে খচিত হৈ বিভিন্ন ৰত্নই মালাধাৰিৰ সৌন্দৰ্য অপূৰ্ব্ব ৰূপত প্ৰকাশ কৰাৰ দৰে, পাৰ উপচি ভক্তি-ৰসে ঘোষা শাস্ত্ৰক অমৃত-সাগৰত পৰিণত কৰি তুলিছে। সাতসৰি মালা এধাৰত গুটি গুটি মণিসমূহ গাঁথি জেউতি চৰাবৰ কাৰণে মাজে মাজে বিভিন্ন ৰত্ন মণি খচিত কৰাৰ দৰেই মাধৱদেৱ পুৰুযেও নাম-ঘোষাৰ বিভিন্ন পৰিচ্ছেদত শৰণ, ভজন, উপদেশ, প্ৰশংসা, তুতি, প্ৰাৰ্থনা, নমস্কাৰ, নিবেদন, নাম আদিৰ ভক্তি-ৰত্ন খচিত কৰি ত্ৰিগুণাতীত পৰমাত্মাৰ উপাসনাৰ কাৰণে নিৰ্গুণ নিগুটি নাম-মালাধাৰি গাঁথিছে। মনকৰিবলগীয়া যে দাস্য ভকতিৰ মূৰ্ত্তিমান স্বৰূপ মাধৱদেৱ পুৰুযে ঘোষা-শাস্ত্ৰ আৰম্ভ কৰিছে সকলো প্ৰকাৰ আকাঙ্ক্ষা শূন্য ভকতৰ আশ্ৰয় লৈ তেৱাসৱৰ সেৱাৰপৰা লাভ হোৱা কৃপাৰ ভক্তি-গঙ্গাত স্নান কৰি আত্ম শুদ্ধি হৈ পৰম 'ৰসময়'ৰ প্ৰতি ভক্তি নিবেদনৰে আৰু সামৰণি মাৰিছে ভগৱন্ত ভক্তিৰ পৰম ৰসৰ সাগৰ ভক্তি-সমুদ্ৰত ডুব দি তাতে মজি থকাৰ ঐকান্তিক আকাঙ্ক্ষাৰে। নাম-ঘোষাৰ শেষ অংশত সংযোজিত হৰি পদ তুলসীস্বৰূপ নাম-ৰত্নৰ মালাধাৰি জপ কৰি তাতে মগ্ন হৈ থাকিব পৰাৰ সামৰ্থই তাৰাৰ বাবে 'পৰম গতি'-ইয়াৰ বাহিৰে সালোক্য-সাৰূপ্যাদি একোপ্ৰকাৰ মুকুতি সুখো তেওঁ বাঞ্ছা নকৰে।

ঘোষাসমূহৰ অনুবন্ধিত ভাৱ অনুসৰি যেনে ভাৱে বেলেগ পৰিচ্ছেদত সংবদ্ধ

কৰা হৈছে সেই কথাই এহাতে যেনেকৈ তেৰাৰ আত্ম-সচেতনতা, তত্ত্বোপলব্ধিৰ সামৰ্থ আৰু ভক্তি নিবেদনৰ সু-সংহত চিন্তাৰ কথা প্ৰকাশ কৰিছে আনহাতে সেইদৰে আন্যোঅন্য ভকতকো আত্ম-সচেতনতা তথা আত্ম-লঘিমাৰ উপলব্ধিৰ ভক্তি প্ৰয়াসী কৰি তোলাৰ সহায়ক হৈছে। নামঘোষাৰ এনে পৰিচ্ছেদৰ কৰি তোলাৰ সহায়ক হৈছে। নাম-ঘোষাৰ এনে পৰিচ্ছেদৰ মুঠ সংখ্যা হৈছে ৪১ (এক চল্লিশ) টি; অৱশ্যে প্ৰসঙ্গতঃ এই কথাও উল্লেখ কৰা ভাল হব যে একোটা পৰিচ্ছেদৰ অন্তৰ্গত ঘোষাকে অধিক সংবেদনশীল কৰি তুলিবৰ কাৰণে তাৰাই ছন্দ অনুসৰি বেলেগ বেলেগ স্থানত আনুক্ৰমিক সংখ্যাৰে সংবদ্ধ কৰি সংশ্লিষ্ট কৰিছে। উদাহৰণ স্বৰূপে 'প্ৰাৰ্থনা' শীৰ্ষক পৰিচ্ছেদৰ অন্তৰ্গত ঘোষাসমূহ ছান্দসিক বিভাজন অনুসৰি চাৰিটি বেলেগ বেলেগ থূলত সংবদ্ধ কৰা হৈছে; যথা----

| ঘোষাৰ ছন্দ | ঘোষাৰ সংবদ্ধ সংখ্যা |
|---|---|
| ছবি ছন্দ | ৬০-৮২সংখ্যক; |
| দুলড়ি ছন্দ | ৩০১-৩২৩ সংখ্যক |
| পদ ছন্দ | ৫৩২-৫৪৫ সংখ্যক |
| লেচাৰি ছন্দ | ৬৬৩-৬৬৫ সংখ্যক |

(ঘোষাৰ কোনো সংস্কৰণত এই থূলৰ ঘোষা দ্বি-বিভক্ত কৰা হৈছে)। অনুক্ৰমে অন্যান্য পৰিচ্ছেদসমূহতো এইৰূপ বিভাজন লক্ষ্য কৰা হয় ঘোষা শাস্ত্ৰৰ এইৰূপ পদ বিভাজনৰ একো একোটা পটল (বা একে পৰ্যায়ৰ ঘোষাৰ গোট) আখ্যা দিব পাৰি। সংস্কৃত 'পটল' শব্দৰো মূল অৰ্থ হৈছে ৰাশি, সমূহ, গোট (Unit) বা কোনো ৰচনাৰ সমন্বিত বিষয় বৰ্ণনাৰ একোটা ভাগ বা পদৰ থূল। এই দৃষ্টিকোণৰ পৰা নাম-ঘোষাৰ একোটা পৰিচ্ছেদৰ অন্তৰ্গত এনেকুৱা থূলসমূহক বা একোজনা ঘোষাৰ একোটি পৰিচ্ছেদক একোটি পটল আখ্যা দিয়াটো যথাৰ্থ অৰ্থবহ। ঘোষা শাস্ত্ৰৰ ঘোষাসমূহ সৰ্ব্বমুঠ ১০৩ (এশ তিনি) টি পটলত বিভক্ত। উল্লেখ্য যে নাম-ঘোষাত পাঁচটি পৰিচ্ছেদ তথা পাঁচটি পটল মাত্ৰ একোজনাকৈ ঘোষাৰে ৰচনা হৈছে; এই পৰিচ্ছেদ কেইটি হ'ল--অনুধীতা (ছবি ছন্দ); আশ্ৰয় (লেচাৰি ছন্দ); শৰণ্য বা শৰণ স্থান (দুলড়ি ছন্দ); পৰম পুৰুষাৰ্থ (লেচাৰি ছন্দ) আৰু ভাগৱত প্ৰশংসা (লেচাৰি ছন্দ)।

নাম-ঘোষা যেহেতু মূলতে এখনি ভক্তি শাস্ত্ৰ আৰু ভক্তিৰ প্ৰাৰম্ভিক প্ৰয়োজন আত্মোপলব্ধি আৰু আত্ম-লঘিমা; সেয়ে মাধৱদেৱ পুৰুষে ঘোষাত অনুনাথনা, শঙ্কা, খেদ, আত্ম-নিন্দা, বিৰকতি আদি পৰিচ্ছেদৰ অন্তৰ্গত ঘোষাসমূহ





ৰচনাৰ দ্বাৰা আত্মোপলব্ধিৰ সহায়ত নিজৰ হীনতা আৰু পৰম- পুৰুষৰ মহত্ত্ব উপলব্ধি কৰি ভগৱন্তৰ চৰণত আত্ম-সমৰ্পণৰ ওপৰত বিশেষ গুৰুত্ব দিছে। 'খেদ' প্ৰকাশৰ ঘোষা ৰচনা কৰি তাৰাই মানুহে দুৰ্ল্লভ মনুষ্য জন্ম লাভ কৰিও অনাদি-অবিদ্যাৰ ফলতে অনাত্মা দেহকে আত্মা বুদ্ধি কৰি সংসাৰ নিকাৰ ভুঞ্জিব লগা হোৱা অৱস্থাৰ কাৰণে খেদ ব্যক্ত কৰিছেঃ

কত মহাদুখে পুণ্য কৰি অপবৰ্গযোগ্য নৰতনু  
পায়া পৃথিৱীত বিষয়ত মজি ৰৈল।  
ইটো খেদ হৰিসেৱা তেজি আপুনাক আত্মঘাত কৰি  
সিটো মহাপাপী আপুনি বঞ্চিত ভৈল।। ৬৮২।।

এনে দুৰ্দ্দৈৱ অৱস্থাৰপৰা সকলো জীৱৰ পৰিত্ৰাণৰ কাৰণে সেয়ে তাৰাই ভগৱন্তৰ চৰণত চিত্ত-বৃত্তি নিয়োজনৰ প্ৰয়োজনীয়তাৰ কথা দঢ়াই কৈ সকলোকে উপদেশপূৰ্ণ সতৰ্ক বাণী শুনাইছেঃ

সেহিসে দিনক ভাই দুৰ্দ্দিন বুলিয়া মানি  
মেঘাচ্ছন্নে নোহয় দুৰ্দ্দিন।  
হৰিকথা অমৃতৰ সম্যক আলাপ ৰসে  
যিটো দিন হোৱয় বিহীন।। ৪০।।  
আত্মা ঈশ্বৰক লাগ প্ৰত্যক্ষে সততে পাই  
নপাই জানা তাঙ্ক অবিদ্যাত।  
অবিদ্যা নাশিলে লাগ কৃষ্ণক পাৱয় যেন  
কণ্ঠলগ্ন বস্তুক সাক্ষাত।। ৪১।।

অন্তৰত এবাৰ এনে চেতনা উপজিলে ভক্তৰ মনৰপৰা আপোনা-আপুনি সংসাৰ ভোগ বা বিষয়-সুখৰ আকাঙ্ক্ষা নোহোৱা হব আৰু এই অৱস্থাতে তেওঁ পুৰুষাৰ্থ লাভৰ যোগ্যতা আহৰণ কৰিব। ভকতৰ প্ৰতি সেয়েহে বিষয় বাসনা ত্যাগৰ আহ্বান জনাই তাৰাই 'বিৰকতি'ৰ ঘোষা দিছে--

বিষয়ৰ আশাভঙ্গে ভক্তৰ হৰিষ।  
দেখয় বিষয় সুখ বিষ্ঠাৰ সদৃশ।। ৫৮১।।  
বিষয়ৰ সুখ যত সকলো অসাৰ।  
জানিয়া ভকতে তাক কৰে পৰিহাৰ।।৫৮২।।

'অনুনাথনা'ৰ ঘোষাত (অনুনাথনা = অনু + উপম, পক্ষ, পশ্চাত, সহিত+ নাথনা- নাথ, আঁতি বান্ধ, একে সূত্ৰতে বান্ধ= নিজৰ হীনতা স্বীকাৰ পূৰ্ব্বক ঈশ্বৰৰ

ওচৰত আত্মসমৰ্পণ) আনহাতে তাৰাই স্পষ্ট ভাবেই উল্লেখ কৰিছে যে সংসাৰত মায়াৰ বশৱৰ্ত্তী হৈয়েই মানুহে মায়াৰ ৰচনা জগত প্ৰপঞ্চকে সত্য বুলি জ্ঞান কৰি পৰিশেষত নানা প্ৰকাৰ দুখ ভোগ কৰে। ৰসিক সুজান একান্ত ভকত মাধৱদেৱে সেয়ে সংসাৰৰ ত্ৰি-তাপক্লিষ্ট জীৱক সকলো প্ৰকাৰ সংসাৰ দুখ নিবাৰণৰ কাৰণে পৰমেশ্বৰৰ চৈতন্য স্বৰূপতা আৰু নিৰ্গুণ মাহাত্ম্যৰ তত্ত্ব উপলব্ধি কৰি তেওঁৰ চৰণতে আশ্ৰয় লোৱাৰ হেতু আহ্বান জনাই নিজ সংকল্পৰ কথা ব্যক্তি কৰি ঘোষা দিছে --

তোহ্মাৰেসে অবিদ্যায়ে আহ্মাক মুহিলে হৰি
নজানোহো তোহ্মাৰ তত্ত্বক।
তোহ্মাৰ চৰণে হৰি শৰণ পশিয়া সাৰ
কৰিলোহো তোহ্মাৰ নামক।। ৭২।।
হে কৃষ্ণ তুমি মাত্ৰ চৈতন্যস্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৱ যতেক ইটো তোহ্মাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত।। ৭৩।।
তযু গুণনাম হৰি কেৱলে নিৰ্গুণ মাত্ৰ
আৰৱ সমস্তে গুণময়।
এতেক জানিয়া হৰি তোহ্মাৰ নামক মাত্ৰ
কৰিলোহো সাৰ কৃপাময়।। ৭৪।।

এইদৰে ভগৱন্তৰ চৰণত শৰণ লৈ 'পৰম অমিয়া ৰস হৰিৰ কীৰ্ত্তন যশ' স্বৰূপ ভক্তি সাগৰত সাতুৰি-নাদুৰি ফুৰোতেই কেতিয়াবা ভগৱন্তৰ মায়াত মোহিত হৈ ভক্তই আধ্যাত্মিক চেতনা হেৰুৱাই বেদ বিহিত অপবৰ্গ কৰ্ম্ম সাধনৰ জৰিয়তে কোনো ফল লাভৰ আকাঙ্ক্ষা কৰি মায়াৰ বান্ধোনত জড়পূৰকৈ বান্ধ খায়। ঘোষাত এনে 'শঙ্কা' এইদৰে ব্যক্ত হৈছে--

উৰুক্ৰম পদৰেণু সেৱি ছয় উৰ্ম্মি জিনিলেক যিটো
সিটো পুৰুষৰ জানিবা আশ্চৰ্য্য নাই।
আকেসে আশ্চৰ্য্য বুলি ধৰি যাৰ নাম একবাৰ স্মৰি
চাণ্ডালো সম্প্ৰতি সংসাৰবন্ধ এৰাড়।। ৬৪৪।।

নিজৰ এনে আধ্যাত্মিক দীনতাৰ উপলব্ধি প্ৰকাশ কৰি মাধৱদেৱে 'অনুধীতা'ৰ (অনুধীতা= অনু-উপস, হীন, ক্ষুদ্ৰতা+ ধী-জ্ঞান, উপলব্ধি = নিজৰ আধ্যাত্মিক দীনতা উপলব্ধি) ঘোষা কৰিছে--





হৰিৰ গৃহৰ দ্বাৰে বেত্ৰৰ প্ৰহাৰ যোগ্য
ব্ৰহ্মা ইন্দ্ৰ আদি দেৱজাক।
হেনয় দ্বাৰত বেত্ৰ প্ৰহাৰ পাইবাৰ যোগ্য
হএঁা আমি কমন বৰাক।।

মানুহে নিজৰ আধ্যত্মিক অৱচেতনা দূৰ কৰিবৰ কাৰণে সুখ-দুখ সকলো অৱস্থাতে নিৰপেক্ষ ভাৱে থাকি পুৰুষোত্তমৰ প্ৰেমত একান্তভাৱে নিজৰ মন নিয়োজিত কৰিব লাগে। 'হৰবাৰ' ঘোষাত মাধৱদেৱে সেই কাৰণেই ভকতক উপদেশ বাণী শুনাইছে -

'অবিদ্যাজনিত সুখ সত্যলোক আদি কৰি
আত নিৰপেক্ষ নিৰন্তৰ।
কেৱলে চিদাঙ্গ শুদ্ধি কৰণেসে মাত্ৰ জানা
পুৰুষাৰ্থ মুমুক্ষুজনৰ।।' ১২২।।

পুৰুষাৰ্থ সাধন অৰ্থাৎ মনুষ্য জীৱনৰ উদ্দেশ্য সাধন তথা সিদ্ধিৰ কাৰণে আমি প্ৰথমে সকলো কাৰ্য সাধনৰ পথৰ প্ৰতিবন্ধকসমূহ দূৰ কৰিব পাৰিব লাগে। এতেকে পৰমাৰ্থত 'হৰবাৰ' শব্দই (হৰ-হৰণ কৰা, দূৰ কৰা + ৱাৰ-প্ৰতিবন্ধ, বাধা, ঢাকোন) ভক্তি বিৰুদ্ধ কাৰকসমূহ ত্যাগপূৰ্ব্বক ভকতৰ যোগ্যতা আহৰণক বুজাইছে। এনে যোগ্যতা আহৰণ হলে ভক্তই ভগৱৎ 'কৃপা' লাভ কৰিব পাৰে।

'কিনো কৃপাময় দেৱ প্ৰভু যদুৰায়।
মুখমাজে থৈলা নাম সৰ্ব্বক্ষণে পাই।। ৫৮৫।।
কৃপাৰ ঠাকুৰ কৃপাময় কৃপানিধি।
তুৱা গুণ নাম ভকতৰ সৰ্ব্ব সিদ্ধি।।

পৰমাৰ্থ লাভ আৰু পৰম পদ প্ৰাপ্তিৰ কাৰণে ভকতক ত্যাগৰ যি ঐকান্তিক সঙ্কল্প আৰু পৰমেশ্বৰত দৃঢ় বিশ্বাসৰ প্ৰয়োজন সেই কথা ব্যাখ্যা কৰি মাধৱদেৱ পুৰুষে নাম-ঘোষাত 'অনুভাৱ'ৰ (সং অনুভাৱ-দৃঢ় বিশ্বাস সঙ্কল্প) তিনিজনা ঘোষা সন্নিবিষ্ট কৰিছে। ইয়াৰে শেষৰ ফাকি ঘোষা উদাহৰণ স্বৰূপে উদ্ধৃত কৰা হ'ল--

'হে কৃষ্ণ পুত্ৰ পত্নী সঙ্গ তেজি তযু পদ চিন্তি নিত
গৰ্ব্বশূন্য সন্তসবৰ আশ্ৰমে যাইবো।
তাসম্বাৰ মুখ-পদ্মে বাজ হুইবে তযু কথামৃত নদী
তাতে মগ্ন হুয়া দেহাৰ হাত এৰাইবো।।' ৬৬৪।।

প্ৰসঙ্গতঃ এইকথা উল্লেখ কৰি যোৱা ভাল হব যে এই শিতানত অন্তৰ্ভুক্ত ঘোষা তিনিফাঁকি ঘোষাৰ বিভিন্ন ছপা সঙ্কলনত (ইয়াত অন্তৰ্ভুক্ত পাঠ সাঁচিপাতৰ

পুথিৰপৰা লোৱা হৈছে) এই কেইফাকি ঘোষাৰ আগৰ প্ৰাৰ্থনাৰ ঘোষাৰ লগতে উল্লেখ কৰা হৈছে। কোনোৱে আকৌ ভুলবশতঃ এই শিতানটোক অনুতাপ বুলিছে। কিন্তু ঘোষা কেইফাকিত যে প্ৰত্যক্ষ জ্ঞানলব্ধ তথা অনুভাৱাত্মক সঙ্কল্প প্ৰকাশ পাইছে, সেইকথাত কাৰো সন্দেহ থাকিব নোৱাৰে।

করুণাসাগৰ ভগৱন্তৰ চৰণত আত্মসমৰ্পণৰ এনে দৃঢ় আকাঙ্ক্ষা মাধৱদেৱৰ বিস্তৃত শাস্ত্ৰ অধ্যয়ন আৰু তত্ত্ব উপলব্ধিৰে প্ৰত্যক্ষ ফল। এইদৰে উপলব্ধি কৰা ভালেমান শাস্ত্ৰোপদেশ বিভিন্ন মূলৰ পৰা সংগ্ৰহ কৰি অনুবাদ, ভাবানুবাদ আদিৰে নতুনকৈ ৰচনা কৰি, নিজৰ আত্ম-চৈতন্যক সজাগ কৰি ৰাখিবৰ উদ্দেশ্যে আৰু বিশ্বমানৱৰ কল্যাণৰ কাৰণে ঘোষাত 'উপদেশ'ৰ ঘোষা ৰূপে সন্নিবিষ্ট কৰা হৈছে। ইয়াৰেই আধাৰত আনহাতে তাৰাই পৰম তত্ত্ব-জ্ঞান, আহৰণ কৰি 'ঈশ্বৰ নিৰ্ণয়', 'সাৰ নিৰ্ণয়', 'পৰমাৰ্থ সাৰ', 'কৃষ্ণৰ পুৰুষ লক্ষণ', তাৎপৰ্য', 'ভাৱাৰ্থ', 'পৰম পুৰুষাৰ্থ', 'প্ৰশংসা', 'মহিমাযুক্ত কীৰ্ত্তন প্ৰশংসা', 'ভাগৱত প্ৰশংসা' আদি পৰিচ্ছেদৰ ঘোষাসমূহ ৰচনা কৰিছে। ইয়াৰে উপৰি যিজনে মহাপুৰুষৰ কৃপাত তেওঁ পৰম তত্ত্বজ্ঞান লাভ কৰিলে, সেইজন গুৰু শ্ৰীমন্ত শঙ্কৰৰ গুণ-যশ আৰু মহত্ত্ব প্ৰকাশি ছবি, দুলড়ি আৰু লেচাৰি ছন্দত বস্তু প্ৰকাশ'ৰ তিনি পটল ঘোষা (ঘোষা সংখ্যা ৯ জনা) ৰচনা কৰিছে। গুৰু গৰিমা স্মৰণত গদ্‌গদ্ হৈ তাৰাই উপদেশ, নিন্দা আদি পৰিচ্ছেদৰো অন্তৰ্গত কৰি ৰচনা কৰা আন সাতজনা ঘোষাকে ধৰি মুঠ যোল্লজনা ঘোষাত পোনপটীয়াকৈ শঙ্কৰ-গৰিমা কীৰ্ত্তন কৰি তেৰেঁই যে আমাৰ সকলোৰে কাৰণে পৰম গুৰু আৰু সেই পবিত্ৰ শঙ্কৰ নামৰ বাহিৰে যে গুৰুবাচক আন কোনো অভিধা নাই সেইকথা দঢ়াই কৈছে ----

'শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু
তাহান্ত বিনায় নাই নাই নাই
আন্মাৰ পৰম গুৰু।।' ৩৭৫।।

গুৰুৰ কৃপাত পৰম তত্ত্ব অৱগত হৈ মাধৱদেৱ পুৰুষে; অৰ্জুনে তেওঁৰে সুহৃদ সখা কৃষ্ণৰ মানৱী ৰূপত (লীলা অৱতাৰ) পৰম পুৰুষৰ বিশ্বৰূপ দৰ্শন কৰি তেওঁক স্বয়ং ঈশ্বৰ বুলি জানি কৃষ্ণক সন্মুখৰেপৰা আৰম্ভ কৰি সকলো দিশৰ পৰা আৰু সকলো প্ৰকাৰে প্ৰণিপাত জনোৱাৰ তুলনাৰে; 'শৰণ', 'ভজন', 'নমস্কাৰ', 'নিবেদন', 'তুতি', 'কাৰুণ্য', 'কাকুতি', আদি সকলো উপায়ে পৰমেশ্বৰৰ চৰণত ভক্তি নিবেদন কৰিছে। ইয়াৰ কেতবোৰ ঘোষাত মাধৱদেৱৰ ভক্তিৰ পৰাকাষ্ঠা





আৰু আত্ম-লঘিমাৰ ভাৱ এনে মনোৰমকৈ প্ৰকাশ পাইছে যে এইসমূহে ঘোষা শাস্ত্ৰত প্ৰকাশিত তত্ত্ব আৰু ভক্তিৰ উচ্ছ্বাস অধিক মহিমান্বিত কৰি তুলিছে। উদাহৰণ স্বৰূপে ঘোষা ছন্দত ৰচিত 'আত্ম-নিন্দা'ৰ ঘোষাত তাৰাই আত্ম-বিশ্লেষণ কৰি মানুহৰ দুৰ্ব্বাসনাবশতঃ ওপজা অজ্ঞানতাৰ কথা প্ৰকাশ কৰিছে এইদৰে--

'তুমি প্ৰাণ প্ৰিয়তমঃ সুহৃদ পৰম দেৱ
প্ৰাণ প্ৰভু পীতাম্বৰ এ
তুমিসে কেৱলে আত্মা মোৰঃ
হৰি হৰি তুমিসে পৰম আত্মা মোৰ।
তোহ্মাক নজানি জড়ঃ মিছা শৰীৰক মঞি
প্ৰাণ প্ৰভু পীতাম্বৰ এ
আত্মা বুলি ভৈলো সেৱা চোৰঃ
প্ৰাণবন্ধু কিনো মই অজ্ঞানী দুৰ্ঘোৰ হৰি এ।।' ৭৫১।।

পৰমাত্মা সম্বন্ধে এনে ৰহস্যবাদী উপলব্ধি হোৱা হেতুকেই তেওঁ পৰম ৰসময় ভগৱন্তৰ চৰণ ছায়াত আকুল ভাৱে আশ্ৰয় প্ৰাৰ্থনা কৰি একান্ত 'শৰণ' বাঞ্ছা কৰিছে ---

'ইবাৰ কৰুণাময়ঃ হৰি কমলাপতিঃ
মোৰে নছাৰিবা নাৰায়ণ।
অৰুণ চৰণ তলেঃ হৰি কমলাপতিঃ
সত্যে সত্যে পশিলো শৰণ।।' ৬৫৮।।

আকৌ আত্ম-নিবেদনপূৰ্ব্বক 'কাকুতি' আৰু 'কাৰুণ্য'ৰ ঘোষাত সেৱা-ৰস আৰু ভক্তি-ৰসৰ সমন্বয়ে পাৰমাৰ্থিক তত্ত্ব যেনে উজ্বলতৰ কৰি প্ৰকাশ কৰিছে তাৰ তুলনা সাধাৰণতে অন্য ভক্তি সাহিত্যত পোৱা নহয়, এয়া মাধৱদেৱৰ ভক্ত হৃদয়ৰ প্ৰতিফলক এক দাপোণ স্বৰূপ।

ঘোষাৰ শেষ ভাগত তাৰাই ভগৱন্তৰ গুণ-যশ-মাহাত্ম্য প্ৰকাশক বিভিন্ন নামেৰে এধাৰি বিচিত্ৰ মালা গাঁথি (নামছন্দৰ ঘোষা) তাকে শিৰত ধাৰণ কৰি 'মধুৰৰো সুমধুৰ' 'মঙ্গলৰো পৰম মঙ্গল' হৰি কীৰ্ত্তনৰ অমিয়া-ৰসৰ মহাসমুদ্ৰত আকণ্ঠ নিমজ্জিত হৈ থকাৰ আকাঙ্ক্ষা কৰিছে। লগতে ভগৱন্তৰ ভক্তি প্ৰয়াসী ভকতসকললৈকো উদাত্ত আহ্বান--

'পিয়ু পিয়ু ভাই ভাৱকসকল
হৰিনাম ৰস সাৰ।

যাক পায়া মহা মহন্তে কৰয়
মুকুতিকো পৰিহাৰ।।' ২৪৪।।

ভগৱন্তৰ একান্ত সেৱকে এইৰূপ সেৱা ব্যতিৰেকে ঐহিক সুখ ভোগ আকাঙ্ক্ষা কৰাতো দূৰৰ কথা পাৰলৌকিক মুক্তি সুখৰ বাঞ্ছাও নকৰে। এয়ে ভক্তিৰ ৰহস্য; ৰহস্যবাদী ভকতৰো ভগবৎ ভক্তিৰ স্বৰূপ এনেকুৱাই। ভগৱন্তৰ চৰণত যোগেশ্বৰ শিৱৰো একান্ত প্ৰাৰ্থনা----

'নমাগোহো সুখ ভোগ নলাগে মুকুতি।
তোম্মাৰ চৰণে মাত্ৰ থাকোক ভকতি।।'-(কীৰ্ত্তন)।

নাম-ঘোষাত মাধৱদেৱ পুৰুষেও অনুক্ৰমে স্থিৰ সিদ্ধান্ত দিছে--

'মনে মুখে এক কৰি সদা বোলা ৰাম।
লভিবা পৰমানন্দ দূৰ হৈবে কাম।।' ৪৫৭।।

---

**লেখকৰ পৰিচয়ঃ**

শ্ৰীযোগেন্দ্ৰ নাথ ভূঞা,কলিয়াবৰ, নগাঁও।



# ধ্ৰুপদী গ্ৰন্থ নাম-ঘোষাৰ কাব্যিক সৌন্দৰ্য্য

**জীৱকান্ত নাথ**

নাম-ঘোষা মহাপুৰুষ মাধৱদেৱৰ এক অমৰ সৃষ্টি। ই এক মহৎ আত্মাৰ মহৎ কৃতি। জগতৰ অমৰ গ্ৰন্থসমূহৰ ভিতৰত নাম-ঘোষাও এখনি। আজি চাৰিশ পাঁচশ বছৰে ইয়াৰ ৰস পান কৰি, ইয়াৰ সাহিত্যৰ সুধা পান কৰি সাহিত্যানুৰাগীসকলে, ভক্তসকলে অন্ত কৰিব পৰা নাই আৰু আগলৈও নোৱাৰিব। ধ্ৰুপদী সাহিত্যসমূহৰ এইটো লক্ষণেই। ৰামায়ণ-মহাভাৰত, গীতা-ভাগৱত যেনেকৈ ভাৰতীয় পাঠকে পঢ়ি শেষ কৰিব পৰা নাই, তেনেকৈ নাম-ঘোষাকো পঢ়ি, বুজি, অৰ্থ উলিয়াই অন্ত কৰিব পৰা নাই। এনে এখন মহৎ গ্ৰন্থ নাম-ঘোষা সকলো সাহিত্যিক তথা কাব্যিক গুণেৰে সমৃদ্ধ। আন সকলো গুণৰ লগতে গ্ৰন্থখনিৰ কাব্যিক সৌন্দৰ্য অতুলনীয় তথা অনুপম।

নাম-ঘোষাৰ কাব্যিক সৌন্দৰ্য সম্বন্ধে আলোচনা কৰাৰ পূৰ্বে সৌন্দৰ্যৰ স্বৰূপনো কেনেকুৱা-এই বিষয়ে আলোচনা-বিলোচনা কৰাৰ অৱকাশ আছে। থোৰতে কবলৈ গ'লে সৌন্দৰ্য হ'ল এক প্ৰকাৰ মানসিক অৱস্থা। ই থিতাপি লয় মানুহৰ মনত। তেনেহলে আমাৰ মনত প্ৰশ্ন উদয় হ'ব পাৰেযে বস্তু বা পদাৰ্থত সৌন্দৰ্য নাই নেকি? ইয়াৰ উত্তৰত এটা কথা কব পাৰি যে বস্তুত সৌন্দৰ্য থাকিলেও, বস্তু বা পদাৰ্থ সুন্দৰ হলেও সকলোৱে মনে তেনে বস্তু সুন্দৰ নেদেখিবও পাৰে। একাধিক ব্যক্তিক কাপোৰৰ বজাৰত কাপোৰ কিনিবৰ বাবে সুমুৱাই দিলে তেওঁলোকে একে ৰঙৰ কাপোৰ পচন্দ নকৰি ভিন ভিন ৰঙৰ কাপোৰহে পচন্দ কৰিব। গোলাপ বা পদুম ফুলপাহে সকলোৱে মনত সৌন্দৰ্যৰ আভা নিবিলায়। সূৰ্যোদয় বা সূৰ্যাস্তৰ মনোমোহা প্ৰাকৃতিক দৃশ্যই সকলোৱে মন হৰণ নকৰে। কুলি-কেতেকীৰ সুললিত কণ্ঠই সকলোৰে মন-প্ৰাণ উতলাই নোতোলে। এনেদৰে অলেখ উদাহৰণ দাঙি ধৰিব পাৰি। কিন্তু জগতত এনে বহু লোক আছে, যিসকলৰ হৃদয় সৌন্দৰ্যৰে পৰিপূৰ্ণ। তেওঁলোকে প্ৰকৃতি জগতৰ বিভিন্ন দৃশ্য, পদাৰ্থ আদিত নিজৰ হিয়া-মন উবুৰিয়াই দি সুন্দৰৰ আৰাধনা কৰে। কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ ভাষাত "সুন্দৰৰ

আৰাধনা জীৱনৰ খেল।'' সুন্দৰৰ সাধকসকলে গোটেই জগত ধুনীয়া দেখে; এই ধুনীয়া জগতখনৰ মাজত মজি তেওঁলোকে কয় 'সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে, সেয়েহে ইমান ফুল প্ৰভাতে প্ৰভাতে।' (জ্যোতিপ্ৰসাদ) তেওঁলোকৰ বাবে জীৱজগত আৰু জড়জগতৰ সকলো প্ৰাণী আৰু পদাৰ্থই সৌন্দৰ্যৰ আকৰ। তেওঁলোকৰ হৃদয়খন প্ৰেম-প্ৰীতি, কৰুণা, দয়া-মৰম, পৰোপকাৰ, অহিংসা, সত্যবাদিতা, সাহসিকতা, মহানুভৱতা আদি মহৎ গুণসমূহে আলোকিত কৰি ৰাখে। প্ৰতি ক্ষণ, প্ৰতি পল-অনুপলতেই এইসকলৰ মনত বিশ্ব সৌন্দৰ্যই প্ৰতিক্ৰিয়া কৰিয়েই থাকে।

এনে এজন বিশ্ব সৌন্দৰ্যৰ খনিকৰ, মহাসুন্দৰৰ সাধক, সংসাৰ নাটৰ মহানায়ক চিৰকৌমাৰ্যব্ৰতী ভক্ত মাধৱদেৱ। অপাৰ্থিৱ প্ৰেমত, সৰগীয় সৌন্দৰ্যৰ সুবাসত মাধৱ মজি গৈছিল আজীৱন বৰ গভীৰভাবে। মহাসুন্দৰৰ শিল্পীসকলৰ প্ৰেম অপাৰ্থিৱ হ'লেও জয়জয়তে কিন্তু এওঁলোকে সৌন্দৰ্যৰ শোভা দেখিবলৈ পায় পাৰ্থিৱ প্ৰেমৰ মাজতহে। বালিচাহিটোৰ পৰা আৰম্ভ কৰি গজহস্তীলৈকে, পশু-পক্ষীৰ পৰা নৰ-মনিচলৈকে সকলোতে বিশ্ব শিল্পী মাধৱেও দেখিবলৈ পাইছিল অসীম অনন্ত সৌন্দৰ্যৰ আকৰ। চাক্ষুস জগতখনক এনেদৰে ভাল পোৱাৰ পিছতহে তেওঁৰ অন্তৰাত্মা প্ৰসাৰিত হৈছিল অদৃশ্য অপাৰ্থিৱ প্ৰেমলৈ। ইংৰাজ কবি কীট্‌ছে প্ৰতিখন ধুনীয়া মুখতেই ভগৱানৰ সৌন্দৰ্যৰ শোভা দেখিবলৈ পাইছিল। কবিৰ ভাষাত-"Every beautiful face reminds me the beauty of God." পুত্ৰ-পত্নীক প্ৰেম বিলাব নোৱাৰাজনে ওচৰ-চুবুৰীয়াক ভাল পাব নোৱাৰে, ওচৰ-চুবুৰীয়াক ভাল নাপালে জাতি, দেশ আৰু বিশ্ব মানৱক কেনেকৈ ভাল পাব? সেইজনৰ বাবে ঈশ্বৰ বহু নিলগত। সেয়েহে বৈকুণ্ঠ প্ৰয়াণৰ পূৰ্বেই পৰম ভক্ত উদ্ধৱক ভগৱান কৃষ্ণই এনেদৰে উপদেশ বাণী শ্ৰৱণ কৰাই থৈ গৈছে-

"সমস্ত ভূততে ব্যাপি আছো মই হৰি।  
সৱাকো মানিবা তুমি বিষ্ণুবুদ্ধি কৰি।।  
ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।  
দাতাত চোৰত যেন দৃষ্টি এক তুল।।  
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।  
তাহাকেসে পণ্ডিত বুলিয় সৰ্ব্বজন।।১৮২১  
কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।  
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"১৮২৩

(শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, কীৰ্ত্তন)



নাম-ঘোষাৰ সমীক্ষাত্মক অধ্যয়ন

ভগৱান কৃষ্ণই কৈ যোৱা এই পণ্ডিতসকলৰ ভিতৰত বিশ্বশিল্পী মাধৱো অন্যতম। দুৰ্গা গোঁসানীৰ আগত বলিৰ তেজেৰে ফোঁট লোৱা শাক্ত মাধৱে কব পৰা হ'ল--

মৃগ মীন মহাসাধু নৰে মনৰ সন্তোষে তৃণজলে  
হিংসাশূন্য হুয়া থাকয় জীৱন ধৰি।  
তথাপিতো ইটো ত্ৰিতয়ৰ কৈৱৰ্ত্ত পিশুন ব্যাধসৱ  
ইটো জগতত তিনি অকাৰণ বৈৰী।। ৬৩৪।। (নামঘোষা)

এনেদৰেই অন্যান্য বহুজন ভক্তৰ দৰেই মাধৱৰো প্ৰেম পাৰ্থিৱ প্ৰেমৰ পৰা অপাৰ্থিৱ প্ৰেমলৈ প্ৰসাৰিত হৈছিল। জগতত নিজকে মহাপাপী, দুৰাচাৰ, দুৰাশয়, মূঢ়মতি, অপৰাধী, দাসৰো দাস, দাসৰো দাস বুলি নিজৰ পৰিচয় দিব পৰাজন কোন শ্ৰেণীৰ সৌন্দৰ্যৰ সাধক হ'ব-তাক ভাবিলে আচৰিত হ'ব লাগে।

মনোজগতৰ এই সৌন্দৰ্য অন্তৰ্নিহিত হৈ থাকে সত্য অন্বেষণত। আচল অৰ্থত সত্য অন্বেষণকাৰীজনেই প্ৰকৃত সৌন্দৰ্যৰ সাধক। এই সত্যই প্ৰকৃত সৌন্দৰ্য-"সত্যম্ শিৱম, সুন্দৰম্" । সেয়েহে মহামানৱ মহাত্মা গান্ধীয়ে সাহসেৰে কব পাৰিছিল। 'সত্যই ভগৱান'। কীট্‌ছেও কৈছে--'Truth is beauty, beauty is truth' মাধৱ মহাপুৰুষৰ মতেও এই পৰম সৌন্দৰ্য আৰু পৰম সত্য হ'ল ভগৱানক জনাটো। তেওঁক জানিলে জগতত জানিবলৈ আৰু একো বাকী নাথাকে। এইজন পৰম সৌন্দৰ্যৰ সাধকৰ বাবে--'ব্ৰহ্মসত্য জগৎ মিথ্যা'। নাম-ঘোষাত জগতৰ প্ৰকৃত সত্যটোক উদ্ভাৱন কৰি ভক্ত কবি মাধৱদেৱে ঘোষণা দিছে--

'হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য  
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।।'৭৩।।

কৃষ্ণক জানিব পাৰিলেই জগতৰ সৌন্দৰ্য পান কৰিব পাৰিব-- এয়ে মাধৱৰ সৌন্দৰ্য সম্পৰ্কে শেষ সিদ্ধান্ত। এই পৰম সত্য আৰু সৌন্দৰ্যকে প্ৰতিষ্ঠা কৰিছে নাম-ঘোষাৰ এহেজাৰ এটা ঘোষাৰ মাজেদি। জ্যোতিপ্ৰসাদ আগৰৱালাই ভাৰতীয় জনগণক আহ্বান জনাই এযাৰ বৰ সাৰুৱা কথা কৈছিল। তেওঁ কৈছিল যে আপোনালোকে ভাৰতীয় সংস্কৃতিক দ্ৰাবিড়ীয় সংস্কৃতি, মংগোলীয় সংস্কৃতি বা আৰ্য সংস্কৃতি আদি নামেৰে নামকৰণ নকৰি 'কৃষ্ণ-সংস্কৃতি' নামেৰে নামকৰণ কৰক। তেতিয়াহে ভাৰতীয় সংস্কৃতিৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন হ'ব আৰু ভাৰতত

সুখ-শান্তি বিৰাজ কৰিব। সেয়েহে এইজন বিশ্ব শিল্পীয়েও উদাত্ত সুৰত গাইছিল "মোৰে জীৱনৰে সখা কৃষ্ণ" বুলি।

প্রাচীন ভাৰতীয় আলংকাৰিকসকলৰ মতে কাব্যিক সৌন্দর্য লুকাই থাকে কবিতাৰ ৰস, অলংকাৰ, ছন্দসজ্জা আৰু ভাৱ-ভাষাৰ সুগম প্রয়োগত। আলংকাৰিকৰ মতে কাব্য হবলৈ হ'লে তাত ৰস অনিবাৰ্য্যভাৱে থাকিবই লাগিব। ৰসহীন বাক্য বা কথা কেতিয়াও সাৰ্থক কাব্য বা কবিতা হ'ব নোৱাৰে। তেওঁলোকৰ ভাষাত-'বাক্যম্ ৰসাত্মকং কাব্যম্' অর্থাৎ ৰসযুক্ত বাক্যই কাব্য। এই ৰসনো কি? সৌন্দর্য এটি মানসিক অৱস্থাৰ দৰেই ৰসো মানুহৰ মনৰ এটি অৱস্থা মাথোন। ৰস আস্বাদন কৰা মুহূৰ্ত্তত মানসিক অৱস্থাৰ একপ্রকাৰ বিকৃতি ঘটে। আত্মবিলুপ্তিৰ যোগেদি ৰস পান কৰোঁতাজনে নিজকে পাহৰি থাকে। এই অৱস্থাত নিজৰ অস্তিত্ব পাহৰি মনটোৱে কোনোবাই কান্দিলে কান্দে, কোনোবাই হাঁহিলে হাঁহে, কোনোবাই প্রেম-প্রণয় কৰা দেখিলে-শুনিলে তেনে কৰে, কোনোবাই যুদ্ধ কৰা দেখিলে যুদ্ধ কৰিবলৈ মন যায়। সেয়েহে আত্মবিস্মৃত হব নোৱাৰিলে প্রকৃত ৰস পানো সম্ভৱ নহয়। মহাপুৰুষ গুৰুজনৰ একান্ত সঙ্গী ভক্ত ৰামদাস আতৈ এদিন ভক্তি ৰসত মজি কেনে দুৰ্দশা ঘটিছিল তাৰ এটি নিদৰ্শন চৰিত পুথিত আছে। এবাৰ গুৰুজনে ভক্তসকলৰ সৈতে পুহ-মাঘ মহীয়া খৰি খেৰ আনি দপদপকৈ জুই জ্বলাই লৈ নাম-কীৰ্ত্তনৰ আয়োজন কৰিছিল কিছুদিন। ৰামদাস আতৈয়ে প্রহ্লাদ চৰিত্রৰ পদ গাই আছিল। প্রহ্লাদক হিৰণ্যকশিপুয়ে দিয়া বিভিন্ন শাস্তিৰ বৰ্ণনাৰ মাজতে জুইত পেলাই দিয়াৰ বৰ্ণনা ওলাইছে। 'হাতে গলে বান্ধি অগ্নিত পেলাই' আদি পদ মাতি ৰামদাস আতৈৰ ভক্তি ৰসত আত্মবিলুপ্তি ঘটিল আৰু লগে লগে নিজকে প্রহ্লাদ বুলি ভাবি জুইত জাপ মাৰি দিলে। তেহে গুৰুজনে বোলে ধৰা, ধৰা, প্রেম ৰসত মজি এনে হৈছে ৰামদাসৰ। তেতিয়াহে ভক্তসকলে আতৈক জুইৰ পৰা উদ্ধাৰ কৰিছে। ইমানেই শক্তি ৰস নামৰ এই বস্তুকণৰ।

নাম-ঘোষা মহাগ্রন্থভাগিত এই ভক্তি ৰসৰেই মহাপ্লাৱনৰ ধাৰা বৈকুণ্ঠৰ পৰা মাধৱে বোৱাই আনিছে মৰ্ত্ত্যৰ মানৱৰ মাজলৈ। এই ভক্তিনো কি? এই ভক্তি তত্ত্ব হ'ল সনাতন হিন্দু ধৰ্মৰ এটি প্রধান তত্ত্ব। একেষাৰে কবলৈ গ'লে-- পৰম পুৰুষজনৰ প্রতি বা অনুৰাগ উপজিবৰ বাবে ভক্তজনে তেওঁতে কায়-বাক্য মন সকলো অৰ্পণ কৰে। আত্মসমৰ্পণ ভক্তি তত্ত্বৰ মূল কথা। ভক্তই ভগৱন্তৰ চৰণত সমস্ত সম্পদ অৰ্পণ নকৰা পৰ্যন্ত ভক্ত কাৰাগাৰৰ কয়দী। মহাপুৰুষীয়া ধৰ্ম





পৰম্পৰামতে পৰম ভক্তজনে শ্ৰৱণ-কীৰ্ত্তনতে ভক্তিৰ আখৰা আৰম্ভণি কৰি আত্মসমৰ্পণেৰে ভকতিৰ চূড়ান্ত অৱস্থাত উপনীত হয়।

'শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহা অৰ্পণ।।" (কীৰ্ত্তন, প্রহ্লাদ চৰিত)

শ্ৰৱণ-কীৰ্ত্তনক এঘৰ গৃহস্থীৰ ড্ৰইং ৰূমটোৰ লগত তুলনা কৰিব পাৰি। অতিথি এজন আহিলে গৃহস্থই প্রথমে নিজৰ ড্ৰইং ৰূমতে বহুৱাই তাৰ পিছতহে অন্যান্য ঠাইলৈ নিয়াৰ দৰে ভক্ত এজনেও শ্ৰৱণ-কীৰ্ত্তনৰ ড্ৰইং ৰূমত বহি লৈ তাৰ পৰৱৰ্ত্তী অৱস্থাতহে ঢাপে ঢাপে ভকতিৰ অন্যান্য স্তৰলৈ গতি কৰে। একেকোবেই অৰ্পণ ভকতিত উপনীত হোৱাটো ভক্ত এজনৰ বাবে সম্ভৱ নহয়। সেয়েহে মহাপুৰুষ দুজনে শ্ৰৱণ-কীৰ্ত্তন ভকতিকহে তেওঁলোকৰ প্রচাৰিত নাম-ধৰ্মত মুখ্য স্থান দিছে। শ্ৰৱণ-কীৰ্ত্তন যেন এডোখৰ চাবোন। চাবোন ৰূপী শ্ৰৱণ-কীৰ্ত্তন ভকতিৰ দ্বাৰা মনৰ মল নিকা কৰি ভকতিৰ অন্যান্য অৱস্থালৈ ভক্তজনে নিজকে লৈ যায়।

মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষাৰ প্রধান ভকতি দাস্য ভকতি হলেও শ্ৰৱণ-কীৰ্ত্তনৰ মাজেদিহে এই দাস্য ভকতিৰ ৰস পান কৰিছে আৰু কৰোওৱা হৈছে। অহংকাৰ আদি কু প্রবৃত্তিবোৰ থাকিলেও শ্ৰৱণ-কীৰ্ত্তনৰ দ্বাৰা প্রভুৰ পৰমপদ লাভ কৰাটো সহজ উপায় বুলি মাধৱদেৱে শ্ৰীমুখেৰে ব্যক্ত কৰিছে নাম-ঘোষাত--

'অহঙ্কাৰ থাকন্তেও সাক্ষাতে কৃষ্ণক পাৱে
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম যাৰ।।'৫।।

আকৌ কৈছে-

'শ্ৰৱণ কীৰ্ত্তন কৰি মহাসুখে
পাপীয়ো সংসাৰ তৰে।।" ৩৫৭।।

নাম-ঘোষা গ্রন্থখনিত সেয়েহে এফালেদি শ্ৰৱণ-কীৰ্ত্তনৰ ভক্তি ৰসৰ মহাপ্ৰভাৱ প্রতিফলিত হৈছে আৰু আনহাতেদি এই শ্ৰৱণ-কীৰ্ত্তন ভক্তি ৰসৰ দ্বাৰাই দাস্য ভক্তি ৰসৰ মহাসাগৰত মাধৱ ডুব গৈছে। এনে কথালৈ লক্ষ্য কৰিয়েই পণ্ডিত বাণীকান্ত কাকতিদেৱে এষাৰ সাৰুৱা কথা কৈছে এনেদৰে 'এপিনে যেনেকৈ মাধৱদেৱে নিজৰ ৰচিত গীত, নাটক আদিত বাৎসল্য ভক্তিৰ পৰাকাষ্ঠা দেখুৱাইছে আনপিনে তেনেকৈ নামঘোষাতো হৃদয়ৰ ভক্তিৰ আবেগ ঢালি দি দাস্য ভাৱক

কবিত্বৰ চৰম সীমালৈ লৈ গৈছে। বাৎসল্য ৰসৰ উদয়াচলত আবিৰ্ভূত হৈ দাস্য ভাৱৰ অস্তাচলত মাধৱদেৱৰ সাহিত্য প্ৰতিভা মাৰ গৈছে।'

ভৃত্য বা দাস স্বতন্ত্ৰ নহয়। তেওঁ মালিকৰ অধীন। গৰাকীয়ে যি নিৰ্দেশ দিয়ে সেই নিৰ্দেশেই পালন কৰিবলৈ বাধ্য। মাধৱো ভগৱানৰ দাস। কেৱল দাসেই নহয়, দাসৰো দাস, দাসৰো দাস-অৰ্থাৎ জগতৰ একেবাৰে কনিষ্ঠতম আৰু নিকৃষ্ঠতম দাসজনেই হ'ল মাধৱ। এইজন ভগৱানৰ একান্ত দাস মাধৱ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ--এই চাৰিটা জাতিৰ এটা জাতিতো নাই। মাধৱে মানৱ জীৱনত পালিবলগীয়া ব্ৰহ্মচৰ্য, গৃহস্থী, বানপস্থ আৰু সন্ন্যাস--এই চাৰিখন আশ্ৰমৰ এখন আশ্ৰমো পালন কৰি পোৱা নাই। তেওঁ ধৰ্ম পালন কৰা ধাৰ্মিক লোকো নহয়, দান-দক্ষিণা দি ধৰ্মও নকৰে; ব্ৰত-উপবাস কৰি বা তীৰ্থ গমন কৰি পুণ্য অৰ্জন কৰোঁতা লোকো নহয়। তেওঁ কেৱল ভগৱানৰ দাসৰো দাস, দাসৰো দাস, এনে দাস্য ভক্তি ৰসৰ চূড়ান্ত নিদৰ্শন নাম-ঘোষাৰ এই ঘোষাটিত পোৱা যায়--

'নোহো জানা আমি চাৰি জাতি চাৰিও আশ্ৰমী নোহো আতি
নোহো ধৰ্ম্মশীল দান ব্ৰত তীৰ্থগামী ।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপীভৰ্ত্তা পদ কমলৰ
দাসৰো দাসৰ তান দাস ভৈলো আমি।।" ৬৭০।।

সেয়েহে মাধৱে নাম-ঘোষাৰ পাতে পাতে নিজকে দাস, ভৃত্য মূৰুখমতি, মহাপাপী, দুৰাশয়, নীচ, অধম আদি নামেৰে নিজৰ জগতৰ আগত, ভক্ত সমাজৰ পৰিচয় সমুখত দাঙি ধৰিছে। এনে দাস্য ভক্তি ৰসৰ মহাসাগৰত অৱগাহন কৰি থকাৰ বাবেই নাম-ঘোষাৰ প্ৰথম স্তৱকটি 'মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো ৰসময়ী মাগোহো ভকতি' বুলি ৰসযুক্ত ভক্তি কামনা কৰি অন্তিমটি ঘোষা 'জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৱে। এহু ৰস মাধৱ মূৰুখমতি গাৱে' লৈকে এহেজাৰ এটি ঘোষাৰ মাজেদি শ্ৰৱণ-কীৰ্ত্তন, স্মৰণ দাস্য আদি নৱবিধ ভকতিৰ মাজেদি আত্মসমৰ্পণ ভকতিত উপনীত হৈছেগৈ। নাম-ঘোষা গ্ৰন্থখনি এখনি ভক্তি ৰসৰ কাব্য, সেই কথা মাধৱে গ্ৰন্থৰ আৰম্ভণিতেই ঘোষণা কৰিছে। সাৰ্থক সাহিত্যৰ এইটো এটা প্ৰধান লক্ষণ। এনে যুগজয়ী কলাকাৰে সদায় গ্ৰন্থৰ আৰম্ভণিতেই গ্ৰন্থখনৰ ভিতৰতনো পাঠকে বা শ্ৰোতাই কি পাব-- তাৰ এটি ইংগিত দিয়ে। নামঘোষাতো মাধৱ মহাপুৰুষে জয়জয়তে ভক্তি ৰসৰ ইঙ্গিত দি ভক্ত পাঠক শ্ৰোতাক সাজু কৰি তুলিছে। পূৰ্ব প্ৰস্তুতি নহলে ৰস আস্বাদনকাৰীসকলৰ ৰস পানত ব্যাঘাত জন্মিবও





পাৰে। সেইফালৰ পৰা মাধৱদেৱ এজন সুদক্ষ সাৰ্থক সাহিত্যিক কলাকাৰ।

ৰস আস্বাদন কৰে প্ৰথমে সৃষ্টি কৰোঁতাজনেহে। যেনেকৈ মাতৃয়ে সন্তান প্ৰসব কৰি সন্তানৰ মুখ চাই তৃপ্তি লাভ কৰে, তেনেদৰে সাহিত্যিক কলাকাৰেহে সাহিত্য কলা আদি সৃষ্টি কৰি তাৰ ৰসৰ মাজত নিজকে নিমজ্জিত কৰে। মাধৱ মহাপুৰুষ মহা কলাকাৰজনেও নামঘোষা ৰচনাৰ দ্বাৰাই নিজক ৰসসাগৰত নিমজ্জিত কৰিছে আৰু তাৰ পিছতহে শ্ৰোতাক, পাঠকক ভক্তি ৰস পান কৰোৱাইছে। ইংৰাজী সাহিত্যত ৰাজহাঁহ জাতীয় এবিধ চৰাইৰ কথা পোৱা যায়। এই হাঁহ বিধে বোলে জীৱনৰ অন্তিম কাল উপস্থিত হলে নৈত উটি যায় আৰু উটি গৈ থাকোঁতে গীত গাই গাই গীততেই পমি মৃত্যু বৰণ কৰে। ড°কাকতিদেৱে মাধৱদেৱৰ নাম-ঘোষাকো এই চৰাইবিধৰ লগত তুলনা কৰিছে; যিহেতু নামঘোষা মাধৱদেৱৰ জীৱনৰ শেষ বয়সৰ ৰচনা তথা সংকলন। সেয়েহে মাধৱদেৱো ভক্তি ৰসৰ সাগৰত উটি গৈ মহাপ্ৰয়াণক আকোৱালি লৈছে। নামঘোষাৰ শেষত শৰণ ছন্দ আৰু নাম ছন্দৰ আলংকাৰিকৰ দৃষ্টিৰে ছন্দ নিৰূপণ কৰিব পৰা নাযায়। অৱশ্যে মাধৱৰ অপাৰ্থিৱ দৃষ্টিৰে এইয়াই যেন জীৱনৰ প্ৰকৃত ছন্দ। ভক্তি ৰসৰ দৃষ্টিৰে চালে ইয়াত ছন্দ পতন হোৱা নাই, জীৱন ছন্দৰ হিল্লোলহে উঠিছে। সেই ছন্দক আমি 'মাধৱ-ছন্দ' বুলি মাতিব নোৱাৰোনে? কিয়নো এই দুবিধ ছন্দসজ্জা লেখকৰ মৌলিক সৃষ্টি।

ভক্তি ৰস সম্পৰ্কে এইখিনিতে এটি কথা উল্লেখযোগ্য যে ভাৰতীয় আলংকাৰিকসকলে তেওঁলোকৰ অলংকাৰ শাস্ত্ৰসমূহত শৃংগাৰ, বীৰ, কৰুণ, হাস্য আদি ন প্ৰকাৰ ৰসৰ বিষয়ে আলোচনা কৰোঁতে ভক্তি ৰসৰ বিষয়ে উল্লেখ কৰা নাই। ভক্তি ৰসক ৰস হিচাপে এওঁলোকে গণ্য নকৰাৰ মূল কাৰণ হ'ল যে মধ্য যুগত ভাৰতবৰ্ষত ভক্তি আন্দোলনৰ প্ৰৱল জোৱাৰ উঠাৰ পূৰ্বেই এই অলংকাৰ গ্ৰন্থসমূহ প্ৰণয়ন হোৱাৰ কাৰণে ভক্তিক ৰস হিচাপে এওঁলোকে স্বীকৃতি দিয়া নাছিল। কিন্তু ভাৰতবৰ্ষত মধ্যযুগত ভক্তিক কেন্দ্ৰ কৰি ভক্তি আন্দোলনৰ জোৱাৰ উঠাত আৰু ভক্তিক কেন্দ্ৰ কৰি সাহিত্য সৃষ্টি হোৱাত ভক্তিক ৰস হিচাপে মানি লোৱা হয়। ত্ৰয়োদশ শতিকাত ভক্তিৰসিক বোপদেৱে ভক্তিক ৰস হিচাপে স্বীকৃতি দিছে। তেওঁৰ 'মুক্তাফল' নামৰ গ্ৰন্থত শৃগাৰ, হাস্য, কৰুণ, বীৰ আদি নৱবিধ ৰসৰ যোগেদি ভক্তিৰস আস্বাদন কৰিব পাৰি বুলি কৈছে। বংগীয় বৈষ্ণৱ কবিসকলেও বিভিন্ন প্ৰকাৰ ৰসৰ মাজেদি ভক্তি ৰস প্ৰৱাহিত হোৱাৰ কথা স্বীকাৰ কৰিছে। অসমতো শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ আৰু অন্যান্য বৈষ্ণৱ কবিসকলে তাৰাসবৰ

দ্বাৰা ৰচিত গ্ৰন্থৰাজিত শৃংগাৰ, বীৰ, হাস্য, করুণ আদি ৰসৰ মাজেদি পাঠক শ্ৰোতাক ভক্তি ৰসৰ অমৃত পান কৰোৱাই গৈছে। অৱশ্যে চিৰকৌমাৰ্যব্ৰতী আৰু পাঠক মাধৱ মহাপুৰুষে বাৎসল্য আৰু দাস্য ভক্তি ৰসৰ যোগেদিহে ভক্তবৃন্দক শ্ৰোতামণ্ডলীক ভক্তি ৰসত অৱগাহন কৰোৱাইছে। নাম-ঘোষাত প্ৰধানতঃ সেয়েহে দাস্য ভক্তি ৰসৰ আশ্ৰয় কৰি ৰসৰ নিজৰা বোৱাইছে।

মাধৱদেৱে নাম-ঘোষা গ্ৰন্থখনি দাস্য ভক্তি ৰসাত্মক গ্ৰন্থ হলেও ইয়াত তেওঁ সেৱা ৰস, কৃপা ৰস, নামৰস, মহাভাগৱত ৰস, কীৰ্ত্তন ৰস, অমৃত ৰস আদি বিভিন্ন প্ৰকাৰৰ আৰু কিছুমান ৰসৰ কথা বিভিন্ন ঠাইত উল্লেখ কৰিছে। দুই এটি এনে উদাহৰণ হ'ল--

'সমস্ত বেদান্ত সাৰ মহাভাগৱত শাস্ত্ৰ
ইহাৰ অমৃতৰস পাই।' ১৮।।
* * * *
'মহাভাগৱত ৰস মাধৱৰ নাম যশ
আক পান কৰিলে যিজনে।। '১৯।।
* * * *
'মধুৰৰো সুমধুৰ হৰিৰ কীৰ্ত্তনৰস
মঙ্গলৰো পৰম মঙ্গল।' ৭৯।।
* * * *
'কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক সেৱাৰস সাৰ।।' ১৩১।।
* * * *
'ৰাম কৃষ্ণ নামৰসে চিত্তক ভিজাৱ।
বোল ৰাম কৃষ্ণ হৰি তেজি লাজ ভাৱ।।' ৪৬০।।
* * * *
'তুমি প্ৰভু কৃপা ৰসেৰ সাগৰ হৰি এ
দিয়া মোক তুৱা পদছায়া তলে ঠাই ৰাম ৰাম।।' ৭৯৩

অৱশ্যে এইসমূহ ৰস ভক্তিৰসৰে কিছুমান উপ-ৰসহে। ভক্তি ৰসৰ সমুদ্ৰৰ মূল উৎসৰ পৰাই এনেসমূহ ৰসৰ উৎপত্তি। ৰসাপ্লুত মাধৱে এই উপ-ৰসসমূহক আশ্ৰয় কৰিয়েই ভক্তি ৰসৰ মহাসাগৰৰ ফালে গতি কৰিছে। সেৱা ৰস, নাম ৰস





আদিৰ সোৱাদ নাপালে ভক্তি ৰস পান কৰাটো সম্ভৱ নহয়। সেয়েহে মাধৱদেৱে এনে ৰসৰ বিষয়ে গ্ৰন্থভাগিত সহৃদয় পাঠকক অৱগত কৰিছে। এই ভিন ভিন ধাৰাৰ ৰসৰ মূল কাৰণ মাধৱদেৱৰ হৃদয়ত ভক্তিৰ গভীৰ আবেগ। এনে পবিত্ৰ ভক্তি ৰসক মাধৱে কেৱল অকলেই পান কৰি সোৱাদ লবলৈ বিচৰা নাই, ৰস পান কৰাৰ ইচ্ছা থকাসকলকো ৰস আস্বাদন কৰিবৰ বাবে আহ্বান জনাইছে। সমস্ত মহাভাগৱতৰ মূল বিষয় একমাত্ৰ কৃষ্ণৰ গুণ নাম। এই কৃষ্ণৰ গুণ নাম সকলো লোকৰ বাবে মুক্ত হৈ থাকিলেও সৌভাগ্যৱান, পুণ্যৱন্ত আৰু ৰসত চতুৰ লোকসকলেহে ইয়াৰ আস্বাদন কৰিব পাৰে। সেয়েহে মাধৱ মহাপুৰুষে তেনে চতুৰ লোকসকলক কৃষ্ণৰ চৰণত মনোনিবেশ কৰি পৰম সন্তোষে শাস্ত্ৰভাগৰ ভক্তি ৰস আস্বাদন কৰিবৰ বাবে আকুল কণ্ঠে আহ্বান জনাইছে।

'সকল নিগম কল্পতৰু তাৰ ফল মহা ভাগৱত
শুক মুখে আসি ভূমিত ভৈলা বিদিত।
ৰসত চতুৰ যিটোজন কৃষ্ণৰ চৰণে দিয়া মন
পৰম সন্তোষে পিয়োক ফল অমৃত।।' ৬০৩।।

কাব্যিক সৌন্দৰ্যৰ বিচাৰত ৰসৰ পিছতেই অলংকাৰৰ স্থান। অলংকাৰ পৰিধানে যেনেকৈ নাৰীক অধিক ৰমনীয় কৰি তোলে, তেনেকৈ কাব্যক অলংকাৰৰ সুষম প্ৰয়োগে কাব্যৰ সৌন্দৰ্য দুগুণে বৃদ্ধি কৰে। অলংকাৰ হ'ল মনৰ ভাৱ প্ৰকাশৰ এটি আওঁপকীয়া প্ৰচেষ্টা। মানুহৰ মনৰ ভাৱ প্ৰকাশ কৰা কামটো এটা জটিল প্ৰক্ৰিয়া। কথাতে কোৱা হয়-ভাৱ আছে ভাষা নাই। সেয়েহে মানুহে পোনপটীয়াকৈ কথা কৈ মনৰ সম্পূৰ্ণ ভাৱ প্ৰকাশ কৰিব নোৱাৰে আৰু মনত সুখও নাপায়। সেয়েহে কথা কওঁতেই হওক বা কবি সাহিত্যিকে সাহিত্য ৰচনাৰ ক্ষেত্ৰতেই হওক মনৰ ভাৱ আওঁপকীয়াকৈ প্ৰকাশ কৰি মনত তৃপ্তি লাভ কৰে। মাধৱদেৱে নাম-ঘোষাত মনৰ ভাৱ প্ৰকাশ কৰি মনত তৃপ্তি লভিছে এনেদৰে--

'কৰ্ণপথে ভকতৰ হিয়াত প্ৰৱেশি হৰি
দুৰ্ব্বাসনা হৰে সমস্তয়।
জলৰ যতেক মল যেহেন শৰতকালে
স্বভাৱতে নিৰ্ম্মল কৰয়।।' ১৫।।

ইয়াত পোনপতীয়াকৈ মাধৱদেৱে হৰিনাম লৈ মনৰ কলুষ কালিমা নিকা কৰিবৰ বাবে উপদেশ দিব পাৰিলেহেঁতেন। কিন্তু তেনে কৰিলে কবিৰ মনে শান্তি

নাপাব। কবিৰ যেন কবলগীয়া সকলো কথা কোৱা নহ'ল--এনে ভাৱ হ'ব। সেয়েহে কবিয়ে শৰত কালৰ উপমা এটা আনি উপদেশ দিছে। শৰতকালত যিদৰে জলৰ সকলো মল আপোনা আপুনি ভাৱেই নাইকিয়া হয়; তেনেদৰে হৰি নাম ললে, কৃষ্ণৰ গুণনাম শ্ৰৱণ কীৰ্ত্তন কৰিলে ভকতৰ মনৰ সকলো কু ভাৱনা মনৰ পৰা নিজে নিজেই আঁতৰি যায়। শৰত কাল সকলোৰে বাবেই প্ৰিয়। বৰ্ষাকাল মানুহৰ প্ৰিয় নহয়। বৰ্ষা কালৰ বোকা-পানী, গৰম, মহ-ডাঁহ শৰৎ কালত নাথাকে। মানৱ জীৱনতো আৰু শৰত কাল আছে। মানৱ জীৱনৰ কু চিন্তা, কু প্ৰবৃত্তি, কাম-ক্ৰোধ, লোভ, মোহ আদি ৰিপুসমূহ বৰ্ষাকালৰ বোকা-পানী, মহ-ডাঁহৰ দৰে। কিন্তু শৰৎ কালত এইবোৰ নাথাকে। মানৱ জীৱনলৈও শৰৎ কাল আহ্বান কৰি আনিবলৈ হ'লে বৰ্ষাকালৰ বোকাপানী কু-প্ৰবৃত্তি, কু-চিন্তাবোৰ দূৰ কৰিব লাগিব। তাৰ একমাত্ৰ ঔষধ হ'ল ভগৱন্তৰ গুণনাম শ্ৰৱণ-কীৰ্ত্তন। গতিকে, মাধৱদেৱে মানৱ জীৱনত শৰৎ কালৰ সৃষ্টি কেনেদৰে কৰিব পাৰি, এই কথাটোকে কবলৈ গৈ এনেদৰে প্ৰকৃতি জগতৰ পৰা এটা উপমা বা উদাহৰণ দাঙি ধৰিলে। তেতিয়াহে যেন কবি মাধৱে মনত তৃপ্তি পালে। ইমানেই অলংকাৰৰ প্ৰভাৱ।

সংস্কৃত 'অলম্' শব্দৰ পৰাই 'অলংকাৰ' শব্দৰ সৃষ্টি। সংস্কৃত 'অলম্' শব্দৰ অৰ্থ হ'ল সমৰ্থ অৰ্থাৎ পৰ্যাপ্ত। সমৰ্থ শব্দটোৰ অৰ্থ বিস্তাৰ ঘটি পৰ্যাপ্ত অৰ্থ প্ৰকাশ কৰিছে। পৰ্যাপ্ত মানে অধিক বেছি। গতিকে 'অলংকাৰ' শব্দৰ অৰ্থ হ'ল অধিক, বেছি অৰ্থাৎ পৰ্যাপ্ত। গতিকে সাহিত্যত অলংকাৰ প্ৰয়োগ মানে মনৰ অধিক ভাৱ প্ৰকাশ কৰা আৰু অধিক ভাৱ প্ৰকাশ কৰি মনত প্ৰশান্তি লাভ কৰা। সমালোচক তীৰ্থনাথ শৰ্মাদেৱে তেখেতৰ অমূল্য গ্ৰন্থ 'সাহিত্য-বিদ্যা পৰিক্ৰমা' নামৰ গ্ৰন্থত কৈছে--অহং অহং ভাবটোক যেনেকৈ অহংকাৰ বোলা হয়, অলং অলং ভাবটোক সেইদৰে অলংকাৰ বুলি কোৱা হয়।'

কাব্যত অলংকাৰৰ প্ৰয়োজন অনস্বীকাৰ্য। অলংকাৰৰ প্ৰয়োজন নথকা হলে কবি সাহিত্যিকে অলংকাৰ প্ৰয়োগ নকৰিলেহেঁতেন। ফলস্বৰূপে সাহিত্যৰ সৌন্দৰ্যও ৰক্ষা নহ'লহেঁতেন। অলংকাৰৰ প্ৰধান প্ৰয়োজন হ'ল সাহিত্যক শক্তিশালী ৰূপত সজাই তোলা। অলংকাৰ প্ৰয়োগ কৰাৰ বাবেহে ভাৱ প্ৰকাশ কৰা শব্দ বা বাক্যসমূহ প্ৰভাৱশালী হয়। উদাহৰণ স্বৰূপে মাধৱদেৱৰ এটি কৰুণ ৰসাত্মক বৰগীতৰ কথা কব পাৰি-

'আলো মঞিঁ কি কহবোঁ দুঃখ।





পৰাণ নিগড়ে নাদেখিয়া চান্দ মুখ।।'

ইয়াত 'পৰাণ নিগড়ে' শব্দ দুটি বৰ তাৎপৰ্যপূৰ্ণ আৰু হৃদয় বিদাৰক। জুলীয়া বস্তুৰ দৰে প্ৰাণ কেতিয়াও নিগৰিব নোৱাৰে। কিন্তু কবিৰ উদ্দেশ্য মহৎ আৰু ব্যাপক। 'পৰাণ নিগড়ে' বুলি নকৈ প্ৰাণে মৰিলো, প্ৰাণ যায়, নিগমে মৰিলো বুলি কোৱা হলে কৃষ্ণৰ চন্দ্ৰ সদৃশ শ্ৰীমুখ নেদেখি বিৰহ যন্ত্ৰণাত চাটি ফুটি কৰা গোপীহৃদয়ৰ ব্যাকুলতাখিনি ইমান শক্তিশালী স্পষ্ট ৰূপত পাঠকে উপলব্ধি কৰিব নোৱাৰিলেহেঁতেন।

অলংকাৰৰ আন এটি প্ৰধান প্ৰয়োজন হ'ল বাক্যৰ স্পষ্টীকৰণ। অলংকাৰৰ প্ৰয়োগত বাক্য আৰু ভাৱ স্পষ্ট ৰূপত ধৰা দিয়ে; উদাহৰণ স্বৰূপে--

'শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।'

শ্ৰীমন্ত শঙ্কৰদেৱ ভকতৰ বাবে বৈকুণ্ঠৰ কল্পতৰু বৃক্ষৰ দৰে। কল্পতৰু বৃক্ষই যিদৰে ভক্তজনৰ বা বিচাৰোঁতাজনৰ মনোবাঞ্ছা পূৰ্ণ কৰে, যি বিচাৰে তাকে পায়, ঠিক তেনেদৰে শঙ্কৰদেৱেও ভক্ত সমাজৰ বাবে কল্পতৰু সদৃশ। এটা জাতি তথা মানৱ সমাজৰ বাবে গুৰুজন মাধৱদেৱৰ দৃষ্টিৰে কল্পতৰু বৃক্ষৰ নিচিনা। কৃষ্টি সংস্কৃতি, ধৰ্মীয় জ্ঞান, একশৰণ নামধৰ্ম, নৈতিক শিক্ষা , মহানতা, উদাৰতা-এই সমস্ত দিয়াৰ বাবেই মহাপুৰুষ শঙ্কৰদেৱ কল্পতৰু। কল্পতৰু বৃক্ষৰ লগত তুলনা কৰাৰ বাবেই শঙ্কৰদেৱৰ স্বৰূপ বা ভাৱমূৰ্ত্তি ইমান স্পষ্টভাৱে হৃদয়ঙ্গম হয়। কল্পতৰু বৃক্ষক উপমা হিচাপে গ্ৰহণ নকৰি আন উপমাৰে বুজাবলৈ যোৱা হলে গুৰুজনৰ স্বৰূপ ইমান সুন্দৰ আৰু ব্যাপক ভাৱে পোৱা নগলহেঁতেন।

অলংকাৰৰ তৃতীয় অথচ মুখ্য আৰু প্ৰধান প্ৰয়োজন হ'ল চাৰুত্ব বা মনোহাৰিত্ব প্ৰদান। অলংকাৰ প্ৰয়োগ নকৰিলে কাব্য ৰমনীয় হৈ নুঠে। সেয়েহে কাব্যিক সৌন্দৰ্য্য বৰ্দ্ধনৰ বাবে অলংকাৰ প্ৰয়োগ অপৰিহাৰ্য্য হৈ পৰে।

সকলো আলংকাৰিকৰ মতেই অলংকাৰ প্ৰধানতঃ দুই শ্ৰেণীৰ (ক) শব্দালংকাৰ আৰু (খ) অৰ্থালংকাৰ। শব্দালংকাৰত বৰ্ণ বিন্যাসৰ ওপৰত গুৰুত্ব দিয়া হয়। প্ৰকৃতাৰ্থত বৰ্ণ বিন্যাসৰ চমৎকাৰিত্বই শব্দালংকাৰৰ মূল কথা। ইয়াৰ বিপৰীতে অৰ্থালংকাৰত শব্দ বা বাক্যৰ অৰ্থৰ ওপৰত গুৰুত্ব দিহে কাব্য ৰমনীয় কৰি তোলা হয়। শব্দালংকাৰ ছয় বিধ; যেনেঃ অনুপ্ৰাস, যমক, পুনৰুক্ত বদ্যভাস, শ্লেষ, বক্ৰোক্তি আৰু চিত্ৰ।

মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষাত আন শব্দালংকাৰসমূহতকৈ অনুপ্রাসৰ সঘন প্রয়োগ মনকৰিবলগীয়া। অনুপ্রাস অলংকাৰত একে ধৰণৰ ব্যঞ্জন বৰ্ণৰ ওচৰা-ওচৰিভাৱে বিন্যাস ঘটোৱা হয় যাৰ ফলত শুনিবলৈ শুৱলা হয়। নামঘোষাক সদৃশ ব্যঞ্জন বৰ্ণৰ প্রয়োগে অর্থাৎ অনুপ্রাস অলংকাৰে পাঠক বেলিকা এক বিশেষ মনোৰঞ্জনৰ সৃষ্টি কৰে। এনে দুই-এটি সার্থক উদাহৰণ হ'ল--

এ ভাৱক ভাই ভজ ভগৱন্ত ভক্তিভাৱে।
ভগৱন্ত ভজিয়া পৰম গতি পাৱে।। ৯৯৮।।

*   *   *   *

এ হৰি হৰি হৰি হৰি হৰি হৰি হৰি
কি কাম কৰিলো আমি।

*   *   *   *

আপুনি আপুন বন্ধু   আপুনি আপুন শত্রু
আপুনি আপুন ৰাখে মাৰে। ২৬।।

*   *   *   *

জয় জগজীৱ   জগত কাৰণ
জয়তি জগনিৱাস। ৩৪৩।।

অনুপ্রাস অলংকাৰৰে এটি ভাগ হ'ল অন্ত্যানুপ্রাস অলংকাৰ। এই অন্ত্যানুপ্রাস অলংকাৰত দ্বিতীয় আৰু চতুৰ্থ চৰণৰ শেষৰ স্বৰ-ব্যঞ্জনৰ সদৃশ মিলন ঘটে। এটা কথা স্মৰণযোগ্য যে পুৰণি অসমীয়া ভাষাত ছন্দৰ অন্ত্যমিল থকাটো এটা ৰীতিয়েই। গতিকে মাধৱদেৱৰ নাম-ঘোষাত অন্ত্যানুপ্রাস অলংকাৰেৰে পৰিপূর্ণ হৈ আছে। দুই এটি উদাহৰণ হ'ল---

'গোপিনীৰ ধন   ব্ৰজৰ জীৱন
মোহন ৰাম গোবিন্দ।
পৰম সাদৰে   শিৰে তুলি ধৰো
তযু পদ অৰৱিন্দ।। ৩২৬

*   *   *   *

ৰাম কৃষ্ণ নাম ভকতৰ নৱ নিধি
কলিযুগে বেকত কৰিলে কোন বিধি।। ৫৬৩

নাম-ঘোষাত প্রয়োগ হোৱা এবিধ শব্দালংকাৰ হ'ল ছেকানুপ্রাস। ছেকানুপ্রাস





অলংকাৰত দুই বা ততোধিক বৰ্ণ একেটা ক্রমতে সংযুক্তভাৱে বা বিযুক্তভাৱে দুবাৰ উচ্ছাৰিত হয়। ছেক মানে চতুৰ বা বুদ্ধিয়ক। গতিকে চতুৰ অর্থাৎ বিদগ্ধ কবিয়ে প্রয়োগ কৰা এই অলংকাৰ বিধৰ নাম ছেকানুপ্রাস। নামঘোষাৰ দুই-এটি উদাহৰণ হ'ল----

পৰম পুৰুষ দেৱ   পৰম কাৰণ প্ৰভু
পৰম ঈশ্বৰ ভগৱন্ত। ৮৮।।

*   *   *   *

অনাদি অনন্ত   সন্ত সদাশিৱ
ভগৱন্ত ভৱ হৰ। ১৯২।।

*   *   *   *

মোহ মায়া ৰাগ   মদ মল কাম
দম্ভ দ্বেষ আদি ভাৱ। ১৯৩।।

*   *   *   *

ছেকানুপ্রাসৰ দৰেই নাম-ঘোষাত ব্যৱহৃত হোৱা আন এবিধ হ'ল বৃত্ত্যনুপ্রাস। বৃত্ত্যনুপ্রাসত এক বা অনেক বৰ্ণ দুবাৰ বা তাতকৈ অধিকভাৱে উচ্ছাৰিত হয়। ছেকানুপ্রাসত দুটা বৰ্ণ একেদৰে এবাৰ বা মাথোন উচ্ছাৰিত হয়। কিন্তু বৃত্ত্যনুপ্রাসত বৰ্ণ এটাও হব পাৰে বা এটাতকৈ বেছিও হব পাৰে। আকৌ দুবাৰ বা দুবাৰতকৈও অধিক উচ্চাৰিত হবও পাৰে। যেনেঃ

ভজ ভাই মাধৱক   স্মৰ ভাই মাধৱক
গাৱ ভাই মাধৱৰ গুণ। ১১২।।

*   *   *   *

ৰাম নিৰঞ্জন   দানৱ গঞ্জন
ভকত ৰঞ্জন দেৱ। ১৯৬।।

নাম-ঘোষাত যমক অলংকাৰৰ প্রয়োগ তেনেই সীমিত। দুই এটি উদাহৰণ চকুত পৰে। একোটা সম্পূর্ণ একে শব্দ বেলেগ বেলেগ অর্থত পুনৰুক্তি ঘটিলে তাকে যমক অলংকাৰ বোলে। নাম-ঘোষাত যমক অলংকাৰৰ এটি উদাহৰণ হ'ল-

অপাৰ সংসাৰ সিন্ধু আৰ   বিষ্ণুসে পৰম পাৰ যত
পাৰ আছে তাত পৰম্পৰমাত্মাৰূপে।
তেন্তে তুমি জানা ব্ৰহ্মপাৰ   পৰপাৰ ভূত যত পাৰ

তাসম্বাৰ পাৰ বিষ্ণুসে পাৰ স্বৰূপে।। ৫৯০।।

উক্ত ঘোষাটিত 'পাৰ' পাচঁ ভাগে প্ৰয়োগ হৈছে; যেনেঃ পৰম-পৰমাত্মাপাৰ; ব্ৰহ্মপাৰ, ভূতপাৰ পৰপাৰ আৰু পৰম পাৰ বা বিষ্ণুপাৰ। তত্ত্বগত ভাৱে পাঁচোটা পাৰৰ অৰ্থ একে নহয়, বেলেগ বেলেগ। আধ্যাত্মিক দৃষ্টিৰে লক্ষ্য কৰি পাৰ শব্দৰ অৰ্থটো বেলেগ বেলেগ প্ৰকাৰে প্ৰয়োগ হোৱাৰ বাবে ইয়াক যমক অলংকাৰ বুলি ধৰিব পাৰি।

নাম-ঘোষাত বক্ৰোক্তি অলংকাৰো লুকাই নথকা নহয়। যেতিয়া কবিয়ে কোৱা অৰ্থটো শ্ৰোতাই জানি শুনিও আচল অৰ্থটো লুকুৱাব খোজে, তেতিয়াই বক্ৰোক্তি অলংকাৰ হয়। নাম-ঘোষাত বক্ৰোক্তি অলংকাৰৰ উদাহৰণ তলৰ স্তৱকটিৰে দিব পাৰি----

পৰম পুৰুষ দেৱ পৰম কাৰণ প্ৰভু
পৰম ঈশ্বৰ ভগৱন্ত।
সদানন্দ সদাশিৱ সত্য সনাতন হৰি
জয় জয় অচিন্ত্য অনন্ত।।

এই ঘোষাত কবিয়ে ঈশ্বৰৰ মহাগুণ আৰু মহিমা প্ৰকাশ কৰিছে। ভগৱন্তৰ সহস্ৰ নামৰ ভিতৰত সদাশিৱও এটা প্ৰধান নাম। আনহাতেদি কৈলাস পতি শঙ্কৰৰ নামো সদাশিৱ। শ্ৰোতাই জানি শুনিও 'সদাশিৱ নামটো শঙ্কৰৰ সমাৰ্থক ৰূপত কেতিয়াবা গ্ৰহণ কৰে কাৰণে ইয়াত বক্ৰোক্তি অলংকাৰৰ প্ৰয়োগ হয়। তেনেদৰে নাম-ঘোষা মহাগ্ৰন্থভাগত মহাজন, মহন্ত, ঠাকুৰ আদি বৰ্ত্তমান আধুনিক অসমীয়া ভাষাত অৰ্থ সংশ্লেষ(transference of meaning)ঘটাৰ বাবে বক্ৰোক্তি অলংকাৰৰ প্ৰয়োগ হ'ব পাৰে। এনেদৰে বিভিন্ন শব্দালংকাৰৰ প্ৰয়োগে নাম-ঘোষাক ৰমণীয় কৰি তুলিছে।

অৰ্থালংকাৰসমূহৰ ভিতৰত উপমা, ৰূপক, উৎপেক্ষা, নিদৰ্শনা, কাব্য লিঙ্গ, সাৰ আদি বিভিন্ন অলংকাৰৰ সুপ্ৰয়োগ নাম-ঘোষাত দেখা যায়। অৱশ্যে উপমা আৰু ৰূপক অলংকাৰ প্ৰচুৰ প্ৰয়োগে নাম-ঘোষাক এক বিশেষ সৌন্দৰ্য প্ৰদান কৰিছে। উপমা আৰু ৰূপক অলংকাৰৰ যোগেদি মাধৱদেৱে একশৰণ নাম ধৰ্মৰ বিশেষ তত্ত্বসমূহ ফটফটীয়া কৰি তুলিবলৈ সক্ষম হৈছে।

উপমা হ'ল স্পষ্ট আৰু বৈচিত্ৰ্যজনক এক তুলনা বা সাদৃশ্য। এই উপমা ক্ৰিয়াগত, গুণগত আৰু উভয় প্ৰকাৰৰ হব পাৰে। উপমাৰো বিভিন্ন ভাগ আছে,





যেনেঃ পূৰ্ণোপমা, লুপ্তোপমা, মালোপমা, সমানোপমা, উপমেয়োপমা, প্ৰতীপ, স্মৰণোপমা আদি। ইয়াত স্থানাভাৱৰ বাবে সকলো প্ৰকাৰৰ বিষয়ে বিতংভাৱে আলোচনা নকৰি মাথোন থূলমূলকৈ দুই এটি উদাহৰণহে দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। এনে দুই এটি উদাহৰণ হ'লঃ

ঐশ্বৰ্য্য ভোগৰ মদে মত্ত হুয়া ঈশ্বৰত
পৰাঙ্মুখ ভৈল যিটোজন।
যেন জীৰ্ণ গাই মদে দুৰ্ঘোৰ সংসাৰ মহা
পঙ্কে পৰি হোৱয় মগন।। ৫৮।।

ইয়াত বোকাত পৰা গাইজনীৰ লগত ভোগ-লালসাত মত্ত হোৱা লোকজনক তুলনা কৰিছে। যেনেকৈ এজনী দুৰ্ব্বল গাই গৰু দ বোকা পানীত পৰিলে উঠিব নোৱাৰা হয় আৰু যিমানেই যত্ন কৰে সিমানেই বোকাত পোত যায়, তেনেদৰে ভোগ ঐশ্বৰ্যত মত্ত লোকসকলেও জনমে জনমে হৰি বিমুখ হৈ নৰক যোনিত ভ্ৰমি ফুৰিব লাগে।

বিভিন্ন প্ৰকাৰৰ এনে উদাহৰণ হ'ল ঃ

মাধৱে বোলন্ত মোক কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি
সদায় সুমৰে যিটোজনে।
জল হন্তে যেন পদ্ম নৰকৰ পৰা তাঙ্ক
আপুনি উদ্ধাৰো ৰঙ্গ মনে।। ৮৬।।
কলিত হৰিৰ কীৰ্ত্তন এড়িয়া
আনমতে চাহে গতি।
যেন কুলবধূ নিজ স্বামী তেজি
ভজে গৈয়া উপপতি।। ৪০১।।

নাম-ঘোষাত উপমা অলংকাৰৰ দৰেই ৰূপক অলংকাৰৰ প্ৰয়োগো প্ৰচুৰ। সাদৃশ্যৰ আধিক্যৰ বাবে উপমেয়ৰ ওপৰত উপমানক আৰোপ কৰা হয় আৰু তাকে ৰূপক অলংকাৰ বোলে। নাম-ঘোষাত ৰূপক অলংকাৰৰ সুন্দৰ এটি নিদৰ্শন হ'ল -

পুণ্য অৰণ্যৰ মাজে মাধৱৰ নামসিংহ
প্ৰকাশ কৰয় আতি বড়ে।
যাৰ ধ্বনি শুনি ভয়ে মহাপাপ হস্তীচয়
পলায় আতি ত্ৰাসত লৰড়ে।। ২৫।।

নাম-ঘোষাত কাব্যলিঙ্গ অলংকাৰৰ প্ৰয়োগ আছে। কাব্যলিঙ্গ অলংকাৰত কোনো এটা পদ বাক্যৰ অৰ্থ বৰ্ণনীয় বিষয়ৰ কাৰণ বুলি ধ্বনি বা ব্যঞ্জনাৰ দ্বাৰা বোধ হয়। কাব্যলিঙ্গৰ নিদৰ্শন হ'ল--

সেহিসে সকল শাস্ত্ৰ        পঢ়িলে শুনিলে সি সি
অনুষ্ঠান সমস্ত কৰিলে।
নিৰাশ ঈশ্বৰ কৃষ্ণ        তাহাঙ্ক সুমখ ভৈল
আশাক যিজনে পিঠি দিলে।। ১১।।

ঈশ্বৰ কৃষ্ণ 'নিৰাশা' হোৱা বাবে আশাক পিঠি দিয়াজনে তেওঁক পায়। নিৰাশা পদৰ অৰ্থ আশাক পিঠি দিলে কৃষ্ণক পোৱা। পদৰ এনে ব্যঞ্জনাৰ বাবে কাব্যলিঙ্গ অলংকাৰ হৈছে।

সাৰ অলংকাৰৰ যোগেদি ৰহস্যবাদী ভক্ত কবিজনে বৈষ্ণৱ ধৰ্মৰ চাৰিবস্তু এটাতকৈ আনটোৰ শ্ৰেষ্ঠত্ব দেখুৱাবলৈ কেতিয়াবা কেতিয়াবা প্ৰয়াস কৰিছে। সাৰ অলংকাৰত এটাতকৈ আন এটাৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা হয়। নাম-ঘোষাত সাৰ অলংকৰৰ এটি উদাহৰণ হ'ল ----

একান্ত ভকতসৰে        নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠক পৰিহৰি        যোগীৰো হৃদয় এৰি
থকা হৰি সাক্ষাতে তথাত।।

একান্ত ভক্ত সবৰ বাবে নিৰ্গুণ নাম শ্ৰৱণ-কীৰ্ত্তন-স্মৰণ কৰিব পৰাটোৱেই পৰম ধৰ্ম বা শ্ৰেষ্ঠ কৰ্ম। যেতিয়া ভগৱান নিজেই তেওঁৰ নাম শুনি একান্ত ভক্তসৱক দৰ্শন দিবৰ বাবে বৈকুণ্ঠ পৰা নামি আহে, তেতিয়া ভকতসৰে তেওঁক প্ৰত্যক্ষে লগ পোৱাটো আৰু শ্ৰেষ্ঠ কৰ্ম। গতিকে, উক্ত ঘোষাটিত সাৰ অলংকাৰৰ যোগেদি কবিজনাই নামৰ শ্ৰেষ্ঠতাতকৈও নিৰ্গুণ কৃষ্ণক লগ পোৱাটো আৰু শ্ৰেষ্ঠ কৰ্ম বুলি প্ৰতিপন্ন কৰিবলৈ গৈছে। এনেদৰে অসীম, অনন্ত জনৰ গুণ, ৰূপ আদিৰ বিভিন্ন বৰ্ণনা দাঙি ধৰি বিভিন্ন অলংকাৰ প্ৰয়োগ কৰি নাম-ঘোষা গ্ৰন্থখনিক ৰসোত্তীৰ্ণ কৰি তুলিছে।

কাব্যৰ সৌন্দৰ্য বিচাৰত ছন্দ সজ্জাৰ স্থান গুৰুত্বপূৰ্ণ। ৰস আৰু অলংকাৰৰ সমানেই ছন্দইও কাব্যৰ সৌন্দৰ্য বৃদ্ধিত বিশেষভাৱে অৰিহণা যোগায়। ছন্দকো





একপ্ৰকাৰৰ অলংকাৰ বুলিয়েই কব পাৰি। অনুপ্ৰাস আদি শব্দালংকাৰৰ দৰেই ছন্দয়ো কাব্যক গীতৰ মাধুৰ্য দান কৰে।

কাব্যৰ ছন্দ হ'ল শব্দবিন্যাসৰ ফলত ওপজা একপ্ৰকাৰ সৌন্দৰ্য। শব্দবিন্যাসৰ বেলিকা কবিয়ে সংযম, বাধা বা বিৰতিৰ সৃষ্টি কৰে; যাৰ ফলত কাব্য শ্ৰুতিমধুৰ হৈ পৰে। উদাহৰণ স্বৰূপে বেৰত ওলোমাই থোৱা ঘড়ী এটাৰ উপমা দাঙি ধৰিব পাৰি। চেকেণ্ডৰ কাটাডাল এটা নিৰ্দিষ্ট বিৰতিৰ অন্তৰে অন্তৰে শব্দ কৰি ঘূৰি থাকে; যেনে টিক্-টক্ টিক্-টক্ টিক্-টক্; এনেদৰে টিক্- টক্ টিক্-টক্ শব্দ কৰি ঘূৰি থাকোতে এটা সময়ৰ মূৰে মূৰেহে ঘূৰি থাকে আৰু এই বিৰাম বা বিৰতিটোৱেই আমাৰ মনত এক অনাবিল সৌন্দৰ্যৰ আভা চটিয়াই যায়। বৰষুণৰ পানী পানীপটাত চালৰ পৰা তপ-তপ, তপ-তপ কৈ এটা নিৰ্দিষ্ট বিৰতিৰ মূৰে মূৰে পৰি থাকোতে শ্ৰোতাই একে ধৰণৰ সৌন্দৰ্যকে তেওঁৰ হৃদয়ত অনুভূত হোৱা গম পায়। সেয়েহে ছন্দ বোলা বস্তুটো চকুৰ নহয়, কাণৰ আৰু মনৰ হে। কাণ ইন্দ্ৰিয়ৰ যোগেদি ই হৃদয় ৰাজ্যতহে এক হেন্দোলনি সৃষ্টি কৰে।

নাম-ঘোষা গ্ৰন্থখনিত আলংকাৰিক বা সমালোচকৰ দৃষ্টিৰে মাত্ৰাবৃত্ত স্বৰবৃত্ত আদি ছন্দৰ প্ৰয়োগ হৈছেনে নাই; এইবিষয়ে এই চমু প্ৰৱন্ধত আলোকপাত কৰাৰ অৱকাশ নাই। কবি মাধৱদেৱে মাধৱ কন্দলি, শঙ্কৰদেৱ আদি পূৰ্ব কবিসকলৰ পদাঙ্ক অনুকৰণ কৰিয়েই ইয়াত ছবি, দুলড়ি, লেছাৰী আৰু পদ প্ৰধানকৈ এই চাৰিটা প্ৰাচীন সাহিত্যত প্ৰয়োগ কৰা ছন্দৰ প্ৰয়োগ কৰিছে। ইয়াৰ উপৰি মাধৱদেৱৰ নিজে দুটা ছন্দসজ্জাৰ নামকৰণ কৰিছে। এই দুটাৰ নাম হ'ল-ঘোষা-ছন্দ আৰু নাম-ছন্দ। এই ঘোষা-ছন্দ আৰু নাম-ছন্দত ছবি, দুলড়ি, লেছাৰি, পদ আদি ছন্দ সজ্জাৰ দৰে শব্দ বিন্যাস কৰা নাই। এই দুটা ছন্দসজ্জাৰ শব্দ বিন্যাসৰ কৌশল মাধৱদেৱৰ নিজস্ব। এই দুটা ছন্দক আমি সেয়েহে "মাধৱ-ছন্দ' হিচাপে নামকৰণ কৰিব খুজিছো। প্ৰাচীন পৰম্পৰাৰ পৰা ফালৰি কাটি আহি নতুন ৰীতিৰে ছন্দসজ্জাৰ আৰ্হি প্ৰৱৰ্ত্তন কৰা কাৰণে বহু আধুনিক সমালোচকে এই খণ্ড দুটাত ছন্দ পতন ঘটিছে বুলি কব খোজে। প্ৰকৃততে ইয়াত ছন্দ পতন হোৱা নাই, ছন্দৰ উত্থান হে হৈছে। ছন্দ হ'ল শব্দ বিন্যাসৰ ফলত ওপজা লয় বা ধ্বনি এই অংশ দুটা মাধৱদেৱৰ দিনৰে পৰা প্ৰসঙ্গ কৰোঁতে ভকতসকলে ব্যৱহাৰ কৰে। প্ৰসঙ্গৰ সময়ত সৃষ্টি হোৱা সুৰ বা লয়ে এটি অভুতপূৰ্ব শিহৰণ শ্ৰোতাৰ মনোজগতত দোলা দি যায়।

ইয়াৰ উপৰি ভক্ত কবি মাধৱ মহাপুৰুষৰ হৃদয়ৰ নিভৃত কোণৰ পৰা ভক্তি বিগলিত কাৰুণ্যৰ ধ্বনিয়ে পাঠক-শ্ৰোতাৰ মন মোহিত কৰে। 'যাদৱ যদুনন্দন মাধৱ মধুসূদন। তুমি নিত্য নিৰঞ্জন নাৰায়ণ তোহ্মাত লৈলো শৰণ।।' অথবা 'হৰিত শৰণ লৈয়া যিটোজন এ হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে।।' অথবা 'হৰি হৰি হৰি হৰি হৰি হৰি হৰি কি কাম কৰিলো আমি' আদি অংশ প্ৰসঙ্গ কৰোতে সৃষ্টি হোৱা বিন্যাসৰ সৌন্দৰ্য ভক্তজনৰ বাহিৰে আনে উপলব্ধি কৰিব নোৱাৰিবও পাৰে। মাধৱ মহাপুৰুষৰ জীৱন-ছন্দৰ ধ্বনি এই ঘোষা-ছন্দ আৰু নাম-ছন্দৰ মাজতহে প্ৰকৃতাৰ্থত নিহিত হৈ আছে।

মুঠৰ ওপৰত, নাম-ঘোষা মহাগ্ৰন্থ খনিত ভক্তি ৰসৰ হৃদয় বিগলিত শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ বিভিন্ন শব্দৰ সুষম প্ৰয়োগে আৰু নিজস্ব ছন্দ সজ্জাৰ মনোমোহা উদ্ভাৱনে-এক কল্পনাতীত সৌন্দৰ্যৰ সুধা পাঠক শ্ৰোতাৰ মনত বিলাই দিছে। কেনে লোকৰ মনতনো সৌন্দৰ্যই বাঁহ লয়, কেনে লোকৰ মননো অতি শোভাবৰ্দ্ধক-সেই কথা নাম-ঘোষাত অতি স্পষ্ট ভাষাতে ভক্ত কবিজনে এনেদৰে বৰ্ণনা দি থৈ গৈছে----

পূৰ্ণশশী পূৰ্ণ দুগ্ধ সিন্ধু সিমত প্ৰকাশ নকৰয়
কমনীয় লক্ষ্মী বদনো সিমত নয়।
ঈশ্বৰ কৃষ্ণৰ পাদপদ্ম ভজি স্পৃহাহীন ভৈল যিটো
সিটো মনগোট যিমতে শোভা কৰয়।। ৬২২।।

আধ্যাত্মিক উপমাযুক্ত এই ঘোষাটিত মাধৱদেৱে কবলৈ গৈছে যে এখন পৰিপূৰ্ণ গাখীৰৰ সাগৰৰ ওপৰত পূৰ্ণিমাৰ সম্পূৰ্ণ চন্দ্ৰৰ আভা প্ৰতিফলিত হলে যি অতুলনীয় সৌন্দৰ্যৰ সৃষ্টি হ'ব, সেই দৃশ্য কল্পনাতীত। তাতে যদি সমস্ত সৌন্দৰ্যৰ অধিকাৰিণী লক্ষ্মী দেৱীৰ বদন সেই দুগ্ধ সমুদ্ৰত প্ৰতিবিম্বিত হয়, সেই অপৰূপ সৌন্দৰ্য আৰু মোহনীয় হৈ পৰিব। হৰি ভক্তি আৰু ভক্তৰ মহিমা প্ৰকাশ কৰি মহাপুৰুষ মাধৱদেৱে এই উপমা দিছে যে যদি কোনো একান্ত ভক্তই সম্পূৰ্ণ বিষয় আসক্তি পৰিত্যাগ কৰি, ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ-এই চাৰি পুৰুষাৰ্থৰ প্ৰতি স্পৃহা নকৰি একমাত্ৰ ঈশ্বৰ কৃষ্ণৰ পাদপদ্মত ভজনা কৰে, সেই ভক্তজনৰ মন ইমানেই নিৰ্ম্মল, ইমানেই সুন্দৰ হয় যে ওপৰত উল্লেখ কৰি অহা পূৰ্ণচন্দ্ৰ, পৰিপূৰ্ণ দুগ্ধ সমুদ্ৰ আৰু কমনীয়-ৰমনীয় লক্ষ্মী-দেৱীৰ বদনো কৃষ্ণ ভজনা কৰা মনৰ সমান শোভনীয় আৰু সৌন্দৰ্যপূৰ্ণ হ'ব নোৱাৰে। গতিকে, সৌন্দৰ্যৰ সংজ্ঞা আন





ঠাইত নিবিচাৰি নাম-ঘোষাৰ মাজত অন্বেষণ কৰিলেই মনৰ প্ৰকৃত সৌন্দৰ্যৰ স্বৰূপ উপলব্ধি কৰিব পাৰি। মাধৱ মহাপুৰুষৰ নাম-ঘোষা মহাগ্ৰন্থ খনিৰ কাব্যিক সৌন্দৰ্যৰো মূলকথা এইটোৱেই। এই ঘোষাটিৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিব পাৰিলেই নাম-ঘোষাৰো কাব্যিক সৌন্দৰ্য উপলব্ধ হ'ব।

**সহায়ক গ্ৰন্থপঞ্জীঃ**

১। মহাপুৰুষ মাধৱদেৱ বাক্যামৃতঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ।
২। নাম-ঘোষা ৰসামৃতঃ শ্ৰীইলাৰাম দাস।
৩। সাহিত্য বিদ্যা পৰিক্ৰমাঃ তীৰ্থনাথ শৰ্মা।

**লেখকৰ পৰিচয়ঃ**

শ্ৰীজীৱকান্ত নাথ, জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ,
মৰিগাঁও মহাবিদ্যালয়।

# নাম-ঘোষাত ভকতৰ মাহাত্ম্য

**ড° কমল চন্দ্ৰ নাথ**

নাম-ঘোষা মাধৱদেৱৰ ওৰেটো জীৱন মন্থন কৰা অমৃতৰ ভাণ্ডাৰ। বৈষ্ণৱ ধৰ্মৰ মাইলৰ খুঁটি স্বৰূপ ভক্তি পুথিখনি অধ্যয়ন কৰিলে সহজেই বুজিব পাৰি যে ইয়াৰ দৰ্শন কেনে গভীৰ আৰু বিস্তৃত।সেয়ে কব পাৰি-মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ অসম ভূমিত গুৰুৰূপে পৰমাত্মাৰ পূৰ্ণ প্ৰকাশ আৰু মাধৱপুৰুষ গুৰুৰূপে জীৱ ব্ৰহ্মৰ পূৰ্ণ প্ৰকাশ। গুৰু আৰু দেৱতত্ত্ব মুখ্যতঃ সমাহিত হৈছে গুৰু শঙ্কৰদেৱ মহাপুৰুষত; নাম আৰু ভকততত্ত্ব সমাহিত হৈছে মাধৱ মহাপুৰুষত। সেয়ে দুজনা মহাপুৰুষ শঙ্কৰ-মাধৱ অভেদ ঈশ্বৰ। কীৰ্ত্তনত গুৰুতত্ত্ব, দশমত দেৱতত্ত্ব, ঘোষাত নামতত্ত্ব, আৰু ৰত্নাৱলীত ভকত তত্ত্বৰ মূৰ্ত প্ৰকাশ ঘটিছে। শ্ৰীশ্ৰীমাধৱ মহাপুৰুষ জীৱাত্মাৰ প্ৰতিভূ। জীৱাত্মাৰ পৰমাত্মাৰ প্ৰতি কৰা কাৰুণ্যভৰা আকুল আবেদন, ক্ষমা, প্ৰাৰ্থনা, নাম-ঘোষাৰ 'খেদ', কাকুতি আদি অধ্যায়সমূহত সুন্দৰ ভাৱে লিপিবদ্ধ হৈছে। আনহাতে নাম-ঘোষাত গুৰু, দেৱ, ভকত-ভাগৱতৰ চাৰিবস্তুৰো প্ৰাঞ্জল প্ৰকাশ দেখা যায়। প্ৰেমেৰে ভগৱৎ সেৱা কৰাকে ভক্তি বোলে আৰু তাকে কৰোঁতাজনক ভকত বোলে। 'নামঘোষা' খন ভক্তিৰ সৰোবৰ বুলি কব লাগিব। কিয়নো গ্ৰন্থখনিত প্ৰধানকৈ গীতা ভাগৱত আদিৰ সাৰ সংগ্ৰহ কৰি মাধৱ মহাপুৰুষে ভকতিৰ প্ৰাধান্যতা ভকতৰ জৰিয়তে প্ৰকাশ কৰিবলৈ যত্ন কৰিছে।

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।। ১।।

ইয়াতেই ভকতক মাহাত্ম্য সুন্দৰভাৱে প্ৰকাশ পাইছে। পোন প্ৰথমেই 'মুক্তিতো নিস্পৃহ' ভকতৰ প্ৰণাম কৰি পিছততহে সমস্ত মস্তকৰ মণি নাৰায়ণক ভজনা কৰিছে। জীৱৰ চৰম লক্ষ্য বস্তু হৈছে মুক্তি। সমস্ত আসক্তি শূন্য হৈ পৰম





আনন্দচিত্তে সচ্চিদানন্দ পৰমেশ্বৰক লাভ কৰাই মুক্তি। সালোক্য, সামীপ্য, সাযুজ্য, সাৰূপ্য আৰু লীন বা নিৰ্বাণ-এই পাঁচ প্ৰকাৰ মুক্তিৰ এবিধলৈও যাৰ আসক্তি নাই সেই ভকতক নমস্কাৰ জনাইহে ভজনীয় ভগৱন্তৰ ভজনালৈ মন কৰিছে। ভকতক প্ৰথমে চিনি নাপালে ভগৱন্তক যে ভজনা কৰিবলৈ যোৱা নিস্ফল, তাকেই ইঙ্গিত বহন কৰিছে। যি ভক্তই সমস্ত অহংকাৰ শূন্য হৈ নিজৰ সুখ কামনা নকৰি, আনকি নিজৰ অস্তিত্বলৈকো ভ্ৰূক্ষেপ নাৰাখি কায়-বাক্য মনে কৃষ্ণকেই ভক্তি কৰে, সেইজনেই তেওঁৰ নিজ ভকত। 'নিজ ভকত' হোৱা সহজ সাধ্য নহয়। এই গৰাকী ভকতৰ বাবে সাধন আৰু সাধ্য বস্তু একেটাই, সিয়েই হৈছে ভক্তি। এনে একান্ত ভকতৰ পৰাহে ৰসময়ী ভক্তি পাব পাৰি। সকলো আনন্দময় ভাৱ আৰু ৰসৰ সমাহাৰ হলে তাকে ৰসময়ী ভক্তি বোলে। এই ভক্তি সেইকাৰণে মুক্তিতকৈয়ো শ্ৰেষ্ঠ, কাৰণ এই ভক্তি নিষ্কাম।

ভকত ভগৱানৰ যে কিমান প্ৰিয় সেই কথা তলৰ ঘোষাটোত প্ৰকাশি উঠিছে----

একান্ত ভকতসবে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত।। ।৪।।

ইয়াত কেৱল ভকত নহয়, একান্ত ভকতৰ কথাহে কৈছে। যিজন ভকতে সকাম ভাৱে কৰা সকলো দেৱদেৱতাৰ পূজা সেৱা পৰিত্যাগ কৰি একমাত্ৰ কৃষ্ণৰ চৰণত শৰণ লৈ ঈশ্বৰৰ গুণনাম শ্ৰৱণ-কীৰ্ত্তন কৰিয়েই পৰমানন্দ সুখত মজি থাকে তেৱেঁই একান্ত ভকত। এই একান্ত ভক্তই সমস্ত গুণৰ সৃষ্টিকৰ্ত্তা হৈয়ো কোনো গুণতে আবদ্ধ নথকা নিৰ্গুণ কৃষ্ণৰ গুণানুকীৰ্ত্তন যি ঠাইত কৰে, নিজ নাম লোভী ঈশ্বৰে বৈকুণ্ঠ ত্যাগ কৰি আনকি যোগীৰো হৃদয় এৰি আহি সেই স্থানত অৱস্থান কৰেহি। যোগীসকলে নিজ হৃদয়তে পৰমাত্মাৰ ধ্যান কৰে। সমাধিত যোগীসকলে আনন্দময় জ্যোতিময় ব্ৰহ্মক দেখি মহাসন্তুষ্টি লাভ কৰে। এনেহেন হৃদয়কো এৰি মায়াহীন বৈকুণ্ঠকো নেওচি অহাৰ কথাকে মহাপুৰুষ মাধৱদেৱে উক্ত ঘোষাটিৰ যোগেদি একান্ত ভক্তসকলৰ প্ৰতি থকা ভগৱানৰ গভীৰ প্ৰেমৰ কথাকেই প্ৰতিপন্ন কৰিছে।

'নাৰদত বিষ্ণু আছন্ত কই।
বৈকুণ্ঠত মই নাথাকো ৰই।।
যোগীৰো হিয়া এৰি সমুদাই।
থাকো ভকতৰ কীৰ্ত্তন চাই।। -'কীৰ্ত্তন'

মাধৱ পুৰুযে এঠাইত কৈছে-বৈষ্ণৱ পুত্ৰই অৰ্থাৎ ভকত পুত্ৰই পূৰ্ব্ব পুৰুষসকলকো সন্তোষ্ট কৰি উদ্ধাৰ কৰিব পাৰে, তাৰ মহিমা কীৰ্ত্তন কৰিববৈলে গৈ কৈছে--

যাৰ পুত্ৰসবে ঐত হৰিত শৰণ লৈয়া
হৰি গুণ গাৱে শুদ্ধ ভাৱে।
দধি দুগ্ধ ঘৃত মধু নদীৰ জলক পিয়া
পিতৃগণে তৃপিতিক পাৱে।। ১০।।

মনুষ্যই এই সংসাৰত জন্ম লওঁতেই পঞ্চ যজ্ঞৰ বোজা মূৰত লৈ আহে। গতিকে পঞ্চযজ্ঞ সমাপন কৰাৰ ব্যৱস্থা শাস্ত্ৰই দিছে। কিন্তু এই পঞ্চযজ্ঞ যদি ভক্তিযুক্ত নহয় তাৰ ফল পোৱা নাযায় বুলি শাস্ত্ৰই কৈছে। সেয়েহে হৰিত একান্ত শৰণীয়া পুত্ৰসকল অৰ্থাৎ ভক্তসকলৰ পিতৃ-পিতামহসকলে, আনায়াসে দধি-দুগ্ধ ঘৃতমধু আৰু নদীৰ জল পান কৰি তৃপ্তি লাভ কৰে। ভক্তই নিজৰ লগতে যে পূৰ্ব্ব পুৰুষসকলকো উদ্ধাৰ কৰিব পাৰে তাৰ মহিমা এই ঘোষা ফাঁকিৰ যোগেদি সুন্দৰকৈ প্ৰকাশ পাইছে।
ইফালে আকৌ----

পৰম ঈশ্বৰ দেৱ কৃষ্ণক নপায় লাগ
তপ জপ যাগযোগ দানে।
একান্ত ভক্তৰ পদ ৰেণু শুদ্ধ চিত্তে মাথে
অভিযেক নকৰয় মানে।। ৩৮।।

ঘোষা ফাঁকিয়েও ভগৱন্তৰ একান্ত ভক্তৰ পদৰেণুৰ মহিমা প্ৰকাশ কৰিছে। ঈশ্বৰক পাবৰ বাবে জীৱই বৈদিক নিয়মানুসাৰে তপ, জপ, যাগ, যোগ, দানাদি ধৰ্মীয় অনুষ্ঠান কৰিলেও ই ছিদ্ৰযুক্ত। ছিদ্ৰহীন ভাৱে সম্পাদন কৰি ভক্তিভাৱে ভগৱানক অৰ্পণ কৰিলে কিছু ফল পাই যদিও কলিৰ প্ৰভাৱত ই সম্ভৱ হৈ নুঠে। কিন্তু যদি ভকতৰ পদৰেণুৰে দেহ মন বিধৌত কৰিব পাৰে তেতিয়াহে তেওঁ





(ভগৱান) সহজেই বশ্য হয়। ভগৱানৰ অন্য এক অৱতাৰ পৃথুৱেও ভকতৰ পদৰেণু পাবলৈ ইচ্ছা কৰিছিল-তাৰ প্ৰমাণ ভক্তি ৰত্নাৱলীত পোৱা যায়।

একান্ত ভকতসকলে যে পুৰুযোত্তমৰ প্ৰেম ভকতিৰ বাহিৰে ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ এই চাৰি পুৰুষাৰ্থকো তৃণ সম জ্ঞান কৰে তাৰ মহিমা প্ৰকাশ কৰিবলৈ যোৱাৰ প্ৰসঙ্গতে কৈছে---

সমস্তে সুখক তেজি পুৰুযোত্তমৰ প্ৰেম
ভকতিক কৰিল আশ্ৰয়।
ভকতসবৰ এহি পুৰুষাৰ্থ মনোনীত
আনো সুখ অধিক পাৱয়।।১২৪।।

পৰমেশ্বৰৰ প্ৰেমৰসত মজি থকা ভকতসকলে আত্যন্তিক সুখ লাভ কৰাৰ উপৰি মুমুক্ষু আৰু জ্ঞানী ভক্তসকলে পোৱা বিদ্যা আৰু অবিদ্যাজনিত সকলো সুখকেই অতিৰিক্ত ভাৱে লাভ কৰে। ব্ৰহ্মজ্ঞানীসকলে সমস্ত জগতকে বিষ্ণুময় জ্ঞান কৰে। মুমুক্ষুসকলে মায়াজনিত সুখক আশা নকৰে। কায়, বাক্য, মন অৰ্থাৎ চিদাঙ্গ শুদ্ধিৰ বাহিৰে মুমুক্ষুসকলৰ অন্য পুৰুষাৰ্থ নাই। কিন্তু ভকতসকলে অবিদ্যা, বিদ্যাজনিত সুখ পৰমেশ্বৰৰ প্ৰেমত আশ্ৰয় লোৱাৰ বাবে অবান্তৰ ফল হিচাপে আপোনা আপুনি পাই যায়; এই ফলৰ বাবে সুকীয়া সাধনাৰ প্ৰয়োজন নাই। 'তুমি চিত্তবৃত্তি মোৰ' আৰু 'তুমি মোৰ অন্তৰ্য্যামী' (১২ (১৩০)- ঘোষা দুফাঁকিয়েই ভক্তৰ আত্মনিবেদন আৰু দাস্য ভাৱৰ অফুৰন্ত প্ৰকাশ। ইয়াত মাৰ্জ্জাৰ ন্যায় আৰু মৰ্কট ন্যায় দুয়োবিধ ভক্তিৰেই ভক্তই চিত্ত, বৃত্তি সমাপন কৰি, দাস্য ভাৱে সেৱা কৰিবলৈ প্ৰভুৰ কৃপা বিচাৰিছে, জ্ঞানী বা কৰ্ম্মীৰ ক্ষেত্ৰত এনে দুৰ্ল্লভ, মহান ভাৱ থাকিব নোৱাৰে। 'দান্তে তৃণ তুলি লওঁ' বুলি ভক্তিৰ এক দৈন্য ভাৱৰ মূৰ্ত প্ৰকাশ ভক্তৰ হৃদয়ত বিৰাজ কৰিছে। ইয়াত স্বতন্ত্ৰ শক্তি লোপ পায়। অহংকাৰ বিনাশ পূৰ্ব্বক ঈশ্বৰ পৰতন্ত্ৰ শক্তিৰ ওপৰত ভক্তৰ দৃঢ় বিশ্বাসৰ পৰকাষ্ঠা ঘটিছে থিক তেনেকৈ ভক্তসকল হৰিৰ প্ৰিয় হৃদয় স্বৰূপ। নিজতকৈয়ো ভক্তসকলক বেছি স্নেহ কৰে।

হৰিৰ পৰম প্ৰিয়তম নাই
হৰি ভকতত পৰে।
হেন ভকতক যিজনে নিন্দয়
হৰিকেসে নিন্দা কৰে।। ২৭৬।।

কীৰ্ত্তনতো এই কথাৰ স্পষ্ট ধাৰণা পোৱা যায় ----

ভকতেসে মোৰ হৃদি জানিবা নিশ্চয়।
ভকতজনৰ জানা আমিসে হৃদয়।।

এনেকুৱা ভগৱন্তৰ প্ৰিয়তম ভকতক যিয়ে নিন্দা কৰে তেওঁলোক নাম-অপৰাধী। ভকতক নিন্দা কৰি হৰিকেই নিন্দা কৰে। ইয়াত ভকত আৰু ভগৱন্ত একে বস্তু হৈ পৰিল- ভকতেই ভগৱন্ত জানা নিষ্ঠ কৰি'-সেয়েহে সাধুসকলে ভকততেই ভগৱন্তক দৰ্শন কৰে। হৰিভকতৰ ইমানেই মহিমা যে, হৰি ভকতৰহে অন্ন যোনি বিচাৰৰ ক্ষমতা থাকে। আৰু সেই বিচাৰ মতে চলি দেহ মন শুদ্ধিৰে পৰমাৰ্থ লাভ কৰে।

ভক্তই কৃপাৰ সাগৰদৈৱকী নন্দন কৃষ্ণক প্ৰাৰ্থনা কৰিছে যাতে যতেই জন্ম নহওক কিয় যেন সদায় একান্ত ভক্তৰ সংগ পায়। ভগৱন্ততকৈয়ো ভকতৰ সংগ অতি উত্তমৰূপে প্ৰকাশ কৰিছে এনেদৰে ঃ

কৃপাৰ সাগৰ দৈৱকী নন্দন
পুৰিয়ো মনৰ কাম।
ভকতৰ সঙ্গ সদা নুগুচোক
মুখে তুৱা গুণ নাম।। ৩১৬।।

কিয়নো য'ত ভকত নাই, তাত ভগৱন্তৰ প্ৰকাশো নাই। সেই স্থান অপবিত্ৰ শ্মশান স্বৰূপ। ভকতে কোনো প্ৰকাৰৰ মুক্তিকেই নিবিচাৰে কেৱল তেওঁৰ গুণ-নাম শ্ৰৱণ-কীৰ্ত্তন কৰি জীৱন অতিবাহিত কৰিবলৈ বিচাৰে। ভক্তই চেনি হৈ যাবলৈ নিবিচাৰে, সদায় চেনি খাই থাকিবলৈহে বিচাৰে। ভক্ত ইমানেই মহান। যিসকল লোকে কলিযুগত নিজে হৰি কীৰ্ত্তন কৰে আৰু আনকো হৰি কীৰ্ত্তন কৰায়, তেওঁলোকেই জগতৰ পূজ্য, সুহৃদ আৰু ধন্য। ধৰ্ম উপদেশী গুৰুসকল, নামপ্ৰেমী ভক্তসকল, ধৰ্ম সভাত হৰিনাম প্ৰচাৰ কৰাসকল আৰু বৃহৎ নাম উৎসৱ আৰু ধৰ্মসভাৰ উদ্যোক্তাসকল-এই চাৰি শ্ৰেণীৰ ভক্তই সৰ্ব্বলোকৰ পূজ্য আৰু প্ৰশংসাৰ পাত্ৰ (ঘোষা নং ৩৬৫) ভগৱন্ত মহাপুৰুষ ক্ষৰৰো অতীত আৰু অক্ষৰত কৈয়ো উত্তম। এনে পুৰুষোত্তমত যাৰ ভকতি আছে, সেই ভক্তজন স্বাভাৱিকতেই শুচিমন্ত, বিদ্যাৱন্ত, সত্যবাদী, দাতা আৰু মহামানী হৈ পৰে। ভকতিৰ মহিমাত ভক্ত সহজেই এনে গুণৰ অধিকাৰী হয়। মুঠতে নামঘোষা গ্ৰন্থভাগ আলোচনা কৰিলে দেখা যায়





মাধৱ মহাপুৰুষে ভকতৰ মাহাত্ম্য প্ৰকাশ কৰিবলৈ নানা ধৰণৰ দৰ্শন তত্ত্ব আৰু সাৰগৰ্ভ কথাৰে আমাক উপদেশ প্ৰদান কৰিছে।

বিঃদ্ৰঃ- আলোচনা ভাগৰ ক্ষেত্ৰত নাম-ঘোষা সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ আৰু নানা গৰাকী ভকতৰ সাৰগৰ্ভ কথাৰ সহায় লোৱা হৈছে- লিখক)

---

**লেখকৰ পৰিচয় ঃ**

ড° কমল চন্দ্ৰ নাথ
অধ্যক্ষ, চৰাইবাহী মহাবিদ্যালয়
মৰিগাঁও, অসম।

# নাম-ঘোষাত মাধৱদেৱৰ দাস্যভকতি

**প্ৰদীপ কুমাৰ শইকীয়া**

নাম-ঘোষা শাস্ত্ৰখনি মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ পূৰ্ণ অভিজ্ঞতাপুষ্ট ভক্তি ৰহঘৰা সৰ্ব্বোত্তম কবিতা পুথি। কৃষ্ণ ভক্তি তত্ত্বৰ ওপৰত ৰচিত 'নাম-ঘোষা' খনি মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ সৰ্ব্বোকৃষ্ট কৃতিত্ব আৰু একশৰণ হৰিনাম ধৰ্ম্মৰ এক অমূল্য সম্পদ। বৈষ্ণৱ ধৰ্মৰ ওপৰত লিখা এনে এখনি অনুপম তাত্বিক পুথি অসম তথা ভাৰতবৰ্ষতহে নালাগে বোধকৰো বিশ্বতে বিৰল। শাস্ত্ৰখন বৈষ্ণৱ ধৰ্মৰ মাইল স্তম্ভ স্বৰূপ। ইয়াত কোনো কাহিনী পোৱা নাযায় বা এই শাস্ত্ৰখন বৰ্ণনাত্মক নহয়। ইয়াত মহাপুৰুষজনাই কেৱল নিৰ্গুণ, নিৰাকাৰ ভগৱন্তৰ নামৰ মহিমাকেই প্ৰাঞ্জল ভাৱে প্ৰকাশ কৰিছে। সেয়ে পুথিখন 'নাম-ঘোষা' বুলি নামকৰণ কৰিছে। এহেজাৰ এটা ঘোষা থকা হেতু ইয়াক হেজাৰী ঘোষাও বোলা হয়।

কৃষ্ণ ভক্তিৰ ৰসেৰে মহিমামণ্ডিত 'নাম-ঘোষা' গ্ৰন্থখন মাধৱদেৱে গুৰু মহাপুৰুষৰ আশীষসূচক আজ্ঞা মানি ৰচনা কৰিছিল। গুৰুজন শেহবাৰৰ বাবে বিদায় লৈ যাওঁতে চোট আতাত এটি আজ্ঞা কৰিলে, 'বৰা-পো, সৰ্বস্ব পালন কৰিবাঁ, নাহো মানে ঘোষা নামে প্ৰেম ভক্তি গ্ৰন্থ কৰিবা আমাৰ পাচত যেন বৌ, বৰালিৰ পৰা ডনিকালৈকে ৰয় যেনেকৈ। দহহাজাৰ বৈকুণ্ঠৰ নাম দিবা।' (গুৰু চৰিত কথা)

ঘোষা নামে শাস্ত্ৰখনি তুমিও লিখিবা।
ৰত্নাৱলী ঘোষা মধ্যে তুমিও থাকিবা।।
নামৰ মহিমা যত কাৰুণ্য আচয়।
ঘোষাৰ মাজত তাক দিবাহা নিশ্চয়।।
(গুৰু চৰিত/ দৈত্যাৰি ঠাকুৰ)

বিষয় মুক্ত মহাভক্ত মাধৱদেৱে গুৰুৰ আজ্ঞা নিৰ্ম্মালি স্বৰূপে গ্ৰহণ কৰি দাৰ্শনিক তত্বৰে পূৰ্ণ, ভক্তি ৰসেৰে সিক্ত মনোমোহা শাস্ত্ৰভাগি ৰচনা কৰি বৈষ্ণৱ ধৰ্মৰ আদৰ্শ আৰু লক্ষ্যক অমৰ কৰিলে। ত্যাগ আৰু উদাৰতাৰ প্ৰতিভূ স্বৰূপ মহাপুৰুষজনাই নিজেই সিদ্ধান্ত দিছে "মই গুৰু সেৱাকৈ জি পালো তাকো ঘোষাতে থৈছো, অনেক শাস্ত্ৰ বিচাৰি যি ৰসতত্ত্ব পালো তাকো ঘোষাতে থৈচো, আৰু পৰমানন্দ





ইষ্টে হৃদিত থাকি জি বুদ্ধিত দিলে তাকো মই ঘোষাতে থৈচো। এতেকে পদাৰ্থে, ভাৱাৰ্থে, তত্বাৰ্থে, নিজাৰ্থে, গূঢ়াৰ্থে পৰমাৰ্থে অন্তজোৰা সৈতে অন্তৰ কৃপাত পাব, আমাক সম্পূৰ্ণে দেখিব।।' ৯২৭ ছেদ/গুৰু চৰিত কথা।

"গুৰু সেৱা কৰি মই যিবা সত্য পালোঁ।
সমস্তকে আনি ঘোষা শাস্ত্ৰত লিখিলোঁ।।
শাস্ত্ৰ বিচাৰিয়ো মই যিবা তত্ব পালোঁ।
সমস্তকে আনি ঘোষা শাস্ত্ৰত লিখিলোঁ।।
হৃদিশ্বৰ উপদেশে যিবা সত্য পাইলো।
সমস্তকে আনি ঘোষা শাস্ত্ৰে নিবন্ধিলোঁ।।
গুৰুচৰিত/দৈত্যাৰি ঠাকুৰ

ত্ৰি-সত্যৰ উপলব্ধি আৰু মনোময় প্ৰকাশে গ্ৰন্থৰ জেউতি কালজয়ী কৰি ৰাখিছে। মাধৱ মহাপুৰুষ 'নাম-ঘোষা'ৰ এহেজাৰ এজোকা ঘোষাৰ প্ৰায় চাৰিশ ঘোষা, ভাগৱত পুৰাণ, গীতা, বৃহৎ নাৰদীয় পুৰাণ বিষ্ণুপুৰাণ, ভৱিষ্য পুৰাণ, বামন পুৰাণ, মৎস্য পুৰাণ, কান্তিমালা, পদ্মপুৰাণ, নৰসিংহ পুৰাণ, পাণ্ডৱী গীতা, ভক্তি ৰত্নাকৰ আদি সংস্কৃত ভাষাৰ গ্ৰন্থৰ পৰা চয়ন কৰিছে। ছন্দময় কাব্যিক সৌন্দৰ্য প্ৰদানেৰে ঘোষাবোৰ ৰসময় কৰি তুলিছে। বাকী ঘোষাবোৰ কবিৰ নিজা সৃষ্টি। স্বতঃস্ফুত ভাৱে কবিৰ হৃদয়ৰ পৰা নিগৰি ওলোৱা ঘোষাসমূহ ভক্তিৰসেৰে পৰিপূৰ্ণ। স্নিগ্ধ নিয়ৰত তিতা শেৱালি ফুলৰ সুবাসৰ দৰে আমোলিত সুৱাসে ঘোষাসমূহক সুগন্ধিত কৰি তুলিছে। নাম-ঘোষাত ভজন, ছবি, নমস্কাৰ, উপদেশ, শঙ্কা, নিন্দা, প্ৰাৰ্থনা, অনু-প্ৰাৰ্থনা, মহিমা আদি নানা পটলত মহাপুৰুষীয়া ধৰ্ম্মৰ চাৰিখুটি গুৰু, দেৱ, নাম, ভকত আৰু অৱতাৰবাদ, গুৰুবাদ, ঈশ্বৰ নিৰ্ণয়, মায়াৰ স্বৰূপ, মায়া তৰণৰ উপায়, জীৱাত্মা আৰু পৰমাত্মাৰ উপলব্ধি, বেদান্তৰ সাৰমৰ্ম, ব্ৰহ্মতত্ত্ব আদি নানান দিশৰ কথা বাঙ্ময় ৰূপত বিকশিত কৰি তুলিছে। অসমৰ মহাপুৰুষীয়া সমাজৰ 'হীৰাস্বৰূপ' নামঘোষাত মাধৱদেৱে সৰ্ব্বগুণাকৰ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱক-'আমাৰ পৰম গুৰু' বুলি মুক্তকণ্ঠে স্বীকাৰ কৰিছে আৰু যিসকলে গুৰুজনাক ঢাকি নিজকে গুৰু বোলাই মান্য, সতকাৰ খুজি গুৰু হৈছে, তাৰাসকলক তীব্ৰ বাক্য বানেৰে ভৰ্ৎসনা কৰিছে--

"নজানে শাস্ত্ৰৰ নয় যেহি আসে তাকে কয়
ছেদিবাক নপাৰে সংশয়।
গুৰু বোলাই তথাপিতো ফুৰয় লোকৰ মাজে
মান্য সতকাৰ খুজি লয়।।" ৫৫।। নাম-ঘোষা

সুন্দৰ ছন্দ আৰু অলংকাৰৰ সু-প্ৰয়োগে নাম-ঘোষাক সমুজ্জ্বল কৰি তুলিছে। ছন্দৰ ঝংকাৰ আৰু উপমা, ৰূপক, অনুপ্ৰাস আদি অলংকাৰে নাম-ঘোষাৰ সাংগীতিক মূল্য চিৰ সেউজ কৰি ৰাখিছে।

উদাহৰণ স্বৰূপে----

"সকল উপনিষদ ধেনু দোগ্ধা ভৈলা তাতে নন্দসুত
তাৰ বৎস ভৈলা কুন্তীসুত ধনঞ্জয়।
দুগ্ধ ভৈলা মহা গীতামৃত কৃষ্ণৰ চৰণে দিয়া চিত্ত
সুবুদ্ধি সকলে সন্তোষে পান কৰয়।। ৬৬৯।।

'ঘোষা শাস্ত্ৰখনৰ গভীৰতালৈ লক্ষ্য কৰি হাস্যৰসিক বেজবৰুৱাই কৰা মন্তব্য বিশেষভাৱে মন কৰিবলগীয়া। 'মোক মানুহে গপ্তপ মৰা বুলিব পাৰে, এচকুৱা বুলিব পাৰে, বোলক তাত মোৰ দোষ নাই। কিন্তু মোৰ মুখত কোনেও সোপা দিব নোৱাৰে, মই যদি মুখ মেলি কওঁ যে ভাৰতহে নালাগে পৃথিৱীৰ কোনো সু-সভ্য দেশত এনে এখন Scripture বা শাস্ত্ৰ ওলোৱা নাই যাক আমাৰ নাম-ঘোষা শাস্ত্ৰখনেৰে সৈতে একে শাৰীতে ঠগিত থ'ব পাৰি।' বিনোৱা ভাৱেই নাম-ঘোষাৰ ওপৰত কৰা মন্তব্য আৰু এখোপ চ'ৰা। বিনোৱাভাৱেই এনেকৈ কৈছে, 'ই বিশ্বৰ সৰ্বোৎকৃষ্ট ধৰ্ম্ম গ্ৰন্থবোৰৰ ভিতৰত অন্যতম। ইয়াত থকা 'সেৰা ৰসসাৰ' পৃথিৱীৰ অন্য গ্ৰন্থত বিৰল।' গুৰুভক্ত মহান আদৰ্শ পুৰুষ মাধৱদেৱে নিজেও তাৰাৰ সমস্ত কৰ্ম্মৰ ঘোষা শাস্ত্ৰৰ মাজতেই পাব বুলি মন্তব্য কৰি গৈছে ----

'পৃথিৱীত ধৰ্ম্ম শাস্ত্ৰ আছে যত যত।
সমস্তৰে সাৰ আছে ঘোষাৰ মধ্যত।।
নশ্বৰ আমাৰ দেহা হুইবেক গত।
কিন্তু মোৰ আত্মা ৰৈব ঘোষাৰ মধ্যত।।
হেন জানি ঘোষা শাস্ত্ৰ কেহোৱে নেৰিব।
মোৰ বাক্যে ঘোষা শাস্ত্ৰে শৰণ লইব।।' (গুৰু চৰিত)

আমাৰ প্ৰবন্ধৰ মুখ্য আলোচ্য বিষয় নাম-ঘোষাত দাস্য ভকতি। ঘোষা শাস্ত্ৰত দাস্য ভকতি আলোচনা কৰাৰ প্ৰাক্মুহূৰ্তত ভকতি সম্পৰ্কে কিছু কথা আলচ কৰা ভাল হ'ব। ভক্তি শব্দই সাধাৰণতে ভগৱানৰ সেৱাকে বুজায়। শাণ্ডিল্য ভক্তি সূত্ৰত ঈশ্বৰত অতিশয় অনুৰক্তিক ভক্তি বোলা হৈছে। নাৰদীয় ভক্তি সূত্ৰই 'ঈশ্বৰৰ প্ৰতি পৰম 'প্ৰেম'ক ভক্তি বুলিছে। শাস্ত্ৰত মনক ভগৱানত সম্পূৰ্ণৰূপে নিবিষ্ট কৰি কোনো ফলৰ আশা নকৰাকৈ তেওঁক নিৰন্তৰ ভজনা কৰাকে ভক্তি আখ্যা দিয়া হৈছে। দৰাচলতে





ভক্তি এটা মানসিক অৱস্থা। এই মানসিক অৱস্থাৰো বিভিন্ন স্তৰ আছে। ভক্তিৰ চৰম স্তৰত উপনীত হোৱাজনকহে প্ৰকৃত ভকত বোলা হয়।

'যিটো পালে আনবস্তু নকৰে কামনা।
কোনোতেই নাই শোক, হিংসা বা শোচনা।।
আনন্দ উৎসৱ নাই কোনোতেই ৰতি।
জানিবা তেতিয়া হৈছে হৃদয়ে ভকতি।।' (নাৰদীয় ভক্তি সূত্ৰ)

ভক্তিক নানা ভাগত ভাগ কৰা দেখা যায়। গৌণীভক্তি আৰু পৰাভক্তি ভক্তিৰ দুটা প্ৰধান ভাগ। ইয়াৰ বাহিৰেও সাত্ত্বিক, ৰাজসিক, তামসিক আৰু নিৰ্গুণ নামে চাৰিটা ভাগত ভক্তি বিভক্ত হৈ আছে। নানা স্তৰৰ মাজেৰে ভক্তিয়ে ন-টা ৰূপত ভক্তৰ মাজত ধৰা দিছে। 'শ্ৰৱণ, কীৰ্ত্তনং বিষ্ণোঃ স্মৰণং পাদসেৱনম্। অৰ্চনং বন্দনং দাস্য সখ্য আত্মনিবেদনম্।। ভাগৱত সপ্তম স্কন্ধ।

'শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চন পদসেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহ অৰ্পণ।।' কীৰ্ত্তন-ঘোষা /প্ৰহ্লাদ চৰিত

নববিধা ভক্তিৰ ভিতৰত মহাপুৰুষসকলে শ্ৰৱণ, কীৰ্ত্তনক মুখ্য স্থান দিছে। কাৰণ শ্ৰৱণ, কীৰ্ত্তনে ভকতৰ ভকতিৰ দুৱাৰ মুকলি কৰি বিভিন্ন স্তৰত উপনীত কৰাব পাৰে।

'যদ্যপি ভকতি নববিধ মাধৱৰ।
শ্ৰৱণ কীৰ্ত্তন আতো মহা শ্ৰেষ্ঠতৰ।।' (কীৰ্ত্তন-ঘোষা)

আত্মনিবেদন, দাস্য, সখিত্ব ভক্তিৰ সম্পৰ্কেও মহাপুৰুষসকলে মৰ্মস্পৰ্শী বৰ্ণনা দাঙি ধৰিছে। আত্মনিবেদন ভক্তিৰ বৰ্ণনা ভক্তি ৰত্নাৱলী গ্ৰন্থত এনেদৰে পোৱা যায়।

'যেন গৰু পৰত বিকিলে যিটো জনে।
পোষণ পালন চিন্তা নকৰে সিজনে।।
সেহি মতে মোত অৰ্পি দেহাদি সমস্ত।
ৰৈল যিটো জন হুয়া অচিন্ত মনত।।' (ভক্তি ৰত্নাৱলী)

দাস্য ভক্তি মানে নিজকে দাস বুলি ভাৰি সমস্ত কৰ্ম ভগৱন্তৰ চৰণত অৰ্পণ কৰা। এই ভক্তিৰ অন্তৰালত নিজক সবাতকৈ সৰু, হীন, দীনমতি বুলি ভবা ভাৰ সোমাই আছে। ভক্তি ৰত্নাৱলী গ্ৰন্থত দাস্যভক্তিৰ মনোমোহা বৰ্ণনা এনেদৰে পোৱা যায়।

'দাস্য ভাৰ ভক্তি আক বুলিয় নিশ্চয়।
কায় বাক্যে মনে যত কৰ্ম্ম সমৰ্পয়।।
লৌকিক বৈদিক ব্ৰাহ্মণাদিৰ স্বভাৱে।
সমস্তক অৰ্পিব কৃষ্ণৰ দুই পাৱে।।' ভক্তি ৰত্নাৱলী

দাস্য ভক্তিত ভৃত্য আৰু গৰাকীৰ সম্পৰ্ক মধুৰ হ'ব লাগে। গৃহস্থৰ ৰখীয়া ভৃত্যই যিমান ধন উপাৰ্জন কৰিব তাৰ অধিকাৰী ভৃত্যজন নহয়, তেওঁৰ মালিকহে। এই ভাৱেই ভৃত্যই কৰ্ম কৰি যায়, ঠিক তেনেদৰে ভকতেও সমস্ত কৰ্মৰে গৰাকী ভগৱন্ত বস্তু বুলি ভাৱি 'মই মোৰ ভাৰ নোহোৱাকৈ কৰিব লাগে। প্ৰকৃতাৰ্থত এয়ে দাস্য ভক্তি।

ভাৰতবৰ্ষৰ বৈষ্ণৱ আন্দোলনৰ প্ৰাণ প্ৰতিষ্ঠা কৰা বিভিন্ন জন ধৰ্ম প্ৰচাৰকৰ হাতত দাস্য ভক্তিয়ে গুৰুত্ব পোৱাটো বিশেষ আকৰ্ষণীয় কথা। কবীৰ দাস, গুৰু নানক, তুলসী দাস, সুৰ দাস, মীৰাবাঈ আদিয়ে দাস্য ভক্তিয়ে ঈশ্বৰক পাবলৈ আশা কৰা দেখা যায়। তুলসীদাসৰ 'ৰাম চৰিত মানস' আৰু বিনয় পত্ৰিকা' দুখন অমৰ গ্ৰন্থ। বিনয় পত্ৰিকাত তাৰাই দাস্য ভক্তিৰ সুন্দৰ বৰ্ণনা দিছে--

'তু দয়ালু দীন হৌঁ, তু দানি হোঁ ভিখাৰী।
হোঁ প্ৰসিদ্ধ পাতকী, তু পাপ পুঞ্জহাৰী।।
নাথ তু অনাথকো, অনাথ কোন মোসৌ?
মোৰ সমান আৰত নাহি, আৰতিহৰ তোসৌ।
ব্ৰহ্মতু, হৌঁ জীৱ, তুহী ঠাকুৰ হৌঁ চেৰৌ।
তাত মাৰ গুৰু সখা তু সৱ বিধি হিতু মেৰো।।
তোহি মোহি নাতে অনেক মনিযে জো ভাৱৈ।
জ্যোঁ ত্যোঁ তুলসী কৃপালু চৰণ সৰণ পাৱৈ।।' (বিনয় পত্ৰিকা)

'তুমি দয়ালু, মই দীন। তুমি দানী, মই ভিখাৰী। মই প্ৰসিদ্ধ পাতকী, তুমি পাপ পুঞ্জ হৰণ কৰোঁতা। তুমি অনাথৰ নাথ, মোৰ সমান অনাথ কোন আছে? মোৰ সমান আৰ্ত (দুখী) কোনো নাই আৰু তোমাৰ সমান দুখ ভঞ্জন নাই। তুমি ব্ৰহ্ম মই জীৱ। তুমি ঠাকুৰ মই তোমাৰ সেৱক। তুমি মোৰ পিতা, মাতা, গুৰু, সখা। সকলো পিনৰ পৰা তুমি মোৰ শুভাকাঙ্ক্ষী। তোমাৰ আৰু মোৰ মাজত সম্বন্ধ অনেক। তুমি যি বুলি ভাৱা তেনেভাৱে মোক গ্ৰহণ কৰা। যিকোনো উপায়েৰে--হে কৃপালু, তুলসী দাসে যাতে তোমাৰ চৰণত শৰণ পায়।'

সুৰদাসৰ ৰচনাতো দাস্য আৰু আত্মনিবেদন ভক্তিয়ে মূৰ্ত্ত ৰূপত প্ৰকাশ পোৱা দেখা যায়। তেওঁ নিজক দাস বুলি মানি ভগৱন্তৰ ওচৰত সকলো দোষ





ক্ৰুটি অপকটে স্বীকাৰ কৰি এনে বৰ্ণনা কৰিছে---

'মোসম কৌন কুটিল খল কামী।
জিন তনু দিয়ো তাহি বিসৰায়ো।।
ঐসো নিমকহৰামী।
ভৰি ভৰি উদৰ বিষয়কো ধাৱৌ।
জৈসে সুকৰ গ্ৰামী।।
হৰিজন ছাঁড় হৰী বিমুখ নদী।
নিসিদিন কৰত গুলামী।।
পাপী কৌন বড়ো হৈ মোতেঁ।
সৱ পতিত নমেঁ নামী।।
সুৰ পতিতকো ঠৌৰ কহাঁ হৈ।
সুনিয়ে শ্ৰীপতি স্বামী।।

"মোৰ সমান কুটিল, খল আৰু কামী কোন আছে? যিজনে মোক শৰীৰটো দিলে তেওঁকে মই পাহৰি গলোঁ। মই এনে নিমখহাৰাম। গাহৰিবোৰ উদৰ পূৰণাৰ্থে ব্যস্ত থকাৰ নিচিনা মনটো বিষয়ৰ প্ৰতিহে ধাৱিত হয়। প্ৰকৃত হৰি ভকতসকলৰ সেৱা এৰি যিবোৰ হৰিৰ প্ৰতি বিমুখ সেই বোৰৰহে দাসত্ব মনে মানে। মোৰ সমান পাপী কোন আছে? পতিতবোৰৰ ভিতৰত ময়েই নাম থকা। হে শ্ৰীপতি, হে স্বামী, সুৰদাসৰ নিচিনা পতিতৰ আশ্ৰয় ক'ত?"

নৱ বৈষ্ণৱ ধৰ্ম্মৰ প্ৰচাৰক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেও তাৰাৰ বিভিন্ন গ্ৰন্থৰ দাস্য ভক্তিক গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হৈছে। গীত, পদ, কাব্য-নাটক আদিত শঙ্কৰ গুৰুৱে নিজকে বিষ্ণুৰ দাস বুলি অভিহিত কৰিছে। শঙ্কৰ-কিঙ্কৰ, শঙ্কৰদাস আদি পৰিচয়ে দাস্য ভাৱকে সূচাইছে। দাস্য ভক্তিৰ মহিমা প্ৰচাৰ কৰি কীৰ্ত্তনৰ তেওঁ বলি ৰজাৰ মুখত এনেকৈ বৰ্ণনা দিছে--

"ঐশ্বৰ্য্য জঞ্জালে　　নলাগে আমাৰ
ছিণ্ডা মোৰ মোহ পাশ।
কৰা প্ৰভু দায়া　　জন্মে জন্মে হৈবো
তোমাৰ দাসৰো দাস।।"(কীৰ্ত্তন ঘোষা)

বিষয় বাসনাই গ্ৰাস কৰিব নোৱাৰা আদৰ্শ সংযমী মহাপুৰুষ মাধৱদেৱৰ দাস্য ভক্তি বা আত্মলঘিমা অতি প্ৰকট আৰু অন্তৰৰ নিঃ ভৃততম কোণৰ পৰা

বোঁৰতী নদীৰ দৰে বৈ অহা সাংসাৰিক বিষয় বাসনা, কাম-ক্ৰোধ, লোভ-মোহ, ভোগ-বিলাস, আদি ত্যাগ কৰি পৰমপুৰুষ ভগৱন্তৰ পাদপঙ্কজত নিজকে কায়-বাক্যে-মনে সঁপি দিব পাৰিছিল। মাধৱ মহাপুৰুষৰ সমস্ত গ্ৰন্থৰাজিৰ ভিতৰত জীৱনৰ 'অক্ষয় বন্তি' স্বৰূপ 'নাম-ঘোষা'ত আত্মলঘিমা, আত্মনিবেদন আৰু দাস্য ভক্তিয়ে চৰম ৰূপত প্ৰকাশিত হৈছে। মাধৱদেৱে বিষ্ণুক জগতৰ নাথ বা স্বামী ৰূপে গ্ৰহণ কৰি নিজকে তেওঁৰ ভৃত্য বুলি ধাৰণা কৰি সেৱা কৰিছে। সেয়ে মাধৱদেৱে নিজক দাসকু দাসা, দীন-হীন মাধৱ, মূৰুখমতি, দাসৰো দাস, ভৃত্যৰো ভৃত্য বুলি পৰিচয় দি থৈ গৈছে. দাস্য ভক্তিৰ পূৰ্ণ সমৰ্থক মাধৱদেৱৰ নাম-ঘোষা শাস্ত্ৰখনৰ সৰহ সংখ্যক ঘোষাতে দাস্য ভক্তিৰ চিটিকনি পৰাটো তাৎপৰ্যপূৰ্ণ। দাস্য ভাৱৰ মহাসাগৰত অৱগাহন কৰি মাধৱদেৱে আজীৱন কৃষ্ণৰ দাস হিচাপে তেওঁৰ চৰণত আত্মসমৰ্পণ কৰিছে। তেওঁ গৰাকী বিহীন, অনাথ, আশ্ৰয়বিহীন, দুৰাচাৰ, মূঢ়মতি, অধম। ভগৱন্ত তেওঁৰ গৰাকী আশ্ৰয়দাতা। এই ভাৱকে পুষ্ট কৰি নাম-ঘোষাত অনেক চৰণ ঘোষা প্ৰকাশিত কৰিছে----

'হে প্ৰাণবন্ধু কৃষ্ণ কৃপাৰ সাগৰ হৰি
কৃপা দৃষ্টি চাহিয়োক মোক।
সহজ বাসনা ৰূপে শৰণ দিয়োক নাথ
মোৰ অহংকাৰ দূৰ হৌক।।" ৬২।।

মায়াই জীৱসমূহক নানা আহুকালত পেলায়। মায়াৰ বাবে জীৱ অহংকাৰত মদমত্ত হৈ থাকে আৰু পৰম পুৰুষজনৰ কৃপা অবিহনে এই অহংকাৰ দূৰ কৰাটো সম্ভৱ নহয়, সেয়ে মহাপুৰুষ মাধৱে প্ৰাণ বন্ধু কৃষ্ণক কাতৰ প্ৰাৰ্থনা জনাইছে যে, তেওঁৰ সমস্ত অহংকাৰ দূৰ কৰি কৃষ্ণৰ চৰণ তলত আশ্ৰয় দিয়ে যেন---

'হে প্ৰভু ভগৱন্ত ইটো সংসাৰত যত
আছে পাপী মই তাৰ সীমা।
চৰণে থাপিয়ো মোক পতিত পাৱন নিজ
দেখায়োক নামৰ মহিমা।। ৬৬।।

উক্ত ঘোষাত মাধৱদেৱৰ দাস্যভাৱৰ বিমূৰ্ত্ত প্ৰকাশ ঘটিছে। সংসাৰত যিমানবোৰ পাপী আছে তাৰ ভিতৰত মাধৱদেৱে নিজকে অধিক পাপী বুলি ধাৰণা কৰি কৰুণাময়ৰ চৰণত মূৰ দোৱাঁইছে। কৃপালু প্ৰভুৱে তেওঁক যাতে কৃপা কৰি ৰাতুল চৰণ তলত ঠাই দিয়ে---





'মই অনাথক দায়া কৰহু পৰমানন্দ
দাস বুলি ধৰিয়ো মনত
থৈয়ো নিজ ভৃত্যৰ সঙ্গত।
আঙ্গুলি মুখত কৰো দান্তে তৃণ তুলি ধৰো
কেশ চিণ্ডি দিওঁ চৰণত।।' ৭০।।

ইয়াত মহাপুৰুষজনাই দাস্য ভাৱৰ চৰম প্ৰকাশ ঘটাইছে। মহা অধম, মোৰ আপোনাক দিবলৈ একো নাই, মই মাত্ৰ বিনম্ৰতকৈয়ো বিনম্ৰভাৱে প্ৰণিপাত জনাইছো। মোক তোমাৰ একান্ত ভকতৰ সঙ্গ সুখ দি তোমাৰ চৰণ সেৱা কৰিবলৈ সুবিধাকণ প্ৰদান কৰা----

'তুমি চিত্ত বৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত।
চৰণ ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
কৰা দয়া মোক ভগৱন্ত।।' ১২৯।।

ইয়াত দাস্য ভাৱ প্ৰকত হৈ উঠিছে। তাৰাই নাৰায়ণক তেওঁৰ চিৰবৃত্তি প্ৰৱৰ্ত্তক, তুমি মোৰ গৰাকী আৰু মই অনাথ বুলি হৃদয়স্পৰ্শা প্ৰাৰ্থনা কৰিছে। মাধৱদেৱৰ দৃষ্টিত ঈশ্বৰ প্ৰভু সৰ্ব্বব্যাপ্তময় আৰু সৰ্ব্বকৰ্ত্তাময়। তোমাৰ কৃপাবিনে এই দাসৰ পৰিত্ৰাণ নাই, সেয়ে তুমি কৃপা কৰি নিজ ভৃত্য হেন মানি আমাক চৰণ ছত্ৰৰ ছায়াত আশ্ৰয় দিবা ---

"তুমি মোৰ অন্তৰ্য্যামী তযু ভৃত্য ভৈলো আমি
জানি কৃপা কৰা হৃষীকেশ।
দান্তে তৃণ তুলি লওঁ যিমতে সেৱাত ৰওঁ
দিয়া মোক সেহি উপদেশ।। ১৩০।।

এই ঘোষাৰ মাজেদি মহাপুৰুষজনাৰ স্বতঃস্ফূৰ্ত কাতৰ প্ৰাৰ্থনাৰ বিননি অনৰণিত হৈছে। মাধৱদেৱে দাসৰোদাস হিচাপে অহংকাৰ শূন্য হৈ থাকি তেওঁৰ সেৱাত ব্ৰতী থাকিবলৈ সানুনয় প্ৰাৰ্থনা কৰিছে। অন্তৰ্য্যামী হৃষীকেশক বিনম্ৰভাৱে অনুৰোধ কৰিছে যাতে তেওঁৰ সমস্ত চিত্ত মাধৱৰ সেৱাৰসত আপ্লুত হৈ থাকে। এনে উপদেশ কামনা কৰিছে যাতে তেওঁ সদায় নিৰঞ্জন নিৰাকাৰ প্ৰভুৰ দাস হৈ কৰ্ম্ম কৰিব পাৰে।

নাম-ঘোষাত ঈশ্বৰৰ নাম মহিমা প্ৰকাশ কৰাৰ লগে লগে মাধৱদেৱৰ দৈন্যতা

স্পষ্ট ৰূপত প্ৰকাশ কৰি ঘোষা শাস্ত্ৰখনক ভকতৰ প্ৰাণ স্পন্দন স্বৰূপ কৰি থৈ গৈছে।

'মোৰ সম পাপী লোক নাহিকে ই তিনি লোক্
তুমিসম নাহি পাপহাৰী।
ইজানি গোবিন্দ মোক যেন যুৰাই কৰিয়োক
তুৰা পাৰে কৰোহোঁ গোহাৰি।।' ১৩৬।।

দাস্যভাৱেৰে সিক্ত ঘোষাসমূহৰ ভিতৰত এই ঘোষা ফাঁকি উত্তম যেন অনুমান হয়। দাস্য ভাৱৰ সম্বন্ধ উক্ত ঘোষাত মনোমোহা হৈ উঠিছে। তুমি প্ৰভু মই ভৃত্য এয়েই দাস্য ভাৱৰ ভকতৰ কামনা। মাধৱদেৱে সম্পূৰ্ণ ৰূপত ভগৱন্তৰ ওচৰত আত্মনিবেদন কৰিছে। পাপহাৰী মঙ্গলময়ক প্ৰাৰ্থনা জনাইছে মোতকৈ এই জগতত আৰু পাপী নাই, মই মহাপাপী, তুমি পাপহাৰী, তুমি মোক যি বুলি ভাৱা বা যি কৰিলে মোৰ মঙ্গল হয় বুলি ভাৱা তাকে কৰা। মই সকলোখিনি তোমাৰ ওচৰত আত্মসমৰ্পণ কৰিলো। এনে আত্মলঘিমাসূচক ভাৱ প্ৰকাশ কৰা নিস্পৃহ ভক্ত পোৱাটো সঁচাকৈয়ে কঠিন---

'সহস্ৰ সহস্ৰ আতি অপৰাধ দিনে ৰাতি
কৰো মই মহামূঢ়জন।
আমি প্ৰভু তযুদাস আকে মানি জগ ব
ক্ষমিয়োক শ্ৰীমধমুসূদন।।'১৩৭।।

আত্মলঘিমাৰ সুন্দৰ প্ৰকাশ ঘটিছে ঘোষা ফাকিত। দাস্য ভাৱৰ শ্ৰেষ্ঠতম ভাৱৰ নিবেদন কৰিছে। মই মূঢ়জনে দিনে ৰাতিয়ে সহস্ৰ সহস্ৰ অপৰাধ কৰিছো, এনে অপৰাধৰ সীমা সংখ্যা নাই। তুমি মধুসূদন ৰূপে সমস্ত জগতে ব্যাপী আছা, মই দাস হিচাপে তোমাৰ চৰণত প্ৰাৰ্থনা কৰিছো। মোক দাস বুলি ভাবি সমস্ত অপৰাধৰ পৰা মুক্ত কৰিবা। এয়া দাস্যভাৱাপন্ন মহান কৰি মাধৱদেৱৰ সু-দৃঢ় ধাৰণা-

'নজানোহো আবাহন নজানোহো বিসৰ্জ্জন
পূজা মন্ত্ৰ নজানো কিঞ্চিত।
এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণৰ
মোৰ গতি সাধিবে উচিত।।' ১৩৯।।

প্ৰাৰ্থনাসূচক ঘোষা চৰণত মহাপুৰুষজনাই দাস্য ভাৱক চূড়ান্ত ৰূপত প্ৰকাশ কৰিছে। আমি তোমাক আহ্বান কৰিব নাজানো বা বিসৰ্জ্জন দিবও নাজানো,তথাপি আমি তোমাৰ চৰণত সেৱা কৰিবৰ আশা কৰিছো দাস বা ভৃত্য ৰূপেহে। সেয়ে





তুমি যিগতি কৰিলে উচিত হয় বুলি ভাৱা তাকে কৰিবা, তাত মোৰ কোনো আক্ষেপ নাই ----

'মঞ্ঞ দুৰাচাৰ কেৰলে তোমাৰ
অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হৰি লৈয়ো দাস কৰি
পশিলো হেৰা শৰণ।।' ১৮৩।।

শৰণৰ ঘোষাজনাত তাৰাই নিজকে ভগৱন্তৰ ওচৰত অধম আৰু অপৰাধী বুলি স্বীকাৰ কৰিছে। হে হৰি তোমাৰ চৰণত শৰণাপন্ন হৈছো, মোৰ দোষ মাৰ্জনা কৰি মোক তোমাৰ ভৃত্য কৰি লোৱা। গুৰু ভক্ত মাধৱদেৱে ইয়াত নিজৰ স্বতন্ত্ৰতা ঈশ্বৰ কৃষ্ণৰ চৰণত সমৰ্পণ কৰি সম্পূৰ্ণ ভাৱে তেওঁৰ দ্বাৰা পৰিচালিত হবলৈ হৃদয় ভৰা কাৰুণ্যময় প্ৰাৰ্থনা জনাইছে। ইয়াৰ দ্বাৰা সংসাৰৰ মনুষ্য জাতিটোক অবিশ্ৰাম ভাৱে দাস হৈ ঈশ্বৰক সেৱা কৰিবলৈ পথ দেখুৱাই দিছে। কাৰণ সংসাৰ নিকাৰৰ পৰা তেওঁৰ বাহিৰে পৰিত্ৰাণ কৰা অন্য শক্তি পৃথিৱীত আৰু কোনো নাই।

'নমো কৃষ্ণ দেৱ পাপী বুলি কেৱ
মোক মোৰ নোবোলয়।
পতিত পাৱন জানিয়া তোমাত
আপুনি গৈলো বিক্ৰয়।।' ১৯১।।

নমস্কাৰ ভাগৰ উক্ত ঘোষণাৰ মাজেৰেও আত্মলঘিমা প্ৰাঞ্জল ৰূপত প্ৰকাশ পাইছে। জীৱ আৰু জীৱাত্মাৰ সম্পৰ্ক মধুৰ হৈ উঠিছে। 'শৰণ' ভক্তিত দাস্য ভাৱ উৎকৃষ্ট হৈছে কাৰণ জীৱই নিজক জগতৰ সকলোতকৈ অপৰাধী বুলি ভাৱি সৰ্ব্ব পাপৰ,সৰ্ব্ব অপৰাধৰ ত্ৰাণকৰ্ত্তা পৰমেশ্বৰৰ চৰণত আত্মসমৰ্পণ কৰাই দাস্য ভক্তি। ইয়াতো ইন্দ্ৰিয়জনিত সকলো কৰ্মকে পাপ কাৰ্য্য বুলি, নিজে কৰা অপৰাধ বুলি পৰমেশ্বৰৰ ওচৰত মূৰ দোঁৱাই দৈন্যভাৱ স্বীকাৰ কৰি মাধৱদেৱৰ আত্মলঘিমাৰে পৰিচয় দিছে। কৰুণাময়ৰ ওচৰত সমস্ত বিক্ৰী কৰিব পৰাটো দাস্যৰসিক মাধৱৰ মহা প্ৰেমানন্দৰ কথা----

'এভৱ সাগৰে মজি নাৰায়ণ
আতুৰ ভৈলো অপাৰ।
দীন অনাথক তুমি কৃপাময়
চৰণে কৰা উদ্ধাৰ।।' ৩১৭।।

উক্ত ঘোষাই শৰণৰ মহাভাৱ প্ৰকাশ কৰিছে। নিজকে দীনহীন অনাথ বুলি

ভাৰি সদানন্দ ভগৱন্তক দীনবন্ধু নাথ বা গৰাকী বুলি সৰ্ব্ব সময় চিন্তা কৰিব পৰাটো দাস্য ভক্তিৰ উচ্চতম চিন্তা ধাৰা বা শৰণৰ মূল চিন্তা কৰা। ভৱ সংসাৰত পৰি মই আতুৰ হৈ পৰিছো। অপাৰ সংসাৰত কেনিও পাৰ নাপাই তোমাৰ চৰণতে শৰণে পশিছো। ভক্তক ৰক্ষা কৰাটো তাতে (আশ্ৰয়হীজনক) তোমাৰ উদাৰ স্বভাৱ। নিশ্চয় মোক সংসাৰ সমুদ্ৰৰ পৰা উদ্ধাৰ কৰিবা এয়ে মোৰ দৃঢ় বিশ্বাস----

'কোটি কোটি ঘোৰ অপৰাধ নিতে
কৰো মই দুৰাশয়।
হে হৰি মোক দাস হেন মানি
ক্ষমিয়োক কৃপাময়।।' ৩১৭।।

ইয়াত ঈশ্বৰ আৰু ভক্তৰ সম্বন্ধ অতি ওচৰ চপা হৈছে। শৰণৰ প্ৰাৰ্থনা ভাগ স্পষ্ট ভাৱে ফুটি উঠিছে। নিজক সদায় দোষী, অপৰাধী, পাপী, অনাচাৰী, আদি দৈন্যসূচক ভাবেৰে পৰমেশ্বৰৰ চৰণত সেৱা অৰ্পণ কৰি থকাই শৰণ ভক্তিৰ বিশেষ তাৎপৰ্য। ইয়াতো মাধৱ মহাপুৰুষজনাই কৃপাময়ক সমস্ত অপৰাধৰ পৰা অব্যাহতি দিবলৈ কাতৰ প্ৰাৰ্থনা জনাইছে আৰু সংসাৰৰ পতিত জীৱসমূহক প্ৰাৰ্থনা কৰিবলৈ দেখুৱাই থৈ গৈছে----

'কতনো অমোঘ অপৰাধ হৰি
কৰিয়া আছো প্ৰচুৰ।
বুদ্ধিত থাকিয়া নেদাহা সুবুদ্ধি
কৃপাৰ হুয়া ঠাকুৰ।।' ৩৭৬।।

দৈনন্দিন জীৱনত আমি জানি বা নাজানি অনেক সময়ত অনেক অপৰাধ কৰিছো আৰু তাৰ বাবে সংসাৰ চক্ৰত অনেক যাতনা ভুগিছোঁ। এই দুখ যাতনাৰ পৰা ৰক্ষা পাবলৈ মাধৱ মহাপুৰুষে অবিশ্ৰাম নাম লবলৈ জীৱসমূহক সকিয়াই দিছে। উপৰি উক্ত ঘোষা ফাঁকিত একান্ত দাস্য ভক্তিৰ অভিব্যক্তি ঘটিছে। নিবেদন ঘোষা চৰণে প্ৰাৰ্থনা ঘোষাসমূহৰ দ্বাৰেই দৈন্য ভাৱ প্ৰকাশ কৰিছে। সদা সৰ্ব্বদায় নিজকে হেয় কৰি নাৰাখিলে প্ৰকৃত শৰণ ভক্তিৰ সুখ পোৱা নাযায়। হৃদিগত ঈশ্বৰক প্ৰাৰ্থনা কৰিলে, বা ঈশ্বৰ প্ৰসন্ন হলে তেওঁ জীৱক সুবুদ্ধি প্ৰদান কৰে। মাধৱ মহাপুৰুষে তাকে কামনা কৰি বিনম্ৰ ভাৱে আপোনজনক প্ৰাৰ্থনা কৰিছে--

হে কৃষ্ণ তয়ু পাৱে পশিলো শৰণ।
মই অনাথৰ নাথ তুমি নাৰায়ণ।। ৪০৬।।

ইয়াতো শৰণীয়া ভক্তৰ আত্মলঘিমা প্ৰকাশ পাইছে। নিজকে অনাথ বা আশ্ৰয়হীন





বুলি নাৰায়ণকেই একমাত্ৰ তেওঁৰ নাথ বা গৰাকী বুলি স্বীকাৰ কৰি তেওঁৰ চৰণতে আশ্ৰয় গ্ৰহণ কৰিছে। প্ৰভু আৰু ভৃত্যৰ সম্বন্ধ ঘোষাজনাই মনোময় ৰূপত প্ৰকাশ কৰি তুলিছে----

হে কৃষ্ণ কৃষ্ণ নাথ কৰা পৰিত্ৰাণ।
তনুনাৰ বুৰি আসে নাহিকে গিয়ান।। ৫৪০।।
নাম ধন দিয়া মোক কিনা বনমালী।
দাস পাই নলৰা কমন ঠাকুৰালি।। ৫৪১।।
নিজ দাস কৰি হৰি মোক কিনা কিনা।
আনধন নলাগয় নামধন বিনা।। ৫৪২।।

উক্ত ঘোষা কেইফাঁকিত মাধৱদেৱৰ হৃদয়ৰ দাস্য ভাৱ সুন্দৰভাৱে পৰিস্ফুট হৈ উঠিছে। তাৰাই ভগৱন্তৰ চৰণত একান্ত ভাৱে আজীৱন দাস হৈ থাকি ঈশ্বৰৰ নাম লৈ থাকিবলৈ আশা কৰিছে আৰু জগতৰ ভক্তগণক দাসৰূপে থাকি ঈশ্বৰৰ নামৰ ভিক্ষাৰী হৈ থাকিবলৈ আৰ্হি দেখুৱাইছে। ভকতজনৰ ভগৱন্তৰ ওচৰত নিজকে বিক্ৰী কৰাই দাস্য ভক্তিৰ শ্ৰেষ্ঠতম লক্ষণ। নামেই ভকতৰ অমূল্য সম্পদ। সেয়ে গুৰু ভক্ত মাধৱদেৱে কৈছে----

'হৰিনামে হৰিনামে হৰিনামে গতি।
হৰি নামে ভকতৰ কেৱলে ভকতি।।

আকৌ -

নোহো জানা আমি চাৰি জাতি চাৰিয়ো আশ্ৰমী নোহো আতি
নোহো ধৰ্ম্মশীল দানব্ৰত তীৰ্থগামী।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপীভৰ্ত্তা পদকমলৰ
দাসৰো দাসৰ তান দাসভৈলো আমি।। ৬৭১।।

উক্ত ঘোষাজনাত দাস্য ভক্তিৰ চৰম পৰ্য্যায়ৰ ভাৱ প্ৰকাশ কৰিছে। তথা কথিত চাৰিটা জাতি আৰু চাৰিখন আশ্ৰমৰ কোনো এটা জাতিৰ আৰু কোনো এখন আশ্ৰমৰ গৰাকী বুলি মানৱ জাতিক ধৰা নাই। মাত্ৰ বিনয় ভাৱে প্ৰাৰ্থনা জনাইছে, মানৱে নিৰহঙ্কাৰী হৈ আনন্দময়জনৰ ওচৰত সদা সৰ্ব্বদা দাসৰো দাস হৈ হৰিৰ নাম জপ কৰি থাকিব লাগে। ভৃত্যৰো ভৃত্য তান ভৃত্য-এনেভাৱ কৰি চলিব পৰাটো দাস্য ভাৱৰ উত্তম পন্থা।

কিমতে ভকতি কৰিবো তোহ্মাত হৰি এ
মঞিঁ মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম।

মহা বলৱন্ত দুৰ্ব্বাসনা ঘোৰ হৰি এ;
আমাৰ মনক তেজিয়া দূৰ নযায় ৰাম ৰাম।। ৭৯৩।।

কাকুতি ঘোষা চৰণত ঈশ্বৰক কেনেকৈ ভকতি কৰিব, মহামূঢ়মতি মাধৱে ভকতিৰ একো উপায় বিচাৰি পোৱা নাই। কু-বাসনাসমূহে মনক অসৎ কৰ্ম্মৰ প্ৰতি আসক্ত কৰি ৰাখে। গতিকে পৰমপুৰুষজনৰ কৃপা নাপালে জীৱই পৰমপদ জনক সেৱা ভক্তি কৰিব নোৱাৰে --- এনেভাৱ প্ৰকাশ কৰাটোও দাস্য ভাৱৰ চৰম পৰ্য্যায়।

তোমাৰ সেৱক ভৈলো নাৰায়ণ এ,
নিশ্চয় তোমাৰ দিবাৰ লাগে প্ৰসাদ।
নিজ ভৃত্য কৰি লৈয়ো গোপী নাথ এ
তযু কৃপা যাৰ মিলয় কোন প্ৰমাদ।। ৮০৩।।

ঘোষাজনাৰ ভাৱ অতি ৰহস্যজনক। ভক্তৰ ভগৱানৰ ওচৰত কি সুন্দৰ দাবী ভাবিলে আচৰিত লাগে। ইয়াত ভক্তজনে ঈশ্বৰৰ ওচৰত আজীৱন ভৃত্য হৈ থাকিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। তেওঁৰ অৰ্থাৎ ঈশ্বৰৰ চৰণৰ দাস হৈ ঈশ্বৰৰ নাম লোৱাৰ বাহিৰে অন্য কোনো কামনা নাই।

হে দায়াশীল দেৱ দামোদৰ এ,
তোমাৰ চৰণে বোলোহো কাকুতি বাণী।
মোক নিজ দাস কৰি লৈলে হৰি এ,।।
কহিয়ো কৃপাল তোমাৰ কি হয় হানি ।। ৮০৪ ।।

ইয়াত ভগৱন্ত আৰু ভকতৰ প্ৰেমৰ সম্বন্ধ নিখুত হৈছে। দাস্য ভাৱৰ চূড়ান্ত পৰ্য্যায় প্ৰকাশ পাইছে। একান্ত ভক্তই আপোনাজনৰ ওচৰত সদায় ভৃত্য হৈ থাকিবলৈ কৃপা ভিক্ষা কৰে, ইয়াতো মাধৱ মহাপুৰুষে বিনা দ্বিধাই ভগৱানৰ ওচৰত দাবী উত্থাপন কৰিছে যে তেওঁৰ আজীৱন ঈশ্বৰৰ কৃতাৰ্থ কৰিবলৈ ঈশ্বৰৰ কৃত দাস কৰি ৰাখক।

নাম-ঘোষা গ্ৰন্থখনত 'কাকুতি' নামেৰে নামকৰণ কৰি লিখা আটাইকেইজনা ঘোষাতে মাধৱদেৱৰ দৈন্যভাৱ বিকশিত হৈ উঠিছে। ৭৯৩ নং ঘোষাৰ পৰা ৮১৭ নং ঘোষালৈ বিশেষ মন কৰিলে ইয়াৰ ৰহস্য ধৰা পৰে। ইয়াত মাধৱদেৱে নিজে জীৱৰূপে জীৱসমূহৰ হৈ নানা স্তুতি, কাকুতি, কাৰুণ্য, প্ৰাৰ্থনাৰ দ্বাৰা নিজৰ অজ্ঞতা দৈন্যতা প্ৰকাশ কৰি ভগৱন্তক ভক্তি নিবেদন কৰা দেখা গৈছে। মাধৱ মহাপুৰুষে জীৱৰ প্ৰতীক স্বৰূপ হৈ সমস্ত জীৱই গতি পাবলৈ প্ৰাৰ্থনা কৰিবলৈ





পথ দেখুৱাই থৈ গৈছে। সেয়ে তাৰাই ঘোষা শাস্ত্ৰত মুক্ত কণ্ঠে কব পাৰিছে----

'মই অজ্ঞানীৰ যতেক অজ্ঞান, হৰি হৰি হৰি হৰি এ,
কথা কহি কোনে সীমা কৰিবেক তাক।
ইটো মোৰ ঘোৰ দোষ পৰিহৰি, হৰি হৰি হৰি হৰি এ
কৃপাময় কৃষ্ণ চৰণে ৰাখা আমাক। ৮১৬ ।।

মাধৱদেৱৰ মতে তেওঁৰ অজ্ঞানতা কোনেও কৈ অন্ত কৰিব নোৱাৰা বিধৰ। এই অজ্ঞানতা দূৰ কৰিব একমাত্ৰ কৃপাময় কৃষ্ণইহে। সেয়ে তেওঁ কৃষ্ণৰ কৃপা বিচাৰিছে যাতে তেওৰ অজ্ঞানতা নাশ কৰি কৃষ্ণৰ চৰণ তলত দাস কৰি ৰাখে। ইয়াৰ মাজেদি দাস্য ভাৱৰ বিমূৰ্ত্ত প্ৰকাশ ঘটিছে।

অনাসক্ত মাধৱ মহাপুৰুষৰ আত্মলঘিমা বৰ্ণনা কৰি শেষ কৰিব নোৱাৰা বিধৰ। গোটেই ঘোষা শাস্ত্ৰখনত আগৰ পৰা গুৰিলৈকে প্ৰায়বোৰ ঘোষাৰ মাজেৰে দাস্যভাৱৰ বোঁৱতী সুতি ফল্গু নদীৰ দৰে বোৱাই ৰাখিছে। মহাপুৰুষজনাৰ এটাই মাত্ৰ কামনা,ভৃত্য ৰূপে আজীৱন ভগৱন্তৰ চৰণৰ দাস হৈ তেওঁৰ নাম অহৰ্নিশে স্মৰণ কৰি থাকিব পাৰে যেন----

এবে কৃপাময় দিয়োক শৰণ।
দোষ মৰিষণ তোমাৰ চৰণ।।
ইবাৰ ঈশ্বৰ নছাড়িবা মোক।
মোৰ মন মজি তোমাতে ৰহোক।। ৮৮৬।।

ইয়াত মাধৱদেৱৰ অন্তৰৰ খেদ ভাৱে চূড়ান্ত পৰ্য্যায়ত ধৰা দিছে, জীৱই কোটি কোটি কল্প দুখঃময় সংসাৰলৈ অহা যোৱা কৰি আছে। কোনোবাৰেই গোবিন্দৰ চৰণত শৰণ গ্ৰহণ কৰিব পৰা হোৱা নাই। এইবাৰ অৰ্থাৎ মনুষ্য ৰূপে জন্ম লৈ তেওঁকে আশ্ৰয় কৰিছে, তেওঁৰ ওচৰত কাতৰ ভাৱে প্ৰাৰ্থনা জনাই শৰণাপন্ন হৈছে, যাতে শৰণাগতজনক ত্যাগ নকৰে। এনেভাৱ আত্মনিবেদনৰ উত্তম অৱস্থা।

মুঠৰ ওপৰত মহাপুৰুষ মাধৱদেৱে নাম-ঘোষা ভাগিতে জীৱনৰ সকলো অপৰাধৰ পৰিত্ৰাণ বিচাৰি পৰমভৃত্য ৰূপে একাগ্ৰচিত্তে ভগৱন্তৰ ওচৰত আত্মসমৰ্পণ কৰিছে। ভগৱন্তৰ চৰণ ছত্ৰ ছাঁয়া কামনা কৰা মাধৱদেৱে দাস্য ভক্তিৰ মাজেদি ঈশ্বৰৰ লগত নিবিড় সম্পৰ্ক গঢ়ি তুলিছে। প্ৰীতি ভৰা সম্পৰ্কৰ ঈশ্বৰৰ কেতিয়াবা পিতা-পুত্ৰৰ, ভৃত্য-প্ৰভুৰ আৰু কেতিয়াবা গুৰু-শিষ্যৰ, বন্ধু-বান্ধৱৰ দৰে ঈশ্বৰৰ কাষ চাপি গৈছে।

এনেবোৰ মধুৰ সম্পৰ্কৰ মাজেদি পৰম সত্যৰ সন্ধান পাইছে আৰু উদাত্ত

কণ্ঠে ঘোষণা কৰিছে 'জানিবা বিষ্ণুসে সমস্তে জগত সাৰ'। মাধৱদেৱে বিশ্বৰ মানৱলৈ ঘোষা শাস্ত্ৰৰ মাজেৰে আকুল আহ্বান জনাই উপদেশ দিছে এনেদৰে--

'এ ভাৱক ভাই ভজ ভগৱন্ত ভক্তি ভাৱে।'
ভগৱন্ত ভজিয়া পৰম গতি পাৱে।।' ৯৯৮।।

নাম-ঘোষাত প্ৰকাশিত হোৱা দাস্যভাৱ আৰু ঈশ্বৰ সেৱাৰ পদ্ধতি বিশ্বৰ সমগ্ৰ মানৱ জাতিৰে কৰণীয় আৰু পালনীয় হলে মাধৱ মহাপুৰুষৰ শ্ৰম সাৰ্থক হব আৰু বিশ্বব্ৰহ্মাণ্ডখন আধ্যাত্মিক দিশত আগবাঢ়ি যাব বুলি আমাৰ দৃঢ় বিশ্বাস। শেষত ঘোষা শাস্ত্ৰখনক শ্ৰদ্ধা জনাই আমাৰ হব পৰা অপৰাধৰ ক্ষমা বিচাৰি মাধৱদেৱৰ মনৰ কথাৰেই সামৰণি মাৰিব খুজিছো----

কিমতে ভকতি কৰিবো তোহ্মাত হৰি এ
মঞিঁ মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম।
মহাবলৱন্ত দুৰ্ব্বসনা ঘোৰ হৰি এ
আমাৰ মনক তেজিয়া দূৰ নযায় ৰাম ৰাম।।'৭৯৩।।

---

**লেখকৰ পৰিচয় ঃ**
শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া, অধ্যাপক, অসমীয়া বিভাগ
মৰিগাঁও মহাবিদ্যালয়।



# নাম-ঘোষা ঃ এটি অৱলোকন

**ড° কৰবী ডেকা হাজৰিকা**

মহাপুৰুষ মাধৱদেৱৰ মহান সৃষ্টি 'নাম-ঘোষাৰ দাৰ্শনিক ভিত্তি বেদান্ত। 'সমস্ত বেদান্ত সাৰ' ভাগৱতৰ সত্য তত্ত্বকে 'নাম-ঘোষা'ই প্ৰকাশ কৰিছে। 'নামঘোষা'ৰ এহেজাৰ ঘোষাৰ ভিতৰত চাৰিশমানৰ মূল হিচাপে বৈষ্ণৱ গ্ৰন্থৰ সংস্কৃত শ্লোক পোৱা গ'লেও কোনো এখন নিৰ্দিষ্ট গ্ৰন্থক 'নাম-ঘোষা'ৰ মূল বুলি ধৰিব নোৱাৰি। 'নাম-ঘোষা'ৰ মূল হৈছে মাধৱদেৱৰ হৃদয়ৰ মাজত। তেওঁৰ অনুভূতি আৰু প্ৰতিভাৰ পৰশত মূলৰ প্ৰতিটো শ্লোকেই যেন নৱজন্ম লাভ কৰিছে। তদুপৰি সুষম পটল বিভাজনৰ যোগেদি বিভিন্ন শ্লোকক সুসংশ্লিষ্ট কৰা হৈছে। 'ভক্তি-তত্ত্ব নিৰূপক গ্ৰন্থ হিচাপে নামঘোষা নিৰূপম। অৱতাৰবাদ, প্ৰসাদ (পুষ্টি বা পোষণ) বা অনুগ্ৰহবাদ, মায়া তৰণৰ উপায় স্বৰূপে সকলো ধৰ্মৰ ভিতৰত জ্ঞান-কৰ্মৰ ওপৰতো ভক্তিৰ শ্ৰেষ্ঠতা, ভক্তিৰ পুৰুষোত্তম প্ৰেম স্বৰূপতা; ভক্তিৰ অহৈতুকিতা বা অনিমিত্ততা, ভক্তিৰ শ্ৰৱণ কীৰ্ত্তন-প্ৰাধান্যতা; সৎ সঙ্গ মাহাত্ম্য; দাস্য, জড়ৰূপী অন্য দেৱসেৱা নিবাৰণ পূৰ্ব্বক চৈতন্যস্বৰূপ একদেৱ আৰু এক নামৰ বিশ্বাসেৰে একশৰণবাদ-মহাপুৰুষীয়া ধৰ্মৰ (অসমৰ ভক্তি সম্প্ৰদায়) এই মূল সূত্ৰবোৰ 'নাম-ঘোষা'ৰ নানা ঠাইত নানাভাৱে ব্যাখ্যা কৰা হৈছে।'

'নাম-ঘোষা'ৰ প্ৰথম ভজনত সেইজন যদুপতি ভগৱন্তৰ বন্দনা কৰা হৈছে যিজন 'নিজ ভকতৰ বশ্য'। দশ অৱতাৰ ধাৰণ কৰোঁতা এই ভগৱন্ত মহেশ্বৰ। তেওঁ বাসুদেৱ আৰু নিৰাকাৰ যদিও সাকাৰ ৰূপতো তেওঁৰ অলেখ নাম। তেওঁ পৰমানন্দময়, অনাদি আৰু অনন্ত। চৈধ্যসাক্ষীৰ ওপৰত তেওঁ সৰ্বসাক্ষী, গতিকে সমস্তৰে বুদ্ধি--চিত্তৰ স্ৰষ্টা, অন্তৰ্যামী ৰূপে তেওঁ জীৱৰ নিয়ামক। চৰাচৰৰ আত্মা আৰু মূল এই ভগৱন্ত পৰম ব্ৰহ্ম; প্ৰতি জীৱ ব্ৰহ্মৰ অংশ। কাৰণৰো কাৰণ ব্ৰহ্মই হৈছে জড় জগতৰ একমাত্ৰ চৈতন্য শক্তি। 'ব্ৰহ্মা আদি কৰি যত জীৱ মায়া শয্যা মাজে' ঘুমতি গৈ থকাৰ পৰা ব্ৰহ্মই কেৱল জগাব পাৰে।

প্ৰকৃতিৰ দুই শক্তি আৱৰণ আৰু বিক্ষেপ। আৱৰণেৰে অবিদ্যা নাম লৈ

প্ৰকৃতিয়ে জীৱৰ মনত অনাত্মা দেহত আত্মবুদ্ধি ঘটায়। বিক্ষেপ শক্তিৰে সেয়ে হ'ল পাৰমেশ্বৰী মায়া। পুৰুষো সেইদৰে দুবিধ--প্ৰকৃতিৰ অধীন জীৱ আৰু প্ৰকৃতিক বশ কৰি সংসাৰ সৃজন কৰোঁতা ঈশ্বৰ। ব্ৰহ্ম প্ৰকৃতি আৰু পুৰুষ দুইত কৰি শ্ৰেষ্ঠ-

'প্ৰকৃতি পুৰুষ দুইত কৰি পৰ
দুইহানো নিজ কাৰণ।'

গতিকেই তেওঁ পৰমেশ্বৰ, পৰম ভজনীয়। তেওঁ অনাদি, অনন্ত, অচ্যুত, নিৰাকাৰ নিৰঞ্জন, নিৰ্বিকাৰ আৰু নিৰাময়। তেওঁ নিৰ্গুণ কিন্তু সময় বিশেষে গুণযুক্ত,-

'তুমি প্ৰভু নিৰ্গুণ, গুণৰ সীমা নাই।
নিৰ্গুণ হোৱয় জীৱ সেহি গুণ গাই।।'

'নাম-ঘোষা'ত এই নিৰ্গুণৰ নিৰাকাৰ সাকাৰ উভয় ৰূপৰে অসংখ্য নামৰ যি অন্বয় আছে সেয়া বিশেষ বৈশিষ্ট্যপূৰ্ণ। ভক্ত কবিৰ তত্ত্বদৰ্শী মনে প্ৰতিটো নামৰে অভিনৱ তাৎপৰ্য্য লোকচক্ষুৰ আগত দাঙি ধৰিছে। ভগৱান কৃষ্ণ-বনমালী। তেওঁ গোপবালক-কণ্ঠত বনমালা। এই বনমালাৰ তাৎপৰ্যও 'নামঘোষা'ৰ মতে গভীৰ অৰ্থবহ,- 'পঞ্চভূতে পঞ্চবৰ্ণ' এই মালা ধাৰণ কৰা বাবেই জগদীশ্বৰৰ নাম বনমালী। সেইদৰে----

'চৈতন্য শক্তিৰ দ্বাৰে ইটো জড় জগতক
ৰমাৱন্ত কৰ্ম্ম অনুৰূপে।
এতেকেসে ঈশ্বৰৰ পৰম প্ৰসিদ্ধ ৰাম
নাম আক জানিবা স্বৰূপে।।' ১৫৩।।

ভগৱন্তৰ দশ অৱতাৰৰ প্ৰতিটো নামৰে ব্যাখ্য ইয়াত সৰ্বসাধাৰণৰ বাবে অভিনৱ। বামন নামৰ অন্বয়ত কোৱা হৈছে-----

'ঈশ্বৰৰ পাদপদ্ম ভজি শুদ্ধ চিত্ত হুয়া
অধমো তেজয় বামানয়।
এহি হেতুতেসে থাকি নিৰন্তৰে মহাজনে
ঈশ্বৰক বামন বোলয়।।' ১৪৭।।

ছবি আৰু দুলড়ী-ছন্দৰ নামান্বয় খণ্ড 'নাম-ঘোষা'ৰ অন্যতম সম্পদ। অৰ্থৰ গভীৰতা আৰু প্ৰকাশভংগীৰ স্বচ্ছন্দতাৰ সংমিশ্ৰণত সদানন্দ পুৰোত্তমৰ প্ৰতিটো ৰূপেই ভক্তৰ মনত সৰলভাৱে ধৰা দিয়েহি।

একদেৱ সেৱা 'নাম-ঘোষা'ৰ প্ৰধান বক্তব্য। যিহেতু কৃষ্ণহে একমাত্ৰ





দুখহাৰী দেৱ, গতিকেই 'কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ'। 'ঈশ্বৰ-নিৰ্ণয়' খণ্ডত সৃষ্টি-স্থিতি-অন্তকাৰী দেৱৰূপে কৃষ্ণ বা বিষ্ণুক সমস্ত জগতৰ সাৰ বুলি নিৰ্ণয় কৰা হৈছে। 'নাম-ঘোষা'ৰ মতে জড় চৰাচৰৰ মাজত কৃষ্ণ একমাত্ৰ চৈতন্য শক্তি।

গতিকে ----

'চৈতন্য কৃষ্ণক এৰি জড়ক ভজিয়া মৰে
কিনো লোক অধম মুগুধ্।'

সাধুসকলে জানে যে কৃষ্ণ-ভক্তিয়েই মুক্তিৰ দ্বাৰ। অন্যদেৱ আৰু পিতৃসকলে সময় মতে পূজা নাপালে বিঘিনি ঘটায়। কিন্তু শান্তমূৰ্ত্তি কৃষ্ণ সদায়ে কৃপালু আৰু ক্ষমাশীল। গতিকে জ্ঞানীজনে এই সুন্দৰ আৰু আনন্দময় ভগৱান কৃষ্ণকে নিজৰ উপাস্য দেৱতা বুলি মানি লয়। যিসকলে অজ্ঞানবশতঃ কৃষ্ণসেৱাৰ পৰা আঁতৰি থাকে, হাজাৰ তপ-জপেও তেওঁলোকক পুণ্য লাভ কৰাত সক্ষম নকৰে।

অব্যভিচাৰী ভক্তিৰে কৃষ্ণৰ চৰণত শৰণ লোৱাই জীৱমাত্ৰৰে লক্ষ্য হোৱা উচিত।

''কৃষ্ণকেসে মাত্ৰ ভজে যিটো জনে
অব্যভিচাৰী ভকতি।
তিনিগুণ অতি ক্ৰমি ব্ৰহ্মৰূপ
পাৱে সিটো মহামতি।।' ২১১।।

'নাম-ঘোষা'ত দাস্য ভক্তিৰ সুৰ ধ্বনিত হৈছে। মাধৱদেৱে তেওঁৰ ইষ্টদেৱক সখা আৰু সুহৃদ বুলি মানিলেও সেই পৰম পুৰুষৰ চৰণত দাসৰূপেহে আত্মসমৰ্পণ কৰিছে। এই দাস্যভাৱ বৰ সুন্দৰকৈ প্ৰকাশ পাইছে এই ঘোষাটিত ----

'নোহো জানা আমি চাৰি জাতি চাৰিয়ো আশ্ৰমী নোহো আতি
নোহো ধৰ্ম্মশীল দান ব্ৰত তীৰ্থগামী।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপীভৰ্ত্তা পদকমলৰ
দাসৰো দাসৰ তান দাস ভৈলো আমি।।' ৬৭০।।

কৃষ্ণ-কিঙ্কৰৰ দাস হ'ব পৰাটোও মহাভাগ্য, তাৰ পুণ্যফল তীৰ্থব্ৰতকৈয়ো বেছি। কৃষ্ণৰ চৰণত আশ্ৰয় পালেই জীৱৰ বন্ধন গুচে। গতিকে 'নাম-ঘোষা'ৰ ছত্ৰে ছত্ৰে কৃষ্ণৰ দাসৰূপে তেওঁৰ পদসেৱন কৰাৰ সৌভাগ্য বিচাৰি মাধৱদেৱে কাকুতি কৰিছে। এই কাকুতিৰ সুৰ অতিশয় কৰুণ আৰু হৃদয় পৰশা---

'দান্তে তৃণ তুলি লএঞোঁ যিমতে সেৱাত ৰএঞোঁ
দিয়া মোক সেহি উপদেশ।। ১৩০।।

তেওঁ ভৃত্যৰূপে একান্ত আত্মসমৰ্পণ কৰিছে। লগে লগে তেওঁৰ নাথ তথা স্বামীৰ পৰা কামনা কৰিছে চৰণ-ছত্ৰৰ ছায়া। তেওঁৰ ভক্তি স্বামীৰ প্ৰতি দাসৰ মনোভাৱ হ'লেও তাত আছে এক সহজ প্ৰীতিৰ সম্পৰ্ক। সেয়ে ঐকান্তিক ভক্তিত আউল লগাৰ আশংকাত তেওঁ অনুযোগ কৰি ক'ব পাৰে ----

'বুদ্ধিত থাকিয়া নেদেহা সুবুদ্ধি
কৃপাৰ হুয়া ঠাকুৰ।' ৩৭৬।।

তেওঁৰ দাস্যভক্তিৰ চৰাচৰ তুচ্ছ কৰি ইষ্টদেৱৰ চৰণ-ছায়াতহে একমাত্ৰ সত্যৰ সন্ধান পাইছে।

'নাম-ঘোষা'ত মায়া সম্পৰ্কে সঘনে উক্তি কৰা হৈছে। মায়া ৰহস্যময় শক্তি। যি শক্তিৰ সহায়ত এক পৰম শক্তিয়ে চৰাচৰ স্ৰজন আৰু পালন কৰিছে সেই শক্তিয়ে হৈছে মায়া। এই ঐশী শক্তিয়ে ব্ৰহ্মৰ স্বৰূপ আবৃত কৰি ৰাখে 'আবৰণ' ৰূপে, অসত্যত সত্যৰ প্ৰতীতি ঘটা 'বিক্ষেপ' শক্তিৰূপে। মায়া অনাদি নহয়। সংসাৰ সৃষ্টিৰ আহিলাৰূপে মায়াক স্ৰজন কৰে পৰমব্ৰহ্মই। এই সংসাৰ ভগৱন্তৰ ক্ৰীড়াৰ স্থান। নিজানন্দপূৰ্ণ ভগৱন্তই নিজৰ বিনোদনৰ বাবে অলীক সংসাৰৰ সৃষ্টি কৰিলে। এই সংসাৰ নিৰ্মাণত তেওঁৰ সহায় হ'ল তেওঁৰে শক্তি মায়া। গতিকে ভগৱন্ত একমাত্ৰ সত্য বাকী সকলো অলীক,----

'আৰৱ যতেক ইটো তোম্মাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত।।' ৭৩।।

সংসাৰ যে মিথ্যা, সংসাৰ যে ভগৱানৰ ধেমালিৰ সামগ্ৰী মাথোন (লোকৱৎ তুলীলা কৈৱল্যম,-গীতা) এই কথা অজ্ঞ জীৱক বুজিবলৈ নিদিয়াটোৱেই মায়াৰ প্ৰধান কাম। বহল অৰ্থত মায়া অনন্ত ; ব্ৰহ্মৰ দৰেই বিনাশহীন। কিন্তু সীমিত অৰ্থত মায়াৰ অন্তও আছে। কোনো বিশেষজনে যেতিয়া পৰমতত্ত্ব উপলব্ধি কৰে, ব্ৰহ্মৰ স্বৰূপ হয়, তেতিয়াই তেওঁ মায়াক জয় কৰে। তেওঁৰ কাৰণে তেতিয়া আৰু মায়া অনন্ত নহয়, অন্তযুক্ত. মায়াক জয় কৰাৰ আগলৈকে জীৱৰ বাবে সংসাৰ পৰম সত্যৰূপে পৰিগণিত হৈ থাকে। অসত্য জগতক সত্য প্ৰতীয়মান কৰা মায়াও প্ৰকৃততে অসত্য,----

"মায়া আদি কৰি সমস্তে অসন্ত
জানিবা জড় নিশ্চয়।





হৰি মাত্ৰ সন্ত চৈতন্য ঈশ্বৰ
পৰম তত্ত্ব নিৰ্ণয়।।" ২০৫।।

মায়া জড়, হৰি চৈতন্য; মায়া অসত্য, হৰি সত্য। গতিকে মায়াক হৰিয়ে হে পৰিচালনা কৰে। মায়াৰ বান্ধোনত জীৱক আৱদ্ধ কৰা নাইবা মায়াৰ পৰা জীৱক মুক্তি দিয়া ভগৱন্তৰহে কাম। তেওঁৰ ইচ্ছাৰ দ্বাৰা মায়া নিয়ন্ত্ৰিত হয়।

'অঘটনঘটন পটিয়সী' মায়াৰ পাৰ পোৱা সহজ নহয়। মায়া সেয়ে 'দুস্তৰ'। তদুপৰি মায়া কপট গুণযুক্তা আৰু নিগ্ৰহকাৰিণী। কপট গুণেৰে মায়াই জীৱৰ মনত ভ্ৰম উৎপাদন কৰে----

'তোম্মাৰ মায়ায়ে হৰি কপট গুণক ধৰি
মুহি আছে আমাক সমূলি,।' ৬৯।।

ই আত্ম-উপলব্ধিত অগ্ৰসৰ হোৱা জীৱক পদে পদে পথভ্ৰষ্ট কৰে।

হৰি-বিমুখ সকলহে মায়াৰ নিৰ্যাতনৰ পাত্ৰ। তেনে লোকক হে মায়াই মোহিত কৰে। গতিকে কোৱা হৈছে,---

'তুমি প্ৰিয় আত্মা পৰম দেৱতা
তোম্মাত হৈলো বিমুখ।
এতেকে তোমাৰ মায়ায়ে আমাক
দিলেক সংসাৰ দুখ।।' ৩৭৯।।

এই সংসাৰ-দুখৰ পৰা জীৱৰ সহজে নিস্তাৰ নাই। জন্ম-মৃত্যুৰ চক্ৰত জীৱ অৱিৰাম আৱৰ্তিত। ব্ৰহ্মোপলব্ধি নোহোৱালৈকে বাৰে বাৰে জন্ম লৈ জীৱই নিকাৰ ভুঞ্জে। গতিকে ক্ষুদ্ৰ সুখে বহু আশা কৰি, ঐহিক তৃপ্তিকে চৰম সুখ বুলি ভাবি জীৱই তুচ্ছ আনন্দত কালপাত কৰে। স্বপ্ন বা প্ৰপঞ্চৰ দৰে অলীক মানৱ-জীৱনৰ মাজত ভ্ৰমবশতঃ সত্য বিচাৰি পোৱা অজ্ঞান জীৱ মায়া বা অবিদ্যাৰ হাতৰ পুতলা। যেতিয়াই মায়া দূৰ হয়, তেতিয়াই জীৱ সংসাৰৰ অনিত্যতা সম্পৰ্কে সচেতন হৈ উঠে আৰু তেতিয়াই নিজকে ব্ৰহ্মৰ অংশ বুলি উপলব্ধি কৰে। এই উপলব্ধিয়েই হৈছে পৰম জ্ঞান। কিন্তু 'যম, কাল, মায়াই' 'বাঘজালি কৰি' বেঢ়ি থকা অৱস্থাত জালৰ আৱদ্ধ পশুৰ দৰে জীৱৰ অৱস্থা। তেওঁলোকে নিজকে চিনি নাপায়।

মায়া-তৰণৰ উপায় হিচাপে 'নাম-ঘোষা'ত একান্ত ভক্তিকে সাৰোগত কৰা হৈছে। হৰি-বিমুখতাত যি নিগ্ৰহ, হৰিত আত্মসমৰ্পণতেই তাৰ সমাপ্তি। 'মধুমতী মায়া উন্মত্ত'। জীৱক সংসাৰৰ দুখ দিওঁতা মধুসূদনৰ হাততহে মায়া মৰ্দনৰ ক্ষমতা

আছে। গতিকেই কোৱা হৈছে,----

"নমো নমো নাৰায়ণ প্ৰসন্ন হুয়োক হৰি
কৰিয়োক মায়াৰ নিৰ্য্যাণ।
আপুনাৰ মহিমাক আপুনি বেকত কৰি
জীৱক কৰিয়ো পৰিত্ৰাণ।। ৬৮।।

হৰিত আত্মসমৰ্পণ নকৰাৈলৈকে মায়াই লগ নেৰে,----

'তাৰত মায়াকে নতৰে হৰিত
শৰণ নলৰে যাৰে।।' ১৮২।।

সেইবাবে তেওঁৰ চৰণত শৰণ পোৱাটো ভক্তসকলে ত্যাগৰ কথা বুলি বিবেচনা কৰে। কিন্তু অন্তৰত ভক্তিৰ উদ্ভৱ হোৱা আৰু তাৰদ্বাৰাই মায়াৰ হাত সৰা,-- এই সকলোবোৰে নিৰ্ভৰ কৰে ভগৱন্তৰ অনুগ্ৰহৰ ওপৰত। 'মহন্তৰ সঙ্গে হৰিকথা ৰসে মনক জিনিয়া' হৰিৰ অনুগ্ৰহ লাভ কৰিব পাৰি। শ্ৰৱণ-কীৰ্ত্তনৰূপ ভক্তি হৈছে হৰিৰ কৃপা লাভৰ সহজ উপায়।

কলিৰ লোকক পৰম দয়ালু
কৃষ্ণে কৰিলন্ত দায়া।
মোৰ নামগুণ গায়া মহাসুখে
তড়োক দুস্তৰ মায়া।।' ৩৮৪।।

মায়া-তৰণৰ পিছতে জীৱৰ মুক্তি ঘটে। জীৱন্ত মুক্তি আৰু বিদেহ মুক্তি-মুক্তিৰ দুটা স্তৰ। আত্মজ্ঞান লাভ কৰোঁতাই সংসাৰৰ মাজতে থাকিও বন্ধনমুক্ত অৱস্থা লাভ কৰে।ব্ৰহ্মাৰ অংশৰূপে নিজকে চিনি পোৱাৰ পিছত এই জীৱন্মুক্তসকলে মোক্ষলাভ কৰি নিৰ্মল আনন্দ লাভ কৰে। মোক্ষ-প্ৰাপ্ত অৱস্থা চৰম আনন্দময়। এই আনন্দ লাভ সহজলভ্য নহয়, অবিদ্যাৰ বাধাৰ বাবে। কাৰণ ,----

'আত্মা ঈশ্বৰক লাগ প্ৰত্যক্ষে সততে পায়
নপায় জানা তাঙ্ক অবিদ্যাত'। ৪১।।

অবিদ্যা নাশ হ'লেহে কণ্ঠলগ্ন বস্তুৰ দৰে নিজৰ মাজতে পৰমাত্মাৰ সাক্ষাৎ লাভ সম্ভৱপৰ। মোক্ষলাভৰ বাবেও অনুগ্ৰহ লাগে। যিসকল ক্ৰোধ আৰু হিংসাশূন্য, বাসনাৰ পৰা মুক্ত, তেওঁলোক একান্ত আত্মসমৰ্পণৰ দ্বাৰা হৰিৰ প্ৰিয় পাত্ৰ হৈ মোক্ষ লাভ কৰে।

শৰীৰ ত্যাগৰ পিছত লাভ কৰা মুক্তি হৈছে বিদেহ মুক্তি। সাৰ্ষ্টি, সালোক্য,





সামীপ্য সাৰূপ্য আৰু সাযুজ্য মুক্তিৰ প্ৰতিটোৱেই যদিও পৰম আদৰণীয়, 'নাম-ঘোষা'ত কিন্তু মুক্তিতকৈ ভক্তিক বেছি প্ৰাধান্য দিয়া হৈছে। পুথিৰ আদিতে থকা 'মুক্তিতো নিস্পৃহ যিটো, সেহি ভকতক নমো ৰসময় মাগোহো ভকতি' ঘোষাফাকিৰ পৰাই অনুমান কৰিব পাৰি যে 'নাম-ঘোষা'ৰ মতে মুক্তিতকৈ ভক্তিৰ সোৱাদ বেছি। ভক্তিক মোক্ষ লাভৰ আহিলা বুলি স্বীকাৰ কৰা হৈছে; কিন্তু মোক্ষ সাধনৰ বাবে ভক্ত যেতিয়া ভক্তিত ৰত হয়-- তেতিয়া আৰু মোক্ষ সাধনৰ কথা তেওঁৰ মনত নাথাকে। তেতিয়া হৰিৰ চৰণত আশ্ৰয় পোৱাটোহে নাইবা নিৰ্মল ভক্তি লাভ কৰাটোহে তেওঁৰ বাবে প্ৰধান হৈ পৰে। ভগৱন্তৰ সেৱাত ইমানেই আনন্দ আছে যে এবাৰ সেই আনন্দৰ সোৱাদ লোৱাৰ পিচত 'মুকুতি-সুখকো তেজি মহাজনে সদা ৰাম নাম ধৰে।'

ভক্তিৰ মাহাত্ম্য ইমানেই বেছি যে সকামী লোকেও যদি কোনো কামনা মনত লৈ হৰি সেৱাত ৰত হয়, পিছলৈ তেওঁ কামনা শূন্য হৈ নিষ্কাম ভক্তত পৰিণত হয়। কৰ্ম, যোগ, জ্ঞান, বেদমন্ত্ৰ নাইবা তীৰ্থ স্নানেৰে বশ্য কৰিব নোৱাৰা ভগৱন্তক একান্ত ভক্তিৰে সহজে বশ কৰিব পাৰি।

নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্ত্তনে 'নাম-ঘোষা'ত আগ ঠাই পাইছে। ভক্তি উৎপাদনৰ বাবে হৰিকথা চৰ্চা আৰু শ্ৰৱণ প্ৰশস্ত উপায়। ইয়াৰ বাবে লাগে সন্তজনৰ সঙ্গ। একান্ত ভকতসকলে য'ত হৰিনাম লয়, তাত কাল আৰু মায়াৰ প্ৰৱেশ নাই। কৃষ্ণৰ কীৰ্তন সুখেই হৈছে মুক্তিতকৈ শ্ৰেষ্ঠ,---

'তোমাৰ ভকতি ৰসে মুকুতিকো
কৰে অতি উপহাস।।'

গতিকে মুক্ত পুৰুষসকলেও 'এক প্ৰাণ হুয়া' হৰিনাম উচ্চাৰণ আৰু শ্ৰৱণৰ আনন্দ সাগৰত বুৰ গৈ থাকে। একান্ত ভকতসকলে 'নকৰে কামনা ভকতিক তেজি আন'-সেয়ে হৈছে ভাগৱতী ভক্তি।

আত্মউপলব্ধিৰ ক্ষেত্ৰত ভক্তি প্ৰধান আহিলা। গতিকেই ভক্তি হৈছে একপ্ৰকাৰ সত্যস্পৃহা। ভক্তি হ'ল আত্মসমৰ্পণ, তাৰ লগতে থাকে আন্তৰিক শ্ৰদ্ধা। এই দুইৰ সংযোগত জীৱ আৰু ব্ৰহ্মাৰ অভেদত্ব সম্পৰ্কে অপ্ৰয়াসে জ্ঞান লাভ হয়।

ভক্তি যেতিয়া ঐকান্তিক হয়, ভক্তৰ মনত তেতিয়া ভগৱন্তৰ বাহিৰে অন্য চিন্তা নাথাকে। তেওঁৰ সমগ্ৰ অনুৰক্তি থুপ খায়গৈ ইষ্টদেৱৰ চৰণত। সকলো চিন্তা আৰু সংকোচ আঁতৰাই থৈ ব্ৰজগোপিকাৰ দৰে লোক লজ্জা, চকুলজ্জা এৰি

অহর্নিশে কৃষ্ণপ্রেমত মগ্ন হ'ব পৰাই হৈছে প্রকৃত ভক্তি। ভক্তিৰ মাহাত্ম্য সম্পর্কে 'নাম-ঘোষা' উচ্ছ্বসিত। ভক্তিয়ে ভক্তক ভগৱানৰ ওচৰ চপায়। হৰি ভক্তি জাতি-অজাতিৰ ভেদ নাই। এজন হৰিভক্ত চণ্ডালো ভক্তিহীন ব্ৰাহ্মণতকৈ শ্ৰেষ্ঠ।

'পৰম নির্ম্মল ধন হৰিনাম কীর্ত্তনত
সমস্ত প্ৰাণীৰে অধিকাৰী।'

হৰি সেৱাৰ বাবে যাগ-যজ্ঞ নাইবা পূজা-পাতলৰ প্ৰয়োজন নাই। 'নামতেসে তুষ্ট গুণ-লুবুধ মানৱ,' গতিকে হৰিনাম কীর্ত্তন আৰু শ্ৰৱণ কৰিবলৈ 'নলাগে দেৱ-দ্বিজ ঋষি হুইবে, নলাগে শাস্ত্ৰ সমস্তে জানিবে।' হৰিনামৰ মাহাত্ম্য স্বয়ং হৰিতকৈয়ো বেছি,--'তোমাত কৰিয়া তযু নাম সাৰ।।' এই হেন হৰি নামৰ ধ্বনি শুনি'পলায় পাপ দশোদিশ ভাগি।' তদুপৰি---

'একান্ত শৰণে যিটো শ্ৰৱণ কীর্ত্তন কৰে
ওচৰো নচাপে কলি তাৰ।'

গতিকে জীৱৰ নিস্তাৰৰ একমাত্ৰ উপায় হৈছে হৰি-ভক্তি আৰু হৰি ভক্তিৰ সহজতম পন্থা হৈছে শ্ৰৱণ আৰু কীৰ্তন।

'নাম-ঘোষা'ৰ আত্ম-উপদেশ' অধ্যায়ত মাধৱদেৱে অন্তৰেন্দ্ৰিয় মন, চিত্ত, বুদ্ধি অহংকাৰ আৰু জ্ঞানেন্দ্ৰিয় জিহ্বা আৰু কর্ণৰ বিষয়ে যি উক্তি কৰিছে তাৰ মাজেদি তেওঁৰ ঐকান্তিক ভক্তিৰ গাঢ়তা ফুটি উঠিছে। কৃষ্ণ নাম পৰম মঙ্গল বুলি সংকল্প কৰি সেই অমৃতময় নাম শ্ৰৱণ-কীর্ত্তন আৰু উপলব্ধি কৰিবলৈ তেওঁ আপোন ইন্দ্ৰিয় সমূহক আহ্বান কৰিছে।

মাধৱদেৱে যি ঐকান্তিকতাৰে ভগৱানৰ বিষয়ে আলোচনা কৰে সেই একেই ঐকান্তিকতা প্ৰকাশ পায়-তেওঁ যেতিয়া গুৰুজনাৰ বিষয়ে কয়। তেওঁৰ ধৰ্মীয় জীৱনৰ পিতৃস্বৰূপ এই পূজ্যপাদ গুৰুজনে মাধৱদেৱৰ শ্ৰদ্ধাৰ আসনত ভগৱানৰ সমানেই পূজ্যস্থান পাইছে। সময় বিশেষে শঙ্কৰদেৱ দেৱতাতকৈয়ো শ্ৰেষ্ঠ,-

'হৰিনাম গুপ্ত ভৈল মনুষ্যত পূজা ৰৈল
বুলি ৰঙ্গ কৰে দেৱ সৰ্ব্ব।
হেন হৰি নাম ধৰ্ম্ম শঙ্কৰে বিদিত কৰি
চূড় কৈলা দেৱতাৰ গৰ্ব্ব।।' ১০২।।

বৈকুণ্ঠৰ পৰা প্ৰেম অমৃতৰ নদী বোৱাওঁতা শ্ৰীমন্ত শঙ্কৰ বৈকুণ্ঠ নাথৰ দৰেই কৃপালু। তেওঁ মূঢ়মতি জীৱক হৰি-ভক্তিৰ পথ দেখুৱাই সংসাৰ তাৰণৰ পথ





সুগম কৰিছে। গতিকে মাধৱদেৱৰ বাবে তেওঁৰ দৰে সুহৃদ আৰু কোনো নাই।

'শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।।' ৩৭৫।।

গুৰু মাহাত্ম্যত কৈছে---

'হৰি যেন আতি কৃপাময় ভক্ত গুৰুজনো সেহিনয়
দুয়োজন এক শৰীৰত মাত্ৰ ভিন্ন।
কৃপাৰেসে যুক্ত হুয়া চিত্ত লোকৰ হিতক চিন্তি নিত
নিজ গুণে তুষ্ট দুয়ো অহংকাৰ হীন।' ৬৮১।।

যিজন মহামতি গুৰুৱে হৰি-ভক্তিৰ পথ দেখুৱাই শিষ্যক নতুন জীৱনৰ সন্ধান দিলে, সেই গুৰুৰ প্ৰতি কৃতজ্ঞতাৰে ভৰা মনেৰে মাধৱদেৱে তেওঁক আন্তৰিক বন্দনা কৰিছে।

যি গুৰু-গম্ভীৰ আৰু ঈষৎ কৰুণ সুৰত 'নাম-ঘোষা'ৰ ঘোষা কেইটিয়ে ৰূপ লৈছে, তাৰ মাজত ব্যতিক্ৰম হ'ল, পুথিখনিৰ 'নিন্দা' অংশ। হৰি বিমুখ আৰু শঙ্কৰ বিৰোধীসকলৰ প্ৰতি এই অংশত মাধৱদেৱৰ বক্তব্য তীক্ষ্ণ আৰু মৰ্ম্মভেদী। যি গুৰুজনাক তেওঁ ভগৱানৰ আসনত বহুৱাইছে, সেই পিতৃ-প্ৰতীম শঙ্কৰদেৱৰ বিৰুদ্ধে কাৰোবাৰ এষাৰি কু-বাক্য শুনিলেই প্ৰিয় শিষ্য মাধৱদেৱৰ মন তিক্ত-বিৰক্ত হৈ উঠে। শান্ত-সমাহিত ভক্ত মাধৱ নিমিষতে পৰিণত হয় যুক্তি বাণেৰে বিপক্ষক ধৰাশায়ী কৰিব পৰা নিপুণ ধৰ্ম প্ৰচাৰকলৈ। তেওঁ কৈ উঠে ,--

'ৰাজা প্ৰজা জানি লেক ভক্তিপন্থ
শঙ্কৰৰ মত শুদ্ধ।
সিটো মত এড়ি আন আচৰয়
পৰম সিটো মুগুধ।। ২৯১।।

শঙ্কৰদেৱৰ বৈকুণ্ঠ-প্ৰয়াণৰ পিছত মাধৱদেৱৰ একপ্ৰকাৰ নিঃসঙ্গ অৱস্থা হৈছিল। ধৰ্ম প্ৰচাৰত যোগ্য সংগঠনৰ অভাৱ, বিপক্ষ দলৰ দ্বাৰা খোজে খোজে বাধা প্ৰদান আৰু তেওৰ চকুৰ আগতে শঙ্কৰদেৱৰ ভাৰ্য্যা আৰু বোৱাৰীৰ দুৰ্দশা আদি অসংখ্য মানসিক যন্ত্ৰণাৰ মাজত পুণ্যশ্লোক শঙ্কৰ স্মৃতিয়েই আছিল মাধৱদেৱৰ আত্মপ্ৰবোধৰ আহিলা। শঙ্কৰৰ শুদ্ধমত এৰি নিজকে পণ্ডিত বোলোৱা একাধিক

লোকে তেওঁৰ মনত আঘাত দিছিল। সেই জ্ঞানহীন, বিদ্যাহীন, আৰু জীৱিকাৰ বাবে ধৰ্মৰ বেহা কৰা লোকসকলৰ বিষয়ে তেওঁৰ উক্তি , --

‘শঙ্কৰেসে শুদ্ধমত ঈশ্বৰ ভক্তিৰ তত্ত্ব
প্ৰচাৰিলা শাস্ত্ৰ সাৰ জানি।
তাহাঙ্ক নজানি মূঢ়ে জীৱিকাৰ অৰ্থে ফুৰে
আপুনাৰ মহত্ত্ব বখানি।।’ ৫৩।।

এওঁলোকে--

‘নজানে শাস্ত্ৰৰ নয় যেহি আসে তাকে কয়
ছেদিবাক নপাৰে সংশয়।
গুৰু বোলাই তথাপিতো ফুৰয় লোকৰ মাজে
মান্য- সতকাৰ খুজি লয়।।’ ৫৫।।

গুৰু বোলাই পাণ্ডিত্যৰ বৰাই কৰা এচাম লোকে সেই সময়ত অনাচাৰ আৰু ব্যভিচাৰৰ দ্বাৰা বৈষ্ণৱৰ নামত কলঙ্ক সানিছিল। তেওঁলোকে ‘হৰি কথা ছলে কৰ্ণত কুমন্ত্ৰ’ দি দিনে-ৰাতিয়ে বিষয়ৰ চিন্তা কৰিছিল। এইসকলৰ বিষয়ে মাধৱদেৱে উক্তি কৰিছে,--

‘অন্ন যোনি কিছু নকৰে বিচাৰ
জাতি কুল ভৈল ভ্ৰষ্ট।
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়
বেদ পন্থ কৰি নষ্ট।।’ ২৯৫।।

বৈষ্ণৱৰ মুখা পিন্ধা এই কু-বুদ্ধিযুক্ত লোকসকলে সেই সময়ৰ সমাজত এক বিশৃঙ্খলাৰ সৃষ্টি কৰিছিল। শঙ্কৰৰ শুদ্ধ মতক বিকৃত কৰা আৰু সাধুসকলক বিৰক্ত কৰা এই নিন্দুকসকলৰ বিষয়ে ‘নাম-ঘোষা’ত যি মন্তব্য আছে সি অতি তীক্ষ্ণ আৰু অৰ্থপূৰ্ণ ,--

‘বৈষ্ণৱ নিন্দুক সূচকক বিষ্ঠা লুঠা গ্ৰাম্য শূকৰক
বিধতায়ো দুইকো স্ৰজিলন্ত দায়াতৰে।
সূচকে জানিবা নিৰন্তৰে সাধু সকলক শুদ্ধি কৰে
যিমতে শূকৰে গ্ৰামক শোধন কৰে।।’ ৬৩৩।।

এইদৰে য’তেই বিষ্ণু-নিন্দুক আৰু বৈষ্ণৱ-নিন্দুকৰ কথা ওলাইছে, তাতেই মাধৱদেৱৰ ভাৱ আৰু ভাষা শাণিত অস্ত্ৰৰ দৰে তীক্ষ্ণ হৈ পৰিছে।





সাধাৰণতে ধৰ্মপুথিবোৰত সৌন্দৰ্য বৰ বেছিকৈ চকুত নপৰে। ‘নামঘোষা’ কিন্তু এই ক্ষেত্ৰত ব্যতিক্ৰম। ধৰ্মপুথি হ’লেও ‘নামঘোষা’ত ধৰ্ম প্ৰচাৰৰ মনোভাৱতকৈ আত্ম-বিলোপনৰ সুৰে পুথিখনিত কোমল সৰগীয় সৌন্দৰ্য দান কৰিছে।

‘নাম-ঘোষা’ৰ অধিকাংশ ঘোষাক উত্তম কবিতাৰ শ্ৰেণীত পেলাব পাৰি। এই কবিতা যেন এজন ৰহস্যবাদী কবিৰ অকৃত্ৰিম অনুভূতিৰ নিজৰা। ৰহস্যবাদীসকলে সংসাৰৰ প্ৰতিটো বস্তুকে সুন্দৰ দেখে, মঙ্গলময় যেন দেখে। তেওঁলোকে সন্ধান কৰে এই সকলো সুন্দৰৰ মূল একক সত্ত্বা। সেই আকাঙ্খিতক পোৱাৰ আগতে সন্ধানৰ যন্ত্ৰণাই ৰহস্যবাদীসকলক অস্থিৰ আৰু ক্ষত-বিক্ষত কৰি তোলে; এইখিনি বেদনাময় সময়ক বুলিব পাৰি ‘আত্মাৰ আন্ধাৰ ৰাতি’। প্ৰতিজন সাধক কবিৰ জীৱনলৈ এই ‘আন্ধাৰ ৰাতি’ এবাৰলৈ হ’লেও নামিছে। মাধৱদেৱে এই তমসা অতিক্ৰম কৰি আৱিষ্কাৰ কৰিছে তেওঁৰ ‘প্ৰিয়তম আত্মা পৰম দেৱতা’,-

‘হৰি তুমি আনন্দ সিন্ধু।
হামু ভিক্ষাৰী মাগো এক বিন্দু।।’

কিন্তু আনন্দসিন্ধু ভগৱান যে অন্যত মগ্ন। নিজকে একান্ত উছৰ্গা কৰা কবিয়ে সেয়ে আক্ষেপেৰে ক’ব লগাত পৰে--

‘মোক নিজ দাস কৰি লৈলে
কহিয়ো কৃপাল
কি হয় তোমাৰ হানি।’

মাধৱদেৱৰ ব্যক্তিত্ব বাদ দি ‘নাম-ঘোষা’ৰ আলোচনা সম্পূৰ্ণ হ’ব নোৱাৰে। কাৰণ কবিৰ গভীৰ অনুভূতিয়েই কাব্য সৃষ্টিৰ কাৰণ। ‘নাম-ঘোষা’ আধ্যাত্মিক ভাৱৰ পুথি। কিন্তু ইয়াত “হৃদয়ৰ ভক্তিৰ আবেগ ঢালি দি দাস্য-ভাৱক কবিত্বৰ চৰম সীমালৈ লৈ যোৱা হৈছে। গতিকে নাম-ঘোষা পুথি পঢ়িলে ছন্দৰ ঝংকাৰ, ভাষাৰ মাধুৰ্য, ভাৱৰ প্ৰগাঢ়তা সকলোকে অতিক্ৰম কৰি মনঃচক্ষুৰ দৃষ্টি পৰে মাধৱদেৱৰ ভক্তিকাতৰ কৰুণ মূৰ্তিত।” আজীৱন কৌমাৰ্যব্ৰতী এইজনা ভক্তকবিৰ মায়াময় সংসাৰৰ প্ৰতি বিৰক্তি আৰু ভগৱানৰ অৰুণ চৰণত আসক্তিৰ একান্ত আকুল সুৰ কৰুণ সুৰত প্ৰকাশ পাইছে।

ভক্ত কবি, সাধক বা ৰহস্যবাদীসকলৰ বাবে আকাঙ্ক্ষিত ৰূপ বেলেগ বেলেগ। কোনোৱে তেওঁক বিচাৰে প্ৰিয়ৰূপে, কোনেৱে বিচাৰে স্বামীৰূপে, কোনোৱে আকৌ বিচাৰে প্ৰিয়াৰ মাজতে তেওঁৰ ৰূপ। মাধৱদেৱৰ বাবে সেই

চিৰবাঞ্ছিত ৰূপ হ'ল 'প্ৰিয় আত্মা সখা ইষ্ট গুৰু', দুয়ো যেন অভিন্ন আত্মা। অথচ সেই প্ৰিয় সখাই যেতিয়া কবিৰ মনটো বুজিও নুবুজাৰ ভাও ধৰে তেতিয়া অভিমানী কবিয়ে নকৈ নোৱাৰে।

'তুমি সৰ্ব্বসাক্ষী আত্মা হৃষীকেশ
জানাহা মোৰ চিত্তক।
শৰণাগতক মঞি আতুৰক
উপেক্ষা কৰা কিসক।। ৩০৩।।

বহুতো লুকা-ভাকুৰ পিছত যেতিয়া বিচৰাজনক ওচৰত পোৱা হয়, ভাগৰুৱা মনে তেওঁক আৰু এৰি দিব নোখোজে। সকলো কষ্ট, সকলো শ্ৰমৰ অন্তত প্ৰাপ্তিৰ সুখ উপভোগ কৰি নিৰাপদ আশ্ৰয়ত কিছুপৰ নিতাল মাৰি থকাৰ লোভ সকলোৰে। কবি মাধৱদেৱেও সেয়ে কাতৰ কণ্ঠেৰে কৈ উঠিছে , --

'ইবাৰ কৰুণাময় হৰি কমলাপতি
মোৰে নছাড়িবা নাৰায়ণ।
অৰুণ চৰণতলে হৰি কমলাপতি
সত্যে সত্যে পশিলো শৰণ।।' ৬৮৫।।

এই 'মোক নছাড়িবা' সুৰে 'নাম-ঘোষা'ত আকৰ্ষণৰ সৃষ্টি কৰিছে। আকৰ্ষণে চৰম ৰূপ পাইছে এই ঘোষাটিত,--

'কিনো অপৰাধ কৰি আছো আমি
মাধৱ বান্ধৱ প্ৰাণ।
নাম ধৰি ডাকো হিয়াত থাকিয়া
কেনে নেদা সমিধান।।"

অন্তৰৰ অনুভূতিক ছন্দেৰে সজালেই সেয়া কবিতা নহয়। কবিতা সুন্দৰ হয় অলংকাৰৰ যোগেদি। মাধৱদেৱৰ আড়ম্বৰহীন কবিতাবোৰো ঠাই বিশেষে উপমা-অলংকাৰেৰে শোভিত হৈছে। সংস্কৃত কাব্যৰীতিৰ আৰ্হিতেই তেওঁ প্ৰিয় দেৱতাৰ ৰূপ ধ্যান কৰিছে। তেওঁৰ ইষ্টদেৱতাৰ নয়ন পঙ্কজ সদৃশ, চৰণ পঙ্কজ সদৃশ আৰু হস্তও পঙ্কজ সদৃশ। এই গতানুগতিক উপমাৰ ভিতৰতো তেওঁৰ মৌলিকতা সু-স্পষ্ট। পদুমৰ দৰে ৰাতুল সেই চৰণ-বন্দনাত তেওঁ কৈছে,--

'কৃপাৰসে তিতি অৰুণ বৰুণ
চৰণ ভৈল তোহ্মাৰ।'





তেওঁৰ বাবে ভগৱানৰ মুখমণ্ডল নয়নৰ পান পাত্ৰ অৰ্থাৎ ভগৱানৰ ৰূপ অমৃতময়। মাধৱদেৱে তেওঁৰ সুহৃদ দেৱতাৰ লগত জড়িত প্ৰতিটো বস্তুতে অমৃতৰ সন্ধান পায়। তেওঁৰ বাবে 'ৰাম নামেসে অমিয়া জুৰে'। তেওঁৰ 'মায়াৰ ৰচনা আশানদী মাজে মজিয়া নপাইলো পাৰ' নাইবা 'ভৱকূপে জীৱ, আছে পৰি, কালসৰ্পে দংশি হৰিল চেতন তাৰ' আদি ৰচনাবোৰ স্বভাৱজাত উপমাৰ প্ৰয়োগৰে সুন্দৰ আৰু অৰ্থবহ।

'সদা জন্ম-মৃত্যু-জৰাহীন শ্ৰীমন্ত সুন্দৰ গুণনিধি' তেওঁৰ উপাস্য দেৱতা। এই দেৱতাক স্মৰণ কৰি মাধৱদেৱে যিহকেই কয় সিয়েই হৈ পৰে আন্তৰিক প্ৰীতিৰ পৰশত সুন্দৰ, উজ্জ্বল আৰু নিৰ্মল।

<u>সহায়ক গ্ৰন্থপঞ্জী</u>

১। ভূমিকাঃ শ্ৰী শ্ৰী মাধৱদেৱৰ বাক্যামৃত।
২। ভক্তি-ৰত্নাৱলী, পদ ৩৫-৩৮।
৩। পুৰণি অসমীয়া সাহিত্য, পৃঃ ৪৯।

---

**লেখিকাৰ পৰিচয় ঃ**

ড° কৰবী ডেকা হাজৰিকা, প্ৰাধ্যাপিকা, অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়।

# নাম-ঘোষাত মাধৱদেৱৰ ব্যক্তিত্ব আৰু ভাৱমূৰ্ত্তি

**নৰেন্দ্ৰ নাথ কেওঁট**

মধ্যযুগত মহাপুৰুষ শঙ্কৰদেৱে অসম ৰাজ্যত ভক্তি আন্দোলনৰ গুৰি ধৰি সমাজ জীৱনলৈ এক অন্তৰ্মুখী মহৎ জাগৰণ আনিছিল। এই জাগৰণ কেৱল ধৰ্মীয় ক্ষেত্ৰতে সীমাবদ্ধ নাথাকি সমাজ জীৱন, সাহিত্য-সংস্কৃতি, নৃত্য-গীত, ভাস্কৰ্য্য-স্থাপত্য আদি শিল্পকলাৰ ক্ষেত্ৰলৈ সম্প্ৰসাৰিত হৈছিল। এই আন্দোলনত আত্মিক ভাৱে যোগ দি অসীম ত্যাগেৰে যিসকলে ইয়াৰ পূৰ্ণৰূপ দি গ'ল, সেইসকলৰ ভিতৰত শ্ৰেষ্ঠজন হ'ল মহাপুৰুষ শ্ৰীমাধৱ-বান্ধৱ। শ্ৰীমন্ত শঙ্কৰ-মাধৱ আচলতে অভিন্ন আত্মা স্বৰূপ। দুয়োগৰাকী মহাপুৰুষৰ সুদীৰ্ঘ জীৱন পৰিক্ৰমাত এগৰাকী আছিল আনগৰাকীৰ পৰিপূৰক। শ্ৰীমন্ত শঙ্কৰদেৱে আন্তৰিকতাৰে কৈছিল 'বৰাৰ পো, তোমাক পাই মই সম্পূৰ্ণ হলো।' আনকি শ্ৰীমন্ত শঙ্কৰৰ মহাপ্ৰয়াণৰ সময়তো নিজৰ 'সৰেখানি শক্তি ভক্তি, বল পৰাক্ৰম' মাধৱতে অৰ্পণ কৰি গৈছে । অকল এয়ে নহয় --

সবাকো অধিক তুমি প্ৰিয়তম
নিশ্চয় জানিবা তাক।
তুমি আমি ভিন নুহিকে জানিবা
কহিলো হো সত্য বাক।।
পাচক লাগিয়া তোমাকেসে হন্তে
জীৱ সব নিস্তাৰিব।।' (দৈত্যাৰি)

গুৰুজনৰ পুত্ৰ ৰামানন্দই পিতৃৰ ওচৰত ধৰ্ম্ম বস্তু বিচাৰি যাওঁতে পুত্ৰক কৈছিল-

'তান মোৰ কিছু নাহিকে অন্তৰ
জানিবা নিশ্চয় কৰি।
মাধৱ আমাৰ পৰম বান্ধৱ
মোৰ প্ৰাণ এৰে সৰি।।
তান্ত হন্তে জীৱ বিস্তৰ তৰিব
ভক্তিৰ হৈব আচাৰ্য্য।।'





মাধৱ মহাপুৰুষৰ জীৱনৰ সুদীৰ্ঘ কাল গুৰুজনাৰ ছত্ৰছাঁয়াতে অতিবাহিত হ'ল। সেই সময়ত নিৰৱচ্ছিন্নভাৱে গুৰুসেৱা, চৰম ত্যাগ আৰু কঠোৰ শ্ৰম কৰিলেও সমাজলৈ অহা প্ৰৱল বা নিলগতে মাৰ গৈছিল। গুৰুজনাৰ অবৰ্ত্তমানত কেৱল ধৰ্ম্মৰ গুৰুভাৱেৰেই নহয়, নিলগীয়া বাও চম্ভালিব লগীয়া হৈছিল। সময়ৰ আহ্বান আৰু পৰিস্থিতিৰ প্ৰেক্ষাপটত শ্ৰীমাধৱদেৱ সুদীৰ্ঘ জীৱন পৰিক্ৰমাত পোৰা সোণলৈ উত্তৰণ ঘটিছিল।

গুৰুজনাৰ দৰে মাধৱদেৱো আছিল সৰ্ব্বগুণী মহাপুৰুষ। তেওঁ একেধাৰে কবি, নাট্যকাৰ, সুকণ্ঠী গায়ক, অভিনেতা আৰু শিল্পী আছিল। তাতে যোগ হৈছিল অসাধাৰণ পাণ্ডিত্য, প্ৰজ্ঞা আৰু প্ৰতিভা। বিৰল ব্যক্তিত্ব, আত্মজয়ৰ গৰিমা আৰু অতুলনীয় চৰিত্ৰৰ বলেৰে মাধৱ পুৰুষ আছিল মহা জীৱনৰ অধিকাৰী। গুৰুসেৱা আৰু আত্মলঘিমা আছিল তেওঁৰ চৰিত্ৰৰ ভূষণ। আত্মপৰিচয় দিছিল 'দীন' 'হীন' দাসৰো দাস তান দাস বুলি। জীৱনটো আছিল ত্যাগৰ স্বৰূপ। নিজে বিদগ্ধ পণ্ডিত আৰু পাণ্ডিত্যৰ অধিকাৰী হলেও ন্যায় নীতি আৰু যুক্তিৰ উৰ্দ্ধত নাছিল। যুক্তিৰ ওচৰত সেও মানি গুৰুজনাৰ চৰণত আত্মসমৰ্পণ কৰি জোৰণ পিন্ধোৱা কইনাকো ত্যাগ কৰিব পৰাটো আন এটি বিৰল নিদৰ্শন। ধৰ্ম্মগুৰুৰ উত্তৰাধিকাৰী হৈয়ো নিজক কতো গুৰু বুলি প্ৰকাশ নকৰি শঙ্কৰ গুৰুকহে গুৰুৰূপে প্ৰতিষ্ঠা কৰি গৈছে-

'শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।।" ৩৭৫।।

এনে ত্যাগৰ ভাৱ মূৰ্ত্তিৰ পুৰুষ জগতৰ ইতিহাসতে বিৰল। গুৰুজনাক প্ৰকাশৰ বাবে নিজক সম্পূৰ্ণ ঢাকি ৰাখি ভটিমা আৰু নামঘোষাত গুৰুজনাৰ মহিমা দাঙি ধৰিছে। মাধৱদেৱৰ গুৰু ভক্তিৰ দৰে ভকতিৰ প্ৰতিও অতুলনীয়। ধুৱাহাটা এৰি আহোতে নাৱত ঠাই নোহোৱাত নিজৰ জপাটো পানীত পেলাই দিও ভকতক নাৱত উঠাই লৈছিল। ৰাজমাৰে ভকতৰ শ্ৰেণীবিভাগ কৰি উত্তম নৰম ভিন ভিন কাপোৰ পঠাওঁতে মাধৱদেৱে দুখ পাই ৰাজমাতৃলৈ সেইবোৰ ঘূৰাই পঠাইছিল। মাধৱ সকলো ভক্তৰ প্ৰতি সমদৃষ্টি।

মাধৱদেৱৰ ব্যক্তিত্বত অনেক মহৎ গুণৰ সমাবেশ ঘটিছিল। এজন ধৰ্ম্মগুৰুৰ থাকিবলগীয়া পাণ্ডিত্য, ধৈৰ্য্য, আদৰ্শনিষ্ঠা, সংগঠন শক্তি আৰু মানৱতাবোধ-এই সকলোগুণৰ সমাহাৰ ঘটিছিল মাধৱদেৱৰ ব্যক্তিত্বত।

জীৱন কালত শঙ্কৰদেৱৰ লগে লগে মাধৱ পুৰুষ থকাৰ দৰে চৰিত্ৰসমূহৰ মাজতো শঙ্কৰদেৱৰ জীৱন কাহিনীৰ লগে লগে মাধৱদেৱৰ জীৱন কাহিনীয়ে ঠাই পাই আহিছে। শঙ্কৰদেৱৰ জীৱন কাহিনী আলোচনা কৰোতেও মাধৱদেৱৰ জীৱন পৰিক্ৰমাৰ বহু কথা আলোচনাৰ মাজলৈ আহে। আচলতে মাধৱদেৱৰ প্ৰসঙ্গ অবিহনে শঙ্কৰদেৱৰ জীৱনবৃত্ত পূৰ্ণ নহয়। গুৰুজনৰ প্ৰতিটো চিন্তা আৰু কৰ্ম্ম আঁচনিৰ লগত নিবিড়ভাৱে জড়িত মাধৱ মহাপুৰুষ।

মাধৱদেৱৰ ৰচনাসমূহ গভীৰভাৱে অন্তৰ্মুখী। 'দীন', 'দাস', 'দাসৰো দাস', মূৰুখ-মতি' আদি বিনম্ৰ বিশেষণেৰেহে তেওঁ আত্মপৰিচয় দিয়ে। ধৰ্ম্ম প্ৰচাৰৰ মাধ্যমৰূপে দুয়োজনা মহাপুৰুষে সাহিত্য সংস্কৃতিৰ বিপুল সম্ভাৰ সৃষ্টি কৰি গ'ল। নৱবৈষ্ণৱ আন্দোলনৰ ক্ৰমবিকাশত মাধৱদেৱৰ যত্ন আৰু প্ৰচেষ্টাত এটি বিশাল ধৰ্ম্ম সম্প্ৰদায় অসংখ্য সত্ৰ অনুষ্ঠানৰ দ্বাৰা শৃংখলিত হৈছিল। শঙ্কৰদেৱে ধৰ্ম্ম গুৰুৰ দায়িত্ব অৰ্পণ কৰি যোৱাৰ পিছত মাধৱদেৱে বিভিন্নজনক ধৰ্ম্মাধিকাৰ পাতি দিশে দিশে ধৰ্ম্ম প্ৰচাৰৰ দায়িত্ব দি পঠালে। সেইসকলৰ ভিতৰত মথুৰাদাস বুঢ়া আতা, ভৱানীপুৰীয়া গোপাল আতা, ভাটৌকুচিয়া কেশৱ চৰণ আতা, বংশীগোপাল, বদুলা আতা, প্ৰমুখ্যে ভালেমান আতাৰ নাম উল্লেখযোগ্য। দেখা যায় যে মাধৱদেৱৰ অনুপ্ৰেৰণাতে সত্ৰ অনুষ্ঠানৰ বিকাশ ঘটিছিল।

মাতৃগৰ্ভত থাকোতেই আৰম্ভ হয় যাযাবৰী জীৱন। শৈশৱ আৰু কৈশোৰৰ দিনবোৰত অতিক্ৰম কৰিছিল সুখেদুখে সানমিহলি এক বিচিত্ৰ জীৱন। হৰিশিঙা বৰাৰ আশ্ৰয়ৰ পৰা আহি গ্ৰহণ কৰিবলগীয়া হ'ল এটি সংকটময় জীৱন। তাতে আকৌ পিতৃৰ শৰীৰত 'জিকাৰি' ৰোগ। আত্মীয় স্বজনৰ অনাদৰত মানৱতাৰ মৃত্যু দেখা পালে। ঘাঘৰ মাজিৰ আশ্ৰয়ত মানৱতাৰ সন্ধান পালে।

শঙ্কৰদেৱৰ সান্নিধ্যতে তেওঁৰ জীৱনৰ উত্তৰণ ঘটে। এই সান্নিধ্য আছিল এক দৈৱিক ঘটনা। জোৰণ দিয়া কইনা ত্যাগ কৰি গুৰুসেৱা ব্ৰত গ্ৰহণ কৰিলে। শ্ৰীমন্ত শঙ্কৰে মাধৱৰ মাজত আৱিস্কাৰ কৰিছিল এজন দেহ মন উৎছৰ্গা কৰিব পৰা সেৱক, এজন কঠোৰ পৰিশ্ৰমী সু-সংগঠক আৰু ধৰ্ম্ম-দৰ্শন-সাহিত্য-সংগীত বিশাৰদ ব্যক্তিত্ব।

গুৰুজনাৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত অনাথিত পৰিয়ালটোৰ দায়িত্ব লব লগা হ'ল মাধৱদেৱে। সন্মুখৰ সকলো বিপৰ্য্যয় অতিক্ৰম গুৰুধৰ্ম্ম প্ৰসাৰ আৰু প্ৰচাৰত সফল হৈছিল, তথাপি এচাম মাধৱ বিদ্বেষী লোক ক্ৰিয়াশীল হৈ আছিল। প্ৰতিক্ৰিয়াশীল লোকসকল কেৱল কুৎসা ৰচনাতে ক্ষান্ত নাথাকি ধৰ্ম্মৰ নামত





ব্যভিচাৰ কৰা বুলি ৰজা ৰঘুদেৱক জনাইছিল। তাৰ বাবে অত্যাচাৰী ৰাজ বিষয়া সুৰানন্দই মাধৱক ৰাজবন্দী কৰি লৈ গ'ল। ৰজাই মুক্তি দিলে যদিও হাজোলৈ স্থানান্তৰিত কৰিলে। মানুহে মন্দিৰৰ মাধৱক 'মৰা মাধৱ' আৰু শ্ৰীমাধৱপুৰুষক 'জীয়া মাধৱ' নাম দিলে। মন্দিৰৰ বিগ্ৰহতকৈ জীৱন্ত মাধৱৰ দৰ্শনাৰ্থীৰ সমাগম অধিক হ'ল। তাতে পুৰুহিতসকলৰ ৰোষত পৰি মাধৱৰ আকৌ বিপৰ্য্যয় আহিল। পুনৰ স্থানান্তৰ হ'ল লক্ষীনাৰায়ণৰ ৰাজ্য কোচবিহাৰলৈ। ৰজা প্ৰজা উভয়ৰ মাজত মাধৱ পুৰুষৰ জনপ্ৰিয়তা বাঢ়িল যদিও বিৰোপাক্ষ কাজীৰ বিৰোধ ক্ৰমান্বয়ে বাঢ়ি গ'ল। মাধৱৰ ব্যক্তিত্ব, প্ৰজ্ঞা আৰু প্ৰতিভাৰ বলত সি অন্ত পৰিল।

তদানীন্তন কালত মহাপুৰুষ শঙ্কৰদেৱে বিৰল ব্যক্তিত্বৰ গৰাকী মাধৱ বান্ধৱৰ বাহিৰে আৰু দ্বিতীয় এগৰাকী পোৱা নাছিল। গুৰুজনৰ লগত ছাঁৰ দৰে থাকি তেওঁ গুৰু ধৰ্ম্মৰ সুক্ষ্মাতিসুক্ষ্ম কথাবোৰো যথাযথ ভাৱে অনুশীলন কৰিছিল। সেয়ে গুৰুজনৰ দৃষ্টিদৰ্শন, সৃষ্টিশীল প্ৰতিভা, পাণ্ডিত্য আৰু কলাময় অনুভূতিৰ প্ৰভাৱ মাধৱৰ ওপৰত পোনে পোনে পৰিছিল। তাতে আকৌ মাধৱ আছিল এগৰাকী সুকণ্ঠী গায়ক আৰু সুৰকাৰ। সেয়েহে মাধৱৰ প্ৰজ্ঞা আৰু প্ৰতিভা দেখি বৰগীত আৰু একাধিক পুথি ৰচনাৰ দায়িত্ব মাধৱলৈ এৰি থৈ গৈছিল। এনেবোৰ কাৰ্য্যৰ দ্বাৰা গুৰুজনে মাধৱদেৱৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ পৰিচয় দি থৈ গৈছে।

ভকতসকলৰ দৃষ্টিত গুৰুধৰ্ম্মৰ প্ৰতি চেতনা যোগোৱাত মাধৱপুৰুষ সবাতোকৈ অগ্ৰগনী। গুৰুজনৰ চিন্তা-অনুভূতিৰ মাধ্যমত একশৰণ নামধৰ্ম্মক পূৰ্ণ কলাত্মক ৰূপ দিয়াত মাধৱ আছিল পূৰ্ণ কলাকাৰ। উজনি-নামনি আৰু বেহাৰ এই তিনি ৰাজ্যত অসংখ্য সত্ৰ প্ৰতিষ্ঠা কৰি আধ্যাত্মিক আৰু সাংস্কৃতিকভাৱে প্ৰৱল জনজাগৰণৰ সৃষ্টি কৰাত মাধৱ আছিল সফল ব্যক্তি। নামঘোষাত ভক্ত কবি মাধৱদেৱৰ ব্যক্তিত্বৰ অতুলনীয় প্ৰতিফলন প্ৰতিটো স্তৱকতে বিৰাজমান।

ৰামায়ণত শ্ৰীৰাম আৰু হনুমন্তৰ দৰে অসমৰ একশৰণ নামধৰ্ম্মত শ্ৰীমন্ত শঙ্কৰদেৱ লীলাপুৰুষ আৰু শ্ৰীশ্ৰীমাধৱদেৱ সেৱা পুৰুষ। সেৱাপুৰুষ লীলাপুৰুষৰ মহাউদ্দেশ্য সফল কৰাত সদায় সাজু থাকে। সেৱাপুৰুষৰ জীৱনত ই এক মহৎ ত্যাগ। মাধৱপুৰুষে এই সেৱাক ব্যক্তিগত চিন্তা আৰু ব্যক্তিগত ক্ৰিয়াকলাপৰ পৰা মুক্ত কৰি সামাজিক ৰূপ দি গৈছে-'দিয়া মোক সেৱা ৰস সাৰ' বুলি। সাহিত্যৰ নৱৰসৰ লগত 'দশম ৰস' এটি যোগ দি জগতৰ বাবে আদৰ্শ থৈ গ'ল। মাধৱে সৃষ্টি কৰি গ'ল এটা জাতি। সেয়ে হ'ল হৰি ভকত। শ্ৰীমাধৱদেৱৰ মহাজীৱনেই সেৱাৰসৰ সাৰ। সেৱাৰ মুৰ্ত্তিমন্ত ৰূপ শ্ৰীমাধৱ পুৰুষৰ জীৱন। তথাপি সন্তুষ্টি হব পৰা নাই।

'দাস হুয়া তযু সেৱা নকৰিলো
হৰি হৰি হৰি হৰি এ..........।' ৮১৩।।

মাধৱপুৰুষ মহাৰথী, তেওঁ কতো মুক্তি কামনা কৰা নাই। মুক্তিৰ সলনি 'ৰসময় ভকতিহে' প্ৰাৰ্থনা কৰিছে।

বিচাৰ শক্তিৰে মানুহ দেৱতুল্য তথাপি চিন্তা আৰু বিচাৰৰ ধাৰা একে নহয়। চিন্তা সংসাৰ সমুদ্ৰৰ চাকনৈয়া আৰু বিচাৰ জীৱন নাৱৰ গুৰিবঠা। এই গুৰিবঠাইহে জীৱনক নিৰাপদ পাৰলৈ লৈ যায়। সৎ পুৰুষসকলৰ বিবেকী বিচাৰৰ ওপৰতে সমাজ বৰ্তী আছে. অসমৰ সাংস্কৃতিক বুৰঞ্জীতো ত্যাগ, প্ৰেম, কৰুণা আৰু আদৰ্শৰ উদাহৰণেৰে পূৰ্ণ।

গীতাই মানৱ সমাজক পাঁচ ভাগত বিভক্ত কৰি পঞ্চপথৰ নিৰ্দ্দেশ দিছে। এই ভাগকেইটা হ'ল জ্ঞানী, কৰ্ম্মী, ধ্যানী, ভক্ত আৰু শ্ৰদ্ধালু। এই ক্ষেত্ৰত মাধৱ পুৰুষৰ বিচাৰ বিশ্লেষণ অতি স্পষ্ট আৰু ব্যৱহাৰিক।

'অধমে কেৱল দোষ লৱয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ।
উত্তমে কেৱল গুণ লৱয় উত্তমোত্তমে
অল্প গুণ কৰয় বিস্তাৰ।।' ১২০ ।।

ইয়াত অধমৰ পৰা মধ্যম, মধ্যমৰ পৰা উত্তম, উত্তমৰ পৰা উত্তমোত্তমৰ স্থিতিলৈ উত্তৰণ ঘটিছে। এই ক্ৰমবিকাশত মানুহক নতুনকৈ চোৱা আৰু জনাৰ প্ৰচেষ্টা আছে। সাধাৰণতে মানুহৰ ওপৰত মানুহৰ বিচাৰ-বিশ্লেষণ-প্ৰায় প্ৰশংসা বা নিন্দাতে সীমাবদ্ধ। আচলতে গুণ গ্ৰহণ কৰিব জানিলে 'ৰামতো আছে ৰাৱণতো আছে।' মাধৱপুৰুষে বিচাৰ বিশ্লেষণৰ অৱতাৰণাৰে 'নামঘোষা' মহা গ্ৰন্থখন মণি মুকুতাৰ সাগৰত পৰিণত কৰি থৈ গৈছে। এই মহাগ্ৰন্থৰ প্ৰতিটো পাততে শ্ৰীমাধৱদেৱৰ বিশাল ব্যক্তিত্ব আৰু মহান ভাৱমূৰ্ত্তি উজ্বল হৈ আছে। ইয়াত আত্মাৰ মহানতাক জীৱনৰ মাজত আৱিস্কাৰ কৰিছে? য'তে জীৱন আছে ত'তে গুণ আছে।

সৌন্দৰ্য্য বিচাৰতো মহাপুৰুষ মাধৱদেৱৰ বিচাৰ পদ্ধতি আত্মগত। সুন্দৰৰ এনে বিশ্লেষণ মাধৱ পুৰুষৰ বাবেহে সম্ভৱ হৈছিল। তেওঁৰ দৃষ্টিত স্পৃহাহীন মন এটাই সৃষ্টিৰ ভিতৰত সবাতোকৈ সুন্দৰ। মনৰ সুন্দৰতাই বিশ্বৰো সুন্দৰতা। জন্ম মৃত্যুৰ বন্ধনমুক্ত হবলৈ সুন্দৰ মন এটাই একমাত্ৰ শক্তি। সুন্দৰ মনতে গংগা যমুনাৰ স্থিতি। কাম, ক্ৰোধ, লোভ মোহ বিবৰ্জিত মনতহে নিষ্কাম ভকতি সিজে। মাধৱ পুৰুষে সিদ্ধান্ত দিছে।





'ঈশ্বৰ কৃষ্ণৰ পাদ-পদ্ম ভজি স্পৃহাহীন ভৈল যিটো
সিটো মনগোটে যিমতে শোভা কৰয়'। ৬২২ ।।

মাধৱপুৰুষে সেৱকৰ সমাজ এখন ৰচনা কৰি থৈ গৈছে। বঢ়া পো নিজে মাধৱ, কিন্তু লোকজনৰ বাবে পৰমবান্ধৱ। মাধৱ বান্ধৱৰ সামাজিক দৃষ্টি দৰ্শন আছিল সেৱকৰ। সেয়েহে আত্মসন্তুষ্টিৰে ঘোষণা কৰি থৈ গৈছে --

'নোহো জানা আমি চাৰি জাতি চাৰিও আশ্ৰমী নোহো আতি
নোহো ধৰ্ম্মশীল দান-ব্ৰত-তীৰ্থগামী।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপীভৰ্ত্তা পদকমলৰ
দাসৰো দাসৰ তান দাস ভৈলো আমি।' ৬৭০।।

মাধৱপুৰুষ নিজেই সেৱাৰ জীৱন্ত আৰ্হি। এই সেৱা মানৱ সেৱা, জীৱ সেৱা আৰু ঈশ্বৰ সেৱা। এই সেৱাৰ মাজতে পান কৰি গৈছে সেৱা ৰস-'মোক দিয়া সেৱা ৰস সাৰ'। আলংকাৰিকৰ দৃষ্টিত শান্ত ৰসেই শ্ৰেষ্ঠতম। কিন্তু মাধৱদেৱে সেৱা ৰসকহে সাৰ বুলি কৈছে। সেৱক হব লাগিব গোপীৰ নিচিনা, হনুমন্তৰ নিচিনা। গুৰু সেৱা, ভকত সেৱা, আৰু জীৱ সেৱাৰ আৰ্হি অসমৰ ইতিহাসত কেৱল মাধৱ দেৱতেইহে আছে। তথাপি তেওঁ নিজৰ সেৱাত তৃপ্ত হোৱা নাই।

'হৰি হৰি হৰি হৰি এ
ইটো ঘোৰ অপৰাধৰ চিকিৎসা নাই '

এখন সেৱক সমাজ গঢ়াৰ চেতনা তেওঁৰ প্ৰতিটো কৰ্ম্ম আৰু আচৰণত দেখা পাওঁ--

'সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজোহেন দেৱ যদুপতি।।' ১।।

মহাপুৰুষসকল পৃথিৱীলৈ আহে এক মহৎ উদ্দেশ্য লৈ। শ্ৰীমন্ত শঙ্কৰদেৱৰো উদ্দেশ্য আছিল মহৎ-জীৱৰ কল্যাণ সাধন।

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।।' ৩৭১।।

সেৱক মাধৱে গুৰুজনৰ সপোন ৰূপায়ণ কৰিবলৈ ওৰেটো জীৱন সাধনা কৰি গ'ল-

চাৰে চাৰিশ বছৰৰ পূৰ্ব্বে মাধৱদেৱে অসমীয়া জাতিক ধৰ্ম্ম-সমাজ, সাহিত্য-

সংস্কৃতি, চৰিত্ৰ আৰু জাতীয়তা দি গ'ল। দুজনা মহাপুৰুষে আত্ম প্ৰতিভাৰ বলেৰে পূৰ্ব্বাঞ্চলৰ এই ভূখণ্ডত ধৰ্ম্মীয় জীৱন গঢ় দি থৈ গ'ল। তেতিয়াৰ পৰা অসমীয়া এটা জাতি বুলি পৰিচয় হ'ল। এই দুজনা মহাপুৰুষৰ বাহিৰে বিশ্বৰ আন কোনো ধৰ্ম্মপ্ৰচাৰকে সকলো ক্ষেত্ৰতে নিজ প্ৰতিভা বিস্তাৰ কৰি যোৱাৰ কথা জনা নাযায়।

ভাৰতীয় দাৰ্শনিকসকলে মোক্ষ প্ৰাপ্তিৰ বাবে জ্ঞান-কৰ্ম্ম ভক্তি এই তিনিটা পথৰ সন্ধান দি গৈছে। জ্ঞান পথৰ ভাৰ গ্ৰহণ কৰাটো সকলোৰে বাবে সম্ভৱ নহয়। সেইদৰে কৰ্ম্মযুগ-এক কঠিন সাধনা। কাৰণ, কামনাযুক্ত কৰ্ম্ম বিফল প্ৰয়াস। কলিত সৰ্ব্বজনৰ বাবে ভক্তি পথেই সুগম বুলি আমাৰ মহাপুৰুষে দুজনে সিদ্ধান্ত দি গৈছে। সেব্য সেৱকৰ ভাৱ ভক্তিয়েই সংসাৰী লোকৰ পক্ষে সহজ আচৰণ বুলি ঠাৱৰ কৰি গৈছে। এইয়ে মহাপুৰুষীয়া ধৰ্ম্মৰ মূল আচৰণ আৰু শিক্ষা।

ভক্তিৰে চৈতন্যময় ঈশ্বৰৰ আৰাধনাই মহাপুৰুষীয়া ধৰ্ম্মৰ মূল আচৰণ। কীৰ্ত্তন ঘোষাত আৰাধনাৰ উপায় নৱবিধ বুলি উল্লেখ আছে। এই নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ কীৰ্ত্তনকে সাধনাৰ মুখ্য উপায় বুলি সিদ্ধান্ত দি গৈছে।

'মায়া আদি যত সমস্ত জগত জড়।
কৃষ্ণেসে চৈতন্য আত্মা শুদ্ধ।।'

সকলো পৰিস্থিতিতে মাধৱদেৱ আছিল সত্যনিষ্ঠ আৰু দৃঢ়। তেওঁৰ সংগঠন শক্তিও অসীম। সত্ৰসমূহ ঠন ধৰি উঠিল তেওঁৰ সাংগঠনিক স্থিতিতে। তাৰে ফলত অসমীয়াই নতুন চেতনা পালে। তেওঁৰ সকলোখিনি ৰচনাই অসমীয়া জাতিৰ পক্ষে, অসমীয়া ভাষাৰ পক্ষে মহামূল্য সম্পদ।

শ্ৰীমন্ত শঙ্কৰ পুৰুষৰ হাতত গুৰু আৰু দেৱতত্ত্ব প্ৰকাশ পাইছে। মাধৱদেৱ পুৰুষত প্ৰকাশ নাম আৰু ভকত তত্ত্ব। সেইদৰে কীৰ্ত্তনত গুৰুতত্ত্ব আৰু দশমত দেৱতত্ত্ব-- ঘোষাত নামতত্ত্ব আৰু ৰত্নাৱলীত ভকত তত্ত্ব প্ৰকাশি গৈছে। ইয়াতে শ্ৰীমন্ত শঙ্কৰমাধৱ অভেদ্য। কীৰ্ত্তন-দশম শ্ৰীমন্ত শঙ্কৰ গুৰুৰ মূৰ্ত্তি স্বৰূপ।

গুৰুজনা চলাৰ পাছত শ্ৰীমাধৱ পুৰুষৰ কৰ্ম্ম আৰু দায়িত্ব বাঢ়িল। গুৰুপত্নী সমন্বিতে পৰিয়ালটিৰ সেৱাত মাধৱ পুৰুষ ব্ৰতী হৈ পৰিল। ইয়াতে গুৰুজনাৰ ভাই-ভতিজা, জ্ঞাতিসকলৰ ঈৰ্ষা জাগিল। মাধৱ পুৰুষৰ ভয় হ'ল গুৰু ধৰ্ম্ম প্ৰচাৰ ব্যাহত হব বুলি। এনে পৰিস্থিতিত গুৰুজনাৰ একান্ত সেৱক তথা মাধৱ পুৰুষৰ একান্ত বান্ধৱ শ্ৰীনাৰায়ণ দাস ঠাকুৰ আতাৰ প্ৰবোধ বাণীয়ে মাধৱদেৱক গুৰুধৰ্ম্ম প্ৰচাৰত দৃঢ় কৰিলে। গুৰু বাক্য সুঁৱৰি প্ৰথমে নাম-ঘোষা সংকলনত হাত দিলে।

'গুৰু সেৱা কৰি মই যিবা সত্য পালো।





সমস্তকে আনি ঘোষা শাস্ত্ৰত লিখিলো।।
শাস্ত্ৰ বিচাৰিয়া মই যিবা তত্ত্ব পালো।
সমস্তকে আনি ঘোষা শাস্ত্ৰত লিখিলো।।
হৃদিশ্বৰ উপদেশে যিবা সত্য পালো।
সমস্তকে আনি ঘোষা শাস্ত্ৰে নিবন্ধিলো।।'

..............................................................

'পৃথিৱীত ধৰ্ম্ম শাস্ত্ৰ আছে য'ত য'ত।
সমস্তৰে সাৰ আছে ঘোষাৰ মধ্যত।।
নশ্বৰ আমাৰ দেহা হুইবেক গত।
কিন্তু মোৰ আত্মা ৰৈব ঘোষাৰ মধ্যত।।'

ইয়াতেই শ্ৰীমাধৱ পুৰুষৰ ভাৱ-মূৰ্ত্তি মূৰ্ত্তিমান হৈ আছে।

**অনুকৰণীয় গ্ৰন্থ ঃ**

ফুৰো হুয়া আমি আনন্দিত--হেমভাই।
ভৱপ্ৰসাদ চলিহাৰ প্ৰবন্ধ--নামধৰ্ম্ম।

**লেখকৰ পৰিচয়ঃ**

শ্ৰীনৰেন্দ্ৰ নাথ কেওঁট
প্ৰাক্তন অধ্যক্ষ, মৰিগাঁও মহাবিদ্যালয়,
জ্যোতিনগৰ, মৰিগাঁও।

# নাম-ঘোষাত কলিযুগৰ মাহাত্ম্য

**মিলেশ্বৰ পাতৰ**

মানুহ সামাজিক প্ৰাণী। সমাজক নিয়ন্ত্ৰিত অৱস্থাত ৰাখিবলৈ ধৰ্মীয় চিন্তা, ধৰ্ম্মীয় অনুষ্ঠান বা আধ্যাত্মিক চিন্তা-চৰ্চাৰ প্ৰয়োজন। ধৰ্মৰ পৱিত্ৰ শাসনে মানুহক বেয়া চিন্তা, বেয়া কাম বা পাপ কৰ্ম আদিৰ পৰা নিলগাই ৰখাত মুখ্য ভূমিকা পালন কৰে। পৃথিৱীত প্ৰায় সকলো মানুহ, সকলো সমাজেই ধৰ্মীয় বিশ্বাসৰ জৰিয়তে ঈশ্বৰ মানি চলে। অৱশ্যে তেনে বিশ্বাসৰ ভিন্নতা আছে। সমাজ সুশৃঙ্খলভাৱে পৰিচালিত কৰা অসামাজিক চিন্তা-চৰ্চাৰ পৰা মানুহক বিৰত ৰখাৰ স্বাৰ্থতে বিশ্বাস পৰম্পৰা আদিৰ ভূমিকা নুই কৰিব নোৱাৰি। এইবোৰৰ বৈজ্ঞানিক ভিত্তিও নোহোৱা নহয়।

ভাৰতবৰ্ষ বা ভাৰতীয় মানুহৰ মন ধৰ্মীয় বিশ্বাস বা আধ্যাত্মিকতাৰে প্ৰভাৱিত। মানুহে ভগৱান বা ঈশ্বৰ, মুক্তি, কৰ্ম্মফল, পুনৰজনম ইত্যাদি বিশ্বাস অনাদি কালৰে পৰা কৰি আহিছে। হিন্দু শাস্ত্ৰবোৰো মানুহৰ এনে বিশ্বাস পৰম্পৰা আদিৰ ওপৰত ভিত্তি কৰিয়েই ৰচিত হৈছে। মানুহৰ বিশ্বাস আদিৰ ওপৰত ভিত্তি কৰিয়েই শাস্ত্ৰবোৰ ৰচিত হৈছিল নে শাস্ত্ৰবোৰৰ আধ্যাত্মিক ভাৱক কেন্দ্ৰ কৰিয়েই মানুহৰ মনবোৰ গঢ় লৈছিল সেয়া সঠিকভাৱে কোৱা টান। কিন্তু এই কথাটো নিশ্চয় ক'ব পাৰি যে, হিন্দু শাস্ত্ৰবোৰে মানুহৰ মনক সহজতে ঈশ্বৰ বিশ্বাসী কৰি আধ্যাত্মিক জগতলৈ টানি নিয়া নাই, সামাজিক দিশত ইয়াৰ প্ৰভাৱ আৰু প্ৰয়োজন অতি প্ৰাসঙ্গিক। এনে শাস্ত্ৰবোৰৰ সিদ্ধান্ত বা মতবাদত ঈশ্বৰ তত্ত্বৰ বাহিৰেও ব্যক্তি আৰু সমাজ জীৱনৰ আচাৰ-নীতি সাঙুৰ খাই আছে আৰু ইবিলাক বিজ্ঞান সন্মতও।

খ্ৰীষ্টপূৰ্ব প্ৰায় আঢ়ৈ হাজাৰ বছৰৰ পূৰ্বে ভাৰতীয় বেদ ৰচিত হৈছিল বুলি পণ্ডিত সকলে অনুমান কৰে। সেই ঋক্, সাম, যৰ্জু, অথৰ্ব -চাৰিবেদৰ সাৰমৰ্মই হৈছে হিন্দুধৰ্মৰ মূল। সামাজিক জীৱন, সমাজৰ কল্যাণৰ বাবে ব্যক্তি আৰু সমাজক সততাৰে আবদ্ধ কৰি ৰাখিবৰ বাবে আৰ্য ঋষিসকলে সমূহীয়াভাৱে যিবোৰ কথা ঈশ্বৰক কেন্দ্ৰ কৰি কৈছে সেইবোৰেই শাস্ত্ৰ আৰু তাৰ সাৰ তত্ত্বই হৈছে- ধৰ্ম। ঈশ্বৰ বিশ্বাসৰ মূল তত্ত্ব হৈছে--পৰমব্ৰহ্ম ভগৱান এই বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা।





তেৱেঁই ত্ৰিলোকৰ হৰ্তা-কৰ্তা আৰু আত্মাৰূপে সকলো জীৱতে ব্যাপ্ত হৈ আছে। সৃষ্টি, স্থিতি, প্ৰলয়ৰ বাবে ঈশ্বৰ পৰম ব্ৰহ্মই মূল। এই বিশ্বাস কেৱল ভাৰতীয় হিন্দু ধৰ্মাৱলম্বী লোকেই নহয় পৃথিৱীৰ প্ৰায় সকলো ধৰ্মৰ লোকেই তেনে বিশ্বাস কৰে। এই নিৰাকাৰ হৰিকেই ভক্তসকলে সাকাৰ ৰূপে গোকুলত দ্বিভূজী শ্ৰীকৃষ্ণ, বৈকুণ্ঠত চতুৰ্ভূজী বিষ্ণু ৰূপে বিশ্বাস কৰে। এৰেঁই দ্বাপৰ যুগৰ পূৰ্ণ অৱতাৰ মানৱৰূপী শ্ৰীকৃষ্ণ। ভগৱান শ্ৰীকৃষ্ণৰ ইচ্ছাতেই এই বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি, স্থিতি আৰু লয় হয়।

শাস্ত্ৰসমূহৰ সিদ্ধান্ত অনুসৰি চাৰিটা 'যুগ' নিৰ্ণীত হৈছে। এই চাৰিটা যুগ হৈছে-সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলিযুগ। বিজ্ঞানীসকলৰ মতে পৃথিৱী অৰ্থাৎ সৌৰজগতৰ সৃষ্টি হৈছে ৫.৫ বিলিয়ন বৰ্ষৰ পূৰ্বে। এই সৌৰজগতৰ বা বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ কালৰ পৰাই যুগ নিৰ্ণয় কৰা হৈছে। সত্য, ত্ৰেতা যুগৰ পিচৰ দ্বাপৰ যুগত পূৰ্ণ অৱতাৰ মানৱৰূপী ভগৱান শ্ৰীকৃষ্ণৰ আৱিৰ্ভাৱ হৈছিল। দ্বাপৰ যুগৰ অন্ত আৰু কলিযুগৰ আৰম্ভণিৰ সন্ধিক্ষণত ভগৱান কৃষ্ণই ভক্তিপন্থৰ জ্ঞান, উপদেশ উদ্ধৱত সমৰ্পণ কৰি বৈকুণ্ঠ প্ৰয়াণ কৰিছিল। সেইখিনি সময়ৰ পৰা কলিযুগৰ আৰম্ভ হৈ বৰ্তমান সময়লৈকে প্ৰায় পাঁচ হাজাৰ বছৰৰ অধিক হৈছে বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। আকৌ, শাস্ত্ৰৰ মতে কলিযুগৰ আয়ুস হেনো-৪ লাখ ৩২ হাজাৰ বছৰ। শ্ৰী শ্ৰীব্ৰহ্মবৈৱৰ্ত পুৰাণত উল্লেখ আছে যে--নাৰদে নাৰায়ণৰ মুখৰ পৰাই কলিযুগৰ স্বৰূপ বৰ্ণনা লাভ কৰিছিল। কলিযুগত মিছা, হিংসা, কপটতাৰ আশ্ৰয়ত মানুহ পথভ্ৰষ্ট হ'ব। সত্ত্বগুণ, সত্যধৰ্ম, বেদ-বেদান্ত লোপ হৈ সদাচাৰ ভ্ৰষ্ট হ'ব। দম্ভ, শঠ, অহঙ্কাৰৰ প্ৰভাৱ পৰিব। ব্ৰাহ্মণ, শূদ্ৰ আৰু বৈশ্যই নিজ ধৰ্মশাস্ত্ৰ ত্যাগ কৰি শূদ্ৰৰ দাসত্ব মানিব। সাধুসকল অসাধু বুলি গণ্য হব। অজ্ঞান, ধূৰ্ত্ত, প্ৰবঞ্চকলোকে সকলোতে সন্মান পাব। মানুহবোৰ অল্প-জীৱি হ'ব। পৃথিৱীত অৰাজকতাৰ সৃষ্টি হ'ব। যোনি বিচাৰ নকৰা হৈ সকলো ম্লেচ্ছ হ'ব। তেতিয়া মানুহৰ আকৃতিও বুঢ়া আঙুলিৰ সমান হ'ব আৰু কল্কিৰ আবিৰ্ভাৱ হৈ তিনিৰাতিৰ ভিতৰতে সকলো ম্লেচ্ছক বিনাশ কৰিব। তেতিয়া নেৰা নেপেৰাকৈ ছয় ৰাতি ধাৰাসাৰ বৰষুণ হ'ব আৰু পৃথিৱীত একো গছ-গছনি নেথাকিব। সেই সময়তে বাৰটা সূৰ্য্য উদয় হৈ পৃথিৱী শুকান কৰি তুলিব আৰু এই সময়ৰ অতীত হ'লে সত্যযুগ পুনৰ আৰম্ভ হ'ব। নাৰায়ণে নাৰদক কলি যুগৰ হ'ব লগা অনাচাৰ ব্যভিচাৰৰ বৰ্ণনা দি--- সত্যযুগৰ ধৰ্ম্ম চাৰিগুণ, ত্ৰেতাত তিনিগুণ, দ্বাপৰত দুগুণ আৰু কলিযুগৰ আৰম্ভণিতে একগুণ হৈ শেষলৈ বিনাশ হ'ব। ভগৱান কৃষ্ণৰ ইচ্ছাতেই এনেদৰে সকলোৰে পতন ঘটে আৰু তেওঁৰ ইচ্ছাতেই পুনৰ সৃষ্টি হয়। এনেদৰে কিমানবাৰ প্ৰলয় বা সৃষ্টি হৈছে

তাক ঠাৰৰ কৰিব পৰা নাই। কিমান ব্ৰহ্মাণ্ড আছে, কিমান ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আছে আৰু কিমান সৃষ্টি বস্তু আছে সেয়া কোনোৱে নাজানে। অনন্তকোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী। এই সকলোৰে মূল একমাত্ৰ ঈশ্বৰ। তেওঁৰ সৃষ্টি সকলো নশ্বৰ, কালে লয় কৰে। পৰম ব্ৰহ্ম ভগৱান নিৰাকাৰ, কিন্তু ভকতৰ আৰাধনাত তেওঁ নানা ৰূপ ধাৰণ কৰে। পৰমাত্মাই পৰমব্ৰহ্ম। জন্মলাভ কৰা সকলোৱে এদিন মৃত্যুৰ জৰিয়তে পৰমাত্মাত বিলীন হৈ পৰে। কৃষ্ণৰ প্ৰভাৱতে বহ্মাই সৃষ্টি কৰে আৰু কৃষ্ণৰ প্ৰভাৱতেই মহেশ্বৰে সংহাৰ কৰে। কৃষ্ণ নিত্য সনাতন।

কলিযুগত জীৱই ত্ৰিতাপেৰে তাপিত হৈ নানা শাস্তি ভুগিছে। এই ত্ৰিতাপ হৈছে আধ্যাত্মিক, আধিদৈৱিক আৰু আধিভৌতিক। এই ত্ৰিতাপৰ পৰা আত্মৰক্ষা পোৱাটো সহজ নহয়। ঈশ্বৰৰ চৰণ সেৱাত আত্মনিয়োগ কৰি তেওঁৰ কৃপা বৰিষণৰ দ্বাৰাই জীৱই কেনেকৈ এই ত্ৰিতাপৰ পৰা অব্যাহতি পাব পাৰি সেইয়া শ্ৰীমদ্ভাগৱত শাস্ত্ৰত দেখুওৱা হৈছে। উৰণ, বুৰণ,গজন আৰু ভ্ৰমণ -- এই চাৰিমুঠি জীৱৰ ভিতৰত মনুষ্য জীৱইহে ভগৱৎ বিষয়ক চিন্তা বা ধাৰণা কৰিবলৈ সক্ষম। মায়াত ভোল গৈ সমস্ত জগতেই মোহ অন্ধকাৰত ডুব গৈ থাকে। এই অনিত্য বিষয়ক তুচ্ছ জ্ঞান কৰি ভগৱন্তৰ চৰণত যিসকলে নিজকে অৰ্পণ কৰিব পাৰিছে-- সেয়েই সংসাৰ মায়াৰ হাতৰ পৰা ৰক্ষা পোৱাৰ উপায়। এনে উদ্দেশ্যত শ্ৰীমদ্ভাগৱতৰ সাৰ তত্ত্ব গ্ৰহণ কৰি শ্ৰীমন্ত শঙ্কৰদেৱে একশৰণ হৰি নাম ধৰ্ম্মৰ পথৰ সন্ধান দিলে। ইয়াৰ পূৰ্ব্বতেও ভাৰতবৰ্ষত ধৰ্ম্ম নথকা নহয়, কিন্ত একশৰণ হৰি ভক্তিৰ পথ পূৰ্ব্বে নাছিল--সেয়া মাধৱদেৱে ঘোষণা কৰিছে। মহাপুৰুষীয়া ধৰ্ম্মৰ ভেটি হৈছে বেদান্ত। মহৰ্ষি বাদৰায়ণ ব্যাসৰ বেদান্তসূত্ৰ বা ব্ৰহ্মসূত্ৰই বেদান্ত দৰ্শনৰ আধাৰ গ্ৰন্থ। পৃথিৱীৰ আদি ধৰ্ম্ম শাস্ত্ৰ হ'ল বেদ। বেদৰ শিৰোৰত্ন ভাগেই হ'ল উপনিষদ আৰু উপনিষদৰ সমষ্টিয়েই হ'ল বেদান্ত। এই বেদান্ত শাস্ত্ৰসমূহৰ সাৰ সংগ্ৰহেই হৈছে শ্ৰীমদ্ভাগৱত মহাগ্ৰন্থ। এই মহাভাগৱত গ্ৰন্থ পূৰ্বে বৈকুণ্ঠত আছিল। শ্ৰীনাৰায়ণে অৰ্দ্ধকাল যোৱাত কৃপা কৰি 'পদ্মকল্প'ত ব্ৰহ্মাক কৈছিল। ব্ৰহ্মাই এই ভাগৱত তত্ত্ব নাৰদক কৈছিল, দেৱৰ্ষি নাৰদে ব্যাসক কৈছিল। ব্যাসে মহা মুনি শুকদেৱক কৈছিল। শুকদেৱে মহাৰাজ পৰীক্ষিতৰ ওচৰত কীৰ্ত্তন কৰিছিল। অসমত একশৰণ হৰিনাম ভক্তি ধৰ্ম্মৰ প্ৰচাৰৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱে ভাগৱত পুৰাণকে বেদান্ত সূত্ৰৰ ভাষ্যৰূপে গ্ৰহণ কৰিছিল, কাৰণ ভাগৱতেই সমস্ত বেদান্তৰ ভাষ্য বা সাৰ স্বৰূপ আছিল।

শঙ্কৰদেৱৰ কীৰ্ত্তন, দশম, আৰু মাধৱদেৱৰ 'ঘোষা', 'ৰত্নাৱলী',ক





মহাপুৰুষীয়া ধৰ্ম্ম অৰ্থাৎ একশৰণ হৰি নামধৰ্ম্মৰ 'চাৰি বেদ' বা 'চাৰিখুটি' বোলা হয়। 'নাম-ঘোষা' মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ কীৰ্ত্তিস্তম্ভ স্বৰূপ আৰু অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভিতৰতে অন্যতম গ্ৰন্থ। 'নাম-ঘোষা'ত একশৰণ নামধৰ্ম্মৰ সাৰমৰ্ম্ম প্ৰতিষ্ঠাপিত হৈছে। যি শাস্ত্ৰত মাধৱদেৱে কেৱল ভগৱন্তৰ নামৰেই ঘোষণা কৰিছে-- সেই শাস্ত্ৰভাগিয়েই 'নাম-ঘোষা'। নাম-ঘোষাৰ বিষয়বস্তু অতি বিশাল আৰু সুগভীৰ। শঙ্কৰী ধৰ্ম্মৰ একশৰণবাদ, বিষ্ণু কৃষ্ণৰ একমাত্ৰ উপাস্যতা, মায়াতৰণৰ উপায়, জ্ঞানকৰ্ম্মৰ ওপৰত ভক্তিৰ শ্ৰেষ্ঠতা, ভক্তিৰ শ্ৰৱণ কীৰ্ত্তনৰ প্ৰাধান্যতা, দাস্য ভক্তিৰ গৰিমা, নিস্পৃহ ভক্তিৰ শ্ৰেষ্ঠতা, সাধুসঙ্গৰ মাহাত্ম্য, অৱতাৰবাদ, ভক্তি ধৰ্ম্মৰ চাৰি তত্ত্ব গুৰু, দেৱ, নাম, ভকতৰ মাহাত্ম্য--এই সমস্ত কথাই উপস্থাপিত হৈছে। চৰাচৰ জগতৰ মূল পৰমাত্মা বুলি মাধৱদেৱে নাম-ঘোষাত বৰ্ণনা কৰিছে। পৰমাত্মাই সকলো আত্মাৰ আধাৰ। গ্ৰীক দাৰ্শনিক প্লেটোৰ দৰ্শন আছিল যে পৃথিৱীৰ সকলো বস্তুৰে এটা মূল উৎস আছে-আৰু সেই উৎসৰ পৰাই সকলো বস্তুৰ উৎপত্তি হৈছে। প্লেটোৰ এই দৰ্শনৰ সৈতেও মাধৱদেৱৰ এই 'আত্মা' আৰু 'পৰমাত্মা'ৰ সম্পৰ্ক বিষয়ক চিন্তাৰ সাদৃশ্য আছে। পৰমাত্মাৰ স্থিতি আৰু তাৰে ক্ষুদ্ৰ অংশ ধাৰণকাৰী জীৱ হিচাপে নিজকে ধাৰণা কৰিয়েই মাধৱদেৱে 'নাম-ঘোষা'ত উপস্থাপিত কৰিছে।

ঘোৰ কলি যুগত জীৱ তৰণৰ উপায় হিচাপে একমাত্ৰ হৰিৰ গুণ নামৰ জৰিয়তেই সম্ভৱ বুলি নাম-ঘোষাত নিৰ্ণীত কৰা হৈছে। সত্যযুগত ধ্যান, ত্ৰেতাযুগত যজ্ঞ, দ্বাপৰযুগত পূজা, আৰু কলিযুগত হৰিৰ নামগুণ কীৰ্ত্তনৰ বিনে দ্বিতীয় একো নাই বুলি সিদ্ধান্ত দিছে। যি সিদ্ধান্ত ভগৱান কৃষ্ণই অৰ্জুনৰ সন্মুখত দাঙি ধৰিছিল। মাধৱদেৱে নাম-ঘোষাত যুগধৰ্মৰ সিদ্ধান্ত উপস্থাপন কৰিছে। কলিৰ পাপাচাৰী লোকসকলক যুগধৰ্মৰ অনুযায়ী চলিবলৈহে পথ নিৰ্দেশনা দিছে। শুকদেৱে ভাগৱত ধৰ্ম কীৰ্ত্তন কৰি থাকোঁতে পৰীক্ষিতে চাৰিওযুগৰ ধৰ্ম লক্ষণৰ কথা সুধিছিল--

কোন যুগধৰ্ম ইটো চাৰিও যুগৰ।
কহিয়ো গুচোক মোৰ সংশয় মনৰ।। (ভাগৱত)

ৰজা পৰীক্ষিতৰ এই প্ৰশ্নৰ উত্তৰত শুকদেৱে চাৰিযুগৰ সিদ্ধান্ত স্পষ্ট কৰিছিল। সত্যযুগত তপ, সত্য,দয়া, দান--এই চাৰি পাদৰ ওপৰত ধৰ্ম বৰ্ত্তি আছিল। ত্ৰেতা যুগত ধৰ্মৰ এক পাদ নষ্ট হ'ল। লোক সমাজৰ আত্মিক চিন্তাধাৰা কিছু নিম্ন স্তৰলৈ স্খলিত হ'ল। দ্বাপৰ যুগত ধৰ্মৰ দুই পাদ নষ্ট হ'ল। লোকসমাজৰ আধ্যাত্মিক ভেটিৰ পৰা আৰু অধিক স্খলিত হ'ল। ৰজো গুণৰ প্ৰভাৱ ক্ৰমান্বয়ে বাঢ়িল। কিন্তু

কলিযুগৰ আৰম্ভণিতে অধৰ্মই ধৰ্মৰ তিনিপদ নষ্ট কৰি শেষলৈ চতুৰ্থ চৰণকো নষ্ট কৰিলে। এতেকে কলিযুগৰ যুগধৰ্ম হ'ল-হৰিনাম, শাস্ত্ৰৰ এয়ে সাৰ সিদ্ধান্ত। সেয়ে মাধৱদেৱে উপস্থাপিত কৰিছে যে, যিসকলে নিজৰ কুশল চিন্তা কৰে, কুশল বাঞ্ছা কৰে তেওঁলোকে এই যুগৰ যুগধৰ্ম, সকলো শাস্ত্ৰৰ সাৰ সিদ্ধান্ত হৰিৰ গুণ নাম কীৰ্ত্তন আচৰণ কেতিয়াও নেৰিব--

মিনতি বচন বোলো সৰ্ব্বজন
শুনিয়ো শাস্ত্ৰৰ মৰ্ম্ম।
আপুন কুশল চাৱা যেৱে তেৱে
নেৰিবাহা যুগধৰ্ম্ম।। ৩৭৮ ।।
সত্যযুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
আৰৰ নাহিকে দুজা।। ৩৭৯ ।।

সত্য আদিৰ লোকসকলেও কলিত জন্ম লাভ কৰিবলৈ নিৰন্তৰে বাঞ্ছা কৰে, কাৰণ কলিযুগৰ অন্যান্য কঠোৰ যাগ-যজ্ঞ-যোগ-সাধনা আদি নকৰাকৈয়ে একমাত্ৰ হৰি নাম গুণ কীৰ্ত্তন কৰিয়েই নিশ্চিতভাৱে জীৱই হৰিপৰায়ণ হ'ব পাৰে। তৰণৰ উপায় সহজেই পাব পাৰে।

ভাগৱতত শুকদেৱে পৰীক্ষিতক কৈছে--

কৃতাদিযু প্ৰজা ৰাজন কলাবিচ্ছন্তি সম্ভৱং।
কলৌ খুল ভৱিষ্যন্তি নাৰায়ণ পৰায়ণাঃ।। (শ্ৰীমদ্ভাগৱত)

মাধৱদেৱে উপস্থাপিত কৰিছে--

সত্যাদিৰ লোকে কলিত জনম
বাঞ্ছা কৰে নিৰন্তৰ।
হৰিগুণ গায়া নিশ্চয়ে কলিত
হৈব নাৰায়ণপৰ।। ৩৮০ ।।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেও কৈছে--

সত্যযুগে যত আছিল প্ৰাণী।
কলিত জন্মিবো বোলে কৈসানি।।
হৰি মন ঘোষি কলিযুগত।
নিশ্চয় লোক হৈবে ভকত।। (কীৰ্ত্তন)





দুৰ্ঘোৰ কলিকালত যি লোক হৰি পৰায়ণ হয়, হৰিত শৰণ লৈ হৰিগুণ নাম কীৰ্ত্তন কৰি হৰিতেই যাৰ চিত্ত মজে তেওঁলোক পৰম কৃতকৃত্য হয়। এনে হৰি পৰায়ণ লোকৰ ইহকাল পৰকাল ক'তো ভয় নাই। আনকি সকলো পাতক নাশ কৰি হৰি নামে মলমতি মনুষ্যক সহজতে মুক্তি দিব পাৰে। কলিকালত মনুষ্যই পৱিত্ৰ হৰিগুণ নাম ধৰ্ম্মৰ পাত্ৰ হ'ব পৰাটো পৰম সৌভাগ্যৰ কথা। সেয়ে মাধৱদেৱে কৈছে--

সমস্ত শাস্ত্ৰৰ পৰম নিৰ্ণীত
হৰিগুণ নাম মাত্ৰ।
কলিৰ পৰম মলিন মনুষ্য
সি ধৰ্ম্মৰো ভৈলা পাত্ৰ।। ৩৮৩ ।।

অল্পায়ু মলমতি মনুষ্যসকলে কঠোৰ ধৰ্ম আচৰণ কৰাটো সম্ভৱ নহয় কাৰণেই সকলো শাস্ত্ৰই হৰিগুণ নাম কীৰ্ত্তনকেই এই যুগৰ উপযোগী ধৰ্ম বুলি সিদ্ধান্ত দিছে। পৰম ব্ৰহ্ম কৃষ্ণই পৃথিৱীত অৱতাৰ গ্ৰহণ কৰি কলিযুগৰ আৰম্ভণিৰ আগমুহূৰ্ত্তত হৰিনাম কীৰ্ত্তনক কলিৰ যুগধৰ্ম কৰি থৈগৈছে। এনে হৰিনাম ধৰ্ম মনুষ্যৰ বাবে সুলভ, যি হৰি নাম পূৰ্ব্বে বৈকুণ্ঠত আছিল।

কলিৰ লোকক পৰম দয়ালু
কৃষ্ণে কৰিলন্ত দায়া।
মোৰ নামগুণ গায়া মহাসুখে
তৰোক দুস্তৰ মায়া।। ৩৮৪ ।।

পৰম কৃপালু ঈশ্বৰ কৃষ্ণই কলিৰ প্ৰজাৰ কল্যাণৰ বাবে দ্বাপৰ যুগৰ শেষত নৰৰূপী কৃষ্ণই অৱতাৰ গ্ৰহণ কৰি নিজ গুণ নাম আৰু বৈকুণ্ঠৰ অমূল্যবস্তু 'শৰণ' ধৰ্ম প্ৰকাশ কৰিলে। মহাপাপী কলিৰ মনুষ্যই অবাঞ্চিত ভাৱেই এনে পতিত পাৱন হৰি নাম ধৰ্ম লাভ কৰিলে। সেয়ে মাধৱদেৱে পাপমতি নৰগণৰ ভাগ্যৰ মহিমাৰ কথা কৈছে। সত্য আদি যুগৰ লোকে অনেক যুগ তপস্যা কৰি নাইবা দুষ্কৰ জ্ঞান কৰ্ম আদি সাধন কৰি যি ফল পাবৰ সৌভাগ্য হোৱা নাছিল-- কলিযুগত মনুষ্যই অতি অপ্ৰয়াসে এই সৌভাগ্য লভিছে।

কলিৰ লোকৰ যি ভাগ্য মিলিল
কহিয়া অন্ত নাপায়।
নিৰন্তৰে লোক নাৰায়ণ পৰ
হোৱে হৰিগুণ গাই।। ৩৮৬।।

আকৌ,

মুকুত কোটিৰো মাজত দুৰ্ল্লভ
জানা নাৰায়ণপৰ।
কলিযুগ হেন নাৰায়ণপৰ
হৈৰে লোক নিৰন্তৰ।। ৩৮৭ ।।

ভাগৱত শাস্ত্ৰত স্পষ্টভাৱে কৈছে যে, কোটিজন যোগসিদ্ধ তত্ত্বজ্ঞানী পুৰুষৰ মাজতহে কোনোজন লোক কৃষ্ণপদৰ ভকত হ'ব পাৰে, ই পৰম দুৰ্ল্লভ। কিন্তু কলিযুগৰ লোকসকলৰ এনে মহাভাগ্য যে কেৱলমাত্ৰ কৃষ্ণ চৰণত শৰণাপন্ন হৈ, কেৱল হৰিনাম কীৰ্ত্তন কৰি জীৱই নাৰায়ণ পৰ হ'ব পাৰে।

মুকুতি সাধন্তা শত সহস্ৰ মধ্যত।
জনৈক মুকুত হোৱে দেহাদি সঙ্গত।।
মুকুতৰো শতেক মাজে একজন।
পাৱে তত্ত্বজ্ঞান হোৱে সিদ্ধৰ লক্ষণ।।
যোগসিদ্ধ তত্ত্বজ্ঞানী কোটি ৰ মধ্যত।
কাৎসিতেসে হোৱে হৰি পদৰ ভকত।
ভক্তৰ মধ্যত শান্ত কৃষ্ণৰ বল্লভ।
কোটিৰ মাজত তাক পাইবাৰ দুৰ্ল্লভ।। (ভাগৱত)

সংসাৰত জন্ম লভা মনুষ্যই ধৰ্ম, অৰ্থ, কাম, মোক্ষ--এই চাৰিপুৰুষাৰ্থ সাধন কৰাত অহোপুৰুষাৰ্থ কৰে, জীৱন পাত কৰে, কিন্তু কোটিজনৰ মাজত কোনোজনেহে কাচিৎ এই পুৰুষাৰ্থ লভিব পাৰে। বহুজনৰ বাসনা অপূৰ্ণ হৈয়ে ৰয়। কিন্তু কলিযুগত পুৰুষাৰ্থ সাধনৰ চেষ্টা নকৰাকৈয়ে হৰি নাম কীৰ্ত্তনত ধৰ্ম, অৰ্থ, কাম, মোক্ষ--চাৰিপুৰুষাৰ্থ লাভ কৰিব পাৰি।

শ্ৰৱণে কীৰ্ত্তনে আৰ বৈকুণ্ঠক যায়.
ধৰ্ম্ম অৰ্থ কাম মোক্ষ সবে আতে পায়।। (কীৰ্ত্তন)

মাধৱদেৱে কৈছে--

কলিত হৰিৰ কীৰ্ত্তনত সুখে
সৰ্ব্ব পুৰুষাৰ্থ পায়।
হৰিৰ কীৰ্ত্তন বিনায়ে কলিত
আন মহালাভ নাই।। ৩৮৮ ।।

ঘোৰ কলিযুগত বেদবিহিত সকলো ধম-কৰ্ম যেনে-যাগ যজ্ঞ, হোম, দান,





তীৰ্থ-ব্ৰত, তপস্যা, সন্ন্যাস, বৰ্ণাশ্ৰম, ধৰ্ম্মসমূহ, কঠোৰ জ্ঞান সাধনা, যোগসাধনা আদি সকলো ধৰ্ম বৰ্জিত হ'ল। কলিৰ লোকে ধৰ্ম্মত আশ্ৰয় কৰি ভৱ সংসাৰ পাৰ হোৱা উপায় বৰ্জিত হ'ল। সেয়ে সকলো ধৰ্ম্মই কলিযুগত হৰি নামত আশ্ৰয় লৈছে। সেয়ে হৰিত আশ্ৰয় ললে সকলো তাপ, আসক্তিৰ পৰা মুক্ত হৈ পৰম গতি পাব পাৰে। মাধৱদেৱে ঘোষাত কলিযুগৰ দুৰ্ঘোৰ বিষয়াসক্ত মনুষ্যগণক এই যুগত ফলহীন বেদ বিহীন ধৰ্ম-কৰ্ম আচৰণ নকৰি একমাত্ৰ হৰি নাম কীৰ্ত্তনকেই আচৰণ কৰিবলৈ সকিয়াঁই দিছে। মহামুনি ব্যাসে মূলভাগৱত গ্ৰন্থত এই কথাকেই কৈছে-

হৰেঃ কীৰ্ত্তনমুৎসৃজ্য ধৰ্মন্যাঞ্চৰেৎ কলৌ।
ন কিঞ্চিত ফলমাপ্ৰোতি শ্ৰম এৱ হি কেৱলম্।। (শ্ৰীমদ্ভাগৱত)

হৰিনাম কীৰ্ত্তনে মানুহক পাপৰ পৰা মুক্ত কৰে, অনাচাৰ ত্যাগ কৰি সদাচাৰী হয় কৰ্মবন্ধন চিঙি পৰম মুক্তি লাভ কৰে।

কলিৰ লোক আতি পাপমতি।
নসাধে আন ধৰ্ম্মে আৰ গতি ।।
ৰাম নাম যিটো সততে গাৱে।
সেহিসে হাততে মুকুতি পাৱে।। (কীৰ্ত্তন)

একমাত্ৰ কৃষ্ণত ব্যতিৰেকে দ্বিতীয় কোনো দেৱ নাই-- যাৰ আশ্ৰয়ত জীৱই কালমায়া কলিৰ হাতৰ পৰা কলিৰ প্ৰভাৱৰ পৰা পৰিত্ৰাণ পাব পাৰি। কৃষ্ণ নাম ব্যতিৰেকে কলিযুগত জীৱই সংসাৰ তৰিব নোৱাৰে। এনে সত্য সিদ্ধান্তকে মাধৱদেৱে নামঘোষাত উপস্থাপিত কৰিছে, আৰু কলিযুগত নামঘোষাৰ মাহাত্ম্যও তাতেই নিহিত আছে। মানুহৰ পৰমশত্ৰু অহংকাৰক নিঃশেষ কৰি বিনয় আৰু ভক্তিৰ প্ৰেমৰ নিজৰা বৈছে-নামঘোষাত। আদিৰ পৰা অনাদিলৈকে, সীমাৰ পৰা অসীমলৈকে, একৰ পৰা অনন্তলৈকে এই নিজৰা প্ৰৱাহিত হৈছে নাম-ঘোষাই পৰম সত্যৰ সন্ধান দিছে--ব্ৰহ্মৰূপে, পৰমাত্মাৰূপে, পৰম ব্ৰহ্মৰূপে, অন্তৰ্যামীৰূপে, পুৰুযোত্তম নাৰায়ণ আৰু কৃষ্ণৰূপে।

যি চিন্তাই মানুহক শত সহস্ৰ বাধা-বিঘিনি অতিক্ৰমি শুদ্ধ পথত আগবাঢ়ি যাবলৈ সাহস আৰু প্ৰেৰণা দিয়ে, যি চিন্তাই কলিযুগৰ সংসাৰৰ পৰিধিৰ বুকুত দিশহাৰা মানুহৰ বাবে দিক্ দৰ্শন স্বৰূপ হ'ব পাৰে, তেনে চিন্তা-ভাৱনাৰ উদ্ৰেককাৰী পথ-নিৰ্দেশনাই 'নামঘোষা'ত উপস্থাপিত হৈছে। কলিযুগৰ পৰিৱেশ আৰু পৰিস্থিতিত অসৎ চিন্তাৰ প্ৰাধান্যই মানুহৰ মন আন্দোলিত কৰি থকাৰ সময়ত শুদ্ধ চিন্তা আৰু শুদ্ধ পথৰ সন্ধানত মানুহৰ মন আচ্ছন্ন কৰি ৰাখিব পাৰিলে নেতিবাচক চিন্তা-

চৰ্চাবোৰ স্বতঃস্ফুৰ্তভাৱেই লোপ পাব। কিয়নো শুদ্ধ চিন্তাই হ'ল সকলো সৎকৰ্মৰ আধাৰ। 'নাম-ঘোষা'ত এনে মাহাত্ম্যই বিদ্যমান হৈ আছে।

ৰামকৃষ্ণ নাম ভকতৰ নৱ নিধি।
কলিযুগে বেকত কৰিলে কোন বিধি।। ৫৬৩ ।।
ধন্য ধন্য কলিৰ লোকৰ মহাভাগ।
সৰ্ব্ব ধৰ্ম্ম ঠেলি ৰাম নাম ভৈলা আগ।। ৫৬৪ ।।
কলিত কীৰ্ত্তন যিটো কৰে হৰিনাম।
তাৰ আৰ আচৰিবে নথাকিল কাম।। ৫৬৫ ।।
নাহিকে কলিত ধৰ্ম্ম কীৰ্ত্তনত সম।
যিটো গাৱে হৰিগুণ সি সি নৰোত্তম।। ৫৬৬ ।।
কলিত কীৰ্ত্তনে মিলিবেক মহাভাগ।
সংসাৰক তৰি মাধৱক পাইবা লাগ।। ৫৬৭ ।।

**প্ৰসঙ্গ পুথি ঃ**

১। মহাপুৰুষ মাধৱদেৱ বাক্যামৃত--শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ।
২। নাম-ঘোষা ৰসামৃত-- শ্ৰীইলাৰাম দাস।
৩। শ্ৰীশ্ৰী ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ-- সম্পাদনা শ্ৰীসুৰেণ ভাগৱতী।
৪। 'কীৰ্ত্তন' -- শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ।
৫। শ্ৰীমদ্ভাগৱত--শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ।

---

**লেখকৰ পৰিচয়ঃ**
শ্ৰীমিলেশ্বৰ পাতৰ
নভেটি, মৰিগাঁও।



# মহাপুৰুষীয়া ধৰ্ম্মৰ চাৰিবস্তু আৰু নাম-ঘোষা

**সদানন্দ মহন্ত**

বৈষ্ণৱ ধৰ্ম্মৰ প্ৰধান চাৰিপুথিৰ ভিতৰত মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষা অন্যতম। মহাপুৰুষ মাধৱদেৱৰ জীৱনজোৰা ভক্তি ধৰ্ম্ম সাধনাৰ ফলশ্ৰুতিয়েই কাব্যছন্দৰ ৰূপত আধ্যাত্মিক আৰু পাৰমাৰ্থিক চিন্তাৰ কাব্যাত্মক প্ৰকাশ, ভক্তি আৰু সাধন তত্ত্ব নিৰূপক গ্ৰন্থ নাম-ঘোষা। ভকত আৰু ভগৱানৰ মধুৰ সম্পৰ্কৰ মাজেদিয়েই নাম-ঘোষাৰ আৰম্ভণি ----

"মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।" ১।।

ভক্ত আৰু ভগৱানক নমস্কাৰ জনাই গ্ৰন্থৰ শুভাৰম্ভ কৰা নিগম শাস্ত্ৰ সমূহৰ ভিতৰত নামঘোষা একক আৰু অনন্য।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তেওঁৰ 'বঢ়াৰ পো' মাধৱদেৱকেই ধৰ্ম্মৰ গুৰুভাৰ অৰ্পণ কৰিছিল। গুৰুৰ আদেশ শিৰোধাৰ্য্য কৰি আকুল কণ্ঠেৰে গুৰুজনাক কৈছিল 'কৃপালু গুৰু তোমাসৱ। শঙ্কৰ সূৰ্য্য থাকোতেও পৃথিৱী পোহৰ কৰা টান, তোমৰাসবৰ অবিহনে আমি এই ধৰ্ম্মৰাজ্য কেনেকৈ পোহৰাম ? তেতিয়া গুৰুজনে ক'লে-'দশম' আৰু 'কীৰ্ত্তন'তে আমাক বিচাৰিলে পাব আৰু ঘোষা আৰু 'ৰত্নাৱলী' নামে শাস্ত্ৰ প্ৰণয়ন কৰি তুমিও তাতে থাকিবা। কাৰণ 'শঙ্কৰ মাধৱ দুই অভেদ ঈশ্বৰ। গতিকে দুজনা গুৰু শঙ্কৰ-মাধৱ, দুয়ো দুয়োৰে পৰিপূৰক। গুৰুজনাৰ জীৱিত কালতেই নাম-ঘোষা ৰচনা কৰিছিল যদিও গুৰুজনাই ইহলীলা সম্বৰণ কৰাৰ পাছতহে 'নাম-ঘোষা সম্পূৰ্ণ হৈছিল। নামঘোষা এহেজাৰ এটি ঘোষাৰ সমষ্টি কাৰণে হেজাৰী ঘোষা বুলিও কোৱা হয়। ইয়াৰে ছশমান ঘোষা ভক্ত কবিৰ ভক্তি বিগলিত হৃদয়ৰ

পৰমাত্মা লাভৰ আকুল মনৰ ব্যাকুল বিননি আৰু চাৰিশমান ঘোষা গীতা-ভাগৱত বেদ-বেদান্ত বিভিন্ন সংস্কৃত শাস্ত্ৰ ভাবানুবাদ মাত্ৰ। ভাবানুবাদ ঘোষাসমূহ ভক্ত কবিৰ ভক্তি ৰসত বুৰ গৈ এক মনোৰম কাব্য ছন্দ ৰূপত স্বকীয়তাৰে মহিমামণ্ডিত হৈ প্ৰকাশ পাইছে। এই গ্ৰন্থত 'গীত আৰু গোবিন্দ' একেলগে সমাহিত হৈছে। ভগৱানৰ নামৰ মাহাত্ম্য প্ৰকাশক গ্ৰন্থ কাৰণেই 'নাম-ঘোষা নামকৰণৰ সাৰ্থকতা। নাম-ঘোষা গুৰু শঙ্কৰ স্মৃতি আৰু পৰম পুৰুষ পুৰুষোত্তম লাভৰ ভক্ত কবিৰ নিৰ্ম্মল ভক্তিৰ চূড়ান্ত নিদৰ্শন। নাম-ঘোষাৰ দৰে পৱিত্ৰ আধ্যাত্মিক কাব্যিক ভক্তি তত্ত্ব নিৰূপক গ্ৰন্থ আৰু মাধৱদেৱৰ দৰে গুৰু বিৰল বুলি কব পাৰি।

মহাপুৰুষীয়া ধৰ্ম্মৰ চাৰিবস্তু বুলিলে গুৰু দেৱ, নাম আৰু ভকতকে বুজায়। নাম-ঘোষাত এই চাৰিবস্তুৰ প্ৰকাশ সম্পৰ্কে সংক্ষেপ আলোচনা আগবঢ়োৱা হ'ল।

'গুৰু' শব্দৰ অৰ্থ তাৎপৰ্য্যপূৰ্ণ। 'গু' পদে 'গুহা' বা অন্ধকাৰ। 'ৰ' পদে ৰশ্মি বা 'পোহৰ'। এই মায়াময় গুহা অন্ধকাৰ ৰূপী সংসাৰৰ পৰা যিজনাই পোহৰৰ বাট দেখুৱাই দিব পাৰে প্ৰকৃতাৰ্থত সেইজনাই গুৰু। গুৰু অবিহনে কোনো কাৰ্য্যই সিদ্ধি নহয়। সেইবাবে মাধৱদেৱ পুৰুষে গুৰু সম্পৰ্কে গুৰু ভটিমাত কৈছে--

'মাধৱ দীন মূৰুখমতি কহয়
বাণী শুন সৱ লুই।
বিনে গুৰুচৰণে ভকতি ৰকতি
মুকুতি কবহু নহোই।।'

গতিকে ভৱ সংসাৰৰ পৰা পৰিত্ৰাণৰ একমাত্ৰ উপায় হ'ল সৎ গুৰুত শৰণ। গুৰুৰ নিৰ্দ্দেশমতে ভগৱন্তক উপাসনা কৰিলেহে সংসাৰ বন্ধনৰ পৰা মুক্ত হব পাৰি। ভৱসাগৰৰ কাণ্ডাৰী হ'ল গুৰু। গুৰুৰ উপদেশ লৈ সৎসঙ্গত থাকি ভগৱন্তৰ চৰণত একান্তমনে শৰণাপন্ন হ'লে ভকত বৎসল ভগৱানে ভক্তক উদ্ধাৰ কৰিব যে সেইটো নিশ্চিত। গুৰুৰ পৰামৰ্শতহে সৎসঙ্গৰ জৰিয়তে কৃষ্ণৰ প্ৰতি আসক্তি বাঢ়ে। মহাপুৰুষ শঙ্কৰ গুৰুজনাই কীৰ্ত্তনৰ অন্তৰ্গত 'প্ৰহ্লাদ চৰিত্ৰ'ৰ পঞ্চদশ কীৰ্ত্তনত লিখিছে--

'কৃষ্ণৰ চৰণে হৈব যিমতে ভকতি।
শুনা সাৱধানে তাক স্থিৰ কৰি মতি।।
বিষ্ণু ভকতৰ সঙ্গ লৈব প্ৰথমতে।
গুৰুমানি শুশ্ৰূষা কৰিব ভালমতে।।





লৈয়া উপদেশ মাধৱক আৰাধিব।
যতেক সুকৃতমানে কৃষ্ণতে অৰ্পিব।।
কৃষ্ণ কথা শ্ৰৱণত শুদ্ধ হৈব মন।
সৰ্ব্বদায়ে কৰিবেক কৃষ্ণৰ কীৰ্ত্তন।।'

জগতখন হ'ল অসাৰ, অনিত্য। ভগৱন্ত হ'ল নিত্য শুদ্ধ, বুদ্ধ, নিৰ্ম্মল, নিৰ্গুণ। এই অসাৰ অসত্য কাতি কৰি থৈ সাৰ সত্যৰ সন্ধান পাবলৈ হ'লে গুৰু ভক্তিৰ জৰিয়তে আধ্যাত্মিক উৎকৰ্ষ সাধন হব লাগিব। ভগৱন্তই মায়া বা অবিদ্যাৰ জৰিয়তে অসন্ত জগতখনৰে সন্তৰূপত প্ৰকাশ কৰে।

'তুমি সত্য ব্ৰহ্ম তোমাত প্ৰকাশে
জগত ইটো অসন্ত।
জগততো সদা তুমিও প্ৰকাশা
অন্তৰ্য্যামী ভগৱন্ত।।'

মায়া বা অবিদ্যাৰ আবৰণ ভেদ কৰি ভগৱন্ত লাভৰ একমাত্ৰ উপায় হ'ল ভক্তি। সমস্ত শাস্ত্ৰৰ সাৰোদ্ধাৰ কৰি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুৱে জীৱ তৰণৰ হেতু ভকতিৰ ভাণ্ডাৰ প্ৰকাশ কৰিলে----

'হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
ৰামনাম ৰত্ন বেসায়া জগতে
চলয় বৈকুণ্ঠ পুৰী।।' ৩৭৪ ।।

এনে পবিত্ৰ মঙ্গলময় ৰাম নামৰ বেহা পাতি পবিত্ৰ ভকতিৰ অমিয়া জনগণক পান কৰাই যিজনা গুৰুৱে উপাসনা আৰাধনা আৰু মোক্ষ প্ৰাপ্তিৰ সন্ধান দি পুৰুষোত্তম লাভৰ উপায় প্ৰদান কৰিলে, সেইজন গুৰু গুৰুৰো পৰম গুৰু কল্পতৰু। সেইবাবে মাধৱদেৱে পুৰুষে 'নাম-ঘোষা'ত কৈছে----

'শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।।' ৩৭৫ ।।

কেৱল ধৰ্ম্মই নহয়, সাহিত্য, সংস্কৃতি আৰু চৌষষ্ঠি কলাৰ গুৰু শ্ৰীমন্ত শঙ্কৰ। সেইবাবেই শ্ৰীমন্ত শঙ্কৰ জগত গুৰু।

নাম-ঘোষাৰ চাৰিবস্তুৰ দ্বিতীয়টি প্ৰকাশ হ'ল 'দেৱ'। ভাৰতীয় সংস্কৃতিয়ে তেত্ৰিশ কোটি দেৱতাৰ অস্তিত্বক স্বীকাৰ কৰিলেও অসমৰ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মত 'অনন্তকোটি ব্ৰহ্মাণ্ডৰ 'হৰি অধিকাৰী' এজন দেৱতাৰ অস্তিত্বকহে স্বীকাৰ কৰিছে। সেইজনেই কৃষ্ণদেৱতা বা কৃষ্ণ সংস্কৃতি। কৃষ্ণতকৈ আৰু অপৰ শ্ৰেষ্ঠ দেৱতা কোনো নাই। সকলো দুখ-সুখ, সৃষ্টি-স্থিতি আৰু লয়ৰ অধিকাৰী হ'ল কৃষ্ণ দেৱতা। সেইবাবে মাধৱদেৱ পুৰুষে 'নাম-ঘোষা'ত লিখিছে।

'কৃষ্ণ এক দেৱ দুঃখহাৰী কালমায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ।
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।।' ৫৮৫ ।।

সৃষ্টিৰ মূলতে ত্ৰিগুণাশক্তিয়েই নিহিত হৈ থাকে যদিও একমাত্ৰ ত্ৰাণকৰ্ত্তা হ'ল পৰম শক্তি পুৰুষোত্তম কৃষ্ণ। কিয়নো ব্ৰহ্মা আৰু হৰৰো উপাস্য দেৱতা কৃষ্ণহে। এবাৰ দেবাদিদেৱ মহাদেৱ ধ্যানস্থ হৈ থাকোতে সন্দেহ বশতঃ পাৰ্ব্বতীয়ে সুধিলে--

"স্বামী তুমি সকলো দেবৰো মুখ্য দেৱ।
তোমাত সমস্ত দেৱ গণে কৰে সেৱ।।
তোমাক সেৱন্ত সদা চন্দ্ৰ সূৰ্য্য বিধি।
তযু বৰ দানে হোৱে সমস্তৰে সিদ্ধি।।
তোমাৰ নাহিকে জন্মমৰণ সংসাৰ।
তযু মহিমাৰ কোন নপাৱন্ত পাৰ।।
হেন দেৱে কাহাক ধিওৱা নিৰন্তৰ।
কি কাৰণে তপ কৰা আপুনি ঈশ্বৰ।।'
(সহস্ৰ নাম বৃত্তান্ত, তৃতীয় কীৰ্ত্তন)।

উত্তৰত মহাদেৱে হাঁহি মাৰি কৈছিল-- মই দেৱ শ্ৰেষ্ঠ সঁচা কিন্তু মোতকৈ এজন সৰ্ব্বশ্ৰেষ্ঠ আছে। ধ্যানত মই সেইজনকেই পূজা কৰো। নাম-ঘোষাত লিখিছে-

'ব্ৰহ্মা মহাদেৱ লক্ষ্মীদেৱী কায় বাক্য মনে থিৰ কৰি
পৰম আনন্দে চৰণ সেৱন্ত যাৰ।
সদা জন্ম জৰা মৃত্যুহীন শ্ৰীমন্ত সুন্দৰ গুণনিধি
বিষ্ণুত বিনাই কোন দেৱ আছে আৰ।।'

সেইবাবে বিষ্ণু বা কৃষ্ণ ভক্তিৰ বাহিৰে অন্য দেৱতাক পূজা সেৱা কৰা





একেবাৰে নিস্ফল। যিজনে কামনাশূন্যভাৱে কায়-বাক্য-মনে, বিষ্ণুত সেৱা ভক্তি কৰে, তেওঁৰ মুক্তি অনিবাৰ্য্য। সেয়ে কলিযুগত হৰিৰ নাম, একান্ত ভক্তিয়েই পৰম ধৰ্ম্ম, মুকুতিৰ পৰম উপায়।

'কলিত হৰিৰ কীৰ্ত্তন এৰিয়া
অন্যত্ৰ ধৰ্ম্ম আচৰে।
মিছাতে কেৱল শ্ৰম মাত্ৰ পাৱে
একোৱে ফল নধৰে।। ৪০০ ।।

তৃতীয় বস্তু প্ৰকাশ হ'ল 'নাম'। 'নাম' হ'ল ভগৱন্তৰ নাম। যিজনে চৰাচৰ ব্ৰহ্মাণ্ডৰ গৰাকী, যিজন নিৰ্গুণ, নিৰাকাৰ, নিত্য, সত্য, বুদ্ধ, পৰমানন্দ বিষ্ণুৰ নাম। এই নাম অনাদি অনন্ত। ভগৱন্তৰ নাম লৈ অন্ত কৰিব নোৱাৰি। ব্ৰহ্মাই চাৰিমুখে অনন্তে সহস্ৰ মুখেও নামৰ সংখ্যা কৰিব নোৱাৰিলে। শিৱই সহস্ৰ নাম, ব্ৰহ্মাদি দেৱতাগণে অষ্টোত্তৰ শতনাম আৰু বেদে অষ্ট প্ৰকাৰ নামৰ স্বৰূপ প্ৰকাশ কৰিলে। কিন্তু প্ৰকৃততে ঈশ্বৰৰ নামৰ প্ৰকৃত সংখ্যা কোনেও জানিবলৈ সক্ষম নহ'ল। এই নামৰ উৎপত্তি সম্পৰ্কে মহাপুৰুষ শঙ্কৰদেৱে লিখিছে-----

'কৃষ্ণসূৰ্য্য ভৈলন্ত উদিত।
নাম ধৰ্ম্ম কৰিলা বিদিত।' (কীৰ্ত্তন)

কিন্তু ভগৱন্তৰ নাম লৈ সহজেই জীৱই স্বৰ্গপ্ৰাপ্তি বা মুক্তি পোৱাত ব্ৰহ্মাকে প্ৰমুখ্য কৰি দেৱতাসকল ঈৰ্ষান্বিত হৈ পৰিল। দেৱতাৰ পূজা মৰ্ত্ত্যত নোহোৱা হ'ল। সেইবাবে দেৱতাৰ চাতুৰীত নাম ধৰ্ম্ম গোপন হৈ পৰিল।

'সত্যযুগে প্ৰথমত ব্ৰহ্মা আদি দেৱ যত
হৰিনাম কৰিলা গুপুত।
কিনো দয়াময় হৰি নামক বেকত কৰি
কলি পাপ কৰাইলা লোপুত।।'

এই নাম ভক্তিৰ আধাৰ হ'ল শ্ৰৱণ, কীৰ্ত্তন আৰু স্মৰণ ভক্তি। এই ভক্তিৰ জৰিয়তেহে পুৰুষোত্তম লাভ হয়। যাগ, যজ্ঞ, তীৰ্থ-ব্ৰত, উপবাসাদিৰ জৰিয়তে কেতিয়াও বাঞ্চিত ফল লাভ কৰিব নোৱাৰে। কেৱল নামৰ জৰিয়তে--

'জগতৰে পাপহৰে স্মৰণে নিস্তাৰ কৰে
হেন নাম কৰিলা প্ৰচাৰ।' (কীৰ্ত্তন)।

এনে পৰম মঙ্গল, মঙ্গলৰো সুমঙ্গল পবিত্ৰ নাম ধৰ্ম্ম গুপুত কৰি দেৱতাৰ

অপাৰ আনন্দ। কাৰণ----

'হৰি নাম গুপ্ত ভৈল　　মনুষ্যত পূজা ৰৈল
বুলি ৰঙ্গ কৰে দেৱ সৰ্ব্ব।
হেন হৰি নাম ধৰ্ম্ম　　শঙ্কৰে বিদিত কৰি
চুড় কৈলা দেৱতাৰ গৰ্ব্ব।।'

এনে পবিত্ৰ নিৰ্মল নাম ধৰ্ম্ম শঙ্কৰে প্ৰকাশ কৰি নাম আৰু ভকতিৰ ভাণ্ডাৰ ব্ৰহ্মাণ্ড ভেদি বোৱাই দিলে----

'হৰি নাম ৰসে　　বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে　　পাৰ ভাঙ্গি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।।'

ভক্তৰ কাৰণে ভগৱান দুৰ্ল্লভ। অৰ্থাৎ অবাঙ, মানসগোচৰ নহয়। ভগৱান নিৰাকাৰ যদিও সাকাৰ, ভগৱান পূৰ্ণানন্দ, পৰিপূৰ্ণ ভকত বৎসল, নন্দৰ নন্দন দৈৱকী হৃদয়ানন্দ, স্বৰূপানন্দ পূৰ্ণকাম হৰি আৰু ভক্তাধীন। ভক্তই একান্ত ভক্তিৰে পৰম পুৰুষত শৰণাপন্ন হলে সকলো প্ৰকাৰে ভক্তক ৰক্ষা কৰে।?

'একান্ত শৰণে　　যিটো নাম লৱে
ফুৰে হৰি তাঙ্ক ৰাখি।
ইহাত যদ্যপি　　সঞ্জাত নযাৱা
লৈয়ো প্ৰহ্লাদত সাক্ষী।।' (নামঘোষা)

সকলো ধৰ্ম্মৰ ভিতৰত নাম ধৰ্ম্ম শ্ৰেষ্ঠ। কেৱল নামেৰেহে নামলোভী নাৰায়ণক লাভ কৰিব পাৰে। বৰ্ণাশ্ৰম ধৰ্ম্ম বৰ্ণ অনুসাৰে পালন কৰিব পাৰে। কিন্তু নাম ধৰ্ম্ম সকলো জাতি-বৰ্ণৰ উৰ্দ্ধত।

'বৰ্ণাশ্ৰম ধৰ্ম্মযত　　যাৰ যেন বিধি আছে
তাৰেসে কেৱলে অধিকাৰ।
হৰিনাম কীৰ্ত্তনত　　নাহিকে নিয়ম একো
এতেকেসে ধৰ্ম্ম মাজে সাৰ।।' (নামঘোষা)

কলিযুগত মুক্তিলাভৰ উপায় হ'ল নাম। অৰ্থাৎ নামেসে মুকুতি নিদান। নামত শৰণাপন্ন হৈ হৰিৰ ভজনা কৰিলেই মুক্তি লাভৰ সৰ্ব্বোত্তম উপায়। গীতাত ভগৱন্তপ্ৰভুৱে হতাশাত ভাগি পৰা অৰ্জুনক কৈছিল--'সৰ্ব্ব ধৰ্ম্মান পৰিত্যজ্য মামেকং





শৰণং ব্ৰজ।' আমাৰ মহাপুৰুষ মাধৱদেৱে নাম-ঘোষাত লিখিছে --

'কৃষ্ণ নিগদতি সব্যসাচী　　পৰমাৰ্থতত্ব লৈয়ো বাছি।
সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আম্মাত।
মাতে মাত্ৰ সদা দিয়া চিত্ত　　গায়ো মোৰ গুণ নাম গীত
সকলে শাস্ত্ৰৰ কহিলো সাৰ সাক্ষাত।।

গতিকে কলিযুগৰ শ্ৰেষ্ঠ ধৰ্ম্ম হ'ল নাম ধৰ্ম্ম। চাৰিবস্তুৰ অন্যতম প্ৰকাশ হ'ল ভকত। 'ভকত' শব্দটি গুঢ়াৰ্থপূৰ্ণ। 'ভ' মানে ভগৱন্ত ভয় বিমোচন। 'ক' মানে কৃষ্ণভক্তি আৰু 'ত' মানে তৰণৰ উপায় কৃষ্ণত শৰণ। ভকত ভগৱন্তৰ অতি প্ৰিয়। ভগৱন্ত পুৰুষৰ নিজমুখৰ বাণীৰ পৰাই প্ৰকৃত ভকত ভগৱন্তৰ কিমান প্ৰিয় সেই বিষয়ে সম্যক ধাৰণা কৰিব পাৰি।

'ভকত জনেসে মোৰ হৃদয়।
ময়ো ভকতৰ হিয়া নিছয়।।
মই বিনে ভক্তে নিচিন্তে আন।
ভকতত বিনে মোৰো নাহি ধ্যান।

(কীৰ্ত্তন, পাষণ্ডমৰ্দ্দনৰ ৪ ৰ্থ কীৰ্ত্তন)

গতিকে ভকত, ভকতি আৰু ভগৱন্ত একেডাল মালাৰে গঁথা। ভগৱন্ত নিৰাকাৰ, চৰাচৰ। কিন্তু নিৰাকাৰ যদিও ভকতৰ ওচৰত বন্দী, ভকত বৎসল ভগৱান। ভকতে যি কামনা কৰে ভগৱন্তে অচিৰেই তাক পূৰণ কৰে। দুৰ্ব্বাসনা মুনিৰ আগত ভগৱন্ত প্ৰভুৱে নিজে ব্যক্ত কৰিছে----

'মই হৰি চৰাচৰ　　মই বশ্য ভকতৰ
দুৰ্ব্বাসাৰ আগে দামোদৰ।
একান্ত ভকতে পাই　　মোক বশ্য কৰিলেক
মই হৰি নোহো স্বতন্ত্ৰৰ।'

ভগৱন্ত ভক্তাধীন। য'ত ভকতসকলে ভগৱন্তৰ গুণানুকীৰ্ত্তন কৰি পৰমানন্দ লাভ কৰে সেয়েই বৈকুণ্ঠ। ভগৱন্ত তাতেই বিৰাজমান।

'একান্ত ভকতসবে　　নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি　　যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত।।'

কিন্তু ভকতৰ ভকতি পূৰ্ণ হয় সৎসঙ্গতহে। সৎসঙ্গ অবিহনে ভকতি অপূৰ্ণ। সত্য, দয়া, ক্ষমা ভকতিৰ মূলমন্ত্ৰ। মাধৱ পুৰুষে নাম-ঘোষাত কৈছে----

'মহন্তৰ সঙ্গে হৰি কথা ৰসে
মনক জিনিয়োঁ ভাই।
মায়াক তৰিয়া হৰিক পাইবাৰ
উপায় আৰৰ নাই।।'

সৎসঙ্গত থাকি একান্ত ভকতে কৃষ্ণক নামেৰে বশ কৰিব পাৰে আৰু সেই নামে ভকতৰ হিয়াৰ মাজেৰে প্ৰকাশ হৈ জগত পবিত্ৰ কৰে। মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰধান চাৰিবস্তুৰেই নাম-ঘোষাৰো প্ৰধান চাৰিবস্তু অৰ্থাৎ গুৰু, দেৱ, নাম, ভকত।

---

**লেখকৰ পৰিচয় ঃ**
শ্ৰীসদানন্দ মহন্ত, অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ
মৰিগাঁও মহাবিদ্যালয়, মৰিগাঁও।



# নাম-ঘোষাত নাম-মাহাত্ম্য

ডাঃ পুনিৰাম পাতৰ

মহাপুৰুষ শঙ্কৰদেৱে আৰম্ভ কৰা অসমৰ নৱ বৈষ্ণৱ ভক্তি আন্দোলনত শঙ্কৰদেৱ-মাধৱদেৱৰ মিলন এটি অতি তাৎপৰ্য্যপূৰ্ণ পৰিঘটনা; এই মিলনক যথাৰ্থভাৱেই 'মনিকাঞ্চন সংযোগ' আখ্যা দিয়া হৈছে। এই মিলনে ভক্তি আন্দোলনটিলৈ এটি নতুন জোৱাৰ আনি দিলে, ফলস্বৰূপে শঙ্কৰদেৱে লাভ কৰিলে এগৰাকী প্ৰখৰ পাণ্ডিত্যৰ সুযোগ্য শিষ্য, সুদৃঢ় সঙ্গী; ভক্ত সমাজে পালে এগৰাকী নিৰহঙ্কাৰী দাস্য ভকতিৰ প্ৰতিভূ স্বৰূপ আদৰ্শ ভকত, আৰু পণ্ডিত সাহিত্যিসকলে উৎঘাটন কৰিলে কাব্য প্ৰতিভাৰে জোতিষ্মান এটি উজ্জ্বল জোতিস্ক। দুয়োজন মহাপুৰুষৰ যৌথ প্ৰচেষ্টাত অসমত এক সাংস্কৃতিক নৱজাগৰণৰ সৃষ্টি হ'ল।

শঙ্কৰদেৱৰ দৰে মাধৱদেৱেও ধৰ্ম্ম প্ৰচাৰৰ অৰ্থে অনেক গীত--পদ, কাব্য নাটক, আৰু তত্ত্বমূলক শাস্ত্ৰ ৰচনা কৰি বৈষ্ণৱ সাহিত্যৰ ভঁৰাল পৰিপূৰ্ণ কৰিলে। শঙ্কৰদেৱৰ কীৰ্ত্তন দশম আৰু মাধৱদেৱৰ ঘোষা--ৰত্নাৱলী মহাপুৰুষীয়া ধৰ্ম্ম দৰ্শনৰ মূল গ্ৰন্থ, যাক 'একশৰণ নাম ধৰ্ম্মৰ চাৰিখুঁটি বুলি আখ্যা দিয়া হৈছে। নামঘোষা মাধৱদেৱৰ আধ্যাত্মিক আৰু সাহিত্যিক জীৱনৰ কীৰ্ত্তিস্তম্ভ স্বৰূপ। চৰিত পুথি মতে শঙ্কৰদেৱৰ আজ্ঞা পাইহে মাধৱদেৱে 'নাম-ঘোষা' গ্ৰন্থখনি সম্পূৰ্ণ কৰোঁতে প্ৰায় ডেৰকুৰি বছৰ লাগিছিল। কিছু সংখ্যক ঘোষা শঙ্কৰদেৱৰ জীৱিত কালত আৰু সৰহখিনি তাৰাৰ বৈকুণ্ঠ প্ৰয়াণৰ পাছত সুন্দৰীদিয়াত লিখে যদিও সম্পূৰ্ণ কৰিছিল ভেলাদুৱাৰত। নাম-ঘোষা সকলো সাহিত্যিক গুণেৰে সমৃদ্ধ এখনি অনুপম ৰসময়ী শাস্ত্ৰ আৰু সমস্ত অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ তত্ত্বমূলক গ্ৰন্থ। ইয়াত প্ৰতিভাত হৈছে মাধৱদেৱৰ গুৰু ভক্তি, ভগৱন্ত কৃষ্ণৰ প্ৰতি অগাধ বিশ্বাস আৰু দাস্য ভকতি, পাণ্ডিত্য আৰু সাহিত্য প্ৰতিভা আৰু আত্মলঘিমা, যাৰ যোগেদি প্ৰকাশিত হৈছে পৰম গুৰু হিচাপে শঙ্কৰদেৱৰ পৰিচয়। সৃষ্টি পালন সংহাৰ কৰোঁতা এজনেই মাত্ৰ ঈশ্বৰ আৰু সেইজন পৰমেশ্বৰৰ নামেই এই পাপ পঙ্কিলতাৰে ভৰা দুখময় কলি যুগত জীৱৰ তৰণৰ উপায় হিচাপে ? ইয়াত সন্নিবিষ্ট

প্ৰতি যোকা ঘোষাই অসমীয়া সমাজ জীৱনৰ ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰৱাহিত হৈ আছে। ই যেন নিৰ্ম্মল স্বচ্ছ জলৰাশিৰ ধীৰ গতিৰে কুলু-কুলু সুৰেৰে নিৰন্তৰ গতিত বৈ থকা এটি ৰসৰ নিজৰা, য'ত স্নান পান কৰি অসমীয়া বৈষ্ণৱসমাজ অবুজ প্ৰশান্তিৰে আপোন পাহৰা হয়।

'নাম-ঘোষা' খনিৰ আৰম্ভণিৰ পৰা ৬৮৩ নং ঘোষালৈকে শ্লোকৰ নিৰ্ব্বাচিত ২৪০ টা শ্লোক অসমীয়ালৈ অনুবাদিত আৰু ভাৱাৰ্থ প্ৰকাশক; বাকী শঙ্কৰদেৱৰ গুণ প্ৰকাশক আৰু মাধৱদেৱৰ নিজা আধ্যাত্মিক অনুভূতিসূচক। পিচৰ ৬৮৪ ৰ পৰা ১০০১ নং ঘোষালৈ মাধৱদেৱৰ সম্পূৰ্ণ নিজা সৃষ্টি। নাম ধৰ্ম্ম প্ৰচাৰৰ উপযোগী হোৱাকৈ মাধৱদেৱে অনুবাদৰ উৎস হিচাপে লোৱা শাস্ত্ৰসমূহ হৈছে- শ্ৰীমদ্ভাগৱত, ভগবদ্গীতা, মহাভাৰত, ব্ৰহ্মপুৰাণ, পদ্মপুৰাণ, বৃহন্নাৰদীয় পুৰাণ, ব্ৰহ্মাণ্ড পুৰাণ, বিষ্ণুপুৰাণ, বামন পুৰাণ, স্কন্ধপুৰাণ, শ্ৰীধৰ স্বামীৰ ভাগৱত ভাৱাৰ্থ দীপিকা, শঙ্কৰদেৱৰ ভক্তিৰত্নাকৰ, বিষ্ণুপুৰী সন্যাসীৰ ভক্তি ৰত্নাৱলীৰ কান্তিমালা টীকা, পাণ্ডৱী গীতা আৰু শঙ্কৰাচাৰ্য্যৰ মোহমুগ্ধৰ আদি প্ৰধান। অনুদিত ২৪০ টি শ্লোকৰ ভিতৰত ৯৮ টিয়েই ভাগৱত পুৰাণৰ পৰা সংগৃহীত। মাধৱদেৱে ঘোষাসমূহক অনেক ভাগে বিভাগিছে যদিও নামান্বয়, নামমহিমা, আদি অনেক পটলত বিশেষ ভাৱে নাম মাহাত্ম্যক ব্যক্ত কৰা দেখা যায়। তদুপৰি শৰণ ছন্দ বা ঘোষা ছন্দ আৰু নাম ছন্দপটলত পুনৰ নাম মহিমাকে প্ৰকাশ কৰিছে। শৰণ ছন্দৰ ভজন ভাগত লিখিছে।

'ভুবমোহন ৰাম ভজিলো তোমাৰ পায়।
মহা মহা পাপী যাৰ নাম জপি উত্তম পদক পায়।।'

অৰ্থাৎ মহা মহা পাপীসকলেও ৰামক ভজনা কৰি আৰু তেওঁৰ নামকে জপি পৰম পদ পায়।

ঈশ্বৰৰ নামৰ মহিমা জনাৰ আগতে সেইজন ঈশ্বৰনো কোন, তাকো নিৰ্ণয় কৰাৰ প্ৰয়োজন আছে। ঈশ্ ধাতুৰ পাছত ৱৰচ প্ৰত্যয় যোগ হৈ ঈশ্বৰ শব্দ নিষ্পন্ন হৈছে। ঈশ্ ধাতুৰ ধাতুগত অৰ্থ নিয়ন্ত্ৰণ কৰা। এই সুবিশাল বিশ্বব্ৰহ্মাণ্ড সৃষ্টিৰ পৰা আৰম্ভ কৰি এটি সুনিয়ন্ত্ৰিত গতিত পৰিচালনা হৈ থকা কথাটোলৈ গভীৰ দৃষ্টি দিলেই বুজা যায় যে কিবা এক অলৌকিক মহা শক্তিয়ে নিয়ন্ত্ৰণ বা পৰিচালনা কৰি আছে. যি শক্তিৰ আধাৰতেই বিশ্ব ব্ৰহ্মাণ্ডৰ নিয়ন্ত্ৰক বা অব্যক্ত ঈশ্বৰ বুলি ধাৰণা কৰা হয়। সেইজন ঈশ্বৰকে তত্ত্ববিদসকলে অদ্বয়তত্ত্বৰ সন্ধান দি তিনিটা অৱস্থাৰ কথা ব্যক্ত কৰিছে-সেইয়া হৈছে ব্ৰহ্ম, পৰমাত্মা, আৰু ভগৱান। এই তিনিওটা অৱস্থাক সূৰ্য্যৰ তিনিটা অৱস্থাৰ লগত ৰিজনি দিব পাৰি। সূৰ্য্য, সূৰ্য্যৰ ৰশ্মিসমূহ





আৰু পানীত প্ৰতিবিম্বিত হোৱা সূৰ্য্য--এই তিনিওটা অৱস্থাৰ মূল উৎস সূৰ্য্য। সূৰ্য্যৰ অনন্ত জ্যোতিয়ে জগতত পোহৰ আৰু তাপ প্ৰদান কৰিছে; তাকে জগতৰ তেজ বা শক্তি বুলি কোৱা হয়। ভগৱন্তৰ সমস্ত ঐশ্বৰ্য্য, অনন্ত শকতিৰ অধিকাৰী, তেওঁ সৰ্ব্বব্যাপ্ত। সৰ্ব্বব্যাপ্ত শক্তিয়েই জ্ঞানমাৰ্গীসকলে নিৰ্গুণ নিৰাকাৰ ব্ৰহ্ম আখ্যা দিছে। যোগী সাধকসকলে হৃদয়তে ভগৱন্তৰ জ্যোতিক দৰ্শন কৰে-তাকে পৰমাত্মা আখ্যা দিছে। ব্ৰহ্ম পৰমাত্মা আৰু অনন্ত কোটি ব্ৰহ্মাণ্ডৰ আধাৰ তথা গৰাকী কাৰণেই তেওঁ ঈশ্বৰ, ভগৱান। ঐশ্বৰ্য্য, বীৰ্য্য, যশ, শ্ৰী, জ্ঞান আৰু বৈৰাগ্য -- এই ছয়টি ঐশ্বৰিক সম্পদ তথা 'ভগ'যিজনাত সমাহিত, তেঁৱেই ভগৱন্ত।

'ব্ৰহ্ম পৰমাত্মা কৰিয়া যেহেতু
ঐশ্বৰ্য্যৰ নাহি অন্ত।
এহি হেতু মহা মহন্ত সক
বোলে তাঙ্ক ভগৱন্ত।।'১৭৬।।

কৃষ্ণই যে সেইজন ভগৱান-তাক ঘোষা গ্ৰন্থত মাধৱদেৱে নিৰ্ণয় দিছে --

'কৃষ্ণ এক দেৱ দুঃখহাৰী কালমায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰীদেৱ তান্ত বিনে আন নাহি কেৰ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।।' ৫৮৬।।

জগতৰ জীৱসমূহক কালমায়াই আৱৰি নানা যাতনা ভোগ কৰায় আৰু এই মায়াত আবদ্ধ জীৱসমূহক নান বিপদ,দুঃখ যাতনাৰ পৰা ত্ৰাণ কৰোঁতা কৃষ্ণ দেৱত বিনে দ্বিতীয়জন দেৱতা নাই। তেঁৱেই সৃষ্টি-স্থিতি অন্তকাৰী দেৱ আৰু সেইজনেই সমস্ত জগতৰ সাৰ বুলি কোৱা হৈছে।

'নাম' দুটি আখৰৰ এটি শব্দ অৰ্থসূচক শব্দই নাম। ভগৱন্তৰ নাম শব্দ ব্ৰহ্ম। নামটোৰ লগত নামৰ গৰাকীৰ ওতঃপ্ৰোতঃ সম্বন্ধ। নাম-নামী দুয়ো অভিন্ন; পৰস্পৰে পৰস্পৰক টানে; কোনেও কাকো নেৰে; নাম ধৰি ডাকিলে সহাৰি দিয়ে--এয়া বাস্তৱ সত্য। ভগৱন্তৰ ক্ষেত্ৰতো সেয়ে হয়।

'যেই নাম সেই হৰি জানা নিষ্ট কৰি।
আপুন নামৰ সঙ্গ নছাৰন্ত হৰি।।'নামঘোষা

ভগৱন্তৰ সহস্ৰ নাম, যি নামেৰেই নামাতক কিয় সহাৰি দিবই। প্ৰত্যেকটি নামৰ লগতে তেওঁ জড়িত, শৃঙ্খলিত। নামক জৰীৰ লগত তুলনা কৰা হয়। নাম জৰীৰে ভকতে ভগৱন্তক বান্ধি ৰাখে; নিজৰ নাম উপেক্ষা কৰি ভকতক এৰি ভগৱন্ত

থাকিব নোৱাৰে। নিজ নামেই ভগৱান, ভগৱান প্ৰদত্ত ফল নামতে যে পায়, তাক প্ৰতিফলিত কৰি হৃদয়ঙ্গম কৰাবলৈকেই 'নামঘোষাই' পুনঃ পুনঃ ঘোষণা দিছে। ভগৱানৰ সকলো নামেই মহিমাযুক্ত, গুণময়ী পাপনাশক আৰু জীৱৰ তাৰক অৰ্থাৎ মঙ্গলময়ী। নামক তাৰক ব্ৰহ্ম বুলিও কোৱা হয়। সহস্ৰ নামৰ ভিতৰত পৰম পুৰুষ ভগৱন্তৰ আদ্য নাম 'ওম্' বা 'ওঁ'। ওম্ ইত্যেকাক্ষৰং ব্ৰহ্ম। একেটি মাত্ৰ অক্ষৰ 'ও' ই নিৰ্গুণ নিৰাকাৰ ব্ৰহ্মক সূচাইছে। সৃষ্টি-স্থিতি- প্ৰলয়ৰ গৰাকী অনন্ত কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী পৰমেশ্বৰৰ স্বৰূপক বেদৰ আৰম্ভণিতেই প্ৰণয় মন্ত্ৰ 'ওঁ' শব্দৰে সূচনা দিছে।

মাধৱদেৱে নাম-ঘোষা গ্ৰন্থখনিত ১৬৪ টি নামৰ উল্লেখ কৰা গৈছে। আমি সাধাৰণতে ব্যৱহাৰ কৰি অহা নামৰ উপৰি অনেক নাম দিছে। যাক ঈশ্বৰৰ গুণ, যশ কাৰ্য্যকাৰণ তথা কাৰকসূচক বুলিব পাৰি। বিভিন্ন ক্ষণ, বিভিন্ন অৰ্থত প্ৰয়োগিক হোৱাকৈ নামবোৰ উল্লেখ কৰিছে। প্ৰতিটো ঘোষাতে মাধৱদেৱৰ ভকতি, কাৰুণিক আবেদন আৰু গভীৰ হৃদয়ৰ আবেগ বিজড়িত হৈ আছে। তাত ব্যৱহাৰৰ নামসমূহে ঘোষাৰ অৰ্থ প্ৰাঞ্জল কৰি তুলিছে, লগতে নামৰ মাহাত্ম্য ব্যক্ত কৰিছে। নাম-ঘোষাত ব্যৱহৃত নামসমূহ যেনে কৃষ্ণ, কমললোচন, কমলাপতি, কৃপালু, কৃপাৰ সাগৰ, কৃপাসিন্ধু কৰুণাময়, কৰুণাসাগৰ, কৃপাৰ ঠাকুৰ, কমলাকান্ত, কৰুণাময়, গোবিন্দ, গোপাল, গৰুড়কেতু, গোপিনীৰ ধন, গোপীনাথ,গুণলুব্ধ, চিদানন্দ, চক্ৰপাণি, চৈতন্য, জনাৰ্দ্দন, জগতকাৰণ, জগজীৱন, জগনিবাস, জগত-পাৱনকাৰী, জগতজনক, জগআধাৰ, জগবাস, জীৱনস্বামী, জীৱৰ জীৱন, জগবন্দন, জীৱনমুৰাৰি, জগবন্ধু, দৈৱকী দায়াদ, দৈৱকীনন্দন, দামোদৰ, দানবগঞ্জন, দণ্ডধৰ, দীনবন্ধু, দীনদুঃখহাৰী, দয়াৰ ঠাকুৰ, দায়াময়, দয়াশীল, দুঃখহাৰী, নাৰায়ণ, নৰহৰি নিৰঞ্জণ, নন্দনন্দন, নাথ, পৰমানন্দ, পৰমেশ্বৰ, পুৰুযোত্তম, পদ্মমালাধাৰী, পৰমব্ৰহ্ম, পৰশুৰাম, পৰমাত্মা, পতিত পাৱন, পূৰ্ণানন্দ,প্ৰাণবন্ধু, প্ৰাণপ্ৰভু, প্ৰণতপালক, পীতাম্বৰ, প্ৰপন্নতাৰক, পদ্মনাথ, প্ৰভু, পৰমপুৰুষ, পৰমকাৰণ, প্ৰিয়তম, গুৰু, পৰমদেৱতা, পৰমআৰাধ্য, পাপহাৰী, প্ৰপন্নজনতাৰণ, পৰম বান্ধৱ, পদ্মনাভ, বিষ্ণু, বাসুদেৱ, সুত, বামন, বনমালী, ব্ৰহ্ম, বৈকুণ্ঠ, বিধিৰ ঈশ্বৰ, বান্ধৱ, বন্ধুজন, ব্ৰজৰজীৱন, ভগৱন্ত, ভক্ত, কল্পতৰু, ভকত ভয়হাৰী, ভকতৰঞ্জন, ভৱয়হাৰী, ভকতৰ ধন, ভৃত্যভয়হাৰী, ভকত বৎসল, ভয়ভঞ্জন, ভৱহৰ, মাধৱ, মধুসূদন, মুকুন্দ মুৰাৰি, মধুৰিপু, মহেশ্বৰ, মধুমঙ্গলকাৰী, মোহন, মস্তকমণি, যদুপতি, যদু, যাদৱ, যদুনন্দন, যদুৰায়, যাদৱৰায়, যমৰ দায়ক, যশপ্ৰিয়, যাদবানন্দন, ৰাঘ, ৰঘুপতি, ৰাঘৱ, ৰঘুনন্দন, লক্ষ্মীপতি; শিৱ, শ্ৰীৰাম,





শ্ৰীমধুসূদন, সদানন্দ, সনাতন, সদাশিৱ, সত্য, সৰ্ব্বানন্দ, সৰ্ব্বসাক্ষী, সখা, সুহৃদবন্ধু, স্বৰূপানন্দ, সহজানন্দ, স্বামী, সোদৰ, সংসাৰ, ইন্দ্ৰ, সন্ত, হৰি, হংসনাৰায়ণ, হৃষিকেশ, হৃদয়ানন্দ, হলিৰাম, অনাথৰ নাথ, অচিন্ত, অনন্ত, অচ্যুত, অধোক্ষজ, অনাদি, অন্তৰ্যামী, আনন্দসিন্ধু, আনন্দস্বামী, আত্মা, ইষ্টদেৱ, ইষ্টগুৰু, ঈশ্বৰ। নামসমূহ একাধিক বাৰ ব্যৱহাৰ কৰা হৈছে। গুণ বিশিষে মাধৱদেৱে ভগৱন্তক নিজা ভাষা আৰু অনুভূতিৰে স্তুতি কৰিছে, আহ্বান কৰিছে, কাকুতি কৰিছে, খেদ কৰিছে। মানুহৰ মনত নামৰ ক্ৰিয়াৰ প্ৰভাৱ বিস্তাৰিবৰ কাৰণেই বিশেষ কৰি কিছুমান উল্লেখ কৰিছে।

এইখিনিতে ধৰ্ম্ম আৰু বিজ্ঞানৰ কথা মনলৈ আহে। ধৰ্ম্মৰ আধাৰ একান্ত বিশ্বাস; বিজ্ঞান পৰীক্ষা নিৰীক্ষা আৰু তাৰ প্ৰমাণৰ ওপৰত প্ৰতিষ্ঠিত। বিজ্ঞান আৰু ধৰ্ম্মৰ এটা সম্বন্ধ থাকিবই লাগিব, নহলে-'বিজ্ঞানহীন ধৰ্ম্ম অন্ধ, ধৰ্ম্মহীন বিজ্ঞান খোৱা হ'ব-আইনষ্টাইন। বিজ্ঞানে ধৰ্ম্মক পৰিশোধন কৰাত সহায় কৰিব পাৰে, তেনেদৰে ধৰ্ম্মইও বিজ্ঞানক নিয়ন্ত্ৰণ কৰি ৰাখিব পাৰে। বিজ্ঞানৰ লক্ষ্য দৃশ্যমান প্ৰাকৃতিক জগতখনৰ সত্য উদঘাটন কৰা, আৰু এই ক্ষেত্ৰত কিছুমান মূলসূত্ৰ উদঘাটন কৰিবলৈ সক্ষম হৈছে। যেনে জীৱ সৃষ্টিৰ মূল তত্ত্ব, মহাকৰ্ষণ শক্তি, এইবিলাকৰ সূত্ৰ আবিস্কাৰহে কৰিছে বিজ্ঞানে; কিন্তু তাক সৃষ্টি কৰিব পৰা নাই। ধৰ্ম্মৰ লক্ষ্য সেই পৰম সত্যৰ সন্ধান কৰা। যিহেতু ধৰ্ম্মৰ আধাৰ বিশ্বাস, সেই বিশ্বাসেহে ক্ৰিয়া কৰে মনত। ধৰ্ম্মই সত্যৰ অনুসন্ধান কৰি পৰমসত্য উদঘাটনত ব্ৰতী কৰায়, মানৱৰ মানসিক বিকাশ ঘটাই মানৱীয় গুণৰ পৰিৱৰ্ত্তন সাধে। বিজ্ঞানে আবিস্কাৰ কৰিব পাৰে, নতুন তথ্য, নতুন প্ৰযুক্তি, কিন্তু মানৱীয় অনুভূতি বা নৈতিক জ্ঞান বিজ্ঞানে দিব নোৱাৰে। অৱশ্যে বিজ্ঞানৰ দৃষ্টিৰেহে ধৰ্ম্মীয় অন্ধবিশ্বাস আৰু কুসংস্কাৰসমূহ পৰিশোধন আৰু দৃঢ় কৰিব পাৰি।

'নামধৰ্ম'ত নামে ক্ৰিয়া কৰে মনত। কিন্তু মনটো অতিকে দুৰ্জ্জেয়, দুৰ্জয় আৰু দুৰ্দম্য। ধৰ্মীয় অনুভূতি অবিহনে এই দুৰ্জয়-দুৰ্দম্য মনক নিয়ন্ত্ৰণ কৰিবলৈ পৃথিৱীত কোনো বস্তু সৃষ্টি হোৱা নাই। মন ধাবিত হয় ইন্দ্ৰিয়ৰ চালনা বা তাৰণাত। গীতাত কৈছে----

মমৈবাংশো জীৱলোকে জীৱভূতঃ সনাতনঃ।
মন ষষ্ঠানীন্দ্ৰিয়ানি প্ৰকৃতিস্থানি কৰ্ষতি।।' গীতা ৭/১৫

'এই পৃথিৱীৰ বদ্ধ জীৱসমূহ মোৰেই চিৰন্তন ক্ষুদ্ৰ অংশ। বদ্ধ জীৱনৰ কবলত থকা বাবে জীৱসমূহে মনটোকে ধৰি ৬ টা ইন্দ্ৰিয়ৰ লগত কঠোৰ সংগ্ৰাম

কৰিব লগা হয়।' অৰ্থাৎ ইন্দ্ৰিয়ই মনক আকৰ্ষণ কৰে আৰু মনে কৰ্ম্ম কৰি কেতিয়াবা দুখ অনুভৱ কৰে। সুকৰ্ম্ম আৰু অকৰ্ম নিৰ্ণয় কৰিবলৈ মন অসমৰ্থ; তেতিয়াই মনে বিবেকৰ আশ্ৰয় লয়। আধ্যাত্মিক ধৰ্মৰ ওপৰৰ বস্তু অৰ্থাৎ ধৰ্মীয় ধাৰণাৰ গভীৰতম অৱস্থা, যিয়ে মানুহক সৎকৰ্ম কৰিবলৈ শিকায়, মানবীয়তা, অহিংসা, দয়া কৰুণা, প্ৰেম আৰু ধৈৰ্য্য আদি ঐশ্বৰিক গুণৰ জন্ম দিয়ে, ধৰ্মীয় সংকীণ ৰীতি-নীতিৰ পৰা মুক্ত কৰি বিশ্ব ভাতৃত্ব বোধৰ গৰাকী কৰিব পাৰে। বন্ধন মুক্ত হৈ সমস্ত জগত বিষ্ণুময় দেখে।

'বিষ্ণুময় দেখে যিটো সমস্ত জগতে।
জীৱন্তে মুকুত হোৱে অচিৰ কালতে।।' কীৰ্ত্তন

সেইকাৰণেই ভগৱন্তৰ নামক 'অন্তৰ্মুখী' কৰিব লাগিব। তেতিয়াহে নামৰ ক্ৰিয়া সংঘটিত হব।

'নামে পুৰুষক শুদ্ধ কৰি          ৰৈল নামে তাতে ভৰি পুৰি
ধৰ্ম্মময় তনু ভৈ গৈল হৰি ভকত।
হৰিৰ কৰুণা ভৈল তাক          উচ্চ কৰি দিয়া হৰি ডাক
পৰম সন্তোষে নাচে আতি আনন্দত।।' ৬৫৪।।

দৃঢ়ভাৱে যিমানে 'নাম' শ্ৰৱণ-কীৰ্ত্তন কৰিব, সিমানে নামে ক্ৰিয়া কৰি অন্তৰ শুদ্ধি কৰি ধৰ্মময় তনুলৈ ৰূপান্তৰিত কৰিব। তেতিয়াহে পৰম আনন্দ অনুভূত হব। পৃথুৰজাৰ পুত্ৰ দশ প্ৰচেতাক মহাদেৱে উপদেশ দিছিল--

'তৱ কথা শ্ৰৱণে মনৰ মলহৰে।
পাদোদক গঙ্গায়ে বাহিৰ শুদ্ধি কৰে।।' ভক্তি ৰত্নাৱলী।

অৰ্থাৎ বিষ্ণুৰ পদ উদক গঙ্গাৰ জলে বাহিৰটোহে পৰিস্কাৰ কৰিব পাৰে, কিন্তু মনৰ মল, কলুষতা, বদগুণ দূৰ কৰিবলৈ 'নাম-শ্ৰৱণ কীৰ্ত্তন'ৰহে প্ৰয়োজন।

ভগৱন্তৰ অনেক নামৰ মাজত স্তব্য, স্তৱপ্ৰিয়,স্তুতি, স্তোত্ৰ আৰু স্তোতা বুলিও পোৱা যায়। ভগৱন্তৰ গুণ-যশ ৰখানিলে ভগৱন্তই আনন্দ পায়, সন্তুষ্ট হয়-কাৰণ তেওঁ যশপ্ৰিয়, স্তৱ প্ৰিয়; মাধৱদেৱৰ ভাষাত তেওঁ গুণ লুবুধ। তেওঁ সকলোৱে উপাস্য, স্তুতিৰ যোগ্য। সেয়ে তেওঁৰ নাম স্তব্য; গুণ যশ সংকীৰ্ত্তন কৰ্মই হৰি স্বৰূপ-সেয়ে তেওঁ স্তুতি, যি বাণীৰে স্তুতি প্ৰাৰ্থনা গুণ-নাম কীৰ্ত্তন কৰা হয় সেয়ে স্তোত্ৰ; শ্ৰদ্ধাশীল অনুৰাগী স্তৱকৰ দ্বাৰা তেওঁৰ নাম যশ নিনাদিত হলেহে তেওঁ সন্তুষ্ট হয়-- সেয়ে তেওঁক স্তোতা বোলা হয়। তেওঁ নিজেই কৈছে--

'মোক পূজি ইয়ো পূজ্য হোক আতিশয়'--ভক্তি ৰত্নাৱলী।





গতিকে -

'হৰিগুণ গাৱ ভাই কৰিয়া উৎসৱ।
গুণতেসে তুষ্ট গুণ লুবুধ মাধৱ।।
কৃষ্ণ কথা গাৱে শুনে যিটো শ্ৰদ্ধা কৰি।
অল্প কালে হিয়াত প্ৰবেশ হোন্ত হৰি।।' নামঘোষা

নামে যে বিষ্ণু ভকতৰ অন্তৰত প্ৰভাৱ পেলায় অজামিলৰ উপাখ্যানেৰে তাৰ উদাহৰণ দিব পাৰি। কনৌজপুৰত বেশ্যাত পতিত পাপী অনাচাৰী এজন ব্ৰাহ্মণ আছিল। নাম অজামিল। পিতৃমাতৃ ভাৰ্য্যা সকলো তেজি এগৰাকী বেশ্যাক বিয়া কৰাই দশটি পুত্ৰৰে সৈতে সংসাৰ কৰিলে। দুষ্টৰ সঙ্গত থাকি সৎকৰ্মৰ প্ৰতি পিঠি দিলে। বৃদ্ধ বয়সতো জ্ঞান নুপজিল। কৰ্ম কৰিবলৈ অসমৰ্থ হ'ল। কেৱল কনিষ্ঠ পুত্ৰ নাৰায়ণৰ লগতে খেলাধূলা কৰি সময় পাৰ কৰিলে। মৃত্যুৰ ক্ষণ সমাগত। ভয়ানক দেহ আৰু ৰঙৰ তিনিজন যমদূত উপস্থিত, ভয়ত আতুৰ হৈ কনিষ্ঠ পুত্ৰ নাৰায়ণক মাতিলে 'নাৰায়ণৰ নাম শুনি সেই মুহূৰ্ত্তত ওপৰেদি গৈ থকা বিষ্ণুদূত আহি অজামিলৰ ওচৰ পালেহি। যমদূতৰ হাতৰ পৰা বিষ্ণুদূতে অজামিলক কাঢ়ি লৈ গ'ল। অজামিলে মুক্তি পালে।

'বাল্মীকি দুৰ্ঘোৰ          আছিলেক চোৰ
ৰাম বুলি ভৈলা ঋষি।
পাপী অজামিল          বৈকুণ্ঠ চলিল
নাৰায়ণ নাম সুমৰি।।' ভাগৱত

যমদূতে যমৰজাৰ আগত সমস্ত ঘটনা বৰ্ণনা দিলে। যমৰজাই তেওঁলোকক বিষ্ণুদূত আৰু বিষ্ণুনামৰ মহিমাহে ব্যক্ত কৰিছে।

'হৰিনাম ধৰ্ম্ম          স্মৰণ মহিমা
দেখিয়ো দূত সম্প্ৰতি।
পাপী অজামিল          নাৰায়ণ বুলি
পাইলেক পৰম গতি।।
কীৰ্ত্তনৰ ধ্বনি          যি থানত শুনি
তাৰ নচাপিবি পাশ।
বিষ্ণুদূত চয়          তথাতে থাকয়
কৰিবেক সৰ্ব্বনাস।।'--- কীৰ্ত্তন

বিষ্ণু ভকতক ৰক্ষা কৰিবৰ কাৰণে বিষ্ণুৰ দূত পৰ্য্যন্ত আগবাঢ়ি আহে।

ইয়াত ভগৱন্তৰ ওপৰত নিজ নামৰ প্ৰভাৱ ব্যক্ত হৈছে। বিষ্ণুৰ অপাৰ শক্তি বুজাবলৈ অনেক কাহিনী সংযোজিত হৈছে মহাভাগৱত শাস্ত্ৰত। বিষ্ণুৰ মায়াত মহাদেৱৰ দৰ্প চূৰ্ণ হ'ল।

'বিষ্ণুৰ আগত মই পৰম অজ্ঞানী।
জিনিলো মায়াক বুলিলোহো সৰ্ব্ববাণী।।
ইসে অহঙ্কাৰে কৰে হৃদয়ত তাপ।
হৰি হৰি স্মৰণে খণ্ডোক সিও পাপ।।' হৰমোহন (কীৰ্ত্তন)

মোহিনীৰ কাম বানত জৰ্জৰিত আৰু লজ্জিত মহাদেৱৰ অকপট স্বীকাৰ ভগৱন্তৰ ওচৰত।

বেদ-বেদান্ত, উপনিষদ আদি ধৰ্ম গ্ৰন্থৰ মূল উদ্দেশ্য আৰু লক্ষ্যই হৈছে-- ভগৱানৰ নামৰ মাহাত্ম্য প্ৰকাশ কৰা. মাধৱদেৱৰ ঘোষা শাস্ত্ৰও নাম তত্ত্ব প্ৰকাশক এখনি আৰ্দশ গ্ৰন্থ। মনকৰিবলগীয়া কথাটো হৈছে-- 'নামতত্ত্ব' বিচাৰ। অনুসন্ধিৎসু মন আৰু অনুসন্ধান অবিহনে গুপুত ৰহস্য উদঘাটন কৰা যেনে কঠিন, তেনেদৰে ধৰ্মীয় শব্দ বা মতৰ গভীৰলৈ সোমাই অধ্যয়ন আৰু বিশ্লেষণ নকৰিলে সত্য অৰ্থ অনুধাৱন কৰাও কঠিন। মাধৱদেৱে ভগৱন্তৰ নিজৰ নামৰ লগত সম্পৰ্ক নিজ নামৰ মহিমা আৰু পৰিপূৰক হিচাপেও নিজৰ নামৰ শক্তিকে বৰ্ণাইছে 'নামঘোষা'ত। যদিও কোনো পণ্ডিতে কয় তত্ত্ববিচাৰ জ্ঞান-মাৰ্গৰ সন্ধানীসকলৰ বাবেহে বেছি প্ৰয়োজনীয় ভক্তি মাৰ্গত ইয়াৰ প্ৰয়োজন নাই; তথাপিও কোনো বিষয়ক শুদ্ধভাৱে জানি আৰু দৃঢ়ভাৱে উপলব্ধি কৰিবলৈকে অধ্যয়ন আৰু জ্ঞানৰ প্ৰয়োজন। মাধৱদেৱে পৰমাৰ্থ সাৰ বুলি কেৱল 'মাধৱ' নামৰ মহিমা প্ৰকাশক ৭ যোকা ঘোষা, নামান্বয় পটলত ১৬ টা বিভিন্ন নামৰ অন্বয় কৰি ১৫ যোকা, দুলড়ীত গুণ প্ৰকাশক ২৮ যোকা নামৰ ৩ টা পটলত মুঠ১৩ যোকা, নাম মহিমাৰ ২ টা পটলত ৩৬ যোকা মহিমাৰ ৫ টা পটলত ৬৪ যোকা মহিমাযুক্ত উপদেশ নামৰ পটলত২২ যোকা আৰু শেহত নাম ছন্দ পটলত ১২৫ যোকা ঘোষা ৰচনা কৰি নামঘোষাত ঠাই দিছে। উক্ত যোকা--সমূহত কেৱল ভগৱন্তৰ নামৰ মহিমাকে বিশেষভাৱে গুৰুত্ব দিছে। একোটি নামক পুনঃ পুনঃ উল্লেখ তথা উচ্চাৰণ কৰোৱাৰ অৰ্থ হৈছে-- 'যেনতেন মতে' অন্তৰৰ গভীৰলৈ লৈ যোৱা। নাম অন্তৰ্মুখী হলেহে চিত্তশুদ্ধি হ'ব।

নাম-ঘোষাৰ বক্তব্যক আৰু দৃঢ় কৰিবৰ কাৰণে মহাভাগৱত শাস্ত্ৰৰ এটি শ্লোক এইখিনিতে উদ্ধৃত কৰিব পাৰি। ভগৱান শ্ৰীকৃষ্ণ, মহাভাগৱত শাস্ত্ৰ আৰু তাত অন্তৰ্নিহিত 'নাম' বস্তুৰ মাজত যে পাৰ্থক্য নাই-- বৈকুণ্ঠ প্ৰয়াণৰ সময়ত





কৃষ্ণই উদ্ধৱক কৈছিল--

'স্বকীয়ং যদ্ভৱেত্তেজস্বচ্ছ ভাগৱতোদধাৎ।
তিৰোধায় প্ৰৱিষ্টোযং শ্ৰীমদ্ভাগৱতাৰ্ণম।।
তেনযাং বাঙ্ময়ী মূৰ্ত্তি প্ৰত্যক্ষোৰ্ত্ততে হৰে।
সেৱনাৎ, শ্ৰৱনাৎ পাঠাদ্দৰ্শনাৎ পাপ নাশিনেঃ।।' ভাগৱত

অৰ্থাৎ কৃষ্ণৰ পূৰ্ণ তেজ শক্তি শ্ৰীমদ্ভাগৱততে স্থাপিত হৈ থাকিব আৰু নিজে অন্তৰ্ধ্যান হৈয়ো এই শাস্ত্ৰতে প্ৰৱিষ্ট হৈ থাকিব। এই ভাগৱত শাস্ত্ৰ শ্ৰীকৃষ্ণৰ বাঙ্ময়ী মূৰ্ত্তি, ইয়াক সেৱা, শ্ৰৱণ পাঠ আৰু দৰ্শন কৰিলে মানুহৰ পাপ সমূলঞ্চে নাশ হৈ যাব।

'আন ধৰ্ম কৃষ্ণৰ লগতে গুচি গৈলা।
একস্থান হুইয়া হৰি নামৰ মাজে ৰৈলা।।' ভাগৱত।

কৃষ্ণ বৈকুণ্ঠলৈ গ'ল, লগতে অন্য সকলো ধৰ্ম গুচি গ'ল; কেৱল নামৰ মাজত হৰি একত্ৰিত হৈ মৰ্ত্ত্যত থাকিল। মাধৱদেৱে সৰলভাৱে নামৰ বৰ্ণনা দিছে-

'দুগুটি অক্ষৰ ৰাম নাম শ্ৰীৰাম নাম অমিয়া মাধুৰী ঝুৰে
অতি সুকোমল পৰম মঙ্গল সৰে মনোৰথ পূৰে।। 'নামঘোষা

মাত্ৰ দুটি অক্ষৰৰ 'ৰাম নাম', অতি মধুৰ ৰসদায়ক, সুকোমল আৰু মঙ্গলময়। ৰাম নাম লওঁতে অমৃততুল্য ৰস আস্বাদন কৰাৰ উপৰি মনোঃকামনাও পূৰ্ণ হয়। নামৰ ফল প্ৰাপ্তি নিৰ্ভৰ কৰে প্ৰকৃততে ভগৱানৰ মঙ্গলময় কৰ্ত্তাহিচাপে নিশ্চয় কৰি লোৱা আৰু ভগৱন্তৰ প্ৰতি ভকতিৰ দৃঢ়তাত। মাধৱদেৱে নামঘোষাৰ আৰম্ভণিতে ভগৱান তথা যদুপতি কৃষ্ণক নিশ্চয় কৰি ভজনা কৰিছে --

'সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।'১।।

নাম-ঘোষাখনিৰ ৰচনাত বিভিন্ন শাস্ত্ৰ অধ্যয়ন পুষ্ট জ্ঞান, আধ্যাত্মিক চেতনা, ভগৱন্তৰ ওচৰত দাস্য ভকতি আৰু গুৰুৰ প্ৰতি অসীম শ্ৰদ্ধা প্ৰকাশ ঘটিছে। কৃষ্ণ নামৰ অপাৰ মহিমা এনেদৰে ব্যক্ত হৈছে --

'কৃষ্ণেতি মঙ্গলং নাম যস্যৱাচি প্ৰৱৰ্ত্ততে।
ভগ্মীভৱন্তি ৰাজেন্দ্ৰ মহা পাতক কোটয়ঃ' ভাগৱত

উক্ত শ্লোকৰ ভাঙনি --

'কৃষ্ণ নাম ইটো পৰম মঙ্গল
যাহাৰ থাকে বাক্যত।

সিটো পুৰুষৰ ভস্ম হুয়া যায়
মহাপাপ কোটি শত।।' ৩৪৪।।

পৰম মঙ্গলময় কৃষ্ণনাম যাৰ মুখত থাকে, তাৰ কোটি কোটি মহাপাপো ভস্ম হৈ যায়।

'ঈশ্বৰঃ পৰম দেৱো মম তন্নাম তাৰকম্।
ইতিযো নিশ্চিতো নিত্যং কৃতিনং তং পৰংৱিদুঃ।'ভাগৱত

'ঈশ্বৰ কৃষ্ণেসে নিষ্ঠ পৰম আৰাধ্য দেৱ
মোৰ তান নামে নিজ গতি।
হেনয় নিশ্চয় যিটো কৰিলেও নিতে আতি
সি সিজনে পৰম সুকৃতি।।'১১৪।।

যিজনে কৃষ্ণকে পৰম আৰাধ্য দেৱতা বুজি নিশ্চয় কৰি তেওঁৰ নামেই নিজৰ গতি বুলি স্থিৰ কৰে, তেওঁ পৰম সুকৃতিমন্ত হব। এই ঘোষাই কৃষ্ণই পৰম ঈশ্বৰ আৰু তেওঁৰ নামেই পৰম গতি দিব পাৰিব বুলি নিশ্চয় কৰি দেখুৱাইছে।

ৰাম ৰামেতি ৰামেতি যস্যৱক্তে ভৱত্যলম্।
নতস্য তুল্যতাং যাতি চিৰতীৰ্থটনং মহৎ।। ভাগৱত।।

'ৰাম ৰাম ৰাম বাণী পৰম মঙ্গল ৰূপ
যাৰমুখে প্ৰকাশ কৰয়।
চিৰকালে মহাতীৰ্থ কৰিয়া পবিত্ৰ হুয়া
তাকো কদাচিতো তুল্যনয়।।' নামঘোষা-

ইয়াত পৰম মঙ্গলময় ৰাম নাম উচ্চাৰণৰ ফল প্ৰকাশ হৈছে। হিন্দু ধৰ্ম শাস্ত্ৰত তীৰ্থ আদি দৰ্শন স্নান, দান আৰু তৰ্পণ কৰিও মহাপাপ খণ্ডন কৰি পবিত্ৰ হব পৰাৰ বিধান আছে। কিন্তু তেনেদৰে পবিত্ৰ হোৱা লোকসকল গৃহতে থাকি ৰাম নাম কীৰ্ত্তন কৰা লোকসকলৰ সমতুল্য হব নোৱাৰে বুলি উক্ত ঘোষাই ব্যক্ত কৰিছে-

'স্মৰণে মাত্ৰকে যিহেতু দুৰ্ঘোৰ
সংসাৰ দুখ হৰন্ত।
এহি হেতুতেসে ঈশ্বৰক হৰি
বোলয় যত মহন্ত।।' ১৫৫।।

ইয়াত 'হৰি' নামৰ অন্বয় হৈছে। যাৰ নাম স্মৰণ কৰিলে সংসাৰৰ দুখ হৰণ হয়। সেইজনা ঈশ্বৰক হৰি আখ্যা দিছে। 'হৰি' নামৰ স্মৰণৰ মহিমা ব্যক্ত হৈছে--

'আত্মা ৰূপে জানা ইটো জগতত
আছন্ত হুয়া প্ৰৱেশ।





এহি হেতুতেসে ঈশ্বৰক বিষ্ণু
বুলিয় নাম বিশেষ।।' ১৫৬।।

জগতৰ সমস্ত জীৱতে আত্মাৰূপে বিৰাজ আছে কাৰণে ঈশ্বৰক বিষ্ণু বুলি কোৱা হৈছে। ঈশ্বৰ সৰ্ব ব্যাপ্ত, সমস্ত জগত বিষ্ণুময়। 'ইদং বিষ্ণুময়ং জগত-বিষ্ণু পুৰাণ।

'ভগৱানৰ 'মাধৱ' নামৰ অন্বয় হৈছে এনেদৰে---

মাধৱেসে আত্মা নিজ মাধৱেসে ইষ্টগুৰু
মাধৱেসে দেৱতা পৰম।
পৰম ঈশ্বৰ স্বামী জানি মাধৱক ভজা
মনুষ্যৰ ইসে নিজ ধৰ্ম।। ১০৯।।

মাধৱেই আত্মা, মাধৱেই পূজ্যগুৰু, মাধৱেই পৰমদেৱতা, মাধৱকে পৰমেশ্বৰ মানি তেওঁকে ভজনা কৰাই মনুষ্যৰ শ্ৰেষ্ঠ ধৰ্ম। সকলো নামতকৈ 'কৃষ্ণ' নামৰ মহিমা অপাৰ, কৈ শেষ কৰিব নোৱাৰি বুলি স্বয়ং কৃষ্ণই স্বীকাৰ কৰিছে।

'যদি হওঁ এহ্ন কোটি কোটি অৱতাৰ।
তভো নপাওঁ অন্ত কৃষ্ণ নাম মহিমাৰ।।' ভক্তি প্ৰদীপ

কৃষ্ + ণ, পৃথিৱী, প্ৰকৃতি+আনন্দ= পৰম ব্ৰহ্ম ৰূপ কৃষ্ণ, আনন্দময়, মহিমাযুক্ত নাম। 'কৃষ্ণ' নাম স্মৰণ কৰি ফুৰাজনক মান্য কৰি তেওঁৰ পিচে পিচে ঘূৰি ফুৰে।

'কৃষ্ণ নাম জৰী যেন বান্ধিলে আমাক।
তাৰ নাম স্মৰি ফুৰো মান্য কৰি তাক।।' ভক্তি প্ৰদীপ

ইয়াত নাম আৰু ভকত দুয়োজনকে মান্যতা প্ৰদান কৰা হৈছে। মাধৱদেৱে কৃষ্ণ নামৰ মাহাত্ম্য বৰ্ণনা দিছে--এনেদৰে

'কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি যিটো অন্তকালে নিজ প্ৰাণ তেজে
আদ্যৰ শবদে মুকুতি তাঙ্ক দিৱয়।
আৰ আক কিবা দিবো বুলি আউৰ দুই পদে লজ্জা হুয়া।
ঋণী ভৈলো বুলি নমাইয়া মাথা থাকয়।।' ৬৪১।।

অৰ্থাৎ মৃত্যু শয্যাত থাকি কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি তিনিবাৰ ডাকি যদি কোনো লোকে প্ৰাণত্যাগ কৰে, তেন্তে তেওঁ প্ৰথম ডাক নামতে মুক্তি পায়, পৰৱৰ্তী দুই ডাকৰ কাৰণে আৰুনো কি দিবলৈ আছে বুলি ভাবি লজ্জিত হৈ কৃষ্ণই নিজে ঋণী হোৱা বুলিহে অধোমস্তক হয়। 'কৃষ্ণ' নামৰ আশ্চৰ্য্য মহিমা নিজে স্বীকাৰ কৰিছে। আকৌ বৰ্ণনা কৰিছে ৰামকৃষ্ণ মায়াময় ভৱসাগৰৰ নৌকা স্বৰূপে। 'নাম' নৌকাত

উঠি এই কলিযুগৰ মহাপাপীয়েও পৰম গতি পাব পাৰে। তেওঁ সদানন্দ শ্বাশ্বত; নিৰন্তৰে হৃদয়ত তেওঁক উপাসা কৰা।

'যাৰ ৰাম কৃষ্ণ নাম নাৰে ভৱ সিন্ধু তৰি
পাৰে পৰম্পদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদ
উপাসা কৰোহো হৃদয়ত।।' ২।।

এই ঘোষাৰ দ্বাৰা দৃঢ়ভাৱে ৰাম কৃষ্ণ আদি নাম স্মৰণ কৰিবলৈ নির্দ্দেশ দিছে।

'পৰম পুৰুষ দেৱ পৰম কাৰণ হৰি
পৰম ঈশ্বৰ ভগৱন্ত।
সদানন্দ সদাশিৱ সত্য সনাতন হৰি
জয় জয় অচিন্ত্য অনন্ত।।'৮৮।।

হৰিয়েই ভগৱন্ত পৰম ঈশ্বৰ, দেৱৰো দেৱতা, পৰম পুৰুষ পুৰুযোত্তম, সকলো কর্ম কাৰণৰ পৰম কাৰণ। তেওঁ চিৰ আনন্দময়, মঙ্গলময়, অচিন্ত্য, অনন্ত আৰু একমাত্র সত্য। সততে তেওঁৰ জয় জয় গাবলৈ কৈছে।

নামৰ মাহাত্ম্য বর্ণনা দিওঁতে বিভিন্ন শাস্ত্রৰ উদ্ধৃতি কৰিলেও নামঘোষাত বর্ণিত নাম মাহাত্ম্যৰ কোনো পার্থক্য নাই। ভাগৱত পুৰাণ, বেদ বেদান্ত আৰু নামঘোষা সমস্তৰে উপাস্য দেৱ কৃষ্ণ নামো তেওঁৰেই আৰু গুণানুকীর্ত্তনো তেওঁৰেই। নামঘোষাৰ শেষৰ ফালে 'নামছন্দ' নাম দি মাধৱদেৱে পুনৰ নামতত্ত্বকে বর্ণনা কৰিছে --

'ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
অমিয়া মাধুৰী তযু নাম।।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ জয়।
ৰাম কৃষ্ণ দীন দয়াময়।।
মোৰে ইষ্টদেৱ যাদৱৰায়।
সেৱা কৰিবাৰ নামে উপায়।।'

দয়াময় কৃষ্ণই সকলোৰে ইষ্টদেৱ, তেওঁক সেৱা কৰাৰ উপায় একমাত্র 'নাম'। সমস্ত বেদৰো মুখ্য অভিপ্রায়। যজুর্বেদৰ ১০ ম মণ্ডলৰ ৩২ নং সুক্তত উল্লেখ কৰিছে-'কিং তস্য প্রতিম অস্তি যস্য নামংঃ মহৎ যশঃ।।' অর্থাৎ ভগৱানৰ নামেই মহৎ কার্য্য সাধন কৰিব পাৰে যেতিয়া, তেওঁৰ মূর্ত্তিৰ প্রয়োজন ক'ত?

শঙ্কৰদেৱ প্রচাৰিত মহাপুৰুষীয়া ধর্মৰ ভেটি হৈছে বেদান্ত দর্শন আৰু





নামঘোষাৰো মূল ভেটি বেদান্ত দর্শন। নামঘোষাত অনেক বৈষ্ণৱ শাস্ত্রৰ উদ্ধৃতি থাকিলেও ঘাই আধাৰ গ্রন্থ-সংস্কৃত ভাগৱত। উল্লিখিত সংস্কৃত শ্লোক সৰহখিনিয়েই ভাগৱতৰ। সমস্ত ঘোষা শাস্ত্রখনতে প্রধানতঃ একশৰণ নাম ধর্মৰ দার্শনিক তত্ত্বক প্রকাশ কৰা দেখা যায়। মহাপুৰুষ শঙ্কৰদেৱ প্রচাৰিত একশৰণ হৰি নাম ধর্মকে মাধৱদেৱে তাৰাৰ সমস্ত ৰচনাৱলী প্রতিফলিত কৰিছে। শঙ্কৰদেৱ একেশ্বৰবাদী, কৃষ্ণহে একমাত্র শৰণ্য-ভজন্যদেৱ, কালমায়াৰ গ্রাসৰ পৰা উদ্ধাৰৰ উপায় একমাত্র হৰিনাম, জ্ঞানতোকর্মতো কৰি ভকতিসে শ্রেষ্ঠ, নৱবিধা ভকতিৰ ভিতৰত শ্রৱণ-কীর্ত্তনৰ শ্রেষ্ঠতা, সৎ সঙ্গৰ মাহাত্ম্য, ভক্তি ধর্মৰ চাৰিবস্তু-গুৰু দেৱ, নাম, ভকত, ভকতৰ মাহাত্ম্য আৰু গুৰুৰ মর্য্যদা-সকলো অতি উপযুক্তভাৱে উপস্থাপন হৈছে 'নামঘোষা' গ্রন্থত, যত প্রকাশ হৈছে মাদৱদেৱৰ অগাধ পাণ্ডিত্য, কাব্য-সাহিত্য প্রতিভা, সংস্কৃতি জ্ঞান আৰু অতুলনীয় অনুবাদ দক্ষতা। বিষ্ণু আৰু তেওঁৰ নামৰ মাহাত্ম্য নির্দ্দেশক সংস্কৃত শ্লোকসমূহ নির্ব্বাচিত কৰি তাৰ অনুবাদিত ৰূপত নিজৰ পাণ্ডিত্য আৰু কবিত্ব গুণৰ পৰিচয় দিছে। অনুবাদ কৰোঁতে মূল শ্লোকৰ ভাবার্থ ৰক্ষা কৰি ছন্দোময় কবিতাৰ প্রকাশেৰে মানুহৰ হৃদয়স্পর্শা আৱেগ বিজড়িত দাস্য ভক্তিৰ চূড়ান্ত নিদর্শন দাঙি ধৰিছে। শব্দৰ প্রয়োগ আৰু ছন্দোময় লালিত্য প্রকাশলৈ চালে ঘোষাসমূহক মৌলিক ৰচনা যেনহে ধাৰণা হয়। মহাপুৰুষ শঙ্কৰদেৱৰ সিদ্ধান্তই মাধৱদেৱৰো সিদ্ধান্ত--

দেৱৰ মধ্যত দৈৱকী নন্দন
ধর্মৰ মধ্যত নাম।' ভক্তি প্রদীপ
'কৃষ্ণ গুণ নাম ধর্মেসে পৰম
মঙ্গলৰো সুমঙ্গল।
কৃষ্ণৰ কীর্ত্তন ৰসেহে কেৱল
মুকুতি সুখৰ ফল।।' নামঘোষা

দেৱৰো দেৱতা দৈৱকী নন্দন কৃষ্ণ; তেওঁৰ গুণ নামেই পৰম ধর্ম; মঙ্গলৰো সুমঙ্গল তেওঁৰ নাম; সেই নামকীর্ত্তন কৰি পোৱা অমৃতসম ৰসেইহে মুকুতি সুখৰ একমাত্র ফল। সংসাৰৰ সকলো ধর্মৰ লক্ষ্য জীৱৰ মঙ্গল সাধন যদিও বেদ বিহিত কর্মৰ দ্বাৰা হোৱা মঙ্গল ক্ষন্তেকীয়া; কিন্তু কৃষ্ণৰ গুণনামৰ দ্বাৰা হোৱা ফল পৰম মঙ্গলময়। নাম কীর্ত্তনৰ ৰসত মজি ভক্তই মুকুতি সুখৰ ফল অনুভৱ কৰে। শেষত ইয়াকে কব পাৰি যে --

'যিটো নাম লয় হৰি তাৰ হয়
ই পুনু ৰহস্য বৰে।
আপোন নামৰ মহিমা দেখিয়া
হৰিৰ আনন্দ চড়ে।।' নামঘোষা

এনেদৰেই নামৰ মাহাত্ম্য ব্যক্ত কৰিছে মহাপুৰুষ মাধৱদেৱে তাৰাৰ যুগজয়ী অনুপম 'ঘোষা' শাস্ত্ৰত।

**সহায়ক গ্ৰন্থসমূহ ঃ**

১। কীৰ্ত্তন ঘোষা আৰু নামঘোষা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ প্ৰকাশিত।
২। নাম-ঘোষা ৰসামৃত, ইলাৰাম দাস।
৩। মাধৱদেৱ আৰু সংস্কৃতি, শ্ৰীভৱপ্ৰসাদ চলিহা।

---

**লেখকৰ পৰিচয় ঃ**

ডাঃ পুনিৰাম পাতৰ
নভেটি, মৰিগাঁও।



# নাম-ঘোষা ঃ এখন আংশিক অনুবাদ গ্ৰন্থ

**ড° ইন্দিৰা শইকীয়া বৰা**

মহাপুৰুষ শ্ৰীমাধৱদেৱৰ বিৰচিত 'নাম-ঘোষা' গ্ৰন্থখনি বৈষ্ণৱসকলৰ অমূল্য গ্ৰন্থ। 'নাম-ঘোষা'ত স্থান লাভ কৰা সকলো কথাই হৰিভক্তি কেন্দ্ৰিক। 'নাম' আৰু 'ঘোষা' এই দুটা শব্দৰ দ্বাৰা 'নাম-ঘোষা' নামটো গঠিত হৈছে। এই 'নামটো তাৎপৰ্য্যপূৰ্ণ নাম। ইয়াত 'নাম' শব্দটোৱে কেৱল হৰিনামকেহে বুজাইছে। শ্ৰীমদ্ভগৱত গীতাৰ সাৰতত্ত্ব গ্ৰহণ কৰি ভাগৱত পুৰাণ, মহাভাৰত আৰু অন্যান্য পুৰাণৰ পৰা হৰিভক্তিমূলক শ্লোক সংগ্ৰহ কৰি সেইবোৰৰ অৰ্থ, তাৎপৰ্য্য আৰু ভাৱাৰ্থ নানা ছন্দত অসমীয়া ভাষাত প্ৰকাশ কৰিছে। যদিও ভগৱান শ্ৰীকৃষ্ণৰ জাতকৰ্মৰ পিছত নাম-কৰ্মৰ কথা ভাগৱত আদি শাস্ত্ৰত পোৱা যায়, তথাপিও শ্ৰীকৃষ্ণ 'অজ' অৰ্থাৎ জন্মৰহিত অনাদি অনন্ত পৰমেশ্বৰ, তেওঁ আন জীৱবিলাকৰ দৰে জন্ম আৰু কৰ্মৰ কোনো অৱকাশ নাই। তথাপিও বিশেষ বিশেষ উদ্দেশ্যে জন্ম গ্ৰহণ কৰি সেই জন্মত নানা লীলা কৰে। তেওঁৰ এই লীলাময় শৰীৰ প্ৰকৃতিৰ গুণৰ দ্বাৰা নিৰ্মিত নহয় আৰু তেওঁ কৰ্মজ জীৱবিলাকৰ দৰে জন্ম মৃত্যুৰো অধীন নহয়। গৰ্গ ঋষিয়ে শ্ৰীকৃষ্ণৰ নামকৰণৰ সময়ত কৈছে যে--তেওঁৰ নামবোৰ গুণ আৰু কৰ্মানুসাৰে হৈছে। যিহেতু তেওঁৰ জন্ম অসংখ্য, সেইবাবে তেওঁৰ নামো অসংখ্য। ভাগৱত পুৰাণত কোৱা হৈছে--

বহুনি সন্তি নাসানি ৰূপাণি চ সুতস্য তে।
গুণকৰ্মানুৰূপাণি নান্যহং বেদ নো জনাঃ

অৰ্থাৎ 'হে গোপৰাজ নন্দ, গুণ আৰু কৰ্মানুসাৰে তোমাৰ পুত্ৰৰ অসংখ্য নাম আৰু ৰূপ আছে। সেইকাৰণে, মই বা আন যিকোনো ব্যক্তিয়ে সেই অসংখ্য নাম আৰু ৰূপ গুণসমূহ জানিবলৈ সক্ষম নহয়।'

গতিকে, 'নাম-ঘোষা' শব্দটোৰ 'নাম' বুজিব লাগিলে শ্ৰীকৃষ্ণৰ নামসমূহ আৰু সেইনামবোৰৰ লগত সম্বন্ধ থকা তেওঁৰ ৰূপ-গুণ, লীলা আদি বুজিব লাগিব।

তেওঁৰ 'নাম' বোৰৰ তাৎপৰ্য্য ত্ৰিকালজ্ঞ গৰ্গ ঋষিয়েও জানিবলৈ সক্ষম নহয় বুলি কৈছে। ভগৱানে তেওঁৰ সমস্ত নাম নিজে নিজেই গ্ৰহণ কৰিছে, কেৱল শাস্ত্ৰকাৰ ভক্তসকলে নামসমূহৰ বৰ্ণনা দিছে মাত্ৰ।

'নাম-ঘোষা'ৰ 'ঘোষা' শব্দটোও তাৎপৰ্য্যপূৰ্ণ। 'ঘোষা' শব্দৰ পৰা 'ঘোষা' হৈছে। 'ঘোষ' মানে 'নাদ' 'নদ্' শব্দে ঘঞ্ অৰ্থাৎ 'ধ্বনি'। 'নাম' উচ্চাৰণৰ লগত 'নাদ বা 'ঘোষ'ৰ সুক্ষ্মভাবে দৃঢ় সম্বন্ধ আছে। ব্যাসদেৱে যিদৰে যোগ অৱলম্বন কৰি সমাধিস্থ হৈ নাদৰূপী পৰমব্ৰহ্মৰ নাম গুণ লাভ কৰিছিল, সেইদৰে প্ৰকৃত 'নাম'ত ৰসাস্বাদন কৰিবলৈ হলে নাদৰ সাহায্য একান্ত আৱশ্যক।

'ৰাম নাম মৃতসঞ্জীৱনী হৰি হৰি।
ৰামনাম ঘুষিয়োক ছানি ৰাম ৰাম।।'৯৫৩।। নামঘোষা।।

'কীৰ্ত্তন-ঘোষা'ত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেও কৈছে--

'ঘুষিয়ো হৰি সদায়'। কীৰ্ত্তনঘোষা ১৬/৩২

মহাপুৰুষ মাধৱদেৱে বহুতো শাস্ত্ৰৰ পৰা সংগ্ৰহ কৰা শ্লোকসমূহত ভক্তিৰ লগত অবিচ্ছিন্নভাৱে জড়িত কৰা বিষয়বিলাক স্পষ্ট কৰি দেখুৱাইছে আৰু সেয়া হৈছে মহাপুৰুষাৰ্থস্বৰূপ ৰসময়ীভক্তি। এই প্ৰবন্ধত 'নাম-ঘোষা' এখন আংশিক অনুবাদ গ্ৰন্থৰূপে আলোচনা কৰিবলৈ লোৱা হৈছে। সেইকাৰণে অতি সংক্ষেপভাৱে আলোচনা কৰিলে দেখা যায় যে--

'নাম-ঘোষা' গ্ৰন্থৰ আৰম্ভণিৰ প্ৰথম ঘোষাটি বিষ্ণুপুৰী সন্ন্যাসী ৰচিত 'ভক্তিৰত্নাৱলী'ৰ স্বকৃত 'কান্তিমালাটীকাৰ যে মুক্তাৱপি নিস্পৃহাঃ--নিত্যং শৰণ্যং ভজে।।' এই মঙ্গলা চৰণ শ্লোকটিৰ অনুবাদ। মহাপুৰুষ মাধৱদেৱে পৰম বৈষ্ণৱ বিষ্ণুপুৰী সন্ন্যাসীৰ সংস্কৃত 'ভক্তিৰত্নাৱলী' গ্ৰন্থৰ অসমীয়া পদ ভাঙনি কৰে। তথাপি তুলনামূলক অধ্যয়নত দেখা যায় 'নাম-ঘোষা'ৰ অন্তৰ্ভুক্ত সংস্কৃত শাস্ত্ৰৰ শ্লোকসমূহৰ অসমীয়া পদ ভাঙনি ৰত্নাৱলীৰ পদ ভাঙনিতকৈ বহু উচ্চস্তৰৰ এই পদ ভাঙনিৰ তত্ত্বানুবাদ আৰু ভাৱানুবাদ এনে স্বতঃস্ফুৰ্ত আৰু স্বাভাৱিক যে ঘোষাৰ পদচৰণৰ বৈচিত্ৰ্য অদিক তত্ত্বপূৰ্ণ। ভাৱানুবাদ এনে স্পষ্ট যে মূল সংস্কৃত শ্লোকৰ তত্ত্বটিয়ে ঘোষাশাস্ত্ৰত এটি চিত্ৰৰূপ ধাৰণ কৰিছে। বিষ্ণুপুৰী আৰু তেওঁৰ দ্বাৰা ৰচিত 'ভক্তি-ৰত্নাৱলী' গ্ৰন্থৰ সম্বন্ধে মহাপুৰুষ মাধৱদেৱে লিখিছে--

আছিলন্ত সন্ন্যাসী নামত বিষ্ণুপুৰী।
পৰম মহন্ত মহাজন মাজে সাৰ।।





তেন্তে কৰিলন্ত ভাগৱত সাৰোদ্ধাৰ।
ভক্তি-ৰত্নাৱলী নামে নাহি পটন্তৰ।।
পৰম অমূল্য ৰত্ন ভকত জনৰ।। (ভক্তি ৰত্নাৱলী, )

অৰ্থাৎ ভাগৱতৰ তত্ত্বেৰে ৰচিত 'ভক্তি-ৰত্নাৱলী' গ্ৰন্থখন বৈষ্ণৱ শাস্ত্ৰৰ অন্যতম আৰু ভক্তসকলৰ পৰম অমূল্য ৰত্ন। মূল সংস্কৃত শ্লোকটি হৈছে--

যে মুক্তাৱপি নিস্পৃহাঃ প্ৰতিপদ প্ৰোন্মীলদানন্দদাং
যামাস্থায় সমস্তমস্তকমণিং কুৰ্বন্তি স্বেৱশ।
তাত্--ভক্তানপি তান্বত ভক্তিমপি তৎ ভক্তপ্ৰিয়ং শ্ৰীহৰিং
বন্দে সন্তমৰ্থয়েহনুদিৱসং নিত্য শৰণ্যং ভজে।।
(ভক্তি-ৰত্নাৱলী/কান্তিমালাটীকা)

মহাপুৰুষ মাধৱদেৱে 'নাম-ঘোষা' শাস্ত্ৰৰ প্ৰাৰম্ভতে মঙ্গলাচৰণ কৰিবৰ উদ্দেশ্যে যিটো শ্লোকৰ--ঘোষানুবাদ দিছে সেই শ্লোক নিৰ্ব্বাচনত মহাপুৰুষ মাধৱদেৱৰ অতিশয় বিচক্ষণতা প্ৰকাশ পাইছে। মাধৱদেৱে প্ৰথম দ্বিতীয় ঘোষাত গোটেই গ্ৰন্থৰ মূল প্ৰতিপাদ্য বিষয়টো অৱতাৰণা কৰিছে। প্ৰথম ঘোষাটি অৰ্থাৎ-

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তকমণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱযদুপতি।। ১।।

ইয়াত গুৰু, ভকত, ভকতি, উপাস্যদেৱ যদুপতি (কৃষ্ণ) আৰু ভজন প্ৰণালীৰ সাৰভূত তত্ত্ব প্ৰকাশ কৰিছে। সমগ্ৰ ঘোষা শাস্ত্ৰ উক্ত সংস্কৃত শ্লোকৰ প্ৰতিপাদ্য বিষয়ৰ বাখ্যা বুলিলেও অত্যুক্তি কৰা নহয়। উক্ত সংস্কৃত শ্লোকত যিমানখিনি সুক্ষ্ম আৰু গভীৰভাৱ প্ৰকাশ কৰিছে শ্ৰীমাধৱদেৱৰ ঘোষাই সেইটো সংক্ষিপ্তভাৱে প্ৰকাশ কৰিছে। বিষ্ণুপুৰী সন্ন্যাসীৰ 'যে মুক্তাৱপি নিস্পৃহাঃ- অৰ্থাৎ মুক্তিতো স্পৃহা নথকা যিসকল ভক্তই প্ৰতিমুহূৰ্ততে নতুন আনন্দদায়িনী ভক্তিক অৱলম্বন কৰি সমস্তমস্তক মণি পৰমেশ্বৰক নিজৰ অধীন কৰে, সেইসকল ভক্তকো সদায় নমস্কাৰ কৰো, সেই ভক্তিকো সদায় নমস্কাৰ কৰো আৰু সেই ভক্তবৎসল শৰণ্য হৰিকো সদায় ভজনা কৰো।'

মুক্তি সাধাৰণতে পাঁচবিধ-সালোক্য, সাষ্টি, সামীপ্য, সাৰুপ্য আৰু সাযুজ্য।
সালোক্যঃ একেলোকত বাস অৰ্থাৎ বৈকুণ্ঠত থাকি ঈশ্বৰৰ তুল্য ঐশ্বৰ্য্য

লাভ কৰা।

সাষ্টি ঃ সমপদৱীধাৰী বা একেপদত থকা।

সামীপ্য ঃ ঈশ্বৰৰ লগত একেলগে বাস কৰা। মুক্তিৰ বা মোক্ষ প্ৰাপ্তিৰ অন্তিম অৱস্থা।

সাৰূপ্য ঃ ইষ্টদেৱৰ (ঈশ্বৰৰ) সমান ৰূপ লাভ কৰা।

সাযুজ্য ঃ 'সযুজো সহযোগস্য ভাৱঃ।' ষ্যঞ্ প্ৰত্যয়। ঈশ্বৰৰ লগত একত্বভাব অৰ্থাৎ নিৰ্বাণ।

ইয়াৰ ভিতৰত পঞ্চমবিধ মুক্তিয়েই শ্ৰেষ্ঠ। মূল সংস্কৃত শ্লোকত 'মুক্তৌ' একবচনত আছে। সেইকাৰণে ইয়াত এবিধ মুক্তিৰ কথা কৈছে। সেয়া হৈছে সৰ্বশ্ৰেষ্ঠ মুক্তি 'সাযুজ্য' বা নিৰ্বাণ মুক্তি। এইকথা মাধৱদেৱে 'ভক্তি ৰত্নাৱলী' গ্ৰন্থত স্পষ্ট ভাবে কৈছে--

আমাৰ একান্ত ভকত সকলে
দেখে সমস্তক মিছা।
ভকতি বিৰোধী জানিয়া সাযুজ্য
মোক্ষকো নকৰে ইচ্ছা।। ৫৭।।

এই পাঁচবিধ মুক্তিক মুক্তিপদ বুলিও কোৱা হয়। ইয়াৰ উপৰি আৰু এবিধ মুক্তি আছে সেয়া সংসাৰ বন্ধনৰ পৰা মুক্তি। কিন্তু 'মুক্তাৱপি নিস্পৃহাঃ' কথাষাৰে অৱস্থাবিশেষে ভক্তৰ কাৰণে মুক্তি স্পৃহনীয় হ'বও পাৰে, নহ'বও পাৰে। গতিকে 'মুক্তিতো নিস্পৃহ' কথাষাৰে মুক্তিতো নিস্পৃহ ভক্তসকলৰ উপৰি সকাম, মোক্ষকামী আদি ভকতৰ বিষয়েও সূচনা কৰিছে। সেইকথা মহাপুৰুষ শঙ্কৰদেৱে কীৰ্ত্তনত কৈছে --

ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।।
কীৰ্ত্তন। দ্বাৰকালীলা। স্যমন্তকহৰণ।।১১৩।।

যন্নামধেয়েন ভাবাব্ধিমজ্জসা তৰ্যা সমুত্তীৰ্য নৰং পৰং পদম্।
প্ৰাপ্নোতি পাতক্যপি তং সনাতনং সদা সদানন্দ উপাস্মহে হৃদি।।
১।। (ভক্তিৰত্নাকৰ)

দ্বিতীয় ঘোষাত 'ৰাম-কৃষ্ণ' শব্দ মূল শ্লোকত নাই যদিও তাৰ 'সনাতন' আৰু সদানন্দ'ই ভগৱানবাচক শব্দৰ ইঙ্গিত দিছে। 'সদা উপাস্মহে' অৰ্থাৎ 'সদায় উপাসনা কৰোঁ' এই কথাৰ আভাস গীতাৰ অষ্টম অধ্যায়তো পোৱা যায়।





অনন্যচেতাঃ সততং যো মাং স্মৰতি নিত্যশঃ।
অস্যাহং সুলভঃ পাৰ্ত নিত্যযুক্তস্য যোগিনঃ।।
শ্ৰীমদ্ভগৱদ্‌গীতা ৮/১৪

৩ নং ঘোষাটো মাধৱদেৱে জয়দেৱৰ বিৰচিত 'গীতা গোবিন্দম্' গীতিকাব্যত থকা ১/২৬ নং শ্লোকৰ পৰা অনুবাদ কৰিছে।

বেদানুদ্ধৱতে জুগন্নিৱহতে ভূগোল মুদ্বিভ্ৰতে।
দৈত্যান্ দাৰয়তে বলিং ছলয়তে ক্ষত্ৰক্ষয় কুৰ্বতে।।
পৌলস্ত্যং জয়তে হলং কলয়তে কাৰুণ্যমাতস্বতে।
ম্লেচ্ছান্ মূৰ্চ্ছয়তে দশাকৃতিকৃতে কৃষ্ণায় তুভ্যং নমঃ।।
গীতগোৱিন্দম ১/২৬

ইয়াত শ্ৰীকৃষ্ণক 'পূৰ্ণব্ৰহ্ম আৰু ইয়াত যি দহোটা অৱতাৰৰ কথা কোৱা হৈছে সেইকেইটা কৃষ্ণৰ বেলেগ বেলেগ অৱতাৰ। কৃষ্ণক উপসনা কৰিলেই দশাৱতাৰো উপাসনা কৰা হয় আৰু সেই অৱতাৰবিলাকৰ যোগেদি কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰা হৈছে--

মৎস্যঃ কূৰ্মোৱৰাহশ্চ নৰসিংহহোহথবামনঃ।
ৰামো ৰামশ্চ ৰামশ্চ বুদ্ধ কল্কী চ তে দশঃ।। মৎস্যপুৰাণ।

দশাৱতাৰ যে কৃষ্ণৰেই অৱতাৰ সেই কথাও সূচিত হৈছে। 'নামঘোষা'ৰ ৪ নং ঘোষাটি মাধৱদেৱে 'নাৰদ সংহিতা'ৰ পৰা অনুবাদ কৰিছে। মূল শ্লোকত এনেদৰে পোৱা যায়--

নাহং তিষ্ঠামি বৈকুণ্ঠ যোগিনাং হৃদয়ে ন চ।
মদ্ভক্তো যত্ৰ গায়ন্তি তত্ৰ তিষ্ঠামি নাৰদ।।নাৰদসংহিতা

এই শ্লোকত কোৱা হৈছে যে 'মই কেৱল বৈকুণ্ঠত বা কেৱল যোগীসকলৰ হৃদয়তে যে থাকো তেনে নহয়। যিসকলে তেওঁৰ গুণ শ্ৰৱণ, কীৰ্ত্তন কৰে সেইসকল ভক্তৰ সঙ্গ তেওঁ বেছি ভাল পায়। অৰ্থাৎ কৃষ্ণ সৰ্বব্যাপক।

গীতাৰ দ্বাদশ অধ্যায়ত অৰ্জুনে ভগৱান শ্ৰীকৃষ্ণক সুধিছে-- সদায় ত্বদগত চিত্তহৈ যিসকল ভক্তই ভগৱান শ্ৰীকৃষ্ণৰ উপাসনা কৰে আৰু যিসকলে অব্যক্ত অক্ষৰৰ উপাসনা কৰে, সেই উভয়ৰ মাজত শ্ৰেষ্ঠ কোন? সেই কথাৰ উত্তৰত ভগৱান কৃষ্ণই কৈছে--

ময়াবেশ্যমনো যে মাং নিত্যযুক্তা উপাসতে।

শ্রদ্ধয়া পৰয়োপেতাস্তে মে যুক্ততমা মতাঃ।। গীতা ১২/২

অৰ্থাৎ 'যিসকল ভক্তই কেৱল-তেওঁৰ ওপৰত মন নিবিষ্ট কৰি নিত্যযুক্ত হৈ পৰম শ্ৰদ্ধা সহকাৰে তেওঁৰ উপাসনা কৰে, তেওঁলোকেই তেওঁৰ মতে যুক্ততম্ অৰ্থাৎ শ্ৰেষ্ঠ সাধক।'

মহাপুৰুষ মাধৱদেৱে 'নাম-ঘোষা'ত উক্ত গীতাৰ শ্লোকৰ অনুকৰণত ভক্তিমাৰ্গক শ্ৰেষ্ঠ কৰি দেখুৱাই এনেদৰে কৈছে--

অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক

ব্যাপকত কিবা বিসৰ্জ্জন।

এতাৱন্ত মূৰ্ত্তিশূন্য কেনমতে চিন্তিবাহা

ৰাম বুলি শুদ্ধ কৰা মন।। ৮।।

সেই একে কথা পদ্মপুৰাণতো কৈছে--

অব্যক্তস্য কথং পূজা ব্যাপকে কিং বিসৰ্জনম্।

অমূৰ্ত্তত্বাৎ কথং ধ্যানং নামমাত্ৰাং শুচিৰ্ভবেৎ।।

(পদ্মপুৰাণ স্বৰ্গখণ্ড ১২)

ভাগৱত পুৰাণৰ দ্বিতীয় স্কন্ধৰ অষ্টম অধ্যায়ৰ পঞ্চম শ্লোকত কৈছে-- কৃষ্ণকথা কৰ্ণৰন্ধ্ৰ বা কাণৰ ভিতৰেদি প্ৰৱেশ কৰাৰ লগে লগে হৃদয়ত ভগৱান প্ৰবিষ্ঠ হৈ ধ্যানগোচৰ হৈ সেই শ্ৰোতা ভক্তজনৰ বিষয় দূষিত অন্তঃকৰণৰ দুৰ্বাসনাবিলাক আৰু ভক্তি প্ৰতিৱন্ধক বিষয় লালসাবিলাক নাশ কৰি চিত্ত নিৰ্মল কৰি দিয়ে। তাৰ লগতে সঙ্গতি ৰাখি এটা উদাহৰণৰ দ্বাৰা দেখুৱাইছে যে বৰ্ষাকালত নদী, সৰোবৰ আদিৰ অপৰিস্কাৰ পানীসমূহক শৰৎ কালেহে নিৰ্মল কৰে। সেই পানী অন্য প্ৰকাৰে নিৰ্মল কৰিব নোৱাৰি, ঠিক যেনেকৈ ভগৱান যেতিয়া ভক্তৰ হৃদয়ত প্ৰকট হব তেতিয়া সেই ভক্তজনৰ মল অৰ্থাৎ কাম ক্ৰোধাদি নিজে নিজেই আঁতৰ হৈ পৰিব। এই শ্লোকৰ অনুবাদ মাধৱদেৱে এনেদৰে দিছে --

কৰ্ণপথে ভকতৰ হিয়াত প্ৰৱেশি হৰি

দুৰ্ব্বাসনা হৰে সমস্তয়

জলৰ যতেক মল যেহেন শৰতকালে

স্বভাৱতে নিৰ্ম্মল কৰয়।। ১৫।।

মূলত আছে--





প্ৰৱিষ্টঃ কৰ্মৰন্ধ্ৰেণ স্বানাং ভাৱৰোৰুহম্।

ধূন্যোতি শমলং কৃষ্ণঃ মলিলস্য যথা শৰত।।

শ্ৰীমদ্ভাগৱত পুৰাণ২/৮/৫

পদ্মপুৰাণৰ উত্তৰ খণ্ডত ৭১ তম অধ্যায়ত ৩১৭-১৮ নং শ্লোকত কৃষ্ণকেই শ্ৰেষ্ঠদেৱতা বুলি কৈছে, মহেশও তেওঁকহে সেৱা কৰে। তাৰেই অনুবাদৰূপে মাধৱদেৱে 'নাম-ঘোষা'ত কৈছে --

হুয়া দেৱ দিগম্বৰ ভস্ম বিভূষিত অঙ্গ

শিৰত ধৰিয়া জটা ভাৰ।

মহেশে সেৱন্ত যাক হেন কৃষ্ণ বিনে আন

কোন শ্ৰেষ্ঠ দেৱ আছে আৰ।। ১৬।।

মূলত আছে--

যমুদ্দিশ্য সদানাথো মহেশোহপি দিগম্বৰঃ।

জটিলোভস্মলিপ্তাঙ্গস্তপস্বী ৱীক্ষ্যন্তে জনৈঃ

ততোহধিকোহস্তি কো দেৱ লক্ষ্মীকান্ত মধু দ্বিষঃ।

যত্ততং চিন্ত্যতে নিত্যং ত্বয়া যোগেশ্বৰে নহি।।

(পদ্মপুৰাণ, উত্তৰ খণ্ড ৭১/৩১৭-১৮)

ভাগৱত পুৰাণত কৈছে মাধৱৰ (কৃষ্ণৰ) যশস্যা আৰু সেই যশস্যা অঙ্কিত তেওঁৰ নাম। এয়েই হৈছে মহাভাগৱতৰ সাৰ ৰস। এই ৰসৰ যিজন ৰসগ্ৰাহী ভকতে শ্ৰৱণ, মনন আৰু নিদিধ্যাসন এই তিনি প্ৰকাৰৰ সাধনাৰ দ্বাৰা অমৃতাধিক মাধুৰী উপভোগ কৰি কৃতাৰ্থ হৈছে।

ভক্তিং লব্ধৱতঃ সাধোঃ কিমন্যদৱশিষ্যত।

ময্যনন্তগুণে ব্ৰহ্মণ্যানন্দানুভবাত্মনি।।

(ভাগৱত পুৰাণ ১১/২৬/৩০)

অৰ্থাৎ 'শৃন্বন্তি, গায়ত্ৰি হ্যনুমোদয়ন্তি' ইয়াৰ অৰ্থ হৈছে বক্তা থাকিলে শুনে, শ্ৰোতা থাকিলে শুনায় আৰু শ্ৰোতাবক্তা নাথাকিলে নিজে গুণানুকীৰ্ত্তন কৰে। 'নামঘোষা'ত তাৰেই অনুবাদ দিছে--

মহাভাগৱত ৰস মাধৱৰ নাম যশ

আক পান কৰিল যিজনে।

কৃষ্ণৰ চৰণে চিত্ত দিয়া মোক্ষ আদি ৰসে

ৰতি আৰ নকৰয় মনে।। ১৯।।

[illegible]





এই শ্লোকৰ অনুবাদ মাধৱদেৱে 'নাম-ঘোষা'ত দেখুৱাইছে--

ঐশ্বৰ্য্য ভোগৰ মদে মত্ত হুয়া ঈশ্বৰত
পৰাঙ্মুখ ভৈলা যিটো জন।
যেন জীৰ্ণ গাই সিটো দুৰ্ঘোৰ সংসাৰ মহা
পঙ্কে পৰি হোৱয় মগন।। ৫৮।।

সেইকাৰণে, স্নান, দান, ব্ৰত আদি নিষ্কামভাৱে ভগৱানত অৰ্পণ কৰাৰ মহাফলস্বৰূপ অনবৰতে মুখত ৰাম ৰাম উচ্চাৰণ হয় তেওঁৰ তুল্য কোনো হব নোৱাৰে।

ৰাম ৰামতি ৰামেতি যস্য বক্তে ভৱত্যলম্
ন তস্য তুল্যতাং যাতি চিৰতীৰ্থাটনং মহৎ।।

তাৰেই অনুবাদ ১১৬ নং ঘোষাত কোৱা হৈছে--

ৰাম ৰাম ৰাম বাণী পৰম মঙ্গল ৰূপ
যাৰমুখে প্ৰকাশ কৰয়।
চিৰকালে মহাতীৰ্থ কৰিয়া পৱিত্ৰ হুয়া
তাকো কদাচিতো তুল্য নয়।। ১১৬।।

কলিযুগৰ অধিষ্ঠাত্ৰী দেৱতা কলি দোষৰ সাগৰ অৰ্থাৎ কলিযুগৰ জীৱসকলক অধৰ্মৰ পথত প্ৰবৃত্ত কৰে আৰু অন্নবস্ত্ৰৰ দুখত পেলায় আৰু পৰস্পৰৰ বিৰোধ জন্মায়, আনকি ভাই ভাই পিতৃ-পুত্ৰ, স্বামী-ভাৰ্য্যাসকলৰ মাজতো কন্দল জন্মায় ইত্যাদি দোষবিলাকৰ কাৰণেই কলিক দোষৰ সাগৰ বুলি কোৱা হয়। এনেকুৱা কলিকো পৰীক্ষিত ৰজাই বিবেচনা কৰি দেখিলে যে কলিদোষৰ সাগৰ হলেও তাৰ কিছুগুণো আছে। সেই গুণৰ ভিতৰত প্ৰধান গুণটো হৈছে যি মহাপাপী হীন জাতিত জন্ম পাইছে, তেওঁও হৰি কীৰ্ত্তন কৰি সুখেৰে সংসাৰ তৰিব পাৰে। এই গুণ দেখি কলিক অব্যাহতি দিলে, এই কথা ভাগৱত পুৰাণত বিস্তাৰিতভাৱে কোৱা হৈছে --

কলেৰ্দোষনিধে ৰাজন্নস্তি হ্যেকো মহান গুণঃ।
কীৰ্ত্তনাদেৱ কৃষ্ণস্য মুক্তসঙ্গঃ পৰং ব্ৰজেত্।।
(ভাগৱত পুৰাণ ১২/৩/৫১)

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেও 'ভক্তি ৰত্নাকৰ' গ্ৰন্থত 'কলেঃ পৰধৰ্মনিৰূপণম্'ৰ ২১ তম অধ্যায়ৰ শ্লোক নং ১৬ ত ভাগৱত পুৰাণৰ উক্তশ্লোক উল্লেখ কৰিছে।

'নাম-ঘোষা'ত মহাপুৰুষ মাধৱদেৱে মূলৰ লগত মিল ৰাখি এনেদৰে অনুবাদ কৰিছে--

দোষৰ সাগৰ কলি তাকো পৰীক্ষিত ৰাজা
গুণ দেখি কৰিলা ৰক্ষণ।
মহাপাপী অন্ত্যজাতি তৰয় কলিত সুখে
মুখে কৰি হৰিৰ কীৰ্ত্তন।। ১২১।।

'ভক্তি ৰত্নাকৰ' আৰু 'কূৰ্মপুৰাণ'ৰ পৰাও অনুবাদ কৰিছে। কূৰ্মপুৰাণত কোৱা হৈছে--

কলিনা দুষ্টসৰ্পেন দংষ্ট্ৰানামিহ ভেষজম্।
নাস্তি নাস্ত্যেৱ নাসস্ত্যেৱ ৰামনামামৃতং ৱিনা।।
কূৰ্মপুৰাণ(ভক্তি-ৰত্নকৰ--২১/১১৮)

এই শ্লোকটিত কলিক বিষধৰ সৰ্প বুলি বৰ্ণনা কৰিছে। 'কলি' হৈছে চাৰিযুগৰ ভিতৰত এটা যুগ। শাস্ত্ৰজ্ঞসকলে কৈছে কলিৰ সময় চাৰি লক্ষ্য বত্ৰিশ হাজাৰ বছৰ। কলিৰ প্ৰভাৱত ৰাজ্যশাসন, সমাজ শাসন, পাৰিবাৰিক শাসনৰ সীমা লঙ্ঘন কৰি আৰ্য্য সমাজৰ চাৰিজাতি আৰু অন্যান্য জাতিবিলাকৰ অন্ন, যোনি, আচাৰ-বিচাৰবিলাকৰ সীমা ধ্বংস কৰি একাকাৰ কৰা আৰু বেদধৰ্ম, বৰ্ণাশ্ৰমধৰ্ম লুপ্ত কৰে। কলিৰ প্ৰভাৱত ধৰ্মজ্ঞানৰূপ চেতন নোহোৱা কৰে, যিদৰে এডাল কাঠ নদীৰ সোঁতত উটি যায় তেনেদৰে সকলোলোকে অধৰ্মৰ সোঁতত উটি যাবলৈ দিয়ে। গতিকে কলিৰ দোষবিলাকৰ পৰা মুক্ত হৈ অন্নযোনি, আচাৰ-বিচাৰৰ সীমা ৰক্ষা কৰাৰ অৰ্থে মহা উপকাৰী ঔষধ হ'ল ৰাম-নাম। এই ৰাম-নামত শৰণ লৈ সদায় কীৰ্ত্তন কৰি চেতনালৈ কলিৰ সৰ্পদংশনৰ মুক্ত হৈ অনাচাৰ অনীতি, অধৰ্ম বৰ্জন কৰি পৱিত্ৰ হবলৈ উপদেশ দিছে। তাৰেই অনুবাদ দেখুৱাইছে--

দুষ্ট কলি সৰ্পে সবাকো দংশিলে
হৰাইল চেতন জ্ঞান।
ইহাৰ ঔষধ সুধা ৰাম ৰাম
বিনে নাহি নাহি আন।। ২০১।।

শ্ৰীমদ্ভগৱত গীতাত কোৱা হৈছে--

ত্ৰিৱিধং নৰস্যেদং দ্বাৰং নাসমাত্মনঃ
কামঃক্ৰোধস্তথা লোভস্তস্মাদেৎত্ৰয়ং ত্যজেৎ।।(গীতা১৬/২১)





অৰ্থাৎ কাম, ক্ৰোধ, লোভে নিজৰ আত্মাটোক বিনাশ কৰে। (আত্মাৰ বিনাশ নাই) কিন্তু কাম, ক্ৰোধ, লোভ এই তিনিওটি নৰকৰ দ্বাৰ। এই ত্ৰিদোষক ত্যাগ কৰি যি জনে কৃষ্ণক ভজে তেওঁহে কৃষ্ণক পায় আৰু কৃষ্ণৰ কৃপাতে তেওঁ মুক্তিও পায়। তাৰেই অনুবাদ 'নামঘোষা'ত এনেদৰে পোৱা যায়--

কাম ক্ৰোধ লোভ তেজি যিটো জনে
ভজয় কৃষ্ণৰ পাৱে।
কৃষ্ণৰ কৃপাত হোৱয় কৃতাৰ্থ
সুখে মুকুতিক পাৱে।। ২১০।।

সম্পদ দুবিধ। এবিধ হৈছে দৈৱী সম্পদ আৰু আনবিধ হৈছে আসুৰী সম্পদ। ৰজোগুণ, তমোগুণ আদি যিমান বৃত্তি সেই সকলো আসুৰী সম্পদ। শুদ্ধ সত্ত্ববৃত্তি দেৱৰ সম্পত্তি। দৈৱী সম্পদ সংসাৰ বন্ধনৰ পৰা মুক্তিকাৰক। আসুৰী সম্পদ সংসাৰত জীৱৰ বন্ধকাৰক। দৈৱী সম্পদ আৰু আসুৰী সম্পদৰ বিষয়ে গীতাৰ ১৬ শ অধ্যায়ত ভগৱান কৃষ্ণই অৰ্জুনক এনেদৰে বুজাই দিছে--

তেজঃ ক্ষমা ধৃতিঃ শৌচমদ্ৰোহো নাতিমানিতা।
ভৱন্তি সম্পদং দৈৱীমভিজাতস্য ভাৰত।। (গীতা ১৬/৩)

ইয়াত 'তেজঃ' অৰ্থাৎ শ্ৰেষ্ঠ ব্যক্তিৰ নিজ শক্তিৰ প্ৰভাৱত তেওঁৰ বিষয়াসক্ত আৰু অন্যায় আচৰণ পৰিত্যাগ কৰে আৰু শ্ৰেষ্ঠ আচৰণত প্ৰবৃত্ত হয় তাকে তেজঃ বুলি কোৱা হয়। ধৈৰ্য্য, ক্ষমা, বাহ্যিক আৰু অন্তৰৰ শুদ্ধতা, কাৰো প্ৰতি শত্ৰু ভাৱ নথকা, নিজৰ শ্ৰেষ্ঠতাক লৈ অভিমান নকৰে, সেই গুণবিলাকেই পুৰুষৰ লক্ষণ, তেওঁলোকে এই দৈৱীসম্পদ লৈ জন্ম গ্ৰহণ কৰে।

আসুৰীসম্পদ হৈছে

দম্ভোদৰ্পোহভিমানশ্চ ক্ৰোধঃ পাৰুষ্যমেৱ চ।
অজ্ঞানং চাভিজাতস্য পাৰ্থ সম্পদ মাসুৰীম্।। (গীতা )

অৰ্থাৎ দম্ভ, দৰ্প আৰু অভিমান তথা ক্ৰোধ, কঠোৰতা আৰু অজ্ঞান এইবিলাকেই হৈছে আসুৰী সম্পদ আৰু এইবোৰ গুণ লৈয়েই কিছুমানে জন্ম গ্ৰহণ কৰে। গতিকে আসুৰী সম্পদ ত্যাগ কৰি দৈৱী সম্পদ গ্ৰহণ কৰি কৃষ্ণক ভজিব লাগে। মহাপুৰুষ মাধৱদেৱে ভক্তৰ দুয়োবিধ সম্পদৰ কথা এটি ঘোষাতে সুন্দৰ ভাৱে দেখুৱাইছে --

'ৰজোগুণ তমো গুণযত বৃত্তি
কেৱলে আসুৰীভাৱ।

শুদ্ধ সত্ত্ব বৃত্তি দেৱৰ সম্পত্তি
লৈয়া ভজা কৃষ্ণপাৰ।। ২১৩।।

নাম-ঘোষাৰ ২৪২নং ঘোষাত মাধৱদেৱে কৈছে যে ৰাম, কৃষ্ণ, হৰি আদি ভগৱানৰ নাম কীৰ্ত্তন আৰু শ্ৰৱণ কৰিবৰ উপদেশ দিছে তাৰ লগতে মনেৰেও অন্যায় নকৰিবলৈ ইঙ্গিত দিছে। কাৰণ, মনত পাপবৃত্তি থাকিলেও হৰিভক্তি লাভ নহয়। নেদেখাকৈও কোনো পাপ কৰ্ম যদি কৰা যায়, আনকি মনেৰে ভাৱিলেও অদ্ভূত শক্তিসম্পন্ন সাক্ষী লগতে আছে সেয়া হৈছে চৈধ্য সাক্ষী --

ৰাম কৃষ্ণ হৰি বোল গুণ ভাই
অন্যায় নকৰ মনে।
চৈধ্য সাক্ষী সমে যমেৰ দেৱান
দেখিয়োক সৰ্ব্বক্ষণে।।

শাস্ত্ৰত চৈধ্যসাক্ষীৰ কথা এনেদৰে পোৱা যায়।

আদিত্যশ্চন্দ্ৰদিলোহ্নলশ্চ
দৌৰ্ভূমিৰাপো হৃদয়ং যমশ্চ।
অহশ্চ ৰাত্ৰিশ্চ উভে চ সন্ধ্যে
ধৰ্মশ্চ জানাতি নৰস্য বৃত্তম্।।

অথাৎ সূৰ্য্য, চন্দ্ৰ, বায়ু, অগ্নি, স্বৰ্গ, ভূমি জল, হৃদয়, যম, দিন-ৰাতি, সন্ধ্যাকালদ্বয় অৰ্থাৎ প্ৰাতঃ সন্ধ্যাকাল আৰু সায়ুং সন্ধ্যাকাল আৰু ধৰ্ম এই চৈধ্যটি কৰ্মসাক্ষীয়ে প্ৰত্যেক লোককে দেখি আছে। এই সাক্ষীবিলাকৰ দ্বাৰাই যমৰ দেৱান (দূত) চিত্ৰগুপ্তই দোষ গুণ প্ৰমাণলৈ পাপী হলে চৌৰাশী নৰকত শাস্তি দিয়ে। এই পৃথিৱীত মানুহবিলাকে নিজ ইচ্ছা মতেও জন্ম গ্ৰহণ কৰা নাই। নিয়ন্ত্ৰণ মতেহে জন্ম লাভ কৰিছে। তেনেদৰে মৰাটো নিয়ন্ত্ৰণ মতে বাধ্য হৈ মৰে, তাতো নিজৰ স্বাধীনতা নাই। কিন্তু অহঙ্কাৰ বিমূঢ়াত্মা ব্যক্তিয়ে সমস্ত কৰ্মতে নিজে কৰ্ত্তা বুলি অভিমান কৰে। এই অভিমানৰ কাৰণেই সৎ অসৎ যোনিত জন্ম হয়। আসুৰী কৰ্ম কৰিলে :আসুৰী যোনিত ভগৱানে জন্ম দিয়ে আৰু কৰ্মৰফলত তাতকৈও অধম যোনিত জন্ম হব পাৰে।

'ভাগৱত পুৰাণ' আৰু 'ভক্তি-ৰত্নাকৰ'ত কোৱা হৈছে--

কৃতাদিষু প্ৰজা ৰাজন্ কলাৰিচ্ছন্তি সম্ভৱম্।
কলৌ খলু ভৱিষ্যন্তি নাৰায়ণ পৰায়ণাঃ।।





(ভাগৱত পুৰাণ ১১/৫/৩৮, ভক্তি ৰত্নাকৰ ২১/৭)

একে কথাৰ অনুবাদ মাধৱদেৱে কলিধৰ্ম নিৰ্ণয়ত দেখুৱাইছে--

সত্যাদিৰ লোকে কলিত জনম
বাঞ্ছা কৰে নিৰন্তৰ।
হৰি গুণ গায়া নিশ্চয়ে কলিত
হৈবে নাৰায়ণ পৰ।। ৩৮০।।

অৰ্থাৎ সত্যযুগৰ লোকেও কলিত জন্ম লাভ কৰিবলৈ কামনা কৰে, এইকাৰণেই যে হৰিৰ কীৰ্ত্তন কৰি ভক্তিৰ দ্বাৰা নাৰায়ণক পাব পাৰি। কলিত হৰিনাম ললে সকলো পাপ নাইকীয়া হয়। আনায়াসে মায়াৰ সংসাৰ পাৰ হৈ কৃষ্ণৰ ওচৰ পাব পাৰি। সেই কথাকেই মাধৱদেৱে বৃহন্নাৰদীয় পুৰাণৰ পৰা অনুবাদ কৰি দেখুৱাইছে ৩৮২ নং ঘোষাত--

ঘোৰে কলিযুগে প্ৰাপ্তে হৰিনাম পৰায়ণাঃ।
সমস্ত পাপনিৰ্মুক্তা যাস্যন্তি পৰমাং গতিম্।।

(বৃন্নাৰদীয় পুৰাণ ৩৮/১/২৯)

হৰি গুণ নাম কীৰ্ত্তনে কলিৰ
কল্মষ কৰে বিনাশ।
অনায়াসে ঘোৰ সংসাৰ তৰিয়া
পাৰয় কৃষ্ণৰ পাশ।। ৩৮২।।

সেইকাৰণে ভাগৱত পুৰাণ আৰু বৃহন্নাৰদীয় পুৰাণত কৈছে--

কৃতে যদ্ধ্যায়তো বিষ্ণুং ত্ৰেতায়াং যজতো মখৈঃ।
দ্বাপৰে পৰিচৰ্য্যায়াং কলৌ তদ্ধৰিকীৰ্ত্তনাৎ।

ভাগৱত পুৰাণ ১২/৩/৫২
গৰুড় পুৰাণ পূৰ্ব খণ্ড২৩২/১৯
বৃহন্নাৰদীয় পুৰাণ ৩৮/৯৫/,৩৮/৯৭

মহাপুৰুষ মাধৱদেৱে ইয়াৰে অনুবাদ কৰি দেখুৱাইছে--

সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
আৰৰ নাহিকে দুজা।। ৩৯৯।।

সেইকাৰণে ভাগৱত পুৰাণত কোৱা কথাৰ অনুবাদ ৪০৩ আৰু ৬০৩ নং ঘোষাত অনুবাদ কৰি দেখুৱাইছে--

সকল নিগম কল্পতৰু তাৰ
মহাফল ভাগৱত।
সেহি ফল ৰস হৰি গুণ যশ
পিয়োক সাধু সঙ্গত।। ৪০৩।।

অৰ্থাৎ সমূহ বেদ কল্পবৃক্ষ সদৃশ। শুকমুনিৰ দ্বাৰা কোৱা মহাভাগৱত ৰসময়। সেই ৰসময় ভাগৱত শাস্ত্ৰ সাধুসকলেও সঙ্গত শ্ৰৱণ কৰিব লাগে। মূলত আছে --

নিগমকল্পতৰোৰ্গলিতং ফলং
শুকমুখাত অমৃতদ্ৰবসংযুতম্।
পিৱত ভাগৱতং ৰসমালয়ং
মুহুৰহো ৰসিকা ভুবি ভাবুকাঃ।। ভাগৱত পুৰাণ

হৰিনামে বা অধম কৰ্ম লোককো পৰম নিৰ্মল কৰে অৰ্থাৎ অধম স্বভাৱ গুচাই অতি পৱিত্ৰ কৰি তোলে। যিজনে প্ৰকৃত পক্ষে হৰি নাম লয় সেইজন পৱিত্ৰ চৰিত্ৰৰ হয়, নিজেও শাস্ত্ৰবিৰুদ্ধ দোষ, কৰ্ম নকৰে, সমাজকো বেয়া উপদেশ দি অসৎ নকৰে। নামে শাস্ত্ৰবিৰুদ্ধ গুচাই নিৰ্মল কৰে । সেয়া মাধৱদেৱে বৃহদ্‌বিষ্ণু পুৰাণৰ পৰা অনুবাদ কৰি দেখুৱাইছে ৫০৯ নং ঘোষাত --

ৰাম কৃষ্ণ নামৰ দেখিয়ো কেন বল।
অধমকো কৰে নামে পৰম নিৰ্ম্মল।। ৫০৯।।

শ্ৰীমদ্ভগৱদ্‌গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে--

মন্মনা ভৱ মদ্ভক্তো মদ্যাজী মাং নমস্কুৰু।
মামেবৈষ্যসি যুক্তৈৰমাত্মানং সৎপৰায়ণঃ।
শ্ৰীমদ্ভগৱত (গীতা ৯/৩৪)

অৰ্থাৎ “মোত মন স্থাপন কৰা অৰ্থাৎ ময়েই একমাত্ৰ বুলি চিন্তা কৰি মোৰ ভক্ত হোৱা, মোক পূজন কৰা, মোতেই প্ৰণাম কৰি থাকা। এনেকৈ আত্মাত মোক স্থাপন কৰি মোত মন নিৰদ্ধ কৰি মোৰ ভক্ত হোৱা আৰু একান্তভাৱে মোকেই পাবা।' মহাপুৰুষ মাধৱদেৱে গীতাৰ সাৰ বাণী সাৰোগত কৰি 'নাম-ঘোষা'ত দেখুৱাইছে--

মোতে মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোক পূজা মোকে মাত্ৰ কৰা নমস্কাৰ।





কহিলো তোম্মাত সত্যবাণী পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃদ সখি আম্মাৰ।। ৬১২।।

এনেদৰে শ্ৰীমদ্ভগৱগীতাৰ নৱম অধ্যায়ৰ ৯,১০,১৫,১৮ শ্লোকৰো অনুবাদ দেখুৱাইছে। মূলত আছে--

সৰ্ব্বোপনিষদো গাৱো দোগ্ধা গোপালনন্দনঃ।
পাৰ্তো ৱৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামযতং মহৎ।।
(গীতা মাহাত্ম্য ৬)

এই শ্লোকৰ অনুবাদ ৬৬৮ নং ঘোষাত পোৱা যায়। এই জগতত সকলো প্ৰাণী আধ্যাত্মিক, আধিভৌতিক, আধিদৈৱিক, এই তিনিতাপত সন্তাপিত হৈ আছে। নিজৰ শৰীৰত হোৱা জ্বৰ তাপ, ব্যাধি আদি আধ্যাত্মিক; অন্য প্ৰাণীৰ পৰা পোৱা পীড়া আধিভৌতিক আৰু দেৱতাৰ পৰা পোৱা ৰদ, বৰষুণ বতাহ আদি আধিদৈৱিক। এই তিনিতাপত পোৱা পীড়াৰ পৰা সন্তাপিত হৈ জীৱসমূহ দুৰ্ঘোৰ সংসাৰত পৰি আছে। সেইকাৰণে ভগৱানৰ ওচৰত নৱৱিধা ভক্তি কৰিব লাগে তাৰ বাহিৰে সেই তাপ নিবাৰণৰ অন্য কোনো উপায় নাই। সেইকথা ভাগৱত পুৰাণৰ ১১ শ স্কন্ধৰ ১৯ অধ্যায়ৰ ৯ নং শ্লোকত এইদৰে কৈছে--

তাপত্ৰয়েণাভিহিতস্য ঘোৰে
সংতপ্যমানস্য ভাৱাধৱনীশ।
পশ্যামি নান্যচ্ছৰণং তৱাঙ্‌ঘ্ৰি
দ্বন্দ্বাতপাদমৃতাবিবৰ্ষাত।। ভাগৱত পুৰাণ ১১/১৯/৯।।

উক্ত শ্লোকৰ অনুবাদ ৬৫৭ নং ঘোষাত পোৱা যায়-

হে কৃষ্ণ জীৱ নিত্য তিনিতাপে হুয়া সন্তাপিত
দুৰ্ঘোৰ সংসাৰ তাপত পৰি আছয়।
তযুপদ শ্বেতছত্ৰ প্ৰায় অমৃত বৰিষে সৰ্ব্বদায়
তাৰ দুয়ো বিনে নেদেখো আৰ আশ্ৰয় ।। ৬৫৭।।

অনাদি জন্মৰ পৰা সঞ্চিত বিষয় বাসনাৰ দ্বাৰা মানুহৰ মন কলুষিত হৈ থাকে। সেই বাসনাবিলাক ধ্বংস কৰি মনক নিৰ্মল কৰিব নোৱাৰিলে আত্মদৰ্শন বা পৰমাত্মা দৰ্শন হব নোৱাৰে। সেইকথা ভাগৱত পুৰাণত এনেদৰে কৈছে--

ধৌতাত্মা পুৰুষঃ কৃষ্ণপদমূলং মুঞ্চতি।
মুক্তং সৰ্বপৰিক্লেশঃ পান্থ্যঃ স্বশৰণং যথা।।

(ভাগৱত পুৰাণ ২/৮/৬)

ক্ষাৰৰ জলাদিৰ দ্বাৰা শৰীৰ বা কাপোৰ আদিৰ মল নিবাৰণ হয়। কিন্তু মনৰ ৰাগদ্বেষ ৰূপ মল শোধন কৰিবৰ কাৰণে কোনো বৈজ্ঞানিক উপায়ো নাই। কেৱলমাত্ৰ মহাপুণ্যৰ ফলত ভগৱানৰ কৃপা হলে তেওঁৰ অনুগ্ৰহত মহন্তৰ সঙ্গ লাভ হব পাৰে। তেতিয়াহে কৃষ্ণৰ নিৰ্মল যশস্যা শ্ৰৱণ মাহাত্ম্যত কাম, ক্ৰোধাদি মনৰ মলবিলাক দূৰ হব পাৰে, যাৰ নিৰ্মল চিত্তত আত্মতত্ত্ব জ্ঞানৰ প্ৰকাশ হব পাৰে। 'নামঘোষা'ত ইয়াৰে অনুবাদ দেখুৱাইছে--

কৃষ্ণযশে চিত্ত ধৌত হুয়া সমস্তে ক্লেশক তৰি পুনু
কৃষ্ণদাসে কৃষ্ণচৰণসমূল নেড়য়।। ৬৬৭।।

সেইকাৰণে যিসকল একান্ত ভকত তেওঁলোকে ধনাদিৰূপ কোনো প্ৰয়োজনকে বাঞ্ছা নকৰে, যিহেতু তেওঁলোক ভগৱন্ত শ্ৰীকৃষ্ণৰ একান্ত শৰণাগত সেৱক। তেওঁ পৰম মঙ্গল শ্ৰীকৃষ্ণৰ যশত বাহিৰে আনত ৰস নাপায়; সেইবাবে তেওঁ পৰম আনন্দ সমুদ্ৰত মজি থাকে। ভাগৱত পুৰাণত এইবিষয়ে কৈছে--

একান্তিন্যে যস্য ন কঞ্চনাৰ্থং
বাঞ্ছন্তি যে ৰৈ ভগৱত প্ৰপন্নাঃ।
অত্যদ্ভূতং তচ্চৰিতং সুমঙ্গঁলং
গায়ন্ত আনন্দসমুদ্ৰ মগ্নাঃ।।

(ভাগৱত পুৰাণ ৮/৩/২০)

তাৰেই অনুবাদ মাধৱদেৱে দেখুৱাইছে --

একান্ত ভকত যাৰা হয় কিছু অৰ্থ তাৰা নবাঞ্ছয়
মহা অদভূত হৰিগুণ নামময়।
পৰম মঙ্গল কৃষ্ণযশ যাত পৰে আন নাহি ৰস
পৰম আনন্দ সমুদ্ৰে মজি ৰহয়।। ৬৮৩।।

এনেদৰে বিশ্লেষণ কৰিলে দেখা যায় যে সমগ্ৰ 'নাম-ঘোষা' গ্ৰন্থখন মুঠ ৩১ খনতকৈও অধিক সংস্কৃত গ্ৰন্থৰ পৰা শ্লোকসমূহ সংগ্ৰহ কৰি মাধৱদেৱে এখন অনুপম ভক্তিকাব্য ৰচনা কৰিছে। সংস্কৃত গ্ৰন্থসমূহৰ পৰা সাৰভাগ গ্ৰহণ কৰি ভক্তিৰ মাধ্যমেদি 'নাম-ঘোষা'ত সন্নিৱিষ্ট কৰিছে। গ্ৰন্থসমূহ হৈছে-বিষ্ণুপুৰীৰ ভক্তি-ৰত্নাৱলী, ভাগৱত পুৰাণ, শ্ৰীমদ্ভগৱগীতা, শ্ৰীধৰস্বামীৰ ভাগৱত ভাৱাৰ্থ দীপিকা, ভক্তি ৰত্নাকৰ, স্কন্দপুৰাণ, পদ্মপুৰাণ, পাণ্ডৱীয় গীতা, মহাভাৰত, (উদ্যোগ পৰ্ব),





নৰসিংহ পুৰাণ, গীতা মাহাত্ম্য, বৈষ্ণৱামৃতলহৰী, মোহমুদগৰ, কূৰ্মপুৰাণ, সিদ্ধান্ত প্ৰদীপ বিষ্ণু ধৰ্মোত্তৰ পুৰাণ, শান্তি শতক, গীত গোবিন্দম্, নাৰদসংহিতা, বৃহন্নাৰদীয় পুৰাণ, নাৰদ পুৰাণ, ভৱিষ্যপুৰাণ, ভক্তিবিবেক আদি। মুঠতে সমগ্ৰ 'নাম-ঘোষা' গ্ৰন্থখনত মাধৱদেৱে ২৪৫ টা শ্লোকৰ অনুবাদ দেখুৱাইছে। তাৰে বেছিভাগ শ্লোক ভাগৱত পুৰাণ আৰু শ্ৰীমদ্ভাগৱগীতাৰ পৰা সংগ্ৰহ কৰিছে। ভাগৱত পুৰাণৰ তাৎপৰ্য্য ব্যাখ্যাৰ ক্ষেত্ৰত দুয়োজনা মহাপুৰুষে একান্তভাৱে অনুসৰণ কৰিছিল শ্ৰীধৰস্বামীৰ ভাগৱত ভাৱাৰ্থ দীপিকা ভাষ্যখনি। মহাপুৰুষ দুজনাৰ মতে ভাগৱত পুৰাণ হল সমস্ত বেদান্তৰ সাৰ। সেইকথা মাধৱদেৱে 'নাম-ঘোষা'ৰ উপদেশ অংশত লিখিছে-

সমস্ত বেদান্ত সাৰ মহাভাগৱত শাস্ত্ৰ
ইয়াৰ অমৃতৰস পাই।
পৰম সন্তোষে পান কৰিলে যিজনে তাৰ
অন্যত্ৰ ৰসত ৰতি নাই।। ১৮।।

মূলত আছে --

সৰ্ববেদান্তসাৰং হি ভাগৱতমিষ্যতে।
তদ্ৰসামৃততৃপ্তস্য নান্যত্ৰ স্যাদ্ৰতিঃ ক্বচিত্।।

(ভাগৱত পুৰাণ ১২/১৩/১৫)

নাম-ঘোষাৰ (১০০১ এহেজাৰ একজন ঘোষাৰ বেছি সংখ্যক ভাগৱত পুৰাণৰ পৰা লোৱা হৈছে। বৰ্ত্তমান নিৰন্ধটিত কেইটিমান শ্লোকৰ অনুবাদহে দেখুৱা হৈছে। মহাপুৰুষ মাধৱদেৱেও ভাগৱতোক্ত নাম-কীৰ্ত্তনৰ ব্যৱস্থাবোৰ তাৎপৰ্য্যপূৰ্ণভাৱে উল্লেখ কৰিছে। হৰিনাম শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ আদিৰ ব্যৱস্থা ভাগৱত শাস্ত্ৰই নানা প্ৰসঙ্গ উপস্থাপন কৰি প্ৰকাশ কৰিছে। 'নাম-ঘোষা'ই ও ভাগৱতৰ আদৰ্শকে গ্ৰহণ কৰি শ্ৰৱণ-কীৰ্ত্তন স্মৰণ আদিৰে ভগৱানক পূজিবলৈ উপদেশ দিছে। সেইকাৰণে ভাগৱানৰ নাম লীলা আৰু গুণসমূহ ভক্তবৃন্দক লবলৈ কৈছে। এয়ে হৈছে 'নামঘোষা'ৰ প্ৰধান বৈশিষ্ট্য। মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱেও ধৰ্ম প্ৰচাৰৰ আটাইতকৈ শক্তিশালী মাধ্যমৰূপে 'কীৰ্ত্তন-ঘোষা' ৰচনা কৰিছিল। ই এখন হৰিভক্তি প্ৰচাৰৰ অমূল্য গ্ৰন্থ। তাৰেই আদৰ্শ আগত ৰাখি মহাপুৰুষ মাধৱদেৱে 'নাম-ঘোষা' গ্ৰন্থখনি ৰচনা কৰিলে। 'নাম-ঘোষা'ৰ আংশিক অনুবাদ দেখুৱা হৈছে যদিও বহু অংশ মাধৱদেৱৰ নিজা সৃষ্টি। নাম-ঘোষাত ছবি, দুলড়ী, লেছাৰী, শৰণ, নাম আদি ছন্দৰ প্ৰয়োগ দেখুৱাইছে। 'নাম-ঘোষা'ত ভক্তই ভগৱন্তৰ চৰণত জনোৱা প্ৰাৰ্থনাসমূহত

একান্ত দাস্যভাৰ গভীৰতম আত্মনিবেদনৰ মাজেদি ফুটি উঠিছে। মুঠতে মহাপুৰুষ মাধৱদেৱৰ 'নাম-ঘোষা' আংশিক অনুবাদ হলেও তত্ত্বানুবাদ আৰু ভাবানুবাদ স্বতঃস্ফূৰ্ত ভাৱে আৰু স্বাভাৱিক ৰূপত প্ৰয়োগ কৰিছে।

**সহায়ক গ্ৰন্থ ঃ**

১। কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা-শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ।

২। মাধৱদেৱৰ ভক্তি সাহিত্য- ড° পূৰ্ণানন্দ শইকীয়া।

৩। মাধৱদেৱ অধ্যয়ন ভূমিকা- শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ।

৪। মাধৱদেৱঃ সাহিত্য, কলা আৰু দৰ্শন- ড° কৰবী ডেকাহাজৰিকা।

৫। নাম-ঘোষা-তত্ত্বাৰ্থ প্ৰকাশ- নাৰায়ণ দেৱমিশ্ৰ।

৬। শ্ৰীমদ্ভাগৱত মহাপুৰাণম- গীতা প্ৰেছ, গোৰখপুৰ।

৭। মহাপুৰুষ মাধৱদেৱ বাক্যামৃত- শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ।

৮। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বাক্যামৃত- শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ।

---

**লেখিকাৰ পৰিচয় ঃ**

ড° ইন্দিৰা শইকীয়া বৰা, জ্যেষ্ঠ অধ্যাপিকা, সংস্কৃত বিভাগ
প্ৰাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী।



# অসমীয়া সমাজ আৰু ঘৰুৱা জীৱনত নাম-ঘোষাৰ প্ৰভাৱ

**নাৰায়ণ শইকীয়া**

অসমীয়া সাহিত্যৰ সোণালী যুগটোৰ মূল কাণ্ডাৰী দুজন হ'ল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ আৰু শ্ৰীমন্ত মাধৱ। দুয়োজনা মহাপুৰুষেই ধৰ্ম প্ৰচাৰ কৰাৰ মানসেৰে বহু গীত কাব্য নাটক ৰচনা কৰিলে। তেওঁলোকৰ সকলো ৰচনাই উৎকৃষ্ট সাহিত্যত পৰিণত হ'ল। এই সাহিত্যৰাজিত পূৰ্ণভাৱে প্ৰতিফলিত হ'ল বৈষ্ণৱ ভক্তি মাৰ্গৰ নীতি আৰু আদৰ্শ। যি নীতি আৰু আদৰ্শই অসমীয়া সমাজৰ সৰ্বস্তৰত গভীৰ প্ৰভাৱ পেলালে। বৰ্তমান আলোচনাত মাধৱ পুৰুষৰ জীৱনৰ কীৰ্তিস্তম্ভ 'নামঘোষা' গ্ৰন্থখনিৰ অসমীয়া সমাজ তথা ঘৰুৱা জীৱনত থকা প্ৰভাৱ সম্পৰ্কে আলোকপাত কৰাৰ যত্ন কৰা হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত একশৰণ নাম ধৰ্মৰ বাহক স্বৰূপ গ্ৰন্থসমূহৰ ভিতৰত নামঘোষাও অন্যতম। মহাপুৰুষ গুৰুজনাৰ সকলো বাণী উপযুক্তভাৱে ৰাইজৰ মাজত প্ৰচাৰ প্ৰসাৰত নামঘোষাৰ বৰঙণি অতিকৈ লেখত ল'বলগীয়া। নামঘোষাৰ অখণ্ডনীয় প্ৰভাৱৰ পৰা অবৈষ্ণৱসকলো সাৰি যাব পৰা নাই। শৈৱ, শাক্ত, চৈতন্যনীয়, বামুণীয়া, জড় উপাসক সকলোৱেই নামঘোষাক সাদৰেৰে গ্ৰহণ কৰিছে। পিছে এইসৰে নামঘোষা প্ৰদৰ্শিত পথক তিলমাত্ৰও অনুকৰণ কৰিব পৰা নাই।

মাধৱ মহাপুৰুষৰ জীৱন জোৰা সাধনাৰ অমূল্য ৰত্ন সঞ্চিত এইখন মহান গ্ৰন্থ অসমৰ জাতীয় জীৱনলৈ এক অমূল্য সম্পদ। ভক্ত জীৱনৰ নানা ঘাত-প্ৰতিঘাত, তিতা-কেঁহা, বিৰোধী খল লোকৰ অবৰ্ণীয় অত্যাচাৰ, মনস্তাপ, গুৰুজনা শঙ্কৰৰ নিকট সান্নিধ্য, জগত আৰু জীৱন সম্পৰ্কীয় গভীৰ আত্মিক উপলব্ধিৰ লগতে গভীৰ অধ্যয়নৰ সমীক্ষাত্মক বিচাৰ বিশ্লেষণৰ মোক্ষম প্ৰকাশ ঘটিছে এই মহাগ্ৰন্থত।

বৈচিত্ৰ্যপূৰ্ণ ছন্দত, বিভিন্ন শিৰোনামাত বিন্যস্ত লালিত্যপূৰ্ণ, ৰমণীয় গুণেৰে ভূষিত ঘোষাসমূহে সুৰ লয়েৰে ৰঞ্জিত হৈ তাহানিৰে পৰা আজিলৈকে আমাক মোহিত কৰি ৰাখিছে। আজি অসমৰ কি সমাজ জীৱন, কি ঘৰুৱা জীৱন সকলোতে

নামঘোষাৰ এৰাব নোৱাৰা সম্বন্ধ। যদিও ড° বাণীকান্ত কাকতিকে আদি কৰি বহুজনে ঘোষাখন মহাপুৰুষ মাধৱৰ শেষ বয়সৰ ৰচনা বুলি কৈছে আৰু ই তাৰাৰ মহাপ্ৰস্থানিক গীত বুলি অভিহিত কৰিছে, আচলতে এইখন মাধৱদেৱৰ দীৰ্ঘ জীৱন পৰিক্ৰমাৰ বিভিন্ন মুহূৰ্তত হৃদয় নিগৰি ওলোৱা মৌ ৰসৰ হে সমষ্টি। গ্ৰন্থখনৰ প্ৰায় আধাখিনি ঘোষা নানা সংস্কৃত গ্ৰন্থৰ অনুবাদহে যদিও, সেইসমূহক মাধৱে আত্মস্থ কৰি সৰ্বসাধাৰণৰ হৃদয় চুই যাব পৰাকৈ ৰচনা কৰিছে।

য'ত নামৰ মহিমা ঘোষিত হৈছে সেয়ে 'নামঘোষা'। ইয়াৰ লগতে প্ৰকাশিত হৈছে বৈষ্ণৱ ধৰ্মৰ নীতি আৰু আদৰ্শসমূহ, যাক এই ধৰ্মৰ প্ৰধান লক্ষণ বোলা হয়-

১। এই ধৰ্ম কৃষ্ণ ভক্তি প্ৰধান। ভাগৱত পুৰাণ আৰু গীতা এই ধৰ্ম মাৰ্গৰ প্ৰধান আৰু আদৰ্শ গ্ৰন্থ।

২। শ্ৰৱণ আৰু কীৰ্ত্তনৰ যোগে ভগৱানৰ উপাসনা।

৩। নানা দেৱ-দেৱীৰ ঠাইত অব্যভিচাৰী ভক্তিৰ দ্বাৰা বিষ্ণুত আশ্ৰয়।

৪। যাগ-যজ্ঞ, তপস্যা-ব্ৰত আদি কষ্ট সাপেক্ষে, ক্ৰিয়া বহুল সাধনা বা উপাসনাৰ অনুপযোগিতা দৰ্শন।

৫। গুৰু আৰু সৎসঙ্গৰ শ্ৰেয়স্কৰ প্ৰভাৱ।

৬। অহিংসা, প্ৰেম, দয়া আদি সৎ প্ৰবৃত্তিৰ কৰ্ষণৰ ওপৰত গুৰুত্ব।

৭। ভক্তিৰ ক্ষেত্ৰত ব্ৰাহ্মণ-চাণ্ডাল সকলোৰে সম অধিকাৰ।

একশৰণ ভাগৱতী ধৰ্মৰ মূল দৰ্শন 'এক দেৱ এক সেৱ এক বিনে নাই কেৱ'ৰ মমাৰ্থ নাম-ঘোষাই অতি প্ৰাঞ্জল ৰূপত প্ৰকাশ কৰি অসমীয়া লোকক ভক্তি ধৰ্মৰ প্ৰতি অনুক্ষণে আকৰ্ষিত কৰি আহিছে। সেয়ে ত্ৰিতাপে জৰ্জৰিত আৰ্ত্তজনাইনামঘোষাকে ভৱ সাগৰ পাৰ হোৱাৰ একমাত্ৰ অৱলম্বন বুলি বুকুত সাৱটি লৈছে। ঐহিক জীৱনৰ প্ৰতিক্ষণতে নামঘোষাৰ আদিৰ পৰা অন্তলৈকে সংসাৰ পীড়িত সকলো লোকৰ প্ৰতি দয়া সহানুভূতিৰ যি অমিয়া সোঁত প্ৰৱাহমান হৈ আছে, সিয়ে আমাৰ সকলোকে মোহি ৰাখিছে। 'নামঘোষা' ধৰ্ম গ্ৰন্থ হ'লেও ই এক প্ৰকাৰ গীতি কবিতাৰ সমষ্টিহে। আধুনিক গীতি কবিয়ে যেনেকৈ জীৱন আৰু জগত সম্বন্ধীয় আত্মিক উপলব্ধিৰ বাহক ৰূপে কবিতাক আশ্ৰয় হিচাপে লৈছে, তেনেদৰে মাধৱপুৰুষেও তেওঁৰ ভক্ত-জীৱনৰ ভাৱ-অনুভূতিক বিভিন্ন শিৰোনামাত বিন্যাস কৰিছে। শ্ৰীমন্ত শঙ্কৰৰ প্ৰাণৰ বান্ধৱজনৰ হৃদয়ত উথলি উঠা ভক্তিৰ আবেগ ঢালি দাস্যভাৱক কবিত্বৰ চৰম সীমালৈ লৈ যাবলৈ সক্ষম হোৱাৰ বাবেই দুখী তাপী চহা প্ৰাণত নামঘোষাই এখনি মজবুত আসন নিগাজী কৰি ললে সেই তাহানিতেই।





দাৰ্শনিক তথ্য বুদ্ধিগম্য, কিন্তু প্ৰকৃত সাহিত্য সদায় হৃদয়গম্য। নামঘোষাত দাৰ্শনিকতা থাকিলেও সাহিত্য হিচাপে ইয়াৰ মূল্য গভীৰ ভক্তি ৰসত। নামঘোষাৰ আধ্যাত্মিক ভাৱ আৰু গীতিময়তাই অসমৰ জনগণক আকণ্ঠ ডুবাই ৰাখিছে। গহীন-গম্ভীৰ তত্ত্ব প্ৰকাশৰ মাজতে কলা নিপুণ, কলাবেত্তা মাধৱদেৱো জাতিস্কাৰ হৈ পৰিছে। ছন্দ বৈচিত্ৰতাও আনি দিছে। তত্ত্বৰ লগতে ই সঙ্গীত গ্ৰন্থও। প্ৰায় গোটেই অসম জুৰি ঘোষাৰ একে সুৰেই অনুৰণিত হৈ আছে। য'ত ছন্দৰ বান্ধ শিথিল হৈ পৰিছে তাতো সুৰে বাট হেৰুওৱা নাই। মাধৱপুৰুষৰ পাৰভঙা ভক্তিৰ, আৱেগৰ ঢল বাগৰি গ'লেই ছন্দই নিজবাট এৰি ঢলত উটিবলৈ লয়। এনে হিয়া পৰশা সুৰ লয়েই লোকক প্ৰথমে নামঘোষাৰ কাষ চপাই নিয়ে।

যুগ যুগ ধৰি ব্যভিচাৰী ধৰ্মৰ কবলত পৰি কক্‌কাই থকা পীড়িত মানৱৰ বাবে বৈকুণ্ঠৰ কল্পতৰু হৰিনামৰ মহিমা প্ৰচাৰ কৰি গুৰুজনা শঙ্কৰৰ লগতে মাধৱপুৰুষেও পতিত জনতাক উদ্ধাৰৰ পথ নিৰ্দেশ কৰি গৈছে। এই হৰি নাম সাধন পন্থাও অতি সৰল আৰু সহজ। প্ৰচুৰ অৰ্থ, সময় আৰু কঠোৰ বিধি-বিধানেৰে আৰৱা অন্য ধৰ্ম পথতকৈ 'একশৰণ পন্থা' সকলোৰে গ্ৰহণযোগ্য হৈ পৰিছে--

'হৰিনাম কীৰ্ত্তনৰ নাহি কাল দেশ পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৱল হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি ।।'২৮।।

হৰিনামৰ মহিমা অপাৰ। নামৰ এই অসীম অনন্ত মহিমাই জগত প্ৰপঞ্চ উদ্ধাৰৰ কাৰণ। কালসৰ্প সদৃশ কলিযুগৰ দংশনৰ পৰা উদ্ধাৰ পাবলৈ আমাৰ নাম বিনে অন্যত্ৰ গতি নাই --

'দুষ্ট কলিসৰ্পে সবাকো দংশিল
হৰাইল চেতন জ্ঞান।
ইহাৰ ঔষধ সুধা ৰাম নাম
বিনে নাহি নাহি আন।।" ২০১।।

তেত্ৰিশ কোটি দেৱ-দেৱতাৰ উৰ্দ্ধৰ এজন মূল দেৱতাৰ সন্ধান কালত মূঢ়জনক নামঘোষাই পথ প্ৰদৰ্শকৰ গধুৰ দায়িত্ব পালন কৰিছে--

"কৃষ্ণ এক দেৱ দুঃখহাৰী কালমায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰীদেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগত সাৰ।।"৫৮৭

আন এঠাইত কৈছে--

'যমকাল মায়া মৃত্যুৰে বেঢ়িয়া
আছে বাঘ জালি কৰি।
হেনয় জীৱক কোনে তাৰিবেক
বিনে কৃপাময় হৰি।।' ২২২।।

কালমায়া, মৃত্যুৰ কৰাল গ্ৰাসে চাৰিওফালে ঘেৰি ধৰি শাস্তি ভোগাইছে, সেই জ্বালা যন্ত্ৰণাৰ পৰা ত্ৰাণ কৰোঁতাজনেই পৰমেশ্বৰ দৈৱকীনন্দন কৃষ্ণ দেৱ; তেওঁতকৈ শ্ৰেষ্ঠ দেৱতা আৰু কোনো নাই।

'হুয়া দেৱ দিগম্বৰ ভস্মে বিভূষিত অঙ্গ
শিৰত ধৰিয়া জটা ভাৰ।
মহেশো সেৱন্ত যাক হেন কৃষ্ণ বিনে আন
কোন শ্ৰেষ্ঠ দেৱ আছে আৰ।।'

ঘোৰ শৈৱ, শাক্ত তথা বাম-মাৰ্গী লোকক একশৰণ ভক্তি ধৰ্মলৈ আকৰ্ষিত কৰাত এনেবোৰ ঘোষাই প্ৰভূত প্ৰেৰণা যোগাই আহিছে।

নাম-ঘোষাই প্ৰকৃত গুৰুকো পৰিচয় কৰাই দিলে। স্পষ্ট ভাৱে ক'বলৈ গ'লে মাধৱ- বান্ধৱেই শ্ৰীমন্তশঙ্কৰক জগত গুৰুৰ আসনত প্ৰতিষ্ঠিত কৰালে। কি কি মহৎ গুণেৰে বিভূষিত পুৰুষ গুৰু আসনত বহাৰ যোগ্য সেই কথা মাধৱদেৱৰ গুৰুবন্দনাই পৰিস্কাৰ কৰি দিছে। ইয়াত কাৰো দ্বিমত নিশ্চয় থাকিব নালাগে। গুৰুজনা শঙ্কৰৰ প্ৰতি সৰ্বলোকৰ শ্ৰদ্ধা ভক্তি আদায় কৰাত এই বন্দনাই বিশেষ ভূমিকা লৈছে। গুৰুজনা ভকতৰ প্ৰাণৰ বন্ধু, কল্পতৰু, দেৱগণে লুকুৱাই থোৱা নাম-ধৰ্ম গুৰুৱেহে কলিৰ লোকত বেকত কৰিলে অৰ্থাৎ বিভিন্ন দেৱ-দেৱী, ভূত-প্ৰেত, মন্ত্ৰাদিৰ মায়াৰ জালত আবদ্ধ হৈ থকা মূঢ় জনতাক পৰম পৱিত্ৰ হৰিনামৰ মধু পান কৰালে--

'হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।।' ৩৭১।।

ব্ৰাহ্মণ্য ধৰ্মই লেই লেই ছেই ছেই কৰি সাত ঢাপৰ বাজত থোৱা পতিতসকলে এনেজনা গুৰুত শৰণ লৈ জীৱন সাৰ্থক কৰিলে। ঘোষাই সেই পথ বেছিকৈ প্ৰশস্ত কৰি দিলে --





"চণ্ডাল পৰ্য্যন্ত কৰি জগতৰ উপকাৰী
নাহি নাম গুণ বিনে আন।
সেহিসে কাৰণে হৰি নিজ যশ প্ৰিয় ভৈল
ভগৱন্ত ভকতৰ প্ৰাণ।।" ২১।।

এসময়ত সমাজৰ নিম্ন শ্ৰেণীৰ লোকক ধৰ্ম সম্বন্ধীয় কোনো কথাতেই মাত মাতিব লৈ দিয়া নহৈছিল। ধৰ্ম স্থানত তেওঁলোকৰ প্ৰৱেশ পৰ্যন্ত বন্ধ আছিল। নৱ-বৈষ্ণৱ ধৰ্ম্মইহে এই ক্ষেত্ৰত সমতা প্ৰদানৰ ব্যৱস্থা কৰিলে।

নাম-ঘোষাত সমাজ সংস্কাৰক মাধৱদেৱো মূৰ্ত্তিমান হৈ আছে। দেৱ, গুৰু, নাম আৰু ভকতৰ সৎ সঙ্গ দান কৰাৰ উপৰি সদাচাৰ, নৈতিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ বাবে মাধৱদেৱৰ উপদেশমূলক ঘোষাসমূহে ৰাইজৰ শুদ্ধ পথৰ নিৰ্দেশ দি মানবীয় গুণেৰে ভূষিত হোৱাৰ পথ দেখুৱালে। অন্ধলাক চকু দান দিলে। সেয়ে নামঘোষা অকল ধৰ্ম গ্ৰন্থই নহয়, সৎ চৰিত্ৰ, সৎ ভাৱনা আদিও অঙ্গাঙ্গীভাৱে জড়িত হৈ আছে। নামঘোষাত সিঁচৰিত হৈ থকা উপদেশাত্মক ঘোষা কেইটাত সামাজিক, নৈতিক, পাৰিবাৰিক আৰু বৈয়ক্তিক আদৰ্শৰ বাণী প্ৰচাৰ কৰি ব্যক্তি আৰু সমাজ গঠন প্ৰক্ৰিয়াত যথেষ্ট বৰঙণি যোগাই আহিছে। মহাপুৰুষ দুজনাৰ প্ৰায়খিনি ৰচনাই এনে ধৰণৰ। বৈকুণ্ঠ প্ৰয়াণৰ প্ৰাক্-মুহূৰ্ত্তত শ্ৰীকৃষ্ণ পৰম পুৰুষে তেওঁৰ প্ৰাণৰ বান্ধৱ উদ্ধৱক দিয়া অতি সাৰুৱা উপদেশলানিৰ দৰে নাম-ঘোষাৰ উপদেশো ভক্তসৰৰ হৃদয়স্থ হৈ আছে।

'যতেক অনৰ্থ আছে সংসাৰত
তাতে তিনিবিধ সাৰ।
কাম ক্ৰোধ লোভ আপুন নাশন
জানি কৰা পৰিহাৰ।।' ২০৮।।

সৰগ আৰু নৰকো চিনাইছে--

'আত্ম নাশ হেতু কাম ক্ৰোধ লোভ
নৰকৰ তিনি দ্বাৰ।
জানি তাক তেজি কেৱল কৃষ্ণৰ
ভকতিক কৰা সাৰ।।' ২০৯।।

সংসাৰত নিজতকৈ ডাঙৰ শত্ৰু কোনো নাই--

'আপুনি আপুন বন্ধু আপুনি আপুন শত্ৰু
আপুনি আপুন ৰাখে মাৰে।

হৰিক নভজি নৰে আপুনি হোৱয় নষ্ট
হৰি ভজি আপুনাক তাৰে।।' ২৬।।
'শুনা সভাসদচয় নেৰিবা শাস্ত্ৰৰ নয়
হৰিগুণ ভাগৱত সাৰ।
সাধুসঙ্গ অনুসৰা শ্ৰৱণ কীৰ্ত্তন কৰা
পৰিহৰা পাষণ্ড আচাৰ।।' ৩৪।।

মনৰ দুৰ্বাসনা গুচাবলৈ হৰিনাম শ্ৰৱণ কীৰ্ত্তনতকৈ আন একো উৎকৃষ্ট উপায় নাই --

'কৰ্ণ পথে ভকতৰ হিয়াত প্ৰৱেশি হৰি
দুৰ্ব্বাসনা হৰে সমস্তয়।
জলৰ যতেক মল যেহেন শৰত কালে
স্বভাৱতে নিৰ্ম্মল কৰয়।।'১৫।।

পৰম পুণ্যস্থান বৈকুণ্ঠকো মৰতলৈ নমাই আনিছে--

'একান্ত ভকত সৱে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত।।'৪।।

দৈনন্দিন জীৱনত নাম-ঘোষাৰ প্ৰভাৱৰ কথা কৈ অন্ত কৰিব নাৱাৰি। নিৰ্গুণব্ৰহ্মৰ গুণৰ আদি অন্ত নথকাৰ দৰে নামঘোষাৰো গুণৰ সীমা নাই। বৰগীতৰ সুৰে মন প্ৰাণ হৰি নিয়াৰ দৰে সুললিত কণ্ঠত বাজি উঠা ঘোষাৰ আবৃত্তিয়েও আমাৰ হৃদয় বিগলিত কৰে, চকুৰ পানী সৰুৱায়। ভক্তিত, আৱেগত হিয়া গদ্ গদ্ হৈ পৰে।

বহাগৰ হুচৰি, কাতি বিহুৰ তুলসী তলৰ নাম আদিতো নামঘোষাই আগস্থান পায়। পুৱা-সন্ধ্যা থাপনত মূৰ দোৱাই ঘোষা একুট গাই হিয়া মন শাঁত পেলায়। আইসকলে দেখা দিলে আইনামৰ সলনি ঘোষা পাঠ কৰোৱা লোকৰ সংখ্যা ক্ৰমে বাঢ়িবলৈ লৈছে। অৱশ্যে এই ক্ষেত্ৰত নামঘোষাৰ তত্ত্ববস্তুৰ শুদ্ধ প্ৰয়োগ হোৱা নাই। এনে কাৰ্য একশৰণ নাম ধৰ্মৰ পৰিপন্থী। যেনেকৈ ৰাজনৈতিক নেতা, চৰকাৰী বিষয়াবৰ্গক খোল-তাল বজাই ঘোষা-কীৰ্ত্তন গাই আদৰা কামটো ঘোষা কীৰ্ত্তন তথা মহাপুৰুষজনাৰ অৱমাননা যেন লাগে। সত্ৰ, নামঘৰ, থান আদিৰ নাম প্ৰসঙ্গ, ভাওনা আদিতো ঘোষাৰেই আগস্থান। ঘৰলৈ অহা ভকত বান্ধৱক ঘোষা এফাঁকিৰেই আদৰা হয়।





ক'ৰবালৈ যাত্ৰা কৰাৰ সময়ত, শুভফল কামনা কৰাৰ পৰত থাপনাতে হওক বা তুলসী তলতে হওক বন্তি এগছি জ্বলাই ঘোষা এজুলুকাৰে ভগৱন্তৰ কৃপা ভিক্ষা কৰা হয়। যদিও নামঘোষাৰ ভকতি নিষ্কাম ভকতিহে। অসমৰ পঢ়াশালিবোৰতো ঘোষাৰেহে ঈশ্বৰ স্তুতি কৰা হয়।

সংসাৰ চক্ৰত হাবু-ডাবু খোৱাজনৰ অপৰাধৰ সীমা সংখ্যা নাই--খোজে খোজে দায় জগৰ লাগিয়ে থাকে। জানি বা নাজানি কৰা এনে অপৰাধৰ মাৰ্জনা বিচাৰি নাম-ঘোষাৰে শ্ৰীচৰণত প্ৰণিপাত জনায় --

'কতনো আমোঘ অপৰাধ হৰি
কৰিয়া আছো প্ৰচুৰ।
বুদ্ধিত থাকিয়া নেদাহা সুবুদ্ধি
কৃপাৰ হুয়া ঠাকুৰ।।' ৩৭৬।।

অসহায় হৈ নিজকে ভগৱন্তৰ অভয় চৰণত সঁপি দিয়ে --

'অপৰাধ বিনাশন তযু নাম নাৰায়ণ
জানি নামে পশিলো শৰণে।
আন গতি নাহিকে মৰণে।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।' ৭১।।

অসাৰ সংসাৰত জীৱন সাৰ্থক কৰিবলৈ, বিষয়ত দগ্ধ হোৱা দেহমনক প্ৰবোধ দিবলৈ ঘোষাই একমাত্ৰ আশ্ৰয়। সংসাৰ আৱৰ্তৰ মাজৰ পৰা ভকতি বিচাৰি কৰা মাধৱ পুৰুষৰ আকুতি প্ৰতিজন ভক্তৰ প্ৰাণৰ আকুতি হৈ পৰিছে।

'প্ৰিয়তম আত্মা সখা ইষ্ট গুৰু
মানিয়া আছো তোমাক।
চৰণত ধৰো কাতৰ কৰোহো
ইবাৰ নেৰিবা মোক।।'

মৰণমুখী শয্যাশায়ীজনক পৰ দিওঁতে ঘোষাকে গোৱা হয় --

'ৰাম নাম বিনে মৃত্যু এৰাইবাৰ
আৰৰ উপায় নাই।
মৃত্যু তৰিবাৰ ইচ্ছা আছে যাৰ
ফুৰা ৰাম নাম গাই।।' ২৫২।।
''দশম কীৰ্ত্তন পুথি থাকয় যথাত।
সাক্ষাত মাধৱ মই থাকিবো তথাত।।'

নিজৰ স্থায়িত্বৰ বিষয়ে এইদৰে কৈ গুৰুজনা শঙ্কৰে বান্ধৱ মাধৱৰ বিষয়ে এনেকৈ কৈছিল--

"ঘোষা নামে শাস্ত্র খনি তুমিও লিখিবা।
ৰত্নাৱলী ঘোষা মধ্যে তুমিও থাকিবা।।'

সঁচাকৈয়ে ঘোষা ৰত্নাৱালীৰ বুকুতে মাধৱ পুৰুষ চোট আতা আজিও বিদ্যমান। জীয়াই আছে শত সহস্র ভক্তৰ হৃদয়ত, উশাহ নিশাহত। মাধৱদেৱেও ঘোষা সম্পৰ্কে আপোন অভিমত প্ৰকাশ কৰি গৈছে --

"পৃথিৱীত ধৰ্ম্ম শাস্ত্র আছে যত যত।
সমস্তৰে সাৰ আছে ঘোষাৰ মধ্যত।।
নশ্বৰ আমাৰ দেহা হুইবেক গত।
কিন্তু মোৰ আত্মা ৰৈব ঘোষাৰ মধ্যত।।'

আকৌ --

গুৰু সেৱা কৰি মই যিবা সত্য পালো।
সমস্তকে আনি ঘোষা শাস্ত্রত লিখিলো।।
শাস্ত্র বিচাৰিয়া মই যিবা তত্ব পালো।
সমস্তকে আনি ঘোষা শাস্ত্রত লিখিলো।।
হৃদিশ্বৰ উপদেশে যিবা সত্য পাইলো।
সমস্তকে আনি ঘোষা শাস্ত্রে নিবন্ধিলো।।'

ইয়াৰ পৰা বুজা যায় যে 'নামঘোষা' শাস্ত্ৰভাগ মাধৱ গুৰুৰ জীৱনজোৰা সাধনাৰ ফল। যি উদ্দেশ্যক সাৰোগত কৰি, গুৰুবাক্য শিৰোধাৰ্য কৰি নামঘোষা ৰচিত হৈছিল, সি সঁচাকৈয়ে ফলৱতী হৈছে।

**সহায়ক গ্ৰন্থ ঃ**

১। সত্যেন্দ্ৰ নাথ শৰ্মাঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত।
২। ইলাৰাম দাসঃ নাম-ঘোষা ৰসামৃত।
৩। ড°বাণীকান্ত কাকতিঃ 'নাম-ঘোষা' প্ৰবন্ধ।

**লেখকৰ পৰিচয়ঃ**

শ্ৰীনাৰায়ণ শইকীয়া, জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ
মৰিগাঁও মহাবিদ্যালয়, মৰিগাঁও।



# নাম-ঘোষাত অৱতাৰবাদৰ মূল কথা

**ঝৰ্ণা দেৱী**

'নাম-ঘোষা' পৰমভক্ত মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ অভিজ্ঞতাৰ ছন্দোময় প্ৰকাশ। মহাপুৰুষজনাৰ দেহাৱসানৰ অলপদিনৰ আগতে 'নামঘোষা'খন লিখি শেষ কৰিছিল। 'সমস্ত বেদান্তসাৰ' ভাগৱতৰ তত্বকে 'নামঘোষা'ত সন্নিৱিষ্ট হৈছে। 'নাম-ঘোষা'ৰ এহেজাৰ ঘোষাৰ ভিতৰত চাৰিশমানৰ মূল হিচাপে বৈষ্ণৱ গ্ৰন্থৰ সংস্কৃত শ্লোক পোৱা গলেও কোনো এখন নিৰ্দ্দিষ্ট গ্ৰন্থক 'নামঘোষা'ৰ মূল বুলি ধৰিব নোৱাৰি। বিভিন্ন গ্ৰন্থ আৰু নিজৰ আধ্যাত্মিক অভিজ্ঞতাৰ মিলনত মাধৱদেৱৰ 'নামঘোষা' নৱবৈষ্ণৱ ধৰ্মৰ মূল সূত্ৰ আৰু তাৰ দাৰ্শনিক ভিত্তিৰ সম্পূৰ্ণ পৰিচায়ক বুলি ক'ব পাৰি। ভাবৰ প্ৰাণময় প্ৰগাঢ়তা, ভাষাৰ ছন্দোময় প্ৰাঞ্জলতাই ঘোষাখনি ভক্ত কবিৰ অন্তৰৰ তলিৰপৰা ওলাই অহাটো সূচায়। ভক্তিতত্বমূলক গ্ৰন্থ হিচাপে 'নামঘোষা' নিৰুপম। আজীৱন কৌমাৰ্যব্ৰতী মাধৱদেৱৰ মায়াময় সংসাৰৰ প্ৰতি বিৰক্তি আৰু ভগৱানৰ অৰুণ চৰণত আসক্তিৰ একান্ত আকুল কৰুণ সুৰ এই পুথিত প্ৰকাশ পাইছে।

'নাম-ঘোষা'ত অৱতাৰবাদ সম্পৰ্কে আলোচনা কৰাৰ আগতে অৱতাৰবাদৰ বিষয়ে আলোচনা প্ৰয়োজন। অৱতাৰবাদ হ'ল ভাৰতীয় ধৰ্মীয় চিন্তাৰ এটি বিশিষ্ট ভঙ্গী, বিভিন্ন পুৰাণত এই মতবাদৰ বহুল বিস্তাৰ হয়। ভাৰতীয় ধৰ্ম্ম দৰ্শনে বিষ্ণুৰ নানা অৱতাৰৰ কথা কয়। মৎস্য, কুৰ্ম আদি ভিন্ ভিন্ অৱতাৰৰ দৰে কৃষ্ণ বিষ্ণুৰ এক বিশিষ্ট অৱতাৰ। কৃষ্ণই পূৰ্ণ-অৱতাৰৰ মান্যতা লাভ কৰে মহাকাব্য মহাভাৰতৰ বুকুত। কৃষ্ণ নিৰাকাৰ আৰু নিৰ্গুণ বিষ্ণুৰ সাকাৰ বা সগুণ ৰূপহে মাথোন। প্ৰকৃততে অব্যক্ত ৰূপত প্ৰকাশ হোৱাৰ নামেই অৱতাৰ। ভক্তসকলে যাতে সহজে ঈশ্বৰৰ ধাৰণা কৰিব পাৰে, সেয়েহে ঈশ্বৰ সাকাৰৰূপে আৰ্বিভূত হয়।

ঈশ্বৰ নিৰাকাৰ হ'লেও লোকানুগ্ৰহৰ কাৰণে তেওঁ আকাৰ পৰিগ্ৰহ কৰে। আচলতে ঈশ্বৰ কোনো আকাৰৰ ভিতৰত আবদ্ধ নহয়। তেওঁ সৰ্বজ্ঞ্য আৰু সৰ্বশক্তিমত্তা গুণেৰে ইচ্ছা কৰিলেই চিত্ত গ্ৰাহ্য যেই সেই আকাৰ ধাৰণ কৰিব পাৰে, যেতিয়াই তেতিয়াই প্ৰকট হ'ব পাৰে আৰু য'তে ত'তে আৱিৰ্ভূত হ'ব পাৰে।

ভক্তৰ অনুকম্পাৰ্থে বা কাৰ্যবশতঃ ঈশ্বৰে 'জাতবান ইব' (যেন জন্মিছে,) 'দেহবান ইব' (যেন দেহ ধাৰণ কৰিছে) অৰ্থাৎ সাকাৰৰূপে বিৰাজ কৰে। প্ৰাচীনতম বৈষ্ণৱপন্থী পাঞ্চৰাত্ৰসকলৰ 'পৌষ্কৰ সংহিতা'ত আছে-'তোমাৰ ৰূপ নাই, আকাৰ নাই, গদাচক্ৰাদি আয়ুধো নাই, কোনো এখন বিশেষ ঠাইয়ো তোমাৰ থকা ঠাই নহয়; তথাপি ভক্তৰ অৰ্থে তুমি পুৰুষাকাৰে প্ৰকট হোৱা', (পৌঃ সঃ২৩/৫০) পাঞ্চবাত্ৰসকলৰ 'পৰমসংহিতা' ত কৈছে--'অমূৰ্ত বা নিৰাকাৰৰ পূজা হ'ব নোৱাৰে, মূৰ্তিমানৰূপেহে তেও পূজ্য। কাৰ্যবশতঃ আৰু লোকানুগ্ৰহাৰ্থে তেওঁ বিভিন্ন ৰূপ ধাৰণ কৰে, এতেকে পুৰুষৰূপে (মূৰ্তিমান আকাৰ ৰূপে) তেওঁৰ কল্পনা কৰি পৰম ভক্তিৰে অভ্যৰ্থনা কৰিলে ভক্তই সিদ্ধি লাভ কৰে। নিৰাকাৰত মানুহৰ অৰ্চন সম্ভৱ নহয়, ধ্যান আৰু স্তুতি কৰিবও নোৱাৰি; এতেকে সাকাৰ ৰূপেহে উপাসনা কৰিব লাগে।'

ঈশ্বৰ সাকাৰ হ'লেও তেওঁ ধাৰণ কৰা আকাৰ বা শৰীৰ নৰ-মনিচৰ দৰে প্ৰাকৃত অৰ্থাৎ প্ৰকৃতিজ নহয়। 'বৰাহ পুৰাণ'ত কৈছে--'ন তস্য প্ৰাকৃতা মূৰ্ত্তিঃ মাংসমেদোহস্থিসংভৱঃ' (ব পুঃ ১৪/৪১) পৰমেশ্বৰে যি শৰীৰ ধাৰণ কৰে সি অপ্ৰাকৃত। এই অপ্ৰাকৃত শৰীৰত নৰ-মনিচৰ শৰীৰৰ বিকাৰবিলাক থাকিব নোৱাৰে।

এই বিশ্বব্ৰহ্মাণ্ডৰ অধিকাৰী পৰমব্ৰহ্ম পৰমেশ্বৰ পৰমশক্তিৰ আধাৰ স্বৰূপ। জগতৰ সৃষ্টি স্থিতি প্ৰলয় তেওঁৰ অনুগ্ৰহতে হয়। শাস্ত্ৰসমূহ অনুধাৱন কৰিলে ভগৱানৰ তিনিটা অৱস্থা পৰিলক্ষিত হয়---(১) নিৰ্গুণ নিৰাকাৰ (২) সগুণ নিৰাকাৰ আৰু (৩) সগুণ সাকাৰ। প্ৰকৃততে পৃথিৱীৰ সনাতন ধৰ্মৰ শাস্ত্ৰসমূহে ঈশ্বৰৰ স্বৰূপ নিৰ্গুণ নিৰাকাৰ বুলিয়ে স্বীকাৰ কৰে, কিন্তু বিশেষ উদ্দেশ্যবশতঃ এই নিৰ্গুণ নিৰাকাৰ পৰম ব্ৰহ্মই এই ধৰাধামত অৱতীৰ্ণ হয় বা অৱতাৰ ধাৰণ কৰে। ভকত সজ্জনৰ প্ৰতি অনুগ্ৰহ আৰু পৃথিৱীত অধৰ্মৰ গ্লানি দূৰ কৰি ধৰ্ম সংস্থাপন কৰাৰ নিচিনা বিশেষ কাৰ্য সাধনৰ উদ্দেশ্যই হ'ল অৱতাৰবাদৰ মূল লক্ষ্য।

'অৱতাৰ' পদে নামি অহা অৰ্থ বুজায়; অৱতাৰ পদৰ সলনি প্ৰাদুৰ্ভাৱ, অৱতীৰ্ণ আদি পদবিলাক পুৰাণত ব্যৱহৃত কৰা হৈছে। জগতৰ সৰু বৰ সকলো প্ৰাণীতে 'আত্মৰাম' ৰূপে বিৰাজ কৰা ভগৱানৰ উঠা-নমা একো থাকিব নোৱাৰে। ভকতৰ মনোবাঞ্ছা পূৰণৰ হেতুহে জন্ম মৃত্যুৰহিত অবিনশ্বৰ ভগৱন্ত এই ধৰাধামত কেতিয়াবা প্ৰকট হ'বলগীয়া হয়। ভগৱানৰ অন্যতম অৱতাৰ নৰসিংহ আৱিৰ্ভাৱৰ কথা এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখ কৰিব পাৰি। ভক্ত প্ৰহ্লাদৰ কথাত হিৰণ্যকশিপুৰ বজ্ৰমুষ্টিৰ প্ৰহাৰত দুডোখৰ হোৱা স্ফটিকৰ স্তম্ভৰ মাজত নৰসিংহৰূপে প্ৰভু 'বেকত' হৈছিল, তেওঁ কৰো পৰা নামি অহাও নাছিল বা স্ফটিকৰ স্তম্ভত জন্মও হোৱা নাছিল।





ভগৱন্তৰ এই অৱতাৰবাদী অৱস্থাটোক সগুণ সাকাৰ অৱস্থা বোলা হয়। অৱতাৰৰ স্বৰূপ দুটা- (১) পূৰ্ণ অৱতাৰ,(২) অংশ অৱতাৰ। শ্ৰীমদ্ভাগৱত পুৰাণত 'কৃষ্ণস্তু ভগৱান স্বয়ম্' অৰ্থাৎ কৃষ্ণকে ভগৱান বুলি স্বীকৃতি দিয়া হৈছে। গতিকে শ্ৰীকৃষ্ণ পূৰ্ণ অৱতাৰ আৰু বাকীবোৰ অংশাৱতাৰ। অৱশ্যে বাকীবোৰ অৱতাৰতো ভগৱন্তৰ আংশিক বিভূতিৰ প্ৰকাশ ঘটে।

শ্ৰীমদ্ভগৱত গীতাত ভগৱান বিষ্ণুৱে সৎলোকসকলৰ প্ৰতি অনুগ্ৰহ দেখুৱাবলৈ ইচ্ছা কৰি অসৎসকলক শান্ত কৰাৰ উদ্দেশ্যে অৱতাৰ ধাৰণ কৰিছিল, পৰম ভক্ত অৰ্জুনক ভগৱানে নিজ মুখেৰে কৈছে--

'যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানম ধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম।।
পৰিত্ৰাণায় সাধুনাং বিনাশায়চ দুষ্কৃতাম।
ধৰ্ম্ম সংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।।'

(শ্ৰীমদ্ভগৱত গীতা,৪/৭।৮)

অৰ্থাৎ পৃথিৱীত যেতিয়াই ধৰ্মৰ গ্লানি হয় আৰু অধৰ্মৰ বিনাশ হয় তেতিয়া দুষ্টক দমন আৰু সন্তক পালনৰ কাৰণে ভগৱানে নিজে অৱতাৰ ধাৰণ কৰে। এইদৰে যুগে যুগে তেওঁ অৱতাৰ ধৰি আছে আৰু ধৰি থাকিব। ইয়াৰ দ্বাৰা ভগৱানে যে কাৰ্যবশতঃ অৱতাৰ ধাৰণ কৰে তাক সূচনা কৰা হৈছে।

অৱতাৰ গ্ৰহণৰ আন এটা উদ্দেশ্য হৈছে মৰ্ত্যবাসীক নীতি শিক্ষা দিয়াৰ উদ্দেশ্যেৰেও ভগৱানে অৱতাৰ গ্ৰহণ কৰে। ভগৱানে ভকতৰ প্ৰতি অনুগ্ৰহবশতঃ আৰু জগতৰ বাবে বিশেষ কৰ্মসাধনৰ উদ্দেশ্যেৰে ধৰাধামত সাকাৰৰূপ ধাৰণ কৰি ভকতক পৰিত্ৰাণ কৰাৰ পৰা এইটো প্ৰতীয়মান হয় যে অৱতাৰবাদো ভকতৰ উপাসনাৰ মাধ্যম, যিহেতু এই অৱতাৰবাদ নিৰ্গুণ তত্ত্ববাদৰ বিকল্প। কিয়নো দুৰ্ব্বোধ্য আত্মাতত্ত্ব সৰ্বসাধাৰণ ভকতৰ বাবে উপলব্ধিৰ অতীত, সেয়ে মাধৱদেৱে 'নামঘোষা'ত কৈছে--

'পৰম দুৰ্ব্বোধ্য আত্মতত্ত্ব তাৰ জ্ঞান অৰ্থে হৰি যত
লীলা অৱতাৰ ধৰা তুমি কৃপাময়।
তাহান চৰিত্ৰ সুধাসিন্ধু তাত ক্ৰীড়া কৰি দীনবন্ধু
চাৰি পুৰুষাৰ্থ তৃণৰ সমকৰয়।।' ৬৪৩।।

মহাপুৰুষ শংকৰদেৱৰ 'কীৰ্ত্তন ঘোষা'ৰ প্ৰথমৰ চাৰিটি কীৰ্ত্তন হ'ল চতুৰ্বিংশতি অৱতাৰ বৰ্ণনাৰ--

'প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
স ৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।
তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত।।' (কীৰ্ত্তন)

এই 'ব্ৰহ্মৰূপী সনাতন' ব্ৰহ্মৰ আদি ৰূপ ।এই ব্ৰহ্মৰূপী নাৰায়ণেই সকলো অৱতাৰৰ কাৰণ। যাৰ নাভিৰ পৰা সৃষ্টিকৰ্তা ব্ৰহ্মাৰ জন্ম। শঙ্কৰদেৱে পোনতে দশাৱতাৰ বৰ্ণনা কৰি লৈ ক্ৰমে সনৎকুমাৰ, নাৰদ, নৰনাৰায়ণ, কপিল, দত্তাত্ৰেয় যজ্ঞ, ঋষভ, পৃথু, ধন্বন্তৰী, মোহিনী, ব্যাস, হয়গ্ৰীৱ, গজেন্দ্ৰ মোক্ষণ অৱতাৰৰ উপৰি সাগৰমন্থনৰ সময়ত লোৱা ৰূপৰ কথা উল্লেখ কৰিছে। এই প্ৰতিটো অৱতাৰৰ কাৰণ আছে আৰু বিশেষ কাৰ্য সাধন কৰিছে। যি কাৰ্যৰ বাবে যি আকাৰৰ প্ৰয়োজন সেই আকাৰহে লৈছে। বিষ্ণুৰ এই অৱতাৰ সমূহৰ বৰ্ণনা মনোৰম, কাব্যসুলভ আৰু ভক্তসকলৰ প্ৰাণৰোযিনী, ভগৱন্তৰ অৱতাৰ কথনৰ দ্বাৰা ভগৱন্তৰ চৰিত্ৰ বৰ্ণনা কৰা হয়। গতিকে ভগৱানৰ এই গুণ যশৰ মূলতে অৱতাৰবাদ।

মহাপুৰুষ শঙ্কৰদেৱে 'কীৰ্ত্তন' পুথিৰ চতুৰ্বিংশতি অৱতাৰৰ জৰিয়তে প্ৰকাশ কৰি থৈ গ'ল উপাস্য দেৱতা কৃষ্ণ ভগৱানৰ লীলা মাহাত্ম্য। অৱতাৰী পুৰুষ কৃষ্ণ আৰু তেওঁৰ অনুৰক্ত ভক্তসকলৰ মাজেদি ভক্ত ভগৱানৰ অপূৰ্ব সম্বন্ধ দাঙি ধৰাৰ লগতে ভক্তৱৎসল ভগৱানৰ কৃপালু গুণ প্ৰকাশ কৰা হৈছে। মনুষ্য কায়া লৈ মানবীয় আচৰণেৰেও ভগৱানে এই ধৰা ধামত লীলা খেলা কৰে। পৃথিৱীত অৱতাৰৰূপে আবিৰ্ভূত হৈ যিবোৰ কৰ্ম প্ৰদৰ্শন কৰে, সেইবোৰক ভগৱানৰ লীলা বুলি কোৱা হয়। সেয়েহে লীলা বিস্তাৰ কৰাটোও অৱতাৰবাদৰ আন এটা উদ্দেশ্য। ভগৱানৰ লীলাসমূহ ভক্তসকলে শ্ৰৱণ-কীৰ্ত্তনৰ সমল হিচাপে লয়। ইয়াৰ দ্বাৰা ভকতসকলে পৰম আনন্দ লাভ কৰে আৰু ভকতৰ অন্তৰত ভক্তিৰ উদ্ৰেক হয়। গতিকে ভগৱানৰ এই লীলাকৰ্মৰ শ্ৰৱণ-কীৰ্ত্তন ভক্তিৰ বীজো ফলো। সেয়েহে ঋষি মুনিসকলেও এই অৱতাৰবাদৰ মহিমাত আকৃষ্ট হৈ নিবৃত্তি মাৰ্গলৈ আহি কৃষ্ণকথাত নিমগ্ন হয়।

'ঐকান্তিক মহামুনি যত　　নিৰৰ্ত্তিয়া বিধি নিষেধত
নিৰ্গুণ ভাৱত থিতি হুয়া নিৰন্তৰে।
জানি পুৰুষাৰ্থ সাৰ তত্ত্ব　　কৃষ্ণ কথামৃত সাগৰত
কথনে মথনে সদায়ে ৰমণ কৰে।।' ৬৪৭।।

ভাগৱতপুৰাণত শ্ৰীকৃষ্ণক পূৰ্ণ অৱতাৰ বুলি কৈ অন্য অৱতাৰসমূহ শ্ৰীকৃষ্ণৰ





অংশাৱতাৰ বুলি কোৱা হৈছে। কৃষ্ণই 'স্বয়ং-ভগৱান' আৰু 'পূৰ্ণাৱতাৰ হৈয়ো মনুষ্য আকাৰ ধাৰণ কৰাৰ মূল উদ্দেশ্য হ'ল মানুহৰ মাজত নিজকে 'পৰম বান্ধৱ' আৰু 'পতিত পাৱন' ৰূপে প্ৰতিষ্ঠা কৰা।

মাধৱদেৱৰ 'নাম-ঘোষা'ত 'কৃষ্ণ' পদে পৰমব্ৰহ্মৰ অৰ্থ প্ৰকাশ কৰিছে। তেওঁ নামঘোষাৰ 'নামান্বয়' প্ৰসংগত 'কৃষ্ণ' পদৰ বিশ্লেষণত্মাক অৰ্থ 'জগতৰ আনন্দ' বুলি নিৰ্ণয় কৰিছে--

"কৃষ হেন শব্দ ইটো　　পৃথিৱীবাচক ভৈল
ন আনন্দত প্ৰৱৰ্ত্তয়।
দুইৰো এক পদ ভৈল　　পৰম ব্ৰহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয়।।" ১৪০।।

"কৃষ" পদে পৃথিৱীক আৰু 'ণ' ই আনন্দক বুজায়, দুই পদযুক্ত 'কৃষ্ণ' পদে পৰমব্ৰহ্মৰ পৰমানন্দ ৰূপক বুজায়। গতিকে বিষ্ণু কৃষ্ণ ভক্তৰ কাৰণে সগুণ অন্তৰ্য্যামী ঈশ্বৰ আৰু ভাবুক সুধীসকলৰ কাৰণে জ্ঞানানন্দ উপলব্ধিত পৰমব্ৰহ্ম, বন্ধ স্বৰূপতে নিৰ্গুণ, অৰ্থাৎ ব্ৰহ্মত আমি কোনো গুণ আৰোপ কৰিব নোৱাৰো। ব্ৰহ্মৰ আদি আৰু অন্ত নাই গতিকে ই অনাদি অনন্ত, অন্য কথাত ই সনাতন নিৰ্গুণ ব্ৰহ্মক আমি যেতিয়া আমাৰ ভাষাৰে প্ৰকাশ কৰিব খোজো তেতিয়াই ব্ৰহ্মক আমি জনা সৰ্বোৎকৃষ্ট গুণেৰে বিভুষিত কৰি বৰ্ণনা কৰো। এই নিৰ্গুণ শব্দৰ অৰ্থ গুণৰহিত নহয়, নিৰ্গুণ শব্দৰ অৰ্থ হ'ল যি ত্ৰিগুণ প্ৰভাৱৰ উৰ্দ্ধৰ ফলত নিৰ্গুণ হৈছে। ত্ৰিগুণ প্ৰভাৱৰহিত যাৰ ব্যৱহাৰিক সংজ্ঞা গীতাৰ বচন অনুসাৰে 'পুৰুষোত্তম' বুলি গ্ৰহণ কৰা হৈছে। 'নামঘোষা'ৰ 'নামান্বয়'ত মাধৱদেৱে পুৰুযোত্তমৰ ব্যাখ্যা এনেদৰে দিছে-

'কৃষ্ণ নিগদতি অৰ্জ্জুনত　　দেহাদিক আমি অতিক্ৰমি
হৈয়া আছো শুদ্ধ ব্ৰহ্মাতো কৰি উত্তম।
এতেকেসে জানা ইটো লোকে　　বেদতো প্ৰখ্যাত হুয়া আছে
মোৰ নাম ইটো প্ৰসিদ্ধ পুৰুষোত্তম।।' ৬৭৬।।

গতিকে এই পুৰুযোত্তমেই হৈছে অদ্বৈত নিৰ্গুণ ব্ৰহ্ম ত্ৰিগুণ প্ৰভাৱ ৰহিত, মাধৱদেৱে 'নাম-ঘোষা'ত নিৰাকাৰ পদৰ অন্বয় কৰোতে কৈছে--

'যতেক প্ৰাকৃত　　আকাৰ বৰ্জ্জিত
ভৈলন্ত যিহেতু হৰি।
সেহি হেতুতেসে　　নিৰাকাৰ নাম
আছন্ত ঈশ্বৰে ধৰি।।' ১৬২।।

'নাম-ঘোষা'ত বৰ্ণিত ঈশ্বৰ নিৰাকাৰ নহৈ সাকাৰ ৰূপত দেখা যায়। সেয়েহে নিৰাকাৰ পদৰ ব্যাখ্যা কৰোতে প্ৰাকৃত আকাৰ নথকাৰ কাৰণেই নিৰাকাৰ বুলি কৈছে। কৃষ্ণ মূলতঃ নিৰ্গুণ যদিও ধ্যান-ধাৰণা, উপাসনা সাধাৰণ মানুহৰ বাবে অতি কঠিন। গতিকে সাকাৰ ঈশ্বৰকহে হৃদয়ত ধাৰণা কৰা যুগুত। 'নামঘোষা'ত মহাপুৰুষজনাই কৈছে --

'অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাৱন্ত মূৰ্ত্তিশূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন।।' ৮।।

অৱতাৰ বুলি ক'লেই প্ৰধানকৈ বিষ্ণুৰ দহটা অৱতাৰৰ কথাই আমাৰ মনলৈ আহে, দশাৱতাৰৰ বাহিৰে অন্যান্য অৱতাৰৰ ক্ষেত্ৰত অৱতাৰত্ববোধ পূৰ্ণভাৱে জাগি উঠা দেখা নাযায়, এতেকে দিব্য বিভূতিসম্পন্ন পুৰুষসকলকহে অৱতাৰ বোলা হৈছে। বিষ্ণুৰ অসংখ্য অৱতাৰৰ ভিতৰত দশাৱতাৰকহে প্ৰাধান্য দিয়া হয়, কিয়নো এই দশাৱতাৰৰ জৰিয়তে একো একোটি মহৎ কাৰ্য্য সাধিত হৈছে। ঈশ্বৰৰ অৱতাৰবাদ সাব্যস্ত কৰি নামঘোষাৰ 'নমস্কাৰ' খণ্ডত অংশত ভক্ত কবি মাধৱদেৱে কৈছে--

'মৎস্য কূৰ্ম্ম নৰসিংহ বামন পৰশুৰাম
হলীৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোহো প্ৰণাম।।' ৩।।

যিজন ঈশ্বৰ কৃষ্ণই ভূমিৰ ভাৰ সংহাৰ কৰি, দুষ্টক দমন আৰু সন্তক পালন কৰিবৰ বাবে মৎস্য, কূৰ্ম, নৰসিংহ, বামন, পৰশুৰাম, হলীৰাম, শ্ৰীৰাম, বুদ্ধ, কল্কি এই দশ অৱতাৰ ধাৰণ কৰিছে সেইজন কৃষ্ণৰ চৰণত তেওঁ প্ৰণিপাত জনাইছে।

ভগৱন্তৰ দশাৱতাৰৰ প্ৰতিটো নামৰে ব্যাখ্যা 'নামঘোষা'ত সৰ্বসাধাৰণৰ বাবে অভিনৱ, প্ৰথমতে মৎস্য অৱতাৰত নাৰায়ণে এক বৃহৎ মাছৰ আকৃতি ধাৰণ কৰি সত্যব্ৰত ৰজাৰ জৰিয়তে প্ৰলয় কালত সকলো বস্তুৰে বীজ সংগ্ৰহ কৰি প্ৰলয়ৰ অন্ত পুনৰ সৃষ্টি সম্ভৱ কৰি তুলিছে।

কূৰ্ম অৱতাৰৰ জৰিয়তে বিষ্ণুৱে ভক্ত দেৱতাসকলক দানৱৰ উৎপীড়নৰ পৰা বচাইছে আৰু দেৱ-দানৱৰ যুদ্ধত যিটো মন্দৰ পৰ্বতৰ সহায়ত সমুদ্ৰ মন্থন কৰিছিল, সেই মন্দৰ পৰ্বতটো পানীত ডুব যোৱাত ভগৱানে কূৰ্ম অৱতাৰ ধৰি পিঠি





পাতি ডাঙি ধৰি দানৱ সকলক পৰাজিত কৰিছে।

নৰসিংহ অৱতাৰত বিষ্ণুৱে ভক্ত প্ৰহ্লাদৰ মাধ্যমেৰে বিষ্ণু ভক্তিৰ মহিমা প্ৰতিপন্ন কৰাইছে আৰু হিৰণ্যশিপুক বধ কৰি পৃথিৱীত শান্তি স্থাপন কৰিছে। 'নামঘোষা'ত মাধৱদেৱে কৈছে--

'ঈশ্বৰক জানি নৰে ভজিয়া মায়াক তৰি
সিংহ যেন ভ্ৰমন্ত নিৰ্ভয়।
এতেকেসে ঈশ্বৰৰ নাম নৰসিংহ ভৈল
মহাজনসকলে কহয়।।' (পদ১৪৬)

অৰ্থাৎ ঈশ্বৰক জানি তেওঁক ভজিলে মায়াৰ প্ৰভাৱৰ পৰা মুক্ত হৈ মানুহে সিংহৰ দৰে অতি নিৰ্ভয়ে চলিব পাৰে। সেইকাৰণে ঈশ্বৰৰ নাম নৰসিংহ বুলি মহন্তসকলে ব্যাখ্যা কৰে।

'বামন' অৱতাৰত দেৱমাতা অদিতিৰ বাক্য পালন কৰি ইন্দ্ৰক পুনৰ স্বৰ্গত প্ৰতিষ্ঠা কৰিবলৈ ভগৱানে বামনৰূপে অৱতাৰ গ্ৰহণ কৰি মহাবৈষ্ণৱ বলিক ছলনা কৰিছিল।

'নাম-ঘোষা'ত ভক্ত কবিজনাই কৈছে--

'ঈশ্বৰৰ পাদপদ্ম ভজি শুদ্ধ চিত্ত হুয়া
অধমো তেজয় বামানয়।
এহি হেতুতেসে থাকি নিৰন্তৰে মহাজনে
ঈশ্বৰক বামন বোলয়।।'১৪৭।।

অৰ্থাৎ অধমসকলেও ভগৱন্তৰ চৰণ ভজি শুদ্ধ চিত্ত হৈ বামানয় পথ পৰিহাৰ কৰে। সেইকাৰণে মহন্তসকলে ভগৱানৰ নাম বামন হোৱা বুলি অৰ্থ ব্যাখ্যা কৰে।

'পৰশুৰাম' অৱতাৰক ক্ষত্ৰিয়ৰ ভৰত অস্থিৰ হোৱা বসুমতীক ৰক্ষা কৰিবৰ বাবে পৰশুৰামৰূপে ভগৱন্তই অৱতাৰ গ্ৰহণ কৰি হাতত পৰশু লৈ একৈশবাৰ পৃথিৱী প্ৰদক্ষিণ কৰি ক্ষত্ৰিয়ক সংহাৰ কৰিছিল। ''নামঘোষা''ত গুৰুজনাই কৈছে -

'চৈতন্যত কৰি পৰ মায়াত উপজি জড়
আছে তাক ৰমাৱন্ত হৰি।
এহিসে কাৰণে জানা পৰম ঈশ্বৰ প্ৰভু
পৰ্শুৰাম নাম আছা ধৰি।।'১৫২।।

অৰ্থাৎ মায়াৰ কাৰণে জন্ম হোৱা আৰু সেইবাবেই চৈতন্য শক্তিৰহিত জড়সমূহক ভগৱন্তই ৰমাই ৰাখিছে বাবেই তেওঁৰ নাম পৰশুৰাম।

'হলিৰাম' অৱতাৰত ভগৱন্তে হলিৰামৰূপে ৰুহিণীৰ গৰ্ভত অৱতাৰ গ্ৰহণ কৰি দ্বিবিদ আদি বানৰক বধ কৰি ভুমিৰ ভাৰ হৰণ কৰিছিল।

'বৰাহ' অৱতাৰত ভগৱন্তই হিৰণ্যক্ষক বধ কৰি সমুদ্ৰ গৰ্ভৰ পৰা বসুমতীক উদ্ধাৰ কৰিছিল।

'শ্ৰীৰাম' অৱতাৰত ভগৱন্তই ৰামৰূপে পৰাক্ৰমী ৰাৱণক পৰাজিত কৰাৰ উপৰি যজ্ঞৰ বিঘ্নকাৰক তাৰকা, মাৰীচ প্ৰভূতি ৰাক্ষসসমূহক নিধন কৰিছে। ৰামৰ পিতৃ-ভক্তি, প্ৰজাৰঞ্জনৰ উদ্দেশ্যে আত্মসুখ-ত্যাগ আদি আদৰ্শলৈ মনত পেলাই ভক্তসকলে আজিও ৰামক শ্ৰদ্ধাৰে পূজা কৰে। 'নামঘোষাত মাধৱদেৱে কৈছে--

'চৈতন্য শক্তিৰ দ্বাৰে ইটো জড় জগতক
ৰমাৱন্ত কৰ্ম্ম অনুৰূপে।
এতেকেসে ঈশ্বৰৰ পৰম প্ৰসিদ্ধ ৰাম
নাম আক জানিবা স্বৰূপে।।' ১৫৩।।

অৰ্থাৎ ভগৱন্তই নিজৰ চৈতন্য শক্তিৰ দ্বাৰা এই জড় জগত চলাইছে বা ৰমাই আছে, সেইকাৰণেই তেওঁৰ পৰম প্ৰসিদ্ধ 'ৰাম' নামটি হৈছে।

'বুদ্ধ' অৱতাৰত ভগৱন্ত বিষ্ণুৱে মানৱক নিৰ্বাণ লাভৰ পথৰ সন্ধান দিছে। কলঙ্কিত বেদবাদ লুপ্ত কৰি অহিংসা পৰম ধৰ্ম আৰু জীৱ-প্ৰেম বিচাৰ কৰিবৰ বাবে, ভগৱন্তই সন্তৰূপে বুদ্ধ অৱতাৰ গ্ৰহণ কৰিছিল।

'কল্কী' অৱতাৰত কলিযুগত পাপসাগৰত মজি থকা লোকসকলক নিধন কৰি ভূমি ভাৰ হৰণ কৰি সত্য প্ৰৱৰ্তন কৰিবলৈ ভগৱন্তই কল্কী অৱতাৰ গ্ৰহণ কৰিছিল।

উত্তম ভক্তিৰ জৰিয়তে ভগৱত স্বৰূপতা উপলব্ধি হলে মানুহে পূৰ্ণমানৱতাৰ ফালে অগ্ৰসৰ হয়। তাৰপাছত জীৱ নিৰ্গুণ অৱস্থাপ্ৰাপ্ত হৈ নিৰাকাৰ পৰমব্ৰহ্ম হয়। তেতিয়াই সংসাৰ চক্ৰত জন্ম-মৃত্যুৰ হাত এৰাই মোক্ষপ্ৰাপ্ত হয়। নামঘোষাত মাধৱদেৱে কৈছে--

'হৰিৰ গুণৰ দেখা বল লভিলেক যিটো মোক্ষফল
তাহাৰ সবৰো চিত্তক আনয় টানি।
এতেকে নিপুণ যিটোজন কৃষ্ণৰ চৰণে দিয়া মন
হৰিৰ গুণক নছাড়িবা সাৰ জানি।।' ৬৪৮।।





এনেদৰে ভগৱন্তই ধৰা-ধামত বিভিন্ন অৱতাৰ গ্ৰহণ কৰি বিবিধ লীলা কৰি নিজৰ জন্ম কৰ্ম গুণৰদ্বাৰা ভক্তক জন্ম কৰ্ম ৰহিত কৰি সংসাৰ চক্ৰ অতিক্ৰম কৰাই ভক্তসকলক পৰিত্ৰাণ কৰে। ভগৱানৰ সগুণ সাকাৰ এই দিব্য ৰূপ দেখিও সংশয়যুক্ত অসাধু বদ্ধ জীৱবিলাকে ভগৱানত ভক্তি বা শ্ৰদ্ধা নকৰি বিনাশপ্ৰাপ্ত হয়।

বিভিন্ন সময়ত বিশেষ কাৰ্য সম্পাদনাৰ বাবে ভগৱানে বিভিন্ন অৱতাৰ ধৰিলেও সকলো অৱতাৰৰে মূল হ'ল পৰমব্ৰহ্ম পৰমেশ্বৰ নাৰায়ণ শ্ৰীকৃষ্ণ। এই ভিন্ন অৱতাৰবোৰ হ'ল ভগৱান কৃষ্ণৰ অংশ কলাৱতাৰ। 'কৃষ্ণ' হ'ল পূৰ্ণকলা অৱতাৰ।

'এতাংশেনকলা কৃষ্ণস্তু ভগৱান স্বয়ম্'।

এই পূৰ্ণকলাৰ অধিকাৰী অনাদি অনন্ত পুৰুষজনেই মানৱীৰূপ ধৰি শ্ৰীকৃষ্ণ নামেৰে নানা লীলা মালা পৃথিৱীত কৰি গৈছে। শেষত ভক্ত কবি মাধৱদেৱে দৈৱকীনন্দন শ্ৰীকৃষ্ণক প্ৰণিপাত জনাইছে। 'নাম-ঘোষা'ৰ মাজেৰে একান্ত ভক্তই নামধৰ্মৰ জৰিয়তে ইষ্ট দেৱতাৰ সাধনত আত্মবিলীন হৈ যোৱাৰ শ্ৰেষ্ঠ উদাহৰণ দেখা যায়।

মহাপুৰুষ মাধৱদেৱে শঙ্কৰদেৱ গুৰুজনাক দৈৱকীনন্দন কৃষ্ণৰেই যে অৱতাৰ, সেইকথা স্পষ্ট ভাষাৰেই তাৰাৰ গুৰু ভটিমাত প্ৰকাশ কৰিছে --

ত্ৰিভূৱন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস।
জগজন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ।।
মায়া নৰতনু ধৰি হৰি ভকতি
কয়লি বহু পৰচাৰ।
সৱ নৰ পাপ পয়োধি মজ্জল
তাহে কয়লি উদ্ধাৰ।।

নাম-ঘোষাত মাধৱ মহাপুৰুষজনে পৰম গুৰু শঙ্কৰদেৱ আৰু ভগৱানৰ মাজত কোনো পাৰ্থক্য নাই বুলি ঘোষাণা দিছে এনেদৰে--

হৰিযেন আতি কৃপাময় ভক্ত গুৰুজনো সেহিনয়
দুয়োজন এক শৰীৰত মাত্ৰ ভিন্ন।
কৃপাৰসে যুক্ত হুয়া চিত্ত লোকৰ হিতক চিন্তি নিত
নিজগুণে তুষ্ট দুয়ো অহঙ্কাৰে হীন।। ৬৮১।।

সেয়েহে ভগৱান কৃষ্ণ আৰু গুৰুজন শঙ্কৰদেৱক একান্ত ভক্ত মাধৱদেৱে

পৰম গুৰু বুলি মুক্ত কণ্ঠে নাম-ঘোষা গ্ৰন্থখনিত স্বীকাৰ কৰিছে। তেওঁৰ বাহিৰে অন্য গুৰু নাই বুলি দঢ়াই দঢ়াই কৈছে --

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।। ৩৭৫।।

নাম-ঘোষা গ্ৰন্থখনিত অৱতাৰবাদৰ মূলকথাও এয়ে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। নাম-ঘোষা ৰসামৃত--ইলাৰাম দাস
২। অসমীয়া সাহিত্যৰ ৰূপৰেখা- ড° মহেশ্বৰ নেওগ।
নাম-ঘোষা-ড°কেশৱানন্দ দেৱগোস্বামী।
জ্ঞান প্ৰদীপ (আলোচনী)- ড° মঞ্জুলা দেৱী।
সাহিত্যৰ ৰূপ ৰস-ড°কৰবী ডেকাহাজৰিকা।
মনিকাঞ্চন- শ্ৰীমন্ত শঙ্কৰ সঙ্ঘৰ দ্বাৰা প্ৰচাৰিত।

---

**লেখিকাৰ পৰিচয় ঃ**

শ্ৰীঝৰ্ণা দেৱী, জ্যেষ্ঠ অধ্যাপিকা, অসমীয়া বিভাগ,
মৰিগাঁও মহাবিদ্যালয়, মৰিগাঁও।



# আধ্যাত্মিক বিকাশত নাম-ঘোষা

**ড° ৰাতুল চন্দ্ৰ বৰা**

সনাতন (হিন্দু) ধৰ্মৰ লক্ষ্য হৈছে আত্মাৰ অন্বেষণ। মানুহৰ বোধশক্তি বা বাহ্যিক ইন্দ্ৰিয় জ্ঞানৰ বাহিৰেও পাৰ্থিৱ জগতখনৰ অন্তৰালত এখনি অদৃশ্য আধ্যাত্মিক জগত আছে, যাক সাধাৰণ ইন্দ্ৰিয়জ্ঞানেৰে জানিব নোৱাৰি। সমগ্ৰ উপনিষদীয় সাহিত্যৰ মূল বিষয় হৈছে এই আত্মা -আত্মাজ্ঞান লাভ কৰা, আত্মাৰ স্বৰূপ বিশ্লেষণ। বেদৰ অন্য এটি অৰ্থ হৈছে জ্ঞান আৰু এই জ্ঞানকে আত্মা বুলি কোৱা হয়। অন্য অৰ্থত আত্মাই ব্ৰহ্ম। 'সেই মহান জন্মৰহিত আত্মা অবিনাশী, মৃত্যুহীন, ভয়হীন-- তেৱেঁই ব্ৰহ্ম (বৃহদাৰণ্যক,৪৪/২৫) তেৱেঁই (আত্মা) ব্ৰহ্ম (ঐতৰেয় ৫/৩) মাত্ৰ তেওঁক (ব্ৰহ্মক) আত্মা বুলি জানা (মুণ্ডক,২/২/৫) আত্মা যি সকলো বস্তুতে বিৰাজমান, সেয়েই ব্ৰহ্ম (শ্বেতা-শ্বতৰ,১/১৬) গীতা শাস্ত্ৰৰ মতে আধ্যাত্মবিদ্যাই সকলো বিদ্যাৰ ভিতৰত শ্ৰেষ্ঠ। শ্ৰীমদ্ভাগৱতে কৈছে যে- (সতং পৰং ধীমহি' পৰম সত্যক ধ্যান কৰো আত্মা বা ব্ৰহ্ম জীৱৰ সাৰথি, এই জীৱাত্মা পৰমাত্মাৰ অংশ পৰমাত্মা, পৰম ব্ৰহ্ম আৰু পৰম সত্যই পৰমেশ্বৰ বা ভগৱানকে বুজায়। নাম-ঘোষাত এইখিনি কথা সুন্দৰভাৱে দাঙি ধৰিছে।

ঈশ্বৰৰ সেৱা কৰন্তে জীৱৰ
গুচয় মায়াৰ ভ্ৰম।
ব্ৰহ্ম পদে শুদ্ধ জীৱক বুলিয়
ঈশ্বৰক পৰমব্ৰহ্ম।। ১৭৪।।
অন্তৰ্য্যামীৰূপে জীৱ আদি কৰি
নিয়মন্ত সমস্তক।
এহি হেতুতেসে পৰমাত্মা পদে
বুলি জানা ঈশ্বৰক।। ১৭৫।।

সেইদৰে 'ৰাম' পদেও পৰমাত্মা বা ভগৱানকে বুজায়--

সদানন্দ আত্মা চৈতন্য অনন্তে

যিহেতু যোগী ৰময়।
এতেকেসে ৰাম পদে পৰব্ৰহ্ম
ৰূপক বুলি নিশ্চয়।। ১৭৯।।
চৈতন্য স্বৰূপে যিহেতু সদায়ে
ৰমাৰন্ত জগতক।
এতেকেসে ৰাম সুমধুৰ পদে
বুলি জানা ঈশ্বৰক।। ১৮০।।

ঈশ্বৰৰ সগুণ আৰু নিৰ্গুণ ৰূপ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ঈশ্বৰৰ সগুণ ৰূপৰ গুণ-শ্ৰৱণ-কীৰ্ত্তনৰ যোগেদি (একশৰণহে) ভকতৰ সঙ্গত সপ্ৰেম ভকতিৰ সাধনা কৰি নিৰ্গুণ ঈশ্বৰৰ স্বৰূপ জানিব পাৰি বুলি কৈছে। এইকথা মহাপুৰুষ মাধৱদেৱে এনেদৰে কৈছে --

নিৰ্গুণ কৃষ্ণৰ গুণক প্ৰকাশ
কৰিলা শ্ৰীশঙ্কৰে।
শ্ৰৱণ কীৰ্ত্তন কৰি মহাসুখে
পাপীয়ো সংসাৰ তৰে।। ৩৫৭।।

উপনিষদৰ নিৰ্গুণ ব্ৰহ্ম গীতাত সগুণ কৃষ্ণ ৰূপে ব্যক্ত হ'ল আৰু কৃষ্ণ স্বয়ং ঈশ্বৰ বুলি স্বীকৃত হ'ল--

ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ সচ্চিদানন্দৱিগ্ৰহঃ।
অনাদিৰাদিগোৱিন্দঃ সৰকাৰণাকাৰম্।।

'গোবিন্দ কৃষ্ণেই হ'ল সকলো কাৰণৰে কাৰণ। তেৱেঁই আদি কাৰণ, তেৱেঁই নিত্য (সৎ), জ্ঞান (চিৎ) আৰু আনন্দৰ সংহত মূৰ্তিমান বিগ্ৰহ (ৰূপ)'। 'নিৰাকাৰ (নিৰ্বিশেষ) ব্ৰহ্মৰ উপলব্ধি হ'লে ঈশ্বৰৰ সৎৰূপটোৰ উপলব্ধি হয়, পৰমাত্মাৰ উপলব্ধি হ'লৈ ঈশ্বৰৰ সৎচিৎ ৰূপটোৰ বা শাশ্বত জ্ঞান ৰূপটোৰ উপলব্ধি হয়' (শ্ৰীমদ্ভগৱত গীতা যথাযথ স্বামী প্ৰভুপদ। গতিকে ভগৱান কৃষ্ণেই সৎ-চিৎ আনন্দ আৰু কৃষ্ণৰ উপলব্ধি হলে এই নিৰ্গুণ (নিৰাকাৰ) ৰূপটোৰ উপলব্ধি হয়। এই কথা নাম-ঘোষাই এইদৰে ব্যক্ত কৰিছে--

কৃষ্ হেন শব্দ ইটো পৃথিৱী বাচক ভৈল
ণ আনন্দত প্ৰৱৰ্ত্তয়।
দুইৰো এক পদ ভৈলে পৰম ব্ৰহ্মৰূপ কৃষ্ণ





নাম আনন্দক মাত্ৰ কয়।। ১৪০।।
যতেক প্ৰাকৃত আকাৰ বৰ্জ্জিত
ভৈলন্ত যিহেতু হৰি।
সেহি হেতুতেসে নিৰাকাৰ নাম
আছন্ত ঈশ্বৰে ধৰি।। ১৬২।।

**মায়াৰ স্বৰূপঃ** নিৰাকাৰ ভগৱানে নিজ গুণ প্ৰকাশৰ বাবে মায়া উপাধিৰে (সত্বঃ ৰজঃ তমঃ) নানা জীৱৰ সৃষ্টি কৰিলে আৰু নিজেও নানা লীলা অৱতাৰ গ্ৰহণ কৰিলে শ্ৰীকৃষ্ণ পূৰ্ণ অৱতাৰ ৰূপে।

নাৰায়ণে ভগৱতি তদিদং বিশ্ব মাহিতম্।
গৃহীতমায়োৰুগুণঃ সৰ্গাদাৱগুণ শ্বতঃ।।
(শ্ৰীমদ্ভাগৱত,২/৬)

"ইয়াৰ মানে-- এই বিশ্ব ভগৱন্ত নাৰায়ণত অধিষ্ঠিত হৈ ৰৈছে। তেওঁ স্বভাৱতে নিৰ্গুণ, কিন্তু সৃষ্টিৰ আৰম্ভতে তেওঁং মায়া উপাধি অঙ্গীকাৰ কৰি সগুণ হয়।'

'মায়া শব্দটোৰ ধাতুগত অৰ্থ-'মা' নিষেধ-বাচক, 'য়া' প্ৰাপ্তি-বাচক। অৰ্থাৎ- যি প্ৰাপ্ত হৈয়ো নাই, সেয়ে মায়া। অৰ্থাৎ কোনোৰূপে যাৰ নিৰ্ব্বাচন কৰিব নোৱাৰি, সেয়ে মায়া। মায়া ঈশ্বৰৰ এক অপূৰ্ব্ব শক্তি, যাৰ লক্ষণ নাই, অথচ জগৎ ৰূপ কাৰ্য্য আছে। মায়া নাথাকিলে মুক্তি স্বতঃসিদ্ধ অৱস্থা হ'লহেঁতেন; কাৰণ মায়াৰ অভাৱত জড়ৰে সৈতে চৈতন্যৰ সম্বন্ধৰূপ বান্ধোন নাথাকিলহেঁতেন।' (শ্ৰীকৃষ্ণ-কথা, লক্ষ্মীনাথ বেজবৰুৱা)। নাম-ঘোষাত ঈশ্বৰৰ মায়াৰ বিষয়ে এনেদৰে ব্যক্ত কৰিছে --

হে কৃষ্ণ তুমি মাত্ৰ চৈতন্যস্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো তোম্মাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত।। ৭৩।।

**আত্মজ্ঞান লাভৰ উপায়ঃ** নাম-ঘোষাত কৈছে যে কেৱল ভকতিৰ যোগেদিহে কৃষ্ণৰ কৃপাত আত্মজ্ঞান লাভ হ'ব পাৰে।

ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মবোধ
মাধৱৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাত জানা গুচয় সংসাৰ ভয়

এহিমানে গীতাৰ নিৰ্ণয়।। ৬২।।

দুজনা মহাপুৰুষৰ সমস্ত ৰচনাৰাজিত এই ভক্তিৰ মহিমা বৰ্ণিত হৈছে। আধ্যাত্মিক জ্ঞানত সিদ্ধ হ'বলৈ সৎসঙ্গত সদায় হৰি নাম শ্ৰৱণ-কীৰ্ত্তন আৰু ধ্যান কৰিব লাগিব। মায়াৰ পৰা মুকুতি লভিবলৈকো ভকতিয়েই একমাত্ৰ উপায়--

ধন্য কলিযুগ ধন্য ৰামনাম
ধন্য ধন্য নৰকায়া।
ভাগ্যহীন জনো জপি ৰামনাম
তৰয় দুষ্টৰ মায়া।। ৩৬৮।।
হৰিপদ সেৱা নকৰে নিমিত্তে
মায়ায়ে বান্ধি ফুৰাৱে।
তাৰত মায়াক নতৰে হৰিত
শৰণ নলৱে যাৱে।। ১৮২।।

গতিকে এক কৃষ্ণত শৰণ গ্ৰহণ নকৰিলে মায়াৰ পৰা হাত সাৰিব নোৱাৰি। আত্মজ্ঞান লাভৰ অন্যটি উপায় নিজ শৰীৰটোকে আত্মা বুলি থকা ভাৱ দূৰ কৰা। অৰ্থাৎ দেহ গেহৰ ভাৱৰ পৰা ওপৰলৈ উঠাই সমস্ত প্ৰাণী আৰু সমস্তে ভূততে এক আত্মা মাত্ৰ বিৰাজ কৰা দেখিব লাগিব।

অনাত্মা দেহক আত্মাবুদ্ধি কৰি
হৰি হৰি হৰি হৰি এ
তুমি পৰমাত্মা ঈশ্বৰে ভৈলো বঞ্চিত।। ৭৫২।।
তোমাক নজানি জড় মিছা শৰীৰক মই
প্ৰাণ প্ৰভু পীতাম্বৰ এ
আত্মা বুলি ভৈলো সেৱা চোৰ।

মই দেহ নহয়, মই ভগৱানৰ অংশ-পৰমাত্মাৰ অংশ- এই ভাৱ যেতিয়া উদয় হ'ব, তেতিয়াই মানুহ আধ্যাত্মিক স্তৰত উপনীত হ'ব। 'যেতিয়া আমি পাৰ্থিব কলুসৰ কৱলত থাকো, তেতিয়া আমাক বদ্ধ জীৱ বোলা হয়। জড়া প্ৰকৃতিৰ পৰাই মোৰ উদ্ভৱ হৈছে এনে ধাৰণাৰ ফলত এটা অসত্য চৈতন্যই দেখা দিয়ে। এনে এটা অৱস্থাকে মিছা অহংকাৰ বুলি কোৱা হয়। যিজনে কেৱল নিজৰ দেহটোকে নিজৰ একমাত্ৰ পৰিচয় বুলি ভাবি থাকে, তেওঁ নিজৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰিব নোৱাৰে। দেহকে আত্মা বুলি ভবা ভ্ৰমটোৰ হাত সৰাটোৱেই সাধকৰ প্ৰথম কাম।'





--শ্ৰীমদ্ভগৱত গীতা যথাযথ-স্বামী প্ৰভুপাদ)

আধ্যাত্মিক স্তৰলৈ যোৱাৰ প্ৰথম উপায় হৈছে ইন্দ্ৰিয় সংযম। যি ইন্দ্ৰিয় সংযম কৰিব পাৰিছে তেওঁ কাম, ক্ৰোধ, লোভ, মোহ আদি ৰিপুবিলাকক দমন কৰিব পাৰিছে। কাৰণ ইন্দ্ৰিয়বিলাকে মনত প্ৰৱল প্ৰভাৱ বিস্তাৰ কৰে। সেয়ে মন ইন্দ্ৰিয়ৰ দাস হলে আত্মজ্ঞান কেতিয়াও লাভ হ'ব নোৱাৰে। 'আধ্যাত্মিকতা হৈছে অন্তৰৰ সংস্কৃতি। আধ্যাত্মিকতাত নিখুঁত হবলৈ হলে কায়মনোবাক্যকো পূৰ্ণ সংযমৰ প্ৰয়োজন বুলি মই ভাবো।' (-গান্ধী কথামৃত)

আত্ম তত্ত্ব পৰমদুৰ্বোধ্য--সহজে লাভ কৰিব নোৱাৰি। সেয়ে মহাপুৰুষীয়া ধৰ্ম বা এক শৰণ নাম ধৰ্মত শ্ৰীমন্ত শঙ্কৰদেৱে ভকতিৰ যোগেদি নিষ্কাম ভকতি বা নিৰ্গুণ ভকতিৰ সাধনা কৰিবলৈ কৈছে-- নিৰ্গুণা ভকতিৰ যোগেদিয়েই আত্মজ্ঞান লাভ কৰিব পাৰি। সেই বাবেই শ্ৰৱণ-কীৰ্ত্তনৰ যোগেদি ভকতি লভি দুৰ্বোধ্য আত্মতত্ত্ব লাভ কৰিব পাৰি।

পৰম দুৰ্ব্বোধ্য আত্মতত্ত্ব তাৰ জ্ঞান অৰ্থে হৰি যত
লীলা অৱতাৰ ধৰা তুমি কৃপাময়।
তাহান চৰিত্ৰ সুধাসিন্ধু তাত ক্ৰীড়া কৰি দীনবন্ধু
চাৰি পুৰুষাৰ্থ তৃণৰ সম কৰয়।। ৬৪৩।।

হৃদয়তে হৰিৰ নিবাস, হৃদয়ত হৰিক ধ্যান কৰিলে হৰিৰ নিৰ্গুণ ৰূপ দেখা পোৱা যায়। যেনেদৰে ব্যাসে নাৰদৰ উপদেশত হৰিক ভক্তি ভাৱে ধ্যান কৰি বাম পাশে মায়া, সোকাষে ভক্তিমাতৃ আৰু দুইৰো মধ্যত কৃষ্ণক দেখা পাইছিল। দৈৱকীয়ে মৃত্যুৰ সময়ত চিত্ত নিৰ্গুণ ভকতিত অৰ্থাৎ প্ৰেম ভকতিত স্থিত হোৱাত নিৰ্গুণ কৃষ্ণই হৃদয়ত দেখা দিছিল। নাম-ঘোষায়ো আমাক কৈছে--

ৰাম কৃষ্ণ হৰি বোল তেজি ভয় লাজ।
হৈৱন্ত বেকত হৰি হৃদয়ৰ মাজ।। ৪২১।।

**ধৰ্ম আৰু আধ্যাত্মিকতাঃ** ধৰ্ম আধ্যাত্মিক জ্ঞান লাভৰ মাধ্যম. ধৰ্মৰ যোগেদি আধ্যাত্মিক জ্ঞান লাভ হয়। সেয়ে কব পাৰি যে আধ্যাত্মিকতা ধৰ্মৰ ওপৰৰ বস্তু; বিভিন্ন ধৰ্মৰ ৰীতি-নীতি বেলেগ বেলেগ-যিবিলাকে সমাজক ভাগ ভাগ কৰে, আনকি বিশ্বমানৰ সমাজকো ভাগ ভাগ কৰি ৰাখিছে। কিন্তু আধ্যাত্মিক স্তৰত সকলো সমান বিভাজন নাই। কাৰণ আত্মা সৰ্বতে বিৰাজমান' The high level of religion is spirituality. The spiritual

preachess seek the help of the Almighty to bring peace to human minds” (lgnited Minds-by AP J Abdul Kalam) অৰ্থাৎ ‘ধৰ্মৰ ওপৰৰ স্তৰেই হৈছে আধ্যাত্মিকতা। অধ্যাত্ম গুৰুসকলে মানৱৰ মনলৈ শান্তি আনিবলৈ পৰমেশ্বৰৰ সহায় বিচাৰে। কিছুমান মানুহৰ বাবে অৰ্থাৎ ঠেক মনোবৃত্তিৰ মানুহৰ বাবে ধৰ্ম হৈছে কন্দলৰ মাধ্যম কিন্তু মহাপুৰুষ সকলৰ বাবে ধৰ্ম হৈছে মানৱৰ মাজত বন্ধুত্বৰ ভাৱ গঢ়ি তোলা-সমাজক এক কৰা। বৰ্তমান বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ যুগত ধৰ্মৰ ৰীতি-নীতিতকৈ আধ্যাত্মিক জ্ঞান সাধনাৰহে বেছি প্ৰয়োজন হৈছে।’ “The Unification of Science and spirituality will be essential to take the benefit of Science and technology to mankind”(ঐ)। ‘ধৰ্ম হ’ল আধ্যাত্মিক প্ৰসাদৰ ভেটি স্বৰূপ। কোনো মহান ঋষি ধৰ্মৰ পৰা আৱিৰ্ভাৱ হোৱা নাই, পাৰমাৰ্থিক অভ্যাসৰ পৰাহে হয়।.... এইটো নিশ্চিত যে ধৰ্মই মানুহৰ মাজত বিভেদৰ সৃষ্টি কৰে।’ (পাৰ্থসাৰথি ৰাজাগোপালাচাৰী)। আধ্যাত্মিক জ্ঞানে আমাক এক কৰে। কাৰণ, ‘কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।’

---

**লেখকৰ পৰিচয় ঃ**

ড° ৰাতুল চন্দ্ৰ বৰা, প্ৰাধ্যাপক, জৈৱ ৰসায়ন বিভাগ
কৃষি বিশ্ববিদ্যালয়, যোৰহাট।



# ‘নাম-ঘোষা’ত ভাৰত মাহাত্ম্য

**বন্দনা দেৱী**

[illegible]

গ্ৰহণ পাই নিজকে ধন্য মানিছে।

'নাম-ঘোষা' গ্ৰন্থখনিত ভাৰত মাতাৰ বন্দনা বিষয়টো পাৰ্থিৱ তথা বাস্তৱ দৃষ্টিভংগীৰে চালে ইয়াক কবি মাধৱদেৱৰ স্বদেশ প্ৰেমৰ জয়গান যেন লাগে। কিন্তু ই সাধাৰণ পাৰ্থিৱ অৰ্থৰ স্বদেশ প্ৰেম নহয়, এই স্বদেশ প্ৰেম হ'ল কৃষ্ণ ভক্তি মিশ্ৰিত স্বদেশ প্ৰেমহে। সেইকাৰণে ইয়াক স্বদেশ প্ৰেম নুবুলি ভাৰত মাতাৰ মাহাত্ম্য বুলিহে কোৱা উচিত। কি কাৰণেনো ভাৰতৰ মাহাত্ম্য কবিয়ে এনেদৰে দিব লগা হ'ল তাৰ ব্যাখ্য পাছৰ আলোচনাত দাঙি ধৰা হৈছে।

ভূগোলৰ সজ্ঞাৰে 'ভাৰতবৰ্ষ' হ'ল এখন উপমহাদেশ, অৰ্থাৎ মহাদেশৰ প্ৰায়বোৰ বৈশিষ্ট্যই ভাৰতবৰ্ষত আছে। নানা বৈচিত্ৰ্যৰে ভৰা ভাৰতবৰ্ষত এফালে যেনেকৈ অতি সেমেকা জলবায়ু আছে; আনকালে তেনেকৈ অতি খৰাং অঞ্চলো বিদ্যমান; অতি ওখ অঞ্চলো আছে, অতি নিম্ন অঞ্চলো আছে। ভৌগোলিক বৈচিত্ৰ্যতাৰ লগে লগে জীৱ বৈচিত্ৰতাও ভাৰতবৰ্ষত উল্লেখনীয় ধৰণে বিৰাজমান। প্ৰকৃতিৰ ছয়টা ঋতুৰ প্ৰভাবো দেশখনৰ সকলো অংশতে উপলব্ধি হয়। এটা জীৱ সুন্দৰভাৱে জীয়াই থাকিব পৰাকৈ প্ৰকৃতিয়ে যেন ভাৰতবৰ্ষক সকলোখিনি উপাদানৰ সমবিতৰণেৰে সমৃদ্ধিশালী কৰি থৈছে। ইয়াৰ পৰিবেশে প্ৰাণীক কেৱল জৈৱিক ভাবেই জীয়াই থকাৰ সমল দিয়াই নহয়, মানসিক উত্তৰণৰ উৎসাহো যোগায়। সেয়ে বোধকৰো বহু পুৰণি কালৰে পৰাই ভাৰতবৰ্ষত জ্ঞান-বিজ্ঞানৰ চৰ্চা-কেন্দ্ৰ চলি থকাৰ প্ৰমাণ পৌৰাণিক কাহিনীসমূহত উল্লেখ পোৱা যায়।

বৈজ্ঞানিক ভাবেও প্ৰমাণ হৈছে যে উপযুক্ত প্ৰাকৃতিক পৰিবেশ যদি নাপায় তেন্তে যিমানেই সুস্থ-সবল বীজ নহওক কিয়, সি কেতিয়াও অংকুৰিত হ'ব নোৱাৰে; যদিওবা হয় শ্ৰীবৃদ্ধি হোৱা দেখা নাযায়। ভাল উৎপাদন পাবৰ বাবে সুদক্ষ কৃষকে উন্নত বীজ উন্নত স্থানত ৰোপন কৰাৰ দৰে ভগবানেও যেন বাচি বাচিহে কিছু জীৱক ভাৰতবৰ্ষত দেহ ধাৰণ কৰোৱাইছে। এনে অনুমানতে গুৰু শঙ্কৰদেৱে কৈছে-

'কোটি কোটি জন্ম অন্তৰে যাহাৰ
আছে মহাপুণ্য ৰাশি।
সি সি কদাচিত মনুষ্য হোৱয়
ভাৰত বৰিষে আসি।।"

কোটি কোটি বাৰ জন্ম ধৰাৰ অন্ততহে হেনো ভাৰতবৰ্ষত মনুষ্য জন্ম লভিব পাৰে।





মহা মহা পুণ্যৰ বলতহে যিখন দেশত জীৱই মনুষ্যৰূপে জন্ম লভিব পাৰে, সেইখন ভাৰতবৰ্ষত জন্ম লাভ কৰি মহাপুৰুষ মাধৱদেৱেও নিজকে ধন্য মানিছে, জননীস্বৰূপ ভাৰতবৰ্ষৰ প্ৰতিও কৃতজ্ঞতাত হৃদয় গদ্ গদ্ হৈ পৰিছে। এটি বৰগীতত মাধৱ মহাপুৰুষে প্ৰাণৰ আচল ভাষা ব্যক্ত কৰিছে এনেদৰে---

'ধন্য ধন্য কলি কাল ধন্য নৰ তনু ভাল
ধন্য ধন্য ভাৰত বৰিষে।
তপ জপ যজ্ঞ তেজি তোমাৰে চৰণে ভজি
তুৱা নাম ঘূৰিযো হৰিষে'।।

যেনেকৈ সকলো শস্যৰে একোটা নিৰ্দিষ্ট ঋতু থাকে, সেই ঋতুত অংকুৰিত হলেহে সেই শস্যই স্বতঃস্ফুৰ্ত্তভাৱে শ্ৰীবৃদ্ধি লাভ কৰে, তেনেকৈ মনুষ্যই এনেয়ে আন সময়ত ভাৰবৰ্ষত জন্ম লভিলে পুণ্য অৰ্জন কৰিব নোৱাৰিলেও কলিকালত ভাৰতত জন্ম লোৱাজনে কিন্তু মহাপুণ্যৰ ভাগ পাবই যদিহে সেইজনে হৰি নাম লয়, হৰিত ভজনা কৰে। যিহেতু কলিযুগত যাগ-যজ্ঞৰ কথা নাই কেৱল হৰি নাম শ্ৰৱণ-কীৰ্ত্তন কৰিলেই আত্মাই মুক্তি লভিব পাৰে বুলি গীতা ভাগৱতত শ্ৰীকৃষ্ণই শ্ৰীমুখে প্ৰকাশ কৰি গৈছে। এতেকে এনেহেন শ্ৰৱণ-কীৰ্ত্তনৰ উপযুক্ত স্থলত উপজিও যিজনে হৰিনাম নলয় 'তাত পৰে দুখী নাই আৰ' বুলি মাধৱপুৰুষে ঘোষাত উল্লেখ কৰিছে।

হৃদয়ৰ লগত হৃদয়ৰ নিবিড় সম্বন্ধ হোৱাকেই যদি 'প্ৰেম'ৰ সংজ্ঞাৰূপে গ্ৰহণ কৰা হয়, তেন্তে এজন ব্যক্তিৰ জীৱনত প্ৰেমৰ বহু ধাৰা দেখা যায়; সেই প্ৰেমৰ নাম অৱশ্যে সুকীয়া সুকীয়া হব পাৰে। প্ৰেমিক হৃদয়ৰ প্ৰেম ফল্গু নদীৰ দৰে আটাইবোৰ ধাৰাতে নিৰবধি বৈ থাকে; আবেগৰ উশ্বাসত হয়তো কোনোবাটি সুঁতিত উপচি পাৰ বাগৰে।

উপৰি উক্ত প্ৰেমৰ বিশ্লেষণেৰে যদি চোৱা হয়, তেন্তে মাধৱদেৱো এজন মহাপ্ৰেমিক। তাৰাৰ প্ৰেমৰ সাগৰত ভগৱৎ প্ৰেমৰ উত্তাল তৰঙ্গই ঢৌৱাই থৈছে সমগ্ৰ 'নামঘোষা' গ্ৰন্থখনিত। যিজনে ভগৱানক ভাল পায়, সেইজনে সকলোকে ভাল পায়, সকলোৰে প্ৰতি প্ৰেম তেওঁৰ হৃদয়ত সদা-বিৰাজমান হৈ থাকে। ভগৱান প্ৰেমিক ভক্ত মাধৱদেৱৰ 'নাম-ঘাষা'ত ভগৱান প্ৰশস্তিৰ স্তৱকৰ মাজে মাজে স্বদেশ প্ৰীতিৰ ঘোষাও সন্নিবিষ্ট কৰিছে। সংখ্যাগতভাৱে এনে ঘোষা গ্ৰন্থখনিত তেনেই তাকৰীয়া হলেও ভাৱগত দিশেৰে ইয়াৰ প্ৰতিটো এনে ঘোষাৰেই মূল্য অপৰিসীম,

প্ৰতিটো ঘোষাতেই স্বদেশ প্ৰেমৰ গভীৰতা উপলব্ধি হয়; অৱশ্যে ড° বাণীকান্ত কাকতিৰ ভাষাৰে কব পাৰি-মাধৱদেৱৰ আটাইবোৰ ভাৱৰ ধাৰা মিহলি হৈ বিশাল আনন্দসাগৰৰ ফালেই প্ৰবাহমান হৈছে, ভক্তজনৰ হৃদয়ত স্বদেশ প্ৰেমো পাৰমাৰ্থিক প্ৰেমলৈ উন্নীত হৈছে, এই স্বদেশ প্ৰেমত পাৰ্থিৱ কোনো আকাঙ্ক্ষাৰ ইঙ্গিত নাই। এইখিনিতেই স্বদেশ-প্ৰেমী আন কবিৰ লগত মাধৱদেৱৰ পাৰ্থক্য ভাৰতভূমিৰ নিৰ্মল বায়ু, পানী সেৱন কৰি ধাৰাবাহিক ভাৱে ভগৱানৰ গুণানুকীৰ্ত্তন কৰি থাকিবলৈ সোণালী সুযোগ-দিয়াৰ বাবেই স্বদেশৰ প্ৰতি কৃতজ্ঞতাত যেন তাৰাৰ শিৰ বাৰে বাৰে নত হব খোজে।

ভক্ত কবিয়ে ইয়াত 'নাম-ঘোষা'ত মূল উদ্দেশ্যৰ লগত ৰজিতা ৰাখিহে স্বদেশ প্ৰেমৰ বন্দনাত ৰত হৈছে। 'নাম-ঘোষা' গ্ৰন্থখনত ভাৰত ভূমিৰ মাহাত্ম্য প্ৰকাশক যি কেইটা ঘোষা ৰচিত হৈছে, সেইকেইটা ঘোষাৰ ভাৱৰ বিশ্লেষণ ইয়াত চমুকৈ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

'নাম-ঘোষা'ত ভাৰত মাহাত্ম্য প্ৰকাশক মাত্ৰ তিনিটি ঘোষাহে ৰচিত হৈছে গ্ৰন্থকাৰৰ মৌলিক সৃষ্টিৰ স্বাক্ষৰ বহন কৰিছে-- ১২৮ আৰু ২৮১ নং ঘোষা দুটিতে; ৩০০ নং ঘোষাটি মহাপুৰুষ শঙ্কৰদেৱৰ বিৰচিত 'ভক্তি-ৰত্নাকৰ' গ্ৰন্থখনৰ এটি শ্লোকৰ যথোপযুক্ত অনুবাদ। ভাৰতভূমিত জন্ম গ্ৰহণ কৰি যি নিজৰ জীৱন আধ্যাত্মিক জীৱনৰ লগত জড়িত কৰা নাই, যিজনে ভগৱানক চিনি লৈ তেওঁৰ চৰণত ভক্তিৰ অঞ্জলি, যচা নাই তেওঁৰ জীৱন বিফল হোৱা বুলি শঙ্কৰদেৱ গুৰুজনাই 'ভক্তি ৰত্নাকৰ'ত সগৌৰবে ঘোষণা কৰিছে----

জন্ম ভাৰতে লভতে নৰঃ
তদ্যঃ কৰোতি ৰিফলংস শোচ্যঃ সৰ্ব্বজন্তুষু।।'

মাধৱ গুৰুজনাই ইয়াৰ সৰল অনুবাদ কৰিছে এইদৰে----

'আপুন জনম ভাৰত ভূমিত
লভিলেক যিটো নৰ।
হৰিক নভজি কৰিলে বিফল
সিটো শোচ্য সমস্তৰ।।' ৩০০।।

উক্ত ঘোষা ফাঁকিৰ সৰল ভাঙনি হ'ল এনেধৰণৰ অনেক জন্মৰ পুণ্যৰ ফলত ভাৰতবৰ্ষত মনুষ্য জন্ম পাই যিসকলে ঈশ্বৰক ভক্তি নকৰিলে, তেনেলোকে নিজৰ জন্ম বিফলে নিয়ালে আৰু সেইলোক সকলোৰে ঘৃণাৰ পাত্ৰ হ'ল।





এই ঘোষাই দেৱৰো বাঞ্ছনি ভাৰতভূমিত জন্ম লৈ হৰিভক্তি নকৰি বৃথাই জন্ম ক্ষয় কৰা লোকসকলক নিন্দা কৰিছে। পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষই সকলোতকৈ পবিত্ৰভূমি। আনবোৰ দেশত কেৱল সুখ, ভোগ, ঐশ্বৰ্য্য-বিভূতি আদি সাধনৰ পন্থহে প্ৰধান; কিন্তু এই ভাৰতবৰ্ষ এই ক্ষেত্ৰত ব্যতিক্ৰম। ভগৱানে নানান অৱতাৰ ধাৰণ কৰি এই ভাৰততেই অনেক লীলা কৰে। মহান মহান ঋষিমুনিসকল অৱতাৰ হৈ এই ভাৰতবৰ্ষতে ব্ৰহ্মতত্ত্ব সাধনা কৰি ব্ৰহ্মত্ব লভে। এই ভাৰতভূমিত পৰমমঙ্গলময় সুমধুৰ হৰিনাম কীৰ্ত্তন কৰি জীৱই পৰম শান্তি আৰু পৰমেশ্বক লাভ কৰাৰ সুবিধা আছে। অনেক জন্মৰ পুণ্যফল সঞ্চিত নহলে ভাৰতত মনুষ্য জন্ম নাপায়।

আনকি, অনেক কঠোৰ তপস্যা, যাগ-যজ্ঞ, দান দুস্কৰ কৰ্ম্ম সমূহ অনুশীলন কৰি স্বৰ্গ-সুখ লাভ কৰা জীৱইও ভাৰতবৰ্ষত মনুষ্য জন্ম লৈ হৰি ভজনা কৰি সংসাৰ তৰিবলৈ ইচ্ছা কৰে --

"পাইলো স্বৰ্গ ইটো অতি তুচ্ছ ফল।
নাহিকে স্মৰণ কৃষ্ণৰ চৰণ কমল।।
ইন্দ্ৰিয়ৰ ভোগ মাত্ৰ আছে অতিশয়।
নতৰিলো দুৰ্ঘোৰ সংসাৰ দুখময়।।
ব্ৰহ্মসম আয়ুপালো কিন্তু ইটো থান।
ভ্ৰষ্ট হৈ সংসাৰত জন্ম হব আন।।
ভাৰতে জন্মিয়া যদি অল্প আয়ু হয়।
সমস্ততে কৰি শ্ৰেষ্ঠ তথাপি হোৱয়।।
একক্ষণ কালমাত্ৰ হৰি সেৱা কৰি।
হৰিৰ পদক যায় সংসাৰক তৰি।।' -- ভক্তিৰত্নাকৰ

মাধৱ মহাপুৰুষৰ ভাষাৰে ভাৰতবৰ্ষ ৰাম-নাম মহাৰত্নৰ দ্বীপ। মনুষ্য শৰীৰ পায়ো ৰাম-নাম মহাৰত্নৰ ব্যৱসায় নকৰিলে তেওঁত পৰে আৰু দুখী নাই। এটি সুন্দৰ ৰূপক অলংকাৰ প্ৰয়োগ কৰি ভক্ত কবিয়ে এনে ভাৱনা তলৰ ঘোষাটিত প্ৰকাশ কৰিছে এইদৰে----

'ভাৰত ৰত্নৰ দ্বীপ মনুষ্য শৰীৰ নৌকা
ৰাম-নাম মহাৰত্ন সাৰ।

হেনয় বাণিজ পাই যিটো জীৱ নতৰয়
তাত পৰে দুখী নাহি আৰ।। ১২৮।।

এইটি ঘোষাত গুৰুজনে ভাৰতবৰ্ষ, মনুষ্য শৰীৰ আৰু নামৰ মহিমা প্ৰকাশ কৰিছে। পৃথিৱীৰ সকলো ভূমিখণ্ডতকৈ ভাৰতবৰ্ষই শ্ৰেষ্ঠ ভূমি কিয়নো এই ভূমিখণ্ডৰ বুকুতে যুগে যুগে ভগৱানে অৱতাৰ গ্ৰহণ কৰি নানা লীলা কৌতুক কেলি কৰি গৈছে। অনেক ঋষিমুনি, তত্ত্বদৰ্শী মহাজনে এই ভাৰতত‌ে জন্ম লৈ যুগে যুগে জ্ঞানৰ পৰম জ্যোতিৰে বিশ্ব পোহৰাই গৈছে। ভাৰতবৰ্ষত নিৰ্গুণ নিষ্কাম হৰিভক্তিৰ দ্বাৰা অমৃততোধিক ৰসাস্বাদন কৰি পৰম মুক্তি পোৱাৰ পন্থ বিদ্যমান। এই হৰিনাম বা হৰিভক্তিয়েই অমূল্য ৰত্ন বুলি ঘোষাই ব্যাখ্যা কৰিছে আৰু ভাৰতবৰ্ষক ৰাম নাম মহাৰত্নৰ দ্বীপ বুলি তুলনা কৰিছে। মনুষ্য শৰীৰ দেৱৰো দুৰ্ল্লভ।

সকলো জীৱতকৈ মনুষ্য শ্ৰেষ্ঠ জীৱ। কাৰণ জীৱই দুৰ্ল্লভ ভক্তি সাধন কৰিব পাৰে মাত্ৰ এই মনুষ্য শৰীৰতহে। মনুষ্য শৰীৰ লাভ কৰিও হৰি ভক্তি অনুশীলন নকৰিলে আকৌ কোটি কোটি কল্প নৰকী জন্ম ভোগ কৰিব লাগে। ই ভাৰতীয় আধ্যাত্মবাদীসকলৰ মুখ্য বিশ্বাস আৰু অমূল্য ধৰ্ম গ্ৰন্থসমূহৰ সাৰ সিদ্ধান্ত। হৰিভক্তি বা ৰাম-নাম উপাৰ্জন কৰাটো এক ব্যৱসায় বা বাণিজ্য বুলি শাস্ত্ৰই ব্যাখ্যা কৰিছে। ৰাম নামেই বাণিজ্যৰ মহাধন। ভক্তি আৰু মুক্তিয়েই এই বাণিজ্যৰ ফল। বিশেষকৈ মানুহে এই কলিযুগত অল্প আয়াসতে মধুময় ৰাম নাম কীৰ্ত্তন কৰি হেলাৰঙে ভৱসাগৰ পাৰ হ'ব পাৰে আৰু মনুষ্য শৰীৰ থকালৈকে পৰমানন্দ সুখত মজি থাকিব পাৰে, ৰাম নাম অনুশীলনৰ ফলস্বৰূপে। এনে সুযোগ আৰু সৌভাগ্য পায়ো যিসকল লোকে ৰাম নাম মহাৰত্নৰ ব্যৱসায় নকৰিলে অৰ্থাৎ হৰিভক্তি অনুশীলন কৰি বিপদৰ বন্ধু ৰাম নাম মহাধন আৰ্জন নকৰিলে তেওঁলোক মহাদুৰ্ভগীয়া বুলি ঘোষাই প্ৰকাশ কৰিছে। দুদিনৰ পাছতে আমাৰ এই মনুষ্য শৰীৰ ভৰা নৌকা, কাল সমুদ্ৰত ডুব যাব। বণিকেও সুদাহাতে ফিৰি যাব লাগিব। স্বপ্নপ্ৰায় মনুষ্য জীৱন দুদিনৰ পাছতে হেৰাই যাব। সেয়েহে শঙ্কৰ গুৰুজনাইও খেদ কৰি কৈছে ----

'কলিযুগ ভাৰত বৰিষ হৰিনাম।
দেৱৰো দুৰ্ল্লভ নৰতনু অনুপাম।।
চাৰিৰো সংযোগ কোটি কল্পেও নাপায়।
সপোনৰ নিধি যেন জাগিলে হেৰায়।। -- ভাগৱত

অৰ্থাৎ কলিকাল, ভাৰতবৰ্ষ, নৰতনু আৰু হৰিনাম--এই চাৰিৰ সংযোগ বৰ





দুল্লৰ্ভ বুলি গুৰুজনে মন্তব্য কৰি গৈছে। এইখিনিতে ভক্তি-ৰত্নাকৰ শাস্ত্ৰৰ 'ভাৰতবৰ্ষৰ প্ৰশংসা অধ্যায়ৰ কিছু অংশ উল্লেখ কৰিব পাৰি----

'পৰাশৰ আগত কহন্ত মৈত্ৰেয়ৰ।
জম্বুদীপ মধ্যে ভাৰত শ্ৰেষ্ঠতৰ।।
যিবাহেতু ভাৰতেসে পুণ্যভূমি হয়।
আত হৰি সেৱা কৰি সংসাৰ তৰয়।।
আত বিনে আনভূমি যতেক আছয়।
ভোগৰেসে ভূমি সিটো জানিবা নিশ্চয়।।'

আকৌ দেৱসকলৰ প্ৰশংসা বাণী ----

'দেৱসবে নিশ্চয় গাবয় এহি গীত।
সেহি ধন্য যাৰ জন্ম ভাৰত ভূমিত।।
ভাৰতত নৰজন্ম লোৱাৰ কাৰণ।
সাধিব পাৰিব যাৰ যিটো প্ৰয়োজন।।
পায় স্বৰ্গ মোক্ষ পদ, বৈকুণ্ঠকো যায়।
ভাৰত সমান কৰ্ম্ম ভূমি আন নাই।।'--ভক্তি ৰত্নাৱলী।

নোপাৱাৰ বেদনাতকৈ পাই হেৰুওৱাৰ বেদনা অধিক? তেনেস্থলত, যিটো অতিকে দুৰ্ল্লভ, সেই বস্তুটোকো হাততে পোৱাৰ পিছতো সদব্যৱহাৰ নকৰাসকলৰ প্ৰতি আক্ষেপ কৰিয়েই মাধৱ মহাপুৰুষ জনাই ২৮১ নং ঘোষাত প্ৰকাশ কৰিছে-

'ভাৰত ভূমিত জনম লভিয়া
নভজে হৰি চৰণ।
সিটো জ্ঞানশূন্য পশুতো অধম
জনম লভিলে কেন।।' ২৮১।।

বিশেষকৈ এই কলিযুগত ভাৰতবৰ্ষত নৰতনু লাভ কৰাটো বৰ সৌভাগ্যৰ কথা। তাতোকৈ সৌভাগ্য ৰাম নাম কীৰ্ত্তন কৰিবলৈ পোৱাটো; কিন্তু যিসকলে এই ঘোৰ কলিযুগত ভাৰতবৰ্ষত মনুষ্য জন্ম লাভ কৰি পৰম মঙ্গলময় হৰি নাম হাততে পায়ো শ্ৰৱণ-কীৰ্ত্তন নকৰিলে, সেইজন চৰম দুৰ্ভগীয়া। তাৰ জন্ম পশুৰ জন্মতকৈও অসাৰ হ'ল; মনুষ্য জন্ম ধৰা লাভ নহ'ল, বুলি ঘোষাটোৰ জড়িয়তে মুকলিকৈ ব্যক্ত কৰিছে।

'নাম-ঘোষা'ৰ বিষয় বস্তু অতি বিশাল আৰু সুগভীৰ। মুঠতে কবলৈ গ'লে

'নাম-ঘোষা' মহাপুৰুষীয়া ধৰ্ম্মদৰ্শনৰ চূড়ান্ত সাৰ সংগ্ৰহ। এই গ্ৰন্থৰ জড়িয়তে মাধৱগুৰুৱে গুৰু, দেৱ, নাম ভকতৰ গুণানুকীৰ্ত্তন কৰিছে। সংখ্যাত তাকৰীয়া হলেও ভাৰত মাহাত্ম্য প্ৰকাশক ঘোষা কেইফাকিৰে সমূহ নৰতনুধাৰী জীৱলৈকে সানুনয় আহ্বান জনাইছে-গুৰু, দেৱ, নাম, ভকত এই চাৰিবস্তুৰ সহায় আৰু সঙ্গ লৈ ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰাৰ সাৰ্থকতা অৰ্জন কৰিবলৈ।

**সহায়ক গ্ৰন্থপঞ্জীঃ**

১। নাম-ঘোষা ৰসামৃত ঃ ইলাৰাম দাস
২। মাধৱদেৱৰ ক'লা দৰ্শন আৰু সাহিত্য ঃ ড° কৰবী ডেকাহাজৰিকা।

---

**লেখিকাৰ পৰিচয়ঃ**
শ্ৰীবন্দনা দেৱী, অধ্যাপিকা, অসমীয়া বিভাগ
ঘনকান্ত বৰুৱা মহাবিদ্যালয়, মৰিগাঁও।



# নাম-ঘোষা
# এখনি ভক্তিমূলক গীতি কবিতাৰ পুথি

**শোভন চন্দ্ৰ শইকীয়া**

গীতি কাব্য সাধাৰণতে ভাৱ-অনুভূতিৰ সৰলতা, স্বতঃস্ফূৰ্ত প্ৰকাশ আৰু সহজ প্ৰাণস্পৰ্শিতা গুণেৰে সমৃদ্ধ। গীতি কবিতা যদিও ব্যক্তিনিষ্ঠ কবিতা, ইয়াৰ অৰ্থ এইটো নহয় যে ই ব্যক্তি বিশেষৰ প্ৰলাপ মাত্ৰ। কবিয়ে যি লিখে, সি কেৱল নিজৰ মানসিক তৃপ্তি নাইবা সকাহৰ কাৰণেই নহয়; তেওঁ লিখে পাঠক সমাজক আগত ৰাখি। গতিকে সকলো ৰচনাৰে, সিবোৰ যিমানে ব্যক্তি নিষ্ঠ নহওক লাগিলে, এটা সমাজিক গুৰুত্ব নাইবা প্ৰাসংগিকতা থাকে। সেয়ে ব্যক্তিগত ভাবাবেগে যেতিয়া বিশ্বজনীনতা লাভ কৰে, ব্যক্তিৰ অনুভূতি চিন্তাই যেতিয়া পাঠকৰ মনতো এক পৰিচিত অনুভূতি আৰু চিন্তাৰ দৰেই বাজি উঠে- তেতিয়াহে ব্যক্তিগত ভাবৰ কবিতা পাঠকৰ বাবে গ্ৰহণযোগ্য হয়। সাৰ্থক গীতি কবিতা বুলিলে আমি এনেধৰণৰ কবিতাকে বুজোঁ।

সকলো দেশতেই গীতি কবিতাৰ প্ৰচলন আছে। এই ধাৰা সাহিত্যৰ কিছুমান বিশ্বজনীন লক্ষণো আমাৰ চকুত পৰে। ভাৱ-অনুভূতিৰ লগতে ৰচনা প্ৰাণালীৰ সৰলতাই এই সাহিত্যৰ ঘাই বৈশিষ্ট্য।

মাধৱদেৱৰ নাম-ঘোষা আমাৰ জাতীয় সাহিত্যৰ ৰত্ন ভাণ্ডাৰ। নামঘোষা মূলতঃ ভক্তিমূলক গীতি কবিতাৰ পুথি। সু-সংবদ্ধ বিন্যাসৰ প্ৰতি মাধৱদেৱৰ আনুগত্যৰ শ্ৰেষ্ঠ নিদৰ্শন হ'ল তেওঁৰ 'নামঘোষা' গ্ৰন্থ। নামঘোষাৰ দৰে সু-শৃঙ্খল, সু-সংহত গ্ৰন্থ অসমীয়াতেই নহয় যিকোনো সাহিত্যতে বিৰল। বিষয় বস্তু আৰু ছন্দৰ বিভিন্নতা অনুসৰি ইয়াৰ ঘোষাসমূহক ইমান অৰ্থপূৰ্ণ আৰু কৌশলপূৰ্ণ ভাবে সংগতি লগাই সজাই থোৱা আছে যে ইয়াৰ বিভিন্ন অংশসমূহৰ আন কোনো ধৰণৰ সজাৰ কথা চিন্তা কৰিব নোৱাৰি। কবিতাময় অনুভূতি আৰু কাৰিকৰীৰ বিষয়ত মাধৱদেৱ আছিল সুক্ষ্মদৰ্শী, সৰল শব্দ চয়নেৰে তেওঁৰ গভীৰতম অনুভূতি

তীব্ৰভাৱে প্ৰকাশ কৰিছিল। কলাগত কৌশল প্ৰয়োগৰ ক্ষেত্ৰত এক অতি সাহসী পৰীক্ষা কৰিছিল য'ত তেওঁ শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ চিৰাচৰিত সম্ভাৱনাক অতিক্ৰম কৰি কেৱল বিন্যাসগত বৈশিষ্ট্যৰ মাজেৰেই কাম্য আবেদন সৃষ্টি কৰিব বিচাৰিছিল, ঘোষাসমূহৰ বিন্যাস বা গাঁথনি এক মাত্ৰিক নহয় বহু মাত্ৰিক। অক্ষৰগত, ধ্বনিগত, শব্দগত আৰু কাব্যিক ছন্দগত বিন্যাসৰ মাজেদি আগবঢ়াই অধিক সংবেদনশীল ৰূপত দাঙি ধৰিছে, স্বৰবিন্যাস আৰু ছন্দ বিন্যাসো ঘোষাসমূহৰ অবিচ্ছেদ্য অঙ্গ। নামঘোষা অকল পঢ়া বা আওৰোৱা বস্তু নহয়, গাবলগীয়া বস্তুও। ঘোষাসমূহৰ ৰূপৰ স্থায়িত্ব সেইবোৰৰ সাংগীতিক বিন্যাসৰ ওপৰতো বহুলাংশে নিৰ্ভৰশীল।

আনহাতে তত্ত্ব প্ৰতিপাদক গ্ৰন্থৰূপে নাম-ঘোষাৰ স্থান অতি উচ্চ। আৰম্ভণিতে ৰসময়ী ভকতিৰে ভকত আৰু ভজনীয় দেৱতা যদুপতি কৃষ্ণক প্ৰণিপাত জনাইছে। নিৰাকাৰ ভগৱানৰ সাকাৰ ৰূপৰ ব্যাপকতাৰ কথা ক'লেও সকলো অৱতাৰকে কৃষ্ণৰেই আকৃতি বুলি ভক্তৰ অভিপ্ৰেত ভক্তিৰ অঞ্জলি যাঁচিছে। মূলত মাথোন দশাৱতাৰৰ উল্লেখ হে আছে-যথা,।

মৎস কূৰ্মোৱৰাহশ্চ নৰসিংহোতথ বামনঃ।
ৰামো ৰামশ্চ ৰামশ্চ বুদ্ধ কল্কীচ তে দশঃ।।

কীৰ্ত্তনৰ দৰে নাম-ঘোষাত কাহিনী নাই। দাৰ্শনিক তত্ত্ব প্ৰধান গ্ৰন্থবিলাকতো কাহিনী নাথাকে। নাম-ঘোষাক শাস্ত্ৰাৰ্থ কাব্য বুলি নিশ্চিত ভাবে ক'ব পাৰি। বিভিন্ন ভক্তি ৰস প্ৰধান শাস্ত্ৰৰ তাত্ত্বিক দিশ কাব্যৰ মাজেদি প্ৰকাশ কৰাৰ বাবেই শাস্ত্ৰাৰ্থ কাব্য। হৃদয়ৰ ভগৱানৰ প্ৰতি থকা ভক্তিৰ বীজ অঙ্কুৰিত নহলে ভক্ত কবিয়ে নিবেদন কৰা ৰস গ্ৰহণৰ অধিকাৰী কোনো কালেই হ'ব নোৱাৰি।

মুঠ এহেজাৰ ঘোষাক তিনিটা ভাগত ভাগ কৰিব পাৰি। প্ৰথম ঘোষাৰ পৰা ৬৮৩ নং ঘোষাৰ 'পৰম সমুদ্ৰ মজি ৰহয়' লৈকে প্ৰথম ভাগ। এই ভাগটোক অনুবাদ বুলিব পাৰি। বিভিন্ন ভক্তিমূলক শ্লোকৰ অনুবাদ এই অংশত সন্নিবিষ্ট হৈছে। ৬৮৪ নং ঘোষাৰ 'যাদৱ যদু নন্দনতে' আৰম্ভ হৈ ৮৫০ ঘোষাৰ

'তোমাৰ অভয় দুই চৰণে শৰণ লৈলো।
লৈয়ো মোক নিজ দাস কৰি হৰি ৰাম।।'

লৈকে ঘোষাছন্দ। তৃতীয় ভাগ ৮.৫১ নং ঘোষাৰ 'কৃষ্ণ ৰাম কৃষ্ণ ৰামতে' আৰম্ভ আৰু ১০০১ ঘোষাৰ সামৰণি 'এহু ৰস মাধৱ মূৰখ মতি গাৱে' অৰ্থাৎ পুথিখনৰ অন্তিম ঘোষালৈকে নামছন্দ। এই অংশত শাৰীৰ সংখ্যাৰ মিল নাই। ঘোষাৰ





সংখ্যানুযায়ী নাম দিয়াৰ বাবে হেজাৰী ঘোষা।

'নাম-ঘোষা'ত ব্যৱহাৰ হোৱা ছন্দবিলাক মাত্ৰা ছন্দ বা অক্ষৰ ছন্দ কোনোটোতে নপৰে। অলঙ্কাৰ শাস্ত্ৰত ব্যৱহৃত ছন্দৰ লগত ইয়াৰ ছন্দ-সজ্জা নিমিলে। আলঙ্কাৰিকৰ দৃষ্টিৰে বিশ্লেষণ কৰিব পৰা বিধৰো নহয়। এই ছন্দ ভক্তজনৰ বাদে আনে হৃদয়ঙ্গম কৰা কঠিন। বিভিন্ন ছন্দত থকা পদলালিত্য মুক্তভাৱে প্ৰয়োগ কৰিব পৰা দক্ষতাই বন্ধনমুক্ত বিহঙ্গৰ দৰে শেষৰ ফালে বিভিন্ন ছন্দৰ মাজেদি ঘোষাকো আগবঢ়াই নিছে। 'ৰাম নাম ঘূষিয়োক ছানি' বোলা বাক্যৰ বাবেই আচাৰ্য্য বিনোৱা ভাবেৰ মতে 'নাম-ঘোষা' নামটো সাৰ্থক হৈছে। নাম-ঘোষাত প্ৰয়োগ হোৱা ছন্দসমূহ ভাগ কৰিলে এনেদৰে পোৱা যায়।

১। ছবিছন্দ ঃ ভজন, নমস্কাৰ, উপদেশ, নিন্দা, প্ৰাৰ্থনা (দুবাৰ), মহিমা, আত্ম-উপদেশ, আত্ম-নিন্দা, বস্তু প্ৰকাশ , প্ৰশংসা, অনুধিতা, নাম, পৰমাৰ্থসাৰ, নিৰ্ণয়, হৰবাৰ, নমস্কাৰ।

২। দুলড়ী ছন্দ ঃ নামান্বয়, শৰণ, ভজন, নমস্কাৰ, উপদেশ, খেদ, নিন্দা, প্ৰাৰ্থনা, নাম-মহিমা, নাম-প্ৰশংসা, বস্তু-প্ৰকাশ, নিবেদন, কলিধৰ্ম-নিৰ্ণয় হৰবাৰ, কৃষ্ণৱ পুৰুষ লক্ষণ, যুগ ধৰ্ম-নিৰ্ণয়।

৩। পদ ছন্দ ঃ ঈশ্বৰ নিৰ্ণয়, শৰণ, ভজন, নমস্কাৰ, উপদেশ, মহিমাযুক্ত উপদেশ, মহিমা, আত্ম-উপদেশ, প্ৰাৰ্থনা, নিবেদন, প্ৰশংসা, কলিধৰ্ম নিৰ্ণয়, নাম, তাৎপৰ্য্য, স্তুতি।

৪। লেছাৰি ছন্দ ঃ ঈশ্বৰ নিৰ্ণয়, উপদেশ (দুবাৰ) মহিমাযুক্ত, উপদেশ, নিন্দা, আত্ম-নিন্দা,মহিমা, নাম মহিমা, স্তুতি, শৰণ, প্ৰাৰ্থনা, তাৎপৰ্য্য, বস্তু প্ৰকাশ, আশ্ৰয়, প্ৰশংসা, কীৰ্ত্তন, প্ৰশংসা, নামান্বয়, খেদ, ভাগৱত প্ৰশংসা, পৰম পুৰুষাৰ্থ।

৫। ঘোষা ছন্দ ঃ শৰণ, ভজন, নমস্কাৰ, উপদেশ, মহিমা (দুবাৰ), আত্ম-উপদেশ, নিন্দা, আত্ম-নিন্দা, খেদ, কাৰুণ্য, তাৎপৰ্য্য, কাকুতি, প্ৰাৰ্থনা, নিবেদন।

৬। নাম ছন্দ ঃ নাম, খেদ।

নাম-ঘোষাত মূল সংস্কৃত শ্লোকৰ কিমান অনুবাদ সন্নিবিষ্ট হৈছে খাটাং কোৱা টান। ড° বাণীকান্ত কাকতিৰ মতে এহেজাৰ ঘোষাৰ পাঁচ-ছয়শ মানেই অনুবাদ। ড° সত্যেন্দ্ৰনাথ শৰ্মা আৰু বাপচন্দ্ৰ মহন্তই ছশ শ্লোকৰ অনুবাদ নাম-ঘোষাত আছে

বুলি কৈছে। ড° মহেশ্বৰ নেওগে চাৰিশ মান ঘোষা অনুবাদ বুলিছে। অধ্যাপক ভৱপ্ৰসাদ চলিহাইও চাৰিশমান মূল শ্লোক বিচাৰিলে পোৱা যাব বুলি কৈছে।

ড° মহেশ্বৰ নেওগে তেওঁৰ সম্পাদিত নাম-ঘোষাৰ পাদ-টীকাত দুশ চল্লিশটা সংস্কৃত শ্লোক দিয়ালৈ চালে তেখেতে কোৱা চাৰিশমান শ্লোকৰ বিষয়ে ভাবিব লগা আছে। **৬৮৩** নং ঘোষালৈকে যদিও অনুবাদ বুলি কোৱা হৈছে ইয়াৰ পাছৰ **১৪০** টি মান ঘোষাৰ গঢ় গতি চাই মূল শ্লোক ওলাব পাৰে বুলি ভাবিব পাৰি। হৰি নাৰায়ণ দত্ত বৰুৱা সম্পাদিত ঘোষাৰ পাদ টীকাতো ২৩৭ টা শ্লোকহে সন্নিবিষ্ট হৈছে। নৱ বৈষ্ণৱ আন্দোলনে বৈষ্ণৱ ভাবাপন্ন গ্ৰন্থসমূহৰ স্বকীয়তা মানি লৈছিল আৰু সেই বিষয়ৰ গ্ৰন্থৰ শ্লোক অনুবাদ কৰি নিজা কৰি লৈছিল। পটল বিভাগৰ যোগেদি শ্লোকবিলাকৰ অনুবাদ সজোৰাত মাধৱদেৱৰ সিদ্ধহস্ততা লক্ষ্য কৰিব পাৰি। স্মৰণযোগ্য যে নাম-ঘোষাৰ পটল বিভাজনৰ আৰ্হি মাধৱদেৱে গুৰুজনাৰ পৰাই পাইছিল।

পদ দুলড়ী জানা ছবিৰ অৰ্থক।
ঝুমুৰী লেছাৰি ছন্দ তাহাৰ ৰচক।।
নমস্কাৰ শৰণ ভজন অনুসৃতা।
অনুনাথ হৰবাৰ প্ৰসঙ্গৰ স্থিতা।।
নামৰ মহিমা যত কাৰুণ্য আছয়।
ঘোষাৰ মাজত তাক দিবাহা নিশ্চয়।।
ইসব প্ৰমুখ্যে যত আছয় পটল।
তোমাৰ আগত তাক কহিলো সকল।

অনুবাদ অংশৰ বহুক্ষেত্ৰত মূলতকৈও অধিক শুৱলা হোৱাৰ লগতে ভাষাইও নতুন প্ৰাণ পাই জনসাধাৰণৰ ওচৰ চাপিছে। কেইফাঁকিমান ঘোষালৈ মন কৰিলেই এই কথা অধিক স্পষ্ট হয়।

**১। মূলৰ–**

যন্নামধেয়েন ভবাব্ধিমঞ্জস্য তৰ্যা সমুত্তীৰ্থ নৰঃপৰংপদম।
পাপ্নোতি পাতক্যপি তং সনাতনং সদা সদানন্দমুপাস্মহে হৃদি।।

এই শ্লোক শঙ্কৰদেৱৰ ভক্তি ৰত্নাকৰৰ মঙ্গলাচৰণ শ্লোক। সংস্কৃতত যুক্তাক্ষৰ দহোটা। অসমীয়া পাঁচটা হে আছে----





যাৰ ৰাম কৃষ্ণ নাম নাৰে ভৱসিন্ধু তৰি
পাৰে পৰম পদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা কৰোহো হৃদয়ত।।২।।

এই কেইটাও কোমল। বৰ্গৰ পঞ্চম বৰ্ণ অনুনাসিক যদিও ইয়াত উচ্চাৰণ কোমল হৈছে।

১২ নং ঘোষাৰ ---

অপবিত্ৰ যিটো আতি পবিত্ৰ হোৱে বা যদি
সমস্তে অৱস্থা আছে পায়া।
কমললোচন যিটো সুমৰে তাৰেসে শুদ্ধ
বাহিৰে ভিতৰে হোৱে কায়া।। ১২।।

মূল শ্লোক পদ্ম পুৰাণ ভৰিষ্য পুৰাণ--

অপবিত্ৰঃ পৱিত্ৰোৱা সৰ্ব্বাৱস্থাং গতোহপি ৱা।
যঃ স্মৰেৎ পুণ্ডৰি কাক্ষং স বাহ্যাভ্যন্তৰং শুচিঃ।।

মূলৰ ‘পুণ্ডৰিকাক্ষ’ মাধৱদেৱে ‘কমললোচন’ কৰিছে। ‘স্মৰেটো সুমৰে কৰিছে। স্মৰেতকৈ সুমৰে বেছি শুৱলা। ভক্তি ৰসত ওজঃ গুণৰ প্ৰয়োজন নাই। পদ-লালিত্য থকাৰ বাবে ইয়াত মাধুৰ্য গুণ প্ৰকাশ পাইছে। সাধাৰণতে অনুবাদ অংশত কোমল কৰাৰ সুবিধা বৰ কম। তথাপি নকৰাকৈ জানো আছে--

অধমে কেৰলে দোষ লৰয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ।
উত্তমে কেৰলে গুণ লৰয় উত্তমোত্তমে
অল্প গুণ কৰয় বিস্তাৰ।। ১২০।।

এই ঘোষাৰ মূল শ্লোক কিমান কঠিন চালেই ওলাই পৰে--

দোষান্ পৰেষাং হি গুণেষু সাধৱো গৃহ্নন্তি কেচিন্ন ভদাদৃশ্য দ্বিজ।
গুণাঞ্চ ফল্গুন বহুলী কৰিষ্ণৱো মহাত্তমান্তে শ্ববিদ্ভুৱানঘম।।

ভাগৱত ৪.৪.১২

মূলৰ একো কথা বাদ নিদিয়াকৈ, মূল শব্দৰ অনুৰণনো কাণত বাজি থকাকৈ, মূলৰ প্ৰতি শব্দৰ ভাব মৌলিক ভাবে প্ৰকাশ পোৱা ঘোষাও ভালেখিনি আছে। এই শ্লোকসমূহে যেন মাধৱ পুৰুষৰ হাতত পুনৰ্জন্ম পালে। তিনিটা উদাহৰণেৰে ইয়াৰ

বাবে যথেষ্ট।

১।জানিমি ধৰ্ম্মং ন চ মে প্ৰবৃত্তি জানাম্যধৰ্ম্মং ন চ মে নিবৃত্তিঃ।
ত্বয় হৃষিকেশ হৃদিস্থিতেন যথা নিযুক্তোহস্মি তথা কৰোমি।।
-পাণ্ডুৰী গীতা

অনুবাদ ----

ধৰ্ম্মক জানোহো মঞি তথাপি প্ৰবৃত্তি নাই
অধৰ্ম্মতো নিবৃত্তি নোহয়।
হৃদিস্থিত হুয়া তুমি যেন কৰাবাহা স্বামী
হৃষীকেশ কৰিবো তেহ্নয়।। ১৩৮।।

২।কৃষ্ণ ত্বদীয়পদ পঙ্কজ পঞ্জৰান্তে
অদ্যৈৱ মে ৰিশতু মানসৰাজহংস।
প্ৰাণ প্ৰয়াণ সময়ে কফৱাত পিঁণ্ডঃ
কণ্ঠাৱৰোধনৱিধৌ স্মৰণং কুতস্তে।। - পাণ্ডুৰী গীতা।

অনুবাদ--

হে কৃষ্ণ তযুপাদ পদ্ম পঞ্জৰ ভিতৰে মোৰ মন
ৰাজহংস পশি থাকোক প্ৰভু সৰ্ব্বথা।
প্ৰাণ প্ৰয়াণৰ সময়ত কফ বাত পিত্ত আদি যত
কণ্ঠ নিৰোধনে তোমাৰ স্মৰণ কথা।। ৬৬৩।।

৩।নাহংবিপ্ৰো নচ নৰপতি নাপি ৱৈশ্যো ন শূদ্ৰো
নো বা ৱৰ্ণী ন চ গৃহপতিৰ্নো ৱনস্থো যতিৰ্বা।
কিন্তু প্ৰোদ্যন্নিখিল পৰমানন্দ পূৰ্ণামৃতাদ্ধে
গোপী ভৰ্ত্তুঃ পদ কমলয়োৰ্দাসানুদাসঃ। -অজ্ঞাত ৰচক।

অনুবাদ--

নোহো জানা আমি চাৰিজাতি চাৰিও আশ্ৰমী নোহো আতি
নোহো ধৰ্ম্মশীল দান ব্ৰত তীৰ্থগামী।
কিন্তু পূৰ্ণানন্দ সমূদ্ৰৰ গোপী ভৰ্ত্তা পদ কমলৰ
দাসৰো দাসৰ তান দাস ভৈলো আমি।। ৬৭০।।

৬৮৪ আৰু ৬৮৫ নং ঘোষাত---





যাদব যদুনন্দন মাধৱ মধুসূদন
তুমি নিত্য নিৰঞ্জন- নাৰায়ণ-তোহ্মাত লৈলো শৰণ।।
ইবাৰ কৰুণাময় হৰি কমলাপতি
মোৰে নছাৰিবা নাৰায়ণ।
অৰুণ চৰণ তলে হৰি কমলাপতি
সত্যে সত্যে পশিলো শৰণ।।

ইয়াৰ ৮৬ টা বৰ্ণত ৬ টা যুক্তাক্ষৰ আছে যদিও সেই কেইটা কোমল কৰিহে গোৱাৰ নিময়।

৮৬৪ নং ঘোষাৰ--

অনাদি অনন্ত সদাশিৱ সনাতন হৰিত্ৰ।
নিত্য নিৰঞ্জন হৰি নিত্য নিৰঞ্জন।
নিত্য নিৰঞ্জন নিত্য নিৰঞ্জন হৰি।
নিত্য নিৰঞ্জন নিত্য নিৰঞ্জন হৰি।
নিত্য নিৰঞ্জন।।

ইয়াত 'ন্ত' এটা আৰু 'ঞ্জ' সাতোটা থাকিলেও এই কেইটাৰ উচ্চাৰণ কোমল। মাধৱদেৱৰ প্ৰিয় সম্বোধন হৈছে 'ভাই'। 'সেহিসে দিনক ভাই' 'ভাবক ভাই' ইত্যাদি। আত্মীয় ভাবতহে ভাই সম্বোধন ধৰা যায়।

৬৭৯ নং ঘোষাৰে--

যিটো মহামতি গুৰুজনে হৰিভক্তিপন্থ উপদেশ
দিয়া দুখময় সংসাৰৰ পাৰ কৰে।
হেনয় পৰম গুৰু ঋণ শুজিবাক প্ৰতি জানানিষ্ঠ
অন্যত্ৰ উপায় নাহি অঞ্জলিত পৰে।।

ৰ পৰা তেওঁ পৰম আনন্দ সাগৰত নিমজ্জিত হৈছে। ৭০৫ নং ঘোষাত 'ভাল উপায় পাইলো ভাই' বোলাৰ পৰাই সাধকে নোপোৱা বস্তুৰ সন্ধান পাইছে। সংস্কৃত ভক্তি ৰসাত্মক সাহিত্যত ক'তোৱেই 'এ' পদৰ ব্যৱহাৰ নাই। মাত্ৰ জয়দেৱেহে 'গীতি গোবিন্দ'ত 'এ' ব্যৱহাৰ কৰিছে।

সাধনাৰ অন্তিম স্তৰত কেবাবাৰো উল্লেখ কৰা নামৰ তালিকাবিলাকত ৰস শ্ৰৱনৰ আনন্দ অনুভৱ কৰিছে। একেৰাহে 'ৰাম ৰাম' 'নিৰঞ্জন নিৰঞ্জন' বুলি গাই থকাটোৱেই চৰম পুলকৰ অৱস্থা আনি দিছে। এনে পুলকৰ যুক্তি দিব নোৱাৰাটোৱেই

নাম-ঘোষাৰ বিশেষত্ব।

ভৰ্ত্তিহৰিয়ে 'বৈৰাগ্যশতক'ত 'শিৰ শিৰ শিৰ' বুলি কৈ থকাটো যেনেকৈ সাধকৰ বাবে প্ৰলাপত পৰিণত হৈছে, তেনেকৈয়ে ভক্ত কবি মাধৱদেৱো আনন্দৰ আতিশয্যত পৰম পুৰুষৰ সন্ধানত পাগলৰ দৰে হৈছে।

মাধৱদেৱে গুৰুক ভগবানৰ অভিন্ন বুলিছে ---

হৰিযেন আতি কৃপাময় ভক্ত গুৰুজনো সেহিনয়
দুয়োজন এক শৰীৰত মাত্ৰ ভিন্ন।
কৃপাৰসে যুক্ত হুয়া চিত্ত লোকৰ হিতৰ চিন্তি নিত
নিজগুণে তুষ্ট দুয়ো অহঙ্কাৰ হীন।। ৬৮১।।

ভগবানৰ প্ৰতি পৰম প্ৰেম ভক্তি। গুৰুজনাৰ প্ৰতিও মাধৱপুৰুষৰ পৰম ভক্তি। আলংকাৰিকসকলে গুৰুৰ প্ৰতি থকা ভক্তজনৰ প্ৰেমক ৰতি বুলি কয়। ভক্তি তত্ত্বহে এই ৰতিৰ প্ৰয়োগ হয়। অন্য তত্ত্বৰ উপদেশত ভক্তিৰস নাথাকে। নাম-ঘোষা পঢ়ি গ'লে পাঠকজনৰ মনটোও মাধৱদেৱৰ সমানে সমানে পুলক অনুভূতকৈ ভক্তিৰসৰ নিমজ্জিত হয়।

ভগৱানক পাব খোজা ব্যাকুলতাই 'আত্ম-নিন্দা' 'খেদ' আদি নানা ৰূপত, নানা ছন্দত অভিব্যক্তি ঘটিছে। 'নাম ছন্দত' আত্মাৰ আন্ধাৰ ৰাতিৰ অৱসানৰ কথা উল্লেখ কৰিছে। পণ্ডিত তীৰ্থনাথ শৰ্ম্মাই নাম-ঘোষা বিচাৰ বিশ্লেষণেৰে মাধৱদেৱক 'ৰাহস্যিক মাধৱদেৱ' বুলিছে। ড° কৰবী ডেকাহাজৰিকাই কবি আৰু ভগৱানক 'নাটকৰ চৰিত্ৰ' বুলিছে। দুয়োজন একেলগে আছে। যদিও ভক্তই ভগৱানক বিচাৰ কৰিব পৰা নাই। অধ্যাপক ভৱপ্ৰসাদ চলিহাই নাম-ঘোষাৰ প্ৰতিযোকা ঘোষাকে একোটা স্বতন্ত্ৰ গীতি কবিতা আখ্যা দিছে। বিবিধ ছন্দৰ প্ৰয়োগ, শব্দ সংযোজনাৰ চাতুৰ্য, ভাষাৰ গাম্ভীৰ্য, সুৰৰ লালিত্য আৰু অনুপ্ৰাসৰ ধ্বনিয়ে পুথিখনিক অতি ওখ খাপৰ মৰ্যাদা দান কৰিছে। তদুপৰি ভাবৰ গভীৰতা আৰু অনুভূতিৰ তীব্ৰতাই পুথিখনিৰ সাহিত্যিক মূল্য সমাধিক বৃদ্ধি কৰিছে। প্ৰতিটি ঘোষাৰ মাজেদি ভক্ত কবিৰ ভক্তিৰসসিক্ত অন্তৰৰ আবেগ আৰু উপাস্য দেৱতাক পাবৰ ব্যাকুলতা ফুটি উঠিছে। নাম-ঘোষাত প্ৰকাশ পোৱা 'বস্তু প্ৰকাশ' ঘোষা কেই যোকাৰ মাধ্যমতে নিশ্চয়কৈ কব পাৰি মাধৱ পুৰুষে ভক্ত আৰু ভগৱানৰ সম্বন্ধ প্ৰমাণৰ দ্বাৰা প্ৰমাণিত কৰিছে। বস্তু মানে পদাৰ্থ। আকৌ পদাৰ্থ মানেই তত্ত্ব। ন্যায় আৰু বৈশেষিক দৰ্শনৰ মতে তত্ত্ব হ'বলৈ হ'লে প্ৰমাণৰ প্ৰয়োজন। প্ৰকৃত বস্তুৰ প্ৰকাশ বা জ্ঞানেই





তত্ত্ব জ্ঞান।

এই তত্ত্ব ---

পৰম অমূল্য ৰত্ন হৰিৰ নামৰ পেৰা
আতিগুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি
মুদ ভাঙি সমস্তকে দিল।।

আদিৰ পৰা অন্তলৈকে এটাই মাত্ৰ সংগতি। 'ৰসময়ী ভকতি'ৰে আৰম্ভ হৈ 'এহু ৰস মাধৱ মূৰুখমতি গাৱে'লৈকে ভক্তিৰ ৰসময়তাৰ সংগতি থকাৰ বাবেই নামঘোষা এখনি পূৰ্ণাঙ্গ ভক্তিমূলক গীতি কবিতাৰ পুথি।

---

**লেখকৰ পৰিচয় ঃ**

শ্ৰীশোভন চন্দ্ৰ শইকীয়া, জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ
কমাৰগাঁও মহাবিদ্যালয়, গোলাঘাট।

# মাধৱদেৱৰ নাম-ঘোষা
# আৰু
# বেদান্তৰ আভাস

**হৰি প্ৰসাদ চলিহা**

শঙ্কৰদেৱ প্ৰচাৰিত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰধান তত্ত্বমূলক চাৰিখন গ্ৰন্থ কীৰ্ত্তন, দশম, ঘোষা আৰু ৰত্নাৱলীৰ ভিতৰৰ প্ৰথম দুখনি শঙ্কৰদেৱ কৃত আৰু পিছৰ দুখনি  মাধৱদেৱ বিৰচিত। শঙ্কৰদেৱৰ জীৱন কালতে বাৰাণসীত বেদান্ত দৰ্শন অধ্যয়ন কৰিবলৈ যোৱা কামৰূপৰ তান্ত্ৰিক পণ্ডিত কণ্ঠভূষণে অধ্যাপক ৰাম ভট্টাচাৰ্যৰ উপদেশমতে সৰ্বশাস্ত্ৰ সংস্কৃত পণ্ডিত শঙ্কৰদেৱৰ ওচৰত বেদান্ত শিক্ষা ল'বলৈ উভতি আহিবলগীয়া হ'ল, কাৰণ ভাগৱত প্ৰাণ বৈদান্তিক শঙ্কৰদেৱ থাকোতে বেদান্ত শিক্ষা ল'বলৈ তেওঁ তালৈ যোৱাৰ কোনো অৰ্থ নাছিল।

১৪৮৯ শকৰ ফাগুন মাহত শঙ্কৰদেৱে পাটবাউসীৰ পৰা কোচবেহাৰলৈ যোৱাৰ পথত গণককুছিত সত্ৰ পাতি থকা মাধৱদেৱৰ ওচৰত এৰাতি কটাই যোৱাটো আছিল এটা অতি গুৰুত্বপূৰ্ণ দিন। দুইজনা গুৰুৰ মাজত হোৱা আলোচনাৰ মূল বিষয়বস্তু আৰু সাৰমৰ্ম আছিল গভীৰ তত্ত্বমূলক আৰু অন্তস্পৰ্শী। শঙ্কৰদেৱৰ সেই যাত্ৰাই আছিল পাটবাউসীৰ পৰা কোচবিহাৰলৈ যোৱাৰ শেষ যাত্ৰা। মাধৱদেৱৰ লগত হোৱা সেই নিশাৰ আলোচনা আছিল শঙ্কৰদেৱৰ পৰৱৰ্তী কালৰ ধৰ্ম প্ৰচাৰৰ আৰু দায়িত্ব অৰ্পণৰ ফালৰ পৰা অতি তাৎপৰ্যপূৰ্ণ। তাতেই গুৰুজনাই তেওঁৰ অবিহনে মাধৱদেৱৰ মহাপুৰুষীয়া ধৰ্মৰ গুৰু দায়িত্ব প্ৰচাৰ আৰু নীতি ৰক্ষাৰ উত্তৰাধিকাৰী হ'বলৈ পৰামৰ্শ দিয়ে। গুৰুজনাৰ উপদেশমতে মাধৱদেৱে ঘোষা আৰু ৰত্নাৱলী প্ৰণয়নৰ কামত অগ্ৰসৰ হয়। বিষ্ণুপুৰী সন্ন্যাসীকৃত সংস্কৃত ভক্তি ৰত্নাৱলীৰ কণ্ঠভূষণৰ যোগেদি লাভ কৰি গুৰুজনাই দিয়া পৰামৰ্শমতে মাধৱদেৱে ৰত্নাৱলীৰ ভাঙনিৰ কাম আৰম্ভ কৰি দিয়ে যদিও দুয়োখন গ্ৰন্থ ৰচনা





কৰিবলৈ শঙ্কৰদেৱে মাধৱদেৱক একেলগে উপদেশ দিয়াৰ উল্লেখ চৰিত পুথিত পোৱা যায়-

তোমাত কহিলো ইটো ৰহস্য ভকতি।
ঘোষা ৰত্নাৱলী পুথি লিখিয়ো সম্প্ৰতি।।

নামৰ সকলো মহিমা আৰু পাৰমাৰ্থিক তত্ত্বৰ সকলো ৰহস্য ঘোষাৰ মাজত সন্নিবিষ্ট কৰিবলৈ গুৰুজনাই মাধৱদেৱক উপদেশ দিলে--

নামৰ মহিমা যত কাৰুণ্য আছয়।
ঘোষাৰ মাজত তাক দিবাহা নিশ্চয়।।

গুৰুজনাই ঘোষাত তাত্ত্বিক ৰহস্যবোৰ সুমুৱাই দিবলৈ 'নিশ্চয়' কৈ দিয়া পৰামৰ্শ মাধৱদেৱে পালন নকৰাকৈ থাকিব নোৱাৰিলে। তাৰ ফলশ্ৰুতিয়েই হ'ল নাম-ঘোষা। শঙ্কৰদেৱে বাঞ্ছা কৰিছিল যে মহাপুৰুষীয়া ধৰ্মৰ পাৰমাৰ্থিক তত্ত্ববোৰ ঘোষাপুথিত সুমুৱাই পকা বগৰীৰ দৰে বাহিৰে কোমল আৰু ভিতৰি কঠিন কৰি প্ৰণয়ন কৰিব লাগে।

তাত্ত্বিক আৰু মৰ্য্যদাৰ ফালৰ পৰা ভাৰতীয় বৈষ্ণৱ সাহিত্যত উপনিষদ আৰু গীতাৰ যি স্থান আৰু সমাদৰ অসমীয়া জাতীয় জীৱন তথা বৈষ্ণৱ সাহিত্যত কীৰ্ত্তন আৰু নাম-ঘোষাৰ সমাদৰ আৰু স্থান তদ্ৰূপ। গীতা যেনেকৈ শ্ৰীকৃষ্ণৰ হৃদয়স্বৰূপ, নাম-ঘোষা তেনেকৈ মাধৱদেৱৰ অন্তৰস্বৰূপ। শঙ্কৰদেৱৰ তিৰোভাৱৰ পিছত মাধৱদেৱ বিমৰিষ হৈ দিক বিদিক হেৰুওৱা অৱস্থাত, শঙ্কৰদেৱৰ প্ৰপন্ন শিষ্য নাৰায়ণ দাস ঠাকুৰৰ আন্তৰিক পৰামৰ্শই মাধৱদেৱৰ অন্তৰত যথেষ্ট শক্তি আৰু অনুপ্ৰেৰণা প্ৰৱাহিত কৰিছিল। গুৰুজনাৰ উপদেশমতে মাধৱদেৱে নামঘোষা প্ৰণয়নৰ বাবে উপনিষদ বেদান্তসূত্ৰ, ভাগৱত পুৰাণ, ৰামায়ণ, মহাভাৰত, শ্ৰীধৰস্বামীৰ ভাগৱত ভাৱাৰ্থ দীপিকা, বিষ্ণুপুৰী সন্যাসীৰ কান্তিমালা টীকা, ভক্তি ৰত্নাকৰ, পদ্ম পুৰাণ, আদি ধৰ্ম গ্ৰন্থসমূহ অধ্যয়ন কৰি সিসবৰ পৰা বৈষ্ণৱ ধৰ্মৰ সাৰমৰ্ম থকা শ্লোকসমূহ সংগ্ৰহ কৰি বিবিধ ছন্দেৰে সাৱলীল গতিত ভাঙনি কৰি নাম-ঘোষা প্ৰণয়ন কৰে।

শঙ্কৰদেৱৰ জীৱন কালতে আৰম্ভ কৰা এহেজাৰ ঘোষা সম্বলিত নাম-ঘোষাৰ আধাভাগেই উক্ত গ্ৰন্থসমূহৰ পৰা সংগৃহীত। বাকী কৃষ্ণভক্তি ৰসযুক্ত ঘোষাসমূহ তেখেতে ভাগৱত প্ৰাণ শঙ্কৰদেৱৰ কৃপা লভি ৰচনা কৰে। নাম-ঘোষাৰ বিশেষত্ব হ'ল এয়ে যে মূলতঃ সংস্কৃতৰ পৰা সংগ্ৰহ কৰি ভাঙনি কৰোতে, নিজা

কবিত্ব শক্তি আৰু পাণ্ডিত্যৰ উপযুক্ত সমাহাৰত গ্ৰন্থখনিয়ে মৌলিকতাৰ ৰূপ লাভ কৰি প্ৰখ্যাত হৈ পৰিল। মূল সংস্কৃতৰ অন্তৰ্নিহিত ভাৱাৰ্থ অটুট ৰাখি মহাপুৰুষজনাই বৈষ্ণৱ ধৰ্মৰ মূল নীতিৰ লগত সংহতি থকা সুমধুৰ শব্দৰ লগত ছন্দৰ লালিত্যৰ সংযোজন ঘটাই বাহ্যিকভাৱে অতি সুকোমল অথচ চিন্তাগধুৰ তত্ত্ব সম্বলিত অনুপম সাহিত্য সৃষ্টি কৰিলে।

বৈষ্ণৱ, সাহিত্যৰ গৱেষক ডিম্বেশ্বৰ নেওগৰ মতে, এই গ্ৰন্থৰ ৰচনা কাল১৫৬৮ চনৰ পৰা ১৫৯৬ খ্ৰীঃৰ ভিতৰত, অৰ্থাৎ শঙ্কৰদেৱৰ তিৰোভাৱৰ এবছৰৰ আগতে আৰম্ভ কৰা হৈছিল।(প্ৰাঃ New light on History of Assamese Literature p.229)নামঘোষা প্ৰণয়নৰ ক্ষেত্ৰত দুয়োজনা গুৰুৰ মাজত হোৱা আলোচনা আছিল অতি গুৰুত্বপূৰ্ণ। শঙ্কৰদেৱৰ জীৱনৰ শেষ ভাগত আৰম্ভ কৰা গ্ৰন্থখনিয়ে মাধৱদেৱৰ জীৱনৰ অন্তিম কালতহে সম্পূৰ্ণতা লাভ কৰে। নাম-ঘোষা প্ৰণয়ন কৰাৰ প্ৰথম অৱস্থাত দুজনা মহাপুৰুষ চিন্তাধাৰা দুটা ভিন্ন দিশত আগবঢ়া যেন অনুমান হয়। মাধৱদেৱে প্ৰথমে চাৰিতত্ত্বৰ ভিতৰৰ ভগৱন্তৰ (দেৱ) প্ৰণাম কৰি দশ অৱতাৰৰ বৰ্ণনাৰে নাম-ঘোষাৰ প্ৰথম পদ আৰম্ভ কৰিছিল।

মৎস্য কুৰ্ম্ম নৰসিংহ বামন পৰশুৰাম
হলীৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কী নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৰে কৰোহো প্ৰণাম।। ৩ ।।

কিন্তু শঙ্কৰ গুৰুৱে ভগৱন্তৰ একান্ত ভকতৰ প্ৰতি প্ৰণিপাত জনাই ঘোষা আৰম্ভ কৰিবলৈ দিয়া পৰামৰ্শমতে মাধৱদেৱে ভগৱন্তৰ প্ৰশস্তিৰে আৰম্ভ কৰি গুৰুজনাক দেখুওৱাত গুৰুজনাই মাধৱদেৱৰ হাতৰ পৰা কলম লৈ বিষ্ণুপুৰী সন্ন্যাসীকৃত ভাগৱত সাৰ কান্তিমালা টীকাৰ শ্লোক --

যে মুক্তাৱপি নিস্পৃহ প্ৰতিপদ প্ৰোন্মিল দানন্দংদাং
---------------------------------শৰণং ব্ৰজে।।"ৰ অসমীয়া ভাৱাৰ্থ প্ৰথম দুষাৰি---

মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।

বুলি আৰম্ভ কৰা লগে লগে বাকী দুষাৰি নিজে যোগ দিলে--





সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।' ।। ১।। *
(প্ৰঃN.l.A.A.L.p.229)

* মহাপুৰুষ শঙ্কৰদেৱে নাম-ঘোষাৰ প্ৰথম দুশাৰী ৰচনা কৰাৰ কোনো ঐতিহাসিক সত্যতা বিচাৰি পোৱা নাযায়। (সম্পাদক)

ইয়াতেই বৈষ্ণৱ ধৰ্মৰ ভকত প্ৰধান মহত্ত্ব প্ৰকাশ পাইছে। ঘোষাৰ প্ৰথম ছন্দটিয়েই গ্ৰন্থখনিৰ অন্তৰভাগ প্ৰকাশ কৰিছে। মুকুতিকো কামনা নকৰা ভকতৰ প্ৰতি শঙ্কৰদেৱৰ ভক্তি অসীম। মাধৱদেৱে নিজ গুৰুৰ গাতে তেনে ভকতৰ লক্ষণ দেখা পাই, ঘোষাৰ বহুতো পদ গুৰুজনাৰ গুণানুকীৰ্ত্তন কৰি লিখিছে --

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।। ৩৭১ ।।

শ্ৰীমন্ত শঙ্কৰৰেই যে ভক্তসকলৰ বাবে কল্পতৰু সদৃশ সেই কথা মাধৱদেৱে দৃঢ়ভাৱে ঘোষণা কৰিছে----

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।।' ৩৭৫ ।।

নাম-ঘোষাৰ বিশেষত্ব হ'ল এয়ে যে ইয়াত আধ্যাত্মিক তত্ত্ব, গুৰু-ভক্তি, নাম-মাহাত্ম্য, পৰম ভকতৰ পদসেৱন, ৰসময়ী ভকতি, ভক্তি তত্ত্ব, দাস্য ভাৱ আদি তাত্ত্বিক গুণৰাশিক চিৰকুমাৰ মাধৱদেৱে তেখেতৰ অন্তৰ উজাৰি প্ৰকাশ কৰিছে। ভাগৱতৰ চাৰিতত্ত্ব গুৰু, দেৱ নাম ভকতৰ অন্তৰ্নিহিত তত্ত্ব প্ৰতিফলিত হৈছে দুজনা মহাপুৰুষৰ দ্বাৰা বিৰচিত কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলীৰ মাজত। সেই ফালৰ পৰা ঘোষাৰ নাম-মাহাত্ম্য তত্ত্ব অধিক অৰ্থব্যঞ্জক। বেদত আগম আৰু নিগম দুয়োবিধ শাস্ত্ৰৰ প্ৰয়োগ আছে। কৰ্মকাণ্ডৰ মন্ত্ৰ আৰু ব্ৰাহ্মণ ভাগৰ আধাৰত সৃষ্টি হোৱা সাহিত্যৰাজিয়েই আগম শাস্ত্ৰ। এই শাস্ত্ৰসমূহত ব্ৰহ্ম চিন্তাৰ কোনো বাখ্যা নাই, যাৰ দৰ্শন ক্ষণিক আৰু বস্তুবাদী। অন্যহাতেদি জ্ঞান-কাণ্ডৰ আধাৰত সৃষ্টি হোৱা উপনিষদ, গীতা, ব্ৰহ্মসূত্ৰ হৈছে নিগম শাস্ত্ৰসমূহ। এই শ্ৰেণীৰ গ্ৰন্থই মানুহক ব্ৰহ্মশিক্ষা বা আত্মাতত্ত্বৰ সন্ধান

ঘটাই এক মনোৰম আৰু উচ্চ পৰ্যায়ৰ সাহিত্য সৃষ্টি কৰিলে।

বেদৰ বেদান্তভাগ অৰ্থাৎ উপনিষদৰ সাৰমৰ্ম পোনপটীয়া ভাৱে ভাগৱত আৰু অন্যান্য সাত্ত্বিক পুৰাণসমূহত আহি সোমাই পৰিছেহি। সেয়েহে ভাগৱত সম্পৰ্কে; কোৱা হৈছে--'সৰ্ব্ববেদান্তসাৰং শ্ৰীভাগৱতমিষ্যত' বুলি মাধৱদেৱে পুৰুষে তাকে একেবাৰে নিজা ভাষাত প্ৰকাশ কৰিলে-- 'সমস্ত বেদান্ত সাৰ ভাগৱত শাস্ত্ৰ' বুলি। ইয়াত ব্যৱহাৰ কৰা 'সমস্ত' শব্দটোও অতি তাৎপৰ্যপূৰ্ণ। এনেধৰণে ততোধিক পদৰ পৰা প্ৰত্যয় জন্মে যে মাধৱদেৱে উপনিষদীয় দৰ্শনক বিভিন্ন শাস্ত্ৰৰ পৰা উদ্ধাৰ কৰি নাম-ঘোষাত সন্নিবিষ্ট কৰিছেহি। চৈতন্যৰূপী পৰমাত্মাই জড়ৰূপী জীৱ সমস্তৰ অন্তৰত প্ৰৱেশ কৰে। মানৱ দেহৰ চৌবিশতত্ত্ব পৰমাত্মাক আশ্ৰয় কৰি বৰ্ত্তি থাকে। জড়ৰূপী চৌবিশতত্ত্বই পৰমাত্মাৰ কৃপাত লাভ কৰে চৈতন্যৰূপ। ভগৱন্তৰ কৃপাৰ লগত ঘটা বিছিন্নিতাই সিসৱলৈ পুনৰ আনি দিয়ে জড়তা। শঙ্কৰদেৱৰ পৰামৰ্শমতেই যে মাধৱদেৱে তেখেতৰ ঘোষা পুথিত পৰমাৰ্থ তত্ত্ব সন্নিবিষ্ট কৰি গৈছে সেই কথা নিজেই ঘোষাণা কৰিছে --

'শুনা পৰমাৰ্থ তত্ত্ব শ্ৰীমন্ত শঙ্কৰ মত
ধৰিয়োক সজ্জন সকল।।' ৩৩ ।।

আকৌ কৈছে নেৰিবা শাস্ত্ৰৰ নয় হৰিগুণ ভাগৱত সাৰ। ভাগৱতৰ সাৰ মানেই বেদান্তৰ সাৰ। আত্মা তত্ত্ব বা ব্ৰহ্ম-জিজ্ঞাসাই বেদান্তৰ মূল আদৰ্শ। সেই পৰম জ্ঞান আহৰণৰ পৰা অবিদ্যাজনিত মোহে মানুহক আঁতৰাই ৰাখে। সেই কাৰণেই উপনিষদীয় দৰ্শনে অবিদ্যা নাশ কৰি আত্মা তত্ত্ব লভিবলৈ উপদেশ দিছে। সেয়া প্ৰকাশ নাম-ঘোষাত এনেদৰে----

'আত্মা ঈশ্বৰক লাগ প্ৰত্যেক্ষ সততে পায়
নপাই জানা তাঙ্ক অবিদ্যাত।' ৪১ ।।

আগম শাস্ত্ৰসমূহেই তৰ্ক শাস্ত্ৰ। এই ব্যাঘ্ৰীৰূপে শাস্ত্ৰসমূহে নিজ মতৰ স্থিতি আৰু প্ৰভাৱ বিস্তাৰৰ বাবে, সিবোৰৰ প্ৰতিৰোধী ধেনুৰূপী নিগম শাস্ত্ৰসমূহক নিঃশেষ কৰাৰ উদ্দেশ্য অহৰ্নিশে চেষ্টা চলাই থাকে। বেদ বেদান্তৰ দুৰ্বোধ্য অথচ অমূল্য ভাণ্ডাৰৰাশি ভক্তকবি মাধৱদেৱৰ হাতত পৰি ৰসময় সাহিত্যলৈ পৰিণত হয়। একেটা শব্দই বিভিন্ন সময়ত বিভিন্ন স্থানত ভিন ভিন অৰ্থ প্ৰকাশ কৰাৰ উদাহৰণো নোহোৱা নহয়-সেয়েহে নামঘোষাৰ ব্যাখ্যা অতি সৰল আৰু প্ৰাঞ্জল





হোৱা আৱশ্যক। বেদৰ জ্ঞানকাণ্ড হৈছে-ব্ৰহ্মতত্ত্ব অন্বেষণ। তাতে নিহিত হৈ আছে মানুহৰ জীৱনৰ লক্ষ্য আৰু চৰম উদ্দেশ্য। কিন্তু এই 'বেদ' শব্দই কোনো কোনো প্ৰসঙ্গত বেদৰ কৰ্মকাণ্ডকো বুজাইছে ----

কিন্তু ইটো মহাধৰ্ম্ম মানুহৰ জন্ম কৰ্ম্ম
বেদে যাৰ নজানে মহিমা। ৭৮ ।।

আকৌ কৈছে-- 'যিটো দেৱ ভগৱন্ত বেদে যাক নজানন্ত' বুলি অকল সেয়ে নহয়----

বেদৰ বিহিত যত আছে ধৰ্ম্ম সংসাৰত
সবে হৰি নামৰ কিঙ্কৰ। ১০৩ ।।

সেইদৰে একে 'বেদৰ ৰহস্য হৰিৰ কীৰ্ত্তন বুলিও কৈছে। আকৌ কৈছে --

বেদে ৰামায়ণে পুৰাণে ভাৰতে
আদি মধ্য অৱসানে।
হৰিকেসে মাত্ৰ কহয় নিশ্চয়
জানা তত্ত্ব এহিমানে।। ২০৩ ।।

তেনেকৈ 'বেদৰ ৰহস্য হৰিৰ কীৰ্ত্তন' বুলিও কৈছে। আকৌ কৈছে --

বেদৰ গুপুত বিত্ত নাৰায়ণ এ
দেৱকীত হন্তে সাক্ষাতে ভৈলা বিদিত। ৮০৫ ।।

জ্ঞান কাণ্ডৰ আধাৰত নিৰ্মিত হোৱা ষড়দৰ্শনৰ ভিতৰৰে আস্তিকবাদী কপিলৰ সাংখ্য দৰ্শনৰ মতে পুৰুষ আৰু প্ৰকৃতিয়ে হৈছে জগতৰ আদি। জড়ৰূপী প্ৰকৃতিত পুৰুষৰ প্ৰাণ সঞ্চাৰে চেতন ৰূপ দান কৰে। আস্তিকপন্থী কপিলৰ সাংখ্যদৰ্শন আৰু অনীশ্বৰবাদী বৌদ্ধধৰ্মৰ সম্পৰ্ক মনকৰিবলগীয়া। বিৱৰ্তনবাদে (উত্তৰমীমাংসা) কোনো পদাৰ্থৰ পৰিবৰ্তে একমাত্ৰ ব্ৰহ্মকহে জগতৰ সৃষ্টিৰ কাৰণ বুলি মত প্ৰকাশ কৰিছে। পৰিবৰ্ত্তন আৰু বিবৃৰ্তমানেই হৈছে সৃষ্টিৰ মূল কাৰণ। আস্তিকধৰ্মীয় ষড়দৰ্শনৰ ভিতৰৰ বিধৰ। সেয়েহে সাংখ্য দৰ্শনক বেদান্তই খণ্ডন কৰিছে এনেদৰে--

'প্ৰকৃতি পুৰুষ দুইয়ো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ'। ৪০৫ ।।

বুলি আকৌ কৈছে-- প্ৰকৃতি আৰু পুৰুষ দুয়োতকৈ পৰম পুৰুষহে শ্ৰেষ্ঠ। সেই পৰম পুৰুষ ভগৱন্ত হৈছে পুৰুষ প্ৰকৃতি উভয়ৰে নিজা কাৰণ----

প্ৰকৃতি পুৰুষ দুইতো কৰি পৰ
দুইহানো নিজ কাৰণ।
পৰম ঈশ্বৰ নামক ধৰিয়া
আছা তাতে নাৰায়ণ।। ১৭২ ।।

পুৰুষ প্ৰকৃতি দুয়োৰেই চেতনা আৰু নিয়ন্তা শক্তি পৰমপুৰুষ ভগৱন্ত। চৌবিশতত্ব (প্ৰকৃতি) পৰমাত্মাৰ (পুৰুষ) লগত যি মুহূৰ্ততে সম্পৰ্ক বিছিন্নতা ঘটে, তৎমুহূৰ্ততে জীৱৰ বাবে পুনৰ জড়তা আহি পৰে।

বেদান্তৰ ত্ৰয় প্ৰস্থানৰ ভিতৰৰ শ্ৰুতি আৰ স্মৃতি ভাগ পোনপটীয়া ভাৱে নাম-ঘোষাত সোমাই পৰিছেহি। উপনিষদক বুজোৱা শ্ৰুতিৰ বিষয়ে কোৱা হৈছে, এনেদৰে--

সৰ্ব্বশ্ৰুতি শিৰোৰত্ন ভাগৱত বনমাজে
হৰিনাম সিংহ প্ৰকাশয়। ৪৪ ।।

আকৌ কৈছে--

হৰি ভক্তি ৰাজ মাৰ্গ গুৰু পদ নখ-চন্দ্ৰ প্ৰকাশিত
শ্ৰুতি জননীৰ পদ পন্থ অনুসৰি।
ফুৰো হুয়া আনন্দিত স্খলন নাহিকে কদাচিত
মহাজনসৰে জানিবা নিশ্চয় কৰি।।' ৬২৪ ।।

ত্ৰয় প্ৰস্থানৰ দ্বিতীয় ভাগ স্মৃতি শাস্ত্ৰ উপনিষদৰ এক ব্ৰহ্মবাদৰ ওপৰত নিৰ্মিত গীতাৰ সেই তত্ব প্ৰকাশ পাইছে মাধৱদেৱৰ লিখনিত। গীতাৰ একশৰণক শঙ্কৰদেৱে গ্ৰহণ কৰাৰ দৰেই মাধৱদেৱৰ ঘোষা শাস্ত্ৰত দৃঢ়ভাৱে প্ৰতিফলিত হৈছে। শ্ৰীকৃষ্ণই অৰ্জুনৰ মনৰ সংশয় দূৰ কৰি তেওঁক মন নিবিষ্ট কৰি তেওঁৰে ভক্ত হৈ নমস্কাৰ কৰিবলৈ দিয়া প্ৰতিজ্ঞা মাধৱদেৱে প্ৰকাশ কৰিছে-- "মোতে মাত্ৰ দিয়া সদা মন/মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ/মোকে পূজা মাত্ৰ মোকে কৰা নমস্কাৰ" বুলি। এক কৃষ্ণৰ বাহিৰে দ্বিতীয় জনৰ চিন্তা কৰাৰ অৱকাশ নাই। শ্ৰীকৃষ্ণই অৰ্জুনক দিয়া পৰম গোপনীয় বাণী হৈছে-যিজনে তেওঁক সকলো ঐশ্বৰ্য্য বিভূতি আৰু অনন্ত বলৱন্ত বুলি জ্ঞান কৰি তেওঁতে একমাত্ৰ শৰণাপন্ন হয়, সেইজনেই হৈছে নৰোত্তম পুৰুষ। তেওঁ ভগৱন্তৰ প্ৰিয় আৰু ভগৱানে তেনে প্ৰিয়জনৰ বশ্য-ঐশ্বৰ্য্য বিভূতি বলে সমে/জানে যিটো মোক নৰোত্তমে/সিয়ো ভৈলা মোৰ ময়ো ভৈলো তাৰ বশ্য বুলি। গীতাৰ 'সৰ্বধৰ্মান, পৰিত্যজ্য মামেকং শৰণং ব্ৰজ' বাণী শঙ্কৰদেৱে





প্ৰকাশ কৰিলে --

সৰ্ব্ব ধৰ্ম্ম এৰি একশৰণ সাক্ষাত।
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত।।' বুলি এক কৃষ্ণ শৰণৰ বাহিৰে ত্যাগ কৰি 'একশৰণ ধৰ্মৰ বাণী মাধৱদেৱৰ ঘোষাত প্ৰতিফলিত হৈছে।

বেদান্তৰ ত্ৰয় প্ৰস্থানৰ তৃতীয় ভাগ ন্যায় প্ৰস্থান হ'ল ব্যাসকৃত বেদান্তসূত্ৰ বা ব্ৰহ্মসূত্ৰ। ব্ৰহ্ম বা পৰমাত্মাৰ ঐশ্বৰ্য্যৰাশি এক ভগৱন্তৰে অন্তহীন মহিমা --

ব্ৰহ্ম পৰমাত্মা কৰিয়া যিহেতু ঐশ্বৰ্য্যৰ নাহি অন্ত। বেদান্ত সূত্ৰ বা বেদান্ত দৰ্শনৰ পৰৱৰ্তী কালত বিভিন্ন ভাষ্যকাৰৰ যোগেদি ভিন্ ভিন্ সুৰত প্ৰকাশ পালেও সকলোবিলাক বৈদান্তিক পণ্ডিতেই এক ব্ৰহ্ম স্থিতি সম্পৰ্কে আৰু এই ব্ৰহ্মই যে চৰাচৰ জগতৰ সৃষ্টিকৰ্তা সেই পৰম সত্যত এক মত। বিশ্ব ব্ৰহ্মাৰ লগত জীৱ জগতৰ সম্পৰ্ক বা বাহ্যিক সংসাৰখন মায়া নে বাস্তৱ এই বিষয়বোৰক লৈয়েই তেওঁলোকৰ মাজত ভেদাভেদ।

শঙ্কৰাচাৰ্যৰ ব্ৰহ্ম সত্য জগৎমিথ্যা জীৱ ব্ৰহ্মৰৈ কেৱলম্' বুলি প্ৰচাৰ কৰা মায়াবাদী অদ্বৈতবাদৰ সৈতে মাধৱদেৱৰ ওচৰ চাপি যোৱা যেন লাগে---

হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত।। ৭৩ ।।

এক ঈশ্বৰেই নিত্য শুদ্ধ অখণ্ডিত ৰূপে সকলোতে বিদ্যমান। বিশ্ব ব্ৰহ্মাণ্ডৰ সকলোৰেই এক ঈশ্বৰৰ আনন্দময় ৰূপ হে মাথোন--সকলো মায়াময়। বিশিষ্টাদ্বৈতবাদী ৰামানুচাৰ্য্যৰ ব্ৰহ্ম সৎ, জীৱ আৰু জগতৰ স্থিতি ব্ৰহ্মৰ ওপৰত নিৰ্ভৰশীল নহয় বোলা মতবাদৰ লগত মাধৱদেৱৰ দৰ্শন একমত নহয়। মাধৱদেৱে বিশ্বাস কৰে যে জীৱ জগত এক ব্ৰহ্মৰে সৃষ্টি আৰু তেওঁৰ ওপৰতে নিৰ্ভৰশীল--

আমি যত জীৱ তোহ্মাৰ পালন হৰি হৰি হৰি হৰি এ
তুমিসে পালিয়া ফুৰা হুয়া অন্তৰ্য্যামী।। ৮০৯ ।।

এই সুৰ তাৰাৰ নাম-ঘোষাৰ সকলো ঠাইতে প্ৰকাশ পাইছে। বল্লভাচাৰ্যৰ শুদ্ধাদ্বৈতবাদৰ ব্ৰহ্ম আৰু জীৱ উভয়েই শুদ্ধ। কৃষ্ণৰূপী ব্ৰহ্মক পতিৰূপে কৰি জীৱই নিজকে গোপীৰূপে ধাৰণা কৰি লৈছে--

তুমি প্ৰাণ প্ৰিয়তম সুহৃদ পৰম দেৱ

প্ৰাণ বন্ধু পীতাম্বৰ এ।। ৭৫১ ।।

* * * *

তুমি প্ৰিয় আত্মা দেৱতা-- এনে পদ অসংখ্য।

নিম্বাৰ্কৰ দ্বৈতাদ্বৈতবাদ ভাস্কৰৰ ভেদাভেদ ভাৱ আৰু মাধৱচাৰ্যৰ দ্বৈতাবাদৰ লগত মাধৱদেৱ একেবাৰে ওচৰ চপা নাই।

**লেখকৰ পৰিচয় ঃ**

শ্ৰীহৰিপ্ৰসাদ চলিহা, চান্দমাৰী, গুৱাহাটী।



# নাম-ঘোষা আৰু সৎসঙ্গ

**বাবুল বৰা**

মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ স্বৰূপ 'নামঘোষা' অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ গ্ৰন্থ। অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ মাজত 'চাৰিবেদ' বুলি খ্যাত চাৰি গ্ৰন্থৰ ভিতৰত মহাপুৰুষ শঙ্কৰদেৱৰ 'কীৰ্ত্তন-দশম' আৰু মাধৱপুৰুষৰ 'ঘোষা-ৰত্নাৱলী'। অকল সেয়ে নহয় 'নাম-ঘোষা'ক অসমীয়া 'গীতা' আখ্যা দিব পাৰি। 'নাম-ঘোষা'ৰ অন্যতম টীকাকাৰ আচাৰ্য বিনোৱা ভাবেও সঠিক ভাৱেই মন্তব্য কৰিছিল--'নাম-ঘোষা' পৃথিৱীৰ সৰ্ব্বশ্ৰেষ্ঠ ধৰ্মগ্ৰন্থ কেইখনিৰ এখন।' মাধৱপুৰুষে আন একো ৰচনা নকৰি কেৱল 'নাম-ঘোষা'খনি ৰচনা কৰা হলেও একমাত্ৰ 'নাম-ঘোষা'ই তাৰাক প্ৰতিষ্ঠা কৰিব পাৰিলে হয়। 'নাম-ঘোষা'তে পুঞ্জীভূত হৈ আছে মহাপুৰুষজনাৰ দৰ্শন, আদৰ্শ, চিন্তা আৰু ব্যক্তিত্ব। নিজৰ সমগ্ৰ শক্তি, সমগ্ৰ আবেগ আৰু ভক্তিৰসপূৰ্ণ হৃদয় প্ৰয়োগ কৰি দীৰ্ঘদিনৰ মূৰত শাস্ত্ৰখনি লিখি উলিয়াইছিল। দৈত্যাৰি ঠাকুৰে অনুপম ভাষাৰেই তাৰ লেখ আঁকিলে এনেদৰেঃ

'ঘোষাতে সমস্ত মোৰ বল বুদ্ধি যত।
যাৰ যাৰ ভাগ্য আছে বুজিবে সমস্ত।।'

ভাগৱত শাস্ত্ৰ ভগৱন্তৰ যিদৰে বাঙ্ময়ী মূৰ্তি, দশম-কীৰ্ত্তন শ্ৰীমন্ত শঙ্কৰদেৱৰ 'ঘোষা-ৰত্নাৱলী' শ্ৰী শ্ৰীমাধৱদেৱৰ একেদৰেই বাঙ্ময়ীমূৰ্তি।

'নাম-ঘোষা' অন্ততঃ কুৰিখনমান অন্যান্য শাস্ত্ৰৰ চাৰিশমান সংস্কৃত শ্লোকৰ প্ৰাঞ্জল আৰু হৃদয় সংবাদী অনুবাদ আৰু হৃদয়ৰ অন্তঃকোণৰ পৰা ওলোৱা কাৰুণ্য ধ্বনিৰ অনবদ্য প্ৰকাশ। মাধৱদেৱৰ জীৱন মানেই সংঘাত আৰু সংগ্ৰামৰ ইতিহাস। জীৱনৰ বিচিত্ৰ অভিজ্ঞতা, বৰ্ণময় সমাজৰ বিচিত্ৰ চৰিত্ৰ অধ্যয়ন, সংঘাতময় জীৱন পৰিক্ৰমাৰ পূঞ্জীভূত ইতিহাস 'নামঘোষা'ৰ মাজেৰে ছন্দোময় ৰূপত প্ৰকাশ পাইছে। সঁচা অৰ্থত 'নাম-ঘোষা' মোহ-মায়া, কাম-ক্ৰোধ, দম্ভ-দ্বেষৰ উৰ্ধ্বত থকা এজন ভক্ত সাধকৰ হৃদয়াবেগ ৰঞ্জিত এখনি মহৎ গ্ৰন্থ। সেয়ে মাধৱদেৱৰ 'নাম-ঘোষা'ৰ ওপৰত মন্তব্য দিবলৈ গৈ সাহিত্যৰথী বেজবৰুৱাদেৱে কৈছিলঃ 'মোক মানুহে

গণ্ডুপ মৰা বুলিব পাৰে; এচকুৰা বুলিব পাৰে; বোলক তাত মোৰ মুখত কোনেও সোপা দিব নোৱাৰে,-যদি মই গল মেলি কওঁ যে--ভাৰততহে নালাগে পৃথিৱীৰ কোনো সুসভ্য দেশত এনে এখন Scripture বা শাস্ত্ৰ আজিও ওলোৱা নাই, যাক আমাৰ এই ঘোষা শাস্ত্ৰখনেৰে সৈতে একে শাৰীতে ঠগিত থব পাৰি। ই ঈশ্বৰৰ চৰণত কায় বাক্য মনেৰে নিজক সপি দি ঈশ্বৰত নিমগ্ন হৈ যোৱা ভকতৰ হৃদয়ৰ তলিৰ পৰা ওলোৱা কাৰুণ্য স্তুতিৰ উহ। অকল সেয়ে নহয়, সেই অবাঙমনস গোচৰ অথচ সচ্চিদানন্দময়ৰ আনন্দানুভৱ মূৰ্তিৰ অভয় চৰণত ভকতৰ পৰা আপোনাআপুনি উথলি পৰা পৰমানন্দ তৰংগ-প্ৰৱাহৰ পুষ্পাঞ্জলি।

ভক্তি-ভক্ত আৰু ভগৱন্তৰ স্বৰূপ প্ৰকাশ লগতে ভক্তিৰ প্ৰগাঢ়তা, ভক্তৰ মাহাত্ম্য আৰু ভগৱন্তৰ দয়াপৰৱশ ভক্ত বাৎসল্যতা প্ৰকাশক 'নামঘোষা' আৰম্ভ হৈছে বিষ্ণুপুৰী সন্ন্যাসীৰ ভক্তি ৰত্নাৱলীৰ কান্তিমালা টীকাৰ এটি শ্লোকেৰে। 'যে মুক্তাৱপি নিস্পৃহা'ঃ বুলি আৰম্ভ হোৱা উক্ত শ্লোকৰ প্ৰাঞ্জল অনুবাদ কৰিছে এনেদৰেঃ

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতৰ নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।' ১।।

অৰ্থাৎ ঐহিক পাৰত্ৰিক ভোগ বাঞ্ছাৰ কথা বাদেই 'মুকুতি' বাঞ্ছা নকৰা ভকতক নমস্কাৰ জনাই আৰম্ভ হৈছে নাম-ঘোষা। ইয়াত 'মুক্তিতোনিস্পৃহ' প্ৰয়োগ অতি তাৎপৰ্যপূৰ্ণ। মানুহ মাত্ৰেই ধন সম্পত্তি, সতি সন্ততি, ভকুতি মুকুতি, ইহকাল পৰকালৰ সুখ হাবিয়াস বিচৰাটো স্বভাৱ। জন্মৰ পৰা মৃত্যু পৰ্য্যন্ত তাৰেই লালসাত অহৰহ চেষ্টা অনেক সংগ্ৰাম। তেনে ক্ষণত কায়-বাক্য মন আৰু মোৰ বুলি ভবা সৰ্বস্ব ভগৱন্তক চৰণত শোধাই দি নিঃস্ব নিংকিন হোৱাজনৰ চৰণত প্ৰণিপাত জনাই মাধৱপুৰুষে আওপকীয়াকৈ আধ্যাত্মিক সমাজবাদকে পোষকতা কৰিলে। আধ্যাত্মিক বিচাৰেৰে মানুহে মানুহৰ মাজেৰে ঈশ্বৰ সন্ধান কৰিলেহে ঈশ্বৰক বিচাৰি পাব পাৰে ই স্বতঃসিদ্ধ কথা। সেয়ে বাসুদেৱ-দৈৱকীসুত শ্ৰীকৃষ্ণৰ ৰসময় ভকতিৰ সন্ধান কৰিলে 'মুক্তিতো নিস্পৃহ', ভকতৰ মাজেৰে। মানুহক বাদ দি ঈশ্বৰবাদ, নৈতিকতা-আধ্যাত্মিকতা বিহনে ঈশ্বৰৰ সেৱাৰ কোনো মূল্য নাই। কৃষ্ণক পাবলৈ ভকতেই উত্তম পন্থা, ভক্তিয়েই চমু পথ। পাপী নিষ্পাপী, ব্ৰাহ্মণ-চণ্ডাল, জ্ঞানী-অজ্ঞানী, ধনী-দৰিদ্ৰ সধবা বিধবা সকলোৱে 'কেৱল হৰি নাম লৈয়া' প্ৰকৃত অৰ্থত সপি দি ভকত আৰু সেৱাৰ যোগ্য হ'ব পাৰে।





মহাপুৰুষীয়া ভক্তি ধৰ্মত ভকতৰ স্থান আটাইতকৈ উচ্চ। এই কথা অতি স্পষ্টকৈ প্ৰকাশ কৰিলে। একান্ত ভকতৰ মহিমা প্ৰকাশ কৰিবলৈ মহাপুৰুষজনাই ঘোষাত লিখিছেঃ

একান্ত ভকতসৱে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত।। ৪ ।।

অকল সেয়ে নহয়। কেতিয়াবা ভকতৰ ওচৰত ঈশ্বৰৰ শক্তি সামৰ্থ ঐশ্বৰিকত্বও ম্লান হৈ যায়।

ইও মই ঈশ্বৰ সমস্ত জগতৰ।
তথাপি অধীন ভৈলো বৈষ্ণৱজনৰ।। (ভক্তি ৰত্নাৱলী)

'ভকতৰ প্ৰাণ' স্বৰূপ নিজ ভকতৰ বশ্য অতি দয়ালু নিজ যশ প্ৰিয় ভগৱন্ত ভকতৰ কাষৰ পৰা এখোজো আঁতৰি যাব নোৱাৰে। চৈতন্য ঈশ্বৰ আদিত্য যাৰ হিয়াত এবাৰ প্ৰকাশ হৈছে তাৰ উদয়াস্ত নাই। তেনে চতুৰ ভকতৰ হৃদয়তেই ঈশ্বৰৰ নিবাস। ঘোষাত কৈছেঃ

যি সৱ চতুৰ নৰে মানৱৰ নামগুণ
কীৰ্ত্তন কৰন্ত সাৱধানে।
দেৱৰো দেৱতা হৰি তাহাৰ হৃদয় এৰি
যাইবাক নপাৰে আন থানে।। ৮২ ।।

সেয়ে মাধৱ পুৰুষে অনুভৱ কৰিছিল ভকতৰ মহিমা অপাৰ; ভকত অমৰ। চিন্দানন্দ, অনন্ত মহিমাযুক্ত, নিৰ্মল তৰংগত, পৰমানন্দ অমৃত সাগৰত অমৃত ৰস পান কৰি ভকতে সাংসাৰিক যন্ত্ৰণা আৰু ভোগ বাসনা পাহৰি পেলায়। এক আত্যন্তিক সুখৰ সন্ধানত আপ্লুত হৈ ভকতে মুক্তিৰ সুখকো ত্যাগ কৰি অতি নিষ্কামী নিস্পৃহ হৈ পৰে। যাৰ হৃদয়ত 'চৈতন্যপূৰ্ণ পৰমাত্মা ৰূপে হৰি আছন্ত প্ৰকাশি' তেনে ভকত মহৎ নহৈ নোৱাৰে। ত্যাগৰ প্ৰতিমূৰ্তি মাধৱ পুৰুষে 'নাম-ঘোষা'ত ত্যাগৰ মাজেদি ভকতক ভকতিৰ চৰম সীমালৈ লৈ গৈছে। ত্যাগৰ মাজেৰে উপভোগ কৰা আনন্দক পৰম আনন্দ বুলি স্বীকৃতি দিছে। মহাপুৰুষজনাৰ বিচাৰত তেনে ভকতেই সেৱাৰ যোগ্য আৰু নমস্য। দাসৰ দাস হৈ অতি নম্ৰ আৰু কাতৰভাৱে ঈশ্বৰত শৰণাপন্ন হ'লে নিবিচাৰিলেও ঈশ্বৰে সকলো দিয়ে। কিন্তু হৰিভক্তিহীন দেৱতাসকলে, অন্যান্য দুৰাচাৰীসকলে সাৰশূন্য মৃগতৃষ্ণাৰ সন্ধানত অথাই সাগৰত

বিশালৰ মৰুৰ বুকুত মিছা শ্ৰম কৰে। মহামোহত পৰি কলমলাই থাকি অপাৰ জলৰ মাজত কেৱল তল ওপৰ কৰে। কিন্তু যিসকলে ৰামনাম 'মহাধন' বুলি ভাবিব পাৰিছে, ঈশ্বৰৰ অৰুণ চৰণ তলত আশ্ৰয় বিচাৰি কাতৰ মিনতি জনাইছে; তেওঁৰ দৰে মহাভাগ্যৱান কোনো নাই। মহা দুৰাচাৰ, দুষ্টা নাৰী, ভ্ৰষ্টা ৰমণী, চণ্ডাল আদি কৰি সকলোৱেই হৰিক ভজি ভকত হ'ব পাৰে। তেনে ভকতৰ সমান মহান কোনো নাই। মহাভাৰতৰ ৰণৰ মাজত স্বয়ং শ্ৰীকৃষ্ণই অৰ্জুনক এই কথাকে কৈছিল-

শুনা ইটো পৰমাৰ্থতত্ত্ব

ভকতেসে মোৰ মহিমা জানে নিঃশেষ। (ৰত্নাৱলী)

জানা অৰ্জুন ! যেতিয়া তুমি আচল তত্ত্ব উপলব্ধি কৰিবা তেতিয়াহে তোমাৰ দুখ শোক আঁতৰি যাব। এই কথাত যদি তুমি মোক বিশ্বাস নকৰা তেন্তে ভকতৰ সংগ লৈ ইয়াৰ ৰহস্য জানি ল'বা। আচৰিত দৰ্শন ! মাধৱপুৰুষেও এই চৰম দৰিদ্ৰতাক অকাতৰে গ্ৰহণ কৰি প্ৰথাসিদ্ধ প্ৰথাৰে নচলি এক অন্যান্য জীৱন যাপনৰ মাজেৰেও ভকতে উদ্‌যাপন কৰে চৰম আনন্দ আৰু তৃপ্তি। ত্যাগৰ মহানতাই আৰু সেৱা সুখৰ আনন্দই ভকতক মতলীয়া কৰে। সমত্ব বুদ্ধি যুক্ত নিষ্কাম কৰ্মী ভকত বৈষ্ণৱে ইহলোকতেই সুকৃতি-দুষ্কৃতি উভয়কে ত্যাগ কৰি মানৱতাৰ উচ্চ শিখৰত আৰোহণ কৰে।

'নাম-ঘোষা' মাধৱপুৰুষে বহু ঠাইত ভৱ ভয় তাৰণৰ একমাত্ৰ উপায় হৰিৰ চৰণত শৰণ লোৱা-- এই তত্ত্বটো ব্যাখ্যা দিছে। তাৰ উপৰি 'কলিত হৰিৰ শৰণে গতি' এনে সুৰ এটি নাম-ঘোষাৰ আৰম্ভণিৰ পৰা শেষলৈকে বাজি আছে। আৰু যিসৱ ভকতে একান্ত মনে হৰিত শৰণ লৈছে-- তেওঁলোকৰ কোনো ভয় নাই। কাৰণ----

'হৰি ভকতৰ দায় নধৰয়

যম কাল আৰু কলি।'

অন্যহাতে কেতিয়াবা নৰকত পৰিলেও ভকতসকলক ভগৱন্তই নিজেই পানীৰ পৰা পদুম উদ্ধাৰি অনাৰ দৰে উদ্ধাৰ কৰে। তাৰ উপৰি----

'কুল উদ্ধাৰিলা আপুন তৰিল

তাৰেসে জন্ম সাফল।।'

হ'ল বুলি 'ঘোষা'ত সিদ্ধান্ত দিছে। যাৰ হৰি কীৰ্ত্তন স্বভাৱত পৰিণত হৈছে তেনে ভকতৰ আন একোৰেই প্ৰয়োজন নাই।

'ৰামকৃষ্ণ কীৰ্ত্তন স্বভাৱ ভৈল যাৰ।

সিয়ো ভৈলা হৰিৰ হৰিয়ো ভৈলা তাৰ।। ৪৬৬ ।।





দশ প্ৰচেতাই দহ হাজাৰ বছৰ তপস্যাৰ অনন্তত স্বয়ং কৃষ্ণৰ পৰা আন একো নিবিচাৰি মাথোঁ বিচাৰিলে ভকতৰ সংগ। ৰত্নাৱলীত আছে --

'জন্মে জন্মে হোক তযু সঙ্গ ভকতৰ।

মিলোক সৎসংগ প্ৰভু দিয়া এহি বৰ।।'

কাৰণ 'মহন্তজনৰ সংগ শ্ৰেষ্ঠ' আৰু 'একান্ত সন্তৰ গতি তুমিসি সৰ্ব্বথা' এই কথা দশ প্ৰচেষ্টাই বুজি পালে। নাৰদ, সুত বিদূৰ কপিল, ধ্ৰুৱ, পৃথু আদি ভকতৰ সেৱা কৰি সান্নিধ্য লভি মহা ভকত, মহাবৈষ্ণৱ হৈছিল। মহাপুৰুষজনাই নিজেই তাৰ প্ৰকৃষ্ট উদাহৰণ। দয়া-ক্ষমা, প্ৰেম-ভক্তি, স্নেহ-প্ৰীতি, দান-ত্যাগ মানৱ প্ৰেম এই গুণবোৰৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ আৰু গুৰুত্ব উপলব্ধি কৰিছিল। মানৱতাবাদী সমাজ এখন গঢ়ি তুলিবলৈ, মহৎ বস্তু এটা পাবলৈ মহৎ হোৱাৰ আদৰ্শ সাৰোগত কৰি জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত 'নাম-ঘোষা'ৰ শেষ ৰূপ দিছিল। জীৱনৰ ঘাত প্ৰতিঘাত , পোৱা নোপোৱাৰ সংঘাত ভক্তিৰ তুলনাত তেনেই নগণ্য।

'নাম-ঘোষা'ত আছে বৈষ্ণৱ ধৰ্মৰ তত্ত্ব আৰু পথৰ সন্ধান; মায়াময় সংসাৰ পাৰ হোৱাৰ উপায়। ভক্ত আৰু ভগৱন্তৰ নিবিড় সম্পৰ্কৰ মাজেৰে চৰম আনন্দ লাভ কৰাৰ সোপান। ৰসময় ভকতিৰ মাজেৰে লাহে লাহে ভকত ধাবিত হয় ঈশ্বৰৰ ফালে। এটা সময়ত ভকতে ঈশ্বৰৰ সান্নিধ্য লাভ কৰে; কিন্তু পুনৰ বিচ্ছেদ নিবিচাৰে। পৰম ব্ৰহ্ম ৰসৰ সাগৰত সাতুৰি-নাদুৰি ৰস আস্বাদন কৰি থাকিবলৈহে বিচাৰে। তিনি তাপময় সংসাৰ নিকাৰ সহিব নোৱাৰি; প্ৰিয়তম সখা ইষ্ট গুৰুৰ কাষতে সৰ্ব্বক্ষণতে থাকিব বিচাৰে। তাৰাৰ অৰুণ চৰণৰ তলত এধানমান আশ্ৰয় বিচাৰি কাতৰ মিনতি জনায়ঃ

'চৰণত ধৰো কাতৰ কৰোহো

ইবাৰ নেৰিয়ো হৰি।।' ৩১০ ।।

ভকতে জানে, মোক্ষ আদি যিমান সুখ আছে সেই সুখ ঈশ্বৰ সেৱা সুখৰ এক অনু সমানো নহয়। এনে জ্ঞান এনে দৰ্শনৰ অধিকাৰী হৈ ভকত হৈ পৰে মহত্তৰো মহত্ত্ব অতি শ্ৰেষ্ঠত্বৰ। 'নামঘোষা'ই এনে শ্ৰেষ্ঠ ভকতক পাৰমাৰ্থিক বিচাৰত 'দেৱ' বুলি গণ্য কৰিবলৈ সকলোকে উদগনি দিছে। যদিল 'সমস্ত ভূততে আছো মই হৰি' ৰূপে হৰি সকলো প্ৰাণীতে বিৰাজমান তথাপি অন্য প্ৰাণীত কেৱল 'চৈতন্য' ৰূপে আৰু ভকতত 'প্ৰাণ বুদ্ধি-মন 'ৰূপে আছে। 'প্ৰাণ-বুদ্ধি-মন' এই তিনিৰ সমন্বয়ত ভকত হৈ পৰে উত্তমৰো উত্তম।

ভক্তি ৰত্নৱলীত আছেঃ

'আপোনাৰ কাৰ্য্যমাত্ৰ সাধে দেৱগণে।
পৰকেসে উপকাৰ কৰন্ত সজনে।।
এতেকেসে পৰমাৰ্থ মহন্তসে দেৱ।
তাসম্বাক মাত্ৰ কৰিবাক লাগে সেৱ।।

সেয়ে মহাজ্ঞানী, তপস্বী, সিদ্ধ পুৰুষ যোগী মহাযোগীয়েও এনে মহৎ ভকতৰ সংগ সুখ বিচাৰি ঈশ্বৰৰ চৰণত মিনতি জনায়। অৰ্থাৎ-

'মুকুতি সুখকো তেজি মহন্তজনৰ সঙ্গ
খোজে আতি কৃষ্ণৰ চৰণে।।"

'নাম-ঘোষা'ত এটা দীক্ষা আদিৰ দ্বাৰাও যি ফল পাব নোৱাৰে ভকতে কেৱল হৰিত শুদ্ধভাৱে শৰণ লৈ সেই সমস্ত দানৰ ফল বিনাকষ্টে অনায়াসে পাব পাৰে। এনে মহালাভৰ গৰাকী কেৱল ভকত। এনে ভকতে সৰ্ব্ব পুৰষাৰ্থ বিনাকষ্টে লাভ কৰে। মৃত্যুৰ তাগিদা লৈ জন্ম গ্ৰহণ কৰা প্ৰত্যেক মানৱৰ সংসাৰত অনেক ভয়ে আগুৰি ধৰে। পৃথিৱীত জন্ম গ্ৰহণ কৰা প্ৰত্যেক মানৱই ভালদৰে জানে পৃথিৱীৰ পৰা এদিন বিদায় ল'ব লাগিব। কিন্তু মায়াময় সংসাৰ পাই সকলো পাহৰি যায়। জীৱনৰ ধৰ্ম-কৰ্ম পাহৰি অধৰ্ম আৰু অকৰ্ম কৰি পাপত মজে। শোক -মোহৰ মহাগৰত নৌকা বিহাৰ কৰি হঠাতে অহা ব্ৰজৰ শব্দলৈ ধুমুহা মেঘৰ গৰ্জন, সমুদ্ৰৰ প্ৰচণ্ড উৰ্মিমালাত ত্ৰাসিত হয়; কিন্তু মহান ত্যাগী ভকতসকলে এনে তাণ্ডৱ এনে গৰ্জন, এনে প্ৰলয় বিনাদ্বিধাই পাৰ কৰিব পাৰে। ঈশ্বৰৰ কৰুণা আৰু দয়াৰ প্ৰভাৱত এটি ভৱভয়হীন জীৱন অতিবাহিত কৰে। 'তুমি চিত্ত বৃত্তি মোৰ' বুলি দাসৰ দাস হৈ নিজৰ দেহ মন বুদ্ধি সমস্ত ঈশ্বৰত অৰ্পণ কৰি ভাল বেয়া ভয় শংকা সৃষ্টি কৰিব পৰা প্ৰতিক্ৰিয়াশীল শক্তি আৰু ফলৰ পৰা মুক্ত হৈ এটি স্বাধীন জীৱন যাপন কৰে। সেয়ে কৃষ্ণৰ ভকতে এটি স্বাধীন আৰু নিৰাপত্তা থকা অধিক আত্ম প্ৰত্যয় আৰু আত্মবল থকা মহৎ জীৱনৰ অধিকাৰী হয়। এনে ভকতে জানে-- ভয় শংকা শত্ৰু মিত্ৰ সৃষ্টি ৰ গৰাকী মানুহ নিজেই। মাধৱ পুৰুষে সেয়ে বিশ্বজনগণক সকীয়াই থৈছে নাম-ঘোষাৰ যোগেৰে ঃ

'আপুনি আপুন বন্ধু আপুনি আপুন শত্ৰু
আপুনি আপুন ৰাখে মাৰে।
হৰিক নভজি নৰ আপুনি হোৱয় নষ্ট
হৰি ভজি আপুনাক তাড়ে।। ২৬ ।।

কৃষ্ণৰ ভকতে ইয়াকো জানে পৃথিৱীত ঘটা নানা অঘটন, অপায় অমংগল,





হিংসা দ্বেষ, দুষ্কৃতিৰ কাৰণ কি? সাধাৰণ মানুহে এইবোৰ অনৰ্থৰ মূল কি ইয়াৰ ৰহস্য কতো উদঘাটন কৰিব নোৱাৰে। এনেবোৰ কাৰণত বিষ্ণুৰ ভকত অসাধাৰণ আৰু জ্ঞানী। সেয়ে নৰকৰ তিনি দ্বাৰা স্বৰূপ কাম ক্ৰোধ লোভৰ পৰা আঁতৰি থাকি ভকত সকলে আত্মৰক্ষা কৰে আৰু নৰক যাত্ৰাৰ পৰা মুক্ত হয়।

মুঠতে মহান ত্যাগী মাধৱপুৰুষৰ 'নাম-ঘোষা' ভক্ত কবিজনাৰ আত্মকথাৰ বাহ্যিক প্ৰকাশ মাত্ৰ। পাণ্ডিত্য, আদৰ্শ নিষ্ঠা, ধৈৰ্য্য,সহনশীলতা, বিনয়ী আৰু সৰ্বোপৰি মানৱতাবোধ-এই সকলোবোৰ গুণৰ তেওঁ অধিকাৰী আছিল। অথচ সহায় দীন, হীন, দাসৰো দাস বুলিহে তেওঁ পৰিচয় দিছিল। ত্যাগৰ ক্ষেত্ৰত তেওঁ আছিল জগত বিৰল। সেয়ে নাম-ঘোষাৰ আৰম্ভণি হৈছিল ভকতক নমস্কাৰ জনাই আৰু সামৰণি মাৰিছিল ভক্তি আৰু ভগৱন্তৰ মহিমাযুক্ত বন্দনাৰে ঃ

'এ ভাৱক ভাই ভজ ভগৱন্ত ভক্তিভাৱে।
ভগৱন্ত ভজিয়া পৰম গতি পাৱে।।' ৯৯৯।।

আকৌ--

আন যত সৱে মিছা ভক্তিৰ অভাৱে।

---

**লেখকৰ পৰিচয়ঃ**

শ্ৰীবাবুল বৰা
গেৰুৱা উচ্চ মাধ্যমিক বিদ্যালয, মৰিগাঁও ।

# মাধৱদেৱৰ নাম-ঘোষাত ভক্তিতত্ত্ব

ড° ৰামচন্দ্ৰ ডেকা

বিশাল প্ৰতিভাৰ অধিকাৰী মহান কবি, সুনিপুণ সংগীতজ্ঞ, সুকণ্ঠী গায়ক, কুশলী নৃত্যবিদ, সুঅভিনেতা, নিপুণ নাট্যকাৰ, বেদান্ত তত্ত্বৰ মহাপণ্ডিত মাধৱদেৱৰ ৰচনাৰাজি অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। মহাপুৰুষ শঙ্কৰদেৱে প্ৰকাশ কৰা একশৰণ নামধৰ্ম মহাপুৰুষ মাধৱদেৱৰ সহযোগী আৰু কুশলী নেতৃত্বত পূৰ্ণ বিকশিত হৈ উঠিছিল। চৰিতকাৰৰ ভাষাত --

"শঙ্কৰে ভকতি প্ৰকাশ কৰিলা
মাধৱেসে প্ৰচাৰিলা।
মাধৱৰ প্ৰসাদত ব্যভিচাৰি
অজ্ঞানীসবে বুজিলা।।"

শঙ্কৰদেৱৰ দৰ্শন পোৱাৰ আগমুহূৰ্তলৈকে মাধৱদেৱ দেৱীপূজাকেই একমাত্ৰ ধৰ্ম বুলি ভবা ঘোৰ শক্তি উপাসক। পাণ্ডিত্যৰ যুক্তিৰে শঙ্কৰদেৱৰ মত খণ্ডন কৰি থৈ আমি বুলি কোৱা মাধৱদেৱে কিন্তু শঙ্কৰদেৱৰ ব্যক্তিত্ব আৰু বিচক্ষণ পাণ্ডিত্যৰ সন্মুখত শিৰ নত কৰিবলৈ বাধ্য হ'ল। ঘোৰ শাক্ত মাধৱদেৱ মহা বৈষ্ণৱ হৈ পৰিল। শঙ্কৰদেৱেও প্ৰাণৰ বান্ধৱ মাধৱক পাই সেইদিনাহে যেন পূৰ্ণ হ'ল। আৰম্ভ হ'ল মাধৱদেৱৰ প্ৰতিভা বিকাশৰ মহাযাত্ৰা। বিয়া কৰাবলৈ বুলি জোৰণ পিন্ধাই থোৱা কইনা মাধৱদেৱে কৌশলেৰে ত্যাগ কৰি ভক্তি আৰু গুৰুসেৱাত আত্মনিয়োগ কৰিলে। শঙ্কৰদেৱৰ অনুপ্ৰেৰণাতেই মাধৱদেৱৰ প্ৰতিভা বিকশিত হবলৈ ধৰিলে। গীত-পদ, কাব্য, নাট, ভক্তিতত্ত্বমূলক শাস্ত্ৰ ইখনৰ পিছত সিখন ৰচনা কৰি যাবলৈ ধৰিলে। সাৰ্বজনীন হৰিনাম ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰমাণৰ বাবেই মাধৱদেৱে সকলো বেদ, পুৰাণ, সংহিতা, উপনিষদ আদি অধ্যয়ন কৰিছিল। এই শাস্ত্ৰ অধ্যয়নৰ জ্ঞান আৰু কৰ্মময় জীৱনৰ ব্যৱহাৰিক অভিজ্ঞতাক অপৰিসীম কাব্য প্ৰতিভাৰে মাধৱদেৱে তেওঁৰ 'নাম-ঘোষা' ত লিপিবদ্ধ কৰি থৈ গৈছিল, য'ত শঙ্কৰদেৱ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ মূল সূত্ৰসমূহ তাৰ দাৰ্শনিক





ভিত্তিত সুপ্ৰতিষ্ঠিত হৈছে। সেয়ে 'নাম-ঘোষা'ক পৰমভক্ত মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ অভিজ্ঞতাৰ ছন্দোময় প্ৰকাশ বুলি কোৱা হৈছে।

সকলো শাস্ত্ৰ অধ্যয়নৰ পৰিপক্ক প্ৰজ্ঞা আৰু শঙ্কৰদেৱৰ পৰা পোৱা আৰ্হিৰে ভক্তিধৰ্মৰ সকলো ধৰণৰ দাৰ্শনিক তত্ত্ব 'নাম-ঘোষা'ত লিপিবদ্ধ কৰাৰ মুখ্য উদ্দেশ্য আগত ৰাখিহে মাধৱদেৱে নাম-ঘোষাৰ পদ কৰিছিল। 'কথা গুৰু চৰিত'ত থকা মাধৱদেৱৰ-'বোলে দশম কীৰ্ত্তন গুৰুজনাৰ মূৰ্ত্তিৰ সমান। ঘোষা ৰত্নাৱলী আমাৰ থাকিবাৰ থান। জাৰাসৰে ভক্তি কৰিব ঘোষাতে পাবঃ [৩] -এই বক্তব্যই মাধৱদেৱৰ 'নাম-ঘোষা' ৰচনাৰ এনে উদ্দেশ্যৰ কথাকেই সূচায়।

'ভগৱানক লাভ কৰিবৰ বাবে ভক্তিৰ প্ৰয়োজন। 'অব্যভিচাৰিণী' নিস্বাৰ্থ ভক্তি ব্যতীত তেওঁক পোৱা নাযায়। এই ভাৰতৰ সকলো বৈষ্ণৱ আচাৰ্যই ভক্তিৰ মহিমা আৰু প্ৰয়োজনীয়তা কীৰ্ত্তন কৰি থৈ গৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ, শ্ৰীচৈতন্যদেৱ, হৰিদেৱ, কবীৰ, ৰামনুজাচাৰ্য প্ৰভৃতি সকলোৱেই ভক্তিৰ মহিমা প্ৰচাৰ কৰিছে আৰু নিজৰ জীৱনতো তাক ৰূপায়িত কৰি শিক্ষা দিছে। শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম বা মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ সকলো আদৰ্শ আৰু ভক্তিতত্ত্ব মাধৱদেৱে 'নাম-ঘোষা'ত সাৱলীলতাৰে ব্যক্ত কৰিছে। নাম-ঘোষাৰ ঘোষাসমূহত অসমৰ বৈষ্ণৱ ধৰ্মৰ আদৰ্শ আৰু সুকীয়া বৈশিষ্ট্যই সুন্দৰভাৱে আত্মপ্ৰকাশ কৰিছে।

মাধৱদেৱৰ অতুলনীয় গুৰুভক্তিৰ কথাৰে চৰিতপুথিসমূহ ভৰি আছে। শঙ্কৰদেৱৰ লগত ছাঁটোৰ দৰে লাগি থকা মাধৱদেৱে ব্যৱহাৰিক জীৱনত যি গুৰুভক্তি প্ৰদৰ্শন কৰিছিল সেয়া আছিল মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ গভীৰ উপলব্ধি নিসৃত। 'নাম-ঘোষা'ৰ 'গুৰুমাহাত্ম্য'ত মাধৱদেৱে হৰিভক্তি পন্থৰ উপদেশ দি দুখময় সংসাৰ পাৰ কৰোতা গুৰুৰ ঋণ পৰিশোধ কৰিবলৈ সেৱাৰ বাহিৰে যে অন্য উপায় নাই সেই কথা উল্লেখ কৰিছে।

যিটো মহামতি গুৰুজনে হৰিভক্তি পন্থ উপদেশ
দিয়া দুখময় সংসাৰৰ পাৰ কৰে।
হেনয় পৰম গুৰুঋণ শুজিবাক প্ৰতি জানা নিষ্ঠ
অন্যত্ৰ উপায় নাহি অঞ্জলিত পৰে।।'৬৭৯।।

হৰিভক্তি দাতা ভক্ত গুৰুজন আৰু ভক্ত বৎসল ভগৱন্ত দুয়োজনৰ মাজত শৰীৰৰ প্ৰভেদৰ বাহিৰে অন্য প্ৰভেদ নাই বুলি মাধৱদেৱে উপলব্ধি কৰিছিল।

‘হৰি যেন অতি কৃপাময়          ভক্ত গুৰুজনো সেহিনয়
দুয়োজন এক শৰীৰত মাত্র ভিন্ন।।’ ৬৮১।।

তদুপৰি সৰ্বশাস্ত্র বিশাৰদ মাধৱদেৱে মহাপুৰুষ শঙ্কৰদেৱে প্রচাৰ কৰা ধৰ্ম যে তৎকালীন অসমৰ সমাজত অনন্য আছিল সেই সত্য উপলব্ধি কৰিছিল। কাৰণ সেই সময়ত অসমত তন্ত্রৰ বিকৃত মত বহুলভাবে প্রচলিত আছিল। জন সমাজে ক্রিয়া কাণ্ডকে সাৰটি ধৰিছিল। তেনে সময়ত মহাপুৰুষ শঙ্কৰদেৱে বেদ-বেদান্ত, পুৰাণ, উপনিষদ আদি শাস্ত্রবোৰৰ সাৰমৰ্ম বুজি ঈশ্বৰ ভক্তিৰ সনাতন শুদ্ধমত আৰু তত্ত্ব প্রচাৰ কৰিছিল।

‘শঙ্কৰেসে শুদ্ধমত          ঈশ্বৰ ভক্তিৰ তত্ত্ব
প্রচাৰিলা শাস্ত্রসাৰ জানি।।’ ৫৩।।

ভক্তৰ অন্তৰত উদিত হোৱা আধ্যাত্মিক জিজ্ঞাসাৰ যথাযথ উত্তৰ দি শিষ্যৰ সংশয় ছেদ কৰিব পৰাজনহে প্রকৃত গুৰু। মহাপুৰুষ শঙ্কৰদেৱ আছিল তেনে এগৰাকী তত্ত্বজ্ঞ মহাপুৰুষ।

‘শঙ্কৰে সংশয় ছেদি          শাস্ত্রৰ তত্ত্বক ভেদি
প্রচাৰিলা কৃষ্ণৰ ভকতি।।’৩৫।।

‘নাম-ঘোষা’ৰ ‘বস্তু-প্রকাশ’ খণ্ডত মাধৱদেৱে গুৰু শঙ্কৰদেৱক সম্পূৰ্ণৰূপে প্রকাশ কৰিছে।

‘হৰিনাম ৰসে          বৈকুণ্ঠ প্রকাশে
প্রেম অমৃতৰ নদী।
শ্রীমন্ত শঙ্কৰে          পাৰ ভাঙ্গি দিলা
বহে ব্রহ্মাণ্ডক ভেদি।।’৩৭১।।

কৃষ্ণ প্রেম ভক্তিৰ অমৃত স্বৰূপ ‘নামৰস’ কেৱল বৈকুণ্ঠবাসীৰ সম্পদ আছিল। দয়ালু শঙ্কৰদেৱে শাস্ত্র মথি তাক লোকৰ মাজত বিলাই দিলে।

‘হৰি ভক্তি দান          দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।
হেনয় কৃপালু          শঙ্কৰ বিনায়
নাহি নাহি আৰ বন্ধু।।’৩৭৩।।

ভক্তৰ অন্তৰত উদিত হোৱা পৰমাৰ্থ তত্ত্ব বিষয়ক সকলো সংশয় ছেদ কৰি ভক্তৰ অন্তৰত পৰম প্রশস্তি প্রদান কৰিব পৰা গুৰু শঙ্কৰদেৱক মাধৱদেৱে কল্পতৰু বৃক্ষৰ লগত তুলনা কৰিছে।





শ্রীমন্ত শঙ্কৰ          হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায়          নাই নাই নাই
আমাৰ পৰম গুৰু।।’ ৩৭৫।।

* * * *

‘পৰম কৃপালু          শ্রীমন্ত শঙ্কৰ
লোকক কৰিলা দায়া।
হৰিৰ নিৰ্ম্মল          ভকতি প্রকাশ
কৰিলা শাস্ত্রক চায়া।।’৪০৪।।

এইদৰে পৰম ভক্ত মাধৱদেৱে ‘নাম-ঘোষা’ত তেওঁৰ গুৰু শঙ্কৰদেৱক প্রকাশ কৰিছে। এনেকুৱাকৈ শঙ্কৰদেৱৰ স্মৃতি বিজড়িত ঘোষাসমূহক বাণীকান্ত কাকতিদেৱে উল্লেখ কৰা মুখ্য তিনিটা ভাৱধাৰাৰ ভিতৰত পুণ্যশ্লোক শঙ্কৰ স্মৃতি ধাৰাৰ বুলি চিহ্নিত কৰিব পাৰি।

সৰ্বশাস্ত্র বিশাৰদ হৈয়ো মাধৱদেৱ আছিল এক নিৰ্মল অহংকাৰশূন্য ব্যক্তিত্বৰ অধিকাৰী। ‘নাম-ঘোষা’ত মাধৱদেৱৰ এই চাৰিত্রিক বৈশিষ্ট্যই এক সুকীয়া ৰূপ ধাৰণ কৰিছে। ঈশ্বৰৰ ওচৰত সৰ্বতোভাবে আত্মসমৰ্পণ কৰি কায়-মন বাক্যে প্রভুৰ নাম স্মৰণত নিজকে একান্তভাবে নিয়োজিত কৰিব বিচাৰিলে মনক সংযত কৰিব নোৱাৰাৰ বাবে ভক্তৰ অন্তৰত এক অপৰাধবোধৰ উদ্রেক হয়।

‘ইবাৰ নেৰিবা মোক’ আদি কাতৰোক্তিৰ পিছতো ভক্তই যেতিয়া প্রভুৰ পদমূলক আশ্রয় পাবৰ যোগ্য হয়নে নহয় বুলি নিজৰ ওপৰত অন্তৰ্দৃষ্টি স্থাপন কৰে, তেতিয়াও একান্ত ভক্তৰ মনত সংশয়ৰহে উদ্রেক হয়। কাণ, চকু, মন নিজ নিজ স্বভাৱত চলা যেন দেখে। তেতিয়া হৃদয়ৰ কাতৰ্যভাৱে ইন্দ্রিয়সকলৰ প্রতি ভৰ্ৎসনাত উদ্দীপিত হৈ উঠে।

ভক্ত হৃদয়ৰ কাতৰ্যভাৱ নাম-ঘোষাত অতি চিত্তস্পৰ্শী ৰূপত প্রকাশ হৈছে।

‘মোৰ সম পাপীলোক          নাহিকে ই তিনিলোক
তুমি সম নাহি পাপহাৰী।
ইজানি গোবিন্দ মোক          যেন যুৱাই কৰিয়োক
তুৱা পদে কৰোহোঁ গোহাৰি।।’ ১৩৬।।

* * * *

সহস্র সহস্র আতি          অপৰাধ দিনে ৰাতি
কৰো মই মহা মূঢ়জন।

আমি প্ৰভু তযু দাস আকে মানি জগবাস
ক্ষমিয়োক শ্ৰীমধুসূধন।।' ১৩৭।।
'কিনো অপৰাধ কৰি আছো আমি
বান্ধৱ মাধৱ প্ৰাণ।
নাম ধৰি ডাকো হিয়াত থাকিয়া
কেনে নেদা সমিধান।।' ২৭৪।।

*  *  *  *

'হে হৰি মোক দুৰাচাৰ বুলি
নকৰিবা পৰিহাৰ।
তুমি বিনে মহা পতিত পাৱন
কোন দেৱ আছে আৰ।।' ৩০৭।।

বাণীকান্ত কাকতিয়ে উল্লেখ কৰা তিনিটা ভাৱধাৰাৰ তৃতীয়টো হৈছে কৃষ্ণ ভক্তিৰ মাহাত্ম্য। ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ হিচাপে 'নাম-ঘোষা অতুলনীয়। মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ একান্ত উপাস্য দেৱতা বিষ্ণু বা কৃষ্ণৰ শ্ৰেষ্ঠত্ব আৰু কৃষ্ণ ভক্তিৰ মাহাত্ম্য 'নাম-ঘোষা'ৰ অনেক ঘোষাত মাধৱদেৱে দৃঢ়তাৰে প্ৰকাশ কৰিছে।

কৃষ্ণই একমাত্ৰ শ্ৰেষ্ঠ দেৱতা যিজনে জীৱৰ সমস্ত দুখ-তাপ হৰণ কৰিব পাৰে। কাল-মায়া আদিৰো গৰাকী কেৱল তেওঁ, যিজন জগতৰ সৃজন কৰোঁতা, পালন কৰোঁতা আৰু সংহাৰ কৰোঁতা। তেওঁৰ বাহিৰে আন কোনো শ্ৰেষ্ঠ দেৱতা নাই --

'কৃষ্ণ একদেৱ দুখহাৰী কালমায়াদিৰো অধিকাৰী
কৃষ্ণবিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।।' ৫৮৬।।

সমস্ত জগতৰ সাৰ কৃষ্ণ বা বিষ্ণুৰ আন নাম হৰি। স্মৰণ কৰা মাত্ৰকে জীৱই জন্ম, মৃত্যু, জৰা, ব্যাধি, শোক দুখৰ পৰা মুক্তি পাব পাৰে কাৰণে সন্ত-মহন্তসকলে ঈশ্বৰক দুখ হৰণ কৰোঁতা হৰি বোলে।

'স্মৰণ মাত্ৰকে যিহেতু দুৰ্ঘোৰ
সংসাৰ দুখ হৰন্ত।
এহি হেতুতেসে ঈশ্বৰক হৰি
বোলয় যত মহন্ত।।' ১৫৫।।

সকলো শ্ৰেণীৰ সকলো জাতিৰ মানুহে আচৰণ কৰিব পৰা হৰিনাম-কীৰ্ত্তন





পৰম পৱিত্ৰ ধৰ্ম। ঈশ্বৰৰ নাম ল'বলৈ জাতি অজাতি, স্ত্ৰী শূদ্ৰৰ বিচাৰ কৰিব নালাগে। সকলো শাস্ত্ৰত হৰি নামেই শ্ৰেষ্ঠ ধৰ্ম বুলি মত প্ৰকাশ কৰিছে --

'পৰম নিৰ্ম্মল ধৰ্ম্ম হৰি নাম কীৰ্ত্তনত
সমস্ত প্ৰাণীৰ অধিকাৰ।
এতেকেসে হৰিনাম সমস্তে ধৰ্ম্মৰ ৰাজা
এহি সাৰ শাস্ত্ৰৰ বিচাৰ।।' ১১৮।।

দৈৱকী-নন্দন শ্ৰীকৃষ্ণই কোৱা শাস্ত্ৰই একমাত্ৰ সত্যশাস্ত্ৰ। শ্ৰীকৃষ্ণৰূপে দৈৱকীৰ গৰ্ভত ওপজাজনেই একমাত্ৰ দেৱতা। কৃষ্ণপদ সেৱাই একমাত্ৰ ধৰ্ম আৰু একমাত্ৰ মন্ত্ৰ।

'একেখনি মাত্ৰ শাস্ত্ৰ নিষ্ঠ দৈৱকী নন্দনে কৈলা যাক
দেৱো একমাত্ৰ দৈৱকী দেৱীৰ সুত।
দৈৱকী পুত্ৰৰ পদসেৱা কৰ্ম্মো একে এহিমানে মাত্ৰ
মন্ত্ৰো এক তান নাম মাত্ৰ অদ্ভুত।। ৬৬৬।।

এনে শ্ৰেষ্ঠ ধৰ্মৰ প্ৰতি জনসাধাৰণক সচেষ্ট হ'বলৈ মাধৱদেৱে 'নাম-ঘোষা'ত আহ্বান জনাইছে --

'হৰিক সততে স্মৰা প্ৰজা সমস্তে পুণ্যৰ ইসে ৰাজা
হৰিক স্মৰণে সিজয় পুণ্য কিঙ্কৰ।
নাপাসৰিবা কদাচিত শুনা কথা ইটো বিপৰীত
হৰি পাসৰিলে সিজে পাপ নিৰন্তৰ।। ৬০৪।।

বাণীকান্ত কাকতিদেৱে এইদৰে 'নাম-ঘোষা'ৰ তিনিটা ভাৱৰ ধাৰা বিশ্লেষণ কৰিছে। ইয়াৰ উপৰি 'নাম-ঘোষা'ত ভক্তি ধৰ্মৰ অনেক তত্ত্ব প্ৰকাশ কৰা হৈছে।

**ভক্তিৰ অহৈতুকিতা ঃ**

সকলো সাধন মাৰ্গৰ চৰম লক্ষ্য হ'ল মুক্তি। ইহকাল পৰকালৰ সকলো প্ৰকাৰ দুখৰ হাত এৰাই সকলো সময়তে অবিচলিত অৱস্থাৰ থকা অৱস্থাকেই মুক্তি বুলি কোৱা হয়। এই মুক্তি সকলো সাধকৰ পৰম পুৰুষাৰ্থ। কিন্তু একান্ত ভকতসকলে তেনে মুক্তি সুখকো বাঞ্ছা নকৰে। তেওঁলোকে কেৱল ৰসময় ভকতিহে বাঞ্ছা কৰে।

মহাপুৰুষ মাধৱদেৱে 'নাম-ঘোষা'ৰ প্ৰথম ঘোষাতেই তেনে মুক্তিতো নিস্পৃহ ভকতজনক প্ৰণাম কৰি ৰসময় ভক্তি প্ৰাৰ্থনা কৰিছে --

'মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।

সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন যদুপতি।।'১।।

ঈশ্বৰৰ ভক্তি লাভেই মানুহৰ বাবে শ্ৰেষ্ঠতম লাভ। ঈশ্বৰ ভক্তিৰ ওচৰত মুক্তি বা নিৰ্বাণ গৌণ। কিয়নো যেতিয়ালৈকে হৃদয়ত মুক্তি আকাঙ্ক্ষা ৰূপ পিশাচী বৰ্তমান থাকে, তেতিয়ালৈকে ভক্তি সুখৰ আস্বাদ জীৱই পাব নোৱাৰে।

ভগৱান কৃষ্ণৰ গুণানুকীৰ্ত্তনত ভক্তৰ অন্তৰৰ ভক্তিতেই ভক্তৰ আনন্দ। ইয়াতেই ভক্তিৰ অহৈতুকিতা সুন্দৰভাৱে প্ৰকাশিত হৈছে--

'হৰিনামে হৰিনামে হৰিনামে গতি।
হৰিনামে ভকতৰ কেৱলে ভকতি।।'৫৭৪।।

**শ্ৰৱণ-কীৰ্ত্তনৰ শ্ৰেষ্ঠতাঃ**

শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চন, পদসেৱন, দাস্য, সখিত্ব, বন্দন আৰু দেহ অৰ্পণ - এই নৱবিধ ভক্তিৰ ভিতৰত মহাপুৰুষ শঙ্কৰদেৱে প্ৰচাৰ কৰা বৈষ্ণৱ ধৰ্মত শ্ৰৱণ-কীৰ্ত্তনত শ্ৰেষ্ঠ স্থান দিয়া হৈছে।[৮]

'এই নৱবিধ ভক্তিৰ ভিতৰত 'নাম' (কীৰ্ত্তন) বাছি লোৱাত শঙ্কৰদেৱৰ বিচাৰ বিচক্ষণতা লক্ষ্য কৰিবলগীয়া। কীৰ্ত্তনত (নামত) শ্ৰৱণ, স্মৰণ, বন্দন চাৰিবিধ ভক্তি স্বভাৱতে একত্ৰিত। নামৰ (কীৰ্ত্তনৰ) ভিতৰেদি বিষ্ণুৰ অপৰূপ যি ৰূপ বা নিৰ্গুণ যি গুণ প্ৰকাশ পায়, যেনে 'ধ্যান-বৰ্ণনা'তে দাস্য-সখিত্ব ভাৱে আৰু অৰ্চন, পদসেৱন সহ অৰ্পণ আদি কাৰ্য্য আৰোপিত হ'ব পাৰে।'[৯]

মাধৱদেৱৰ 'নাম-ঘোষা'ত শ্ৰৱণ কীৰ্ত্তনতৰ শ্ৰেষ্ঠতা বহুকেইটা ঘোষাত উচ্চস্বৰে ঘোষণা কৰিছে----

'কৰ্ম্মত বিশ্বাস যাৰ হিয়াত থাকন্তো হৰি
আতিশয় দূৰ হোন্ত তাৰ।
দূৰতো বিদূৰ হোন্ত তাৰ।
অহংকাৰ থাকন্তেও সাক্ষাতে কৃষ্ণক পাৰে
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম যাৰ।। ৫।।
'শুনা সভাসদচয় নেৰিবা শাস্ত্ৰৰ নয়
হৰিগুণ ভাগৱত সাৰ।
সাধুসঙ্গ অনুসৰা শ্ৰৱণ কীৰ্ত্তন কৰা
পৰিহৰা পাষণ্ড আচাৰ।।' ৩৪।।





আগম পন্থৰ কৰ্মানুষ্ঠান সমূহক কৰ্ম বুলি কোৱা হয়। এনে কৰ্মত (কৰ্ম-কাণ্ডত) বিশ্বাসীজনৰ অন্তৰত ঈশ্বৰ থাকিও নথকাৰ দৰে, কিয়নো এনে ক্ৰিয়া-কাণ্ডই ভগৱৎপ্ৰাপ্তি নঘটায়। কেৱল হৰি নাম শ্ৰৱণ কীৰ্ত্তনেহে "সহজাত ভগৱৎপ্ৰাপ্তি ঘটাব পাৰে। হৰিগুণ নাম শ্ৰৱণ কীৰ্ত্তন কৰি তেওঁৰ আশ্ৰয় ল'বলৈহে জীৱই অনেক জন্মৰ সৌভাগ্যৰ বলত মানুহে জন্ম পাবলৈ সক্ষম হয়। জীৱনত মানৱ শৰীৰ ধাৰণ কৰাৰো মুখ্য উদ্দেশ্য হ'ল হৰিনাম শ্ৰৱণ কীৰ্ত্তন কৰি ভগৱানক ভজনা কৰাটো--

'হৰি নাম গুণ শ্ৰৱণ কীৰ্ত্তন
ভজিও হৰি চৰণ।
মনুষ্য হুইবাৰ এহিমানে মাত্ৰ
জানা নিজ প্ৰয়োজন।।'১১৮।।

শ্ৰীমন্ত শঙ্কৰদেৱে সত্ত্ব, সজ, তম গুণাতীত ভগৱানৰ লীলা চৰিত্ৰ প্ৰকাশ কৰি তেওঁৰ উপাসনাৰ পন্থ উলিয়ালে; সেই কাৰণে আজি পাপীসকলেও ভগৱানৰ নাম-গুণ শ্ৰৱণ কীৰ্ত্তন কৰি অনায়াসে গতি লাভ কৰে--[৯]

'নিৰ্গুণ কৃষ্ণৰ গুণক প্ৰকাশ
কৰিলা শ্ৰীশঙ্কৰে।
শ্ৰৱণ- কীৰ্ত্তন কৰি মহা সুখে
পাপীয়ো সংসাৰ তৰে।।'৩৫৭।।

গীতা শাস্ত্ৰত স্বয়ং ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কীৰ্ত্তনৰ শ্ৰেষ্ঠতা সম্পৰ্কে অৱগত কৰাইছে। মাধৱদেৱে 'নাম-ঘোষা'ত তাৰ সাৰলীল ভাবান্তৰ এনেদৰে কৰিছে --

'মোত হন্তে হোৱে চৰাচৰ মোতেসে প্ৰৱৰ্ত্তে নিৰন্তৰ
ইহাক অৰ্জ্জুন জানে যিটো মহাজন।
পৰম বিৱেকী সিটোজন মোৰ ভাৱ যুক্ত হুয়া মন
মোকে মাত্ৰ ভজে শ্ৰৱণ কৰি কীৰ্ত্তন।।' ৬১৫।।

**জ্ঞান কৰ্মতকৈ ভক্তিৰ শ্ৰেষ্ঠতাঃ**

বেদৰ বিহিত যিমানবিলাক ধৰ্ম পন্থ আছে সেই সকলোবোৰৰ ভিতৰত ভক্তি ধৰ্ম পন্থকে উত্তম বুলি কোৱা হৈছে। মহাপুৰুষ শঙ্কৰদেৱে 'কীৰ্ত্তন-ঘোষা'ত তপ, যজ্ঞ, দান আদি সকলো ধৰণৰ জ্ঞান কৰ্মতকৈ যে ভক্তি শ্ৰেষ্ঠ সেইকথা কেইবাঠাইতো উল্লেখ কৰিছে।[১০] মাধৱদেৱেও 'নাম-ঘোষা'ত ভক্তিৰ শ্ৰেষ্ঠত্বম কথা কেইবাটাও ঘোষাত বৰ্ণনা কৰিছে।

একান্ত ভক্তিয়েই পুৰুষক উদ্ধাৰ কৰিব পাৰে। তাৰবাবে কোনো কৰ্মানুষ্ঠানৰ

বা জ্ঞানৰ প্ৰয়োজন নাই। যেতিয়ালৈকে জীৱ ভক্তিযুক্ত নহয় তেতিয়ালৈকে জীৱক জ্ঞান কৰ্মই উদ্ধাৰ কৰিব নোৱাৰে----

'কেৱলে ভকতি পুৰুষক তাৰে
সহায় কাকো নচাৰে।
জ্ঞান কৰ্ম্মে তাৰে তাৰিতে নপাৰে
ভকতি নপাৰে যাৰে।'।।২০০।।

সকলো ধৰণৰ জ্ঞান কৰ্মই সত্ত্ব, ৰজঃ, তমঃ ত্ৰিগুণাযুক্ত। এই জ্ঞান কৰ্ম জীৱৰ বন্ধনৰ কাৰণেহে ইয়াকে জানি সেইবোৰ পৰিত্যাগ কৰি একান্ত ভক্তিসহকাৰে শ্ৰীকৃষ্ণৰ চৰণত ভজনা কৰিবলৈ মহাপুৰুষ মাধৱদেৱে 'নাম-ঘোষা'ত আহ্বান জনাইছে।

'কৃষ্ণকেসে মাত্ৰ ভজে যিটোজনে
অব্যভিচাৰী ভকতি।
তিনিগুণ অতি ক্ৰমি ব্ৰহ্মৰূপ
পাৰে সিটো মহামতি।।'২১১।।
'তিনি গুণময় যত জ্ঞান কৰ্ম্ম
কেৱল বন্ধ কাৰণ।
জানি তাক তেজি একান্ত ভকতি
ভজিয়ো কৃষ্ণ চৰণ।।'২১২।।

নাম-ঘোষাত মাধৱদেৱে একমাত্ৰ কৃষ্ণ ভজনকহে অব্যভিচাৰী ভকতি বুলি উল্লেখ কৰিছে। শ্ৰীমদ্ভগৱত গীতাত ভগৱান কৃষ্ণই কৈছে--বেদ অধ্যয়ন, তপ, দান যজ্ঞ আদিৰে শ্ৰীকৃষ্ণক (ভগৱন্তক) পোৱা নাযায়। অনন্য ভক্তিৰ দ্বাৰাহে ভগৱন্ত কৃষ্ণক জানিব পৰা যায়। জ্ঞানমাৰ্গাদিৰ দ্বাৰা ভগৱানক কোনোমতে পাব নোৱাৰি। এইবোৰ ব্যভিচাৰী ভক্তি--এইবোৰ শুদ্ধ ভক্তিৰ অংগ নহয়।[১১]

অনন্ত কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী হৰি বা ঈশ্বৰ কৃষ্ণ দেৱৰো দুৰ্ল্লভ। তেওঁক একমাত্ৰ ভকতিৰেহে বশ কৰিব পাৰি। আগম, নিগম, গীতা ভাগৱত প্ৰভৃতি শাস্ত্ৰৰ এইটোৱেই অতি গুহ্য তত্ত্ব। ভগৱন্ত পুৰুষ একমাত্ৰ ভকতিৰহে বশ্য।[১২]

'দেৱৰো দুৰ্ল্লভ ঈশ্বৰ কৃষ্ণক
ভকতিসে কৰে বশ্য।
আগম নিগম গীতা ভাগৱত
শাস্ত্ৰৰ এহি ৰহস্য।।'২২১।।





**অৱতাৰবাদ ঃ**

বৈষ্ণৱ ধৰ্মত অৱতাৰবাদ স্বীকাৰ কৰা হৈছে। অৱতাৰবাদত বিশ্বাস ভাৰতবৰ্ষৰ জনমানসত স্থায়ীভাৱে থকা সনাতন বিশ্বাস। যাৰ মাজেদি ঐশ্বৰিক অভিব্যক্তি বেছিকৈ প্ৰকাশ পায়, তেওঁকে ভাৰতীয় হিন্দুৱে শ্ৰদ্ধা আৰু ভক্তিৰে পূজা কৰে। তেওঁৰ কৰ্মৰ মাজেদি মানুহে ঈশ্বৰৰ মহান শক্তিৰ পৰিচয় পায় আৰু ঈশ্বৰৰ কৰুণা উপলব্ধি কৰে। অৱতাৰসকলৰ প্ৰতি ভক্তি-অনুৰাগ প্ৰকাশ কৰা হয়, সি কৃতজ্ঞ মানুহৰ শ্ৰদ্ধাৰ অঞ্জলি।

অৱতাৰবাদ বা অৱতাৰ তত্ত্ব আধ্যাত্মিক জগতৰ নিয়মৰ বাঙ্ময় প্ৰকাশ। ঈশ্বৰ জগতৰ ত্ৰাণকৰ্তা। সেইবাবে যেতিয়া অশুভ শক্তিয়ে মানবীয় মূল্যবোধক ধ্বংস কৰিবলৈ বিচাৰে, তেতিয়াই ঈশ্বৰে তেওঁৰ পৰমবিভূতিৰে জগতৰ মাজৰে এজন হৈ নিজকে প্ৰকাশ কৰে।[১৩] ভগৱদগীতাত সেয়েহে কোৱা হৈছে--

যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম।। ৭।।
পৰিত্ৰাণায় সাধুনাং বিনাশয় চ দুস্কৃতাম।
ধৰ্ম্ম সংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।। ৮।। চতুৰ্থ অধ্যায়

পৃথিৱীত যেতিয়াই ধৰ্মৰ গ্লানি ঘটে, অধৰ্মই সমাজত মূৰ দাঙি উঠে, সন্তসকল দুষ্ট লোকৰ দ্বাৰা পীড়িত হয়, তেতিয়া দুষ্টক দমন আৰু সন্তক পালন কৰি সত্যক প্ৰতিষ্ঠা কৰিবৰ কাৰণে ঈশ্বৰে অৱতাৰ ধাৰণ কৰে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে 'কীৰ্ত্তন-ঘোষা'ৰ আৰম্ভণিতেই চতুৰ্বিংশতি অৱতাৰ বৰ্ণনা কৰিছে। মাধৱদেৱেও 'নাম-ঘোষা'ৰ প্ৰথম পৰ্যায়তে দশ অৱতাৰৰ কথা বৰ্ণনা কৰিছে।

মৎস্য কুৰ্ম্ম নৰসিংহ বামন পৰশুৰাম
হলিৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কী নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৰে কৰোঁহো প্ৰণাম।।' ৩।।

বিষ্ণুৱে মৎস্য, কুৰ্ম, বৰাহ, নৰসিংহ, বামন, পৰশুৰাম, শ্ৰীৰাম, হলিৰাম, বুদ্ধ আৰু কল্কী-এই দশ প্ৰকাৰ ৰূপ ধৰি পৃথিৱীৰ পাপ হৰণ কৰি বিনন্দীয়া সৃষ্টি ৰক্ষা কৰিছে। সমস্ত অৱতাৰেই ভগৱান বিষ্ণুৰ কলা বা অংশ অৱতাৰ। একমাত্ৰ শ্ৰীকৃষ্ণ স্বয়ং ভগৱান অৰ্থাৎ পূৰ্ণ অৱতাৰ। পূৰ্ণ অৱতাৰ কৃষ্ণক প্ৰণাম জনাই মাধৱদেৱে 'নাম-ঘোষা'ৰ আৰম্ভণি কৰিছে।

**একশৰণ তত্ত্ব ঃ**

শঙ্কৰদেৱেৰ ভক্তিমত একশৰণীয়া। মহেশ্বৰ নেওগে "The Bhakti Ratnakara of Sankardeva and History of the concept of Bhakti" গ্ৰন্থত কৈছে- 'Sankardeva made about thirty seven books through which the propounded the doctrine of ekasarana nama dharma of the three cardinal tenets of his faith, he is said to have taken ekasarana or sole devotion from Bhagavadgita, Satsanga or the company of the saintly as an effective sadharna from the Bhagavata purana and name or the effciency of the names or songs of the lord from the Sahasra nama section of the padmapurana uttara khanda.'[১৪]

এই একশৰণ তত্ত্ব শঙ্কৰদেৱৰ ৰচনাৱলীত নানাধৰণে প্ৰকাশ হৈছে। মাধৱদেৱেও তেওঁৰ ৰচনাৱলীত বিশেষকৈ 'নাম-ঘোষা'ত একশৰণ'ৰ ওপৰত বহু কেইটা ঘোষা ৰচনা কৰিছে।

যেতিয়ালৈকে জীৱই ভগৱন্তৰ দুখনি অভয় একান্তভাৱে শৰণাপন্ন হ'ব নোৱাৰে, তেতিয়ালৈকে মায়াৰ বন্ধন ছেদ কৰি মুক্ত হ'ব নোৱাৰে।

'হৰিপদ সেৱা নকৰে নিমিত্তে
মায়ায়ে বান্ধি ফুৰাৰে।
তাৱত মায়াক নতৰে হৰিত
শৰণ নলৰে যাৰে।।'১৮২।।

জ্ঞান, কৰ্ম, যোগাদিৰ দ্বাৰা সংসাৰ বন্ধনৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় থাকিলেও সেইবোৰ গৌণ আৰু বহু বিঘিনিযুক্ত। ঈশ্বৰৰ ত্ৰিগুণাত্মিকা মায়াৰ পৰা মুক্ত হ'বৰ একমাত্ৰ উপায় স্বৰূপে শ্ৰীমদ্ভগৱত গীতাত শ্ৰীকৃষ্ণই তেওঁত একশৰণ হোৱাটোকেই নিৰ্দেশ কৰিছে। 'নাম-ঘোষা'ত মাধৱদেৱে সেই একশৰণ তত্ত্বৰেই সম্ভেদ দিছে।

'কৃষ্ণ নিগদতি সব্যসাচী পৰমাৰ্থ তত্ত্ব লৈয়ো বাছি
সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আহ্মাত।
মোত মাত্ৰ সদা দিয়া চিত গায়ো মোৰ গুণ নাম গীত
সকল শাস্ত্ৰৰ কহিলো সাৰ সাক্ষাত।।' ৬১৬।।

শৰণাগত হ'লেই নহ'ব। এই শৰণ হ'ব লাগিব দৃঢ়। কেৱল দৃঢ় হলেই





নহ'ব; সুদৃঢ় হ'লেহে সিদ্ধ হ'ব। সুদৃঢ় ভক্তিৰে কায়-মনো-বাক্যে ভজনা কৰিলেহে ভগৱানৰ একান্ত প্ৰিয়জন হ'ব পাৰি। গীতাৰ এই সত্য বাণী মাধৱদেৱে 'নাম-ঘোষা'ত প্ৰকাশ কৰিছে।

'মোতে মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোকে পূজা মাত্ৰ মোকে কৰা নমস্কাৰ।
কহিলো তোহ্মাত সত্যবাণী পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃদ সখি আহ্মাৰ।।' ৬১২।।

'মহাভাৰত'ৰ কুৰুক্ষেত্ৰৰ যুদ্ধত শোকগ্ৰস্ত অৰ্জুনৰ শোকমোহ দূৰ কৰিবৰ বাবে ভগৱান শ্ৰীকৃষ্ণই উপদেশ দি কৈছিল-হে সখি, সদায় মোতে চিত্ত আৰোপ কৰি, মই তোমাক নিশ্চয় কৈ ক'লো-একান্তভাৱে মোৰ ভক্তি কৰিলে অন্তকালত তুমি মোক সহজেই লাভ কৰিবা। এইকথা শাস্ত্ৰৰ সাৰ তত্ত্ব।

মহাপুৰুষ শঙ্কৰদেৱে গীতাৰ একশৰণকেই গ্ৰহণ কৰিছে। মাধৱদেৱে এই একশৰণ 'নাম-ঘোষা'ত প্ৰকাশ কৰিছে।[১৬] 'নাম-ঘোষা'ৰ অনেক ঘোষাত মাধৱদেৱে ঈশ্বৰৰ ওচৰত একশৰণ প্ৰাৰ্থনা কৰিছে আৰু এই একশৰণ'ৰ বাবে মনক আহ্বান জনাইছে।

'প্ৰভু ভগৱন্ত অনন্ত ঈশ্বৰ
প্ৰপন্ন জন তাৰণ।
তুমি প্ৰিয়তম পৰম দেৱতা
জানিয়া লৈলো শৰণ।।'১৮৭।।

**প্ৰসাদ তত্ত্ব ঃ**

কায়মনবাক্যে ঈশ্বৰৰ চৰণত শৰণাগত হোৱাজনেহে ঈশ্বৰৰ কৃপা লাভ কৰিব পাৰে। ভগৱানৰ কৃপাৰূপে প্ৰসাদ যেতিয়ালৈকে লাভ কৰিব নোৱাৰে তেতিয়ালৈকে ভক্তৰ অন্তৰত আত্মজ্ঞান উদ্ভৱ নহয়। আত্মজ্ঞান উদয় হ'লেহে জীৱই ঈশ্বৰৰ ত্ৰিগুণাত্মিক মায়াক অতিক্ৰম কৰিব পাৰে। গীতা শাস্ত্ৰত স্বয়ং ভগৱান শ্ৰীকৃষ্ণই সেই কথা ব্যক্ত কৰিছে।[১৭]
মহাপুৰুষ মাধৱদেৱে 'নাম-ঘোষা'ত এই প্ৰসাদতত্ত্বৰ সম্ভেদ দিছে।

'ভগৱন্ত ভক্তি যুক্ত পুৰুষৰ আত্মবোধ
মাধৱৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাত তেৰে গুচয় সংসাৰ ভয়
এহিমানে গীতাৰ নিৰ্ণয়।।'৬১৭।।

মায়াৰ দ্বাৰা আবৃত জীৱই ভ্ৰম বশতঃ ঐহিক সুখ সম্পদকে শেষ সত্য বুলি মানি পৰম পদ লাভৰ পৰা বঞ্চিত হয়। কিন্তু যিসকল শৰণাগত ভক্তই একান্ত ভাৱে কৃষ্ণক ভজনা কৰে তেওঁলোকেহে কেৱল এই ভগৱন্তৰ ত্ৰিগুণাত্মিকা অলৌকিকী মায়াক তৰিব পাৰে।

'যেবে হৰিপদে শৰণ পশিয়া
হৰিনাম লৱে মুখে।
হৰিৰ প্ৰসাদ পাৱয় সিজনে
মায়াকো তড়য় সুখে।।'৩৬৭।।

শুদ্ধভাৱে কৃষ্ণপদ পঙ্কজত শৰণাগত হৈ হৰি গুণ-কীৰ্ত্তনৰ দ্বাৰা ভগৱানৰ প্ৰসাদ লাভ কৰি সংসাৰৰ সকলো বিঘ্নিকে হেলাৰঙে অতিক্ৰম কৰিব পাৰি--

'যিটোজনে শুদ্ধভাৱে হৰিত শৰণ লৈয়া
হৰিক সুহৃদ বুলি আছে।
হৰিৰ প্ৰসাদে সিটো বিঘ্নিৰ মুণ্ডত ভৰি
দিয়া হৰি গুণ গায়া নাচে।।'৬।।

**সৎসংগ মাহাত্ম্য ঃ**

মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মত সৎসংগৰ মহিমা দৃঢ়তাৰে ঘোষণা কৰা হৈছে। মহাপুৰুষ শঙ্কৰদেৱে 'কীৰ্ত্তন-ঘোষা' গ্ৰন্থত ভকতি লাভৰ মুখ্য উপায়সমূহৰ ভিতৰত সৎসংগ গ্ৰহণক প্ৰথম স্থান দিছে।[১৮] বিষ্ণু বা কৃষ্ণৰ একান্ত ভক্ত সকলেই সৎসংগ হ'ল। ঈশ্বৰৰ একান্ত ভক্ত মহন্তসকলৰ সংগ লাভ অবিহনে ভক্তি লাভ সম্ভৱ নহয়।

মাধৱদেৱে বহুত ঘোষাত সৎসংগৰ মাহাত্ম্য প্ৰকাশ কৰিছে। ঈশ্বৰৰ 'মায়া'ৰ প্ৰভাৱত ভ্ৰমবশতঃ (জীৱই) লোকে বিষয় বাসনা পৰিত্যাগ কৰি হৰি ভজনাত একান্তভাৱে নিজক নিয়োজিত কৰিব নোৱাৰে। সাধু মহন্তৰ সংগত হৰি কথা শ্ৰৱণ কীৰ্ত্তনৰ দ্বাৰা লোকে মায়াৰ বন্ধন ছেদ কৰিবলৈ সক্ষম হয়--

'মনৰ চঞ্চলতাক সম্বৰণ কৰাৰ একমাত্ৰ উপায় সৎসংগত থাকি হৰি কথা আলাপনত মনক আৱদ্ধ কৰাটো। সাধুসকলৰ লগত থাকি ভগৱানৰ নাম কীৰ্ত্তন কৰি থাকিলে মনৰ চঞ্চলতা দূৰ হয় আৰু অসৎ কাৰ্যৰ প্ৰতি আসক্ত মনক নিয়ন্ত্ৰণ কৰিব পাৰি।

'মহন্তৰ সঙ্গে সদায় মুখত
নাছাৰিবা ৰামবাণী।
তেৰেসে চঞ্চল দুৰাচাৰ মন





হৈবে আসি একজানি।।' ২৪০।।

সৎসংগৰ মহিমা প্ৰকাশ কৰিবলৈ গৈ মহাপুৰুষ মাধৱদেৱে নিজে দয়াৰ সাগৰ দৈৱকী নন্দন, ভগৱান কৃষ্ণৰ ওচৰত প্ৰাৰ্থনা জনাই কৈছে--

'কৃপাৰ সাগৰ দৈৱকী নন্দন
পূৰিয়ো মনৰ কাম।
ভকতৰ সঙ্গ সদা নুগুচক
মুখে তুৱা গুণ নাম।।'৩১৬।।

**দাস্য ভাৱ ঃ**

মহাপুৰুষ মাধৱদেৱৰ সাহিত্য প্ৰতিভা সম্পৰ্কে নিজৰ মত ব্যক্ত কৰি বাণীকান্ত কাকতিদেৱে কৈছে--'বাৎসল্য ৰসৰ উদয়াচলত আৱিৰ্ভূত হৈ দাস্যভাৱৰ অস্তাচলত মাধৱদেৱৰ সাহিত্য প্ৰতিভা মাৰ গৈছে।'[১৯] ভক্ত কবি মাধৱদেৱে হৃদয়ৰ সমস্ত আৱেগ ঢালি ৰচনা কৰা 'নাম-ঘোষা'ত দাস্যভাৱক কবিত্বৰ চৰম সীমালৈ উন্নীত কৰিবলৈ সক্ষম হৈছে।

কৃষ্ণৰ মহিমা আৰু ভক্তৰ প্ৰতি থকা বাৎসল্য প্ৰীতিয়ে ভক্তৰ মনক আকৰ্ষণ কৰে। ভগৱানৰ সেৱাত নিজকে নিয়োজিত কৰি ভক্তই কৃতাৰ্থ অনুভৱ কৰে আৰু এক আলৌকিক আনন্দত অৱগাহন কৰে। 'সেৱা' স্থায়ী ভাৱৰ পৰাই ভক্তৰ অন্তৰত এনে দাস্যভাৱৰ সৃষ্টি হয়। যাৰ ফলত ভক্তই ভগৱান কৃষ্ণক প্ৰভু বা গৰাকী আৰু মহামহিমান্বিত বুলি ভাবে। আনহাতে নিজকে সেই প্ৰভুৰ ভৃত্য আৰু দীনহীন বুলি ভাবে। এই ভাব ভক্তিৰ চৰম পৰ্যায়। সকলো ভক্তৰ অন্তৰত এনে ভাৱ উদয় নহয়। এনে দাস্যভাৱৰ অনেক ঘোষা মাধৱদেৱে 'নাম-ঘোষা'ত সংকলিত কৰিছে।

'মই অনাথক দায়া কৰহু পৰমানন্দ
দাস বুলি ধৰিয়ো মনত,
থৈয়ো নিজ ভৃত্যৰ সংগত।
আঙ্গুলি মুখত কৰো দান্তে তৃণ তুলি ধৰো
কেশ ছিণ্ডি দিয়ো চৰণত।।'৭০।।

**অসমৰ বৈষ্ণৱ ধৰ্মৰ চাৰিতত্ত্ব ঃ**

'চাৰিতত্ত্ব' অসমৰ বৈষ্ণৱ ধৰ্মৰ লক্ষণীয় বৈশিষ্ট্য। এই চাৰিতত্ত্ব হ'ল-- গুৰু, দেৱ, নাম, ভকত। অসমৰ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মত যাক 'চাৰিসত্য' বা 'চাৰিবস্তু' বুলি কোৱা হয়। সকলো বৈষ্ণৱ মতত এই 'চাৰি সত্য' অন্তৰ্নিহিত ৰূপত থকা দেখা যায়।

মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰয়াণৰ আগলৈ অসমৰ বৈষ্ণৱ ধৰ্মত 'গুৰু'ক বাদে দেৱ, নাম আৰু ভকত -- এই তিনি সত্যহে প্ৰকাশিত ৰূপত আছিল।

মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মত একমাত্ৰ কৃষ্ণ বা বিষ্ণুকহে উপাস্য দেৱতা বুলি স্বীকাৰ কৰা হৈছে। অন্য দেৱ-দেৱীৰ পূজা সেৱা এই ধৰ্ম্মত সম্পূৰ্ণৰূপে বৰ্জনীয়। 'একদেৱ, একসেৱ এক বিনে নাই কেৱ'-নামঘোষা'ৰ অনেক ঘোষাত মাধৱদেৱে এই সত্য প্ৰকাশ কৰিছে।

'একেখানি মাত্ৰ শাস্ত্ৰনিষ্ঠ দেৱকী নন্দনে কৈলা যাক
দেৱো একে মাত্ৰ দেৱকীদেৱীৰ সুত।
দেৱকী পুত্ৰৰ পদসেৱা কৰ্ম্মো এক এহিমানে মাত্ৰ
মন্ত্ৰো একে তান নাম-মাত্ৰ অদভুত।।'৬৬৬।।

মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মক 'নামধৰ্ম বুলিও কোৱা হয়। একান্ত উপাস্য দেৱতা শ্ৰীকৃষ্ণৰ গুণ নামশ্ৰৱণ কীৰ্ত্তন নেই এই নাম ধৰ্মৰ মুখ্য উপাসনা। মাধৱদেৱৰ শ্ৰেষ্ঠ কাব্যকৃতি 'নাম-ঘোষা'। নাম প্ৰকাশক গ্ৰন্থ হিচাপে বিশেষ তাৎপৰ্যপূৰ্ণ। 'নাম'ৰ যত জয় ঘোষণা কৰা হৈছে-সেই অৰ্থতেই গ্ৰন্থখনিৰ নাম 'নাম-ঘোষা'।

হৰিৰ নাম আৰু হৰি অভেদ-এই কথা নিশ্চত ভাবে মাধৱদেৱে নামঘোষাত ঘোষণা কৰিছে--

'আপোননামৰ সঙ্গ নছাৰন্ত হৰি।
যেই নাম সেই হৰি জানা নিষ্ঠ কৰি।।'৫১৪।।

নাম আৰু নামীৰ মাজত কোনো প্ৰভেদ নাই। নামৰ প্ৰভাৱ অপৰিসীম। অধমজনকো নামে শুদ্ধ কৰিব পাৰে--

'ৰাম কৃষ্ণ নামৰ দেখিয়ো কেনে বল।
অধমকো নামে কৰে পৰম নিৰ্ম্মল।।'৫০০।।

'নাম'ৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰিবলৈ গৈ মাধৱদেৱে 'নাম-ঘোষা'ৰ শেষ পৰ্যায়ত নামৰ মহিমাকেই দোহাৰিচে। সকলো ধৰ্ম্মৰ সাধন পন্থৰ পৰম পুৰুষাৰ্থ নিৰ্বাণ বা মুক্তিকো বশ্য কৰিব পাৰে।

'মুকুতি সুখক বশ্য কৰি হৰি নামে আনন্দতে নাচে।
পুৰুষে সহিতে সখিত্ব কৰিয়া চলয় হৰিৰ কাচে।।' ৯৯৫।।

নিজৰ 'নাম'ৰ এনে অদ্ভুত মহিমা দেখি হৰিৰ আনন্দ বৃদ্ধি হয়। যিজনে হৰি নাম লয় তেওঁ হৰিৰ আপোনজন হয়, ই অতি ৰহস্যৰ কথা--

'আপুন নামৰ মহিমা দেখিয়া হৰিৰ আনন্দ চড়ে।





যিটো নাম লয় হৰি তাৰ হয় ই পুনু ৰহস্য বৰে।।'৯৯৬।।

মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ চাৰিবস্তুৰ এটি হ'ল ভকত অৰ্থাৎ ভগৱানৰ একান্ত ভক্তজন। ভক্তি ধৰ্মত ভকত ভগৱানতকৈয়ো শ্ৰেষ্ঠ। সৎসংগতহে কেৱল ভক্তি লাভ সম্ভৱ--

'ৰাম নাম লৈয়ো মন তেজি আশা আন।
ভকতৰ সংগে পাতা নামৰ দোকান।।'৫২৮।।

আন আশা ত্যাগ কৰি হে মন, তুমি ৰাম নাম লোৱা আৰু ভকতৰ সংগত নামৰ দোকান পাতা। জীৱৰ আকাঙ্ক্ষা অন্তহীন। মনক আশাৰ পিছত ধাৱিত হ'বলৈ দিলে জীৱৰ পক্ষে একান্তভাৱে ভগৱত ভক্তি কৰা সম্ভৱ নহয়। আৱশ্যকীয় বস্তু আমি দোকানৰ পৰা ক্ৰয় কৰি সংগ্ৰহ কৰাৰ দৰে সন্ত মহন্তৰ সংগত সদায় ভগৱানৰ নাম গুণ-কীৰ্ত্তন কৰি সহজে বুজিব নোৱাৰা পাৰমাৰ্থিক তত্ত্ব লাভ কৰিবলৈ সততে যত্ন পৰ হ'ব লাগে। ভকত ঈশ্বৰৰ পৰম প্ৰিয়তম--

'হৰিৰ পৰম প্ৰিয়তম নাই
হৰি ভকতত পৰে।
হেন ভকতক যিজনে নিন্দয়
হৰিকেসে নিন্দা কৰে।।' ২৭৬

'নাম-ঘোষাত এইদৰে 'ভকত' মহিমা ব্যক্ত কৰা হৈছে। একশৰণ নাম ধৰ্ম মতত গুৰুৰ স্থান অতি তাৎপৰ্যপূৰ্ণ। মাধৱদেৱৰ গুৰুভক্তিৰ অতুলনীয় নিদৰ্শন অন্যত্ৰ পাবলৈ নাই। ভকতজনক ভকতি দানৰ ক্ষেত্ৰত গুৰুজনে নিজৰ সন্তানতকৈয়ো অধিক স্নেহ কৰে।

'ভকতক ভকতি দানে কৰু গুৰু
দায়া তনয় অধিক।। (গুৰু ভটিমা)

'নাম-ঘোষা'ত মহাপুৰুষ মাধৱদেৱে পৰম ভক্ত গুৰুজন আৰু ভগৱানৰ মাজত কোনো প্ৰভেদ নাই বুলি আধ্যাত্মিক সাধন-পন্থৰ নিগূঢ়তত্ত্ব ব্যক্ত কৰিছে।

'হৰি যেন আতি কৃপাময় ভক্ত গুৰুজনো সেহিনয়
দুয়োজন এক শৰীৰত মাত্ৰ ভিন্ন।
কৃপাৰসে তুষ্ট হুয়া চিত্ত লোকৰ হিতক চিন্তি নিত
নিজ গুণে তুষ্ট দুয়ো অহংকাৰহীন।।' ৬৮১।।

পৰমেশ্বৰ ভগৱান সকলো জীৱৰ হৃদয়তে আছে বাবেই জীৱই চৈতন্য লাভ কৰি আছে। আনহাতে বাহিৰতো মহন্ত গুৰু স্বৰূপে ভগবানে জীৱকেই কৃপা

কৰি আছে।

'বাহিৰে ভিতৰে তুমি হৰি গুৰু
আছাহা চৈতন্য ৰূপে।
দিয়োক সুমতি তুমি বিনে গতি
নাহিকে কৈলো স্বৰূপে।।' ৩০৫।।

পৰম ভক্ত মাধৱদেৱে মহাপুৰুষ শঙ্কৰদেৱক তেনে এগৰাকী কৃপালু গুৰুৰূপে 'নাম-ঘোষা'ত প্ৰকাশ কৰিছে। এনে হৰি ভক্তি দাতা গুৰুতকৈ আন কোনো পৰম বান্ধৱ নাই ----

'হৰি ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।
হেনয় কৃপালু শঙ্কৰ বিনাই
নাহি নাহি আন বন্ধু।।' ৩৭৩।।

**'নামঘোষা'ৰ দৰ্শনঃ**

অসমৰ বৈষ্ণৱ ধৰ্মৰ দৰ্শনো মাধৱদেৱৰ 'নাম-ঘোষা'ত লিপিবদ্ধ হৈ আছে। মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মত গীতা আৰু ভাগৱত শাস্ত্ৰৰ মতকেই গ্ৰহণ কৰা হৈছে। প্ৰকৃততে ব্ৰহ্ম নিৰ্গুণ, নিৰাকাৰ, অনাদি, অব্যক্ত, সত্য-শুদ্ধ-চৈতন্য স্বৰূপ। কিন্তু ভাগৱত আৰু গীতাৰ কৃষ্ণ বা বিষ্ণু সগুণ ব্ৰহ্ম। কৃষ্ণ বা বিষ্ণুৱেই নিৰ্গুণ পৰম ব্ৰহ্ম মূৰ্ত্তিমান আনন্দময় সগুণ ৰূপ।

মহাপুৰুষ মাধৱদেৱে এই সগুণ ব্ৰহ্ম কৃষ্ণকেই 'তুমি গুণ নিয়ন্তা নিৰ্গুণ গুণ ধাম।' বুলি নাম-ঘোষাত উল্লেখ কৰিছে। পৰম ব্ৰহ্মৰ সাকাৰ ৰূপ কৃষ্ণ চৈতন্য স্বৰূপ, নিত্য, সত্য, শুদ্ধ অখণ্ডিত জ্ঞানৰ আকাৰ---

'হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।।'৮৪।।

যদিও কৃষ্ণ বা বিষ্ণু নিৰ্গুণ পৰম ব্ৰহ্মৰ মূৰ্ত্তিমান আনন্দময় সগুণ ৰূপ, একান্ত ভক্তসকলে নিৰ্গুণ কৃষ্ণৰহে গুণানুকীৰ্ত্তন কৰে।

'একান্ত ভকত সৱে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।।'৪।।

ঈশ্বৰ কৃষ্ণ যিহেতু ইন্দ্ৰিয়াতীত, অব্যক্ত, গতিকে তেওঁৰ কোনো প্ৰকৃত মূৰ্ত্তি নাই। তেনে স্থলত তেওঁক উপাসনা কৰিবলৈয়ো কেৱল ৰাম নাম কীৰ্ত্তন





কৰি চিত্ত শুদ্ধি কৰাৰ বাহিৰে অন্য উপায় নাই----

'অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাৱন্ত মূৰ্ত্তি শূন্য কেনে মতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন।।' ৮।।

মাধৱদেৱে 'নাম-ঘোষা'ত প্ৰকাশ কৰা একান্ত উপাস্য দেৱতা কৃষ্ণ নিৰাকাৰ ব্ৰহ্মৰেই গুণময় তত্ত্ব।

**পাদটীকাঃ**

১। দৈত্যাৰি ঠাকুৰঃ মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ আৰু মাধৱদেৱৰ চৰিত, পদ-১৬৯৪
২। মহেশ্বৰ নেওগঃ শ্ৰীশ্ৰীমাধৱদেৱ, পৃঃ ১১৮
৩। মহেশ্বৰ নেওগ সম্পাদিতঃ গুৰুচৰিত কথা, অনুচ্ছেদ ৯১১
৪। যোগীৰাজ বসুঃ বেদান্ত আৰু বৈষ্ণৱ ধৰ্ম, পৃঃ ৮১
৫। হিন্দুসকলে কল্পনা কৰা স্বৰ্গত থকা কল্পতৰু বৃক্ষই যেয়ে যি বিচাৰে তাকে দিব পাৰে বুলি ভৱা হয়।
৬। বাণীকান্ত কাকতিঃ বৰগীত, বাণীকান্ত চয়নিকা, পৃঃ ৭৫
৭। ভক্তি মুক্তি স্পৃহা যাৱৎ পিশচী হৃদি বৰ্ত্ততে।
তাৱদ্ভক্তি মুখস্য অত্ৰ কথমভ্যুদায়ো ভৱেৎ।।-ভাগৱত
৮। শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদ-সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহ অৰ্পণ।।
কীৰ্ত্তন-ঘোষা, প্ৰহ্লাদচৰিত, পদ ১২৫
৯। শ্ৰৱণ কীৰ্ত্তন আৰু বৈকুণ্ঠক যায়।
ধৰ্ম-অৰ্থ-কাম মোক্ষ সৱে আতপায়।।
কীৰ্ত্তন-ঘোষা, কৃষ্ণলীলামালা, পদ ১
১০। তপ জপ যজ্ঞ দান সৱে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।
কীৰ্ত্তন-ঘোষা, প্ৰহ্লাদ চৰিত, পদ ১৬৫
জ্ঞান কৰ্মত কৰি সম্প্ৰতি।
হৰি কীৰ্ত্তনেসে পৰম গতি।। -কীৰ্ত্তন-ঘোষা, পাষণ্ড মৰ্দ্দন, পদ ৩১

১১। 'নাহং ৰেদৈর্ন তপসা ন দানেন ন চেজ্যায়।
শক্য এৱাংবিধো দ্ৰষ্টুং দৃষ্টৱানসি মাং যথা।। ৫৩।।
ভক্ত্যা ত্বনন্যয়া শক্য অহমেৰংবিধোহৰ্জুন।
জ্ঞাতুং দ্ৰষ্টঞ্চ তত্বেন প্ৰৱেষ্টুঞ্চ পৰন্তপ।।'
৫৪।। শ্ৰীমদ্ভগৱদ্গীতা, একাদশ অধ্যায়
১২। 'অহং ভক্ত পৰাধীন হ্যস্বতন্ত্ৰ ইব দ্বিজ'-শ্ৰীমদ্ভগৱদ্গীতা
১৩। .................
১৪। .................
১৫। মম্মনা ভৱ মদ্ভক্তো মদ্যাজী মাং নমস্কুৰু।
মামেৱৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োহাসি মে।। ৬৫।।
-শ্ৰীমদ্ভগৱদ্গীতা, অষ্টাদশ অধ্যায়
১৬। সৰ্বধৰ্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
১৭। অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।। ৬৬।।
শ্ৰীমদ্ভগৱত গীতা, সপ্তম অধ্যায়
১৮। 'কৃষ্ণৰ চৰণে হৈবে যিমতে ভকতি।
শুনা সাৱধানে তাক থিৰ কৰি মতি।।
বিষ্ণু ভকতৰ সঙ্গ লৈব প্ৰথমতে।
গুৰু মানি শুশ্ৰূষ্য কৰিব ভালমতে।।'
কীৰ্ত্তন , ঘোষা, প্ৰহ্লাদ চৰিত, পদ ১৬০
১৯। বাণীকান্ত কাকতিঃ নামঘোষা, বাণীকান্ত চয়নিকা পৃঃ
২০। The name and the possesser of the name are in the case of supreme Deity Indintical, S.K. De. early History of the Vaisnava faith and Movment in Bengal P. 486.

---

**লেখকৰ পৰিচয়ঃ**
ড° ৰামচন্দ্ৰ ডেকা, জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ
ছিপাঝাৰ মহাবিদ্যালয় (দৰং)



# 'নাম-ঘোষা'ত অসমৰ সমসাময়িক সমাজ জীৱন

**জীৱকান্ত নাথ**

'নাম-ঘোষা' মহাপুৰুষ মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ সুমধুৰ সৌধস্বৰূপ। একশৰণ নামধৰ্মৰ প্ৰতিষ্ঠাপক গ্ৰন্থ হিচাপে ই এখনি উপাদেয় আৰু সৰ্বশ্ৰেষ্ঠ ধৰ্ম গ্ৰন্থ। অসমৰ আধ্যাত্মিক জীৱনত নামঘোষাই গীতা, ভাগৱতৰ সমানেই স্থান লাভ কৰি আহিছে। মহাপুৰুষজনাই প্ৰায় তিনি দশক জুৰি সুদীৰ্ঘ সময়ৰ অন্ততহে এই ঘোষা গ্ৰন্থখনিৰ লিপিবদ্ধ ৰূপ দিবৰ বাবে সমৰ্থ হৈছিল। প্ৰথমটি স্তৱক 'মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো...... 'ৰ পৰা অন্তিমটি স্তৱক 'জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৱে এহু ৰস মাধৱ মূৰুখমতি গাৱে' লৈকে এহেজাৰ এটা স্তৱক ৰচনা কৰোতে প্ৰায় ডেৰকুৰি বছৰ কালৰ প্ৰয়োজন হৈছিল।

আজিৰ যুগৰ কবি-সাহিত্যিকৰ দৰে একে ঠাইতে একেখন মেজতে বহি এইখনি গ্ৰন্থ ৰচনা কৰা নাছিল। এই ডেৰকুৰি বছৰ একশৰণ নাম-ধৰ্মৰ প্ৰচাৰত লাগি থাকোতে বিভিন্ন প্ৰসঙ্গত বিভিন্ন স্থানত ঘোষাসমূহ ৰচনা কৰিছিল। অৱশ্যে, ইয়াৰ পূৰ্ণাঙ্গ লিপিবদ্ধ ৰূপ দিছিল জীৱনৰ শেষ বয়সত কোচবেহাৰৰ ভেলা দুৱাৰত সত্ৰ পাতি থাকোতেহে। এহেজাৰ এটা ঘোষাৰে চাৰিশমান ঘোষা গীতা, ভাগৱত, মহাভাৰত, ৰামায়ণ আদি বিভিন্ন পুৰাণ-উপপুৰাণৰ পৰা অনুদিত ঘোষাসমূহো গুৰুজনাৰ কাপৰ পৰশত ভাৱ-ভাষাৰ পিনৰ পৰা মৌলিকত্ব বিৰাজমান।

'নাম-ঘোষা' সম্পৰ্কে পণ্ডিত বাণীকান্ত কাকতিদেৱে কৰা কথা একাষাৰ যেন হাতী মাৰি ভুৰুকাত ভৰোৱা সদৃশ 'নামঘোষাত প্ৰধানতঃ তিনিটা ভাৱৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্ৰধাৱমান হৈছে। পুণ্যশ্লোক শঙ্কৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিলা আৰু কৃষ্ণভক্তি মাহাত্ম্য। কিন্তু হিমালয়ৰ নিভৃত শৃঙ্গৰ ওপৰত স্তূপীকৃত হৈ থকা এক অনন্ত তুহিন ৰাশিয়েই গলি গৈ

ভৈয়ামত নানান নদ-নদীস্বৰূপে অৱতীর্ণ হোৱাৰ দৰে এই তিনিও ধাৰাৰেই মূল কাৰণ হৈছে মাধৱদেৱৰ ৰসময়ী ভক্তিৰ গভীৰ আবেগ।' ইয়াৰ উপৰি নামঘোষাত আছে অৱতাৰবাদ, অনুগ্ৰহবাদ, মায়াৰ স্বৰূপ, মায়া তৰণৰ উপায় হিচাপে নামৰ মাহাত্ম্য, জ্ঞান-কর্মতকৈ ভক্তিৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন, ভক্তিৰ অহৈতুকিতা, নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তনৰ প্ৰাধান্য, সৎসঙ্গ মাহাত্ম্য, জড়ৰূপী অন্য দেৱ-দেৱীৰ সেৱা নিবাৰণ আৰু একদেৱ এক নামৰ সুদৃঢ় বিশ্বাসেৰে একশৰণৰ মূল তত্ত্বসমূহ।

'নাম-ঘোষা' সর্বকালৰ সর্বযুগৰ এক মহৎ সাহিত্য কর্ম। এনে যুগজয়ী কালজয়ী মহৎ সৃষ্টিসমূহত এটা যুগৰ সর্বদিশৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়। 'নাম-ঘোষা' এই গ্ৰন্থখনিতো সমসাময়িক অসমৰ সমাজ-জীৱনৰ কিছু চিত্ৰ দাপোণত নিজৰ প্ৰতিবিম্ব প্ৰতিফলিত হোৱাৰ দৰেই জলজল-পটপটকৈ জিলিকি আছে। এই সম্পৰ্কত এজন বিখ্যাত সমালোচকে কৰা অৰ্থবহ কথা এষাৰ হৈছে-'Give me a book and I shall tell you at once the history of the nation. Behind every book is a man and every man is a nation.'

অর্থাৎ মোক এখন গ্ৰন্থ দিয়া আৰু মই তোমাক তৎক্ষণাৎ সেই জাতিৰ ইতিহাস কৈ দিব পাৰিম। প্ৰতিখন গ্ৰন্থৰ অন্তৰালত সোমাই থাকে এজন মানুহ অৰ্থাৎ লেখক আৰু প্ৰতিজন মানুহৰ মাজত অন্তর্নিহিত হৈ থাকে এটা জাতি। এই অৰ্থবহ কথাষাৰ মাধৱদেৱৰ মহৎ সৃষ্টি 'নাম-ঘোষা'ৰ ক্ষেত্ৰতো ৰজিতা খাই পৰে। 'নাম-ঘোষা' প্ৰধানতঃ একশৰণ নামধৰ্মৰ ভক্তিতত্ত্ব নিৰূপক গ্ৰন্থ হ'লেও ইয়াৰ মাজত বিচাৰি পোৱা যায় সমসাময়িক অসমৰ সমাজ জীৱনৰ চিত্ৰ আৰু বিচাৰি পোৱা যায় মহাপুৰুষ মাধৱদেৱক।

অসমীয়া জাতি সমন্বয়ৰ সাকোঁৰে সজা এটা মহাজাতি। বিভিন্ন সম্প্ৰদায়, বিভিন্ন ভাষিক গোষ্ঠী তথা ভিন-ভিন ধৰ্মীয় ধাৰাৰে গঢ় লৈ উঠিছে এই মহাজাতি। অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত অতীতৰ পৰা এতিয়ালৈকে দুটা প্ৰধান শক্তিয়ে ভূমিকা পালন কৰি আহিছে। এফালেদি সুদীৰ্ঘ ছশ বছৰ কাল ৰাজত্ব কৰা আহোম ৰাজশক্তিয়ে ৰাজনৈতিক ভাৱে 'সাতৰজা মাৰি একৰাজ' কৰি অসমীয়া জাতিটোৰ জাতীয় জীৱনৰ সৌধ নিৰ্মাণ কৰিছিল আৰু আনফালেদি প্ৰায় সমসাময়িক ভাৱে আধ্যাত্মিক আৰু সাংস্কৃতিক দিশেৰে





শঙ্কৰ-মাধৱ মহাপুৰুষ দুজনাই ঐক্য সম্প্ৰীতিৰ বান্ধোনেৰে ভকতিৰ ডোলেৰে অসমীয়া জাতিৰ এটা স্বকীয় ৰূপ দিবলৈ সমৰ্থ হৈছিল। জাত-পাত নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ লোকেই গণতান্ত্ৰিক পদ্ধতিৰে উপযুক্তজনে নামঘৰত একত্ৰিত হৈ ভগৱানৰ নাম ল'ব পাৰিছিল। গীত-নৃত্য, বাদ্যত অংশ গ্ৰহণ কৰিব পাৰিছিল। এনে এক সুন্দৰ সমন্বয়ৰ ছবি নাম-ঘোষাতো বিদ্যমান।

'গাৰো ভোট যৱনে হৰিৰ নাম লয়।
হেনয় নামক কেন সজ্জনে নিন্দয়।।'৪৮২।।

শঙ্কৰ গুৰুজনাই কীৰ্তনত একে কথাকেই ব্যক্ত কৰিছে--

'কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক।।' --পাষণ্ড মৰ্দ্দন

মাধৱ মহাপুৰুষে নাম-ঘোষাত শ্ৰীমন্ত শঙ্কৰদেৱক হৰি ভক্তিৰ বাবে 'পৰমগুৰু' বুলি স্বীকৃতি দিছে। যিজন শঙ্কৰ মহাপুৰুষে অসমীয়া জাতিক নামঘৰ, ভাওনা, খোল-তাল, গীত-পদ, ভাষা-কৃষ্টি দি জাতিৰ জীৱন দান কৰিলে, সেইজন মহাপুৰুষক গুৰু নুবুলি এচাম লোকে আনক গুৰু বোলাটো মাধৱদেৱৰ কাৰণে বৰ অসহ্যকৰ হৈ পৰিছিল--

'শঙ্কৰে সংশয় ছেদি　　শাস্ত্ৰৰ তত্ত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি।
তাঙ্ক এৰি কি কাৰণে　　আনক বোলয় গুৰু
কিনো লোক মহামূঢ়মতি।। ৫৪।।

তেনেকৈয়ে, সেই সময়ত নিজকে গুৰুৰ আসনত প্ৰতিষ্ঠিত কৰিবলৈ বিচৰা লোকৰো অভাৱ নাছিল। শাস্ত্ৰৰ প্ৰকৃত তত্ত্ব উপলব্ধি কৰিব নোৱাৰিলে অথবা আনক ধৰ্মজ্ঞান দি মানৱৰ প্ৰকৃত পথ প্ৰদৰ্শন কৰিব নোৱাৰিলেও নিজকে কিন্তু গুৰু বোলাই মান্য সৎকাৰ খুজি লৈছিল, যিটোৱে সমসাময়িক আধ্যাত্মিক জীৱনৰ অৱক্ষয়ৰ ছবিখন দাঙি ধৰে--

'নজানে শাস্ত্ৰৰ নয়　　যেহি আসে তাকে কয়
ছেদিবাক নপাৰে সংশয়।
গুৰু বোলাই তথাপিতো　　ফুৰয় লোকৰ মাজে
মান্য সতকাৰ খুজি লয়।।'৫৫।।

আকৌ তেনেদৰে----

'শ্ৰীমন্ত শঙ্কৰে প্ৰকাশিলা　　গোবিন্দৰ গুণনাম যশ

জগতৰ লোকে পৰম আনন্দে গাৱে।
হেনয় শঙ্কৰ গুৰু বিনে কমন কাৰণে আনজনে
লোকৰ মাজত আপুনি গুৰু বোলাৱে।।'৬২৫

তেনে 'নপতা ফুকন' হৈ লোৱা তথাকথিত গুৰুসকলেই ধৰ্মীয় তথা আধ্যাত্মিক সাধনাৰ প্ৰতি গুৰুত্ব নিদি বৈষয়িক তথা জাগতিক সুখভোগৰ প্ৰতি লালায়িত হৈ পৰিছিল, যিটোৱে পৰৱৰ্তী কালৰ অসমৰ ধৰ্মীয় জীৱনলৈ মাতি আনিছিল ভ্ৰষ্টাচাৰ, ব্যভিচাৰ। তেনে এটি চিত্ৰকে মাধৱদেৱে তলৰ ঘোষাটিত প্ৰকট কৰিছে--

'শঙ্কৰেসে শুদ্ধমত ঈশ্বৰ ভক্তিৰ তত্ত্ব
প্ৰচাৰিলা শাস্ত্ৰসাৰ জানি।
তাহাঙ্ক নজানি মূঢ়ে জীৱিকাৰ অৰ্থে ফুৰে
আপুনাৰ মহত্ত্ব বখানি।।'৫৩।।

আধ্যাত্মিক জীৱনত সাফল্য লাভ কৰিবলৈ হ'লে বহু আচাৰ-নীতি, সংযম আদি পালন কৰাটো ভক্ত এজনৰ বাবে অপৰিহাৰ্য। বিশেষকৈ অন্নবিচাৰ, যোনিবিচাৰ তথা বৈবাহিক সম্পৰ্কত বিশেষ দৃষ্টি দিয়া দৰকাৰ। সাত্ত্বিক অন্নইহে মনত সত্ত্বগুণ বিৰাজ কৰে। ৰাজসিক, তামসিক অন্ন গ্ৰহণ কৰিলে তমোগুণী হোৱাই স্বাভাৱিক। যিহেতু খাদ্যৰ পৰাই তেজ হয় আৰু তেজৰ পৰা স্বভাৱ নিৰ্ণীত হয়। যৌন জীৱন শৃঙ্খলিত তথা কলা সুলভ কৰিবৰ বাবেই সভ্যতাৰ অগ্ৰগতিত বিবাহ অনুষ্ঠানৰ সৃষ্টি হৈছিল। নৰ সমাজ আৰু পশু সমাজৰ মাজত বিবাহে পাৰ্থক্যৰ সীমাৰেখা নিৰ্ণয় কৰিছিল। পঞ্চদশ ষোড়শ শতিকাৰ মধ্যযুগৰ অসম ছানি পেলাইছিল এনে আচাৰ ভ্ৰষ্ট নীতি-নিয়মে। এনে এক বিষময় পৰিস্থিতিৰ চিত্ৰকেই মাধৱ মহাপুৰুষে এটি ঘোষাত বৰ স্পষ্ট ৰূপত প্ৰকাশ কৰিছে----

'অন্ন যোনি কিছো নকৰে বিচাৰ
জাতি-কুল ভৈল ভ্ৰষ্ট।
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়
বেদ পন্থ কৰি নষ্ট।।'২৯৫।।

ওপৰৰ ঘোষাটিত কেৱল অনাচাৰীজনৰ কথাকে কৈ গুৰুজন ক্ষান্ত হোৱা নাই, একশৰণ নামধৰ্ম গ্ৰহণ কৰি ব্যভিচাৰী হোৱা ভকতজনকো বাক্য বাণেৰে প্ৰহাৰ কৰিছে। একশৰণ গ্ৰহণ কৰি কামনা-বাসনা পূৰ্ব্বক ক্ষুদ্ৰ দেৱতা





ভজনা কৰাটোকেই মহাপুৰুজনাই ব্যভিচাৰ বুলি ক'বলৈ গৈছে। অব্যভিচাৰী ভকতিৰ সংজ্ঞা গুৰুজনে নিৰূপণ কৰিছে এনেদৰে--

'কৃষ্ণকেসে মাত্ৰ ভজে যিটোজনে
অব্যভিচাৰী ভকতি।
তিনি গুণ অতি ক্ৰমি ব্ৰহ্মৰূপ
পাৱে সিটো মহামতি।।'২১১।।

প্ৰকৃত বেদপন্থ হ'ল নাৰায়ণৰ নাম। বেদতনো আছে কি? গুৰুজনে ইয়াৰ উত্তৰ নাম-ঘোষাতেই দিছে----

'বেদে ৰামায়ণে পুৰাণে ভাৰতে
আদি মধ্য অৱসানে।
হৰিকেসে মাত্ৰ কহৰে নিশ্চয়
জানা তত্ত্ব এহিমানে।।'২০৩ ।।

আকৌ কৈছে--

'বেদৰ গুপুত বিত্ত নাৰায়ণ হে।
দেৱকীত হন্তে সাক্ষাতে ভৈলা বিদিত।।'৮০৬।।

গতিকে, সমসাময়িক অসমৰ সমাজ জীৱনত এনে অনাচাৰ-ব্যভিচাৰ আদিৰ চিত্ৰ মহাপুৰুষজনাই নাম-ঘোষাটিৰ মাজেৰে সংক্ষেপতে প্ৰকাশ কৰিছে।

মহাপুৰুষ দুজনাই মধ্যযুগত অসমৰ সমাজ জীৱনলৈ বোৱাই আনিছিল বিপ্লৱ। বৈদিক যুগৰ পৰা পৰম্পৰাগত ভাৱে প্ৰচলিত হৈ থকা আগম পন্থৰ পূজা-পাতল, যাগ-যজ্ঞ, তীৰ্থ-ব্ৰত আদি বৰ্তমান যুগৰ সমাজৰ বাবে যে একেবাৰেই অপ্ৰয়োজনীয়, সেই যুক্তিকেই প্ৰতিষ্ঠিত কৰি থৈ গৈছিল। কিন্তু 'একদেৱ একসেৱ'ৰ প্ৰকৃত তাৎপৰ্য উপলব্ধি কৰিব নোৱাৰি মহাপুৰুষ দুজনাৰ দিনতো ব্যয় বহুল যাগ-যজ্ঞ, পূজা-পাতলৰ পয়োভৰ কম নাছিল। আনহাতেদি বিপদৰ মুহূৰ্তত 'হৰিবোল হৰিবোল' বুলি আনক উপদেশ দিবলৈকো পাহৰা নাছিল। এনে এক মধ্যযুগীয় আগম নিগমৰ মিশ্ৰিত ধৰ্মীয় জীৱনৰ চিত্ৰ প্ৰকাশি উঠিছে উক্ত ঘোষাটিৰ মাজেদি--

'তপ জপ তীৰ্থ ব্ৰত যাগ যোগ যজ্ঞ দান
কাকো নুসুমৰে মৃত্যু বেলা।
মৰন্তাজনক বেঢ়ি বোলে সবে ৰাম বোলা
হেন নাম এতিক্ষণে হেলা।।'৪৮

প্ৰাচীন ভাৰতবৰ্ষত শিক্ষা-দীক্ষা, ধৰ্মীয় জীৱনত নাৰীক যিদৰে পুৰুষৰ সমানে স্থান দিয়া হোৱা নাছিল, তেনেকৈ মধ্যযুগীয়া সমাজ ব্যৱস্থাতো নাৰীক সমঅধিকাৰ তথা সমমৰ্যদা প্ৰদান নকৰাৰ ইংগিত নামঘোষাই দিয়ে--

'স্ত্ৰী, শূদ্ৰ বৈশ্য আদি যত বিষয়ত মাত্ৰ সদা ৰত
মোক ভজি সুখে ইসৰো হোৱে উদ্ধাৰ।। **৬১০**।।

এনেবোৰ ধৰ্মীয়, সামাজিক তথা সাংস্কৃতিক চিত্ৰৰ উপৰি গ্ৰন্থখনিত অসমৰ প্ৰাকৃতিক, আৰ্থিক আদিৰ চিত্ৰও প্ৰসঙ্গক্ৰমে উপস্থাপিত হৈছে। উপমা, ৰূপক আদি অলংকাৰসমূহ প্ৰয়োগ কৰি ধৰ্ম তত্ত্বৰ ব্যাখ্যা দাঙি ধৰিবলৈ যাওঁতেই স্বাভাৱিক ভাৱে এনেবোৰ আৰ্থ-প্ৰাকৃতিক দৃশ্যৰ অৱতাৰণা কৰিছে। বাঘ, হাতী, সিংহ, গাই, বাজীগাই, ভালুক, বান্দৰ, গ্ৰাহ, মৃগ, সৰ্প আদি জীৱ-জন্তু; ৰাজহংস, ডাউক আদি চৰাই-চিৰিকতি; পেড়া, থালী, ঢাকন ভাণ্ডাৰ আদি ঘৰুৱা আচবাব; দধি-দুগ্ধ, ঘিউ, মৌ আদি খাদ্য-অখাদ্যৰ উল্লেখ থকাৰ উপৰি আ-অলংকাৰ, ফল-মূলৰ নাম, গৃহ নিৰ্মাণৰ সামগ্ৰী আৰু বেপাৰ-বাণিজ্য আদিৰ কথা গ্ৰন্থখনিৰ মাজে মাজে একশৰণ নামধৰ্মৰ ব্যাখ্যা দাঙি ধৰোতেই প্ৰকাশ পাইছে। মুঠৰ ওপৰত, মহাপুৰুষ জনাৰ মহৎ সৃষ্টি যুগজয়ী গ্ৰন্থখনিত মধ্যযুগীয় সমাজ জীৱনৰ এখনি সুন্দৰ ছবি চিত্ৰিত হৈছে য'ত অসমীয়া জাতিৰ ইতিহাস বিশেষকৈ ধৰ্মীয় জীৱনৰৰ ইতিহাস বিবৃত হৈছে।

---

**লেখকৰ পৰিচয় ঃ**
শ্ৰীজীৱকান্ত নাথ
জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ, মৰিগাঁও মহাবিদ্যলয়।



# অসমৰ সমাজ-জীৱনত নাম-ঘোষাৰ প্ৰভাৱ

**ড° দিলীপ বৰা**

আজি প্ৰায় বিশ-বাইশ বছৰৰ আগতে অসমীয়া জাতিৰ অস্তিত্ব বিপন্ন হোৱা বুলি এক প্ৰৱল আন্দোলন চলিছিল। তাৰপিছত আঞ্চলিক ৰাজনীতিৰ পৰশত আমাৰ অস্তিত্বৰ সেই সংকটাৱস্থা দূৰ হ'ল বুলি আমি আশ্বস্ত হ'লো। ইয়াৰ মাজতে গুৰুজনাৰ পাঁচশ পঞ্চাশ বছৰীয়া জয়ন্তী পাতিও অনেকেই ঢাক-ঢোল কোবোৱা হ'ল। কিন্তু সমৃদ্ধ আৰু পৰিপূৰ্ণ জাতি এটাৰ বাবে তাৰ অতীজৰ সম্পদৰাজিৰ প্ৰতি যি আলোকসন্ধানী দৃষ্টি থাকিব লাগে তাৰ পৰা আমি আজিও বহু দূৰৈতে থাকিলো। এনে সম্পদৰাজিক অন্ধ অতীত প্ৰীতিৰ উপাদান হিচাপে গ্ৰহণ কৰাৰ পৰিৱৰ্তে এই আমোঘ ঐতিহ্যক নিৰন্তৰ মন্থন কৰি তাৰ মাজত থকা প্ৰাণৱন্ত প্ৰেৰণাৰ উৎসবোৰক জাতীয় জীৱনৰ গৌৰৱোজ্বল চানেকি বুলি গভীৰ প্ৰত্যয়ৰে গ্ৰহণ কৰিব পাৰিলেহে ইবোৰৰ প্ৰতি যথাৰ্থ বিচাৰ হয়। এনে বিচাৰ ধৰাৰ বোকোচাত উঠি জাতিটো নিৰ্বিঘ্নে আগুৱাই যাব পাৰে। কিন্তু দুখৰ বিষয় অস্তিত্বৰ সংকটত ভোগা অসমীয়া জাতিয়ে এনেবোৰ সম্পদৰ মহিমা আজিও বুজি উঠা নাই। এতিয়াও কীৰ্ত্তন, নাম-ঘোষাই-চাৰি প্ৰসংগৰ পৰিধি বা নামঘৰ, সত্ৰ অথবা ঘৰৰ থাপনাৰ চাৰিবেৰৰ পৰা মুক্ত হৈ ওলাই আহি তাৰ অনন্ত মহিমাৰে আমাৰ অস্তিত্বক সবল কৰি তুলিব পৰা নাই। অথচ তাত এনে বহু কথা আছে, যিবোৰ তাৰ ধৰ্ম্মীয় তাৎপৰ্য্যৰ উপৰি আমাৰ সমাজ জীৱনক মহীয়ান কৰি তুলিবলৈ আমাক প্ৰেৰণা দিব পাৰে।

ড° কাকতিয়ে 'নাম-ঘোষা' শীৰ্ষক প্ৰৱন্ধত লেখিছে যে সাম্প্ৰদায়িক উৎপীড়নত কামৰূপ ৰাজ্য এৰি কোচবিহাৰৰ অন্তৰ্গত ভেলাদুৱাৰত সত্ৰ পাতি থাকোতে জীৱনৰ শেষ ভাগত মহাপুৰুষ মাধৱদেৱে নাম-ঘোষা ৰচনা কৰে। সম্ভৱতঃ এই কালছোৱাত তেওঁ ঘোষাখনক পৰিপূৰ্ণ ৰূপ দিছিল, পিছে চৰিতৰ সাক্ষ্যমতে ভালেমান ঘোষাৰ ৰচনা হৈছিল বিভিন্ন সময় আৰু বিভিন্ন প্ৰেক্ষাপটত। চৰিতৰ সংযুক্ত সাক্ষ্যলৈ চালেই অসমৰ সমাজ জীৱনত নাম-ঘোষাৰ প্ৰভাৱ যে অকল ধৰ্ম্মৰ লগতে নহয়, বৰং ধৰ্ম্ম তাৰ কেন্দ্ৰীয় সত্ত্বা হলেও সেই সত্ত্বা যে গভীৰ

জীৱনবোধ আৰু মানৱীয় অনুভূতিৰ ওপৰত প্ৰতিষ্ঠিত, সেই সত্য সন্দেহাতীত ভাৱে প্ৰমাণিত হ'ব। চৰিতত যেতিয়া আমি পাওঁ বুৰি লুইতেৰে দুইজনা গুৰু ভটিয়াই যাওঁতে গজিঁয়াঘাটক মৰাশ খৰি দিয়াৰ কিছু দূৰত বহি ইনাই বিনাই কন্দা সাধাৰণ মানুহগৰাকীয়ে কিয় কান্দিছে বুলি-গুৰুজনাই প্ৰশ্ন কৰিছে আৰু মাধৱদেৱে উত্তৰ দিছে 'জিহে মৰিছে সি জিয়াৰে পৰা মৰা এই যি কান্দিছে ইও সপ্ৰাই মৰাহেঃ ও বাপ পূৰ্ব্বে ই জীৱ বাজকৈ প্ৰকৃতি মায়াৰ হাতে দিলা আয়াজাত হৈ ভূ হৰাই অজ্ঞান ভুমত পৰি মৰাক লাগি মৰাই কান্দিছে আপুনাৰ মায়াত।।' তেতিয়া আমি বুজো যে দৰ্শনৰ ফালৰ পৰা মাধৱদেৱে সঠিক উত্তৰেই দিছে। মায়াস্পৰ্শত জীৱ মৃত প্ৰায়, একমাত্ৰ ঈশ্বৰেইহে চৈতন্য (ব্ৰহ্মা আদি কৰি জীৱ য'ত/ৰাম ৰাম ৰাম ৰাম/মায়া শয্যা মাজে আচয় ঘুমতি যাই। তুমিসে চৈতন্য সনাতন/ৰাম ৰাম ৰাম ৰাম/আমি অচেতন নিয়োক নাথ জগাই।।) গতিকে 'মৰাক লাগি মৰাই কান্দিচে' মায়াত বন্দী হৈ। শঙ্কৰ গুৰুৰেও এই সত্য নুবুজা নহয়। কিন্তু নিঃস্ব জনৰ মনোবেদনাই গুৰুজনাৰ অন্তৰ সাময়িক ভাৱে হলেও দহন কৰিছে। তেওঁ মাধৱদেৱক তৎক্ষণাত কৈছে 'বোলে বৰা পো আমাৰো কান্দা এফেৰি। ' গুৰু অনুৰক্ত মাধৱদেৱে গুৰুজনাৰ ইচ্ছা হৃদয়ঙ্গম কৰি ৰচনা কৰিছে আজিৰ অসমৰ ভক্তপ্ৰাণ অজস্ৰজনৰ মনোজগতক আলোড়িত কৰি ৰখা সেই বিখ্যাত ঘোষা ফাঁকি--

'কিমতে ভকতি কৰিবো তোমাত হৰি এ
মই মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম।। ৭৯০।।

তেতিয়া তাৰ মৃত্যুৰ দৰে অলংঘনীয় সত্যৰ মুখামুখি হৈ স্বয়ং গুৰুজনায়ো চকুলো টুকিছে। এয়েই জীৱনৰ চূড়ান্ত সত্য। এই সত্যক সত্য বুলি বুজাটোৱেই স্থিতপ্ৰজ্ঞৰ কাম যদিও বাস্তৱ জীৱনত তাৰ এক প্ৰতিক্ৰিয়া আছে। এই সত্য গভীৰ বেদনাদায়ক। মানৱ জীৱনৰ সাধাৰণ সংশ্ৰৱৰ পৰা নিৰাপদ দূৰত্বত থকা তপস্বীৰ স্থিতপ্ৰজ্ঞাক সি জোকাৰিব পাৰিবনে নাই নাজানো, কিন্তু অসমৰ জাতীয় জীৱনৰ গভীৰ অনুভূতিৰে ভৰপূৰ হিয়াই সেয়েহে সাধাৰণজনৰ যন্ত্ৰণাত উচুপি উঠিছে আৰু এই বেদনাৰ উপশম বিচাৰি আত্মসমৰ্পণ কৰিছে একান্ত ঈশ্বৰৰ ওচৰত। যুক্তিৰে এই আত্ম সমৰ্পণক ব্যাখ্যা কৰিব নোৱাৰি। নামঘোষাৰ যুগৰ পৰা ৫০০ বছৰ আগুৱাই অহা বৈজ্ঞানিক যুগৰ মানুহেও এনে পটভূমিত নীৰৱে হুমুনিয়াহ কাঢ়ি এনে সত্যক ভগৱানৰ অনন্ত লীলা বুলিয়েই স্বীকাৰ কৰি শান্ত্বনা লয়। এনে বাস্তৱতাৰ পৰা দূৰৈত থাকি এই ঘোষাফাঁকিৰ অকল ঈশ্বৰৰ প্ৰতি আত্মসমৰ্পণৰ নিদৰ্শন বুলি ধৰিলে মহাপুৰুষ দুজনাৰ গভীৰ জীৱনবোধ, মানৱীয় চেতনা আৰু





তেজাল জনসম্পৰ্কক একেবাৰে উলাই কৰা হ'ব। অথচ এই কথা একেবাৰে পৰিস্কাৰ যে ঘোষাফাঁকিৰ ঈশ্বৰৰ প্ৰতি গভীৰ অনুৰাগ থাকিলেও তাৰ সৃষ্টিৰ মূল কাৰক এই উপাদানবোৰহে।

তাৎপৰ্য্যপূৰ্ণভাৱে মাধৱদেৱে নাম-ঘোষাৰ প্ৰথমতেই এনেধৰণৰ এটি শ্লোকৰ অনুবাদহে থাপনা কৰিছে য'ত মানৱ সমাজৰ পৰা নিৰাপদ দূৰত্বত হিমালয়ৰ পাদতলত যোগমগ্ন জীৱন বিমুখ তপস্বীৰ প্ৰতি নহয়, বৰং ইহ জীৱনৰ সকলো দুখ তাপ বুকুত বান্ধি সংসাৰ সাগৰত সাতুঁৰিব বিচৰাজনৰ প্ৰতিহে শ্ৰদ্ধা জ্ঞাপন কৰা হৈছে। সুখ দুখ হাঁহি কান্দোনৰে ভৰা জীৱন সংগ্ৰামত এই ভৱসিন্ধু পাৰ নিষ্ক্ৰান্তি বিচৰাৰ পৰিবৰ্ত্তে ভৱসিন্ধু সাতোঁৰাৰ প্ৰেৰণা দিব পৰাতেই মহাপুৰুষ দুজনাৰ ইতিবাচক দৃষ্টিভঙ্গী প্ৰকট হৈ আছে। মনত ৰখা ভাল যে স্বৰ্গপ্ৰাপ্তি কিম্বা নিৰ্বাণ এই ধৰণৰ যুক্তিও প্ৰাত্যহিক দুখ দুৰ্দশাৰে পৰিপূৰ্ণ জীৱনক সম্পূৰ্ণভাৱে পীড়াদায়ক বুলি জানি তাৰ পৰিৱৰ্তে কৰা এক সুখ ৰাজ্যৰ কল্পনা মাত্ৰ। এনে সুখক জীৱনতকৈ তুচ্ছ বুলি ভবাতেই জীৱনৰ মহিমা স্পষ্ট হৈ আছে। এনে জীৱনক ক্ষুদ্ৰ সুখৰ সন্ধানত ব্যয় কৰা সকলৰ সচাঁকৈয়ে কালসৰ্পৰ দংশনত চেতনা হেৰায়, তেওঁলোকৰ বাবে জীৱন হৈ পৰে অন্ধকাৰ ভৱ-কূপ। কিন্তু যিজনে জীৱনক ক্ষুদ্ৰ সুখৰ উৰ্দ্ধত এক মোক্ষৰ সন্ধানত লগাব পাৰে তাৰ কাৰণে জীৱন হৈ পৰে আশীৰ্বাদ স্বৰূপ। মাধৱদেৱে ঈশ্বৰৰ বাক্যৰ মাজতে সেই মোক্ষৰ সন্ধান কৰিছে কাৰণ বৈষ্ণৱ দৰ্শনত তেঁৱেই একমাত্ৰ সত্য। কিন্তু এনে দৰ্শনত অবিশ্বাসীসকলৰ বাবেও ঘোষাফাঁকি অৰ্থহীন নহয়। তেওঁলোকৰ বাবে মোক্ষৰ স্বৰূপ বেলেগ হ'ব পাৰে, কিন্তু জীৱনৰ উদ্দেশ্য যে ক্ষুদ্ৰ সুখৰ সন্ধানতকৈ মহৎ তাত কোনো সন্দেহ থাকিব নোৱাৰে। মাধৱদেৱে অতি সৰল ভাষাত এই সত্যক প্ৰতিফলিত কৰিছে--

ক্ষুদ্ৰ সুখে বহু আশা কৰি ভৱ-কুপে জীৱ আছে পৰি
কাল সৰ্পে দংশি হৰাইল চেতন তাৰ।
মোক্ষ ৰূপ তযু বাক্যামৃত কৃপায়ে সিঞ্চিয়া প্ৰতি নিত
দয়াময় কৃষ্ণ কৰিয়ো তাক উদ্ধাৰ।। ৬৬০।।

বৈষ্ণৱ ধৰ্মৰ দাৰ্শনিত তত্ত্বক সহজ সৰল ৰূপত তুলি ধৰাত নামঘোষাই এশ শতাংশই সফলতা লাভ কৰিছে- এই কথা আমি পিছলৈ আলোচনা কৰিম। অসমৰ সমাজ জীৱনত নাম-ঘোষাৰ প্ৰভাৱ বোলোতে যদিও আমাৰ সন্মুখত ধৰ্মীয় সমাজ এখনৰ ছবিহে প্ৰকট হৈ উঠে তথাপি বৰ্ত্তমান সময়ৰ প্ৰেক্ষাপটত থিয় হৈ এক সামগ্ৰিক দৃষ্টিৰে নাম-ঘোষাৰ মাজত প্ৰত্যক্ষ কৰা গভীৰ জীৱনবোধ, মানৱীয়

চেতনা আৰু তেজাল গণসম্পৰ্ক আদি উপাদানবোৰে নাম-ঘোষাক তাৰ ধৰ্মীয় মহিমাৰ উদ্ধৃত এক বিশাল সামাজিক ভিত্তি প্ৰদান কৰিছে। আজিৰ সমাজত ভবিষ্যদ্বক্তা, ব্যাধি নিবাৰক আৰু সম্পদ প্ৰাপ্তিৰ পথ-প্ৰদৰ্শক ৰূপেৰে ক্ৰমে জনপ্ৰিয় হৈ পৰা 'বাবা'বা সাধুসকলৰ তুলনাত আমাৰ মহাপুৰুষ দুজনাৰ দৃষ্টিভঙ্গী যে বহুদূৰ সমাজমুখী আছিল তাক কীৰ্ত্তন ঘোষাৰ এফাঁকি উদ্ধৃতিৰে ব্যাখ্যা কৰিব পৰা যাব। সন্দেহ নাই যে শঙ্কৰ-মাধৱ প্ৰৱৰ্ত্তিত ধৰ্মত ব্যক্তিতকৈ সমাজৰ গুৰুত্ব অধিক বাবেই পাশ্চাত্য অৰ্থ আৰু সংস্কৃতিৰ প্ৰভাৱত ক্ৰমে ব্যক্তিকেন্দ্ৰিক আৰু ভোগবাদী হৈ উঠা নতুন চামৰ বহুতে মহাপুৰুষীয়া আদৰ্শত দিশ বিচাৰি নাপায়।

সকলো মহৎ ধৰ্মই ব্যক্তিসত্ত্বাৰ বিকাশৰ মাজেৰে সামাজিক কল্যাণৰ আদৰ্শ দাঙি ধৰিছে। সেয়েহে হয়তো ৰাধাকৃষ্ণণে অতি সহজ ভাষাত ধৰ্মৰ ব্যাখ্যা দিবলৈ গৈ কৈছে যে সমাজক খহি পৰিবলৈ নিদি ধৰি ৰাখে সিয়েই ধৰ্ম। শঙ্কৰ মাধৱ প্ৰদৰ্শিত এনে আদৰ্শ আছে বাবেই আজি পাঁচশ বছৰে এই ধৰ্মই অসমৰ সমাজ জীৱনক আলোড়িত কৰি ৰাখিছে। পৰৱৰ্তী সময়ত ভালেমান বাদ বিবাদ হৈছে বা বিভাজন ঘটিছে, কিন্তু সিমান বিভাজন স্বত্বেও আজিও অসমীয়া সমাজখনক সত্ৰ, নামঘৰ আৰু মহাপুৰুষীয়া ভাৱাদৰ্শই এক বিশেষ পৰিচয়ৰে বান্ধি ৰাখিছে। এই পৰিচয় যে আমাৰ জাতীয় অস্বিত্বৰ প্ৰাণশক্তি-সেই কথা বুজাত ভুল কৰিলে নচলিব। ধৰ্মীয় ভিন্নতা স্বত্বেও এই সত্য উপলব্ধি কৰাটো জাতীয় স্বাৰ্থৰ খাটিৰতে অত্যন্ত প্ৰয়োজনীয়।

বিভিন্ন জাতি- উপজাতিৰ বাসস্থান অসমৰ সামাজিক প্ৰেক্ষাপটত জাতিটোক বান্ধি ৰাখিবলৈ যিখিনি উদাৰতাৰ প্ৰয়োজন সেই উদাৰতা মাধৱদেৱৰ নামঘোষাত প্ৰতিফলিত হৈছে।

পৰম নিৰ্মল ধৰ্ম্ম হৰি নাম কীৰ্ত্তনত
সমস্ত প্ৰাণীৰ অধিকাৰ।
বৰ্ণাশ্ৰম ধৰ্ম্মমত যাৰ যেন বিধি আছে
তাৰেসে কেৱল অধিকাৰ।
হৰি নাম কীৰ্ত্তনত নাহিকে নিয়ম একো
এতেকেসে ধৰ্ম্ম মাজে সাৰ।।
ঃ মহাপাপী অন্ত্যজাতি তৰয় কলিত সুখে
মুখে কৰি হৰিৰ কীৰ্ত্তন।।-ইত্যাদি

এনেবোৰ ঘোষাত সমসাময়িক সমাজত অত্যন্ত নিম্ন অন্ত্য বুলি ভবা জাতিৰ





লোকসকলৰ বাবেও হৰি নামৰ দুৱাৰ খুলি দিয়া হৈছে। তেওঁলোকৰ আদৰ্শই কিমান দূৰ সফলতা লাভ কৰিলে সি এক বেলেগ প্ৰশ্ন, কিন্তু তেওঁলোকৰ আদৰ্শই যে এক সংহতিৰ ভাৱাদৰ্শৰ জন্ম দিলে তাত কোনো সন্দেহ থাকিব নোৱাৰে। এইটোৱেই হ'ল অসমীয়া জাতিৰ দীৰ্ঘ প্ৰতিস্থিত সাংস্কৃতিক পৰম্পৰা। সমাজ তাত্বিক E. J. Hobsbawm ৰ মতে জাতি এটা গঢ় লৈ উঠাৰ বাবে এনে এক দীৰ্ঘ প্ৰতিস্থিত সাংস্কৃতিক ঐতিহ্য এক অন্যতম উপাদান। মহাপুৰুষীয়া ধৰ্মই অকল নৱ বৈষ্ণৱ আন্দোলনতে প্ৰতিষ্ঠা কৰা নাই, এই ঐতিহ্য প্ৰতিষ্ঠাৰ বাবেও পুৰুষাৰ্থ কৰিছে এই কথা এতিয়া বিতৰ্কৰ উৰ্দ্ধত।

বৰ্ত্তমান সমাজত এক জটিল সমস্যা হ'ল অইন ধৰ্ম বা আদৰ্শৰ প্ৰতি এক সহনশীল মনোভাৱৰ অভাৱ। সমাজ এখন বৰ্তি থাকিবলৈ এনে সহনশীলতা অত্যন্ত জৰুৰী। নিজ ধৰ্মীয় সম্প্ৰদায়ৰ লোকসকলৰ মানসিক উত্তৰণৰ বাবেও এনে সহনশীলতা লাগিব। ধৰ্মীয় বিশ্বাস বা উপলব্ধি প্ৰস্তাৱ গ্ৰহণ কৰি ল'ব পৰা সিদ্ধান্ত নহয়। সাধনাৰ মাজেৰেহে এনে উপলব্ধি হয়। এনে কথা নুবুজাৰ বাবে আজি আমাৰ অইন ধৰ্মৰ প্ৰতি বা নিজৰ ধৰ্মৰ অনেক লোকৰ প্ৰতি সহানুভূতি বা সহধৰ্মিতাৰ অভাৱ ঘটিছে। বিশেষকৈ শঙ্কৰী আৰু ব্ৰাহ্মণসকলৰ মাজত এনে সহধৰ্মিতাৰ অভাৱে তিক্ততাৰো সৃষ্টি কৰিছে। সেইসময়ত আমাৰ মহাপুৰুষদুজনা কিছুমান কিছমান ব্ৰাহ্মণবাদীৰ অপপ্ৰচাৰৰ মুখামুখি হ'ব লগা হৈছিল হয়। সেয়া আছিল এক ক্ষমতা বা প্ৰতিষ্ঠাৰ যুঁজ। তথাপি মহাপুৰুষ দুজন অতি সহৃদয়তাৰে এনেবোৰ অৱস্থাৰ মুখামুখি হৈছে। মাধৱদেৱে নাম-ঘোষাত দেখুৱাইছে অবিৰক্ত ভকতসকলে বৈদিক নীতি পালন কৰাত আপত্তি নাই, বৰং নকৰাতহে দোষ আছে। কিন্তু যিসকলে সম্পূৰ্ণ ৰূপে হৰিৰ চৰণত আত্মসমৰ্পণ কৰিছে তেওঁলোকৰবাবে এনে নৈমিত্তিকতাৰ প্ৰয়োজন নাই।

অবিৰক্ত ভকতৰ বেদ লঙ্ঘিঘবাৰ দোষ
জানিবাহা ইহাক নিশ্চয়
পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল
তাৰ একো নাহিকে নিৰ্ণয়।। **৫৯৮**।।

এইদৰে বৈদিক নীতি পালন কৰোঁতাসকলৰ প্ৰতি সহনশীলতা দেখুৱাৰ লগতে তেওঁ কৃষ্ণ ভকতসকলৰ ক্ষেত্ৰতো এনে মনোভাৱ গ্ৰহণ কৰিছে। তেওঁৰ সিদ্ধান্তক কাৰো ওপৰত জাপি নিদি পৰিবৰ্ত্তনৰ বাবে ধৈৰ্য্যৰে বাট চাইছে।

তাৰত কৃষ্ণৰ ভক্ত নৰে ভক্তি অবিৰোধী কৰ্ম কৰে
কৃষ্ণৰ কথাত ৰতি যাৰে নোপজয়।

যেৱে ভৈলাকৃষ্ণ কথা ৰত　　নিত্য নৈমিত্তিক আদি য'ত
কথাৰ বিৰোধী জানিবা সৰে তেজয়।। **৫৯৯।।**

শঙ্কৰ মাধৱ প্ৰবৰ্ত্তিত বৈষ্ণৱ ধৰ্মৰ মূল কথা হ'ল এক ঈশ্বৰৰ ওপৰত আত্মসমৰ্পণ। কিন্তু কি প্ৰক্ৰিয়াৰে কেনেদৰে মনক নিয়ন্ত্ৰণ কৰি ভগৱানৰ প্ৰতি একান্ত ভক্তিৰ অৱস্থালৈ নিজকে লৈ যাব পৰা তাৰ বাবে এক সাধনাৰ প্ৰয়োজন। মাধৱদেৱৰ ৰচনাত এই শিক্ষা আছে। তেওঁ ৮৯,৯০ সংখ্যক ঘোষাত জিভা,৯১ সংখ্যক ঘোষাত কাণ,৯২ত মন,৯৩ ত হৃদয়,৯৪ ত বুদ্ধি, ৯৫ ত অহংকাৰ আৰু ৯৬ ত চিত্ত--এই সকলোবোৰ ইন্দ্ৰিয়বৃত্তিক তাৰ ইন্দ্ৰিয় সুখৰ পৰা আঁতৰি হৰি ভক্তিভিমুখী হোৱাৰ বাবে আহ্বান জনাইছে। যুক্তিৰে এনে ব্যাখ্যাক বুজাব নোৱাৰি। ঐশ্বৰিক সত্বাৰ প্ৰতি আস্থাহীনসকলৰ বাবে এনে ব্যাখ্যা কিছু আচহুৱা, কিন্তু ঈশ্বৰানুৰাগীসকলে হয়তো এই কথা জানে যে মন, বুদ্ধি, চিত্ত, অহংকাৰৰ লয় হলেহে ঈশ্বৰ প্ৰাপ্তিৰ পথ সুগম হয়। তৰ্কৰ স্থান ইয়াত নাই। ই একান্ত উপলব্ধিৰ বিষয় আৰু তাৰ বাবে মন, বুদ্ধি, অহংকাৰ লয় একান্ত আৱশ্যক। এই সম্পৰ্কত আনকি মাধৱদেৱতকৈ বহু পিছৰ ভাৰতীয় মনীষী বিবেকানন্দও একমত।

'নাম-ঘোষা অসমৰ বৈষ্ণৱ প্ৰাণ সমাজৰ ভক্তি দৰ্শনৰ প্ৰথম সপোন, ভক্তি বস্তুৰ চিনাকিৰ আৰম্ভণি। সেয়েহে 'নাম-ঘোষা'ৰ 'শৰণ' 'ভজন'ৰেই আজিও অসমৰ বৈষ্ণৱ ধৰ্ম্মত দীক্ষা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। তাৰ পিচতে মাধৱদেৱে উপদেশ, নমস্কাৰ, প্ৰাৰ্থনা, আত্ম উপদেশ, বস্তু প্ৰকাশ, নিবেদন, খেদ, অনুনাথনা, ঈশ্বৰ নিৰ্ণয়, যুগধৰ্ম, পৰমাৰ্থ আদি নানান বিষয়ৰ মাজেৰে ভক্তিৰ মহিমা আৰু ভক্তৰ জীৱন চৰ্যা সম্পৰ্কেহে ব্যাখ্যা কৰিছে। এনেবোৰ ব্যাখ্যা অনুধাৱন নকৰাকৈ অসমৰ ভক্তি ধৰ্মৰ সোৱাদ লোৱাটোয়েই অসম্ভৱ। ভক্ত জীৱনৰ প্ৰতিটো ক্ষণতে মাধৱদেৱৰ নামঘোষাই জীৱন্ত গুৰুৰ দৰে ভক্তসকলৰ মূৰত হাত বুলাই আছে। শোক, তাপ, দুখ কষ্ট, আনন্দ উৎসাহ প্ৰতিটো মুহূৰ্ত্ততে নাম-ঘোষাই আমাক অনুপ্ৰাণিত কৰিব পাৰে।

নাম-ঘোষাৰ সাৰ নিৰ্ণয় কৰিবলৈ গৈ ঈশ্বৰৰ শ্ৰেষ্ঠত্বক তুলি ধৰাৰ লগতে মাধৱদেৱে এই কথাও কবলৈ পাহৰা নাই যে ঈশ্বৰৰ নাম লোৱাজন চণ্ডাল হলেও যজ্ঞৰ পাত্ৰ উপযুক্ত হব পাৰে।

সংসাৰৰ ইন্দ্ৰ কৃষ্ণ　　তাহান নামক যিটো
অজ্ঞানতো চণ্ডালে লৱয়।
হেনয় পবিত্ৰ সিটো　　জানিবা যজ্ঞত আনি
পাত্ৰ পাতিবাৰ যোগ্য হয়। **১১৫।।**





মাধৱদেৱৰ এই বক্তব্য আজিও এখন প্ৰগতিশালী সমাজৰ বাবে অপৰিহাৰ্য হৈ আছে। ধৰ্মৰ বাবেই নহয় সামাজিক জীৱনৰ বাবেও এনে আদৰ্শ অপৰিহাৰ্য। বাস্তৱ জীৱনৰ অজস্ৰ মহত্ত্বম উপলব্ধিৰে নাম-ঘোষাৰ প্ৰতিটো সৃষ্টি মহীয়ান হৈ আছে; গুৰু চৰিত কথাই তাৰ সাক্ষ্য দাঙি ধৰিছে। এনেবোৰ ঘটনাৰ তাৎপৰ্য ভক্ত সমাজে বুজি পায়। সেয়েহে ভক্ত ঘৰলৈ অহা অভ্যাগতজনক আদৰণি জনায় এই ঘোষাৰে--

বলি নিগদতি যদুপতি　　ৰাম ৰাম ৰাম ৰাম ৰাম
কিনো কৃপা মোক কৰিলাহা নাৰায়ণ।
দেৱৰো দুৰ্ল্লভ আতিশয়　　ৰাম ৰাম ৰাম ৰাম ৰাম
গৃহতে থাকিয়া দেখিলো তয়ু চৰণ।। **৬৫৮।।**

তেতিয়া আমাৰ গুৰু চৰিতৰ কণ্ঠভূষণৰ আখ্যানলৈ মনত পৰে। অজস্ৰ ফুলৰ সম্ভাৰেৰে তিনি পৰ বেলি কৃষ্ণক পূজা কৰা কণ্ঠভূষণে মাধৱদেৱ গৈ ওলোৱাত ফুল এটা চটিয়াই পূজা সামৰি মাধৱৰ শ্ৰীচৰণৰ সেৱাত উপস্থিত হ'ল। মাধৱে যেতিয়া সুধিলে যে তিনি পৰ বেলি পূজা কৰা মানুহটোৱে দেখোন পূজা সামৰিলাই। তেতিয়া কণ্ঠভূষণে গালে--- বলি নিগদতি যদুপতি।

অসমৰ ভক্তসমাজৰ বহুতেই হয়তো গুৰু চৰিতৰ এই কাহিনী নাজানে। কিন্তু তেওঁলোকৰ ঘৰত উপস্থিত হলে যেতিয়া সেৱা ধৰি তেওঁলোকে এই ঘোষাফাঁকি গায় তেতিয়া ভক্তি ধৰ্মই অসাৰ বুলি ভবা মানুহৰ জীৱনেই চৰম সত্য বুলি উপলব্ধি হয়; মনত পৰে চণ্ডীদাসৰ সেই প্ৰখ্যাত উক্তিলৈ--

সবাৰ উপৰে মানুষ সত্য
তাহাৰ উপৰে নাই।

নাম-ঘোষাৰ সৰ্বত্ৰ বিৰাজমান হৈ থকা মানুহৰ হৃদয়ৰ এই আহ্বান শুনিব পাৰিলে তাৰ সামাজিক মহত্ত্ব আৰু দীপ্তিমান হৈ উঠিব।

---

**লেখকৰ পৰিচয় ঃ**
ড° দিলীপ বৰা, জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
(কোকোৰাঝাৰ চৌহদ)

# নাম-ঘোষাত একশৰণ তত্ত্ব

**ভবেন্দ্ৰ নাথ ডেকা**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত-প্ৰচাৰিত ভক্তিপন্থ একশৰণ তত্ত্বত প্ৰতিষ্ঠিত। অনন্ত কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী, সৃষ্টি, স্থিতি, প্ৰলয়ৰ গৰাকী, অচিন্ত্য, অনন্ত শকতিৰ পতি, পৰমপুৰুষ পৰমেশ্বৰ কৃষ্ণদেৱত কায়-বাক্য মনে, সুদৃঢ় বিশ্বাসে, একান্ত নিষ্ঠা আৰু অনুৰক্তিৰে আত্মনিবেদন আৰু আত্মসমৰ্পণ কৰাকহে 'একশৰণ' বা 'একান্ত শৰণ' আখ্যা দিয়া হয়। উপনিষদোক্ত নিৰ্গুণ, নিৰাকাৰ পৰম ব্ৰহ্মৰ সগুণ', সাকাৰ সবিশেষ ৰূপ দৈৱকীনন্দন ভগৱান কৃষ্ণহে একমাত্ৰ শৰণ্য দেৱ। দৈৱকী নন্দন একান্ত চিত্তে আশ্ৰয় গ্ৰহণ কৰাহে প্ৰকৃত শৰণ। এই সত্যকে বিভিন্ন শাস্ত্ৰত নিৰূপণ কৰা হৈছে।

কায়বাঙ্মনসাং সাক্ষাৎ কৃষ্ণে পৰমপুৰুষে।
পৰিনিষ্ঠাহশ্ৰয়ং যদ্বৈ শৰণং পৰিকীৰ্ত্তিমম্।। (সাত্বত-তন্ত্ৰ)

অৰ্থাৎ পৰমপুৰুষ সাক্ষাৎ কৃষ্ণ ভগৱানত কায়-বাক্য-মনে একান্ত নিষ্ঠাৰে আশ্ৰয় গ্ৰহণ কৰাহে শৰণ বোলা হয়। গীতা শাস্ত্ৰৰ অষ্টাদশ অধ্যায়ৰ মোক্ষ যোগত ভগৱান কৃষ্ণই অৰ্জুনৰ আগত এই তত্ত্ব ব্যক্ত কৰি কৈছে--

তমেব শৰণং গচ্ছ সৰ্ব্বভাবেন ভাৰত।
তৎপ্ৰসাদাৎ পৰাং শান্তিং স্থানং প্ৰাপ্স্যসি শাশ্বতন্।। (গী.১৮/৬২)

অৰ্থাৎ হে অৰ্জুন তুমি মন প্ৰাণ দি তেওঁৰেই (ঈশ্বৰৰ) শৰণাগত হোৱা। তেওঁৰ কৃপাত তুমি পৰম শান্তি আৰু শাশ্বত পদ (মুক্তি) পাব পাৰিবা। ভগৱন্তই পুনৰ কৈছে।

মন্মনা ভৱ মদ্ভক্তো মদ্যাজী মাং নমস্কুৰু।
মামেবৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োহসি মে।। (গী.১৮/৬৫)

মহাপুৰুষ মাধৱদেৱে নামঘোষা শাস্ত্ৰত এই শ্লোকৰ প্ৰাঞ্জল অনুবাদ কৰি লিখিছে

মোতে মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোকে পূজা মোকে মাত্ৰ কৰা নমস্কাৰ।





কহিলো তোমাত সত্যবাণী পাইবা সুখে মোক মহামাহী
তুমি প্ৰিয়তম সুহৃদ সখি আহ্মাৰ।। ৬১২।।

মাধৱদেৱে আন এটি শ্লোকত লিখিছে------

কৃষ্ণ নিগদতি সব্যসাচী পৰমাৰ্থ তত্ত্ব লৈয়ো বাছি
সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আহ্মাত।
মোতে মাত্ৰ সদা দিয়া চিত গায়ো মোৰ গুণ নাম গীত
সকলে শাস্ত্ৰৰ কহিলো সাৰ সাক্ষাত।। ৬১৯।।

ভগৱান কৃষ্ণই শৰণৰ সৰ্ববগুহ্যতম তত্ত্ব প্ৰকাশ কৰি অৰ্জুনক কোৱাৰ চলেৰে মানৱ জাতিক কৈছে--

সৰ্ব্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।। (গীতা১৮/৬৬)

অৰ্থাৎ ----

সৰ্ব্ব ধৰ্ম্ম এৰি এক শৰণ সাক্ষাৎ।
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত।।
নকৰিবা ভয় হেৰা কৰো অঙ্গীকাৰ।
সমস্ত পাপতে মঞি কৰিবো নিস্তাৰ।। ১৯০।। একাদশ

মহাপুৰুষে পুনৰ কৈছে---

এতেকে উদ্ধৱ তুমি তেজা বেদ পন্থ।
যিবা জানা শুনা সবে এড়া আন গ্ৰন্থ।।
একে মোতে মাত্ৰ তুমি লৈয়োক শৰণ।
নকৰিবা ভয় মঞি কৰিবো ৰক্ষণ।।১৮৭।। একাদশ

মহাপুৰুষ শঙ্কৰদেৱে ভগৱান কৃষ্ণৰ এই গুহ্যতম বাণী তাৰাৰ ধৰ্মৰ মূল ভেটি হিচাপে গ্ৰহণ কৰি লৈছে আৰু ভক্তি পন্থৰ চাৰিখুটি মাৰি জগতবাসীক উপদেশ দিছে--

অন্য দেৱী দেৱ নকৰিবা সেৱ
নাখাইবা প্ৰসাদ তাৰ।
মূৰ্ত্তিকো নচাইবা গৃহো নপশিবা
ভক্তি হৈব ব্যভিচাৰ।।
একে কৃষ্ণদেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম।

কৃষ্ণ দাস হুয়া প্ৰসাদ ভূঞ্জিয়া

হস্তে কৰা তান কাম।। (ভাঃ ২য়)

এয়াই মহাপুৰুষ শঙ্কৰদেৱৰ একশৰণ হৰি নাম ধৰ্ম। এই ধৰ্মতত্ত্বকে মহাপুৰুষ মাধৱদেৱে তাৰাৰ আধ্যাত্মিক জীৱনৰ কীৰ্ত্তিস্তম্ভ স্বৰূপ নাম-ঘোষা শাস্ত্ৰত নানা শাস্ত্ৰৰ সাৰ তত্ত্ব বাছি লৈ স্বকীয় আত্মিক উপলব্ধিৰ কাব্যিক অভিব্যাক্তি আৰু ব্যঞ্জনাৰে প্ৰকাশ কৰিছে।

মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষা শাস্ত্ৰখনি বিশ্বৰ ভিতৰতে এখনি অন্যতম সৰ্বোৎকৃষ্ট ধৰ্মগ্ৰন্থ। কৃষ্ণ-শঙ্কৰ-প্ৰাণ ভক্ত কবিৰ সুকোমল নিৰ্মল হৃদয়তে মাজেৰে ভক্তি ৰসসিক্ত এহেজাৰ এটা ঘোষা সম্বলিত এই মহান শাস্ত্ৰখনিয়ে ভকতি আনন্দৰস, সেৱাৰস, কৃপাৰস আদি নানা ৰসৰ ৰহঘৰা সৃষ্টি কৰিছে আৰু ত্ৰিতাপক্লিষ্ট জগতৰ লোকসকলৰ ঐহিক আৰু পাৰলৌকিক জীৱনৰ পৰম আনন্দ আৰু আত্যন্তিক সুখৰ সন্ধান দিছে। নাম-ঘোষা শাস্ত্ৰ খনিতেই মহাপুৰুষ মাধৱদেৱে একশৰণৰ চাৰিবস্তু গুৰু, দেৱ, নাম আৰু ভকতৰ স্বৰূপ নিৰ্ণয় কৰি থৈছে আৰু ভকতসকলৰ মনত ধৰ্ম আৰু আধ্যাত্মিকতাৰ ক্ষেত্ৰত উদয় হব পৰা সাম্ভাব্য সকলো প্ৰশ্নৰ উত্তৰ দি থৈছে। নাম-ঘোষা শাস্ত্ৰসম্পৰ্কত মহাপুৰুষ মাধৱদেৱে ভকতৰ আগত কৰা মন্তব্য ‘কথাগুৰু চৰিত’ত এইদৰে পোৱা যায়- ‘মই গুৰু সেৱাকৈ যি পালোঁ, তাকো ঘোষাতে থৈছোঁ, অনেক শাস্ত্ৰ বিচাৰি যি ৰস তত্ত্ব পালোঁ, তাকো ঘোষাতে থৈছোঁ, আৰু পৰমাত্মা ইষ্টে হৃদিত থাকি যি বুদ্ধি দিলে তাকো মই ঘোষাতে থৈছোঁ। এতেকে পদাৰ্থে, ভাৱাৰ্থে, তত্ত্বাৰ্থে, নিজাৰ্থে, গূঢ়াৰ্থে, পৰমাৰ্থে অন্তজোৰা সৈতে, সন্তৰ কৃপাত পাব, আমাক সম্পূৰ্ণে দেখিব।’মহাপুৰুষ মাধৱদেৱ আত্মাৰূপে, তত্ত্বৰূপে, বাঙ্ময়ৰূপে ঘোষাশাস্ত্ৰত জীৱন্তে বিদ্যমান হৈ থকা কথাষাৰি তাৰাৰ বাণীৰেই বুজিব পাৰি। তাৰাই নাম-ঘোষা শাস্ত্ৰত গুৰুতত্ত্ব, দেৱতত্ত্ব, ভকততত্ত্ব, নামমাহাত্ম্য, শৰণ মাহাত্ম্য নিৰ্ণয় কৰি ভক্তিপন্থ নিকপকটীয়া কৰি আৰু কৃষ্ণ--শঙ্কৰৰ প্ৰতি থকা তাৰাৰ অচলা ভক্তি আৰু নিজৰ আত্ম--লঘিমা গুণ অতি কাৰুণ্যপূৰ্ণ, সুকোমল আৰু প্ৰাঞ্জল ভাষাৰে প্ৰকাশ কৰি অসাধাৰণ প্ৰতিভাৰে চানেকি দিছে।

নাম-ঘোষা শাস্ত্ৰত কোনো কাহিনী বা ৰূপক নাই। এইখন এখন সম্পূৰ্ণ তত্ত্বমূলক ভক্তিকাব্য। এই কাব্যখনিৰ নিৰ্মাণ, খণ্ড বিভাজন, ভাষা, ছন্দৰ প্ৰয়োগ আৰু গাঁথনিত মহাপুৰুষ মাধৱদেৱৰ অসাধাৰণ পাণ্ডিত্য, শিল্প নৈপুণ্য, চমকপ্ৰদ কাব্যিক প্ৰতিভা আৰু সৃষ্টিশীলতাৰ পৰিচয় পোৱা যায়। মহাপুৰুষ মাধৱদেৱে নাম-ঘোষা শাস্ত্ৰখনি একে সময়তে কোনো একস্থানত থাকি ৰচনা কৰা নাছিল। গুৰুজনাৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত গুৰুবাক্য পালি তাৰাই ঘোষা শাস্ত্ৰ প্ৰণয়ন কৰি





উলিয়াইছিল। মহাপুৰুষ মাধৱদেৱে ‘নাম-ঘোষা’ শাস্ত্ৰখনি প্ৰণয়ন কৰিবলৈ লওঁতে তাৰাৰ মানস পটত যি এক সুন্দৰ পৰিকল্পনা প্ৰতিভাত হৈছিল, গুৰু দেৱ নাম-ভকতৰ প্ৰতি তাৰাৰ যি ভাৱ, আবেগ, অনুভূতি, চিন্তা, চেতনাৰ উদ্ৰেক হৈছিল, আত্মা-পৰমাত্মা, জীৱ ঈশ্বৰৰ প্ৰতি তাৰাৰ যি আধ্যাত্মিক উপলব্ধিৰ সঞ্চাৰ হৈছিল সেই সকলোবোৰ এক পৰিকল্পিত আৰু সু-সংযত শিল্পীসুলভ নিপুণতাৰে তাৰাই শাস্ত্ৰখনি সৃষ্টি কৰিছে। সময়ৰ ব্যৱধান বা স্থানৰ পৰিবৰ্ত্তনে শাস্ত্ৰখনি নিৰ্মাণ কৰাৰ মূল পৰিকল্পনাত মাধৱদেৱক কেতিয়াও উজুতি খুৱাব পৰা নাই। সেয়ে শৈল্পীক ৰূপাঙ্কনৰ ক্ষেত্ৰত মাধৱদেৱৰ নাম-ঘোষা শাস্ত্ৰখনি এখন অনন্য কাব্য।

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো

ৰসময় মাগোহো ভকতি।

সমস্ত মস্তকমণি নিজ ভকতৰ বশ্য

ভজো হেন দেৱ যদুপতি।। ১।।

আৰু শেষৰ শ্লোক---

জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৰে।

এহু ৰস মাধৱ মূৰুখমতি গাৰে।।

ৰসময় ভকতিতেই কাব্যখনি আৰম্ভ হৈ ভকতি ৰসতেই ইয়াৰ পৰিসমাপ্তি ঘটিছে। ভাৱ, ভাষা আৰু বিষয়বস্তুৰ ঐক্যই কাব্যখনিক এক স্বকীয় মৰ্যদা প্ৰদান কৰিছে।

নাম-ঘোষাৰ প্ৰথম শ্লোকটিতে মহাপুৰুষ মাধৱদেৱে একশৰণৰ বীজ অঙ্কুৰিত কৰিছে। প্ৰথমতে তাৰাই মহাপুৰুষীয়া ধৰ্মৰ শৰণৰ চাৰিবস্তু গুৰু,দেৱ, নাম আৰু ভকতৰ স্বৰূপ অৱতাৰণা কৰি গুৰু শঙ্কৰদেৱক প্ৰণিপাত জনাই একমাত্ৰ শৰণ্য দেৱ যদুপতি কৃষ্ণত শৰণ মাগিছে। তাৰ পিছত দ্বিতীয় শ্লোক ফাঁকিতে শৰণৰ উদ্দেশ্যৰ আভাস দিছে--

যাৰ ৰাম কৃষ্ণ নাম নাৰে ভৱ সিন্ধু তৰি

পাৰে পৰম্পদ পাপী যত।

সদানন্দ সনাতন হেনয় কৃষ্ণক সদা

উপাসা কৰোহো হৃদয়ত।। ২।।

ভগৱন্তৰ নামত শৰণ লৈ সকলো পাপী-তাপীয়ে ভৱসিন্ধু পাৰ হৈ পৰমপদ (মুক্তি) লাভ কৰিব পাৰে। সেই কাৰণেই ভগৱান কৃষ্ণক হৃদয়ত থাপনা কৰি তাৰাত ভক্তি অৰ্থ নিবেদন কৰা মনুষ্য জীৱনৰ পালনীয় পবিত্ৰ কৰ্ত্তব্য। ভগৱন্ত কৃষ্ণত শৰণ লোৱাৰ উদ্দেশ্য মূলতঃ তিনিটা----সংসাৰৰ দুখ-তাপ নিবৃত্তি, মায়া তৰণ আৰু পৰমপদ (মুক্তি) লাভ। শৰণৰ প্ৰচলন উপনিষদৰ যুগৰ পৰাই চলি

আছে। শ্বেতাশ্বতৰ উপনিষদত উল্লেখ আছে।

তং হ দেৱাত্মবুদ্ধি প্ৰকাশং মুমুক্ষুৰ্ৱৈ শৰণমহং প্ৰপদ্যে। (৬/১৮)

অৰ্থাৎ নিজৰ সুক্ষ্মাতিসুক্ষ্ম শুদ্ধ নিৰ্মল বুদ্ধিৰ দ্বাৰা যিজনক (ঈশ্বৰক) মানুহে জানিব পাৰে সেই সকলোৰে আশ্ৰয় স্বৰূপ ঈশ্বৰত মই সংসাৰৰ দুখ নিবৃত্তিৰ আশাত শৰণ লওঁ। এই তত্বকে প্ৰকাশ কৰি মহাপুৰুষ শঙ্কৰদেৱে লিখিছে--

ধ্যান যজ্ঞ পূজা একো কলিত নকৰি।
হুয়া একশৰণ কীৰ্ত্তন সদা কৰি।।
এতেকে তৰিবা সুখে সংসাৰ সাগৰ।
নিশ্চয় কলিত হোৱে নাৰায়ণ পৰ।। (ভক্তি ৰত্নাকৰ ৭২৩)

সংসাৰত মানুহে জন্ম গ্ৰহণ কৰিয়ে নানা দুখ-ক্লেশ ভোগ কৰি জীৱন নিৰ্বাহ কৰিব লাগে। জীৱনৰ দুখ -ক্লেশবোৰ তিনিভাগত অন্তৰ্ভুক্ত কৰা হৈছে। এই তিনি তাপ হ'ল আধিভৌতিক, আধিদৈৱিক আৰু আধ্যাত্মিক। পশু-পক্ষী, জীৱ-জন্তু, সৰীসৃপ, ভূত-পিশাচ আদিৰ পৰা যি দুখ-তাপ পোৱা যায় তাক আধিভৌতিক তাপ বোলে। পানী, বতাহ, বিজুলী, ঠাণ্ডা, গৰম আদি প্ৰাকৃতিক দুৰ্যোগবোৰৰ পৰা যি দুখ-তাপ পোৱা যায় তাক আধিদৈৱিক তাপ বোলে। জ্বৰ, তাপ, পীড়া, নানা প্ৰকাৰৰ বেমাৰ আজাৰৰ পৰা পোৱা শাৰীৰিক তাপ আৰু কাম, ক্ৰোধ, লোভ, মোহ, বিষাদ, শোক, দ্বেষ, ঈৰ্ষা আদি মানসিক তাপবোৰক আধ্যাত্মিক তাপ বোলা হয়। এই ত্ৰিতাপৰ পৰা পৰিত্ৰাণ পাবলৈ হলেও এক ঈশ্বৰত শৰণ লোৱা প্ৰয়োজন। মাধৱদেৱে ঘোষা শাস্ত্ৰত কৈছে --

হৰিত শৰণ লৈয়ো যিটোজন এ
হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে।
দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ এ
সিটো মহাজনে অতি মহাসুখে তৰে।। ৭১৫।।

শৰণ অবিহনে মায়াতৰণ সম্ভৱ নহয়। ভগৱান কৃষ্ণই গীতা শাস্ত্ৰত কৈছে--

দৈৱী হ্যেযা গুণময়ী মম মায়া দূৰত্যয়া।
মামেৱ যে প্ৰপদ্যন্তে মায়ামেতাং তৰন্তি তে।। গীতা ৭/১৪।।

অৰ্থাৎ মোৰ এই ত্ৰিগুণময়ী অলৌকিক মায়া দূৰতিক্ৰমণীয়। যিয়ে মোত শৰণ লয় সিহে এই মায়াৰ পৰা মুক্ত হব পাৰে। মায়াৰ পৰা মুক্ত হোৱা মানে সংসাৰ বন্ধন অতিক্ৰম কৰা। তেতিয়াহে জীৱই সাজি পাৰি ঈশ্বৰৰ সান্নিধ্যলৈ যোৱাৰ পদক্ষেপ পেলায়। এয়াই পৰমপদ অৰ্থাৎ মুক্তি লাভৰ উপায়। মাধৱদেৱে ঘোষাত গাইছে---





ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলৰে পামৰু মন
ভুলিয়া কমনে পাপী মৰ।
যাৰ মায়া পাশে বন্দী হুয়াছ পামৰু মন
তান দুই চৰণত ধৰৰে পামৰু মন
ভুলিয়া কমনে পাপী মৰ।। (৭২০)
গোবিন্দ বোল মনাই মুকুন্দ বোল মনাই
ব্ৰহ্মা হৰো যাত শৰণ পশয়।
আনৰ কোন বড়াই।। (৭২১)

সংসাৰৰ দুখ নিবৃত্তি, মায়াতৰণ আৰু গতি মুক্তি লাভৰ কাৰণে সৰ্বশক্তিমান পৰম কৃপালু; ভক্ত কল্পতৰু ভগৱান কৃষ্ণত শৰণ গ্ৰহণ কৰা প্ৰয়োজন। শাস্ত্ৰতো কৃষ্ণত শৰণ গ্ৰহণ কৰা কাৰ্যকহে প্ৰকৃতাৰ্থত একশৰণ বোলা হৈছে। 'সাত্বত-তন্ত্ৰ'ত শৰণৰ ব্যাখ্যাদি শিৱই দেৱৰ্ষি নাৰদক কৈছে--

কায়বাঙ্মনসাং সাক্ষাৎ কৃষ্ণে পৰম পুৰুষে।
পৰিনিষ্ঠাহশ্ৰয়ং যদ্বৈ শৰণং পৰিকীৰ্ত্তিম্।। (সা.ত. ৪/৫৭)

অৰ্থাৎ সাক্ষাৎ পৰমপুৰুষ কৃষ্ণ কায়-বাক্য-মন একান্ত নিষ্ঠাৰে আশ্ৰয় গ্ৰহণ কৰাহে শৰণ বোলা হয়। ভক্তি ধৰ্মৰ মূল কথা কৃষ্ণৰ চৰণত শৰণ। গুৰুজনে কৈছে,

ভকতিৰ বীজ শৰণেসে নিজ
প্ৰেমানন্দ তাৰ ফল।
শৰণ বিনাই ভকতি কৰয়
আৱাঘটে যেন জল।। (ভাঃ)

এই একে কথাতে স্বাত্বত-তন্ত্ৰ শাস্ত্ৰতো কোৱা হৈছে--

সৰ্বমূলং কৃষ্ণ পদ শৰণং পৰিকীৰ্তিতম্।
যদ্বিনা স্ৰৱতে ভক্তি ৰামভাণ্ডাৎ পায়ো যথা। (সা.ত.৪/৫৫)

অৰ্থাৎ ভক্তি পন্থৰ সৰ্বমূল হৈছে ভগৱান কৃষ্ণৰ চৰণত শৰণ গ্ৰহণ। বিনা শৰণে মানুহৰ অন্তৰৰ পৰা ভক্তি এঁৱা ঘটৰ পানী নিগৰি ওলাই যোৱাৰ দৰে আঁতৰ হৈ যায়। মহাপুৰুষ মাধৱদেৱৰ শৰণৰ এই তত্বকে নাম-ঘোষা শাস্ত্ৰত প্ৰকাশ কৰিছে।

---

**লেখকৰ পৰিচয়ঃ**

শ্ৰীভবেন্দ্ৰ নাথ ডেকা,
প্ৰাক্তন অধ্যক্ষ, ৰঙিয়া মহাবিদ্যালয়।

# নাম-ঘোষা বিচাৰ

**ৰবীন্দ্ৰ মোহন নাথ**

মহাপুৰুষ শঙ্কৰদেৱে অসমত নৱ-বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিছিল। তাৰাৰ প্ৰিয় শিষ্য মাধৱদেৱে গুৰুৰ আদৰ্শ ৰক্ষা কৰি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত ব্ৰতী হৈছিল। এই উদ্দেশ্যে গুৰুৰ আদেশত মাধৱদেৱে নামঘোষা পুথিখন ৰচনা কৰিছিল। নৱ-বৈষ্ণৱ ধৰ্মৰ দৰ্শন আৰু ইয়াৰ প্ৰয়োগিক দিশটো নামঘোষাত ইমান স্বচ্ছ ভাৱে প্ৰকাশ পাইছে যে কেৱল নামঘোষা পুথিখন অধ্যয়ন কৰিয়েই এই ধৰ্মৰ লক্ষ্য আৰু উদ্দেশ্যৰ কথা ফটফটিয়াকৈ বুজিব পাৰি।

নাম-ঘোষাৰ লক্ষ্য আৰু উদ্দেশ্য মূলতঃ ভক্তি ধৰ্মৰ মহত্তম গুণাৱলী প্ৰকাশ কৰা আৰু দৈৱকীনন্দন সুত শ্ৰীকৃষ্ণ নিৰ্গুণ ব্ৰহ্মৰ সাকাৰ ৰূপ বুলি ভক্ত সমাজত প্ৰচাৰ কৰা। ৰসজ্ঞ পাঠক মাত্ৰেই উপলব্ধি কৰাত অসুবিধা নহয় যে নাম-ঘোষাৰ লিখক মাধৱদেৱ এজন ভক্ত কৱি আৰু বিদগ্ধ দাৰ্শনিক পণ্ডিত আছিল। বেদান্ত দৰ্শনৰ জটিল তত্ত্ববিলাকৰ সহজ মীমাংসা কৰি, বেদান্ত দৰ্শনৰ অনুমোদিত জটিল পথসমূহ পৰৱৰ্ত্তী সময়ত অসাৰ্থক বুলি প্ৰমাণ কৰি, মাথো ভক্তিবাদৰ দ্বাৰা মোক্ষ পথৰ সন্ধান দিয়াৰ উদ্দেশ্যে মহাপুৰুষজনাই নামঘোষা শাস্ত্ৰখন ৰচনা কৰিছিল। তেখেতে মোক্ষলাভৰ কাৰণে বেদান্ত দৰ্শনৰ জটিল পথ কৰ্মৰ দ্বাৰা নৱ-বৈষ্ণৱ ধৰ্মৰ ভেটি বন্ধা নাছিল, বৰং ভক্তিবাদ প্ৰৱৰ্তনৰ ক্ষেত্ৰতো নামধৰ্মৰ সৰল পথ অনুসৰণ কৰিছিল। অদ্বৈতবাদী দাৰ্শনিক পণ্ডিতজন নামি আহিছিল এজন সাধাৰণ ভকতৰ শাৰীলৈ। গভীৰ হৃদয়াবেগ ঢালি ৰচনা কৰা ঘোষাসমূহত তেখেতে কেতিয়াবা কাকুতি কৰিছে, কেতিয়াবা আকৌ প্ৰাৰ্থনা কৰিছে নাইবা নিজকে নিজে নিন্দা কৰি খেদ প্ৰকাশ কৰিছে। নামঘোষাৰ বিষয়ে আলোকপাত কৰিবলৈ যাওঁতে বেদান্ত দৰ্শনে নিৰ্দ্দেশ কৰা বিভিন্ন মাৰ্গ বা পথ সম্পৰ্কেও যৎকিঞ্চিত আলোকপাত কৰা দৰকাৰ। কাৰণ শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ গুৰি আছিল বেদান্ত দৰ্শন। গতিকে ভক্তিবাদৰ আলোচনা কৰিবলৈ যাওঁতে বেদান্তই নিৰ্দ্দেশ কৰা পথসমূহো আলোচনালৈ স্বাভাৱিকতে আহে। মাধৱদেৱে নাম-ঘোষাত এই পথসমূহৰ তুলনামূলক বিচাৰ কৰিছে।





মহাপুৰুষ শঙ্কৰদেৱে পূৰ্ব প্ৰচলিত সনাতন ধৰ্মক সংস্কাৰ কৰি নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। ধৰ্ম প্ৰচাৰক হিচাপে শঙ্কৰদেৱ-মাধৱদেৱে বেদান্ত দৰ্শনৰ উপৰি হিন্দু দৰ্শনৰ অন্যান্য দাৰ্শনিক গ্ৰন্থসমূহৰ বিষয়েও গভীৰ বুৎপত্তি লাভ কৰিছিল। মাধৱদেৱৰ স্বকীয় উন্মেষশালিনী প্ৰতিভাৰ গৰাকী আছিল যদিও শঙ্কৰদেৱে প্ৰচাৰ কৰা বৈষ্ণৱ মতবাদৰ পৰা তেখেত চুলি এডালমানো লৰচৰ হোৱা নাছিল। বৰং গুৰু শঙ্কৰদেৱে প্ৰচাৰ কৰা নৱ-বৈষ্ণৱ ধৰ্মক অধিক শক্তিশালী আৰু সু-সংহত কৰিবলৈ তেখেতে আহোৰাত্ৰ সাধনাত ব্ৰতী হৈ পৰিছিল। গুৰুৰ আদেশ অনুসৰি ৰচনা কৰা এহেজাৰ এটা ঘোষাত, বেদান্ত দৰ্শনে নিৰ্দ্দেশ কৰা মোক্ষ পথ কৰ্ম আৰু জ্ঞানৰ জটিলতা আৰু ইয়াৰ সমস্যাবিলাকৰ বিষয়ে তেখেতে সৰ্বসাধাৰণ মানুহে বুজি পোৱাকৈ প্ৰকাশ কৰিছে। নামঘোষাত ঈশ্বৰ লাভ কৰাৰ তিনিটা উপায়-- কৰ্ম, জ্ঞান আৰু ভক্তি পথৰ ভিতৰত ভক্তিৰ পথক অতি সৰল আৰু সাধাৰণ মানুহৰ গ্ৰহণযোগ্য পথ বুলি প্ৰকাশ কৰিছে।

মহাপুৰুষ শঙ্কৰদেৱে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰোঁতে অদ্বৈতবাদ মূলতত্ত্ব বা দৰ্শন হিচাপে গ্ৰহণ কৰিছিল। এই দৰ্শনমতে ব্ৰহ্ম নিৰ্গুণ। নিৰ্গুণ ব্ৰহ্মৰ পৰা সমস্ত জগতৰ উৎপত্তি হৈছে। ব্ৰহ্ম, স্থায়ী, চিৰন্তন আৰু অবিনাশী। বিশ্ব ব্ৰহ্মাণ্ড, জীৱ-জগত, জড় জগত সকলো ব্ৰহ্মৰ পৰাই উৎপত্তি যদিও ইবোৰৰ বিনাশ হয়। শংকৰাচাৰ্য্যই অদ্বৈতবাদক প্ৰতিস্থা কৰিবলৈ যাওঁতে জ্ঞানৰ দ্বাৰা মোক্ষ প্ৰাপ্তি সম্ভৱ বুলি প্ৰচাৰ কৰিছিল। অৱশ্যে দাৰ্শনিক পণ্ডিতজনাই ভক্তি মাৰ্গক একেআষাৰে অগ্ৰাহ্য কৰিছিল বুলি ক'ব নোৱাৰি। তেখেতৰ 'বিবেক চূড়ামণি' গ্ৰন্থত মোক্ষ সাধনৰ পথ হিচাপে ভক্তিবাদক স্বীকাৰ কৰি কৈছে—'মোক্ষ কাৰণং সামগ্ৰ্যাং ভক্তিৰেব গৰীয়সী'। সম্ভৱতঃ শংকৰাচাৰ্য্যই অদ্বৈতবাদী দৰ্শন প্ৰচাৰ কৰি ফুৰোঁতে ভক্তিবাদৰ বিকাশমান ৰূপটো দেখা পাইছিল। কৰ্মমাৰ্গ মতে বেদৰ কৰ্ম কাণ্ডত থকা যাগ-যজ্ঞ আদি সমাপন কৰিবলৈ প্ৰচুৰ অৰ্থৰ প্ৰয়োজন হৈছিল। উপনিষদৰ ঋষিসকলে জ্ঞান আৰু যোগৰ দ্বাৰা নিৰ্গুণ ব্ৰহ্মৰ উপলব্ধিৰ বাবে নিৰ্দেশ কৰা পথ অতিশয় কষ্টসাধ্য। উপনিষদৰ পিছত দৰ্শন শাস্ত্ৰসমূহত জ্ঞান-বিজ্ঞান আৰু যুক্তিৰ সহায়ত প্ৰমাণ কৰিবলৈ যোৱা পথো সাধাৰণ মানুহৰ কাৰণে গ্ৰহণীয় নাছিল। মুঠতে কৰ্ম, জ্ঞান বা দৰ্শনৰ পথেৰে ঈশ্বৰৰ থানত ওলাবলৈ সাধাৰণ মানুহৰ কাৰণে সাধ্যাতীত আছিল।

ভক্তিবাদৰ প্ৰথম উন্মেষ ঘটিছিল শ্ৰীমদ্ভগৱত গীতাত। অতি প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষত প্ৰচলন হৈ থকা বিভিন্ন ধৰ্মমতৰ গীতাত সমন্বয় সাধন কৰা হৈছিল বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। গীতাত ভগৱান শ্ৰীকৃষ্ণক অৱতাৰী পুৰুষ

হিচাপে গ্ৰহণ কৰা হৈছে। উপনিষদৰ ব্ৰহ্মজ্ঞানী ঋষিসকলৰ নিৰ্গুণ ব্ৰহ্মৰ সাকাৰ ৰূপত ভগৱান কৃষ্ণক গ্ৰহণ কৰা হ'ল। গীতাৰ কৃষ্ণই শিষ্য অৰ্জুনৰ আগত --- 'সৰ্ব্বধৰ্ম্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ'। জ্ঞানবাদী ঋষিয়ে জ্ঞানৰ দ্বাৰা, যোগীসকলে যোগ আৰু তপস্যাৰ বলত আৰু সাংখ্য, বৈশেশিক আদি দৰ্শনে জীৱৰ দুখ নিবাৰণৰ কাৰণে তৰ্ক, জ্ঞান আৰু বিজ্ঞান সাধন কৰি যিজন ঈশ্বৰৰ অস্তিত্ব নিৰ্ণয় কৰিবলৈ সাধনা কৰিছিল, সেইজন ঈশ্বৰ ভগৱান শ্ৰীকৃষ্ণ সোঁ-শৰীৰে ধৰালৈ নামি আহিছিল দ্বাপৰ যুগত। ভক্তিবাদৰ তত্ত্বও ইয়াতে নিহিত আছে। ভক্তিবাদী সন্তসকলে ভগৱান কৃষ্ণক পৰম উপাস্য দেৱতা ৰূপে গ্ৰহণ কৰিলে। গীতাৰ পৰৱৰ্ত্তী সময়ত বেদান্ত দৰ্শনৰ প্ৰণেতা ব্যাসদেৱে যাগ-যজ্ঞ আদিৰ অসাৰ্থকতা উপলব্ধি কৰি বেদান্ত দৰ্শনৰ ভাষ্যৰূপে শ্ৰীমদ্ভাগৱত পুৰাণখন ৰচনা কৰিছিল। শ্ৰীমদ্ভাগৱতক পুৰাণ সূৰ্য্য বুলি গণ্য কৰা হয় আৰু ভগৱান কৃষ্ণক উপাস্য দেৱতা হিচাপে শ্ৰীমদ্ভাগৱতত স্বীকাৰ কৰা হ'ল। শ্ৰীমদ্ভাগৱত পুৰাণত ভক্তিৰ পথক মোক্ষ লাভৰ শ্ৰেষ্ঠতম পথ বুলি কোৱা হৈছে। ভক্তিমাৰ্গত ঈশ্বৰ কৃষ্ণৰ চৰণত ভক্তই কায়-বাক্য-মনেৰে নিজক সমৰ্পণ কৰাই ভক্তৰ জীৱনৰ একমাত্ৰ লক্ষ্য। কাৰণ প্ৰতিটো জীৱই ঈশ্বৰৰ একোটা অংশ মাথোন। জীৱৰ নিজৰ বুলিবলৈ একো নাই। জীৱমাত্ৰেই মায়াৰ বান্ধোনত বান্ধ খাই থাকে। মায়াৰ বান্ধোন নাইকিয়া কৰি, ঈশ্বৰত নিজক সমৰ্পণ কৰিব পাৰিলেই জীৱৰ মোক্ষ সাধন হয়। ভগৱৎ ভক্তিৰ হৃদয়াবেগেৰে নিজক সমৰ্পণ কৰিব পাৰিলে ভক্তৰ মনৰ পৰা মায়াৰ বান্ধোন শিথিল হৈ পৰে। ইয়াৰ কাৰণে ভক্তই নামৰ সহায় লব লাগে। নাম বা শব্দ শক্তিৰ প্ৰভাৱ অখণ্ড, গতিকে ভগৱানৰ নাম পুনঃ পুনঃ উচ্চাৰণ কৰি থাকিলে ভক্তই নিৰাকাৰ ব্ৰহ্মক উপাসনা কৰা যেন হয়। ভক্তিবাদীসকলে মৃন্ময় বস্তুত ভগৱান সন্তুষ্ট হয়। ভক্তিবাদত বৰ্ণাশ্ৰম ধৰ্মৰ দৰে জাত বিচাৰ থাকিব নোৱাৰে। যিজনে শুদ্ধভাৱে ঐকান্তিক বিশ্বাসৰে নিজক ঈশ্বৰৰ ওচৰত সমৰ্পণ কৰে তেৱেঁই একশৰণীয়া ভকত।

বৰ্ণাশ্ৰম ধৰ্মই স্বীকাৰ কৰা জাতপাতৰ দুৰ্গম প্ৰাচীৰ ভাঙিবলৈ পিছৰ যুগত ভক্তিবাদ প্ৰৱৰ্তন কৰা হৈছিল। বৰ্ণাশ্ৰম ধৰ্মই মানৱ সমাজৰ আধ্যাত্মিক উন্নতিত কিমান খিনি অৰিহণা যোগাইছিল বিচাৰ কৰি চোৱাৰ সময় আহিছে। হিন্দু ধৰ্মৰ তুলনাত অৰ্বাচীন অন্যান্য ধৰ্মবিলাকে যেতিয়া মানুহক মানৱীয় মৰ্য্যদা দিবলৈ উঠিপৰি লাগিছিল, তেতিয়া বৰ্ণবাদৰ নামত হিন্দুধৰ্মত সামাজিক বৈষম্যৰ সৃষ্টি কৰা হৈছিল। সমাজৰ গৰিষ্ঠ সংখ্যক শ্ৰেণীটোক শূদ্ৰ নাইবা অস্পৃশ্য বুলি প্ৰচাৰ





কৰি সুবিধাবাদী আৰু স্বাৰ্থান্বেষী এচাম মানুহে নিজৰ মুনাফা আদায় কৰিছিল। ইয়াৰ ফলত ভাৰতীয় সমাজৰ মেৰুদণ্ড ভাগি পৰিছিল। ভাগৱতে মানুহৰ হৃত মানৱীয় মৰ্য্যদা ঘূৰাই আনিবলৈ যত্ন কৰিছিল আৰু কিছু পৰিমাণে হ'লেও সফল হৈছিল। মাধৱদেৱে নামঘোষাত ভক্তিবাদী আদৰ্শৰ শিক্ষা দিওঁতে বাৰে বাৰে সকীয়াই দিছে যে সমাজত জন্মসূত্ৰে ব্ৰাহ্মণ আৰু চাণ্ডালৰ জাত নিৰ্দ্ধাৰণ হব নোৱাৰে। হৰি নাম ল'লে চণ্ডালো উত্তম বুলি আৰু হৰিনাম নল'লে ব্ৰাহ্মণো অধম বুলি শাস্ত্ৰীয় বিচাৰত কয়---

সংসাৰৰ ইন্দ্ৰ কৃষ্ণ তাহান নামক যিটো
অজ্ঞানত চণ্ডালে লৱয়।
হেনসে পবিত্ৰ সিটো জানিবা যজ্ঞত আনি
পাত্ৰ পাতিবাৰ যোগ্য হয়।। ১১৫।।
চণ্ডালে লৱে হৰিনাম মাত্ৰ।
কৰিৱে উচিত যজ্ঞৰ পাত্ৰ।। ---- কীৰ্ত্তন
যিটো চণ্ডালৰ কায় বাক্য মন
সদায় সুমৰে হৰি।
আছে বাহুব্ৰত যিটো ব্ৰাহ্মণৰ
সিসে শ্ৰেষ্ঠ আত কৰি।।

অসমত নৱ-বৈষ্ণৱ ধৰ্মই প্ৰচাৰ কৰা ভক্তিবাদী আদৰ্শই কোটিকলীয়া বৰ্ণবাদ আৰু জাত পাতৰ ভেদাভেদ আঁতৰাই নতুন সমাজ এখন গঢ়িব বিচাৰিছিল। শঙ্কৰ-মাধৱ ভক্তিবাদৰ উদাৰনৈতিক, মানৱতাবাদী নীতিৰ আধাৰত সমাজ সংস্কাৰ কৰিছিল। ভকতৰ মাজতে ভগৱান আছেবুলি তাঁৰাসৱে প্ৰচাৰ কৰিয়ে ক্ষান্ত থকা নাছিল, মহাপুৰুষ দুজনাই নিজৰ জীৱন কালতে ভকত বস্তুক সকলোতকৈ ডাঙৰ বুলি মান্যতা দিয়াৰ কাহিনী চৰিত পুথিত বিস্তৰ আছে। মাধৱদেৱে নাম-ঘোষাত অব্যভিচাৰী ভক্তিৰ মাহাত্ম্য, এজন ঈশ্বৰত শৰণ, নাম ধৰ্মৰ গুৰুত্ব, পৰমগুৰু শঙ্কৰৰ প্ৰাধান্য, ভাগৱতৰ বন্দনা কৰাৰ লগতে নিজকে ঈশ্বৰৰ দাসৰো দাস বুলি দাস্যভক্তি প্ৰকাশ কৰিছে। নাম-ঘোষা অধ্যয়ণ কৰা প্ৰতিজন পাঠকে সহজে বুজিপায় যে, ভক্তিধৰ্ম প্ৰচাৰ কৰাই ঘোষাসমূহৰ মূল উদ্দেশ্য। বেদান্ত ধৰ্শনৰ অন্যান্য পন্থাৰ তুলনাত মহৰ্ষি বেদব্যাস ৰচিত, শ্ৰীমদ্ভাগৱত পুৰাণত বৰ্ণিত ঈশ্বৰ কৃষ্ণই সকলো দেৱতাৰ ভিতৰত শ্ৰেষ্ঠ দেৱতা আৰু কেৱল ভক্তিৰ দ্বাৰাই কৃষ্ণক তুষ্ট কৰিব পাৰি বুলি মাধৱদেৱে নাম-ঘোষাত প্ৰকাশ কৰিছে। ভক্তিবাদৰ উদ্দেশ্য, তাৎপৰ্য্য আৰু লক্ষ্যৰ বিষয়ে মাধৱদেৱে নাম-ঘোষাৰ আৰম্ভণি

ঘোষাতে সুন্দৰভাৱে প্ৰকাশ কৰিছে।

মুক্তিতো নিস্পৃহ যিটো　　সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি
সমস্ত মস্তক মণি　　নিজ ভকতৰ বৈশ্য
ভজো হেন দেৱ যদুপতি।। ১।।

মুক্তিৰ প্ৰতি অনাসক্ত, ভকতি ৰসত আকুণ্ঠ নিমজ্জিত--নাৰদীয় ভকতক বৈষ্ণৱ আদৰ্শই নমস্কাৰ কৰে। সকলো দেৱতাৰ মূৰৰ মণি স্বৰূপ কৃষ্ণ ভকতৰ বৈশ্য আৰু একশৰণীয়া ভকতে তেওঁকহে ভজনা কৰে।

মোৰ ভক্তি যুক্ত　　যোগীৰো জানিবা
মোতেসে চিত্ত যাহাৰ।
জ্ঞান কৰ্ম্ম বিনে　　কেৱলে ভক্তিত
পাৰয় সংসাৰ পাৰ।। ১৯৯।।

ভক্তিৰসত সিক্ত যোগীজনেও ঈশ্বৰ কৃষ্ণক ভক্তি কৰে। জ্ঞান মাৰ্গ বা কৰ্ম মাৰ্গৰ সাধন পদ্ধতি বাদ দি মাথো ভকতি কৰিলেই ভক্তই সংসাৰ পাৰ হৈ যাব পাৰে।

কেৱল ভকতি　　পুৰুষক তাৰে
সহায় কাকো নচাৰে।
জ্ঞানকৰ্ম্মে তাৰে　　তাৰিতে নপাৰে
ভকতি নপাৰে যাৰে।। ২০০।।

ভগৱান কৃষ্ণই উদ্ধৱক কৈছে----
জ্ঞান কৰ্ম্ম ভকতি কহিলো কৰি ভেদ।
ভকতি পৰম পন্থ দিলো পৰিচ্ছেদ।।
নাহিকে উত্তম গতি ভকতিত পৰে।
নিস্তে কহো ভকতিতে মোকে বৈশ্য কৰে।।
..................................................
..................................................
তপ জপ পৰম সন্ন্যাস মহাদানে।
নপাৰে আমাক সাঙ্খ্য যোগ তত্ত্বজ্ঞানে।।
কেৱল ভকতি মাত্ৰ মোক কৰৈ বৈশ্য।
কহিলো উদ্ধৱ ইটো তোমাত ৰহস্য।।---ভাগৱত।





ভক্তজনৰ ভজনীয়া দেৱতা কোনজন? জ্ঞান আৰু কৰ্মই ৰক্ষা কৰিব নোৱাৰা ভকতক ৰক্ষা কৰিব কোনজন দেৱতাই? নামঘোষাত মাধৱদেৱে সেইজন ভজনীয়া দেৱতাক দেখুৱাই দিছে----

ৰাম কৃষ্ণ হৰি ৰাম　　সৰ্ব্ব ধৰ্ম্ম অনুপাম
সকল নিগম তত্ত্ব সাৰ।
যাত পৰে ধৰ্ম্ম নাহি আৰ।
হেন নাম নুসুমৰি　　কমন ভৰসা কৰি
ৰৈয়া আছে ভৱ তৰিবাৰ।। ২৩।।
.......................................
.......................................
পৰম ঈশ্বৰ দেৱ　　কৃষ্ণক নপাই লাগ
তপ জপ যাগ যোগ দানে।
একান্ত ভক্তৰ পদ　　ৰেণু শুদ্ধ চিত্তে মাথে
অভিষেক নকৰয় মানে।। ৩৮।।

ঈশ্বৰ কৃষ্ণ পৰম দেৱতা। ঈশ্বৰক তপ, জপ, যাগ, যজ্ঞ আৰু দানৰ দ্বাৰা লগ পাব নোৱাৰি। একান্ত ভক্তৰ পদৰেণু শুদ্ধ চিত্তৰে মূৰত তুলি ল'লেহে ভগৱানক লাভ কৰিব পাৰি।

মই বিনে চাৰিবেদ আন নবখানে।
চাৰিওবেদৰ তত্ত্ব অৰ্থ এহিমানে।। ---- ভাগৱত

ভক্তই একান্ত শৰণ কাৰ পৰা পাব? মাধৱদেৱে এই প্ৰশ্নৰ মীমাংসা নামঘোষাত কৰিছে। ভক্তই ভগৱানৰ আশীষ পাবলৈ হিন্দু ধৰ্মৰ প্ৰথমতে গুৰুৱেই শিষ্যক ভগবানক চিনিপোৱাৰ পথ দেখুৱাই দিব লাগিব। শঙ্কৰদেৱৰ সমসাময়িক সন্ত কবীৰে এটা দোহাত কৈছে যে ভগৱান আৰু গুৰু যদি একেলগে কবীৰৰ ওচৰলৈ আহে, কবীৰে প্ৰথমতে গুৰুকহে নমস্কাৰ কৰিব। কাৰণ গুৰুজনে কবীৰক ভগৱানক চিনাকি কৰি দিছিল। মাধৱদেৱে ভাৰতীয় দৰ্শনৰ এই পৰম্পৰাক অতিশয় শ্ৰদ্ধা কৰিছিল। মাধৱদেৱে ঘোষাত শঙ্কৰদেৱক 'পৰম গুৰু' বুলি কৈছে। শঙ্কৰদেৱে ভক্তিধৰ্ম প্ৰচাৰ কৰি স্ত্ৰী শূদ্ৰ সকলোকে বৈকুণ্ঠৰ কল্পতৰু মহাভাগৱত গ্ৰন্থৰ অমৃতৰস পান কৰাৰ সুবিধা কৰি দিলে আৰু হৰিনাম লোৱাৰ অধিকাৰ দিলে। মাধৱদেৱৰ দৃষ্টিত শঙ্কৰদেৱ 'ভকতৰ কল্পতৰু'। তাৰাৰ বাহিৰে আনগুৰু নাই বুলি মাধৱদেৱে কৈছে ----

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।। ৩৭৫।।

একমাত্ৰ শঙ্কৰদেৱেই শাস্ত্ৰৰ তত্ত্ব ভেদ কৰি, ভকতৰ মনৰ সংশয় ছেদ কৰি কৃষ্ণৰ ভকতি প্ৰচাৰ কৰিলে-----

শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি।
তাঙ্ক এৰি কি কাৰণে আনক বোলয় গুৰ
কিনো লোক মঢ়া মূঢ়মতি।। ৫৪।। ঘোষা

ভক্তিধৰ্মত গুৰুৱে ঈশ্বৰ প্ৰাপ্তিৰ কাৰণে কি উপায় দিছে? মাধৱদেৱে নাম-ঘোষাত কৈছে যে, কেৱল নাম লৈ ভকতে ঈশ্বৰক লাভ কৰিব পাৰে। শুদ্ধভাৱে শ্ৰদ্ধাৰে নাম ললে বিষয়ীজন সংসাৰ তৰি যাব পাৰে। মহাপুৰুষীয়া ভকতৰ কামনাৰ বস্তু হ'ল নাম। ঈশ্বৰৰ নামৰ বাহিৰে মহাপুৰুষীয়া ভকতে একো বুজি নেপায়।

তপ জপ তীৰ্থ ব্ৰত যাগ যোগ যজ্ঞ দান
কাকো নুসুমৰে মৃত্যু বেলা।
মৰন্তা জনক বেঢ়ি বোলে সবে ৰাম বোলা
হেন নামে এতিক্ষণে হেলা।। ৪৮।। ঘোষা
হৰি গুণ নাম আনন্দ সাগৰে
মজায়ো মন নিপুণ।
সুখে সংসাৰৰ তাপ এৰাইবাহা
নছাড়িবা হৰিগুণ।। ২২৫।।

সমস্ত বেদান্ত সাৰ, পুৰাণ সূৰ্য্য ভাগৱতে ভক্তিবাদৰ নতুন পথ সূচনা কৰিলে। গীতাত ভক্তিযোগৰ কথা কৈছে যদিও ভাগৱতকহে ভক্তিবাদৰ আধাৰ বুলি ধৰা হয়। মহাপুৰুষ শঙ্কৰদেৱে ভাগৱতক ভক্তি ধৰ্মৰ আধাৰ হিচাপে গ্ৰহণ কৰিছিল। মাধৱদেৱেও ভাগৱতক সমস্ত 'বেদান্তসাৰ', 'সৰ্ব্বশ্ৰুতি শিৰোৰত্ন' আদি বিবিধ অভিধাৰে ভূষিত কৰিছে। ভাগৱতৰ ভক্তিৰসক তেখেতে 'অমৃতৰস' বুলি কৈছে।

সমস্ত বেদান্ত সাৰ মহাভাগৱত শাস্ত্ৰ
ইহাৰ অমৃত ৰস পাই।
পৰম সন্তোষে পান কৰিলে যিজনে তাৰ
অন্যত্ৰ ৰসত ৰতি নাই।। ১৮।।





স্মাৰ্ত শাস্ত্ৰবিলাকে জাতিভেদৰ কঠোৰ শিকলিৰে মানুহক বান্ধি ৰাখিছিল। ভাগৱতৰ ভক্তিধৰ্মই জাতিভেদ প্ৰথাৰ ঘৃণনীয় ব্যৱস্থা স্বীকাৰ নকৰি ভক্তিৰ দুৱাৰ সকলো বৰ্ণৰ কাৰণে মুকলি কৰি দিলে। মাধৱদেৱে নাম-ঘোষাত একাধিকবাৰ ভাগৱতৰ গুণানুকীৰ্ত্তন কৰিলে। কাৰণ বৰ্ণাশ্ৰম ধৰ্মৰ হেঁচাত হেজাৰ হেজাৰ বছৰ চেপেটা লাগি থকা তথাকথিত অন্ত্যজ বা শূদ্ৰসকলে প্ৰথমবাৰৰ কাৰণে উচ্চ বৰ্ণসকলৰ নিচিনাকৈ আধ্যাত্মিক উপাসনাৰ অধিকাৰ লাভ কৰিলে ভাগৱতৰ ভক্তিধৰ্মৰ প্ৰৱৰ্ত্তন হোৱা পিছৰ পৰা ভাগৱত আৰু ভক্তি ধৰ্মৰ ক্ৰমবৰ্দ্ধমান জনপ্ৰিয়তাৰ আগত সনাতন ধৰ্মৰ অন্যান্য শাস্ত্ৰসমূহ ক্ৰমান্বয়ে নিস্প্ৰভ হৈ পৰিছিল।

সৰ্ব্ব শ্ৰুতি শিৰোৰত্ন ভাগৱত বনমাজে
হৰিনাম সিংহ প্ৰকাশয়।
তাৰ মহধ্বনি শুনি নিজ পৰিবাৰ সমে
তৰ্ক ব্যাঘ্ৰী পলায় হুয়া ভয়।। ৪৪।।

নাম-ঘোষাত মাধৱদেৱৰ দাস্যভক্তিৰ পূৰ্ণ প্ৰকাশ ঘটিছে। বেদ-বেদান্তৰ জ্ঞান, বিজ্ঞান, তদং, ৰহস্য আৰু দুৰ্বোধ্য আত্মতত্ত্বৰ সন্ধান পাই, চাৰি পুৰুষাৰ্থক তৃণসমজ্ঞান কৰি পৰম আনন্দ ৰসত মনপ্ৰাণ নিমজ্জিত কৰি ভগৱানৰ পদ সেৱন কৰি কৈছে-

মোৰ সম পাপী লোক নাহিকে ই তিনিলোক
তুমি সম নাহি পাপহাৰি।
ই জানি গোবিন্দ মোক যেন যুৱাই কৰিয়োক
তুৱাপদে কৰোহো গোঁহাৰি।। ১৩৬।।

দাস্য ভাৱৰ কি সুন্দৰ প্ৰকাশ! আত্ম সত্বা বিলোপ কৰি, নিজক পাপীৰো পাপী বুলি গণ্য কৰি ভগৱানৰ ওচৰত আত্মসমৰ্পণ কৰি দিয়াৰ এনে সুন্দৰ উদাহৰণ খুব কমেই পোৱা যায়।

নাম-ঘোষাত কলিযুগক প্ৰশংসা কৰি একাধিক ঘোষা ৰচনা কৰা হৈছে। চাৰি যুগৰ ভিতৰত কলিযুগৰ গুৰুত্ব বেছি বুলিকৈছে। গুৰু শঙ্কৰদেৱৰ দৰে মাধৱদেৱেও কলিযুগক প্ৰশংসা কৰিছে একাধিক কাৰণত। সত্য যুগৰ লোকসকলেও কলিত জন্ম লবলৈ বাঞ্চা কৰে, কলিৰ পৰম গতি হৰিনাম; কাৰণ কলিত সকলো মানুহৰ হৰিনাম লোৱাৰ অধিকাৰ আছে। সম্ভৱতঃ অন্যান্য যুগ কেইটাৰ তুলনাত কলিত মানুহৰ আত্মিক বিকাশৰ অধিকাৰ বেছি, সেই কাৰণে দুইজনা মহাপুৰুষে কলিযুগ আৰু ভাৰতবৰ্ষক ধন্য ধন্য বুলি কৈছে।

নামঘোষাৰ কেইজোকামান ঘোষাত প্ৰকৃতি জগতৰ ৰূপক, উপমা আদিৰ সহায় লৈ নামধৰ্মৰ মহত্ত্ব ঘোষণা কৰিছে। পঢ়োতাৰ মনৰ জগতত ধ্বনিৰ সৃষ্টি কৰি প্ৰতিপাদ্য বিষয়ক গাম্ভীৰ্য্যপূৰ্ণ কৰি তুলিছে। পুণ্য অৰণ্যৰ মাজত ঈশ্বৰৰ নাম সিংহ স্বৰূপ, মহাপাপ হস্তী সদৃশ। গাম্ভীৰ্য্যপূৰ্ণ ৰূপক উপমা প্ৰয়োগ কৰি পঢ়োতাজনৰ মনত প্ৰকৃতিৰ বস্তুৰ লগত বৰ্ণনীয় বিষয় তুলনা কৰি চিত্ৰখন ফুটাই তুলিবলৈ সক্ষম হৈছে।

জীৱনৰ শেষ বয়সত লিখা নাম-ঘোষা পঢ়িলে ধাৰণা হয় যে ঘোষাসমূহত তেখেতৰ ব্ৰহ্মজ্ঞানৰ পূৰ্ণ উপলব্ধিৰ প্ৰকাশ পাইছে। দাস্য ভক্তিৰ সাধক মাধৱদেৱৰ মন প্ৰাণ অহৰ্নিশে ভক্তিৰসত মজি আছিল।

ভাবিতে ভাবিতে ৰাম ৰস চৰে আতি।
আনন্দে ভাবিও ৰাম কিবা দিন ৰাতি।। ৪৫২।।

নাম-ঘোষাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল সদ্গুণৰ লক্ষণ বৰ্ণনা। মায়া, মোহ, ৰাগ, মদ, মল, কাম, দম্ভ আদি বেয়া গুণবিলাকৰ প্ৰভাৱত আত্মা পংকিলতাত বুৰ গৈ থাকে। এই বেয়া গুণবিলাক যিজন গুৰুয়ে অন্তৰৰ পৰা নাইকিয়া কৰিব পাৰিছে, তেনেজন গুৰুক প্ৰণাম কৰিব লাগে। যিসকল গুৰু জ্ঞানী বা পণ্ডিত নহয়, মহন্তকো উপাসনা নকৰে, শাস্ত্ৰ নেজানে আৰু শিষ্যৰ সংশয় দূৰ কৰিব নোৱাৰে, তেনে লোকে শিষ্যক ৰক্ষা কৰা দূৰৰ কথা, নিজকো ৰক্ষা কৰিব নোৱাৰে। মাধৱদেৱৰ সমসাময়িক সমাজখনৰ বিভিন্ন মতবাদৰ আধাৰত গঢ় লোৱা ধৰ্ম গুৰুসকলক লক্ষ্য কৰি মাধৱদেৱে গুৰু সম্পৰ্কীয় ঘোষা কেইজোৰা ৰচনা কৰিছিল।

মধ্যযুগীয় অসম, কামৰূপ আৰু বিহাৰত, শংকৰদেৱে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি ফুৰা সময়ত অসমৰ সামাজিক অৱস্থা অতিশয় দুখলগা আছিল। শঙ্কৰদেৱৰ 'সহন ধৰ্মৰ়ো মানুহৰ মাজৰ পৰা প্ৰমত্ত আচাৰ অনুষ্ঠান আঁতৰ কৰিব পৰা নাছিল। শঙ্কৰ-মাধৱে অসম, কামৰূপ আৰু বিহাৰত নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি ফুৰা সময়ত ঘাইকৈ তিনিটা শক্তিয়ে তেওঁলোকৰ সন্মুখত বাধাৰ সৃষ্টি কৰিছিল। সনাতন ধৰ্মৰ কাণ্ডাৰী স্মাৰ্ত শাস্ত্ৰ প্ৰৱৰ্তন কৰা ব্ৰাহ্মণসকল; ভক্তিধৰ্ম সম্পৰ্কে জ্ঞান নাইকিয়া আহোম ৰজা আৰু কোচ ৰজা আৰু বিভিন্ন শাস্ত্ৰীয় মতবাদৰ আধাৰত গঢ়ি উঠা তান্ত্ৰিক মতাৱলম্বীসকল। পিছত কোচৰজা নৰনাৰায়ণে নিজৰ মত সলনি কৰিছিল। কিন্তু আহোম ৰাজতন্ত্ৰই শঙ্কৰ-মাধৱৰ জীৱনকালত বৈষ্ণৱ আদৰ্শ স্বীকাৰ কৰি লোৱা নাছিল।

সনাতন ধৰ্মৰ কাণ্ডাৰীসকলৰ আচৰণত শঙ্কৰদেৱৰ 'হিয়া চাৰি আঙুলমান





কলা পৰিছিল।' সনাতন কাণ্ডাৰীৰ উদ্ধতালিৰ প্ৰত্যুত্তৰ দিবলৈ শঙ্কৰদেৱে এভাগ শাস্ত্ৰ ৰচনা কৰিব বিচাৰিছিল। মাধৱদেৱে 'সহন ধৰ্ম গোট'ৰ কথা কৈ গুৰু শঙ্কৰদেৱক এই কামৰ পৰা বিৰত কৰি ৰাখিছিল। ঘটনাটো দেখাত মহাপুৰুষ দুজনাৰ ঘটনা বহুল জীৱনৰ এটা সাধাৰণ ঘটনা যেন লাগিলেও ইয়াৰ মাজত প্ৰোথিত হৈ আছে তাৰাসৰৰ উদাৰনৈতিক দৃষ্টিভঙ্গী। অসহিষ্ণুকতা কোনো ভাল কামৰ অংশ হ'ব নোৱাৰে। অসহিষ্ণুতা সৃষ্টি কৰা সামাজিক সমস্যা সম্পৰ্কে সদা সচেতন আছিল দুজনা মহাপুৰুষ । শঙ্কৰদেৱৰ ভক্তিবাদী দৰ্শনৰ আদৰ্শ আছিল ভকতৰ মাজত প্ৰেম ভালপোৱা প্ৰচাৰ কৰা। গতিকে মাধৱদেৱে 'সহন ধৰ্ম গোট'ৰ কথা কোৱাত শঙ্কৰদেৱ পুথি লিখাৰ পৰা বিৰত থাকিল। তথাপি সমসাময়িক সমাজ ব্যৱস্থাৰ সকলো প্ৰত্যাহ্বান মহাপুৰুষ দুজনাই হেলাৰঙে উলাই কৰি গৈছিল বুলি ভাবিলে ভুল কৰা হ'ব। মহাপুৰুষসকলে নিজৰ সমসাময়িক সমাজখনক যিদৰে প্ৰভাৱান্বিত কৰি নিজৰ অনুকূলে গঢ়ি তোলে, সেইদৰে সমাজ ব্যৱস্থায়ো মহাপুৰুষসকলৰ কাৰ্য্যকলাপক কিছু পৰিমাণে হলেও প্ৰভাৱান্বিত কৰে। শঙ্কৰদেৱৰ 'সহন ধৰ্ম গোট'ৰ উদাৰ নৈতিক দৃষ্টিভঙ্গী স্বত্বেও তদানিন্তন সমাজত আধ্যাত্মিকতাৰ নামত চলি থকা কু-প্ৰথাবিলাকৰ বিৱৰণ শঙ্কৰ-মাধৱৰ ৰচনাৱলীত কম নহয়। মধ্যযুগীয় অসমত জাতি জনগোষ্ঠী কিছুমানৰ স্বকীয় ৰাতি-নীতিৰ লগত বাহিৰৰ উপাদান মিহলি হৈ ধৰ্মৰ নামত সামাজিক ব্যভিচাৰ কিছুমান প্ৰচলন আছিল।

হৰিনাম ধ্বজা কৰি বেদপন্থ পৰিহৰি
ফুৰে আতি পাষণ্ডসকল।
ইহ পৰলোকে ভ্ৰষ্ট হুয়া পেট পুষি মাত্ৰ
ফুৰে আতি পৰম নিস্খল।। ৫৯।।

ইয়াৰ সমসাময়িক সমাজখনৰ নৈতিকতা আৰু আধ্যাত্মিকতাৰ ছবি এখন প্ৰকাশ পাইছে। সেই সময়ত অসম আৰু ইয়াৰ আশে-পাশে চলি থকা বৌদ্ধ মতবাদটোক সহজযান বুলি কোৱা হৈছিল। সহজযান পন্থাই আহি স্থানীয় সাধন মাৰ্গবিলাকৰ লগত ভৰ কৰিছিল। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰৰ নিচিনা গ্ৰন্থ ৰচনাৰ কাৰণে কামৰূপ উৰ্বৰ ক্ষেত্ৰ আছিল। মধ্যযুগীয় অসম সৌমাৰখণ্ডক শঙ্কৰদেৱে 'বাদিকৰ ঠাই' (কথা গুৰু চৰিত) বুলি কৈছিল। মানুহৰ নৈতিকতাৰ প্ৰমাণো কালিকা পুৰাণৰ দুটামান শ্লোক পঢ়িলেই গম পোৱা যায়। বৈষ্ণৱ যুগৰ ধৰ্মগুৰুজনাই বৈষ্ণৱ আদৰ্শৰ ভ্ৰূণ ৰূপণ কৰিছিল উৰলি যোৱা সমাজ এখনৰ গৰ্ভত। গতিকে শঙ্কৰ-মাধৱৰ দৰে সহন ধৰ্মৰ অতিশয় আস্থাশীল উদাৰ মনৰ

মহাপুৰুষসকলকো সামাজিক ব্যাধিয়ে আমনি নকৰাকৈ থকা নাছিল।

বুদ্ধ অৱতাৰে বেদ পথ কৰি ছন্ন।
বামানয় শাস্ত্রে মুহি আছে অজ্ঞজন।
নিচিন্তে চৰণ নাম নলৱে তোমাৰ।
সদায়ে প্ৰমত্ত লোক পাষণ্ড আচাৰ।।-- কীৰ্ত্তন

বৰ্ণাশ্ৰম ধৰ্মৰ কঠোৰ বিভেদ নীতি, বৌদ্ধ বামাচাৰী, তান্ত্ৰিক উপাচাৰ আৰু জনজাতীয়সকলৰ কৌশিক দেৱতাসকলৰ পূজা উপাসনা আদিত মগ্ন হৈ থকা মধ্যযুগীয় অসম আৰু কামৰূপৰ সমাজ দুখনত মহাপুৰুষ দুজনাই নাম ধৰ্মৰ কঠিয়া সিঁচিছিল তাৰাসৰৰ স্বভাৱগত সহনশীল নীতিৰে। শঙ্কৰদেৱৰ ভক্তিধৰ্মৰ গূঢ়াৰ্থ নাম-ঘোষাত মাধৱদেৱে অতি প্ৰাঞ্জল ভাৱে প্ৰকাশ কৰিছে-- শঙ্কৰদেৱে প্ৰচাৰ কৰা ধৰ্মতেই শ্ৰেষ্ঠ মত। এই মত সহজ সৰল। বাহ্যিক আচাৰ অনুষ্ঠান পালন কৰাতকৈ নাম ধৰ্মত আন্তৰিক সদিচ্ছাৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হয়। মানুহে আন্তৰিকতাৰে একেশ্বৰবাদ অস্তিত্ব স্বীকাৰ কৰিলে শৃঙ্খলাবদ্ধ আৰু সংস্কৃত জীৱন যাপন কৰিবলৈ অন্তৰৰ পৰা হেজাৰ প্ৰেৰণা লাভ কৰে। মানৱাত্মাৰ বিকাশৰ কাৰণে আত্মাত লাগি থকা হিংসা-দ্বেষ আদিৰ নিচিনা মলবোৰ মানুহে ভক্তিৰ দ্বাৰা শেষ কৰিব পাৰে। ভক্তই ঈশ্বৰৰ চৰণত ভক্তিভাৱে আত্মসমৰ্পণ কৰিলে ভক্তৰ আত্মিক বিকাশ সম্ভৱ হয়। ভক্তৰ আত্মিক বিকাশ পূৰ্ণাঙ্গ হ'লে মানুহৰ সমাজত থকা সামাজিক ব্যাধিবিলাক শেষ হৈ যাব। এনেদৰে সমাজৰ প্ৰতিজন মানুহে এটা পৰিশীলিত, নীতিনিষ্ঠ জীৱন যাপন কৰিবলৈ শিকিব। শঙ্কৰদেৱে প্ৰচাৰ কৰা বৈষ্ণৱ ধৰ্মত গভীৰ আত্ম উপলব্ধিয়ে ভক্তৰ মনত আত্ম প্ৰত্যয় জগাই তোলে। এনেকুৱা শুদ্ধ সদাচাৰী মতৰ প্ৰতি আওকাণ কৰি মূঢ় জনতাই ভাত মুঠিৰ আশাত নিজৰ মহত্ত্ব নিজে বখানি ফুৰে। এনেকৈ গুৰুধৰ্ম অৱহেলা কৰা সকলক মাধৱদেৱে কৈছে-

শঙ্কৰেসে শুদ্ধমত ঈশ্বৰ ভক্তিৰ তত্ত্ব
প্ৰচাৰিলা শাস্ত্ৰসাৰ জানি।
তাহাঙ্ক নজানি মূঢ়ে জীৱিকাৰ অৰ্থে ফুৰে
আপুনাৰ মহত্ত্ব বখানি।। ৫৩।।

এনেকুৱা প্ৰতিকুল পৰিৱেশতো মঙ্গোলীয় মূলৰ এচাম মানুহে আগবাঢ়ি আহিছিল নৱ-বৈষ্ণৱ ধৰ্মত দীক্ষিত হ'বলৈ--

গাৰো ভোট যবনে হৰিৰ নাম লয়
হেনয় হৰিৰ নাম সজ্জনে নিন্দয়। ৪৮২।।





মাধৱদেৱে নাম-ঘোষাত অতিশয় জটিল তত্ত্ববিলাক সহজ ভাষাৰে, সৰলভাৱে প্ৰকাশ কৰিছে। তেখেতে ঘোষাবিলাক ভক্তিৰসত সিক্ত কৰি ইমান মনোগ্ৰাহী আৰু হৃদয়স্পৰ্শী কৰি ৰচনা কৰিছে যে ঘোষাবিলাক সুৰ লগাই গাব পাৰি আৰু ইয়াৰ গূঢ়াৰ্থ সহজে উপলব্ধি কৰিব পাৰি। বৰ্ণাশ্ৰম ধৰ্মৰ তথাকথিত বৰ্ণবাদী ব্যৱস্থাত শূদ্ৰসকলক সকলো ধৰ্মীয় ব্যৱস্থাৰ পৰা আঁতৰাই ৰখা হৈছিল। স্মাৰ্ত শাস্ত্ৰবিলাকে নিৰ্দ্ধাৰণ কৰি দিয়া বৰ্ণাশ্ৰম ধৰ্ম ব্যৱস্থাত ভাৰতৰ লাখ লাখ হিন্দু দৰ্শনৰ অনুগামী জনতা ভক্তিবাদৰ আগমন নোহোৱা পৰ্য্যন্ত; ধৰ্মৰ চাৰিবেৰৰ মাজত থাকিও ধৰ্মীয় অধিকাৰ লাভ নকৰাকৈ পৃথিৱীৰ পৰা বিদায় ল'ব লগা হৈছিল। সনাতন ধৰ্মৰ পুৰোহিতসকলে মানুহৰ আধ্যাত্মিক জগতখন শাসন কৰিছিল মানুহৰ মাজত জাত বিভাজনৰ সৃষ্টি কৰি। ভক্তিবাদৰ উত্থানে মানুহৰ মাজত প্ৰোথিত হৈ থকা বৰ্ণ বৈষম্য আৰু ঘৃণাভাৱৰ অন্ত পেলোৱাত প্ৰভূত বৰঙণি যোগাইছিল। বৰ্ণাশ্ৰম ধৰ্মৰ বৰ্ণবাদী নীতি ভক্তিধৰ্মৰ পৰিপন্থী বুলিহে পৰবৰ্তী কালত স্বীকৃত হৈছিল। মাধৱদেৱে নাম-ঘোষাত মানৱাত্মাৰ বিকাশৰ পথত বৰ্ণবাদী নীতি পৰিহাৰ কৰি বৰ্ণহীন সমাজ এখনৰ কল্পনা কৰিছে।

চাৰিও জাতিৰ নিজ পিতৃ কৃষ্ণ
জানিয়ো যিটো নভজে।
এহি পাপে নিজ ধৰ্ম্ম ভ্ৰষ্ট হুৱা
ঘোৰ নৰকত মজে।। ২৯৮।।

**লেখকৰ পৰিচয় ঃ**
শ্ৰীৰবীন্দ্ৰ মোহন নাথ।
হাতীবাট, মৰিগাঁও

# নাম-ঘোষাত কৃষ্ণ-তত্ত্ব

অংশুমান দাস

কৃপালু গুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অভিন্ন আত্মা স্বৰূপ ভক্ত শ্ৰীশ্ৰীমাধৱদেৱৰ সমগ্ৰ জীৱন জিজ্ঞাসা আৰু আধ্যাত্মিক জীৱনৰ মূৰ্ত্তিময় প্ৰকাশ- নাম-ঘোষা যথাৰ্থতে ভাৰতীয় আধ্যাত্মিক তত্ত্বদৰ্শী ভক্ত হৃদয়ৰ এক অতুলনীয় মৌ মিঠা কাব্য গ্ৰন্থ। এক হাজাৰ এটা ঘোষাত সমাপ্ত গ্ৰন্থখনিত বৰ্ণিত প্ৰতিটো ঘোষা বা পদেই ভক্ত কবি মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ জীৱন কালত গুৰুৰ পৰা পোৱা নিৰ্মল নিৰ্মালি, ভাৰতীয় প্ৰাচীন আধ্যাত্মিক গ্ৰন্থৰাজিৰ পৰা উদ্ধাৰ কৰা জীৱন অমৃত আৰু তেওঁৰ নিস্কাম ভক্ত হৃদয়ৰ গভীৰ উপলব্ধৰ সুবিন্যস্ত সাৱলীল সৌন্দৰ্য্যময় বৰ্ণনাই-নামঘোষা; যি এহাতে পৃথিৱীৰ শ্ৰেষ্ঠ ভক্ত কবি এজনৰ শ্ৰেষ্ঠ এখনি ভক্তিমূলক গীতি কাব্য আৰু আনহাতে ভাৰতীয় আধ্যাত্মিক তত্ত্বৰ ভক্তিতত্ত্ব সম্বলিত নামৰ মহিমা প্ৰকাশৰ জীৱ মুক্তিৰ এখনি সৰ্বাঙ্গসুন্দৰ গ্ৰন্থ।

দেখা যায় গুৰু শ্ৰীমন্তশঙ্কৰে তেওঁৰ প্ৰধান শিষ্য শ্ৰীশ্ৰীমাধৱৰ পৰা শেষ বাৰৰ বাবে বিদায় লৈ নাও মেলি ভটিয়াই যোৱাৰ সময়ত ধৰ্ম ধাৰণৰ বিভিন্ন পৰামৰ্শৰ লগতে এটি আজ্ঞাও কৰিছিল, 'বৰা পো, সৰ্বস পালন কৰিবা, নাহো মানে ঘোষা নামে এখনি প্ৰেম ভক্তিগ্ৰন্থ কৰিবা আমাৰ পাছত যেন বৌ-বৰালিৰ পৰা ডৰিকণালৈকে ৰয় যেনেকৈ। দহ হাজাৰ বৈকুণ্ঠৰ নাম দিবা' (গুৰু চৰিত কথা)। প্ৰকৃত গুৰুৰ প্ৰকৃত শিষ্য শ্ৰীমাধৱে এই আজ্ঞাৰে তেওঁৰ জীৱন জোৰা সঞ্চিত অভিজ্ঞতাৰ গভীৰ শাস্ত্ৰজ্ঞান, প্ৰাপ্ত আধ্যাত্মিক, তত্ত্ব দৰ্শন, গুৰু প্ৰেম আৰু কৃষ্ণ ভক্তি প্ৰেমেৰে প্ৰধানতঃ সুন্দৰীদিয়াত থাকোতেই তেওঁৰ হৃদয় বাণীৰে ৰচনা কৰে কালজয়ী ভক্তিতত্ত্ব গ্ৰন্থ 'নামঘোষা'। এই প্ৰসঙ্গত মহাপুৰুষ শ্ৰীমাধৱে নিজে কৈছে, 'মই গুৰু সেৱাকৈ যি পালো তাকো ঘোষাতে থৈছো, অনেক শাস্ত্ৰ বিচাৰি যি ৰসতত্ত্ব পালো তাকো ঘোষাতে থৈছো আৰু পৰমানন্দ ইষ্টে হৃদিত থাকি যি বুদ্ধিতে দিলে তাকো মই ঘোষাতে থৈছো। এতেকে পদাৰ্থে ভাৱাৰ্থে তত্ত্বাৰ্থে নিজাৰ্থে গূঢ়াৰ্থে পৰমাৰ্থে অন্তজোৰা সৈতে সন্তৰ কৃপাত পাব, আমাক সম্পূৰ্ণে





দেখিব' (গুৰু চৰিত কথা)। অকল এয়াই নহয়, তেওঁ আকৌ তেওঁৰ ভক্তসকলৰ আগত ব্যক্ত কৰিছে, 'দশম কীৰ্ত্তন গুৰুজনৰ মূৰ্তিৰ সমান। ঘোষা ৰত্নাৱলী আমাৰ থাকিবাৰ থান।' যথাৰ্থতে এয়াই নামঘোষা সৃষ্টিৰ মূল কথা, নামঘোষাৰ মূল তত্ত্ব তথা স্ৰষ্টা শ্ৰীমাধৱ পুৰুষৰ জীৱন ৰহস্য বা আধ্যাত্মিক ভক্তিবাদী মনৰ স্বপ্ৰকাশ। ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ মূল গ্ৰন্থ গীতাৰ এক শৰণ তত্ত্ব, শ্ৰীমদ্ভাগৱতৰ ভক্তিতত্ত্ব তথা সৎসঙ্গ আৰু হৃদয়-গুৰু শ্ৰীশঙ্কৰৰ নাম-ধৰ্মৰ অমোঘ বাণীৰ জয় জয়কাৰেৰেই কবিবৰেষু তত্ত্বদৰ্শী পণ্ডিত শ্ৰীমাধৱদেৱে তেওঁৰ হৃদয় নিগৰিত ভক্তি প্ৰেমৰ পৰকাষ্ঠাৰে পণ্ডিত সাধাৰণ সকলোৰে বোধগম্য হোৱাকৈ অতি উপাদেয়তাৰে নামঘোষা লিখি উলিয়াই অসমীয়া মহাপুৰুষীয়া ধৰ্মীয় সাহিত্যৰ মূল ভেটি প্ৰতিষ্ঠা কৰে। অকল এয়াই নহয়, নাম-ঘোষাৰ ভক্তিতত্ত্বৰ মাধ্যমেদি শ্ৰীমাধৱে বিশ্ব মানৱক দিছে চিৰ সুন্দৰতা, সৎ পথৰ সন্ধান আৰু মুক্তি লাভৰ সহজ-সৰল উপায়। সেইহে ক'বলৈ গ'লে শ্ৰীমাধৱ পুৰুষৰ জীৱন মুক্তিৰ মহৌষধ। সন্দেহ নাই কলিকালৰ এই অল্পায়ু মানৱে যদি সচাঁ অৰ্থত নামঘোষাৰ প্ৰতিটো পদেই অন্তঃকৰণেৰে উপলব্ধি কৰি তাক নিজৰ জীৱন আৰু কৰ্মত প্ৰবৃত্ত কৰায়, তেন্তে আজিৰ এইখন সমাজত দেখা দিয়া বিভিন্ন ব্যভিচাৰ, হনা-হনি, কটা-মৰা, দুৰ্নীতি , ভ্ৰষ্টাচাৰ আদি সমূলি ধ্বংস হৈ এই পৃথিৱীত স্থাপিত হ'ব স্বৰ্গৰাজ্য, ৰামৰাজ্য প্ৰভৃতিৰ অভিধানিক শব্দবোৰৰ প্ৰকৃত অৰ্থ।

সাধাৰণতে ভক্ত কবি আৰু সুপণ্ডিত শ্ৰীমাধৱে তেওঁৰ পাণ্ডিত্যৰে মৌ মাখিৰ দৰে ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ সুপ্ৰকাশ গীতা, ভাগৱত, বিভিন্ন পুৰাণ, ৰামায়ণ, মহাভাৰত, ভাগৱত-ভাৱাৰ্থ-দীপিকা, ভক্তি-ৰত্নাকৰ, ভক্তি ৰত্নাৱলী আদি গ্ৰন্থৰ পৰা মৌ চুহি অৰ্থাৎ সাৰ গ্ৰহণ কৰি তাক তেওঁ এক শৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ ওৰফে হৰি নাম ধৰ্মৰ মূল তাত্ত্বিক সম্পদ--শৰণ, ভজন, উপদেশ, প্ৰাৰ্থনা, নমস্কাৰ, মহিমা, নাম, প্ৰশংসা, নিন্দা, বস্তু প্ৰকাশ, নিবেদন, খেদ, তাৎপৰ্য্য, কাকুতি, প্ৰভৃতি নামশীৰ্ষক বন্দনা-স্তুতিগীতত স্বকীয় প্ৰতিভাৰে অতি উপাদেয় আৰু মনোমোহাকৈ ভক্তিৰস আৰু ভক্তিতত্ত্বৰ সৰস বৰ্ণনা দিছে। অৰ্থাৎ মৌচাকৰূপী 'নাম-ঘোষা'ৰ সৃষ্টি কৰিছে; যাক পালন কৰি ভকত বৈষ্ণৱ আৰ্ত্ত মানৱে নিজৰ অমূল্য মানৱ জীৱন সাৰ্থক কৰিব পাৰে, পাৰে মোক্ষ লভিব।

প্ৰকৃততে ব্ৰহ্মৰূপী কৃষ্ণতত্ত্ব আৰু কৃষ্ণভক্তিয়েই নাম-ঘোষাৰ মূল প্ৰতিপাদ্য বিষয়। শ্ৰীশ্ৰীমাধৱ পুৰুষৰ হৃদয়ত স্থাপিত কৃষ্ণৰ উপলব্ধি, ভক্তি আৰু তত্ত্বৰ বিশাল তাত্ত্বিকতা আৰু মধুৰতাৰ ছন্দোময় সাংগীতিক প্ৰকাশৰ মাজেদি নাম-ঘোষাৰ

প্ৰতিটো পদ মূৰ্তমান। শাস্ত্ৰৰ উত্তম গীতা-ভাগৱতৰ কৃষ্ণক পৰম ভক্ত শ্ৰীমাধৱে তেওঁৰ পৰমপদ 'নাম-ঘোষা'ত ভক্তিসিক্ত হৃদয়েৰে যি তত্ত্বৰ সন্ধান দিছে, সি অকল অতুলনীয়েই নহয়, ই তেওঁৰ জীৱনজোৰা ঐকান্তিক হৃদয় বিস্ফোৰিত কৃষ্ণভক্তিৰ চূড়ান্ত প্ৰকাশ আৰু এজন তত্ত্বদৰ্শী পৰম কৃষ্ণভক্তৰ গভীৰ আত্মোপলব্ধিৰ সন্মোহনী বাজ্ময় ৰূপ। ভাৰতীয় হিন্দু দৰ্শন আৰু আধ্যাত্মিক জীৱনৰ মৌকোঁহ--গীতা আৰু ভাগৱতৰ কৃষ্ণক পৰম ব্ৰহ্ম আৰু স্বয়ং ভগৱান বুলি অভিহিত কৰিছে। গীতাৰ দশম অধ্যায়ৰ দ্বাদশ আৰু ত্ৰয়োদশ শ্লোকত আছে --

পৰং ব্ৰহ্ম পৰং ধাম পবিত্ৰং পৰমং ভৱান্।
পুৰুষং শাশ্বত দিব্যমাদিদেৱমজং বিভুম্।।
আহুস্ত্বামৃষয়ঃ সৰ্ৱে দেৱৰ্ষিনাৰদস্তথা।

অসিতো দেৱলো ব্যাসঃ স্বয়ঞ্চেৱ ব্ৰবীষি মে।। অৰ্থাৎ অৰ্জুনে কৃষ্ণক কৈছে, 'হে কৃষ্ণ তুমি পৰম ব্ৰহ্ম, পৰম ধাম, পৰম পবিত্ৰ, শাশ্বত পুৰুষ, দিব্য আদিদেৱ, অজ, বিভু---এইবোৰ কথা সকলো ঋষি, দেৱৰ্ষি নাৰদ, অসিত দেৱল, ব্যাস আদি সকলোৱে কৈ থাকে আৰু তুমি নিজেও মোক কৈছা।'

আকৌ প্ৰথম স্কন্ধ ভাগৱত পুৰাণৰ দ্বিতীয় অধ্যায়ৰ একাদশ শ্লোকত আছে -----

ৱদনি তত্ত্ববিদস্তত্ত্বং যজজ্ঞানমদ্বয়ম্।

ব্ৰহ্মতি পৰমাত্মেতি ভগৱানিতি শব্দ্যতে। অৰ্থাৎ তাত্ত্বিকসকলে অদ্বয় পৰমাত্মা আৰু ভক্তই ভগৱান বোলে।

ইফালে আকৌ ভাগৱততেই অতি স্পষ্ট আৰু সুন্দৰকৈ আছে---

কৃষ্ণস্তু ভগৱান স্বয়ম্। অৰ্থাৎ কৃষ্ণই স্বয়ং ভগৱান।

গীতা-ভাগৱতৰ তত্ত্বদৰ্শী এই শ্লোক কেইটাৰ পৰাই উপলব্ধি কৰিব পাৰি কৃষ্ণৰ প্ৰকৃত স্বৰূপ বা তত্ত্ব। পৰম ব্ৰহ্ম দিব্য আদিদেৱ, অজ, বিভূ, পৰমাত্মা আদি সকলোবোৰৰেই মূল মূলতঃ ভগৱান শ্ৰীকৃষ্ণ। অৰ্থাৎ কৃষ্ণ অনাদি অনন্ত। তেওঁৰ কৃপাতেই ব্যাপ্ত এই চৰাচৰ জগত। নিৰ্গুণ-নিৰাকাৰ এই কৃষ্ণদেৱকে মহাপুৰুষ শ্ৰীমন্তঙ্কৰদেৱ আৰু মাধৱদেৱে তাৰাসৱৰ কাব্য আৰু নাটত এহাতে সগুণ আৰু আনহাতে নিৰ্গুণ ৰূপত চিহ্নিত কৰি ক্ৰমে ঈশ্বৰ আৰু ব্ৰহ্মৰ ৰূপত সৰ্বসাধাৰণক ভক্তিতত্ত্বৰ সন্ধান দিছে। মূলতঃ ভক্তকবি শ্ৰীমাধৱে তেওঁৰ কালজয়ী ভক্তি কাব্য 'নামঘোষা'ত যদুপতি, বসুদেৱ সুত, দৈৱকীনন্দন শ্ৰীকৃষ্ণক নিৰাকাৰ-নিৰ্গুণ ৰূপত অংকিত কৰি তাৰ জৰিয়তে পৰম ব্ৰহ্মৰ তত্ত্ব আৰু ভক্তিৰ অবিস্মৰণীয় বাণী ব্যক্ত



নাম-ঘোষাৰ সমীক্ষাত্মক অধ্যয়ন

কৰিছে।

তত্ত্বদৰ্শী, ভক্তপ্ৰেমিক শ্ৰীমাধৱে তেওঁৰ আৰাধ্য পৰম পুৰুষ শ্ৰীকৃষ্ণক 'নাম-ঘোষা'ৰ আৰম্ভনিতে উপাদেয়কৈ ব্যক্ত কৰিছে---

'সমস্ত মস্তক মণি নিজ ভকতৰ বৈশ্য
ভজো হেন দেৱ যদুপতি।।' ১।।

আকৌ তেওঁ লগতে কৈছে---

'যাৰ ৰাম কৃষ্ণ নাম নাৰে ভৱসিন্ধু তৰি
পাৰে পৰম্পদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা কৰোহো হৃদয়ত।।' ২।।

ইয়াৰে প্ৰথমটো ঘোষাত চৰাচৰ জগতৰ সমস্ত দেৱতা, ঋষি-মুনি, সিদ্ধ, পাৰিষদ আদি সকলোৱে শিৰৰ ভূষণ ভকত বৎস দেৱ যদুপতি কৃষ্ণক ভজনা কৰাৰ কথা কৈছে। দ্বিতীয়টোত সদানন্দ সনাতন ৰাম-কৃষ্ণ নামধাৰী পূৰ্ণমূৰ্ত্তি কৃষ্ণদেৱক উপাসনা কৰি জীৱই পৰমপদ অৰ্থাৎ মুক্তি লভিব পাৰে।

আকৌ পূৰ্ণ ব্ৰহ্মমূৰ্ত্তি কৃষ্ণই সকলো অৱতাৰৰো কাৰণ--

'মৎস্য কূৰ্ম্ম নৰসিংহ বামন পৰশুৰাম
হলিৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কী নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৰে কৰোহো প্ৰণাম।।' ৩।।

এইজন কৃষ্ণদেৱে যুগে যুগে অৱতাৰ ধৰি ভূমিৰ পৰা পংকিলতা আঁতৰাই দুষ্টক দমন আৰু সন্তক পালন কৰি আহিছে।

এইদৰে নাম-ঘোষাৰ আৰম্ভণিতেই ভক্তকবি মাধৱদেৱে তেওঁৰ হৃদয় নিগৰিত ভক্তিৰে কৃষ্ণতত্ত্ব আলোচনা কৰি পিছলৈ ক্ৰমে বিভিন্ন ঘোষাত পূৰ্ণব্ৰহ্ম কৃষ্ণৰ প্ৰকৃত স্বৰূপ, তত্ত্ব আৰু মাহাত্ম্যৰ ব্যাখ্যা দিছে। বিশেষতঃ

'সকল নিগম লতা তাৰ অবিনাশী ফল
কৃষ্ণনাম চৈতন্য স্বৰূপ।।'৭।।
'অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাৱন্ত মূৰ্ত্তিশূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন।।'৮।।

'ৰাম-কৃষ্ণ হৰি নাম সৰ্ব্বধৰ্ম্ম অনুপাম
সকল নিগম তত্ত্ব সাৰ।
যাত পৰে ধৰ্ম্ম নাহি আৰ।।' ২৩।।
'মায়া আদি কৰি য'ত সমস্ত জগত জড়
কৃষ্ণসে চৈতন্য আত্মা শুদ্ধ।।'৪৭।।
'হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত।।'৭৩।।
'শান্ত চিদানন্দ শুদ্ধ অনন্ত মহিমান্বিত
নিৰ্ম্মল তৰঙ্গচয় হীন।
হেনয় পৰমানন্দ অমৃত সাগৰে মজি
আচান্ত নকৰে বুদ্ধি ক্ষীণ।।' ৯৮।।
'সংসাৰৰ ইন্দ্ৰ কৃষ্ণ তাহান নামক যিটো
অজ্ঞানতো চাণ্ডালে লৱয়।
হেনয়ে পবিত্ৰ সিটো জানিবা যজ্ঞত আনি
পাত্ৰ পাতিবাৰ যোগ্য হয়।।' ১১৫।।
'বসুদেৱ-সুত কৃষ্ণ তুমি ভকতৰ ইষ্ট
কংস চাণুৰাদি বিমৰ্দ্দন।
দৈৱকী হৃদয়ানন্দ জগতৰ গুৰু কৃষ্ণ
তযুপাৱে কৰোহো বন্দন।।'১৩৫।।

কৃষ্ণক চৈতন্য স্বৰূপ আৰু সুমধুৰ-মঙ্গল, অব্যক্ত আৰু মূৰ্ত্তিশূন্য, সৰ্বধৰ্ম অনুপাম আৰু সকলো নিগম তত্ত্বৰ সাৰ, চৈতন্য পুৰুষ আৰু শুদ্ধ আত্মা, নিত্য-সত্য শুদ্ধ আৰু অখণ্ডিত জ্ঞান, শান্ত চিদানন্দ আৰু অনন্ত মহিমান্বিত, সংসাৰৰ ইন্দ্ৰ, ভকতৰ ইষ্ট আৰু জগতৰ গুৰু বুলি শ্ৰীমাধৱে অতি সৰল অথচ গভীৰ তত্ত্বপূৰ্ণ ব্যক্ত, শান্ত চিদানন্দ আৰু অনন্ত মহিমান্বিত সংসাৰৰ ইন্দ্ৰ, বক্তব্যৰে ব্ৰহ্মৰূপী শ্ৰীকৃষ্ণৰ প্ৰকৃত স্বৰূপ আৰু তত্ত্বৰ সত্যতা প্ৰকাশ কৰিছে। ইফালে আকৌ শব্দ তাত্ত্বিক দাৰ্শনিক মাধৱে---

'কৃষ হেন শব্দ ইটো পৃথিৱী বাচক ভৈল
ণ আনন্দত প্ৰৱৰ্ত্তয়।



নাম-ঘোষাৰ সমীক্ষাত্মক অধ্যয়ন

দুইৰো এক পদ ভৈল পৰমব্ৰহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয়।।'১৪০।।

ঘোষাত 'কৃষ্ণ' শব্দৰ ব্যাখ্যা দি কৃষ্ণক পৰম ব্ৰহ্মৰূপ আনন্দ প্ৰকাশক বুলি কৈ নাম-ঘোষাৰ এই 'নামান্বয়' খণ্ডতে পুনৰ নিৰ্গুণ --নিৰাকাৰ পৰম ব্ৰহ্মৰ বিভিন্ন নামৰ অণ্বয় অৰ্থাৎ সুন্দৰ সম্বন্ধ ব্যাখ্যা কৰিছে। শ্ৰীমাধৱে এই খণ্ডটিত উল্লেখ কৰা নিৰ্গুণ ব্ৰহ্মৰ নামবোৰ হ'ল ক্ৰমে---কৃষ্ণ, ঈশ্বৰ, সদানন্দ, কেশৱ, অচ্যুত, নৰোত্তম, নৰসিংহ, বামন, পৰমানন্দ, সৰ্বানন্দ, বনমালী, দামোদৰ, পৰশুৰাম, ৰাম, মহন্ত, বিষ্ণু, হৃষীকেশ, পৰমাত্মা, নাৰায়ণ, নিৰঞ্জন, নিৰাকাৰ, মাধৱ, জনাৰ্দ্দন, মধুসূদন, গোপাল, গোবিন্দ, অনন্ত, অনাদি, পুৰুষোত্তম, জগন্নাথ, পৰমব্ৰহ্ম, ভগৱন্ত, গৰুড়কেতু, বৈকুণ্ঠ আৰু বায়ুদেৱ (ঘোষা-১৪০-১৮১); যিবোৰ মূলতঃ পৰম বৈকুণ্ঠ পতি শ্ৰীকৃষ্ণৰ বিভিন্ন কাৰ্য্য আৰু তত্ত্বৰ প্ৰকাশ কৰে।
আকৌ এইজন কৃষ্ণই মাধৱদেৱৰ নামঘোষাৰ---

'জয় জয় ৰাম জগত কাৰণ
জগত জীৱন স্বামী।।' ১৮৯।।
'ভকতৰ ধন জীৱৰ জীৱন
কৰোহো পাৱে প্ৰাণাম।।'১৯৪।।
'হৰি ও হৰি কৰুণা সাগৰ
কৰিয়ো কৃপা আমাক।।'৩০৬।।
কৃষ্ণ গুণ নাম ধৰ্ম্মেসে পৰম
মঙ্গলৰো সুমঙ্গল।।'৩৮৪।।
'প্ৰকৃত পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ।।'৪০৫।।
'কৃপাৰ সাগৰ কৃপাময় কৃপা নিধি
তুৱা গুণ নামে ভকতৰ সৰ্বসিদ্ধি।।'৫৮৪।।
'নামো নমো নিত্য নিৰঞ্জন নাৰায়ণ শিৱ সনাতন
অনাদি অনন্ত নিৰ্গুণ গুণ নিয়ন্তা।।'৫৮৮।।
'জানা শ্ৰীৰাম নামে নিজ সমস্ত শাস্ত্ৰৰে মূল বীজ
সঞ্জীৱনী প্ৰায় যাৰ মনে প্ৰৱেশয়'।। ৬১৯।।

প্ৰভৃতি ঘোষাত ক্ৰমে জগতৰ কাৰণ আৰু তাৰণ, ভকতৰ ধন আৰু জীৱৰ জীৱন, কৰুণাৰ সাগৰ, পৰম ধৰ্ম আৰু মঙ্গলৰো সুমঙ্গল, প্ৰকৃতি--পুৰুষৰ নিয়ন্তা

আৰু সমস্তৰে আত্মা, আৰু নিৰ্গুণ গুণ নিয়ন্তা আৰু লগতে সমস্ত শাস্ত্ৰৰ মূল বীজ আৰু সঞ্জীৱনী। লগতে এইজন কৃষ্ণদেৱে--

'চৈতন্য শক্তিৰ দ্বাৰে ইটো জড় জগতক
ৰমাৱন্ত কৰ্ম অনুৰূপে।।'১৫৩।।
'আত্মা-ৰূপে জানা ইটো জগতত
আছন্ত হুয়া প্ৰৱেশ'।। ১৫৬।।

ইফালে জগতৰ আত্মাৰূপী কৃষ্ণই জগতক ৰমণ কৰাৰ দৰে জগতৰ সমগ্ৰ জীৱ-ৰাশিকো'----পালিয়া ফুৰা হুয়া অন্তৰ্য্যামী (ঘোষা-৮১০) হৈ পালন কৰে। অকল এয়াই নহয় এই ভকত বৎসল কৃষ্ণদেৱে জীৱ সমগ্ৰক 'অন্তৰ্য্যামী ৰূপে---সুখ-দুখ ভুঞ্জাৱন্ত' (ঘোষা- ১৫৮) আৰু 'অন্তৰ্য্যামী ৰূপে----- নিয়মন্ত সমস্তক' (ঘোষা- ১৭৫)।

ইয়াৰ বাবেই ভক্ত কবি শ্ৰীমাধৱদেৱে তেওঁৰ ভক্তবৃন্দক কৈছে--

'যম কাল মায়া মৃত্যুৱে বেঢ়িয়া
আছে বাঘজালি কৰি।
হেনয় জীৱক কোনে তাৰিবেক
বিনে কৃপাময় হৰি।।'২২২।। লগতে

এই মায়া তৰণৰ অৰ্থে তেওঁ উপায়ো দিছে--

'হৰিত শৰণ লৈয়া যিটো জনে
সদা ৰাম নাম গাৱে।
হোক বা সকাম নিষ্কাম তথাপি
কলিৰ দোষে নপাৱে।।' ২২৪।।

ইফালে শ্ৰীমাধৱদেৱৰ এইজন কৃষ্ণই---

'বেদৰ গুপুত বিত্ত নাৰায়ণ এ,
দেৱকীতহন্তে সাক্ষাতে ভৈলা বিদিত।
জীৱৰ তৰণ হেতু নাৰায়ণ এ,
প্ৰচাৰিলা নিজ যশ ধৰ্ম্ম বিপৰীত।।' ৮০৬।।

অৰ্থাৎ বেদৰ গুপুত ধন নাৰায়ণেই দৈৱকীৰ গৰ্ভত মনুষ্য জন্ম লৈ মলমতি-পতিত জীৱসমূহৰ মুক্তিৰ অৰ্থে বিভিন্ন লীলা-কৌতুক দেখুৱাই সমগ্ৰ জগতবাসীক সত্য-তত্ত্বৰ সন্ধান দিলে।

সেই বাবেই ----





'বাসুদেৱ বাসু দেৱ বাসুদেৱ
বুলিয়া যিটো সুমৰে।
সিটো পুৰুষৰ জানা যম ৰাজা
লিখন মাৰ্জ্জন কৰে।।'২০৬।। আৰু
'দিবা সহস্ৰেক নাম তিনিবাৰ
পঢ়ি পাৱে যত ফল।
একবাৰ কৃষ্ণ নাম উচ্চৰিলে
পাৱয় তাক সকল।।' ২০৭।। অৰ্থাৎ

কৃষ্ণই শ্ৰেষ্ঠ; যাক শ্ৰীমাধৱৰ পৰম গুৰু শ্ৰীশঙ্কৰে তেওঁৰ 'ভক্তি প্ৰদীপ' গ্ৰন্থত অতি উপাদেয়কৈ বৰ্ণনা কৰিছে---

'কৃষ্ণ-নাম সমস্ত নামতে শ্ৰেষ্ঠতৰ।
হুয়া একশৰণ আমাত যিটো নৰ।।
কৃষ্ণ-কৃষ্ণ মহাকৃষ্ণ বুলিয়া সুমৰে।
মহাসৰ্ব্বকোটি জনমৰ পাপ হৰে।।'

এনেদৰে আলোচনা কৰিলে দেখা যায় ভক্তিৰ মূৰ্ত্তিমন্ত সাধক শ্ৰীমাধৱদেৱে তেওঁৰ জীৱন অক্ষয় কীৰ্ত্তি 'নামঘোষা'ৰ প্ৰতি পদে পদে অনন্ত কোটিব্ৰহ্মাণ্ডৰ অধিকাৰী হৰি ওৰফে কৃষ্ণক সমস্ত মস্তক মণি, দেৱ যদুপতি, দশ অৱতাৰ, চৈতন্য স্বৰূপ, শুদ্ধ জ্ঞান, আনন্দ প্ৰকাশ, জীৱ তাৰণ, পৰম মঙ্গল, হৃদয় ৰঞ্জন, কৰুণাময়, জীৱন বন্ধু, দুষ্ট সংহাৰক , লোক ভাৱ উদ্ধাৰক, বসুদেৱ সুত, দৈৱকী তনয় প্ৰভৃতি ৰূপত অঙ্কন কৰি তাৰাৰ ভক্তিৰ মহিমা বেকত কৰিছে। শেষত শ্ৰীমাধৱ পুৰুষৰ অমৰ সৃষ্টি 'নামঘোষা'ত ব্যক্ত কৃষ্ণ-তত্বক তেওঁৰেই নামঘোষাৰ এফাঁকি পদৰেই কওঁ ---

"কৃষ্ণ এক দেৱ দুখহাৰী কাল মায়াদিৰো অধিকাৰী
কৃষ্ণবিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।।' ৫৮৬।।

---

**লেখকৰ পৰিচয়ঃ**
শ্ৰীঅংশুমান দাস
জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ
মৈৰাবাৰী মহাবিদ্যালয়, মৰিগাঁও।

# মুক্তিৰ স্বৰূপ আৰু নাম–ঘোষা

**যদুমণি বৰা**

মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ ভক্তিপূৰ্ণ হৃদয়ৰ ভক্তিৰসে প্লাৱিত নাম-ঘোষা শাস্ত্ৰভাগ অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ এখন অনুপম মহাগ্ৰন্থ। ভক্তিতত্ত্বৰ ভাণ্ডাৰগ্ৰন্থ হিচাপে নাম-ঘোষা গ্ৰন্থখনিতে মহাপুৰুষ মাধৱদেৱৰ কৰ্মময় জীৱনৰ আধ্যাত্মিক অভিজ্ঞতাৰ বৰ্ণময়, অমৃতময় আৰু ৰসময় তত্ত্বৰ প্ৰকাশ ঘটিছে।

নাম-ঘোষাত ব্ৰহ্ম বা ঈশ্বৰ, জীৱ বা ঈশ্বৰ, জীৱ পদাৰ্থ বা জগত প্ৰকৃতি, পুৰুষ পুৰুযোত্তম, মায়া, ভক্তি, মুক্তি শৰণ ভজন, বিদ্যা-অবিদ্যা আৰু অৱতাৰ তত্ত্বৰ দৰে সনাতন বিষয়বোৰ আলোচিত হৈছে।

ভাৰতীয় দৰ্শনৰ মুক্তিপ্ৰয়াসী আধ্যাত্মিকতাত মৃত্যুক অতিক্ৰম কৰিব পৰা অমৃতৰ সন্ধান আছে। অমৃতৰ সন্ধান দিয়াত অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ চাৰিবেদ সদৃশ কীৰ্ত্তন, দশম, ৰত্নাৱলী আৰু নাম-ঘোষা। এই চাৰি গ্ৰন্থৰ অন্যতম মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ বিৰচিত নাম-ঘোষাৰ প্ৰদৰ্শিত ধৰ্মীয় দৰ্শনত মুখ্যস্থান লৈছে মুক্তিৰ প্ৰয়াসে নহয়--মুক্তিতো নিস্পৃহ ৰসময়ী ভক্তিয়েহে। নাম-ঘোষা ভক্তিবাদী গ্ৰন্থ হিচাপে ভক্তিৰ প্ৰাধান্যই মুখ্য স্থান পোৱাত মুক্তিয়ে গৌণৰূপেহে আত্মপ্ৰকাশ কৰিছে। ভক্তিৰ ক্ষেত্ৰত মুক্তিৰ প্ৰসঙ্গ অতি গৌণ --এই তত্ত্ব নাম-ঘোষা শাস্ত্ৰত স্পষ্ট ৰূপত জিলিকি উঠিছে। ভোগ বা ভুক্তিৰ প্ৰতি থাকিব লগা বৈৰাগ্যৰ দৰেই মুক্তিৰ প্ৰতিও এক উদাসীনতা মহাপুৰুষীয়া ভক্তিধাৰাৰ বিশিষ্ট লক্ষণ।

ধৰ্ম-অৰ্থ- কাম-মোক্ষ এই চাৰিবস্তুকে চাৰিপুৰুষাৰ্থ বোলে। 'পুৰুষাৰ্থ'ৰ 'পুৰুষ' পদে জীৱ আৰু 'অৰ্থ' পদে সম্বল, সম্পদ-আহিলা বা তত্ত্ব বুজায়। সংক্ষিপ্তভাৱে পুৰুষাৰ্থ পদে জীৱৰ প্ৰযত্ন বা জীৱৰ উদ্দেশ্যক ইংগিত কৰে। জীৱৰ শেষ বা চতুৰ্থ পুৰুষাৰ্থবিধেই 'মোক্ষ'।

মোক্ষৰ অৰ্থ মুক্তি। অৰ্থ মুকলি। বন্ধন বা অৱৰোধৰ পৰা মুকলি হোৱাকে স্থূল অৰ্থত মুক্তি বুলি কোৱা হয়। যেনে--পিঞ্জৰাবদ্ধ পক্ষীয়ে পিঞ্জৰাৰ পৰা মুক্ত হোৱা--জেলৰ কয়েদীয়ে মুক্তি পোৱা আদিয়ে মুক্তি শব্দ সূচায়। আধ্যাত্মিক ক্ষেত্ৰত মুক্তিৰ এক বিশেষ স্থান আছে।

ভাৰতীয় দৰ্শনৰ মতে জগত মায়াৰে আৱৰা। পাৰ্থিৱ মায়াজনিত দুখ-যাতনাৰ সমাহাৰ। সংসাৰত জীৱে নানা দুখ-তাপ-ক্লেশ ভুগি হায়ৰান হ'ব লাগে। পৰমেশ্বৰে





ত্ৰিগুণাত্মিক মায়াৰ কবলত পৰি কালৰ কোপ-দৃষ্টিত পৰি সংসাৰী জীৱই নানা ক্লেশ ভোগে। আধ্যাত্মিক, আধিভৌতিক, আধিদৈবিক এই ত্ৰি-তাপে পুৰি জীৱক দগ্ধ কৰে। জীৱক জন্ম-মৃত্যুৰ দাৰুণ ক্লেশ ভোগ কৰোৱাই কাল আৰু মায়াৰ উদ্দেশ্য। পৰমব্ৰহ্মৰ পৰা এদিন জীৱ বিচিন্ন হৈ আহিছিল আৰু ভক্তিসাধনৰ জৰিয়তে পুনৰ সেই আনন্দময় পৰমসত্ত্বাৰ স্বৰূপ লাভ কৰে। ইয়াকে জীৱৰ প্ৰত্যাৱৰ্ত্তন বা মুক্তি বুলি কোৱা হয়।ব্ৰহ্ম পৰম আনন্দময়। 'আনন্দময়ং ব্ৰহ্ম'-- জীৱ এই আনন্দময় ব্ৰহ্মৰেই অংশতত্ত্ব। কালগ্ৰস্ত, মায়াধীন জীৱই শোক, তাপ, জৰা, ব্যাধি সম্বলিত সংসাৰৰ ত্ৰি-তাপক্লিষ্ট অৱস্থাকে সনাতন অৱস্থা বুলি ভাবি সংসাৰতে আবদ্ধ হৈ আছে। কিন্তু একশৰণ বা একান্ত ভক্তিৰ প্ৰভাৱত পৰমেশ্বৰৰ স্বৰূপ প্ৰাপ্তি হ'লে এইকাল মায়াধীন, দুখময় সংসাৰলৈ জীৱৰ পুনৰাগমন নঘটে। ভাৰতীয় দৰ্শন অনুসৰি এয়ে মুক্তি। অৱশ্যে ভাৰতীয় দৰ্শনত 'ষড়দৰ্শন' বুলি পৰিচিত, বৈদিক দাৰ্শনিক সম্প্ৰদায় কেইটাই মুক্তি নামৰ গন্তব্য লৈ যাবলৈ মাধ্যম বা পথ হিচাপে জ্ঞানকে দেখুৱাইছে। জ্ঞানৰ পথ অতীৱ জটিল পন্থা। ই সৰ্বসাধাৰণৰ পথ নহয়। ভক্তি পন্থত মুক্তি অতি সহজ, অতি সুগম।

ভগৱন্তৰ নাম-সাধন বা ভক্তি সাধন মোক্ষ প্ৰাপ্তিৰ সুগম পথ। ভগৱন্তৰ পৰম মংগল প্ৰতিটো নামৰ অৰ্থ আৰু বিশেষ তাৎপৰ্য্য আছে। ভগৱন্তৰ অসংখ্য নাম 'গুণনাম অনুসৰি, বেকত হোৱন্ত হৰি'--অসংখ্য নামৰ ভিতৰৰে ভগৱন্তৰ মুকুণ্ড নামটোৰ তাৎপৰ্য্য লক্ষ্য কৰিবলগীয়া। মু মানে মুকলিহোৱা, কুণ্ড মানে বান্ধ বা সংসাৰ অৰ্থাৎ যাক ভজিলে বা ভজনা কৰিলে সংসাৰৰূপী কুণ্ডৰ পৰা মুক্ত হ'ব পাৰি। সেই পৰমশক্তিৰ নামহে মুকুণ্ড। ভাগৱতত কৈছে--

'মুক্তি পুনু ভকতিৰ প্ৰাসংগিক মাত্ৰ।
ভকতি কৰন্তে হোৱে মুকুতিৰ পাত্ৰ।--(তৃতীয় স্কন্ধ)

সেয়ে ভগৱন্তৰ একান্ত ভক্তিয়ে মোক্ষ লাভৰ উত্তম পন্থা। এইভক্তি কি? নামঘোষাৰ মতে প্ৰত্যেকৰে নিজৰ হৃদয়ত পৰমাত্মাৰূপে তথা বাহিৰতো জগতস্ৰষ্টা জগতপতি ৰূপে অদ্বৈত ঈশ্বৰত আত্মসমৰ্পণেই হ'ল ভক্তি। ভক্তিয়ে জীৱক ঈশ্বৰৰ সান্নিধ্য দিয়ে। জ্ঞাতা আৰু জ্ঞেয়ৰ বিৰোধ ইয়াত আঁতৰি যায়। নামঘোষা শাস্ত্ৰখনি প্ৰধানকৈ 'ভগৱত-গীতা' আৰু ভাগৱত পুৰাণৰ ওপৰত ভিত্তিশীল। আদিৰ পৰা অন্তলৈ ভগৱানৰ উপস্থিতিৰে পৱিত্ৰ ভাগৱত পুৰাণক শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰেই শ্ৰীশ্ৰী মাধৱদেৱেও গ্ৰহণ কৰিছে। 'সমস্ত বেদান্ত সাৰ শ্ৰীভাগৱত শাস্ত্ৰ' বুলি। বেদান্ত দৰ্শনৰ ভিত্তি গ্ৰন্থ প্ৰস্থানত্ৰয়ীৰ অন্যতম গীতাশাস্ত্ৰৰ প্ৰভাৱো নামঘোষাত বিদ্যমান। অদ্বৈত বেদান্তত জীৱ আৰু ব্ৰহ্ম মুক্তিত সম্পূৰ্ণ এক হৈ যায়। গতিকে মুক্তিৰ পাছত ভক্তিৰ অৱকাশ নাথাকে। নামঘোষাত ভক্তিক প্ৰাধান্য দিয়াৰ মূল উদ্দেশ্য--ভক্তি চিৰন্তন, সেয়ে মাধৱদেৱৰ অভিমত 'ৰসময়ী ভক্তি'ৰ উপাসকসকল মুক্তিৰ

প্ৰতি বীতস্পৃহ। নামঘোষাৰ মতে ভক্তি কেৱল মাধ্যম বা পথেই নহয়--ই লক্ষ্যও। মহাপুৰুষীয়া ধৰ্মৰ মূল সুৰটোৱেই হ'ল--'ভকতিৰ ফল ভকতিসে মাত্ৰ' নাইবা

'নালাগে লীন মুকুতিকো তথা।
নাহি হৰিপদ পংকজ যথা।'--(কীৰ্ত্তন)ৰ স্পষ্ট ঘোষণা। ভক্তিয়ে চিৰন্তন প্ৰমূল্য নাপালে 'সাধন' বস্তুটোৱেই কেৱল ব্যৱহাৰিক বা মায়িক হৈ পৰে।

নামঘোষাত মাধৱদেৱৰ অভিমত-- ভক্তি ৰাণী, মুক্তি দাসী। ভক্তিৰাণীৰ দাসী হ'ল মুক্তি। ভক্তি কৰিলে ভকতক দিবলৈ মুকুতিৰ একোৱেই বাকী নাথাকে। ভক্তিৰস হোৱাৰ লগে লগে পঞ্চবিধ (সালোক্য, সাৰূপ্য, সাযুজ্য, সামীপ্য আৰু নিৰ্বাণ) মুক্তিয়েও দাসী স্বৰূপে ভক্তৰ পদসেৱা কৰি ঘূৰি ঘূৰি ফুৰে। এয়ে ভাগৱতৰো মত। নামঘোষা শাস্ত্ৰৰ প্ৰস্তাৱনা ঘোষাতে মহাপুৰুষ মাধৱদেৱৰ ঘোষণা--

'মুক্তিতো নিস্পৃহ যিটো          সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।' ১।।

এই ক্ষেত্ৰত মাধৱদেৱে মুক্তিৰ প্ৰতি নিস্পৃহ ভকতৰ প্ৰসংগ অৱতাৰণা প্ৰণিধানযোগ্য। মাধৱদেৱৰ মতে ভক্ত বৈষ্ণৱৰ গন্তব্যস্থান বৈকুণ্ঠধামত অমৃতস্বাদো ভক্তবৈষ্ণৱ পৃথিৱীতে লাভ কৰে। যিহেতুকে---

'একান্ত ভকতসৱে          নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত
বৈকুণ্ঠকো পৰিহৰি          যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত।।' ৪।।

ব্যৱহাৰ আৰু পৰমাৰ্থৰ মিলন ঘটোৱা মহাপুৰুষীয়া ধৰ্মৰ শ্ৰৱণ-কীৰ্ত্তন ভক্তি বৈকুণ্ঠৰে প্ৰকাশক। প্ৰেম অমৃতৰ নদীখন পাৰ ভাঙি ব্ৰহ্মাণ্ড ভেদি মাধৱদেৱে নামঘোষাতে কৈছে --য'ত জ্ঞান মাৰ্গীৰ শেষ লক্ষ্য 'মুক্তি' কো ধৰি চাৰি পুৰুষাৰ্থই মূলভক্তি ধাৰাৰ নিজৰা বা সুতিৰূপেহে চিনাক্ত হৈছে। ভক্তিগ্ৰাহী ভক্তজনৰ ধৰ্ম-অৰ্থ-কাম আদি ত্ৰি-বৰ্গৰ প্ৰতিটো স্পৃহাতো নাইয়েই, আনকি শেষ পুৰুষাৰ্থ চতুবৰ্গ সাধন মুক্তিৰ প্ৰতিও স্পৃহাশূন্য ভক্তজনেক ঘোষা শাস্ত্ৰৰ দুৱাৰ দলিতে নমস্কাৰ জনোৱা হৈছে। ইয়াৰ তাৎপৰ্য্য এয়ে যে মোক্ষ আদি পুৰুষাৰ্থসমূহতকৈ ভক্তি অতিশয় শ্ৰেষ্ঠ। ঘোষাশাস্ত্ৰৰ আন এঠাইত আছে--

'হৰিকীৰ্ত্তনৰ মহা          কীৰ্ত্তন সুখক আশে
কতো কতো সব মহাজনে।
মুকুতি সুখকো তেজি          মহন্ত জনৰ সংগ
খোজে আতি কৃষ্ণৰ চৰণে।।' ৭।।

অৰ্থাৎ, মুক্তিতো সীমা কৰি ইহলোকৰ পাৰ্থিৱ-অপাৰ্থিৱ যিমান সুখ আছে





সেই সমূহসুখ পৰমেশ্বৰৰ ভকতি। সেয়ে সাধুসৱে ঈশ্বৰক পৰমানন্দ আখ্যা দিয়ে। মহামুনিনাৰদ, সনক, সনন্দ, সনাতন, সনতকুমাৰ আদি কৰি সিদ্ধগণ অনন্ত পুৰুষ শুকমুনি আদি সদামুক্ত মহাজনসকলেও নামৰস-ভক্তিৰস আস্বাদন কৰি নিজক তৃপ্ত কৰে। এই কথাও ঘোষা শাস্ত্ৰতে আলোচিত হৈছে। এই পৰমুক্ত যোগসিদ্ধ পুৰুষসকলে মুকুতি সুখ পৰিহাৰ কৰি কেৱল পৰম আনন্দময় ৰাম নামতেই তন্ময় হৈ থাকে। মাধৱদেৱৰ ভাষাত----

'নাৰদ সনক          কুমাৰ অনন্ত
শুকমুনি আদি কৰি।
মুকুতি সুখক          ঠেলি ৰাম নাম
সদায়ে ফুৰে সুমৰি।।' ৩৫৩।।

মুকুতি ৰসকো ত্যাগ কৰি ঈশ্বৰত শৰণ লোৱাৰ দৃষ্টান্ত ভক্তিৰ মহিমা প্ৰকাশক। পৰমেশ্বৰত সৰ্বান্তঃ কৰণেৰে আত্মসমৰ্পণ কৰা বৈষ্ণৱ বা ভক্তজনে ভকতিৰ ৰসময়ী-সুধাপান কৰিবলৈ সমৰ্থ হয়। ভক্তিয়ে ভকতৰ লক্ষ্য। ভক্তিয়ে ভকতৰ পৰম ধন, পৰম সাধন। এই ভক্তিনো কি? এই ভক্তি ভগৱন্তৰ একান্ত ভক্তি। ইয়াৰ অৰ্থ, গীতাৰ একশৰণ, শৰণ মানে আশ্ৰয়। এই আশ্ৰয় বা শৰণ মানে ভগৱন্ত কৃষ্ণদেৱৰ চৰণত একান্ত আত্মসমৰ্পণ। অৰ্থাৎ Completly Surrender অৰ্থাৎ কায়-বাক্য মনৰ কামনা-বাসনা সকলো ভগৱন্ততে চম্‌জাই তেওঁকে একান্ত সাধন, একান্ত কাম্য। মুকুতি ৰস আস্বাদন কৰোঁতে ভক্তসকলৰ নিজস্ব সত্ত্বাৰ উপলব্ধি থাকে, কিন্তু ভগৱন্তৰ ভক্তিৰ অনুৰক্ত ভক্তজনৰ ইচ্ছা বা স্বতন্ত্ৰতাও নাথাকে। মাধৱদেৱৰ ভাষাত ----

'তোমাৰ অধীন হুয়া কেনে আমি এ
ভৈলোহো স্বতন্ত্ৰ ইটো কোন অদ্‌ভূত।'

**সহায়ক গ্ৰন্থঃ**


১। নাম-ঘোষা ৰসামৃত--ইলাৰাম দাস।
২। আশীৰ্বাদ স্মৃতিগ্ৰন্থ; শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যোৰহাট জিলা শাখাৰ ৪৪ তম্ মনাইমাজি আধিবেশন।
৩। বেদান্তৰ জিলিঙণি--শ্ৰীজীৱকোঁৰৰ।


---

**লেখকৰ পৰিচয় ঃ**


শ্ৰীযদুমণি বৰা, শিক্ষক
তামুলীছিগা হাইস্কুল, জাঁজী, যোৰহাট।

# নাম-ঘোষাত ঈশ্বৰ তত্ত্ব

চন্দ্ৰ হাজৰিকা

মহাপুৰুষ মাধৱদেৱ বিৰচিত নাম-ঘোষা এখনি ৰসোত্তম গ্ৰন্থ। মৌমাখিয়ে বিভিন্ন স্থানৰ পৰা মৌ ৰস সংগ্ৰহ কৰি মৌচাক তৈয়াৰ কৰাৰ দৰেই মাধৱদেৱেও নানা শাস্ত্ৰৰ পৰা সাৰ-ৰস সংগ্ৰহ কৰি শাস্ত্ৰসাৰ স্বৰূপ নাম-ঘোষা ৰচনা কৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচিত ভাগৱতৰ সাৰ 'গুণমালা' পুথিখনিক যেনেকৈ 'ভূৰুকাত হাতী ভৰোৱা' আখ্যা দিয়া হৈছে। ঠিক সেইদৰেই নাম-ঘোষা পুথিখনিকো 'কৰণিত শাস্ত্ৰ ভাণ্ডাৰ' আখ্যা দিব পাৰি।

নাম-ঘোষাৰ বিভিন্ন ছন্দৰ নানা পটলৰ ভিতৰত ঈশ্বৰ নিৰ্ণয় নামৰো দুটি বিশেষ পটল আছে। বিভিন্ন শাস্ত্ৰৰ ঈশ্বৰ সম্পৰ্কীয় নানা তথ্য সংগ্ৰহ কৰি বিস্তৃত ভাৱে আলোচনা কৰাৰ অন্তত এই 'ঈশ্বৰ নিৰ্ণয়' শিতানত মাধৱদেৱে ঈশ্বৰ সম্পৰ্কে সিদ্ধান্ত ঘোষণা কৰিছে।

প্ৰথমেই ছবি ছন্দৰ 'উপদেশ'ত ঈশ্বৰ অব্যক্ত আদি অন্তহীন মূৰ্ত্তিশূন্য আৰু সৰ্বব্যাপক বুলিছে। সেয়েহে এনে ঈশ্বৰক আৱাহন বিসৰ্জ্জনৰ দ্বাৰা পূজা কৰা বা তেওঁৰ ৰূপ চিন্তা কৰাটো সম্ভৱ নহয়। এতেকে ৰাম নামেৰে মন শুদ্ধ কৰিবলৈ উপায় দিছে। এই 'উপদেশ'ৰ শেষৰ ঘোষা ফাঁকিত আকৌ ঈশ্বৰ আত্মাতেই আছে বুলিছে। অবিদ্যা বা মায়াৰ কাৰণেহে এই আত্মা ঈশ্বৰক হেনো সাক্ষাৎ কৰিব পৰা নাযায়।

আত্মা ঈশ্বৰক লাগ　　　প্ৰত্যক্ষে সততে পাই
নাপায় জানা তাঙ্ক অবিদ্যাত।
অবিদ্যা নাশিলে লাগ　　　কৃষ্ণক পাৱয় যেন
কণ্ঠ লগ্ন বস্তুক সাক্ষাত।। ৪১।।

অৰ্থাৎ ঈশ্বৰ আত্মা ৰূপে হৃদয়তে আছে। অবিদ্যা বা মায়ায়ে আবৰি থকা কাৰণে আমাৰ উপলব্ধি বা সাক্ষাত নহয়। দাপোণত মলি লাগি থাকিলে যেনেকৈ প্ৰতিবিম্ব দেখা নাযায়, ঠিক সেইদৰেই মন-বুদ্ধি, অহংকাৰ ৰূপী মলিয়ে আৱৰি থাকিলে আত্মা ঈশ্বৰক দৰ্শন পোৱা নাযায়। ৰাম নাম শ্ৰৱণ-কীৰ্ত্তন কৰোতে কৰোতে দুৰ্বাসনাৰে আৱৰি থকা মন শুদ্ধ হয়। মন শুদ্ধ হলেই বুদ্ধি সত্ত্বস্থ হৈ স্থিৰ হয়। সত্ত্বস্থ বুদ্ধিৰ দ্বাৰাহে আত্মা ঈশ্বৰক দৰ্শন পোৱা যায়।





শাস্ত্ৰ গুৰু উপ　　　দেশে শিষ্যসৱে
ঈশ্বৰক নেদেখয়।
বুদ্ধিক সত্ত্বস্থ　　　কৰিয়া আপুন
আত্মাক দেখে নিশ্চয়।। ২৫৩।।

মাধৱদেৱৰ মতে গুৰু উপদেশ গ্ৰহণ কৰিলেই বা শাস্ত্ৰ পাঠ কৰিলেই ঈশ্বৰক পাব নোৱাৰি। আত্মা ঈশ্বৰক পাবলৈ হ'লে--- গুৰু উপদেশ, শাস্ত্ৰৰ বাণী শুদ্ধভাৱে আচৰণ কৰিব লাগিব। এতিয়া গুৰুৰ উপদেশনো কি তাকো মাধৱদেৱে নামঘোষাতে কৈছে।

শুনা পৰমাৰ্থ তত্ত্ব　　　শ্ৰীমন্ত শঙ্কৰ মত
ধৰিয়োক সজ্জনসকল।
হৰিৰ কীৰ্ত্তন কৰি　　　সুখে সংসাৰক তৰি
পাইবা ভক্তি পৰম নিৰ্ম্মল।। ৩৩।।
শুনা সভাসদচয়　　　নেৰিবা শাস্ত্ৰৰ নয়
হৰিগুণ ভাগৱত সাৰ।
সাধুসঙ্গ অনুসৰা　　　শ্ৰৱণ কীৰ্ত্তন কৰা
পৰিহৰা পাষণ্ড আচাৰ।। ৩৪।।

এতেকে গুৰু উপদেশ আৰু শাস্ত্ৰৰ সিদ্ধান্ত হ'ল পাষণ্ড আচাৰ ত্যাগ কৰি সাধুসঙ্গ গ্ৰহণ কৰি একান্তে হৰিৰ নাম শ্ৰৱণ কীৰ্ত্তন কৰিব লাগে। এনে কৰিলেই এদিন আত্মা ঈশ্বৰক দৰ্শন পাব।

আত্মা ঈশ্বৰৰ বাহিৰেও এক ব্যাপক ঈশ্বৰৰ ৰূপো নাম-ঘোষাত উল্লেখ আছে। লেচাৰী ছন্দৰ 'ঈশ্বৰ নিৰ্ণয়'ৰ ৪ নং ঘোষাত, ঈশ্বৰৰ পাদোদকৰ পৰা গঙ্গাৰ উৎপত্তি, ঈশ্বৰৰ বাক্যৰ পৰা বেদৰ উৎপত্তি আৰু ঈশ্বৰৰ নাম লৈ পৰম পতিত সকলো তৰিব পাৰে বুলিছে। এই ঈশ্বৰ সৃষ্টি, স্থিতি, লয়ৰ কাৰণ বুলি এক বিশেষ ৰূপো স্বীকাৰ কৰিছে।

নাম-ঘোষাত ঈশ্বৰ সম্পৰ্কে উল্লেখ থকা ঘোষাসমূহ অধ্যয়ন কৰিলে পোৱা যায় যে--(১) ঈশ্বৰ আদি অন্তহীন মূৰ্ত্তিশূন্য (২) ঈশ্বৰ সৰ্বব্যাপক (৩) ঈশ্বৰ আত্মা ৰূপে সকলো দেহতে বিৰাজমান (৪) সৃষ্টিৰ আদিতো ঈশ্বৰেই আছিল, সৃষ্টিৰ মধ্যতো ঈশ্বৰ আছে আৰু প্ৰলয়ৰ অন্ততো ঈশ্বৰেই থাকিব। (৫) ঈশ্বৰ কাল মায়াৰো অধিকাৰী (৭) ঈশ্বৰ একমাত্ৰ চৈতন্য সত্তা (৮) ঈশ্বৰ কৰ্ম অনুসৰি বিভিন্ন গুণ নামেৰে প্ৰসিদ্ধ (৯) এই গুণ-নামসমূহৰ প্ৰতি নামৰ লগতে ঈশ্বৰ বিৰাজমান হৈ থাকে। (১০) ঈশ্বৰ প্ৰকৃতি বা মায়াৰ স্ৰষ্টা (১১) ঈশ্বৰ জীৱৰ স্ৰষ্টা (১২) ঈশ্বৰ সৰ্ব্ব প্ৰকাৰ দুখ হৰণ কৰোতা (১৩) ঈশ্বৰ সমগ্ৰ ঐশ্বৰ্য্যৰ গৰাকী

(১৪) ঈশ্বৰ হ'ল সমস্ত জীৱৰ আশ্ৰয়ৰ স্থল। এইদৰে নাম-ঘোষাত ঈশ্বৰৰ নানা নাম-ৰূপ, গুণ-ৰূপৰ ব্যাখ্যা কৰিছে।

অৱশ্যে এক ঈশ্বৰ তত্ত্ব---- নাম-ঘোষাৰ চূড়ান্ত সিদ্ধান্ত। এই একমাত্ৰ ঈশ্বৰ হ'ল 'কৃষ্ণ'। এই কৃষ্ণকে পৰমব্ৰহ্ম, পৰম ঈশ্বৰ, পৰম কাৰণ, পৰম পুৰুষ, পৰমাত্মা, নাৰায়ণ, বিষ্ণু, শিৱ আদি নানা বিশেষ বিশেষ নামেৰে পৰিচয় দিছে।

সাধাৰণ অৰ্থত ঈশ্বৰ মানে প্ৰভু বা গৰাকী। নাম-ঘোষাৰ ঈশ্বৰ হ'ল সমস্ত চৰাচৰ জগতৰ গৰাকী। ঈশ্বৰ কৃষ্ণৰ নিত্য ৰূপ হ'ল নিৰ্গুণ নিৰাকাৰ। নামঘোষাত এই নিৰ্গুণ কৃষ্ণৰ গুণ শ্ৰীমন্ত শঙ্কৰদেৱেহে প্ৰকাশ কৰিলে বুলি ঘোষণা কৰিছে। নিৰ্গুণ মানে গুণহীন নহয়, অনন্ত গুণৰ আধাৰহে। অৰ্থাৎ কৃষ্ণ হ'ল অনন্ত গুণৰ আধাৰ।

এ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
তুমি গুণ নিয়ন্তা নিৰ্গুণ গুণ ধাম।।

সেইদৰেই নিৰাকাৰ মানেও আকাৰহীন নহয়। প্ৰাকৃত বা নিৰ্দিষ্ট আকাৰ নথকা। পানীৰ নিৰ্দিষ্ট আকাৰ নাই অথচ যি পাত্ৰতে থোৱা হয় তাৰে আকাৰ লয়। ঠিক সেইদৰেই নিৰাকাৰ ঈশ্বৰেও কৰ্ম অনুসৰি গুণ ৰূপেৰে ভিন্ন আকাৰ ধাৰণ কৰে।

যতেক প্ৰাকৃত আকাৰ বৰ্জ্জিত
ভৈলন্ত যিহেতু হৰি।
সেহি হেতুতেসে নিৰাকাৰ নাম
আছন্ত ঈশ্বৰে ধৰি।। ১৬২।।

যাৰ নিৰ্দিষ্ট আকাৰ বা গুণ আছে তেওঁ ভিন্ন আকাৰ বা গুণ প্ৰকাশ কৰিব নোৱাৰে। যাৰ নিৰ্দিষ্ট আকাৰ নাই সি অনন্ত আধাৰ, তেওঁহে ভিন্ন আকাৰ ধৰি নানা গুণ প্ৰদৰ্শন কৰিব পাৰে। সেইদৰেই নামঘোষাৰ ঈশ্বৰ কৃষ্ণও নিৰ্দিষ্ট ৰূপ বা গুণত আৱদ্ধ নহয়। সত্ত্ব-ৰজ-তম কোনো গুণে ঈশ্বৰক লুপ্ত কৰিব নোৱাৰে। অৱশ্যে ঈশ্বৰে ৰজ গুণক আশ্ৰয় কৰি সৃষ্টি কাৰ্য্য কৰিছে, সত্ত্ব গুণক আশ্ৰয় কৰি পালন কাৰ্য কৰিছে আৰু তম গুণক আশ্ৰয় কৰি সংহাৰণ কাৰ্য্য কৰিছে। কাৰ্য্যৰ কাৰণে গুণৰ প্ৰকাশ হবই লাগিব। গুণক আশ্ৰয় কৰিলেও ঈশ্বৰক গুণে কিন্তু ঢাকিব নোৱাৰে।

নামঘোষা গভীৰ আৰু সুক্ষ্মভাৱে অধ্যয়ন কৰিলে ঈশ্বৰ কৃষ্ণৰ চাৰিটা বিশেষ অৱস্থাৰ সম্পৰ্কে জনা যায়।

**১। সনাতন ব্ৰহ্মঃ**--- এইয়া ঈশ্বৰ কৃষ্ণৰ নিৰ্গুণ নিৰাকাৰ অৱস্থা। নিত্য নিৰঞ্জন ৰূপ। এনে ঈশ্বৰক পৰম ব্ৰহ্ম বুলিও কোৱা হয়। এই ঈশ্বৰ একমাত্ৰ নামৰূপী। যাক ৰাম, কৃষ্ণ, নিৰঞ্জন, নিৰাকাৰ, নিৰ্ব্বিকাৰ আদি পৰম ব্ৰহ্মবাচক নামেৰে প্ৰকাশ কৰা হৈছে। সৃষ্টিৰ আদিত আৰু অন্তত এই নিৰ্ব্বশেষে সনাতন ব্ৰহ্ম বিৰাজমান হৈ থাকে।





**২। কাৰণ ব্ৰহ্মঃ**-- এইয়া ঈশ্বৰ কৃষ্ণৰ নিৰ্গুণ অথচ সাকাৰ অৱস্থা। বিশ্ব সৃষ্টিৰ হেতু সনাতন ব্ৰহ্মাই অনন্ত কাৰণ ৰূপ ধাৰণ কৰে। এই কাৰণ ব্ৰহ্মকে নাৰায়ণ বোলে। এই নাৰায়ণৰ পৰাই উৎপত্তি হৈছে। এই নাৰায়ণক পৰম ঈশ্বৰ, পৰম কাৰণ বুলিছে। এই নাৰায়ণেই সৃষ্টি স্থিতি লয়ৰ গৰাকী, কাল মায়াৰ অধিকাৰী। সমস্ত জীৱক এই নাৰায়ণেই আশ্ৰয় দিয়ে। এই নাৰায়ণক পৰমাত্মা বুলিও কোৱা হয়।

পৰম ঈশ্বৰ স্বৰূপে জীৱৰ
আছন্ত হুয়া আশ্ৰয়।
এতেকেসে তাঙ্ক বুলি নাৰায়ণ
নামৰ দিব্য অন্বয়।। ১৫৯।।

**৩। সগুণ ব্ৰহ্মঃ**-- এইয়া ঈশ্বৰ কৃষ্ণৰ সাকাৰ অৱস্থা। সাকাৰ সগুণ হ'লেও জন্ম মৃত্যু জড়া ৰহিত। ৰজ তম বৰ্জ্জিত শুদ্ধ সত্ত্বগুণৰ আকৰ। পৰম মঙ্গলময় শ্ৰীমন্ত সুন্দৰ ৰূপ। যাক সমস্ত ঐশ্বৰ্য্য তথা লক্ষ্মীৰ গৰাকী বোলা হৈছে। এই ঈশ্বৰ কৃষ্ণৰ সগুণ সাকাৰ ৰূপক বিষ্ণু বোলা হয়। এওঁকে ভগৱানো বোলে। এই বিষ্ণুৱে আত্মাৰূপে সমস্ত জগতত বিৰাজমান হৈ আছে। বিষ্ণুক পৰম পুৰুষ বুলিও কোৱা হয়। জগত-পালনৰ কাৰণে এই বিষ্ণুৱে মৎস্য, কুৰ্ম, বৰাহ, নৰসিংহ, বামন, পৰশুৰাম, শ্ৰীৰাম, হলিৰাম, বুদ্ধ কল্কি আদি অৱতাৰ ধাৰণ কৰিছে। এই বিষ্ণুৰ পাদোদকৰ পৰা গঙ্গা আৰু মুখৰ বাক্যৰ পৰা বেদৰ উৎপত্তি হৈছে। ইয়াৰ ঈশ্বৰ কৃষ্ণৰ দেৱৰূপ সমস্ত দেৱতাৰ ভিতৰত শ্ৰেষ্ঠ কাৰণে বিষ্ণুক পৰম দেৱতা বোলা হয়। মহেশক মহাদেৱ বোলে কিন্তু পৰম দেৱ বোলা নহয়। পৰমদেৱএকমাত্ৰ বিষ্ণুহে। ভক্তসকলৰ সাধনাৰ ঈশ্বৰ কৃষ্ণৰ ৰূপেই এই বিষ্ণু ৰূপেই। যাক শঙ্খ, চক্ৰ, গদা, পদ্ম এই চাৰি অস্ত্ৰৰে চতুৰ্ভুজ ৰূপে দেখুওৱা হৈছে। জগত পালনৰ কাৰণে এই ৰূপ ঈশ্বৰ কৃষ্ণই ধাৰণ কৰিছে। লেচাৰী ছন্দৰ 'ঈশ্বৰ নিৰ্ণয়টো এই বিষ্ণুৰ বাহিৰে আৰু শ্ৰেষ্ঠ দেৱ নাই বুলিছে। বিষ্ণুৰ প্ৰসিদ্ধ নাম-- 'হৰি'।

ব্ৰহ্মা মহাদেৱ লক্ষ্মীদেৱী কায় বাক্যমনে থিৰ কৰি
পৰম আনন্দে চৰণ সেৱন্ত যাৰ।
সদা জন্ম জড়া মৃত্যুহীন শ্ৰীমন্ত সুন্দৰ গুণনিধি
বিষ্ণুত বিনাই কোন দেৱ আছে আৰ।। ৫৮৮।।

**৪। আনন্দ ব্ৰহ্মঃ**--- ঈশ্বৰ তত্ত্ব তথা আত্মতত্ত্ব অতি দুৰ্বোধ, সেই কাৰণে ঈশ্বৰ কৃষ্ণই লীলা নৰতনু ধাৰণ কৰি নিজৰ গুণ নাম লীলা যশ আদি জগতত প্ৰচাৰ কৰে। এনেদৰে লীলা অৱতাৰ ধৰা সকলো অৱতাৰৰ ভিতৰত দৈৱকী-নন্দন কৃষ্ণ পূৰ্ণ অংশে অৱতাৰী পুৰুষ। এওঁক বেদৰ গুপুত সত্য বস্তু নাৰায়ণৰ সাক্ষাৎ প্ৰকাশ বুলিছে।

বেদৰ গুপুত বিত্ত নাৰায়ণ এ

জীৱৰ তাৰণ হেতু নাৰায়ণ এ
প্ৰচাৰিলা নিজ যশ ধৰ্ম্ম বিপৰীত।।

নিৰ্গুণ নিৰাকাৰ সনাতন ঈশ্বৰ প্ৰথমে নামৰূপী কৃষ্ণময় আছিল। তিনিজন্মৰ সাধনাৰ বলত বসুদেৱৰ মনত এই কৃষ্ণই আশ্ৰয় ল'লে কাৰণে 'কৃষ্ণ বাসুদেৱ' হ'ল। দৈৱকীৰ গৰ্ভত এই পৰম তত্ত্ব বস্তু বসুদেৱে সংস্থাপিত কৰিলে কাৰণে কৃষ্ণক দৈৱকীনন্দন বুলিছে। ইয়াৰ পাছত নন্দৰ ঘৰত গোপ ৰূপে লালিত-পালিত হৈছিল বাবে কৃষ্ণক নন্দ-নন্দন বুলিছে। গোবৰধন ধাৰণৰ সময়ত ইন্দ্ৰ আদি সকলো দেৱ-দেৱী আৰু গোপ-গোপীসকলে কৃষ্ণক ৰাজহুৱা ভাবে 'গোবিন্দ' নামেৰে অভিহিত কৰিছে। সেয়েহে প্ৰসিদ্ধ নাম হ'ল 'গোবিন্দ'। এই 'গোবিন্দ'ক যদুপতি বুলিও জনা যায়। এই গোবিন্দৰ ভুৱন মোহন ৰূপে বিশ্বৰ সকলোতে মোহিত কৰিছিল। সেয়েহে এওঁক আনন্দকৰ্মী বা আনন্দ ব্ৰহ্ম বোলা হয়।

এই আনন্দ ব্ৰহ্মৰূপী ঈশ্বৰ কৃষ্ণতেই মহাপুৰুষৰ সকলো লক্ষণ মাধৱদেৱে আৱিস্কাৰ কৰিছে। 'কৃষ্ণৰ মহাপুৰুষ লক্ষণ' নামৰ নামঘোষাত এটি বিশেষ পটল লিখি এই উত্তম নৰ শৰীৰৰ বৰ্ণনা দাঙি ধৰিছে। এই দৈৱকী-নন্দন কৃষ্ণক নৰহৰি বোলা হয়। দৈৱকী-নন্দন কৃষ্ণ ঈশ্বৰ কৃষ্ণৰ এক বাস্তৱ ৰূপ। সেয়েহে মাধৱদেৱে মনবাক্যৰ গোচৰ সৎ ঈশ্বৰৰ উপলব্ধি বাদ দি মন বাক্যৰ গোচৰ সৎ চিৎ আনন্দময় দৈৱকী নন্দন কৃষ্ণকে প্ৰকৃত ঈশ্বৰ হিচাপে স্বীকৃতি দিছে; যিজন ঈশ্বৰে বাস্তৱ দৃষ্টিৰে অৰ্জ্জুনৰ শোক, মোহ, দূৰ কৰিছিল। অৰ্জ্জুন এইজন নৰ-ঈশ্বৰৰ চৰণত শৰণে পশিছিল। মাধৱদেৱেও নামঘোষাত এই দৈৱকী নন্দন কৃষ্ণকে ঈশ্বৰ হিচাপে নিৰ্ণয় কৰি একান্ত শৰণে পশিছে।

শোক মোহ মহাপঙ্ক মাজে অৰ্জ্জুন মগন ভৈলা দেখি
পৰম ঈশ্বৰ দেৱতা নন্দ নন্দন।
কৃপায়ে ঈশ্বৰে তত্ত্ব কহি উদ্ধাৰিলা নিজ ভকতক
হেন ঈশ্বৰৰ চৰণে লৈলো শৰণ।। ৫৯১।।

পদছন্দৰ ঈশ্বৰ নিৰ্ণয়তো এই দৈৱকী নন্দন কৃষ্ণকে ঈশ্বৰ বুলি দেখুৱাইছে।

প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ।।

ইয়াত প্ৰকৃতি মানে ২৪ তত্ত্বযুক্ত বিনাশী ক্ষয়শীল জড় দেহক বুজাইছে। পুৰুষ মানে--- এই ২৪ তত্ত্বৰে নিৰ্মিত পুৰ সদৃশ দেহত পৰমাত্মাৰ অংশ চিদাত্মা স্বৰূপ জীৱই আশ্ৰয় লৈ জড়দেহক চৈতন্য কৰি ৰাখে বাবে জীৱকে পুৰুষ বুলিছে। এই দুয়ো তত্ত্বৰে স্ৰজন্তা আৰু পালন্তা হ'ল মাধৱ। মাধৱ মানে লক্ষ্মীপতি ভগৱন্ত। এই পৰমাত্মা স্বৰূপ মাধৱেই সমস্তৰে আত্মাক মণিসূত্ৰৰ দৰে বান্ধি ৰাখিছে। মাধৱৰ





পূৰ্ণ প্ৰকাশ হ'ল, দৈৱকী নন্দন 'কৃষ্ণ'। সেয়েহে মাধৱদেৱে এই কৃষ্ণতেই নাৰায়ণ তত্ত্ববোধেৰে শৰণে পশিছে।

হে কৃষ্ণ তযুপাৰে পশিলো শৰণ।
মই অনাথন নাথ তুমি নাৰায়ণ।।

'নমস্কাৰ'ৰ শেষত পুনৰ দৈৱকানন্দন কৃষ্ণক নাৰায়ণ, পৰম পুৰুষ, সদাশিৱ আৰু সনাতন ব্ৰহ্ম হিচাপে ঘোষণা কৰিছে।

জয় নমো নাৰায়ণ দৈৱকীনন্দন।
পৰম পুৰুষ সদাশিৱ সনাতন।।---৪১১

এতেকে নাম-ঘোষা অধ্যয়ন কৰিলে ঈশ্বৰ সম্পৰ্কে মাধৱদেৱৰ সিদ্ধান্ত স্পষ্টকৈ পোৱা যায়।

দৈৱকী নন্দন কৃষ্ণ হ'ল আমাৰ সকলোৰে একমাত্ৰ ভজনীয় দেৱ। এওঁৱেই পৰম পুৰুষ বিষ্ণু। এই কৃষ্ণই পৰম ঈশ্বৰ পৰম কাৰণ নাৰায়ণ। এই কৃষ্ণই আত্মাৰূপে সমস্ত জগতত বিৰাজমান হৈ আছে। আৰু এই কৃষ্ণই হ'ল নিৰ্গুণ নিৰাকাৰ পৰমব্ৰহ্ম। সেয়েহে মাধৱদেৱে এই কৃষ্ণতেই একান্ত শৰণ লোৱাৰ উপৰি কৃষ্ণৰ গুণ নাম নিৰন্তৰভাৱে স্মৰণ কৰি এই কৃষ্ণকেই ভজনা কৰিছে। এই কৃষ্ণ পাদ পদ্মতেই মন একান্তে মজি থাকিবৰ কাৰণে কৃষ্ণতেই কৃপা বিচাৰিছে মাধৱপুৰুষে।

কৃষ্ণ নিজ ইষ্ট দেৱ আত্মা প্ৰিয়তম গুৰু
সুহৃদ সোদৰ বন্ধুজন।
কৃষ্ণ মোৰ গতিমতি কৃষ্ণত ভকতি ৰতি
কৃষ্ণ পাৰে নিমজোক মন।। ৯৭।।

মাধৱদেৱে এইদৰেই কৃষ্ণকেই একমাত্ৰ ঈশ্বৰ হিচাপে নিৰ্ণয় কৰি নামঘোষাৰ জৰিয়তে জগতৰ লোকৰ কাৰণে ঘোষণা কৰিছে।

কৃষ্ণ এক দেৱ দুখঃহাৰী কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰীদেৱ দেৱ তান্ত বিনে আন নাহি কেৰ
জানিবা বিষ্ণুসে সমস্তে জগতে সাৰ।। ৫৮৬।।

---

লেখকৰ পৰিচয় ঃ
শ্ৰীচন্দ্ৰ হাজৰিকা
কমাৰচুক, দেৰগাঁও, গোলাঘাট।

# নাম-ঘোষাৰ সাহিত্যিক মূল্যায়ন

**নৰকান্ত বৰদলৈ**

অসমীয়া বৈষ্ণৱ ধৰ্মৰ 'চাৰি পুথি' বুলি এটা কথা প্ৰচলিত আছে। 'কীৰ্ত্তন' এই চাৰিপুথিৰ অন্যতম। বাকী তিনিখন হৈছে---নাম-ঘোষা, দশম আৰু ভক্তি ৰত্নাৱলী। বৈষ্ণৱ ধৰ্মৰ সমস্ত তত্ত্বকথা এই চাৰিখন পথিতে পোৱা হয়। সংস্কৃত 'ঘুষ' অৰ্থ উচ্চস্বৰে বা ডাঙৰকৈ প্ৰকাশ কৰা। এই ধাতুৰ পৰা ঘোষা (ঘুষ + অ + আ) শব্দৰ সৃষ্টি। ইয়াৰ অৰ্থ উচ্চস্বৰে কৰা পুনঃ পুনঃ আবৃত্তি। ভগৱানৰ নাম পুনঃ পুনঃ আবৃত্তিৰ কথা আছে বাবেই এই গ্ৰন্থৰ নাম 'নামঘোষা' বোলা হৈছে। নামঘোষা মহাপুৰুষ মাধৱদেৱৰ সাহিত্যিক জীৱনৰ শ্ৰেষ্ঠ কীৰ্ত্তিস্তম্ভ। আধ্যাত্মিক জীৱনৰ শ্ৰেষ্ঠ কীৰ্ত্তি। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোধানৰ পিছত মাধৱদেৱে নামঘোষা সম্পূৰ্ণ কৰে।ঘোষা ৰচনা সম্পৰ্কত কথা গুৰুচৰিতত এনেদৰে আছে 'বোলে বৰাৰ পো, 'সৰ্ব্বস প্ৰতিপাল কৰিবা। তোম্ৰাস্যবেও শ্ৰদ্ধা প্ৰীতি হৈ আমি বুলি মানিবা। নাহো মানে আৰু এখানি ঘোষা নামে প্ৰেমভক্তি ঘোষা কৰিবা। আমাৰ পাছত যেন ৰৌ-বৰালীৰে পৰা তনিকাৰ হৈ যেনেকৈ দহহাজাৰ বৈকুণ্ঠৰ নাম দিবা, এই বুলি নাও মেলি গ'ল ভটিয়াই।' অৰ্থাৎ মহাপুৰুষ শঙ্কৰদেৱৰ অনুৰোধক্ৰমেই মাধৱদেৱে 'নাম-ঘোষা' গ্ৰন্থ ৰচনা কৰে। গ্ৰন্থখনিত এহেজাৰ ঘোষা থকা বাবে নামঘোষাক 'হেজাৰী ঘোষা' বুলিও জনা যায়। নাম-ঘোষাত মাধৱদেৱৰ কবিত্ব আৰু পাণ্ডিত্যৰ সুন্দৰ সমন্বয় ঘটিছে। কীৰ্ত্তনৰ দৰে নামঘোষাও হৈছে সমস্ত বেদান্তৰ সাৰ, ভাগৱতৰ সত্য তত্ত্বৰ প্ৰকাশ। প্ৰকৃততে নামঘোষা হৈছে মাধৱদেৱৰ ভক্ত হৃদয়ৰ পৰা ওলোৱা ভক্তিৰ চৰম প্ৰকাশ। এক দেৱ সেৱা নাম-ঘোষাৰ প্ৰধান বক্তব্য। বৈষ্ণৱ ধৰ্মত একদেৱ হৈছে ভগৱান শ্ৰীকৃষ্ণ। গতিকে ভৱ দুখহাৰী 'কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ'। মুক্তি সকলোৰে কাম্য, মুক্তিৰ পথ বিচাৰি মানুহে ভগৱানৰ ওচৰত আত্মসমৰ্পণ কৰে। কিন্তু মাধৱদেৱৰ মতে সেইজনহে প্ৰকৃত ভক্ত যাৰ মুক্তিতো স্পৃহা নাই---

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।





সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।। ১।।

মাধৱদেৱৰ মতে মুক্তিতকৈ ভক্তিৰ সোৱাদ বেছি। নৱিধ ভক্তিৰ ভিতৰত মাধৱদেৱে নাম-ঘোষাত শ্ৰৱণ আৰু কীৰ্ত্তনকে মুখ্য স্থান দিছে। ভক্তি কৰিবৰ বাবে ঈশ্বৰৰ কথা শ্ৰৱণ কীৰ্ত্তনেই হৈছে উত্তম উপায়। ভক্তি হ'ল আত্মসমৰ্পণ, তাৰ লগত নিহিত হৈ থাকে আন্তৰিক শ্ৰদ্ধা।

"একান্ত শৰণে যিটো শ্ৰৱণ কীৰ্ত্তন কৰে
ওচৰো নচাপে কলি তাৰ"---

নাম-ঘোষাত দাস্যভাৱৰ সুৰ বিদ্যমান। দাসৰূপে তেওঁ ঈশ্বৰৰ চৰণত নিজকে অৰ্পণ কৰিছে। গতিকে নাম-ঘোষাত প্ৰতি পদে পদে মাধৱদেৱৰ আত্ম নিবেদন---

"দান্তে তৃণ তুলি লওঁ যিমতে সেৱাতে ৰওঁ
দিয়া মোক সেহি উপদেশ"---

যিসকলে সংসাৰৰ বিষয়ৰ পৰা হাত সাৰি হিংসাশূন্য হৈ ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণ কৰে, সেইসকলেই মোক্ষ লাভৰ অধিকাৰী হয়। মাধৱদেৱে নামঘোষাত ঈশ্বৰৰ লগতে গুৰুকো আগশাৰীত স্থান দিছে। গুৰু গম্ভীৰ আৰু দাৰ্শনিক ভাবাপন্ন নাম-ঘোষাৰ বিভিন্ন পদ আৰু ঘোষাসমূহত কবিৰ ঐকান্তিক ভক্তিৰ কথা প্ৰকাশ পাইছে। ইয়াৰ মাজতে হৰিবিমুখ আৰু গুৰু বিৰোধীসকলক মাধৱদেৱে তীব্ৰভাৱে নিন্দা কৰিছে। সংবেদনশীলতাৰ কাৰণে গ্ৰন্থখনৰ কাব্যিক মূল্য সবাৰো ওচৰত। নামঘোষাৰ প্ৰথম ঘোষাটোৰ মাজতেই প্ৰকাশ পাইছে গ্ৰন্থখনৰ মূলতত্ত্ব---' ৰসময়ী মাগোহো ভকতি'। ভক্তিৰ যি নিদান, সেইজনেই সচ্চিদানন্দ ব্ৰহ্মস্বৰূপ শ্ৰীকৃষ্ণ। নাম-ঘোষাত হৰিনাম ৰসৰো অপাৰ মাহাত্ম্য প্ৰকাশ পাইছে---

'অপাৰ আনন্দ ৰস ৰামনাম, মুখত থাকয় যাৰ।
মুকুতি সুখকো যৰে পাশ কৰি আন সুখ কোন ছাৰ।। ৩৩৩।।

নাম-ঘোষাৰ এহেজাৰ ঘোষাৰ চাৰিশমান শ্লোক বিভিন্ন পুৰাণ ভক্তিমূলক শ্লোকৰ অনুবাদ; বাকী ছশমান কবিৰ স্বৰচিত। কিন্তু অনুবাদখিনিত মাধৱদেৱৰ কবিত্ব শক্তি এনেদৰে ভাৱৰ ধাৰা মিহলি হৈ আছে, সেয়া হ'ল পুন্য শ্লোক শঙ্কৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণভক্তি মাহাত্ম্য। গুৰু মাহাত্ম্য সম্পৰ্কে কৈছে --

"যিটো মহামতি গুৰুজনে হৰিভক্তি পন্থ উপদেশ
দিয়া দুখময় সংসাৰৰ পাৰ কৰে।
হেনয় পৰম গুৰুঋণ শুজিবাক প্ৰতিজানা নিষ্ঠ
অন্যত্ৰ উপায় নাহি অঞ্জলিত পৰে।।-- ৬৭৯

হৰিভক্তি সম্পৰ্কে মাধৱদেৱে কৈছে --

হৰিত শৰণ লৈয়া যিটোজন এ
হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে।
দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ এ
সিটো মহাজনে আতি মহাসুখে তৰে।।--৭১৫।।

নাম-ঘোষাৰ সাহিত্যিক মূল্য অপৰিসীম। ইয়াৰ মূল্যায়ন কৰিবলৈ যোৱাৰ আগতে সাহিত্য সম্পৰ্কে দুই এষাৰ কথা কৈ লোৱা প্ৰয়োজন। সাহিত্য সম্পৰ্কে প্ৰাচ্য আৰু প্ৰাশ্চাত্য পণ্ডিতে বিভিন্ন সংজ্ঞা দি গৈছে যদিও ইয়াত সেইবোৰ আলোচনা কৰাৰ থল নাই। সাহিত্য হৈছে কোনো ভাষিক গোষ্ঠীৰ সভ্যতা সংস্কৃতি জীৱন পদ্ধতিৰ সামগ্ৰিক পৰিচয়। সভ্যতা সংস্কৃতি জীৱন পদ্ধতিত যি জাতি যিমান চহকী সেই ভাষাৰ সাহিত্যও সিমানেই চহকী। সাহিত্যৰ জৰিয়তে এটা জাতিৰ সৰ্বদিশৰ খতিয়ান দাঙি ধৰিব পাৰি। কাৰণ সাহিত্য আকাশ-কুসুমৰ দৰে কল্পনাই নহয়, ই সামাজিক জীৱনবোধেৰে যথাৰ্থ প্ৰতিফলন। অসমীয়া সাহিত্যৰ সমৃদ্ধি আৰু ৰিক্ততাৰ ওপৰত আলোকপাত কৰিলেই অসমীয়া সাহিত্যৰ প্ৰাণ স্পন্দনৰ অনুভৱ সম্ভৱপৰ। সাহিত্য আচলতে এখন সমগ্ৰ সমাজৰ যুগ যুগ ধৰি চলা আধ্যাত্মিক অভিযান মাত্ৰ। কোনো সাহিত্যকে লেখকৰ জীৱনৰ পৰা বিচ্ছিন্ন কৰি চাব নোৱাৰি; চাব নোৱাৰি সেই যুগৰ পৰা বিচ্ছিন্ন কৰি। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ভাষাত সহিত+ও ইয়েই হৈছে সাহিত্য। অৰ্থাৎ সহিতত্ব স্থাপন কৰোৱা বা মিলন ঘটোৱা। এই মিলন কেৱল ভাৱৰ লগত ভাৱৰ, ভাবৰ লগত ব্যাকৰণৰ, ব্যাকৰণৰ লগত ছন্দৰেই নহয়; ই হৈছে হৃদয়ৰ লগত হৃদয়ৰ মিলন। কবিৰ আত্মপ্ৰকাশৰ ফলত আমি পাওঁ গীতি কবিতা, চিন্তামূলক কবিতা, শোক কবিতা আদি সাহিত্যৰ বিভিন্ন অঙ্গ। বিশ্বজনীনতা সাহিত্যৰ এটা ঘাই লক্ষণ। দেশ কাল ভেদে মানুহ বেলেগ যদিও চিন্তা অনুভূতি আৱেগৰ ক্ষেত্ৰত সকলো মানুহেই একে। সাহিত্যই সেয়েহে মানুহৰ সাধাৰণ আৱেগ, অনুভূতি আৰু মানুহৰ সাধাৰণ স্বভাৱকে প্ৰকাশ কৰে।গতিকে এইটো নিৰ্দ্বিধাই কব পাৰি যে ভক্তি সাহিত্যক কোনো জাতীয় সীমাৰ ভিতৰত আৱদ্ধ কৰি ৰাখিব নোৱাৰি। সাহিত্যত সমাজৰ ছাঁ পৰে বাবেই ইয়াক জাতিৰ দাপোণ বোলা হৈছে। সমাজে যি দৰে ব্যক্তিৰ সৃষ্টি কৰে; তেনেদৰে ব্যাক্তিয়েও সমাজৰ সৃষ্টি কৰে। জগতৰ যুগনায়ক ক্ৰান্তিকাৰী পুৰুষসকলৰ জন্ম সামাজিক পৰিস্থিতিৰ ফলত। ৰুছো, কাৰ্লমাৰ্ক্স, ''ডাৰুইন, মহাত্মা গান্ধী আদি মহাপুৰুষসকলে সমাজৰ বাবে সৃষ্টি কৰি যোৱা গ্ৰন্থৰাজিৰ সৰ্বকালৰ বাবে, যিবোৰকো সাহিত্যৰ সংজ্ঞাত থব পাৰি। পাঠকসমাজৰ মনোৰঞ্জন কৰা আৰু জ্ঞানদান কৰাৰ





উপৰি কিছুমান সাহিত্য এক বিশেষ উদ্দেশ্য লৈ ৰচনা কৰা হয়। মাধৱদেৱৰ নামঘোষাও তেনে এক উদ্দেশ্যধৰ্মী সাহিত্যৰ ভিতৰত পৰিলেও ইয়াৰ আবেদন সাৰ্বজনীন। দ্য কুইসিয়ে সকলোধৰণৰ সাহিত্যক দুটা ভাগত বিভক্ত কৰিছে-- এবিধ হৈছে জ্ঞানৰ সাহিত্য, আনবিধৰ নাম শক্তিমন্তাৰ সাহিত্য। জ্ঞানৰ সাহিত্যৰ লক্ষ্য হ'ল তথ্যপাতি আৰু তত্ত্বকথাৰ যোগান ধৰি পাঠক মনত জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰা। শক্তিমন্তা বা প্ৰাণৰ সাহিত্যৰ লক্ষ্য হ'ল পাঠকৰ হৃদয় মন আলোকিত কৰা। সহজ ভাষাত ক'বলৈ গলে সত্য আৰু সুন্দৰৰ আৱেগ সনা জীৱনৰ অভিজ্ঞতাৰ প্ৰকাশ কৰাকে সাহিত্য বোলা হয়। বৌদ্ধিক, আনুভূতিক, কল্পনালৌকিক আৰু শিল্পবুদ্ধি এই চাৰিটাক সাহিত্যৰ প্ৰধান উপাদান বুলি গণ্য কৰা হয়। সাহিত্য সম্পৰ্কে বিভিন্ন পণ্ডিতে দি যোৱা ব্যাখ্যাৰ ভিত্তিত সাহিত্যক মুঠতে পাঁচ ভাগত ভাগ কৰিব পাৰি। সেই পাঁচবিধ সাহিত্য হ'ল (১) ব্যক্তিগত জীৱন সংক্ৰান্তীয় সাহিত্য যেনে আত্মজীৱনী, (২) আধ্যাত্মিক জীৱনৰ সাহিত্য--- যেনে বিভিন্ন ধৰ্মমূলক সাহিত্য, (৩) সামাজিক জীৱন সংক্ৰান্ত সাহিত্য, (৪) নৈসৰ্গিক চেতনাৰ সাহিত্য আৰু (৫) নান্দনিক চেতনাৰ সাহিত্য। উল্লিখিত সংজ্ঞা আৰু শ্ৰেণী বিভাগৰ পৰা চালে কব পাৰি মাধৱদেৱৰ নামঘোষা হ'ল আধ্যাত্মিক জীৱনৰ এখন শ্ৰেষ্ঠ সাহিত্য।

দৰাচলতে নাম-ঘোষা এক শ্ৰেষ্ঠ ভক্তি সাহিত্য। ভক্তি ধৰ্ম্মৰ সাধন পথত যি চাৰিটা উপাদান পোৱা যায় সেই সম্পৰ্কে হিন্দী 'ভক্তমালা' গ্ৰন্থত আছে--

"ভক্তি ভক্ত ভগৱন্ত গুৰু চতুৰ নাম বপু এক
ইনকে পদ বন্দন কিয়ে নাশে বিঘন অনেক।।'

ভক্তি সাহিত্যত ভক্তি, ভক্ত, গুৰু আৰু ভগৱান মূলতঃ একেই সুতাত বন্ধা। শেষ লক্ষ্য ভগৱান, পথ তাৰ ভক্তি, সেইপথৰ বাবে লাগে নিত্য ভক্ত সংগ আৰু লাগে গুৰুৰ কৃপা, বিভিন্ন ভক্ত কবিৰ অসংখ্য শ্লোক, স্তৱক আৰু পদত এই চাৰিটা বস্তুৰ মহিমা প্ৰকাশ কৰা হৈছে। দৰাচলতে ক'বলৈ গ'লে এওঁলোকৰ বন্দনা কীৰ্ত্তনেই ভক্তি সাহিত্য, পোন্ধৰ শতিকাৰ ভাৰতৰ বিভিন্ন ভাষাৰ ভক্ত কবিসকলৰ মাজত এটি ভাৱগত ঐক্য বিচাৰি পোৱা যায়। এওঁলোক আটায়ে প্ৰায় এটি বাক্যতে ভক্তি মহিমা আৰু সদাচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি তীৰ্থ পূজা মন্ত্ৰপাঠ প্ৰভৃতি বাহ্যিক অনুষ্ঠানৰ নিৰৰ্থকতাৰ কথা কৈ গৈছে। তামিল শৈৱ কবি অপ্পৰে কয় 'প্ৰভুইযে সৰ্বকাল ব্যাপী আৰু সৰ্বদেশত থাকি আমাৰ অন্তৰতো বিৰাজ কৰি আছে সেইকথা যিসকলে বুজিব নোৱাৰে তেওঁলোকৰ গঙ্গাস্নানৰেই বা কি প্ৰয়োজন।' কন্নড় জপ কবি সৰ্বজ্ঞই কৈছে ভক্তিহীন হৈ শৈৱ তপ তীৰ্থ যাত্ৰা প্ৰভৃতি বাহ্যিক অনুষ্ঠান একেবাৰে নিৰৰ্থক। যিজন ভক্তিমান তেওঁৰ বাবে ঈশ্বৰক বাহিৰত বিচৰাৰ

কোনো আৱশ্যক নাই। তেলেগু বৈষ্ণৱ ত্যাগৰাজেও এক কথাকে কৈছে-- সদভক্তি যাৰ নাই তেওঁজানো কেতিয়াবা মোক্ষ লাভ কৰিব পাৰে। মন জয় কৰিব নোৱাৰিলে কেৱল ঘণ্টা বজাই বা ফুল ছটিয়াই কি হ'ব? নামঘোষাতো সেই ভক্তিৰ ধাৰণাই বিদ্যমান, নামঘোষাৰ পাতে পাতে কৃষ্ণনাম সংকীৰ্ত্তন মাহাত্ম্য বাৰে বাৰে ঘোষিত হৈছে আৰু জগতৰ মস্তকমণি শ্ৰীকৃষ্ণৰ ভজনা কৰিবলৈ উপদেশ দিয়া হৈছে।

"সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।" ১।।

আৰু কৈছে---

"যিটোজনে কৃষ্ণকথা বিচাৰে সময়ে মনে
ধৈৰ্য্য ধৰি ক্ষণেক থাকয়।
য'ত তীৰ্থ স্নান দান দেব পিতৃ যজ্ঞ যাগ
যোগাদিৰো ফলক পাৱয়।।" ৯।।

আচলতে শুদ্ধ অন্তঃকৰণেই প্ৰধান কথা, যি কথা নাম-ঘোষাত পাতে পাতে কোৱা হৈছে।

"যিটোজনে শুদ্ধভাৱে হৰিত শৰণ লৈয়া
হৰিক সুহৃদ বুলি আছে।
হৰিৰ প্ৰসাদে সিটো বিঘ্নিৰ মুণ্ডত ভৰি
দিয়া হৰিগুণ গায়া নাচে।।" ৬।।

ভাৰতীয় ভক্তি সাহিত্যৰ মূল বৈশিষ্ট্যসমূহৰ যিখিনি বৈশিষ্ট্য, সেই আটাইখিনিয়েই নামঘোষাত বিদ্যমান। ভক্তি সাহিত্যত যি ভগবৎ মহিমা বৰ্ণনা কৰা হৈছে, তাত দেখা যায় ভক্ত কবিসকলে তেওঁলোকৰ আৰাধ্য দেৱতাক নানা সম্বোধনেৰে মাতিছে। বন্ধু, নাথ , সুখ, শান্তি, অকুলৰ ফুল, অগতিৰ গতি, অনাথৰ নাথ, পতিতৰ পতি আদি বহুত অভিধাৰে ভগৱানক সম্বোধন কৰা হৈছে। এইক্ষেত্ৰতো নামঘোষাই ভাৰতীয় সাহিত্যৰ ঐতিহ্যকেই বহন কৰিছে। ভাৰতীয় ভক্তি সাহিত্যৰ অন্যতম বৈশিষ্ট্য হ'ল ইয়াৰ পাতে পাতে ভক্ত কবিসকলৰ আৰ্তি, অনুতাপ, ব্যাকুলতা--- নামঘোষাতো সেই আৰ্তি প্ৰকাশ হৈছে---

"কিমতে ভকতি কৰিবো তোমাত হৰি এ
মঞি মূঢ়মতি নাজানো তাৰ উপায় ৰাম ৰাম।।'

প্ৰভুৰ কৃপালাভ ধন্য ভক্ত কবিসকলৰ আনন্দোচ্ছাস ভকতি সাহিত্যৰ অন্যতম লক্ষ্য। নাম-ঘোষাতো সেই একেই সুৰৰ অনুৰণন--





জয় জগজীৱ মোৰে প্ৰাণ
মোৰে প্ৰাণধন বান্ধৱ মুৰাৰি
শ্ৰৱণ আনন্দে শুনিলে গোবিন্দ
তুমি দীন দুঃখহাৰী

নাম-ঘোষাত ভক্তি সাহিত্যৰ আটাইখিনি লক্ষণ প্ৰকাশ পোৱাৰ লগতে এই কথাও ক'ব যে, ইয়াত মাধৱদেৱৰ অপূৰ্ব কবিত্বশক্তি প্ৰকাশ হৈছে। নামঘোষা ইমান উচ্চস্তৰৰ গ্ৰন্থ যে ইয়াক পঢ়ি গ'লে কোনখিনি অনুবাদ, কোনখিনি মাধৱদেৱৰ স্বৰচিত সেই কথা ধৰিব নোৱাৰি, কি অসাধাৰণ শব্দ প্ৰয়োগৰ দক্ষতা কবিৰ। গূঢ় গভীৰ অভিজ্ঞতাপূৰ্ণ মুকুতাৰ দৰে কথাবোৰ আক্ষৰিক অৰ্থেই কালজয়ী সম্পদৰূপে পৰিগণিত হৈছে। ভাবিলে অবাক নহৈ নোৱাৰি কিমান দূৰ প্ৰজ্ঞাপূৰ্ণ দৃষ্টি থাকিলে কঠিন তত্ত্ব কিছুমানক একান্ত সহজ সৰল সাৱলীল ভঙ্গীত প্ৰকাশ কৰা যায়। নামঘোষাৰ সূচনাতেই কবি মাধৱদেৱৰ প্ৰকাশভঙ্গীৰ বিশেষত্ব। তেওঁৰ শব্দ প্ৰয়োগৰ দক্ষতা, কবিৰ অসাধাৰণ নিপুণতা। এজন সমলোচকৰ মতে ভাগৱত আদি নানা শাস্ত্ৰৰ তাৎপৰ্য্যবোধক দুৰুহ শ্লোক নিশ্চ য় সৰ্বজনপ্ৰিয় আৰু সহজ বোধগম্য পদত ভাঙি ৰসাত্মক অমূল্য নামঘোষা গ্ৰন্থৰ প্ৰণয়ন কৰিছিল। মূলৰো অধিক কবিত্ব, লালিত্য, মাধুৰ্য্য আৰু ভক্তিৰ উচ্ছাস ইয়াত আছে। ইয়াৰ পদবিন্যাস অতি মনোহৰ। প্ৰতি শ্লোকে, প্ৰতিপদে, প্ৰতি ছত্ৰে, প্ৰতি আখৰে ছবি দুলড়ি আত্মউপদেশ, বস্তুপ্ৰকাশ, প্ৰশংসা, সাৰনিৰ্ণয় লেছাৰী নাম আৰু ঘোষা ছন্দে শৰণ-ভজন, উপদেশ প্ৰশংসা প্ৰাৰ্থনা পাঠান্তৰ পৰিচ্ছেদে শুদ্ধ বুদ্ধ নিত্য নিৰাকাৰ নিৰ্বিকাৰ নিৰাময় নিৰঞ্জন হৰিনাম কাকুতি-মিনতি কাৰুণ্য খেদভাৱ যোগে ঘোষিত হৈছে। অত্যন্ত সংহত ভাষাৰে, কম আখৰৰ দ্বাৰা তাৎপৰ্য্যপূৰ্ণ ভাষা বিন্যাসেৰে মাধৱদেৱে ভক্তিৰ মহিমা প্ৰকাশ কৰিছে। যথাৰ্থ অৰ্থেই নামঘোষা এক মহৎ সাহিত্য আৰু মাধৱদেৱ এজন বিশ্বকবি। তেওঁৰ ভাৱনাৰ মাজত, চিন্তাচৰ্চাৰ মাজত বিশ্বমানৱৰ মনৰ ছায়াপাত ঘটিছে। নামঘোষা আধ্যাত্মিক ভাৱৰ পুথি হ'লেও ইয়াৰ সাহিত্যিক সৌন্দৰ্য্য অনুপম। ইয়াৰ পদ ঘোষাৰ মাজেৰে ফুটি ওলোৱা ছন্দৰ মধুৰ ঝংকাৰ, ভাষাৰ মাধুৰ্য্য, অৰ্থৰ গভীৰতাই সকলোৰে মন আকৰ্ষণ কৰে। কবিয়ে বিভিন্ন অৱস্থিতি অনুকুল গুণ, বৃত্তি, ৰীতিৰ প্ৰয়োগৰ দ্বাৰা তেখেতৰ ৰচনাৰীতিক এক নিটোল ৰূপ দিছে। প্ৰাচীন সাহিত্যকাৰসকলে প্ৰয়োগ কৰি যোৱা প্ৰায় সকলো অলংকাৰেই মাধৱদেৱে নামঘোষাত ব্যৱহাৰ কৰিছে। অৱশ্যে অন্যান্য বৈষ্ণৱ কবিয়েও ছন্দৰ ক্ষেত্ৰতো এটা ৰীতি মানি চলা দেখা যায়। তেওঁলোকে কাব্যত সাধাৰণ বৰ্ণনা পদ ছন্দত,

ভাব প্ৰধানকথা দুলড়ী ছন্দ ছন্দত অনুশোচনা, কাৰুণ্য আদি লেছাৰিত আৰু যুদ্ধ-বিগ্ৰহ আদি ঝুমুৰী ছন্দত ৰচিছিল। মাধৱদেৱেও নাম-ঘোষাত পৰম্পৰাগতভাৱে চলি অহা অসমীয়া কবিৰ ছন্দৰীতি মানি চলিছিল আৰু ছন্দ প্ৰয়োগত নৈপুণ্য দেখুৱাইছিল। ছন্দৰ দৰে অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰতো মাধৱদেৱৰ দক্ষতা দেখা যায়। নামঘোষাত কবিয়ে উপমা, ৰূপক আদি অলংকাৰ প্ৰয়োগ কৰি ইয়াৰ কাব্যিক সৌন্দৰ্য বৃদ্ধি কৰিছে। গ্ৰন্থখনত আদিৰ পৰা অন্তলৈকে ভাষাগত গাম্ভীৰ্য্য ৰক্ষিত হৈছে। কোনো ঠাইতে তুলুঙা বৰ্ণনা বা কম ব্যঞ্জনাপূৰ্ণ শব্দ ব্যৱহাৰ কৰি ৰচনাৱলী সমতাবিহীন বা বিষয়বস্তুৰ গাম্ভীৰ্য্য হ্ৰাস কৰা নাই। ধৰ্ম্মীয় বা আধ্যাত্মিক বিষয় বুলি বৰ্ণনাত যি গাম্ভীৰ্য্য আৰু সংহতি থকা উচিত সেইখিনি কবিয়ে ৰক্ষা কৰাত সফল হৈছে। চিন্তা বা ভাবৰ ঐক্য আৰু সঙ্গীতময়তাই এখন গ্ৰন্থৰ উৎকৰ্ষতা নিৰ্ণয় কৰে। বিখ্যাত সমালোচক কাৰ্লাইলৰ মতে, “ Without harmony and melody there is not proper poetry and as such whatever is not sung is properly no poem." সঙ্গীতময়তাই নামঘোষাক প্ৰকৃত কাব্যৰ মৰ্য্যদা দিছে।

ৰহস্যবাদী সাহিত্য হিচাপেও বিশেষ মূল্য আছে। ৰহস্যবাদী ভাৱধাৰা প্ৰাচ্য আৰু পাশ্চাত্য জগতত সমানেই প্ৰাচীন। গ্ৰীক দাৰ্শনিক প্লেটো আৰু এৰিষ্ট'টলৰ চিন্তাধাৰাত ৰহস্যবাদ প্ৰকাশ হৈছিল, ভালেমান ইংৰাজী কবি আৰু চুফী কবিৰ ভাৱধাৰাত ৰহস্যবাদ বিদ্যমান। উপনিষদৰ দৰ্শনত প্ৰতিষ্ঠিত এক আত্মা তত্ত্বত ৰহস্যবাদৰ ছাপ আছে। তৈত্তীৰীয় উপনিষদত আছে, ‘যতো বা ইমানি ভূতানি জায়াৰন্তে, যেন জাতানি জীৱন্তি। যৎ প্ৰয়ন্ত্যভিসৰবিশন্তি। তদ্বিজিজ্ঞামস্ত’ তদব্ৰহ্মোতি। যাৰ পৰা এই অখিল জীৱবৰ্গ উৎপত্তি হয় বা বৰ্দ্ধিত হয় বা বিনাশ কালত য'লৈকে গমন কৰে তেওঁকেই জানা তেৱেঁই ব্ৰহ্ম। উপনিষদৰ এই দাৰ্শনিক ৰহস্যবাদ পিছলৈ মধ্যযুগত ভক্তিমূলক ৰহস্যবাদত পৰিণত হয়। মাধৱদেৱৰ নাম-ঘোষাত এই ৰহস্যবাদী চিন্তাধাৰা বৰ্ত্তমান। নামঘোষা এক উৎকৃষ্ট ৰহস্যবাদী সাহিত্য।

দাস্যভাৱৰ একান্ত সাধক মাধৱদেৱে নামঘোষাত ৰহস্যবাদী চিন্তাধাৰা বিভিন্ন শ্লোকত প্ৰকাশ কৰিছে। নামঘোষাত কোৱা হৈছে ভগৱান সকলো বস্তুৰে উৎস। মৃত্যুৰ পিছত আকৌ সেই ভগৱানৰ ওচৰলৈকে মানুহ উভতি যায়। ভাববাদী দৰ্শনৰ সুক্ষ্মাতিসুক্ষ্ম তত্ত্ব মাধৱদেৱৰ সাহিত্যত ৰহস্যবাদী ৰূপত ধৰা দিছে।

“চৈতন্য আদিত্য হৃদয় আকাশে সৰ্বদায়ে প্ৰকাশয়। উদয়াস্ত নাহি সন্ধ্যা উপাসনা কৰিবো কোন সময়।” ৰহস্যবাদীসকলৰ বাবে সময়ৰ কোনো বিভাজন নাই।





সাধাৰণজনেহে সীমিত জ্ঞানৰ বাবে সময়ক পুৱা-গধূলি আদি ভাগত ভাগ কৰি লয়। বাট্ৰাণ্ড ৰছেলৰ মতে ''Life is a contineous system in which all divisions are artificial and unreal.'' মাধৱদেৱৰ নাম-ঘোষা সেই ৰহস্যবাদী চিন্তাৰেই অনুৰণন দেখা যায়।

বিশ্ববৰেণ্য ঋষি আচাৰ্য্য বিনোৱাভাৱেই ১৯৬১ চনত পদব্ৰজে অসম ভ্ৰমণ কৰিছিল। সেই সময়ত নাম-ঘোষাৰ অপূৰ্ব সাহিত্যিক মূল্য দেখি অভিভূত হৈছিল আৰু নামঘোষাৰ দৈনন্দিন প্ৰাৰ্থনাৰ অন্তৰ্ভুক্ত কৰি লৈছিল। বিনোৱাজীয়ে-- নিজে নামঘোষাৰ বিষয়ে ‘নাম-ঘোষা সাৰ’ আৰু ‘নামঘোষা নৱনীত’ নামে দুখন গ্ৰন্থ ৰচনা কৰে। তেখেতৰ মতে নাম-ঘোষাৰ দৰে ভক্তি সাহিত্য বিশ্বতেই বিৰল। তেখেতে কৈছিল ‘ভাৰতৰ সকলো প্ৰদেশতে আমাৰ পদযাত্ৰা চলিল। এই যাত্ৰাত আমি প্ৰায়বোৰ ভাষাৰ গ্ৰন্থ অধ্যয়ন কৰিলো, প্ৰতি ভাষাতে উচ্চ ভাৱৰ যি গ্ৰন্থ, আছিল তাকেহে আমি পঢ়িলো। অসমীয়া ভাষাত আমি নামঘোষা আৰু কীৰ্ত্তন পুথি অধ্যয়ন কৰিলো। কিন্তু নাম-ঘোষাখন আমি অতি সুক্ষ্মভাৱে অধ্যয়ন কৰিলো।’ নামঘোষা নিসন্দেহে অতি উচ্চ ভাৱৰ আৰু সাহিত্যৰ সকলো তত্ত্ববিশিষ্ট এখন উচ্চ মানৰ সাহিত্য।”

**সহায়ক গ্ৰন্থ ঃ**

১। অসমীয়া জাতীয় জীৱনৰ প্ৰেক্ষাপটত নাম-ঘোষা ঃ
ড° সুভাস চন্দ্ৰ শাসমল

২। অসমীয়া বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি ঃ
অসমীয়া বিভাগ, কটন কলেজ।

৩। অসমীয়া কবিতাৰ বিচাৰ বিশ্লেষণ ঃ সম্পাদনা - অৰ্চনা পূজাৰী।

৪। সাহিত্য উপক্ৰমণিকা---- ড° মহেন্দ্ৰ বৰা।

৫। নাম-ঘোষা---- সম্পাদনা---হৰি নাৰায়ণ দত্তবৰুৱা।

৬। মহাপুৰুষ মাধৱদেৱ বাক্যামৃত------ প্ৰকাশক--- শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ।

---

**লেখকৰ পৰিচয়ঃ**

শ্ৰী নৰকান্ত বৰদলৈ
অৱসৰপ্ৰাপ্ত অধ্যাপক, ইংৰাজী বিভাগ
মৰিগাঁও মহাবিদ্যালয়, মৰিগাঁও।

# ভক্তি সাহিত্য নাম - ঘোষা ʼ

**বাপচন্দ্ৰ মহন্ত**

শঙ্কৰদেৱ-মাধৱদেৱ প্ৰভৃতি ভক্ত কৱিসকলৰ সাহিত্যত ভক্তি আৰু কৱিত্বৰ সম্বন্বয় ঘটিছে। সাধাৰণ ভাৱে এই দৰে ক'ব পাৰি যদিও এই শ্ৰেণীৰ সকলো সাহিত্যতে কৱিত্বৰ পৰিমাণ যথেষ্ট নহয়। ৰত্নাৱলীৰ মূল্য ভক্তি-গ্ৰন্থ ৰূপে যথেষ্ট হ'লেও তাত কৱিত্বৰ সৌন্দৰ্য আশা কৰিব নোৱাৰি। সেইদৰে কীৰ্ত্তনৰো চতুৰ্বিংশতি অৱতাৰ, নামাপৰাধ, পাষণ্ডমৰ্দন আদি খণ্ডবোৰত কৱিত্বৰ চিটিকনিও আছেনে নাই সন্দেহ হয়। গাবৰ সময়ত সুৰ-লয় আদিৰ সংযোজনাই সেইবোৰত গীত বা কীৰ্ত্তনৰ সৌন্দৰ্য দিয়াটো সুকীয়া কথা।

বৰগীত আৰু নাটৰ গীতসমূহৰ বাহিৰে কীৰ্ত্তন, নামঘোষা আদি সুৰ লগাই বাদ্যৰ লগত গোৱা বস্তুবোৰকো প্ৰকৃততে গীত বুলিব নোৱাৰি আৰু গীত বোলা নহয়ো। এনে স্থলত কীৰ্ত্তন-ঘোষা আৰু নামঘোষাক কোন শ্ৰেণীৰ সাহিত্যৰ ভিতৰত ঠাই দিব পাৰি? এনে এটা প্ৰশ্ন মনলৈ আহে। ভক্তিয়েই প্ৰধান বস্তু হ'লেও দশম স্কন্ধৰ পদত কাব্যৰ ধৰ্ম যথেষ্ট পৰিমাণে আছে। তাৰ পৰা ভক্তিৰ অংশটো বাদ দিলেও কথা-বস্তুৰ এটা আকৰ্ষণীয় গতি আৰু সৌন্দৰ্য সাধাৰণ পাঠকে উপলব্ধি কৰিব পাৰি। আনহাতে ৰত্নাৱলীক ভক্তি সম্বন্ধীয় ব্যৱস্থা-গ্ৰন্থ বুলি সাহিত্যৰ কাব্যাত্মক পক্ষটোৰ পৰা আতঁৰাই থ'ব পাৰি; কিন্তু নামঘোষা আৰু কীৰ্ত্তন-ঘোষাৰ অধিকাংশই এইবোৰৰ লগত খাপ খোৱা বস্তু নহয়। কীৰ্ত্তনৰ কিছুমান খণ্ড দশমৰ দৰে কাব্যধৰ্মী আৰু কিছুমান খণ্ড ভক্তিতত্বমূলক বা নিৰ্দেশাত্মক। কাব্যধৰ্মী অংশবোৰে ভগৱানৰ লীলাৰ ওপৰত নিৰ্ভৰ কৰিছে। লীলাৰ প্ৰসংগত থকা প্ৰাৰ্থনাৰ বাহিৰে তাত কৱিত্ব নিজা প্ৰাৰ্থনা আৰু উপদেশৰ পৰিমাণ বৰ কম।

নাম-ঘোষাত লীলাযুক্ত কাব্যৰ অংশ নাই। উপদেশ আৰু প্ৰাৰ্থনাৰ অংশহে নামঘোষাৰ প্ৰধান বস্তু। কৱিৰ ভাৱ আৰু ভাৱ প্ৰকাশৰ কৌশল দুয়োটাই প্ৰাৰ্থনা আৰু উপদেশৰ ওচৰত যেন আত্মসমৰ্পণ কৰিছে। সেই বাবে নাম-ঘোষাত কৱিতাৰ ধ্বনিহে শুনা যায়; তাৰ মূল উপাদানসমূহ কৱিতা যেন নালাগে। সংস্কৃত সাহিত্যৰ





পুৰাণসমূহকো কৱিত্ব মিশ্ৰিত ধৰ্মীয় সাহিত্য বুলি ধৰিব পাৰি। এই পুৰাণসমূহৰে এখন ভাগৱতক প্ৰধান ভাৱে তথা আনবিলাকক সাধাৰণ ভাৱে উপজীব্য ৰূপে গ্ৰহণ কৰা নামঘোষাকো কৱিত্ব মিশ্ৰিত ভক্তি গ্ৰন্থ বুলিয়েই আমি এইখিনিত ধৰিছোঁ। এই স্থলত কৱিতাৰ ভাৱ পক্ষ (ৰস) আৰু কলা ( অলংকাৰ) আদি সৌন্দৰ্য-বিধান উভয় দিশতে নামঘোষা সম্বন্ধে বিচাৰ কৰি চালে দেখা যায় যে---নামঘোষাৰ মূল উপাদান ভক্তিৰ ওপৰতহে ভাৱ আৰু কলায়ো নিৰ্ভৰ কৰিছে। লেখকৰ চৰম লক্ষ্যটোৰ ফালে চকু নৰখাকৈ কেৱল সাহিত্য--আলোচনাৰ পূৰ্ব নিৰ্দিষ্ট সিদ্ধান্তৰ ভিত্তিত বিচাৰ কৰিলে ৰচনা আৰু ৰচয়িতা উভয়ৰে প্ৰতি অন্যায় কৰা হ'ব।

ভক্তিক ৰসৰ স্তৰলৈ তুলি ল'ব পাৰিলে নামঘোষাৰ ভাৱ পক্ষটো স্পষ্ট হৈ পৰে। কলাপক্ষই ভাৱ-পক্ষকে অনুসৰণ কৰে। আমি এই দৃষ্টিৰেই নামঘোষাৰ সাহিত্যিক দৃষ্টিৰে আলোচনা কৰিবলৈ চেষ্টা কৰিছো।

সাহিত্যিক দৃষ্টিত আলোচনা কৰিবলৈ হ'লে বিচাৰ-বিন্দুসমূহ তলত দিয়া ধৰণে সজাই ল'ব পাৰি---

- সাহিত্য
  - ভাৱপক্ষ
    - নামকৰণ
    - উদ্দেশ্য আৰু বিষয়বস্তু
  - কলাপক্ষ
    - ভাষা ছন্দ,
    - অলংকাৰ আদি

**ভাৱপক্ষ**

**নামাকৰণ**---'নামঘোষা' এই নামটোত দুটা শব্দ গোট খাই এটা হৈছে। 'নাম' শব্দটোৱে ভাৱ প্ৰধান অংশৰ প্ৰতিনিধিত্ব কৰিছে আৰু 'ঘোষা' শব্দটোৱে তাৰ ক্ৰিয়াত্মক অংশৰ পৰিচয় দিছে। ঘোষা শব্দটোৰ সাধাৰণ অৰ্থ ঘোষণা কৰা, প্ৰচাৰ কৰা আদি বহুত হ'লেও, মহাপুৰুষ শঙ্কৰদেৱে কীৰ্তন পুথিত যি অৰ্থত ইয়াৰ ব্যৱহাৰ কৰিছে, সেই মতে 'ঘোষা' শব্দই বাৰে বাৰে গাবলগীয়া হোৱা গীতৰ প্ৰথম শাৰীটো বুজায়। কীৰ্তন পুথিৰ প্ৰতিটো কীৰ্তনৰ আৰম্ভণিতে একো ফাঁকি ঘোষা আছে আৰু সেই ঘোষা নাম প্ৰসংগৰ সময়ত প্ৰতিকুট পদৰ লগে লগে গোৱা হয়। সেই বাবে কীৰ্তন পুথিক 'কীৰ্তন-ঘোষা' বুলিও কয়। 'কীৰ্তন-ঘোষা'ৰ 'ঘোষা' অংশ বাৰে বাৰে গোৱাৰ দৰেই নামঘোষাৰ পদসমূহো বাৰে বাৰে গোৱা

হয়। নাম-ঘোষাত ভক্তিৰ শ্ৰেষ্ঠত্ব আৰু তাৰ নানা লক্ষণ-নিৰূপণ কৰাৰ উপৰি শেষত নামৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা হৈছে। ভক্তি মাৰ্গত সাধন আৰু সাধ্য উভয় স্তৰতে নামৰ মাহাত্ম্য ঘোষণা কৰা হৈছে বুলিয়েই, এই গ্ৰন্থৰ নামটোও 'নামঘোষা' ৰখা হ'ল যেন লাগে। সেয়ে হ'লে 'নামঘোষা' নামটোত গ্ৰন্থৰ উদ্দেশ্য আৰু বিষয়বস্তু দুয়োটা সংক্ষিপ্ত ৰূপে প্ৰকাশ পাইছে।

নাম-ঘোষাক সংক্ষেপতে কেৱল 'ঘোষা' বুলিও কোৱা হয়। শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ কিছুদিনৰ পাছতেই মাধৱদেৱৰ ঘোষা-ৰচনাৰ অধিকাংশ কাৰ্য সমাপ্ত হোৱা সম্ভৱ। নামঘোষাৰ বহুত ঠাইত শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰ সম্বন্ধীয় কথাৰ উল্লেখ আছে। সেই ঘোষা কেই ফাঁকি মহাপুৰুষ শঙ্কৰদেৱৰ জীৱন-কালত লিখা যেন ধাৰণা নহয়; কিন্তু কিছুমান ঘোষা শঙ্কৰদেৱৰ জীৱন কালতে লিখা বুলিও প্ৰচলিত কথা পোৱা হয়। কথা-গুৰুচৰিতত এনেকুৱা কেইবাটাও উদাহৰণ আছে। যেনে-- দামোদৰদেৱে শঙ্কৰদেৱৰ আশ্ৰয় লোৱা প্ৰসংগলৈ চকু ৰাখি এই ঘোষা ফাঁকি সেই সময়তে লিখা হৈছিল।

'যিটো জনে কৃষ্ণ কথা বিচাৰে সময় মনে
ধৈৰ্য্য ধৰি ক্ষণেক থাকয়।
যত তীৰ্থ স্নান দান দেৱ পিতৃ যজ্ঞ-যাগ
যোগাদিৰো ফলক পাৱয়া।।' ৯।।

মাধৱদেৱৰ গুৰু-সেৱা প্ৰসংগতো 'পৰমাৰ্থ সাৰ' শীৰ্ষক ছফাঁকি ঘোষা (**১১৭** ৰ পৰা **১২২** লৈ) 'মাধৱ মাধৱ নাম বচনত সুমৰয়, মাধৱ মাধৱ হৃদয়ত'ৰ পৰা 'মধুৰ পিবাক আৰ নাই'-- লৈকে ৰচনা কৰা কথা পোৱা যায়। 'অনুধিতা'' শীৰ্ষকত থকা 'হৰিৰ গৃহৰ দ্বাৰে বেত্ৰৰ প্ৰহাৰ যোগ্য ব্ৰহ্মা ইন্দ্ৰ আদি দেৱ জাক। হেনয় দ্বাৰত বেত্ৰ-প্ৰহাৰ পাইবাৰ যোগ্য হওঁ আমি কমন বৰাক।।' এই ঘোষা ফাঁকি (**১১৫** সংখ্যক) শঙ্কৰদেৱ দ্বিতীয় বা তীৰ্থলৈ যাওঁতে পুৰীৰ জগন্নাথ মন্দিৰত মাধৱদেৱে ৰচনা কৰা বুলিছে। কথা গুৰুচৰিতৰ এই উদাহৰণবোৰৰ পৰা এনেকুৱা অনুমান হয় যে-- শঙ্কৰদেৱৰ জীৱন কালত ক্ৰমবদ্ধ ভাবে নহ'লেও, মাজে মাজে দুই-চাৰি ফাঁকি ঘোষাৰ ৰচনা মাধৱদেৱে কৰিছিল। মাধৱদেৱ বৰপেটাত আৰু শঙ্কৰদেৱ বেহাৰত থকা সময়তো শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰ সম্বন্ধীয় কথাৰ উল্লেখ থকা ঘোষা ৰচনা কৰিব পাৰি। গতিকে খৃঃ **১৫৬৯।৭০** চনৰ ভিতৰতে নামঘোষা ৰচনা হোৱাটো অসম্ভৱ নহয়। শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণ **১৫৬৮** খৃষ্টাব্দত হ'লে **১৫৭০** খৃষ্টাব্দৰ আগতেই ঘোষাৰ ৰচনা সমাপ্ত হোৱাটোহে স্বাভাৱিক।





শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ কেইবছৰ মানৰ পাছৰ মাধৱদেৱ বেহাৰলৈ গৈছিল। দৈত্যাৰি ঠাকুৰৰ 'গুৰুচৰিত' মতে সেই সময়তে মাধৱদেৱে শৰণ, ভজন, নমস্কাৰ আদি ঘোষাৰ পটল বিভাজন কৰি ক্ৰমবদ্ধ ৰূপ দিয়ে। তাৰ আগতে ঘোষাৰ পদসমূহ শৃংখলাবদ্ধ ৰূপত নাছিল। দৈত্যাৰি ঠাকুৰৰ চৰিত মতে শঙ্কৰদেৱৰ প্ৰথম বাৰ্ষিক শ্ৰাদ্ধৰ কিছুদিনৰ পাছতেই মাধৱদেৱ বেহাৰলৈ গৈছিল। প্ৰথমটো বাৰ্ষিক শ্ৰাদ্ধ **১৫৬৯** চনৰ চেপ্তেম্বৰ মানতে হ'লে **১৫৭০** চনৰ আগ ভাগতেই মাধৱদেৱ বেহাৰলৈ যোৱাটো সম্ভৱ হয়।

**আন আন ঘোষা পুথি ঃ** অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভিতৰত নামঘোষাৰ বাহিৰেও আৰু কেইখনমান ঘোষা পুথিৰ প্ৰচলন আছে। সেইবোৰৰ ভিতৰত 'ঘোষা-ৰত্ন'ও এখন। দামোদৰদেৱৰ পৰম্পৰাৰ সত্ৰসমূহত এই 'ঘোষাৰত্ন'ই বিশিষ্ট স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। দামোদৰদেৱৰ শিষ্য খুদিয়া আৰু উলুবাৰী সত্ৰৰ প্ৰতিষ্ঠাপক গোপাল মিশ্ৰ এই ঘোষা-ৰত্নৰ ৰচয়িতা। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ মতে এই গ্ৰন্থৰ ৰচনা নামঘোষাতকৈ আগতেই হৈছিল, পিছে এই মতৰ বিশেষ সবল যুক্তি একো দেখা নাযায়। ছপা ঘোষাৰত্নৰ পাতনিত গোস্বামীদেৱে এই সম্পৰ্কত এটা যুক্তি দেখুৱাইছে যে-- দামোদৰদেৱতকৈ আগতেই গোপাল মিশ্ৰ পৰলোকগামী হয়। পাতনিত লিখিছে-- 'দামোদৰদেৱে বৈকুণ্ঠ প্ৰয়াণ কৰিবৰ সময়ত তেওঁৰ প্ৰধান শিষ্যবিলাক সকলো গোট খাইছিল; কিন্তু সেইসকলৰ ভিতৰত গোপাল মিশ্ৰৰ নাম নাই। সম্ভৱতঃ তেওঁ দামোদৰদেৱতকৈ আগেয়ে দেহ-ত্যাগ কৰিছে। এইবিলাক কথা গমি-পিটিকি চাই আমি **১৪৩৬** শকৰ পৰা **১৫০০**শক লৈকে গোপাল মিশ্ৰৰ কাল বুলি ভাবোঁ।' এতিয়া মন কৰিবলগীয়া যে-- দামোদৰদেৱৰ তনু ত্যাগৰ সময়ত গোপাল মিশ্ৰ উপস্থিত নাছিল বুলিয়েই গোপাল মিশ্ৰ তাৰ আগতেই পৰলোকগামী বুলি মানি লোৱা হৈছে। সেই সময়ত যদি গোপাল মিশ্ৰ জীৱিত নাছিলো, তথাপি **১৫০০** শক অৰ্থাৎ দামোদৰদেৱৰ তনুত্যাগৰ কুৰি বছৰৰ আগতেই গোপাল মিশ্ৰৰ পৰলোক ঘটা বুলি ধৰাৰ কোনো স্পষ্ট কাৰণ দেখা নাযায়।

উলুবাৰী আৰু খুদিয়া এই দুখন সত্ৰ স্থাপন কৰালৈ চাই গোপাল মিশ্ৰ দামোদৰদেৱতকৈ পাছতহে পৰলোকগামী হোৱা যেন মনে ধৰে। গুৰুজন থাকোতেই শিষ্যই দুখনকৈ সত্ৰ প্ৰতিষ্ঠা কৰা কথাটো বিশ্বাসযোগ্য নহয়। গুৰুৱে নিজৰ জীৱন কালতে প্ৰিয় শিষ্যক সত্ৰ-স্থাপনৰ কাৰণে আজ্ঞা দিলেও শেহৰ ফাললৈহে দিয়াটো সম্ভৱ হয়। এনে স্থলত দুখনকৈ সত্ৰ স্থাপন কৰা গোপাল মিশ্ৰৰ পৰলোকপ্ৰাপ্তি দামোদৰদেৱৰ গোপাল মিশ্ৰ পৰলোক-প্ৰাপ্তিতকৈ পাছত হোৱাহে সম্ভৱ। কিবা

আকস্মিক কাৰণত দামোদৰদেৰতকৈ গোপাল মিশ্ৰৰ পৰলোক -প্ৰাপ্তি আগতে হ'লেও দুই এবছৰৰহে আগ হ'ব পাৰে; কুৰি বছৰ আগ হ'ব নোৱাৰে।

দেৱী ভাগৱত, মহিষাসুৰ বধ, মধুকৈটভ বধ, শঙ্খচুৰ বধ আদি গোপাল মিশ্ৰৰ আনবোৰ ৰচনাতকৈ ঘোষাৰত্ন ৰচনা পাছতহে হোৱা সম্ভৱ। গভীৰ ভক্তিমূলক ৰচনা জীৱনৰ শেহৰ ফালে কৰাটো স্বভাৱসিদ্ধ কথা। এই ফালৰ পৰাও ঘোষাৰত্নৰ ৰচনা কাল **১৫২০** শকতকৈ বেছি আগলৈ আহিব নোৱাৰে। অতি বেছি ৪/৫ বছৰ আগবাঢ়িব পাৰে।

'শ্ৰীমন্ত শঙ্কৰ, শ্ৰীমন্ত দামোদৰ আৰু শ্ৰীমন্ত মাধৱ' শব্দৰ প্ৰয়োগ ঘোষাৰত্নত কৰা হৈছে। গোপাল মিশ্ৰই মাধৱদেৱৰ প্ৰতি কৰা এই শ্ৰদ্ধা প্ৰদৰ্শনে এনে ইংগিতো দিয়ে যে-- সেই সময়ত মাধৱদেৱৰ প্ৰতিষ্ঠা ধৰ্মগুৰু স্বৰূপে যথেষ্ট পৰিমাণে হৈছিল। দামোদৰদেৱৰ আজ্ঞাপৰ অন্যান্য ধৰ্মগুৰু সকলেও মাধৱদেৱক শ্ৰদ্ধা জনাবলৈ কুণ্ঠাবোধ কৰা নাছিল। **১৪০৯** শকত শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাছতহে মাধৱদেৱ ধৰ্ম গুৰুৰ আসনত বহিছিল। আনহাতে দামোদৰদেৱ মাধৱদেৱতকৈ আগতেই ধৰ্মগুৰু স্বৰূপে মান্য হৈছিল। তেনেস্থলত দামোদৰদেৱৰ আজ্ঞাপৰ অন্য ধৰ্মগুৰুৱে মাধৱদেৱক শ্ৰদ্ধা জনোৱালৈ চাই এনে ধাৰণা হয় যে-- ঘোষাৰত্নৰ ৰচনা কালত মাধৱদেৱৰ খ্যাতি বৈ বৈ গৈছিল নাইবা মাধৱদেৱৰ পৰা গোপাল মিশ্ৰই আদৰ্শ গ্ৰহণ কৰিছিল। গতিকে মাধৱদেৱতকৈ পাছত, মাধৱদেৱৰ আদৰ্শত 'ঘোষাৰত্ন' ৰচনা কৰাহে বেছি সম্ভৱ।

নামকৰণৰ ফালৰ পৰাও এটা কথা মন কৰিবলগীয়া আছে। ঘোষা আগতে নথকা অৱস্থাত ঘোষাৰ ভিতৰত ৰত্ন বা ঘোষাৰূপৰত্ন হ'ব নোৱাৰে। কথা বস্তুবোৰৰ মাজত শ্ৰেষ্ঠ বুজাবৰ কাৰণেহে 'ৰত্ন' শব্দৰ প্ৰয়োগ কৰা হয়। যেনে-- কবিসকলৰ ভিতৰত শ্ৰেষ্ঠ বুজাবলৈ কবিৰত্ন উপাধি অনেক কবিক দিয়া হৈছিল। আগতে কবি নাথাকিলে কবিৰত্ন শব্দও অৰ্থহীন হৈ পৰে। 'ঘোষাৰত্ন' নামটোৱেও সেই সময়ত আৰু খনদিয়েক ঘোষা পুথি থকাৰ কথা সূচায়। গতিকে কুলুপীয়াঘোষা, যুগলঘোষা, ন-ঘোষা প্ৰভৃতি নানা ৰূপত ঘোষাৰ প্ৰচলন হোৱাৰ সময়ত বা তাতকৈ কিছু পাছতহে 'ঘোষাৰত্ন' নামটোৱে তাৰ ৰচনা কালৰ সংকেত দিয়ে।

ঘোষা নামৰ কেউখন পুথিয়েই মাধৱদেৱৰ নামঘোষাৰ আৰ্হিকে অনুসৰণ কৰিছে। কুলুপীয়া ঘোষা, যুগলঘোষা, ন-ঘোষা আৰু কেৰলীয়া ঘোষা নামে আন আন ঘোষা সমূহৰ ভিতৰত কুলুপীয়া ঘোষা আৰু যুগলঘোষা মৌলিক ৰচনা নহয়। কুলুপীয়া ঘোষাত নামছন্দ আৰু ঘোষাছন্দৰ পদেই সৰহ। বিচাৰ প্ৰদান





খণ্ডৰ ঘোষা কুলুপীয়া ঘোষাত নাই; কিন্তু দুই-চাৰি ফাঁকি কীৰ্তন পুথিত থকা ঘোষা আৰু দুই-চাৰি ফাঁকি নতুন ঘোষাও এই ঘোষাৰ অন্তৰ্ভুক্ত হৈছে। সত্ৰৰ নাম-প্ৰসংগত গাবৰ কাৰণেহে কুলুপীয়া ঘোষা আৰু যুগলঘোষাৰ পদসমূহ নাম-ঘোষাৰ পৰা সুকীয়াকৈ বাছি লোৱা হ'ল যেন লাগে। বৰপেটা সত্ৰত যুগলঘোষা আৰু কমলাবাৰী আদি বদুলা আতাৰ পৰা বুঢ়া সত্ৰসমূহত নাম-প্ৰসংগত কুলুপীয়া ঘোষা গোৱা হয়। নামছন্দৰ আৰু ঘোষাছন্দৰ যোৱা পতা মিশ্ৰিত ৰূপেই যুগল ঘোষাৰ স্বৰূপ। এই ঘোষাৰ ব্যৱহাৰ মথুৰাদাস বুঢ়া আতাৰ সময়ৰ পৰা হোৱা বুলি শুনা যায়। মাধৱদেৱৰ ঘোষাছন্দ আৰু নামছন্দৰ পদ যেনেদৰে আছে, তেনেদৰেই প্ৰসংগত নাগাই এই দৰে মিহলাই গোৱাৰ প্ৰথা কিয় কৰা হ'ল সেই সম্বন্ধে আমি বিচাৰ কৰিব খোজা নাই। সত্ৰীয়াসকলৰ ভিতৰতো এনেবোৰ বিষয়ত মতানৈক্য দেখা যায়।

ঘোষাছন্দ আৰু নামছন্দৰ যুগ্ম ৰূপেই 'যুগল ঘোষা' নামৰ কাৰণে হোৱাটো অসম্ভৱ নহয়। 'কুলুপীয়া' শব্দৰ প্ৰকৃত অৰ্থ কি জনা টান; কিন্তু একোটা খণ্ড বা ভাগকে 'কুলুপ' বোলা হৈছে। সত্ৰীয়া সূত্ৰৰ পৰা জানিবলৈ পোৱা মতে 'কুলুপীয়া ঘোষা' নামঘোষাৰ সংক্ষিপ্তৰূপ। মাধৱদেৱ মহাপুৰুষেই কুলুপীয়া ঘোষাও নিজে ৰচনা কৰিছিল। মাধৱদেৱ কোচবিহাৰত থকা সময়ত বৰপেটাত কীৰ্তন ঘৰত এবাৰ জুই লাগিছিল। কীৰ্তনঘৰৰ লগতে ঘোষাও পোৰা গ'ল বুলি ভাবি কোচবিহাৰতে কুলুপীয়া ঘোষা ৰচনা কৰা হ'ল।

মহাপুৰুষ শঙ্কৰদেৱৰ বৰনাতি পুৰুষোত্তম ঠাকুৰৰ ন-ঘোষাৰ পদ আগতে উদ্ধৃত কৰা হৈছে। ন-ঘোষাৰ কিছুমান পদ সংস্কৃত শ্লোকৰ অনুবাদ আৰু কিছুমান নিজৰ অনুভৱ বা সমকালীন সমাজৰ চিত্ৰ সম্পৰ্কীয়। মাধৱদেৱৰ নামঘোষা ঢাকিবৰ কাৰণেহে ন-ঘোষা লিখিছে বোলা মন্তব্য শুনি পুৰুষোত্তম ঠাকুৰে পুথিখন জুইত পেলাই দিছিল আৰু কিছু অংশ পোৱাও গৈছিল; কিন্তু তেওঁৰ শিষ্য জনদিয়েকে নোপোৱা অংশ ৰাখি থ'লে। সেইবাবে পুথিখন সম্পূৰ্ণ নহয়। পুৰুষ সংহতিৰ বহুত সত্ৰৰ নাম-প্ৰসংগত মাধৱদেৱৰ নামঘোষাৰ পাছতে ন-ঘোষাও এফাঁকি গোৱা হয়।

ভৱানীপুৰীয়া গোপালদেৱৰ ৰচিত ঘোষাসমূহৰ প্ৰকৃততে কিবা নাম আছিলনে নাছিল জনা নাযায়। তেওঁৰ পৰম্পৰাৰ দুই এখন সত্ৰৰ পৰা জনা মতে গোপালদেৱৰ ঘোষাৰ একো নাম নাই। সেইে বাবে গোপালদেৱৰ ঘোষা বুলিহে কোৱা হয়; কিন্তু'কেৰলীয়া ঘোষা' নামত প্ৰকাশিত গোপালদেৱৰ ঘোষাও পোৱা

যায়। পিছে ভৱানীপুৰীয়া গোপালদেৱৰ ঘোষাক কেৱলীয়া বোলাৰ কোনো কাৰণ বিচাৰি পোৱা নাযায়। গোপালদেৱ আজ্ঞাপৰ সত্ৰসমূহৰ নাম-প্ৰসঙ্গত এই ঘোষা গোৱা হয়। এইবিলাকৰ বাহিৰেও যদি আন কিবা ঘোষাৰ প্ৰচলন কোনো কোনো ঠাইত আছে, তেনেহ'লে সেই বিষয়ে আমি জানিবলৈ পোৱা নাই।

নাম-ঘোষাৰ প্ৰভাৱ আৰু জনপ্ৰিয়তাৰ অনুমান 'ঘোষা' নাম দি পাছত লিখা গ্ৰন্থসমূহৰ আদৰ্শ, সংখ্যা আৰু ব্যৱহাৰৰ পৰাই কৰিব পাৰি। 'ঘোষা' শব্দৰ জনপ্ৰিয়তাৰ কাৰণেই ডেকা ল'ৰাই হাবিত গোৱা লোকগীতকো 'বনঘোষা' বোলা হয়। 'ঘোষা' শব্দই ঘোষণা কৰা বা প্ৰচাৰ কৰা অৰ্থ যি পৰিমাণে প্ৰকাশ কৰিব লাগে, সেই পৰিমাণে আজিকালি ঘোষা শব্দই প্ৰচাৰ কৰা বা ঘোষণা কৰা অৰ্থ প্ৰকাশ নকৰে। নামঘোষাত হৃদয়ৰ আবেদন প্ৰধান পদাৱলীয়ে বিশেষ ঠাই অধিকাৰ কৰা বাবে ঘোষা বুলিলেই হৃদয়ৰ আবেদন প্ৰধান পদৰ ভাৱেহে মনলৈ আহে। বনগীতকো এনে অৰ্থতহে বনঘোষা বোলা হ'ল যেন ধাৰণা হয়।

**চৰম বিন্দু ঃ** নামঘোষাৰ উদ্দেশ্য আৰু বিষয়-বস্তু সম্বন্ধে বহল আলোচনা কৰি অহা হৈছে। এতিয়া বিষয় বস্তু চৰম বিন্দু সম্বন্ধে কিছু আলোচনাৰ ঠাই আছে।

ভক্তিত ৰস উপলব্ধিয়েই ৰসময়ী ভক্তিৰ চৰম স্তৰ। ৰসময়ী ভক্তি লাভেই মাধৱদেৱৰ সাধনাৰ লক্ষ্য বস্তু। নামঘোষাৰ লক্ষ্য বস্তু বা চৰম পৰিণতিটোও এই ৰস উপলব্ধিতে লুকাই আছে। গতিকে ভক্তিৰ ক্ষেত্ৰত ৰসৰ স্বৰূপ সম্বন্ধে আলোচনা নকৰিলে বিষয়বস্তুৰ আলোচনাও সম্পূৰ্ণ হ'ব নোৱাৰে।

সাহিত্যৰ দৃষ্টিত ভক্তিক শান্তৰসৰ শ্ৰেণীভুক্ত কৰি ল'লেও নাটক বা অন্যান্য কাব্যৰ ক্ষেত্ৰত শান্ত ৰসৰ বিচাৰ যিদৰে কৰা হয়, ঠিক সেই দৰেই ভক্তি ৰসৰ বিচাৰ কৰিবলৈ গ'লে, মাধৱদেৱে বিচৰা বস্তুটোৰ স্বৰূপ প্ৰকাশ নাপাবও পাৰে। সেই কাৰণে যি দৃষ্টিৰে ইয়াত ভক্তি ৰসৰ বিচাৰ কৰিব খোজা হৈছে, সেইটো পূৰ্ণাঙ্গ সাহিত্যিক দৃষ্টি বুলি আমি ক'ব খোজা নাই। এনে স্থলত সাহিত্যৰ দৃষ্টিৰে চোৱা ৰসজ্ঞসকলে আমাৰ বিচাৰত ভুল দেখাটোও অসম্ভৱ নহয়। গতিকে এই আলোচনাৰ ওপৰত কৰিবলগীয়া দোষাৰোপ শিৰপাতি লৈ ভৱিষ্যতে শুধৰণিৰ আশা ৰাখি নিজা বিচাৰ দাঙি ধৰাৰ চেষ্টা কৰা হৈছে।

'নাম'ৰ আলোচনা প্ৰসঙ্গত শান্তৰসৰ স্থায়ী ভাৱ শম আৰু নিৰ্বেদ সম্বন্ধে কিছু বিচাৰ কৰা হৈছে। সেই প্ৰসঙ্গতে নিৰ্বেদ আৰু শমৰ মাজত একত্ব সম্বন্ধে ইংগিত দিয়া হৈছে। ৰস উপলব্ধিৰ সহায়েৰে এই একত্বৰ বিন্দুত উপনীত হোৱাটো ৰসময়ী ভক্তিৰ লক্ষ্য বস্তু। ৰসময়ী ভক্তিৰ লক্ষ্য বস্তুত নিহিত থকা যিটো বিন্দুত





সাধাৰণ ৰাগ-দ্বেষ লোপ পায় আৰু লগতে সংসাৰৰ প্ৰতি বৈৰাগ্য আৰু ভগৱানৰ প্ৰতি অনুৰাগৰ মাজত থকা পাৰ্থক্যও নোহোৱা হৈ এটা মাত্ৰ চৈতন্যৰ অস্তিত্ববোধ হয়, তাকে ইয়াত বিষয়বস্তুৰ চৰম বিন্দু বুলি ধৰিব পাৰি। নামৰ আলোচনা প্ৰসংগত ইয়াকে ৰসময় নাম স্বৰূপে দেখুৱাবলৈ চেষ্টা কৰা হ'ল।

নামৰ প্ৰসংগত নিৰ্গুণ চৈতন্যৰ স্তৰৰ নাম আৰু ভগৱানৰ অভিন্নতাৰ সংকেত অনেক বাৰ দিয়া হৈছে। বৈদিক যুগৰে পৰা ভগৱানকো ৰস স্বৰূপ বুলি কৈ অহা হৈছে। ভগৱানক ৰসস্বৰূপে গ্ৰহণ কৰা এই পৰম্পৰাটো নাট্য শাস্ত্ৰ আৰু সাহিত্যৰ ৰস-পৰম্পৰাতকৈ কিছু পৃথক বুলি গ্ৰহণ কৰিব লাগিব। লৌকিক আনন্দৰ চৰম স্তৰত উপনীত হোৱাটো নাট্য বা কাব্য ৰসৰ ক্ষেত্ৰত সম্ভৱ হ'লেও, সেই ৰস বা আনন্দ ব্ৰহ্মানন্দ সহোদৰহে, স্বয়ং ব্ৰহ্মান্দ নহয়। সাহিত্য বা নাট্য কলাৰ আনন্দটো ইন্দ্ৰিয় গ্ৰাহ্য সৌন্দৰ্য্যৰ আশ্ৰিত বাবে, সি নিৰ্বেদ বা বৈৰাগ্যধৰ্মী প্ৰকৃত 'শম'ৰ অনুকূল নহ'বও পাৰে।

সাহিত্যই শৃংগাল, বীৰ, অদ্ভুত প্ৰভৃতি আঠবিধ নাট্য ৰসৰ লগত শান্ত ৰসক ঠাই দি ন বিধ ৰস বুলি মানি লৈ শান্তৰসক বাকীবোৰ ৰসৰ মৌলিক শ্ৰেণীলৈ টানি আনিলেও প্ৰকৃততে শান্ত ৰস আনবোৰ ৰসৰ মাজত এটা মৌলিক পাৰ্থক্য আছে। বাকীবোৰ ৰস ইন্দ্ৰিয়গ্ৰাহ্য প্ৰয়োজনৰ ভিত্তিত গঢ় লোৱা বাবে লোকিক বা বৰ্হিমুখী মনৰ ওপৰত নিৰ্ভৰশীল। সাহিত্যৰ স্তৰত শান্ত ৰসো এনেদৰে ব্ৰহ্মানন্দ সহোদৰ হৈ থাকিব পাৰে; কিন্তু ভক্তিৰ ক্ষেত্ৰত শান্ত ৰস ব্ৰহ্মানন্দ সহোদৰৰ স্তৰত নাথাকি স্বয়ং ব্ৰহ্মানন্দও হ'ব পাৰে। এই ব্ৰহ্মানন্দ শান্ত ৰসটো বহিৰ্মুখী মনৰ উপলব্ধিৰ বস্তু নহৈ, অন্তৰ্মুখী মনৰহে বস্তু হ'ব পাৰে। গতিকে শান্ত ৰস অলৌকিকতাৰ উচ্চ স্তৰলৈকো উঠিব পাৰে। ভক্তিৰ সহায়ত ৰূপে বীৰ শৃংগাৰ অদ্ভুত আদি অন্যান্য ৰসৰ ঠাই থাকিলেও, অলৌকিক স্তৰৰ শান্তহে ভক্তিৰ প্ৰধান ৰস হ'ব পাৰে। এনে স্থলত ৰসময়ী ভক্তিয়ে সাহিত্যৰ অন্যান্য ৰসৰ বস্তু বা স্থায়ী ভাৱ সমূহকে স্থায়ী ভাৱ ৰূপে গ্ৰহণ নকৰি কেৱল 'শম'কহে গ্ৰহণ কৰিব পাৰে। এই শম স্থায়ী ভাৱৰ পৰা হোৱা সাহিত্যৰ শান্ত ৰসৰ বাবে আৱশ্যকীয় বিভাগ, অনুভাৱ আৰু সঞ্চাৰী ভাৱৰ অস্তিত্বও মানি ল'ব লাগিব, কিন্তু ৰসময়ী ভক্তিৰ অলৌকিক শান্ত ৰস বেছি সুক্ষ্ম। সেই বাবে ইয়াত বিভাৱ, অনুভাৱ আৰু সঞ্চাৰী ভাৱৰ সহযোগ থাকিলেও, সেইবোৰো অতি সুক্ষ্ম কাৰণে নাটক বা সাহিত্যৰ দৰে স্পষ্ট নহয়। ভগৱানৰ লীলা সম্বন্ধীয় কথাৰ প্ৰথম স্তৰত শৃংগাৰ, বীৰ, অদ্ভুত আদি সাহিত্যৰ ৰস থাকে বাবে সেই স্তৰত বিভাৱ, অনুভাৱ আৰু সঞ্চাৰী ভাৱৰো প্ৰয়োজন স্পষ্টভাৱে দেখা

যায়। শ্ৰেষ্ঠ সাধকে যেতিয়া শৃংগাৰ, বীৰ, অদ্ভুত আদি অন্য ৰসপুষ্ট কথাও শান্তৰসৰ দৃষ্টিত গ্ৰহণ কৰিব পৰা হয়, তেতিয়া তেওঁৰ বাবে বিভাৱ, অনুভাৱ আদিৰ স্বৰূপ সলনি হোৱাটোও অসম্ভৱ নহয়।

সাহিত্যই শৃংগাৰ আৰু বীৰ ৰসকহে কলাৰ দৃষ্টিত পূৰ্ণ বা শ্ৰেষ্ঠ পৰ্য্যায়ৰ ৰস বুলি ধৰিছে। এই দুয়োটা ৰসৰ স্থায়ী ভাৱ ৰতি আৰু উৎসাহকো শ্ৰেষ্ঠ স্থায়ী ভাৱ বুলি এই দৃষ্টিত ধৰিব পাৰি। নিৰ্বেদ আৰু শম দুয়োটা ভাৱেই ৰতি আৰু উৎসাহৰ সম্পূৰ্ণ বিপৰীতমুখী ভাৱ। আনহাতে সাধাৰণ শ্ৰেণীৰ শৃংগাৰ আৰু বীৰ ৰসত ভোগ আৰু অধিকাৰ লাভৰ দৃষ্টিয়েই প্ৰাধান্য লাভ কৰে। শান্তৰসৰ স্থায়ী ভাৱ বৈৰাগ্য বা নিৰ্বেদ আৰু শমৰ পৰা বিকশিত হোৱা ভক্তিত ত্যাগ আৰু সমূহতকৈ প্ৰাধান্য লাভ কৰে। এইদৰে ভক্তিৰ স্তৰৰ শান্ত ৰস সমূহতকৈ কিছুমান ক্ষেত্ৰত পৃথক ধৰণে পুষ্ট হোৱা যেন দেখা যায়।

নাম-ঘোষাই বিষয়বস্তুৰ চৰম বিন্দু ৰূপে গ্ৰহণ কৰা ভক্তিৰসৰ আশ্ৰয় ভগৱান। ভগৱানত শৰণ-গ্ৰহণেই ভক্তিৰ ঘাই বস্তু। বিষয়ৰ প্ৰতি আসক্তি বা মায়াই ইয়াত প্ৰতিনায়কৰ কাম কৰে। স্থায়ীভাৱটোত দুটা পক্ষ আছে। এটা হৈছে– সংসাৰৰ ধৰ্ম বিষয়-ভোগৰ প্ৰতি বিৰাগ আৰু আনটো হৈছে ভগৱানৰ প্ৰতি অনুৰাগ। দুয়োটাই দেখাত 'শম' ভাৱৰ বিৰুদ্ধ যেন লাগে। প্ৰকৃত পক্ষে এই দুয়োটাই পৰস্পৰ বিৰোধী কাৰ্য কৰা নাই। সঞ্চাৰীভাৱে স্থায়ী ভাৱক ৰসৰ স্তৰলৈ উঠাত সহায় কৰাৰ দৰে এই ক্ষেত্ৰত অনুৰাগ আৰু বিৰাগেও 'শম' ভাৱক শান্ত ৰসৰ উচ্চস্তৰৰ ভক্তি ৰসলৈ উঠাত সহায়হে কৰে।

সংসাৰৰ প্ৰতি বিৰাগ ভাৱ বঢ়াৰ লগে লগে ভগৱানৰ প্ৰতি অনুৰাগ বঢ়াত সহায় হয়। সেইদৰে ভগৱানৰ প্ৰতি অনুৰাগ ভাৱ বাঢ়িলেও সংসাৰৰ প্ৰতি বিৰাগ ভাৱ বঢ়াটো স্বাভাৱিক কথা। গতিকে ভক্তিৰ স্থায়ীভাৱ শম বুলি গ্ৰহণ কৰিলে অনুৰাগ আৰুবৈৰাগ্য দুয়োটা ভাৱৰে এটা আনটোৰ পৰিপূৰক স্বৰূপেহে আগবাঢ়ে। ভক্তিৰসক শান্ত ৰসৰ বিকশিত ৰূপত গ্ৰহণ নকৰি যদি স্বতন্ত্ৰভাৱে গ্ৰহণ কৰা হয়, তেতিয়া হ'লে ভক্তিৰ স্থায়ী ভাৱকো ৰতি বা অনুৰাগ বুলিয়েই ধৰিব লাগিব। পিছে শৃংগাৰ ৰসৰ স্থায়ীভাৱ ৰতি আৰু ভক্তিৰসৰ স্থায়ী ভাৱ ৰতিৰ মাজত এটা মৌলিক পাৰ্থক্য আছে। শৃংগাৰ ৰসৰ স্থায়ী ভাৱ ৰতি ব্যক্তিকেন্দ্ৰী। ৰতি ভাৱ সকলো ব্যক্তিৰ হৃদয়ত থাকিলেও শৃংগাৰ ৰসৰ ভাৱটো বিশিষ্ট ব্যক্তি নায়ক বা নায়িকাৰ প্ৰতিহে জাগ্ৰত হয়, কিন্তু ভক্তি-ৰসৰ ৰতি বা অনুৰাগ ব্যক্তিকেন্দ্ৰী নহয়। ই ঈশ্বৰমুখী বাবে সুক্ষ্ম চৈতন্যধৰ্মী আৰু ইন্দ্ৰিয়জনিত প্ৰয়োজনৰো অতীত। সুক্ষ্ম চৈতন্যৰ





ধৰ্মৰ্কে নিৰ্গুণ আৰু সগুণ দুটা স্তৰত চৈতন্যৰ ধৰ্ম ব্যক্ত কৰা হয়। এইদৰে ব্যক্তিকৰণৰ মাধ্যমেদিও ভক্তিৰ স্থায়ীভাৱ ৰতি বা অনুৰাগটো সমাজ বা সমষ্টি-ভাৱনা আৰু প্ৰকৃতিত আৰোপিত স্তৰৰ পৰা সুক্ষ্ম ৰূপত পৰম সত্তাৰ অভিমুখে আগবাঢ়ে।

অনন্তকোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী হৰিৰ প্ৰতি হোৱা অনুৰাগটো ভক্তই কেৱল নিজৰ বস্তু বুলি নাভাবে। নিজৰ অনুৰাগৰ পাত্ৰ হৰিৰ প্ৰতি অন্যান্য কোটি কোটিজন অনুৰক্ত হোৱা দেখিলেও, তেওঁলোকৰ প্ৰতি কোনো ভক্তৰ প্ৰতি আন এজন ভক্তৰ সহযোগী ভাৱহে ওপজে। ৰাসলীলাত গোপীসকলৰ ৰতিকো এই স্তৰৰ অনুৰাগলৈ উঠা দেখা গৈছে। ভক্তিমুখী শৃংগাৰৰ এই ৰতি লৌকিক শৃংগাৰৰ ৰতিতকৈ পৃথক বুলি সহজেই ধৰিব পাৰি। কৃষ্ণৰ প্ৰতি অনুৰক্ত গোপীসকলৰ মাজত পাৰস্পৰিক ঈৰ্ষা আৰু দ্বেষভাৱ নাই; কিন্তু লৌকিক শৃংগাৰ বিপ্ৰলম্ভ অৱস্থাৰ ফালেও আগবাঢ়ে। ভক্তি ধৰ্মী শৃংগালত বিপ্ৰলম্ভ অৱস্থাটোক আবেগৰ এটা সুকীয়া স্তৰ বুলিও ধৰিব পাৰি।

শৃংগাৰ ৰসৰ ৰতি মধুৰ ভাৱটো সীমাবদ্ধ আৰু কামবাসনা যুক্ত। ভক্তি মুখী ৰতি ভাৱ কেৱল মধুৰ ভাৱতে আবদ্ধ নহয়। এই ৰতি ভাৱে কামবাসনা পৰিশোধন কৰি প্ৰিয়জনৰ ওচৰত আত্মসমৰ্পণ কৰিব পৰা নিস্পৃহা দাস্য ভাৱৰ স্তৰত নিজক উপনীত কৰিব পাৰি। দাস্য ভাৱৰ এই স্তৰটো স্বাৰ্থৰ অতীত বাবে পৰমাৰ্থৰ স্তৰ; কিন্তু শৃংগাৰ ৰসৰ লৌকিক ৰতি ভাৱ কামবাসনা যুক্ত বাবে নিস্বাৰ্থ নহয়।

ভগৱানৰ প্ৰতি হোৱা ৰতি ভাৱত দাস্যভাৱৰ বিকাশ ঘটাৰ সুন্দৰ উদাহৰণ নাম-ঘোষাত বহুত ঠাইত পোৱা যায়। দাস্যৰ অনুকূল দীনতাও নামঘোষাত বহুত স্পষ্ট হৈ পৰিছে। ভক্তৰ এই দাস্যভাৱৰ প্ৰতি ভগৱানৰ বাৎসল্যও ঠায়ে ঠায়ে প্ৰকাশ পাইছে, কিন্তু নিস্কাম ভক্তিত ভগৱানৰ ভাৱপক্ষটোতকৈ ভক্তৰ ভাৱপক্ষটোহে ঘাই বস্তু। ভক্তৰ এই ভাৱ পক্ষত ভগৱানৰ প্ৰতি ভাৱ কাম্য বুলি নামঘোষাত কোৱা হৈছে। তথাপি এই ৰতিভাৱ শৃংগাৰব্যঞ্জক নহয়। প্ৰভুৰ প্ৰতি দাসৰ মনত থাকিব লগীয়া অনুৰাগ বা প্ৰীতিহে এই ৰতিৰ স্বৰূপ। ভক্তিৰসক সেৱাৰসৰ স্তৰত উপনীত কৰিবৰ কাৰণে ভক্তৰ এই অনুৰাগক দীনভাৱৰ সহায়েৰে আত্মসমৰ্পণৰ অৱস্থালৈ আগ বঢ়াই নিয়াৰো প্ৰয়োজন হয়। এই আত্মসমৰ্পণ বা শৰণ গ্ৰহণেই ভক্তিক দৃঢ় কৰি তুলিব পাৰে।

নাম-ঘোষাৰ বহুত ঠাইত ভক্তই ভগৱন্তৰ ওচৰত সেৱা-ৰস বিচাৰৰ উদাহৰণ

আছে। এই সেৱা ৰসনো কি বস্তু। সেৱাৰ পৰা পোৱা আনন্দই সেৱাৰসৰ স্বৰূপ। প্ৰকৃততে ভগৱানক সেৱাৰ একো প্ৰয়োজন নাই আৰু তেওঁক পোনে পোনে সেৱা কৰাৰ কোনো উপায়ো নাই। নিৰ্গুণ-নিৰাকাৰ ভগৱানৰ সগুণ সাকাৰ স্বৰূপ এই প্ৰাকৃতিক জগৎখনৰ সেৱাও আমাৰ কাৰণে সম্ভৱ নহয়, তথাপি উন্নত বিশুদ্ধ বাতাৱৰণ-সৃষ্টিৰ অনুকুল কাৰ্যসমূহকে কিছু পৰিমাণে প্ৰকৃতিৰ সেৱা বুলি ধৰিব পাৰি। যজ্ঞ আদি নানা অনুষ্ঠানৰ সহায়েৰে বায়ুমণ্ডল পৰিশোধনৰ চেষ্টাও এই সেৱাৰ একোটা অংগ হ'ব পাৰে। ইয়াতকৈ স্থুল আৰু সংকীণ স্তৰত ক্ৰমে মানৱজাতিৰ সেৱা, দেশৰ সেৱা নাইবা মানৱ সমূহৰ প্ৰতীক আৰু প্ৰতিনিধি ৰূপত সৎলোক বা ভক্তসকলৰ সেৱাও ভগৱানৰেই সেৱা ৰূপে পৰিগণিত হ'ব পাৰে।

কলাৰ সহায়েৰে মানৱীয় ৰুচি উন্নত কৰা কাৰ্যও মানৱসেৱাৰেই এটা অংগ বুলি ধৰিব পাৰি। এই কলাত নিৰাকাৰ সত্য বা চৈতন্য, সাকাৰ প্ৰকৃতি আৰু মানৱ-ধৰ্মৰ সমন্বয় হ'ব পাৰে। এই তিনিওটা বস্তুৰ সমন্বয় হোৱা কলাৰ বাহিৰে অন্য কলাত ভক্তই সেৱা-ৰসৰ আনন্দ পাব নোৱাৰে। কলাৰ উদ্দেশ্যত এই স্তৰৰ সেৱা ৰসৰ আনন্দ আৰু সামাজিক শান্তি এই দুটা পক্ষ আছে। এই দৃষ্টিত সমাজক সেৱা ৰূপে গ্ৰহণ কৰা হৈছে আৰু সমাজৰ শান্তিৰ উদ্দেশ্যেই সমাজৰ প্ৰতি সেৱাৰ দায়িত্ব লোৱা প্ৰয়োজন হয়। সমাজৰ শান্তি আৰু সেৱক ব্যক্তিৰ সেৱাৰ আনন্দ বা সেৱা-ৰসটো সামাজিক শান্তিৰ সাধন স্বৰূপ হোৱা বাবে মুখ্য ফল নহয়, উপৰুৱা ফলহে। ভক্তিৰ উদ্দেশ্যটো বহল ভাৱত ল'লে ব্যক্তিগত বস্তু নহয়, সামাজিক যেনহে ধাৰণা হয়; কিন্তু ভক্তিক এই উচ্চ স্তৰলৈ তুলিব পৰা ভক্তৰ মানসিক স্থিতিটো সামাজিক শান্তিৰ সাধন স্বৰূপ হোৱা বাবে, ৰসৰ মূলতে স্থায়ী ভাৱৰ জাগৰণ হোৱাৰ নিচিনাকৈ ভক্তৰ মনতো 'শম' ভাৱৰ বিকাশ হ'ব লাগিব। এই শম ভাৱৰ প্ৰকাশেই শান্তিৰ মূল উপাদান।

**শান্তৰসঃ** শান্তিক আশ্ৰয় কৰিহে মানৱতাই বিকাশ লাভ কৰি পাৰে। এই দৃষ্টিত শান্তৰস সৰ্বোৎকৃষ্ট ৰস। এই ৰসৰ ক্ষেত্ৰখনো বহুত বিস্তৃত। কেৱল নাট্য কলাৰ মঞ্চ আৰু সাহিত্য কলাৰ মৰ্মজ্ঞ বিদ্বানসকলৰ ক্ষণ-স্থায়ী ৰসবোধৰ সীমাৰে ইয়াক সীমাবদ্ধ কৰি থ'ব নোৱাৰি। ভক্তিৰ আচৰণপক্ষ সেৱা-কাৰ্যৰ বাবে এই জগৎখন যিমান বিস্তৃত ভাৱে পৰি আছে, সাধকৰ মানসিক উৎকৰ্ষ স্বৰূপ পৰিণতিও সিমান বিস্তৃত হ'ব পাৰে।

আচাৰ্য মম্মটে কাব্য প্ৰকাশত নিৰ্ৱেদক শান্তৰসৰ স্থায়ী ভাৱ বুলিছে। এই নিৰ্ৱেদক ভিত্তি কৰি শান্তৰসৰ পৰ্যায়ত ভক্তিৰসৰ বিচাৰ কৰি চালেও দেখা যায়





যে ভক্তিৰ চৰম অৱস্থাত শান্তি বা পৰিপূৰ্ণ 'শম' ভাৱৰ অৱস্থাই সৃষ্টি হ'ব পাৰে। জ্ঞানাশ্ৰয়ী নিৰ্গুণ ভক্তিৰ দৃষ্টিত শান্তৰস আৰু ভক্তি-ভাৱ উভয় দিশতে শমকে স্থায়ীৰূপে গ্ৰহণ কৰাটো যুক্তি সংগত যেন ধাৰণা হয়; কিন্তু আৱেগ প্ৰধান সগুণ ভক্তিৰ আৰম্ভণিতে 'শম' ক স্থায়ী ভাৱ ৰূপে গ্ৰহণ কৰাটো কঠিন যেন লাগে। বিষয়ভোগৰ মাজত লুকাই থকা বিৰাগ ভাৱৰ ক্ৰমোন্নতিৰ দ্বাৰাহে সাধাৰণ লোকৰ মানসিক স্থিতি 'শমৰ' স্তৰলৈ উঠিব পাৰে। গতিকে সগুণ দৃষ্টিত ভক্তিৰসৰ স্থায়ী ভাৱ 'নিৰ্ৱেদ' বা বৈৰাগ্য আৰু নিৰ্গুণ দৃষ্টিত বিশ্বনাথকবিৰাজৰ 'শম' এই দুয়োটাকে ভক্তিমুখী শান্ত ৰসৰ স্থায়ী ভাৱ ৰূপে গ্ৰহণ কৰিব পাৰি। এই প্ৰসংগত শান্ত ৰসৰ স্বৰূপ সম্বন্ধে সাহিত্য দৰ্পণৰ মত মন কৰিবলগীয়া।

'শম' স্থায়ীভাৱৰ আস্বাদ লাভ হোৱা ৰসেই শান্তৰস। উত্তম প্ৰকৃতিৰ ব্যক্তিহে এই ৰসৰ আশ্ৰয় হ'ব পাৰে। ইয়াৰ বৰণ কুন্দশ্বেত বা চন্দ্ৰশ্বেত আৰু দেৱতা শ্ৰীনাৰায়ণ। সমস্ত সাংসাৰিক বিষয়-অনিত্য আৰু ক্লেশপূৰ্ণ কাৰণে, সেইবোৰৰ প্ৰতি বিৰাগ ভাৱ নাইবা পৰমাত্মাৰ স্বৰূপ-জ্ঞানকে এই ৰসৰ আলম্বন বিভাৱ বুলি ধৰা হয়। পৱিত্ৰ আশ্ৰম, ভগৱানৰ লীলা-ভূমি, তীৰ্থস্থান, ৰম্যপ্ৰাকৃতিক দৃশ্য আৰু সৎসংগ আদি ইয়াৰ উদ্দীপন বিভাৱ। ৰোমাঞ্চ আদি ইয়াৰ অনুভাৱ আৰু নিৰ্ৱেদ, হৰ্ষ, স্মৃতি, মতি, জীৱদয়া প্ৰভূতি সঞ্চাৰী ভাৱ।" (সাহিত্য দৰ্পণ ৩। ২৮৫-৪৯)

শৃংগাৰ, বীৰ প্ৰভৃতি অন্যান্য ৰসৰ নায়ক-নায়িকা আদি মনুষ্য পাত্ৰত আশ্ৰিত স্থায়ী ভাৱ আৰু ভক্তি ৰসৰ স্থায়ী ভাৱৰ মাজত থকা প্ৰভেদ এই উদ্ধৃতিৰ পৰাও বুজিব পৰা হয়। অন্য ৰসৰ স্থায়ী ভাৱবোৰ নায়ক-নায়িকা আদিৰ ক্ৰিয়া কলাপক আশ্ৰয় কৰিহে দৰ্শক বা পাঠকৰ মনত জাগ্ৰত হ'ব পাৰে; কিন্তু ভক্তি ৰসৰ স্থায়ী ভাৱৰ জাগৰণৰ নিমিত্তে ভক্তিৰ পাত্ৰ ভাগৱানৰ কোনো প্ৰকাৰৰ ক্ৰিয়া আলম্বন আৰু উদ্দাপন বিভাৱ স্বৰূপ দেখা নাযায়। এই জগতৰ ক্ৰিয়াৰ মাজতে ভগৱানৰ কাৰ্য-কলাপ-উপলব্ধি হ'লেহে ভক্তিৰসৰ স্থায়ীভাৱ ভগৱানৰ প্ৰতি ৰতি বা প্ৰেম সাধকৰ মনত জাগ্ৰত হ'ব পাৰে। গতিকে নায়ক আৰু নায়িকা উভয়ৰে কাৰণে অৱশ্যকীয় আলম্বন আৰু উদ্দীপন বিভাৱৰ ক্ৰিয়াসমূহ প্ৰাকৃত জগতত ভগৱানৰ কাৰ্য-কলাপ-উপলব্ধি হ'লেহে ভক্তিৰসৰ স্থায়ীভাৱ ভগৱানৰ প্ৰতি ৰতি বা প্ৰেম সাধকৰ মনত জাগ্ৰত হ'ব পাৰে। গতিকে নায়ক আৰু নায়িকা উভয়ৰে কাৰণে আৱশ্যকীয় আলম্বন আৰু উদ্দ্দীপন বিভাৱৰ ক্ৰিয়াসমূহ প্ৰাকৃত জগতত ভগৱানৰ ক্ৰিয়া বুলি সাধকে অন্তৰেৰে উপলব্ধি কৰিব পাৰিব লাগিব। তদুপৰি নায়কৰ বিৰুদ্ধধৰ্মী প্ৰতিনায়কৰ ক্ৰিয়া-কলাপো এই প্ৰাকৃত জগততে সাধকে দেখিব লাগিব।

জগৎখনক ভগৱানৰ লীলা বুলি ভাবিলে এই জগতেই ভক্তিৰ আলম্বন আৰু উদ্দীপন বিভাৱ হ'ব পাৰে, কিন্তু সেই একেখন জগতকে মায়াৰ ক্রিয়া বুলি ভাবিলে, অবিদ্যাকে প্রতিনায়ক বুলি ধৰিব লগীয়া হয়।

শান্তৰসৰ উচ্চ পর্যায়ত ভক্তিক ঠাই দিবলৈ হ'লে ব্যাপক আৰু সুক্ষ্ম জ্ঞান দৃষ্টিৰ লগত আৱেগৰ সম্বন্ধয় সাধন হ'ব লাগিব। জ্ঞানদৃষ্টি নহ'লে শুদ্ধ জ্ঞান নীৰস বস্তুত পৰিণত হয়; গতিকে শমভাবৰ জাগৰণ হ'লেও সি ৰসৰ স্তৰলৈ উঠিব নোৱাৰে। প্রাকৃত জগতত ভগৱানৰ লীলা আৰু অৱিদ্যাৰ স্বৰূপ উপলব্ধি দুয়োটাই আৱেগৰ কাম।

আলম্বন বিভাৱে স্থায়ীভাৱে জগাই তোলৈ আৰু উদ্দীপন বিভাৱে স্থায়ী ভাৱক বিকশিত কৰি তোলে। পূর্ণ বিকশিত বা পৰিপূর্ণ গছ এজোপাত সময়মতে পাত, ফুল আৰু ফল ধৰাৰ নিচিনাকৈ, ৰসবোধৰ তন্ময় অৱস্থাত দর্শক বা পাঠকৰ মানসিক ক্রিয়াৰ প্রবলতাই মনৰ লগতে শৰীৰৰ ওপৰতো প্রভাৱ বিস্তাৰ কৰে। সেই কাৰণে ৰোমাঞ্চ, অশ্রুপাত আদি অনেক শ্রেণীৰ শাৰীৰিক পৰিণতিও ৰসবোধৰ সময়ত দেখা যায়। স্থায়ীভাৱ ৰসৰ স্তৰলৈ উঠাৰ আগতে অর্থাৎ আলম্বন উদ্দীপন আদিৰ সহায়েৰে বিকশিত হ'বলৈ ধৰোঁতে তাৰ অনুকূল আৰু প্রতিকূল উভয় শ্রেণীৰে অনেক গৌণ ভাৱৰ উত্থান-পতন ঘটে। এই শ্রেণীৰ গৌণ ভাৱেই সঞ্চাৰী ভাৱ। পাত-ফুল আৰু ফুল আৰু ফল ধৰিব লগীয়া এজোপা গছৰ বাবে, বতাহ, বৰষুণ আৰু ৰ'দৰ তাপৰ প্রয়োজন হোৱাৰ দৰে, স্থায়ীভাৱ ৰসৰ স্তৰলৈ উঠিবৰ বাবেও সঞ্চাৰী ভাৱৰ প্রয়োজন হয়। এতিয়া এইটোহে বিচাৰ কৰিব লগীয়া কথা যে,--ভক্তি ৰসৰ বাবে বিভাৱ আৰু সঞ্চাৰী ভাৱৰ স্বৰূপ কেনে হোৱাটো সম্ভৱ? কিয়নো ৰসৰ আশ্রয় বা নায়ক-নায়িকা আদিৰ স্বৰূপ ভক্তি ৰসত ভিন্ন হ'লে, বিভাৱ ভাৱ আদিৰ স্বৰূপ ভিন্ন হোৱাটোও স্বভাৱিক।

জগৎ জীৱ আৰু ব্রহ্ম সমন্ধীয় দর্শনিক জ্ঞান বা তত্ব বিচাৰেই ভক্তিৰসৰ আলম্বন বিভাৱ। ভগৱানৰ বিভূতিসমূহ, ভগৱানৰ মূর্ত্তি, শ্রৱণ-কীর্ত্তন, তার্থ, সৎসংগ প্রভূতিইয়াৰ উদ্দীপন বিভাৱ। এনেকুৱা উদ্দীপন বিভাৱ নাটক বা কাব্যত দর্শনীয় বা বর্ণনীয় বিষয় হ'লেও ভক্তিৰসৰ কাৰণে প্রকৃত উদ্দীপন বিভাৱ প্রাকৃতিক জগৎ আৰু মানৱ সমাজত বিচাৰি পাব লাগিব। নাটকত হোৱা আংগিক, বাচিক, সাত্বিক আহার্য্য সকলো শ্রেণীৰ অভিনয়ৰ চিত্র বাস্তৱ জীৱনতো দেখিবলৈ পোৱা যায়।

নিবৃত্তি-ভাৱনা আৰু শান্তিপ্রিয়তা মানুহৰ হৃদয়ত স্থায়ীৰূপে থকা ভাৱ। গুৰুৰ উপদেশ, শাস্ত্রজ্ঞান, জিজ্ঞাসা-বৃত্তি আৰু সংসাৰৰ দুখ-কষ্টই আলম্বন বিভাৱৰ





দৰে এই নিবৃত্তিৰ ভাৱটো জগাই তোলে। নামঘোষাৰ অনেক পদতেই নিবৃত্তিৰ উপদেশো দিয়া হৈছে।

বিষয়-সুখৰ প্রতি নিবৃত্তি-ভাৱ জাগ্রত হোৱাৰ লগতেই ভগৱানৰ প্রতি অনুৰাগ বাঢ়িবলৈ ধৰে আৰু বিভিন্ন স্থিতিৰ মাজেদি এই ভাৱ ৰশৰ ফালে আগবাঢ়ে। নাটক আৰু কাব্যত যথাক্রমে দর্শক আৰু পাঠকে নিজৰ হৃদয়তে নায়ক-নায়িকা, প্রতিনায়ক-প্রতিনায়িকা প্রভৃতি সকলো পাত্রৰে মানসিক স্থিতি উপলব্ধি কৰাৰ দৰেই, সাধকেও সংসাৰৰ প্রতি বৈৰাগ্য, ভগৱানৰ প্রতি অনুৰাগ, মায়াৰ প্রতি ক্রোধ প্রভৃতি নানা মানসিক স্থিতিত নিজক উপনীত কৰিবলগীয়া হয়। এনে স্থলত নিন্দা, খেদ, প্রার্থনা, নমস্কাৰ প্রভৃতি অনেক বিপৰীত ভাৱ প্রকাশক শীর্ষকবোৰে নামঘোষাত ভিন্ন ভিন্ন সঞ্চাৰী ভাৱৰ পৰিচয় দিছে। ভগৱানৰ মহিমা, ভক্ত বৎসলতা আদি গুণসমূহে উদ্দীপন বিভাৱৰ দৰে ভক্তিৰ ক্ষেত্রত উৎসাহ-উদ্দীপনা যোগাইছে। নামঘোষাত ভক্তিৰ স্থায়ীভাৱ, বিভাৱ, সঞ্চাৰী ভাৱ আদিৰ উদাহৰণ স্বৰূপে কেইফাঁকিমান ঘোষা উদ্ধৃত কৰা হৈছে। এই প্রসঙ্গত আৰু এটা কথা মনত ৰাখিবলগীয়া যে--- নাটক আৰু কাব্যৰ ৰস উপলব্ধি কৰোঁতে সহৃদয় দর্শক আৰু পাঠকসকলে নাট্যকাৰ আৰু কবিৰ মানসিক স্থিতিৰহে অনুসৰণ কৰে। ৰসৰ জগতখন কবিৰ জগৎ আৰু সহৃদয় সকলো সেই সময়ত কাব্যজগতৰ ব্যৱস্থামতে চলিবলীয়া হয়। নামঘোষাৰ জগৎখন ভক্তৰ জগত। এই জগতত ভক্তিৰসৰ কাৰণে যি বিধান ভক্তই দিছে, ভক্তি ৰসিকেও সেই বিধান মতে নিজক আগবঢ়াই নিব পাৰিলেহে ৰসময়ী ভক্তিৰ উপলব্ধি কৰিব পাৰিব।

**ভক্তিৰসৰ উপাদানঃ** স্থায়ী ভাৱেই ৰসৰ ঘাই উপাদান। নাম-ঘোষাত ভক্তিৰসৰ স্থায়ী ভাৱ-সূচাক পদ স্বৰূপে তলৰ পদফাঁকি বিচাৰ কৰি চাবলগীয়া।

যাৰ ৰাম কৃষ্ণ নাম    নাৰে ভৱ সিন্ধু তৰি
পাৰে পৰম্পদ পাপী যত।
সদানন্দ সনাতন    হেনয় কৃষ্ণক সদা
উপাসা কৰোহোঁ হৃদয়ত।। ২।।
মৎস্য, কূর্ম, নৰসিংহ    বামন পৰশুৰাম
হলিৰাম বৰাহ শ্রীৰাম।
বুদ্ধকল্কি নামে দশ    আকৃতি ধৰিছা কৃষ্ণ
তযু পাৰে কৰোহোঁ প্রণাম।। ৩।।

যাৰ নামৰ সহায়েৰে পাপীসকলেও এই কষ্টময় সংসাৰ সাগৰ পাৰ হৈ

পৰম্পদ স্বৰূপ শান্তি লাভ কৰিব পাৰে, সেই সদানন্দ আৰু সনাতন সত্য কৃষ্ণক হৃদয়ত উপাসনা কৰোঁ। এই কথাফাঁকিত সুক্ষ্ম ৰূপত থকা নিবৃত্তিভাৱ আৰু শান্তিপ্ৰিয়তাৰ ইংগিত স্পষ্ট হৈছে। ইয়াৰ পাছৰ ফাঁকি ঘোষাত সমাজৰ নানা শ্ৰেণীৰ প্ৰয়োজন সিদ্ধিৰ বাবে মাজে-সময়ে ৰূপ ধাৰণ কৰা সদানন্দ, সনাতন কৃষ্ণক প্ৰণাম কৰা হৈছে। এই ঘোষা ফাঁকিয়ে স্থূল আৰু জড় বস্তুৰ মাধ্যমেৰে সূক্ষ্ম চৈতন্যক চোৱা প্ৰতীকবাদী বা অৱতাৰবাদী মনোভাৱ প্ৰকাশ কৰিছে। লগতে 'তযুপাৰে কৰোহো প্ৰণাম' উক্তিৰে শ্ৰেষ্ঠজনৰ প্ৰতি থকা শ্ৰদ্ধা ভাৱৰ পৰিচয় দিয়া হৈছে। এতিয়া মন কৰিবলগীয়া যে--- 'ভৱ সিন্ধু তৰি'---এই অংশত বৈৰাগ্য; পাপীৰ পৰম্পদ লাভ অংশত শান্তি; সদানন্দ কৃষ্ণক উপাসনাত অনুৰাগ আৰু তযুপাৰে কৰোহো প্ৰণাম' অংশত দাস্য ভাৱৰ বীজ লুকায় আছে। এই বীজৰ পৰাই ৰসময় ফল দিব পৰা ভক্তি বৃক্ষই আত্মপ্ৰকাশ কৰিব। প্ৰথম ফাঁকি ঘোষাত ভক্ত আৰু দেৱতাৰ বন্দনাৰ লগতে এই ভক্তিৰসৰো সূচনা নাটকত সূত্ৰধাৰে বিষয়বস্তুৰ সূচনা কৰাৰ দৰেই কৰি লৈছে।

**বিভাৱ**--- আপুনি আপুন শত্ৰু  আপুনি আপুন মিত্ৰ
আপুনি আপুন ৰাখে মাৰে।
হৰিক নভজি নৰে  আপুনি হোৱয় নষ্ট
হৰি ভজি আপুনাক তাৰে।। ২৬।।
ব্ৰহ্মা আদি দেৱগণে  নিশ্চল সম্পত্তি মনে
লক্ষ্মীক সেৱন্ত তপ কৰি।
লক্ষ্মীয়ো সেৱন্ত যাক  হেন মহেশ্বৰ বিষ্ণু
আন কোন দেৱ তাঙ্ক সৰি।।১৭।।
যিহেতু চৈতন্যপূৰ্ণ  পৰমাত্মা ৰূপে হৰি
হৃদয়ত আছন্ত প্ৰকাশি।
তাতেসে ইন্দ্ৰিয়গণ  ভূতপ্ৰাণ বুদ্ধিমন
প্ৰবৰ্ত্তে যতেক জড় ৰাশি।। ২২।।
দুৰ্ল্লভ মনুষ্য তনু  লভিয়া পশুৰ যোগ্য
বিষয়ৰ আশা পৰিহৰা।
সন্তৰ সঙ্গত বসি  সুখে হৰিগুণ গায়া
সন্তোষে অমৃত পান কৰা।। ২৭

এনেকুৱা কেইবাশও ঘোষা নাম-ঘোষাত আছে, যাৰ ভাৱ গ্ৰহণ কৰিব





পাৰিলে বিষয়ৰ প্ৰতি থকা আসক্তি হ্ৰাস হয় আৰু ভগৱানৰ প্ৰতি বিশ্বাস, অনুৰাগ আদি ভাৱ বৃদ্ধি হয়। এইদৰে জ্ঞান আৰু বিশ্বাসক অৱলম্বন কৰিহে সাধকসকল সাধনাৰ পথত আগবাঢ়িব পাৰে। সাধনাৰ পথত কেন্দ্ৰীয়ভাৱ ৰূপে গঢ়লোৱা অনুৰাগৰ পৰিচয় যেনেদৰে দিয়া হৈছে, তাৰ উদাহৰণ আত্মউপদেশ শীৰ্ষক ঘোষাত পোৱা যায়। যেনে---

হে জিহ্বা সদা তোৰ  মধুৰেসে মাত্ৰ প্ৰিয়
জান তঞি ৰসৰ সাৰক।
আন তেজি নিৰন্তৰে  কৰিয়োক মাত্ৰ পান
নাৰায়ণ নাম অমৃতক।। ১০০।।
হে মন তোৰ কাম  সংকল্প বিকল্প ধৰ্ম্ম
তেজি মিছা ব্যাপাৰ সকল।
সদায়ে সংকল্প মাত্ৰ  কৰিয়ো সুহৃদ মন
কৃষ্ণ নাম পৰম মঙ্গল।। ১০৩।।
শুনিয়ো হৃদয় হে'ৰ  ব্ৰহ্মাণ্ড ভিতৰে যত
বস্তু আছে তোক নোজোৰয়।
তাক তেজি কৃষ্ণনাম  অক্ষয় অমৃত পিয়া
সন্তোষ লভিয়ো হৃদয়।। ১০৪।।

এইদৰে মন, বুদ্ধি, অহংকাৰ আৰু চিত্তক কৃষ্ণমুখী কৰা হৈছে। অনুৰাগক উদ্দীপ্ত কৰা বস্তুসমূহৰ ভিতৰত ভগৱানৰ বিভূতি অৱতাৰ ভগৱানৰ মূৰ্তি, তীৰ্থ সৎসংগ আৰু শ্ৰৱণ-কীৰ্ত্তনৰ উল্লেখ কৰা হৈছে; এই সকলো বস্তুৰে উদাহৰণ দাঙি ধৰাটো সম্ভৱ নহয় আৰু আৱশ্যকো নাই যেন লাগে। এইবোৰ উদ্দীপক বস্তুৰ প্ৰভাৱ ভক্তই নিজে উপলব্ধি কৰে। সেই বাবে এই প্ৰসংগত পদ উদ্ধৃত নকৰি দুটামান কথাৰ উল্লেখ মাত্ৰ কৰা হৈছে।

কেৱল অৱতাৰসমূহহেই ভগৱানৰ আকৃতি নহয়। সমস্ত জগতেই ভক্তৰ বাবে ভগৱান ৰূপ হ'ব পাৰে। সুক্ষ্ম ভাৱময় বিৰাট স্বৰূপতো ভক্তই ভগৱানক দেখে। পৰমাৰ্থ তত্ত্বৰ জ্ঞান বৃদ্ধি হ'লে সংসাৰৰ সকলো শুদ্ধ বা পৱিত্ৰ বস্তু দেখিলেই ভগৱানলৈ মনত পৰা হয়। বেদ, গংগা আদিয়ে এই কাৰণেই ভক্তৰ অনুৰাগক উদ্দীপ্ত কৰি পাৰে। (৬৮৯ সংখ্যক ঘোষাত ইয়াৰ উদাহৰণ দ্ৰষ্টব্যঃ)

সৎ সংগত আৰু পৱিত্ৰ স্থানত ভগৱানৰ কথা শ্ৰৱণৰ ফলত বিষয়ে শুনি সাধকৰ মনত যেনে ভাৱ হয়, মাধৱদেৱে তাৰ উল্লেখ এইদৰে কৰিছে--পুত্ৰ-পত্নীৰ

সংগ এৰি তোমাৰ চৰণ চিন্তা কৰি, গৰ্বশূন্য সন্তসকলৰ আশ্ৰমলৈ যাম আৰু তাত সেই সন্তসকলৰ মুখৰ পৰা ভগৱানৰ কথা শুনি জন্মৰ হাত সাৰিম। (ঘোষা সংখ্যা ৬৬৪ ভাগৱতৰ ১০/৮০/৩৫ৰ ভাৱাৰ্থ দীপিকা টীকা) এই ভাৱত উদ্দীপ্ত নোহোৱা হ'লে মাধৱদেৱে ঘোষা ফাঁকি ৰচনাও নকৰিলেহেঁহেন। গতিকে সৎসংগ, আশ্ৰম আদি ভক্তই উদ্দীপক বস্তু।

ভগৱানৰ লীলা আৰু অনুগ্ৰহ কৰা গুণৰ কথা মনলৈ আহিলেও ভক্তি ভাৱ উদ্দীপ্ত হয়। 'গীতা' শব্দটো শুনিলেও শৰণাগত-বৎসলতাৰ ভৰ মনলৈ আহিব পাৰে। শ্ৰীধৰ স্বামীৰ সুবোধিনী টীকাৰ অনুৱাদ হ'লেও (গীতা ২/৭২) মাধৱদেৱৰ ভক্তি ভাৱ বা অনুৰাগক এই ঘোষা ফাঁকিয়ে উদ্দীপ্ত কৰাৰ সংকেত দিছে।

শোক মোহ মহা পঙ্ক মাজে অৰ্জ্জুন মগন ভৈলা দেখি
পৰম ঈশ্বৰ দৈৱকীনন্দ নন্দন।
কৃপায়ে ঈশ্বৰে তত্ত্ব কহি উদ্ধাৰিলা নিজ ভকতক
হেন ঈশ্বৰৰ চৰণে লৈলোঁ শৰণ।। ৫৯১।।

**সঞ্চাৰী ভাৱঃ** ঘোষাৰ ভিন্ন ভিন্ন শীৰ্ষকবোৰ সঞ্চাৰী ভাৱৰ পৰিচায়ক বুলি আগতে কোৱা হৈছে; কিন্তু কেতিয়াবা কেতিয়াবা একেটা শীৰ্ষকৰ ভিতৰতে একাধিক সঞ্চাৰী ভাৱৰ লক্ষণ দেখিবলৈ পোৱা যায়। ঘোষা ছন্দৰ 'কাকুতি'ত এনে উদাহৰণ আছে। যেনে--

ভকতৰ বশ্য হুইবাৰ শংকাই এ
যোনো মোক তুৰা দাস পৰিহাৰ হৰি।
ইটো শংকা হৰি দূৰতে তেজিয়া এ
লৈয়োক তোমাৰ ভৃত্যৰ কিংকৰ কৰি।।৮০৬।।
তুমি যাক পালা সিও জন আমি
হৰি হৰি হৰি হৰি এ
সংসাৰ নিকাৰ ভূঞ্জিয়া ফুৰোঁ বহুত
তোমাৰ অধীন হুয়া কেনে আমি
হৰি হৰি হৰি হৰি এ
ভৈলোহোঁ স্বতন্ত্ৰ ইটো কিনো অদভূত।।৮১০।।
তোমাক পৰম ঈশ্বৰ নমানি
হৰি হৰি হৰি হৰি এ
মহা অহংকাৰে দ্ৰোহ আচৰিলোঁ আমি।





আবে তযু পদে শৰণ পশিলোঁ
হৰি হৰি হৰি হৰি এ
মই দ্ৰোহিয়াৰ দোষ ক্ষমা কৰা স্বামী।।**৮১১**।।

এই ঘোষাসমূহৰ মূল ভাৱ ভগৱানৰ অনুগ্ৰহ লাভ আৰু ভগৱানত শৰণ গ্ৰহণ; কিন্তু অনুগ্ৰহ লাভৰ ক্ষেত্ৰত শংকাভাৱ, অনুগ্ৰহ লাভৰ বাবে কৰিবলগীয়া আচৰণৰ প্ৰতিকূলতা, ক্ষমা প্ৰাৰ্থনা প্ৰভৃতি নানা ধৰণৰ বিচাৰ মাজে মাজে মনলৈ আহিছে আৰু আঁতৰি গৈছে। গতিকে এইবোৰ সঞ্চাৰী বা ব্যভিচাৰী পৰ্যায়ৰ ভাৱ। নাট্য আৰু কাব্য শাস্ত্ৰত উল্লেখ কৰা **৩৩** বিধ সঞ্চাৰী ভাৱৰ সকলো নামঘোষাত নাথাকিলেও ৰসসৃষ্টিত বাধা সৃষ্টি নহয় বুলি আগতেই কোৱা হৈছে।

শৰণ ছন্দৰ পাছত অৰ্থাৎ শৰণ-গ্ৰহণৰ পাছত নামৰ স্বৰূপবোধ হ'বলৈ ধৰাৰ লগে লগে মানসিক স্থিতিত সঞ্চাৰী ভাৱ প্ৰায়ে নাই। শেহৰ ফালে মাত্ৰ 'খেদ' শীৰ্ষকৰ ঘোষাত এবাৰ আত্মসমালোচনা কৰোঁতে সঞ্চাৰী ভাৱ প্ৰকট হৈছে। তাৰ আগে পাছে আত্মসমৰ্পণ, নামৰ মাহাত্ম্য কথন আৰু নামৰ স্বৰূপবোধজনিত আনন্দ প্ৰকাশহে প্ৰধান বিষয় হৈ পৰিছে। এইদৰে শান্ত ৰসৰ উপাদানেৰে গঢ় লোৱা ভক্তি ৰসৰ পুষ্টি ৰূপটোকে নামঘোষাই নিজৰ লক্ষ্য বস্তু ৰূপে দেখুওৱাইছে যেন ধাৰণা হয়। ভক্তি ৰসপুষ্ট নামেই নামঘোষাৰ বৰ্ণনীয় বা ঘোষণীয় বিষয়। এই নামৰ স্বৰূপ সম্বন্ধে অৱস্থা ভেদে অনেক ধৰণে ক'লেও তলৰ দুফাঁকি ঘোষাতে নামৰ চৰম মাহাত্ম্য প্ৰকাশ পোৱা বুলি ধৰিব পাৰি।

মুকুতি সুখকো বশ্যকৰি হৰি নামে আনন্দত নাছে।
পুৰুষে সহিতে সখিত্ব কৰিয়া চলয় হৰিৰ কাছে।। **৯৫৫**।।
আপোন নামৰ মহিমা দেখিয়া হৰিৰ আনন্দে চৰে।
যিটো নাম লয় হৰি তাৰ হয় ইপুনু ৰহস্য বৰে।। **৯৯৬**।।।

**অনুভাৱঃ–** অশ্ৰু ৰোমাঞ্চ. স্বৰভঙ্গ আদি আঠবিধ কথা সাহিত্য-শাস্ত্ৰত আছে। সাহিত্যৰ লগত পাঠকৰ সাধাৰণকৰণ তীব্ৰতৰ হ'লে ৰসোপলব্ধিৰ তন্ময় অৱস্থাত পাত্ৰৰ এই লক্ষণসমূহ ৰসজ্ঞ পাঠকৰ লক্ষণত পৰিণত হ'ব পাৰে। বহুত সময়ত নামৰ শেষত ঘোষা গাই প্ৰাৰ্থনা জনোৱা সেৱকীৰ ক্ষেত্ৰটো এনে অনুভাৱ প্ৰকাশ পোৱা দেখা যায়। ৰসৰ দৃষ্টিত ই নামঘোষাৰ সফলতাৰে পৰিচয় দিয়ে। ৰসানুভৱৰ ক্ষেত্ৰত দৰ্শক আৰু পাঠকৰ উপলব্ধিটোহে ঘাই বস্তু। নাট্যকাৰ, অভিনেতা আৰু গ্ৰন্থকাৰৰ উপলব্ধিটো ৰসৰ কাৰণ স্বৰূপে বহুত দূৰত থাকিলেও, পাঠক আৰু দৰ্শকৰ লগত তেওঁলোকৰ সম্বন্ধ নাই। বিষয়বস্তুৰ লগত কবি, নাট্যকাৰ আৰু

অভিনেতাৰ যিটো সম্বন্ধ, সেইটো পূৰ্বপৰিকল্পিত কাৰণে তেওঁলোকৰ মানসিক স্থিতি সংযত আৰু সকলো ক্ষেত্ৰত ভৱিষ্যৎ অৱস্থাৰ প্ৰতি সচেতন হৈ থাকে। গতিকে তেওঁলোক বিষয়ৰ লগত একেবাৰে অভিন্ন বা তন্ময় হৈ পৰিব নোৱাৰে। এইবাবে স্ৰষ্টা ৰূপে কবি, নাট্যকাৰ আৰু অভিনেতাসকলৰ শ্ৰেষ্ঠত্ব স্বীকাৰ কৰিলেও ভোক্তাৰূপে বা দ্ৰষ্টাৰূপে তেওঁলোকৰ স্থান গৌণ। ৰস ভোক্তাৰ বাবেহে, স্ৰষ্টাৰ বাবে নহ'বও পাৰে।

নাম-ঘোষাৰ স্ৰষ্টা ৰূপে মাধৱদেৱতকৈ নাম-ঘোষাৰ পাঠকৰো মহত্ত্ব ৰসময়ী ভক্তিৰ দৃষ্টিত কম নহয়। ঘোষাৰ বিষয় বস্তুৰ লগে লগে পাঠকৰ মনো, ৰসৰ অভিমুখে আগবাঢ়ি যাওঁতে সকলো অনুভাৱৰ মানসিক ক্ৰিয়াৰ দৰেই শাৰীৰিক ক্ৰিয়াও হ'ব পাৰে। গতিকে পাঠকৰ শৰীৰ আৰু মনত প্ৰকাশ পোৱা অনুভৱৰ লক্ষণসমূহেই নাম-ঘোষাৰো কাব্য ৰূপত নিহিত থকা অনুভাৱৰ পৰিচয় দিছে বুলি ভাবিব পাৰি।

---

**লেখকৰ পৰিচয় ঃ**

শ্ৰীবাপচন্দ্ৰ মহন্ত
গোঁহাই টেকেলা গাঁও, যোৰহাট।



# নাম-ঘোষাত গীতাৰ গুহ্যতম বাণীৰ প্ৰতিধ্বনি

সুধন্না ৰাজবংশী

ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ প্ৰিয়তম ভক্ত উদ্ধৱক ভাগৱতৰ একাদশ স্বন্ধৰ সাত অধ্যায়ৰ পৰা উনত্ৰিংশ অধ্যায়লৈকে যি গুহ্যতম এক শৰণৰ তত্ত্ব কথা কৈছিল সেই তত্ত্বকথাবোৰ গীতাতো অৰ্জুনৰ আগত হুবহু তাকে ব্যক্ত কৰিছিল। এই সকলো শ্ৰৱণ-কীৰ্ত্তন গুহ্যতম উপদেশ মহাপুৰুষ মাধৱদেৱেও তাৰাৰ মহান গ্ৰন্থ নাম-ঘোষাতো তাৰে প্ৰতিধ্বনি কৰিছে। তাৰে কিছু তত্ত্বকথা ইয়াত তুলি দিয়া হ'ল। **গীতা**-- দৃঢ়ব্ৰতী লোকসকলে ভক্তি সহকাৰে মোৰ নাম কীৰ্ত্তন কৰি, নিষ্ঠা সহকাৰে মোক পাবলৈ যত্ন কৰে আৰু মোকে নমস্কাৰ কৰি সেৱা জনাই মোৰ ভজনা কৰে।

**নাম-ঘোষাঃ**

ৰহস্যক জানে যিটো লোক সততে কীৰ্ত্তন কৰে মোক
ধৰি দৃঢ় ব্ৰত কৰিমে যত্ন বিপৰীত।
মোৰ সৰ্ব্বোত্তম দুই পাৰে কৰে নমস্কাৰ ভক্তিভাৱে
তাৰ মো এৰা এৰি নাহি কদাচিত।। ৬১৭।।

**গীতা**— যাৰ মনত ভক্তিয়ে হ'ল লক্ষ্য-সাধন, একমাত্ৰ ভগৱানতে শৰণাগত আৰু তেওঁৰে নাম-গুণ কীৰ্ত্তন কৰে সেইজনৰ ঈশ্বৰৰ লগত কোনোকালে এৰা-এৰি নাই। এই ঈশ্বৰতে অনন্য ভক্তিভাৱে ভজনা কৰিবলৈ কৈছে। এই অনন্য ভজনাত অলব্ধ বস্তু সংস্থান আৰু লব্ধ ভগৱানে ৰক্ষা কৰি থাকে।

**নামঘোষাঃ**

লক্ষ্মীপতি ভগৱন্তে যাহাৰ প্ৰসন্ন ভৈল
তাহাৰ দুৰ্ল্লভ কিছু নাই।
নাৰায়ণ পৰ ভৈলে তথাপি কিঞ্চিত আৰ
নবাঞ্চয় সেৱা সুখ পাই।

**গীতাঃ** আটাইতকৈ দুৰাচাৰ পুৰুষেও যদি আনৰ আশ্ৰয় এৰি ভজনা কৰে, তেওঁক সাধু বুলি মানিব লাগে। যিহেতু তেওঁ বৰ উত্তম সংকল্প লৈছে।

**নাম-ঘোষা ঃ**

মাধৱে বোলন্ত ধনঞ্জয় মহা দুৰাচাৰো আতিশয়
আনদেৱ তেজি মোকেসে মাত্ৰ ভজয়।
তাকেসে পৰম সাধু বুলি মানিবা মনত সৰ্ব্বক্ষণে
যিহেতু সম্যকে কৰিলে মোক আশ্ৰয়।। ৬০৭

**গীতাঃ** মহাপাপী লোকেও যদি ঈশ্বৰৰ শৰণাগত হৈ তেওঁৰ ভজনা কৰে; তেন্তে তেওঁ চিৰন্তন শান্তি লাভ কৰিবলৈ সমৰ্থ হয় আৰু মহাপৱিত্ৰ হৈ পতন হোৱাৰ পৰা দূৰত থাকে।

**নাম-ঘোষাঃ**

মোহোৰ পৰম ঈশ্বৰৰ দুৰাচাৰ ভক্তো নোহে নষ্ট
কিন্তু সিটো ভক্ত কৃতাৰ্থ আতি হোৱয়।
তোহ্মাৰ প্ৰগল্‌ভ পৌঢ়ি শুনি সমস্তে কুতৰ্ক পৰিহৰি
গুৰুত্বে তোমাত কৰিবে সবে আশ্ৰয়।। ৬০৯।।

**গীতাঃ** ভক্তিহীন ব্যক্তি অন্ধকুপত পৰি থকাৰ দৰে হয়। তেওঁ কেতিয়াও ভক্তি জ্ঞানৰ পোহৰ নাপায়। ঈশ্বৰ ভক্তিতহে বাহিৰ-ভিতৰ সৎ আৰু পৱিত্ৰ হৈ উজ্জ্বল হৈ উঠে।

**নাম-ঘোষাঃ**

অপৱিত্ৰ যিটো আতি পৱিত্ৰ হোৱেবা যদি
সমস্তে আৱস্থা আছে পায়া।
কমললোচন যিটো সুমৰে তাৱেসে শুদ্ধ
বাহিৰে ভিতৰে হোৱে কায়া।। ১২।।

**গীতাঃ** এই সংসাৰত বহুতো পাপী, দুৰ্বৃত্ত, দুৰাচাৰী লোকে ঈশ্বৰৰ শ্ৰীচৰণ ভজি পৰম গতি আৰু শান্তি লাভ কৰিবলৈ সক্ষম হৈছে।

**নাম-ঘোষাঃ**

আমাৰ-নিৰ্ম্মল ভকতিত দুৰাচাৰো তৰে কোন চিত্ৰ
আমাক ভজিয়া চাণ্ডালো তৰে সংসাৰ।
স্ত্ৰী, বৈশ্য, শূদ্ৰ আদি য'ত বিষয়ত সদা মাত্ৰ ৰত
মোক ভজি সুখে ইসৰো হোৱে উদ্ধাৰ।। ৬১০।।





**গীতাঃ** এই সংসাৰখন অনিত্য, ইয়াত কোনো সুখ নাই। গতিকে মোক ভজনা কৰা। ইয়াত ব্ৰাহ্মণ আৰু ভক্তই যে পৰম গতি পাব, সেইটো নহয়, তুমিও মোক আৰাধনা কৰি ৰাজৰ্ষি দেহ ধাৰণ কৰিব পাৰিবা।

**নাম-ঘোষাঃ**

ব্ৰাহ্মণ ক্ষত্ৰিয় পুণ্যতনু মোক ভজি তৰিবেক পুনু
আতি অদভুত নাহিকে কোনো সংশয়।
ৰাজঋষি তনু আছা পাইয়া অনিত্য সুখ লোক জানি
আতি শীঘ্ৰে মোক ভজা সখি ধনঞ্জয়।। ৬১১।।

**গীতাঃ** তুমি তোমাৰ মনক মোৰ মাজতে একান্তভাৱে লীন কৰা। মোকে সেৱা, মোৰে আৰাধনা আৰু নমস্কাৰ কৰা। এনেকুৱাকৈ মোৰ লগত নিজকে অনন্যভাৱে শৰণাগত হ'লে মোকে লাভ কৰিব পাৰি।

**নাম-ঘোষাঃ**

মোতে মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোক পূজা মোকে মাত্ৰ কৰা নমস্কাৰ।
কহিলো তোমাত সত্য বাণী পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃয় সখি আমাৰ।। ৬১২।।

**গীতাঃ** ঈশ্বৰতে মন-প্ৰাণ অৰ্পি দি যিসকলে ঈশ্বৰৰে ভজনা কৰে, সেই ভক্তক এনেকুৱা বুদ্ধিযোগ প্ৰদান কৰে যে সেই বুদ্ধিযোগৰ দ্বাৰা তেওঁ ঈশ্বৰকে পায়।

**নাম-ঘোষাঃ**

ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মবোধ
মাধৱৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাত জানো গুচয় সংসাৰ ভয়
এহিমানে গীতাৰ নিৰ্ণয়।। ৬২০।।

গীতাৰ এই অনন্য ভক্তি মহাপুৰুষ মাধৱদেৱে নাম-ঘোষাৰ মাজেৰে আমাৰ মাজত বিলাই দি এই গুহ্যতম অন্যন্য ভক্তি ধৰ্ম প্ৰচাৰ কৰিলেই সদায় চিৰস্মৰণীয় হৈ ৰ'ব। আমিও এই মহাপুৰুষজনাৰ নাম-ঘোষাৰ বাণীসমূহ হৃদয়ঙ্গম কৰি লৈ অনন্য ভক্তিত আগবাঢ়িব পাৰিলে আমি আমাৰ জীৱন ধন্য কৰিব পাৰিম।

---

**লেখকৰ পৰিচয়ঃ**

শ্ৰীসুধন্না ৰাজবংশী
শিক্ষক, নলবাৰী।

# নাম-ঘোষাৰ সাঙ্গীতিক মূল্যায়ন

**নীলকান্ত বৰা**

"এই পৃথিৱী সকলো জীৱৰ বাবে মধু স্বৰূপ। এই পৃথিৱীত সকলো জীৱ মধু। বতাহ মধুময়, নদীৰ পানীৰ পানীত মধু ক্ষৰিত হয়। ঔষধী মধুময় হওক, নিশা আৰু উষা মধুময় হওক। পৃথিৱীৰ ধূলিকণা মধুময়। আমাৰ পিতাৰ আকাশ মধুময়। বনস্পতি, সূৰ্য গাভীসমূহ সকলোৰেই মধুময় হওক। **(কম্বুকণ্ঠ)**

কম্বুকণ্ঠৰ উক্ত কথাখিনি যেন নাম-ঘোষাত আখৰে আখৰে প্ৰতিফলিত হৈছে। নাম-ঘোষাখনি আমাৰ সকলোৰে কাৰণে মধুময়। কাৰণ ইয়াত আছে শুদ্ধাত্মা ভক্ত কবিৰ আদিৰ পৰা অন্তলৈ ৰসময়ী ভক্তি ৰসৰ অনাবিল স্বতঃস্ফূৰ্ত প্ৰকাশ আৰু আদিৰ পৰা অন্তলৈ শ্ৰদ্ধা-ভক্তিৰ ৰসময়ী ৰূপ সৰল ৰূপত প্ৰৱাহিত হৈছে। মহানন্দ সাগৰলৈ। নমস্কাৰ, ভজন, শৰণ, কাকুতি আদি শিৰোনামাংকিত পটলসমূহত কেতিয়াবা আত্ম জিজ্ঞাসা, কেতিয়াবা নামৰ মহিমা, কীৰ্ত্তনৰ অবিসংবাদ ফল, কেতিয়াবা ভগৱানৰ চৰণত নিজকে সম্পূৰ্ণভাৱে আত্মসমৰ্থন কৰি পৰম গুৰুৰ ওচৰত জাগতিক কামনা-বাসনা দূৰ কৰি মুক্ত কৰিবলৈ বাৰে বাৰে একান্ত প্ৰাৰ্থনা কৰিছে। মাধৱ পুৰুষে যেন একান্তমনে ভগৱন্তক ভক্তি কৰি ভক্তিৰূপ-ৰস সাগৰত ভগৱন্তক দেখা পাইছে আৰু তাৰাৰ মন ভগৱন্তৰ চৰণত নিবেদিত হৈ গৈছে আৰু ভ্ৰমৰে মধুপান কৰাৰ দৰে অন্য ভক্তসকলেও নামৰ ৰস পান কৰি নিজৰ হৃদয়তে নামৰ ধ্বনি শুনিবলৈ পাইছে।

ভক্তি সৰোবৰে কৃষ্ণপদ পঙ্কজত পৰি নিৰন্তৰে
পৰম আনন্দে ভকত ভ্ৰমৰ জাকে।
কৃষ্ণ যশৰস মধুপানে মত্ত হুয়া আতি সাৱধানে
ৰামনাম ৰাজহংস ৰাৱ শুনি থাকে।।৬৪৬।।

সেয়ে নাম-ঘোষা সুৰ আৰু ৰসৰ কষটি। কিন্তু ঘোষাসমূহৰ সুৰ আৰু ৰস অন্য গীতৰ লগত আকাশ-পাতাল পাৰ্থক্য। ঘোষাসমূহত হৃদয়োপম উপলব্ধিৰ কাৰণে বিভিন্ন পটলত বিভাজন কৰি ক্ৰমে ক্ৰমে উপলব্ধি স্তৰলৈ উধাব পৰাকৈ ৰচনা কৰা হৈছে। পটলসমূহ ৩৭ টা ভাগত বিভক্ত--(১) ভজন,(২) শৰণ,(৩) উপদেশ,(৪) নমস্কাৰ,(৫) নিন্দা,(৬) প্ৰাৰ্থনা,(৭) বস্তুপ্ৰকাশ (৮) নাম,(৯) হৰবাৰ,





(১০) নমস্কাৰ,(১১) অনুনাথনা,(১২) আত্মউপদেশ, (১৩) আত্মনিন্দা, (১৪) প্ৰশংসা, (১৫) অনুধিতা, (১৬) নামৰ মহিমা, (১৭) নাম অন্বয়, (১৮) তুতি, (১৯) খেদ, (২০) নিবেদন, (২১) যুগধৰ্ম নিৰ্ণয়,(২২) কলিধৰ্ম নিৰ্ণয়, (২৩) ঈশ্বৰ পুৰুষৰ লক্ষণ, (২৪) মহিমাযুক্ত উপদেশ, (২৫) আশ্ৰয়, (২৬) কাৰুণ্য, (২৭) মহিমা, (২৮) কাকুতি, (২৯) কীৰ্ত্তনৰ প্ৰশংসা, (৩০) ভাগৱত প্ৰশংসা, (৩১) পৰম পুৰুষাৰ্থ, (৩২) তাৎপৰ্য, (৩৩) বৰ্ণাশ্ৰম, (৩৪) সাৰনিৰ্ণয়, (৩৫) বিৰকতি, (৩৬) নামছন্দ, (৩৭) ঘোষা ছন্দ। এই পটলসমূহেৰে তাৰাই নাম-ঘোষাৰ সুৰ আৰু ৰসৰ মৌচাক নিৰ্ম্মাণ কৰিছে। তাকে কৰিবলৈ যাওঁতে তাৰাই মধুকৰৰ দৰে বিভিন্ন শাস্ত্ৰৰ পৰা সাৰতত্ব সংগ্ৰহ কৰি সুৰ আৰু ৰসেৰে নামঘোষা পুথিখনি সজাইছে। বিভিন্ন গ্ৰন্থসমবহ ক্ৰমে---- (১) পদ্ম পুৰাণ, (২) ব্ৰহ্ম পুৰাণ, (৩) স্বন্ধ পুৰাণ, (৪) বিষ্ণু পুৰাণ, (৫) বামণ পুৰাণ, (৬) মৎস্য পুৰাণ, (৭) ভক্তি ৰত্নাৱলী, (৮) গীতা, (৯) ভাগৱত, (১০) শ্ৰীধৰ স্বামীৰ ভাগৱত ভাৱাৰ্থ দীপিকা, (১১) শঙ্কৰাচাৰ্যৰ মোহ মুদ্‌গৰ, (১২) বৈষ্ণৱামৃত লহৰী, (১৩) ভক্তি বিবেক, (১৪) ভাগৱত ভাৱাৰ্থ দীপিকা, (১৫) কৰ্মু পুৰাণ, (১৬) ব্ৰহ্মাণ্ড পুৰাণ আদি।

ঘোষাৰ পটলসমূহ ৬ টা ছন্দত সজাইছে। ছন্দকেইটা ক্ৰমে---(১) ছবি, (২) দুলড়ী (৩) পদ,(৪) লছাৰী,(৫) নামছন্দ আৰু (৬)ঘোষা ছন্দ।

ঘোষাখনি ছবি ছন্দত ভজন পটলত আৰম্ভ কৰি বিভিন্ন ৰস সৃষ্টি কৰি ৰসতে শেষ কৰিছে। ৰসজ্ঞসকলে উল্লেখ কৰা নৱৰসৰ লগত নাম-ঘোষাৰ ৰসৰ মিল নাই অথবা এই ৰস জিভা আৰু চকুৰে উপভোগ কৰা ৰসত্ত নহয়। এই ৰস হৃদয়ৰ ৰস। ইয়াক হৃদয়েহে উপলব্ধি কৰিব পাৰি। "It is through heart Lord is seen and not through intellecr,'' (Swami Bivekananda).ঘোষাখনিৰ আৰম্ভণিতে ৰসক অধিক হৃদয়ব্যঞ্জক কৰিবৰ কাৰণে 'ৰসময়ী' শব্দ প্ৰয়োগ কৰিছে। 'ৰস'ৰ লগত 'ময়ট' প্ৰত্যয় যোগ কৰি ৰসময় কৰা হৈছে আৰু 'ৰসময়'ৰ লগত 'ঈ' প্ৰত্যয় সংযোগ কৰি 'ৰসময়ী' কৰা হৈছে।

আগতে উল্লেখ কৰা হৈছে যে প্ৰথমে ৰসময়ী ভক্তিৰে ঘোষাখনি আৰম্ভ কৰি ক্ৰমে নটা ৰস সৃষ্টি কৰি শেষত---"এহু ৰস মাধৱ মুৰুখমতি গাৱে" বুলি শেষ কৰিছে। তাৰাই সৃষ্টি কৰা নটা ক্ৰমে--- (১) অমৃত ৰস, (২) কৃপা ৰস, (৩) সেৱা ৰস, (৪) মহাভাগৱত ৰস, (৫) প্ৰেম ভকতি ৰস, (৬) কীৰ্ত্তন ৰস, (৭) নাম ৰস (৮) কৃষ্ণ যশ ৰস, (৯) মকৰন্দ ৰস। এই নটা ৰসৰ দ্বাৰা তাৰাই পটল আৰু ছন্দ অনুসৰি বিভিন্ন সুৰ সৃষ্টি কৰি গৈছে। আমি তাৰাই সৃষ্টি কৰি

যোৰা কেইজোকামান ঘোষা যথা সুৰত নিবন্ধ কৰা হৈছে। ঘোষাফাকিয়ে অভয় ভগৱন্ত কৃষ্ণ লাভৰ তত্ত্ব দেখুৱাইছে। তদুপৰি মুক্তিত স্পৃহাহীনতাৰ কথা আৰু গুৰু, দেৱ আৰু ভকতৰ সমন্ধ দেখুৱাইছে। চাৰিমাত্ৰাত বান্ধি তাল ব্যৱহাৰৰো ব্যৱস্থা কৰি দেখুৱা হৈছে।

(১)

| | | | | |
|---|---|---|---|---|
| সা — — নি<br>মু S S ক্তি | — — পা —<br>S S ত S | পা — ধা —<br>নি S স্পৃ S | নি — — —<br>হ S S S | নি — — নি<br>যি S S S |
| — — ধা —<br>S S টৌ S | পা — ধা —<br>সে S S S | নি — — —<br>হি S S S | নি S S S<br>ভ S S S | সা — — —<br>ক S S S |
| সা নি ধা —<br>ত S ক S | পা ধা পা গা<br>ন S S মো | — গাপা পা ধা<br>S ৰ S স | — ধা — —<br>S ম S S | ধা — — —<br>য়ী S S S |
| পা — ধা নি<br>মা S S গো | — — পা ধা<br>S S হো S | নি ধা পা —<br>ভ S ক S | নি ধা — পা<br>S তি S S | — — — —<br>S S S S |
| পা — — পা<br>স S S ম | — — গা —<br>S S স্ত S | গা পা — ধা<br>ম স্ত ৎ ক | ধা নি — ধা<br>ম S S ণি | পা ধা — নি<br>S নি S জ |
| নি — সা —<br>ভ ৎ ক ৎ | — ধা — নি<br>S ত S ৰ | — ধা নি পা<br>S ব S শ্য | — গা — পা<br>S ভ S জো | — গা — পা<br>S হে S ন |
| — ধা — নি<br>S দে ৱ ৎ | নি ধা পা —<br>য S দু S | গাপা — ধা নি<br>প S S তি | — — — —<br>S S S S | — — — —<br>S S S S |

উল্লেখযোগ্য যে, ঘোষাজোকাত ব্যৱহাৰ হোৱা স্বৰৰ ৰূপটোৱে শাস্ত্ৰীয় সঙ্গীতৰ এটি ৰূপ প্ৰকাশ হোৱা পৰিলক্ষিত হৈছে। শাস্ত্ৰীয় সঙ্গীতৰ মতে ইয়াত ৫ টা স্বৰ ব্যৱহাৰ হৈছে। অন্যহাতে শাস্ত্ৰীয় পদ্ধতিত ব্যৱহাৰ হোৱাৰ দৰে 'মিৰ' 'গমক' আদিও ব্যৱহাৰ হৈছে। ঘোষাজোকাত সা, গা, পা, ধা, নি এই পাঁচটা স্বৰ ব্যৱহাৰ হৈছে। ধাৰ পৰা পা লৈ (ধা-পা) মিৰ, গা স্বৰ (গাপা) কণ হিচাপে আৰু প্ৰায় ন্যাস স্বৰত গমন ব্যৱহাৰ হৈছে। ইয়াত ৰে আৰু মা বৰ্জিত হৈছে। ঘোষাজোকাত





স্বসমূহ উত্তৰাঙ্গবাদী। গতিকে ইয়াত এটি শাস্ত্ৰীয় ৰূপ সম্পূৰ্ণকৈ ফুটি উঠিছে।

দুলড়ি ছন্দৰ পটলৰ তলত এজোকা ঘোষা স্বৰেৰে যথা সুৰত বান্ধি দেখুৱা হৈছে। ঘোষাজোকাত অপৰাধ ভজনৰ প্ৰাৰ্থনাৰে ভগৱন্ত বস্তুত একান্ত শৰণ লোৱা দেখুৱা হৈছে।

ঘোষাজোকাত সা, ৰে, মা, পা, ধা, নি স্বৰকেইটি ব্যৱহাৰ হৈছে। ইয়াত 'গান্ধা'ৰ স্বৰ হৈছে। ন্যাস স্বৰত গমন ব্যহাৰ হৈছে।

তলত অন্য এজোকা ঘোষা স্বৰত বন্ধা হৈছে।

(২)

| | | | |
|---|---|---|---|
| সা — — মা<br>ম S ই S | মা — — ধা<br>দু S S বা | — — ধা —<br>S S চা S | — — ধা নি<br>S S ৰ S |
| নি — ধা —<br>কে S ব S | — নি — ধা<br>S S S লে | পা — — ধা<br>তো S S মা | — ধা — —<br>S ৰ S S |
| ধা নি ধা পা<br>অ প ৰা ধী | মা পা মা —<br>S না ৰা S | মা পা ধা —<br>য় S ণ S | মা — পা —<br>ক্ষ S মি S |
| ধা পা — —<br>য়ো ক S S | ধা — — পা<br>হ S S ৰি | — পা — ধা<br>S লৈ S য়ো | — ধা — পা<br>S দা S স |
| পা — মা ৰে<br>S S ক ৰি | — ৰে মা পা<br>S প শি লো | — মা — পা<br>S হে S ৰা | — ধা পা মা<br>S শ ৰ ণ |
| — — — —<br>S S S S | | | |

ঘোষাজোকা ঈশ্বৰ নিৰ্ণয় পটলৰ লেছাৰী ছন্দৰ। ঘোষাজোকাত কৃষ্ণই একামাত্ৰ আমাৰ আৰাধ্য শ্ৰেষ্ঠ দেৱতা হিচাপে প্ৰতিপন্ন কৰি দেখুৱাইছে। কাল-মায়া আদিৰ পৰা তেওঁৰ বাদে কোনো দেৱতাই হাৰ সৰাব নোৱাৰে। স্ৰজন আৰু সংহাৰ কৰোতা সমগ্ৰ জগতৰ সাৰস্বৰূপ। সেই অৰ্থতে মাধৱদেৱে সুৰ আৰু ৰস সৃষ্টি কৰিছে।

ঘোষাজোকাত সা ৰে গা মা পা নি স্বৰ ব্যৱহাৰ হৈছে। ধৈৱত স্বৰ বৰ্জিত। গান্ধাৰ আৰু নিষাদ কোমল স্বৰ হিচাপে ব্যৱহাৰ হৈছে। প্ৰায় ন্যাস স্বৰ গমক হিচাপে ব্যৱহাৰ হৈছে।

চমু আলোচনাটিত ঘোষাৰ সকলো সুৰ স্বৰত বান্ধি দেখুৱা সম্ভৱ নহয়। সেয়ে এজোকা কাকুতি পটলৰ ঘোষাৰে সামৰণি মৰা হৈছে। কাকুতি ঘোষাত ভক্ত প্ৰাণৰ আতি অনুশোচনা আৰু আপোন অসমৰ্থৰ কাৰণে এক দুখ আৰু

বিষাদবোধ ব্যক্ত হৈছে। লক্ষ্মীনাথ বেজবৰুৱাৰ মতে----“এইটি ভক্তৰ হৃদয় কন্দৰ স্থিত ভক্তিৰস বিমিশ্রিত কি সুন্দৰ প্রার্থনা।

(৩)

| | | | |
|---|---|---|---|
| সা --- ---- পা | সা পা মা গা | গা -- মা --- | প -- নি পা |
| কৃষ্ণ S S S | এ ক দে ৱ | দু S খ S | হা S S ৰী |
| নি ---- সা ----- | ৰে --- গা --- | গা ৰে সা নিপা | পা নি সা সা |
| কা S ল S | মা S যা S | আ দি S ৰোS | অ ধি কা ৰী |
| পা নি স্ম ৰে | --- ৰে --- গা | ---- ৰে -- মা | ৰে গা -- --- |
| কৃ ষ্ণ বি নে | S শ্ৰে S ষ্ঠ | S দে S ব | না হি S S |
| ৰে সা নি --- | সা ৰে গা নি | --- --- --- ---- | --- --- --- ---- |
| না S হি S | স্ম S S ৰ | S S S S | S S S S |
| পা নি নি পা | পানি সা ৰে মা | --- মা পা --- | পা --- পা --- |
| সৃ ষ্টি স্থি তি | অS S S স্ত | S কা ৰী S | দে S ব S |
| মা পা মা ৰে | ৰে সা নি পা | পা নি সা --- | নি সা ৰে সা |
| তা ন্ত বি নে | আ ন S S | না S হি S | কে S হ S |
| পা নি সা ৰে | ৰে সা নি -- | পা নি সা --- | ৰে সা নি — |
| জা নি বা S | বি ষ্ণু সে S | স ম স্ত --- | জ গ তে S |
| নি সা ৰে --- | সা ---- --- ---- | --- ---- --- ---- | --- --- --- ----- |
| সা S S S | ৰ S S S | S S S S | S S S S |

ভক্তৰ হিয়াৰ ধৰ্মস্থলীৰ পৰা ওলোৱা কি নিবেদন, কি আবেদন, কি কাকুতি, কি প্রাণস্পর্শী প্রার্থনা।” তেনে এক তাৎপৰ্যপূর্ণ কাকুতি ঘোষা যথা সুৰত বান্ধি দেখুৱা হৈছে।

ঘোষাজোকাত সা, ৰে, গা, মা, পা, ধা, নি স্বৰ ব্যৱহাৰ হৈছে। গান্ধাৰ, ধৈৱত নিষাদ স্বৰ কোমল। কোনো স্বৰ বৰ্জিত হোৱা নাই। ‘মা’ৰ পৰা ‘সা’লৈ ‘মিৰ’ হৈছে।

(৪)

| | | | |
|---|---|---|---|
| গা মা পা --- | মা পা ধা পা | মা পা মা গা | গা মা পা ধা |
| কি ম তে S | ভ ক S তি | ক ৰি S বো | তো S মা ত |
| মাপা পা নি পা | মা --- --- সা | সা গা মা ---- | মা পা --- নি |
| হS S S ৰি | এ S S S | ম ই মূ S | ঢ় ম S তি |
| নি পা মা গা | ৰে গা মা গা | গা মা গা --- | পা মা গা ৰে |
| ন S জা নো | তা S ৰ S | উ পা য় S | ৰা S ম S |
| ৰে গা ৰে সা | --- --- --- ---- | | |
| ৰা S S ম | S S S S | | |





নাম-ঘোষাখনি আধ্যাত্মিক ভাৱব্যঞ্জনাই ৰস আৰু সুৰ সৃষ্টি কৰাত অধিক সহায়ক হৈছে। বাণীকান্ত কাকতিয়ে ক’বৰ দৰে — “নামঘোষাত তিনিটা ভাৱধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰলৈ প্রধাৱমান হৈছে– পুণ্যশ্লোক শঙ্কৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণ ভক্তি মাহাত্ম্য।” আৰু কৈছে-“ হিয়াভেদ কৰি ওলোৱা লোৱা ৰসময়ী ভক্তিয়েই নামঘোষাক শিক্ষামূলক পদ সংগ্ৰহৰ পৰা আঁতৰাই আনি জীৱন ৰসেৰে অভিষিক্ত প্রকৃত সাহিত্যৰ সন্মুখ আসনত ঠাই দিছে।”

“ৰসো বৈ সঃ” ৰসেই ভগৱন্ত। ৰসময় ভগৱন্তক ভক্তি উপজিলে সাধকসকল ৰসত মজি আনন্দত মগ্ন হৈ সংসাৰৰ দুখ-যন্ত্রণা পাহৰি যায়। ভগৱন্তৰ এনে অনুৰাগ হ’লেই প্রেম বা ভক্তি ওপজে। সেই প্রেম বা ভক্তিতেই ৰসস্বৰূপ ভগৱন্তৰ ৰসময়ী স্বৰূপ উপলব্ধি হয়। সেয়ে ভক্তসকলে ভগৱন্তৰ ওচৰত ৰসময় অনুগ্রহহে বিচাৰে। উক্ত কথাখিনিতেই নামঘোষাৰ সাঙ্গীতিক প্রকৃত মূল্যায়ন হয়। কাৰণ নামছন্দ খণ্ডত মাধৱ পুৰুষ ভাগৱত প্রেমত সম্পূর্ণ আত্মহাৰা হৈ ৰস আৰু সুৰত সম্পূৰ্ণ জাহ গৈছে। নাম, ভগৱন্ত আৰু তেওঁৰ মাজত অলংঘন ৰস আৰু সুৰৰ সমলয় ধ্বনি সাধন কৰি নিজে নাম আৰু নামী ৰসময় ভগৱন্তৰ লগত ঘটা অভিন্ন ৰস উপলব্ধি কৰিব পাৰিব। সেয়ে সাধক আৰু সাধনাৰ চৰম অৱস্থা। নাম-ঘোষাৰে চৰম লক্ষ্যও তাতে প্রতিষ্ঠিত।

---

**লেখকৰ পৰিচয় ঃ**

শ্রীনীলকান্ত বৰা
ঢেকিয়াল, গোলাঘাট।

# নাম-ঘোষাৰ ধৰ্ম- দৰ্শন

**ড° সঞ্জীৱ কুমাৰ বৰকাকতী**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্ত্তন কৰা একশৰণ নামধৰ্মৰ তত্ত্বসমূহ তাৰাৰ নিজৰ ৰচনাৱলীৰ মাজতে সুন্দৰভাৱে প্ৰকাশ হৈ আছে। কিন্তু সিবোৰৰ উপৰি মাধৱদেৱৰ 'নাম-ঘোষা' পুথিখনো এই প্ৰসঙ্গত অৱশ্যম্ভাৱীৰূপে উল্লেখ হয়। তাৰ কাৰণটো হৈছে এই সংক্ষিপ্ত ভক্তিৰস সিক্ত পুথিখন গুৰুজনাৰ আজ্ঞামৰ্মেই ৰচিত হৈছিল আৰু ইয়াত তাৰাৰ ধৰ্ম-দৰ্শনৰো সম্যক প্ৰতিফলন ঘটিছে। ভক্তিৰ আবেগ আৰু দৰ্শনৰ গভীৰতা যি অপূৰ্ব সংমিশ্ৰণ এই পুথিত ঘটিছে, সি সচাঁকৈয়ে অতুলনীয়।নাম-ঘোষা শাস্ত্ৰখন প্ৰেমভক্তিৰ আদৰ্শ অনুসৰণ কৰা লোকসকলৰ বাবে হাত-পুথিৰ দৰে। কিন্তু একেটা সময়তে শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত বিৱৰ্তিনবাদৰ তত্ত্বসমূহো ইয়াত প্ৰাঞ্জলভাৱে বিবৃত হৈছে।[১]

শ্ৰীমন্ত শঙ্কৰদেৱে ঈশ্বৰ আৰু ব্ৰহ্মক একে বুলি কৈছে। উভয় সংজ্ঞাৰ বাবে তাৰাই 'কৃষ্ণ' নামকে ব্যৱহাৰ কৰিছে। সমস্ত সৃষ্টিৰ অন্তৰ্নিহিত মূল সত্য বস্তুটোৱেই হৈছে কৃষ্ণ। অৰ্থাৎ কৃষ্ণই হৈছে পৰম সত্য, পৰম জ্ঞান, আৰু পৰম চৈতন্য।এই সত্য বিনে আন সকলো মায়া অৰ্থাৎ অস্থায়ী। বিৱৰ্তনবাদৰ এয়া এক মূল সূত্ৰ। তাকে মাধৱদেৱে প্ৰাঞ্জল ভাষাৰে বৰ্ণনা কৰিছে,

হে কৃষ্ণ তুমি মাত্ৰ        চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো        তোম্হাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত।। (নামঘোষা/৭৩)

নামধৰ্ম্মত যে কৃষ্ণক পৰমাত্মা আৰু ঈশ্বৰ দুয়োবিধ সংজ্ঞা দিয়া হয়, সেয়া নাম-ঘোষাতে স্পষ্ট হৈছে,

শুনিয়োক চিত্ত হেৰ        পৰম ৰহস্য বাণী
তুমি শুদ্ধ জ্ঞানৰ আলয়।
কৃষ্ণ নিত্য শুদ্ধ বুদ্ধ        পৰম ঈশ্বৰ দেৱ
নছাড়িবা তাহান আশ্ৰয়।। (নামঘোষা/৯৬)





কৃষ্ণই যে সচ্চিদানন্দ পৰমব্ৰহ্ম, তাক এই মহা শাস্ত্ৰখনত নিৰহ-নিপানীকৈ বুজোৱা হৈছে-

কৃষ্ হেন শব্দ ইটো        পৃথিৱী বাচক ভৈল
ণ আনন্দত প্ৰৱৰ্ত্তয়।
দুইৰো একপদ ভৈলে        পৰমব্ৰহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয়।। (নামঘোষা/১৪০)

কোৱা বাহুল্য মাথোন, মাধৱদেৱে ইয়াত শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শনকে পৰিৱেশন কৰিছে।নামঘোষা পুথিখন তেওঁ গুৰুজনাৰ আজ্ঞাতে ৰচনা কৰিছিল। গতিকে ইয়াৰ দৰ্শন শ্ৰীমন্ত শঙ্কৰদেৱৰে দৰ্শন।

শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শনৰ এনে বৈশিষ্ট্য অন্য দৰ্শনত কমেই দেখা যায়। তাৰাই নিৰ্গুণ আৰু সগুণ তত্ত্বৰ যিদৰে সমন্বয় কৰিছে সেয়া অভূতপূৰ্ব। অন্য দৰ্শনসমূহত এনে সমন্বয় সঙ্গতিপূৰ্ণ।[৩] মাধৱদেৱে সেয়ে উচ্চস্বৰে গাইছে -

নিৰ্গুণ কৃষ্ণৰ        গুণক প্ৰকাশ
কৰিলা শ্ৰী শঙ্কৰে।
শ্ৰৱণ কীৰ্ত্তন        কৰি মহাসুখে
পাপীয়ো সংসাৰ তৰে।। (নামঘোষা/৩৫৭)

ভাৰতীয় দৰ্শনসমূহত মায়াৰ বিষয়ে অনিবাৰ্যভাৱে আলোচনা কৰা হয়, কাৰণ মায়াৰ ধাৰণাৰ সৈতে ভাৰতীয়সকল সুপৰিচিত। এই সন্দৰ্ভত শ্ৰীমন্ত শঙ্কৰদেৱৰ স্থিতি এয়ে যে মায়া ঈশ্বৰৰ কাৰ্য, গতিকে তেওঁৰ কৃপাতেহে জীৱই মায়াৰ প্ৰভাৱৰ পৰা নিস্তাৰ পাব পাৰে।[৪] মাধৱদেৱে সেয়ে ভগৱন্তৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনাইছে।

তোম্হাৰ মায়ায়ে হৰি        কপট গুণক ধৰি
মুহি আছে আমাক সমূলি।
গুচায়োক মায়া স্বামী        তোম্হাৰ চৰণে আমি
ভজিলোহো জয় জয় বুলি।। (নামঘোষা /৬৯)

একমাত্ৰ ঈশ্বৰহে সত্য। তেওঁৰ সৃষ্টি মায়া চূড়ান্তভাৱে অসত্য তথা জড় বস্তু।

মায়া আদি কৰি        সমস্তে অসন্ত
জানিবা জড় নিশ্চয়।
হৰি মাত্ৰ সন্ত        চৈতন্য ঈশ্বৰ
পৰম তত্ত্ব নিৰ্ণয়।। (নাম-ঘোষা ২০৫)

সৃষ্টিৰ প্ৰথম জীৱ ব্ৰহ্মাকে ধৰি সকলোৱেই মায়াৰ অধীন।

ব্ৰহ্মা আদি কৰি জীৱ যত ৰাম ৰাম ৰাম ৰাম ৰাম
মায়াশয্যা মাজে আছয় ঘুমটি যাই।। (নাম-ঘোষা/৬৫৯)

সেই মায়াৰ অধিপতি হৈছে ভগৱান, যাৰ ফলত মনুষ্য অজ্ঞান আন্ধাৰত নিমজ্জিত হয়।

কৃষ্ণ এক দেৱ দুখহাৰী কালমায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ। (নাম-ঘোষা/৫৮৬)
তোহ্মাৰ মায়ায়ে মন মুহি আছে হৰি এ
অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নপাএঁা ৰাম ৰাম। (নামঘোষা/৭৯২)

ঈশ্বৰৰ সৃষ্টি, মায়াক ঈশ্বৰেহে দূৰ কৰিব পাৰে। সেইবাবে তেওঁ মধুসূদন নাম পাইছে।

মধুমতী মায়া উন্মত্ত কৰায়া
আছে যত জীৱগণ।
ভক্তৰ মায়াক পীড়ন নিমিত্তে
বোলয় মধুসূদন।। (নাম-ঘোষা/১৬৫)

ঈশ্বৰেই একমাত্ৰ চৈতন্য বস্তু, বাকী সকলোৱেই জড়। ঈশ্বৰ মানে পৰম ব্ৰহ্ম, যাৰ স্বৰূপ হৈছে আনন্দ। জগতৰ সমস্ত কৰ্মৰ অন্তৰালত তেৱেঁই থাকে।

চৈতন্য শক্তিৰ দ্বাৰে ইটো জড় জগতক
ৰমাৰন্ত কৰ্ম্ম অনুৰূপে।
এতেকেসে ঈশ্বৰৰ পৰম প্ৰসিদ্ধ ৰাম
নাম আক জানিবা স্বৰূপে ।। (নামঘোষা/১৫৩)
অনন্ত চৈতন্য আত্মা সদানন্দ ঈশ্বৰত
যোগীজনে সদায় ৰময়।
এহি হেতু ৰাম পদে পৰমব্ৰহ্ম স্বৰূপক
কহে ৰামনামৰ অন্বয়।। (নামঘোষা /১৫৪)

ঈশ্বৰ আৰু জীৱৰ সম্পৰ্কৰ সন্দৰ্ভত শ্ৰীমন্ত শঙ্কৰদেৱৰ স্থিতি অনন্য। তাৰাৰ মতে জীৱসমূহ ঈশ্বৰৰ অংশ আৰু শৰীৰ; কিন্তু একেটা সময়তে ঈশ্বৰ আৰু তেওঁৰ সৃষ্টি অভিন্ন।[৫] এইখিনিতে বিশিষ্টাদ্বৈতবাদৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ





দৰ্শনৰ পাৰ্থক্যখিনি স্পষ্টকৈ ওলাই পৰিছে। গুৰুজনাৰ এই দৰ্শন মাধৱদেৱৰ লেখনীত সুন্দৰভাৱে প্ৰকাশ হৈছে।

তুমি নিত্য নিৰ ঞ্জন নাৰায়ণ
আমিও অংশ তোহ্মাৰ।
তযু সেৱাচোৰ পায়া মহামায়া
মুহিলে মন আন্ধাৰ। (নামঘোষা/২৭৩)
সকল জগত ইটো বাসুদেৱময় মাত্ৰ
পুৰুষাৰ্থ জানিবা জ্ঞানীৰ।। (নামঘোষা/১২৩)

মোত হন্তে হোৱে চৰাচৰ মোতেসে প্ৰৱৰ্ত্তে নিৰন্তৰ
ইহাক অৰ্জ্জুন জানে যিটো মহাজন। (নামঘোষা/৬১৫)
যিহেতু চৈতন্য পূৰ্ণ পৰমাত্মা ৰূপে হৰি
হৃদয়ত আছন্ত প্ৰকাশি।
তাতেসে ইন্দ্ৰিয়গণ ভূত প্ৰাণ বুদ্ধি মন
প্ৰৱৰ্ত্তে যতেক জড়ৰাশি।। (নামঘোষা /২২)

নাম-ঘোষাত মাধৱদেৱে ঈশ্বৰৰ স্বৰূপ আনন্দ বুলি স্পষ্টভাৱে কৈছে। সেয়াই হৈছে পৰম ব্ৰহ্মাৰ স্বৰূপ। জীৱসকলে সেই স্বৰূপ উপলব্ধি কৰি আনন্দ সমুদ্ৰত অৱগাহন কৰে। এয়া এক অদ্বৈতবাদী অনুভৱ।

চিদানন্দ ঘন স্বৰূপত ঈশ্বৰ কৃষ্ণত নিত্যাগত
পৰম আনন্দ কৰে সিটো সাধু নৰে।। (নামঘোষা/৬২৩)
সমস্তে জীৱৰ বুদ্ধি সাখী কেৱলে আনন্দ অনুভৱ
স্বৰূপ সুখৰ সাগৰ দেৱ ঈশ্বৰ।। (নামঘোষা/৬৫৬)

ঈশ্বৰৰ এই আনন্দময়তাৰ ধাৰণাই ঈশ্বৰ আৰু ব্ৰহ্মাৰ একত্বকে সাব্যস্ত কৰে। সেইবাবে সমস্ত সৃষ্টিৰ আদি আৰু অন্ত। শ্ৰীমদ্ভগৱদ্‌গীতাৰ সেই ধাৰণা নাম-ঘোষাত উদ্ধৃত হৈছে।

মোত হন্তে হোৱে চৰাচৰ মোতেসে প্ৰৱৰ্ত্তে নিৰন্তৰ
ইহাক অৰ্জ্জুন জানে যিটো মহাজন। (নামঘোষা/৬১৫

নামধৰ্মত ঈশ্বৰৰ নামক সাধন স্বৰূপে গ্ৰহণ কৰা হয়। ই এক নিৰ্গুণ সাধন

আৰু তাৰ মাজেৰেই ঈশ্বৰ প্ৰাপ্তি ঘটে। ঈশ্বৰ আৰু ব্ৰহ্ম এক। গতিকে নামেই ব্ৰহ্ম, আৰু নামৰ মাজতে ব্ৰহ্ম প্ৰকট হয়। ঈশ্বৰ, ব্ৰহ্ম, আৰু নামৰ একত্ব নামঘোষাত সুন্দৰভাৱে প্ৰকাশ হৈছে।

যেই নাম সেই হৰি জানা নিষ্ঠ কৰি।। (নামঘোষা/৫২৪)
হৰিকো প্ৰকাশ কৰে ৰামকৃষ্ণনাম। (নামঘোষা/৪৮৩)
তযু গুণনাম হৰি কেৱলে নিৰ্গুণ মাত্ৰ
আৱৰ সমস্তে গুণময়। (নামঘোষা/৭৪)
সকল নিগম লতা তাৰ অবিনাশী ফল
কৃষ্ণ নাম চৈতন্য স্বৰূপ। (নামঘোষা/৭)

একশৰণ নামধৰ্মৰ নামৰ শ্ৰৱণ-কীৰ্ত্তনেই প্ৰধান সাধন। তাৰ কাৰণ হৈছে নাম আৰু নামী অভেদ। নামৰ মাজেৰেই নামী প্ৰকাশ হয়। সেইবাবে মাধৱদেৱে নাম-ঘোষাৰ শেষৰ ফালে কেৱল নামতে নিমজ্জিত হৈ ৰৈছে। কাৰণ ভকতৰ বাবে ঈশ্বৰৰ নামেই সম্পদ।

হৰি এ কৰুণাসিন্ধু জীৱন বন্ধু
গতি মতি তুমি নাৰায়ণ
তুৱা গুণনাম ভকতৰ মহাধন।। (নামঘোষা/৭৯৪)

নামেই ব্ৰহ্ম। সেইবাবে নামৰ মাজেৰে পৰম আনন্দ উপলব্ধি হয়। ভকতেও সেই আনন্দকে বিচাৰে।

হৰি গুণনাম অপাৰ আনন্দসিন্ধু ৰাম ৰাম।। (নাম-ঘোষা/৭১৮)

এই অনন্ত আনন্দৰ স্বৰূপে সচ্চিদানন্দকে সূচিত কৰে। গতিকে ভক্তিমাৰ্গৰ জৰিয়তে ইয়াত পৰম ব্ৰহ্মকে পৰম আৰাধ্যৰূপে লোৱা হৈছে। পূৰ্বতে কোৱা হৈছে যে শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শনৰ এয়া এক বিশেষ বৈশিষ্ট্য। তাৰাৰ দৰে নিৰ্গুণ আৰু সগুণৰ সমন্বয় আন কোনেও কৰিব পৰা নাই। এই ক্ষেত্ৰত নামঘোষাই ভক্তসকলক ব্যৱহাৰিকভাৱে মাৰ্গ প্ৰদৰ্শন কৰি আহিছে। ভগৱন্তক নিৰ্গুণ ৰূপত ব্যাখ্যা কৰিবলৈ ইয়াত অহোপুৰুষাৰ্থ কৰা হৈছে। ঈশ্বৰক নিৰ্গুণ তত্ত্বৰ ৰূপত উপলব্ধি কৰাটোৱেই ভকতৰ চূড়ান্ত লক্ষ্য।

তত্ত্বৰূপে সখি জানি মোক তৰিয়া দুৰ্ঘোৰ দুখঃশোক
অনন্তকালে গৈয়া আমাত হোৱে প্ৰৱেশ।। (নাম-ঘোষা/৬১৮)

নামধৰ্মৰ অনুগামীসকলক মাধৱদেৱে উপদেশ দিছে, তাৰ মাজেৰে নিৰ্গুণ ব্ৰহ্মৰ নিৰ্গুণ সাধনাৰ প্ৰয়োজন সুন্দৰভাৱে প্ৰকাশ হৈছে।





শাস্ত্ৰ গুৰু উপ দেশে শিষ্যসৱে
ঈশ্বৰক নেদেখয়।
বুদ্ধিক সত্ত্বস্থ কৰিয়া আপুনি
আত্মাক দেখে নিশ্চয়।। (নাম-ঘোষা/২৫৩)

নাম-ঘোষাৰ মাজেৰে ঈশ্বৰতত্ত্ব বা ব্ৰহ্মতত্ত্ব এনে সুন্দৰভাৱে প্ৰকাশ হৈছে যে যিজনে একান্তভাৱে ইয়াত প্ৰৱেশ কৰে, তেওঁ ঈশ্বৰ বা পৰমাত্মাক উপলব্ধি কৰে। সেইবাবে নাম-ঘোষাক “স্বয়ং কৃষ্ণ স্বৰূপ” বুলি অভিহিত কৰিব পাৰি।[৬] যি ভাষাত এনে এখন গ্ৰন্থ প্ৰকাশ হৈছে, সেই ভাষা ধন্য। যি ভূমিত এনে এখন গ্ৰন্থ প্ৰকাশ হৈছে সেই ভূমি ধন্য। এনে এখন গ্ৰন্থৰ কিঞ্চিৎ ৰস আস্বাদন কৰিবলৈ পাই আমাৰ জীৱন ধন্য হৈছে।

**<u>প্ৰসঙ্গ আৰু টোকা</u>**

১। শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্ত্তিত দৰ্শনক আমি বিৱৰ্তনবাদ নাম দিছোঁ, কাৰণ তাৰাৰ দৰ্শনত জীৱক প্ৰাথমিক স্তৰৰ পৰা অদ্বৈত স্তৰলৈ উত্তোলিত কৰাৰ সম্পূৰ্ণ সমল পোৱা যায় আৰু সেই সকলোবোৰ সঙ্গতিপূৰ্ণভাৱে পৰিৱেশিত হৈছে। (The uniqe philosophy of Srimanta Sankaradeva ডঃসঞ্জীৱ কুমাৰ বৰকাকতী Mahapurusa Jyoti, সম্পাদক ডঃসুৰেশ চন্দ্ৰ বৰা, নগাঁও,২০০২ খ্ৰীষ্টাব্দ।)

২। আমি বৰ্তমান লেখাত উদ্ধৃত কৰা নাম-ঘোষাৰ পদসমূহৰ পাঠ আৰু ক্ৰমিক নম্বৰৰ উৎস হৈছে--- মহাপুৰুষ মাধৱদেৱ বাক্যামৃত, সংকলক--সম্পাদক-- ডঃধৰ্মেশ্বৰ চুতীয়া, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, প্ৰথম প্ৰকাশ, নগাঁও, ১৯৯৪ খ্ৰীষ্টাব্দ। অৱশ্যে এই পাঠ আৰু ক্ৰমসমূহ আমি নিৰ্বিৰোধে গ্ৰহণ কৰা নাই। কিন্তু বৰ্ত্তমান লেখাত সেই সমালোচনা প্ৰসঙ্গ বৰ্জন কৰি চলা হৈছে।

৩। ডঃ সঞ্জীৱ কুমাৰ বৰকাকতী, ২০০২ খ্ৰীষ্টাব্দ।

৪। শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শন, ডঃ সঞ্জীৱ কুমাৰ বৰকাকতী, আজিৰ বাতৰি গুৱাহাটী,১২ মাৰ্চ ১৯৯৯ খ্ৰীষ্টাব্দ, লেখকৰ ‘শঙ্কৰদেৱৰ একশৰণ তত্ত্ব’ত সঙ্কলিত, প্ৰথম সংস্কৰণ, মৰাণ,২০০৩ খ্ৰীষ্টাব্দ।

৫। ডঃ সঞ্জীৱ কুমাৰ বৰকাকতী, খ্ৰীষ্টাব্দ।

৬। শ্ৰীশ্ৰীনাম-ঘোষা ভাষ্য, শ্ৰীসঞ্জীৱ কুমাৰ বৰকাকতী, প্ৰথম খণ্ড, প্ৰথম সংস্কৰণ, গুৱাহাটী, ১৯৯২ খ্ৰীষ্টাব্দ, শ্ৰীঅৰুণ চন্দ্ৰ গোস্বামীৰ আশীষবচন।

**লেখকৰ পৰিচয় -**

ড° সঞ্জীৱ কুমাৰ বৰকাকতী



জ্যেষ্ঠ অধ্যাপক, অৰ্থনীতি বিভাগ

# Thanks

Literature Branch
of
Srimanta Sankaradeva Sangha